
A.D.P. COLLEGE



# আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়

# ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ



১৯৫৯-৮৪

# স্মৃতিগ্ৰন্থ

প্ৰতি

শ্ৰীযুত / শ্ৰীযুক্তা ........................................................................................ লৈ

........................................................................ আন্তৰিক শুভেচ্ছাৰে।

সম্পাদক

# ৰূপালী জয়ন্তী উৎসৱ

১৯৮৩

সম্পাদক
মুকুল বৰা

## স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি ঃ

অধ্যক্ষ মঃ আব্দুল হাই--সভাপতি

উপাধ্যক্ষ শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ্মণ--উপসভাপতি

অধ্যাপক সহজানন্দ ওজা--উপদেষ্টা

অধ্যাপক পুষ্পকান্ত বৰা "

অধ্যাপক হীৰেণ শইকীয়া—সদস্য

অধ্যাপক শশীকান্ত বৰা "

অধ্যাপক এ, হান্নান "

অধ্যাপক ভৱকান্ত শৰ্মা "

অধ্যাপক পদ্ম শৰ্মা "

উপসভাপতি, ছাত্ৰ সন্থা--প্ৰদীপ কুমাৰ বৰুৱা—সদস্য

সাধাৰণ সম্পাদক—তৰুণ চন্দ্ৰ শইকীয়া,—সদস্য

—কমলচন্দ্ৰ বৰদলৈ, সদস্য

**সম্পাদক**

মুকুল বৰা

**যুটীয়া সম্পাদক ঃ**

আব্দুৰ ৰাসিদ চৌধুৰী

অধ্যাপক ডঃ নৰেন কলিতা--সহযোগী সদস্য

নিমন্ত্ৰিত সদস্যসকল ঃ

অধ্যাপক শ্ৰীযুত মহিম বৰা (নগাঁও কলেজ)

অধ্যাপক শ্ৰীযুত ললিত শইকীয়া (নগাঁও কলেজ)

অধ্যাপক শ্ৰীযুত ললিত হাজৰিকা (কলিয়াবৰ কলেজ)

সাংবাদিক শ্ৰীযুত প্ৰণৱ বৰা (নগাঁও)

শ্ৰীউপেন্দ্ৰ নাথ বৰা (মহাবিদ্যালয়ৰ প্ৰথম সাধাৰণ সম্পাদক)

বেটুপাত ঃ কমল চন্দ্ৰ বৰদলৈ

অঙ্গসজ্জা ঃ কমল চন্দ্ৰ বৰদলৈ

মুদ্ৰণত ঃ হেমকোষ প্ৰিন্টাৰ্ছ ঃ গুৱাহাটী--৭৮১০০৩



অসমৰ জাতীয় আন্দোলনৰ
জ্ঞাত অজ্ঞাত পুণ্যাত্মা শ্বহীদ সকলৰ
অমৰ স্মৃতিত যাচিছোঁ
অশ্ৰু-অঞ্জলি ॥

— সম্পাদক

যাৰ অসীম ত্যাগ, মহানুভৱতা আৰু কঠোৰ
পৰিশ্ৰমৰ বিনিময়ত আনন্দৰাম ঢেকিয়ালফুকন
মহাবিদ্যালয় আজি এটি জাকত জিলিকা
অনুষ্ঠানত পৰিণত হৈছেহি, সেই
সকলৰ পবিত্ৰ স্মৃতিত আজি এই
শুভ লগণত আমাৰ আন্তৰিক
শ্ৰদ্ধাঞ্জলি জ্ঞাপন
কৰিছোঁ ।

সম্পাদনা সমিতি---

# মহাবিদ্যালয় সঙ্গীত

ৰচনা ॥ অধ্যাপক হীৰেন্দ্ৰনাথ শইকীয়া, এম, এ,
সুৰ ॥ অধ্যাপক মলয়কুমাৰ ৰয়, এম, এ,
॥ অধ্যাপক শৰদ্‌মাধৱ কুম্ভে, এম, ,

●

এই প্ৰেম আৰু পুণ্যভূমি
অমৃত-জ্ঞানৰ এই প্ৰেম আৰু পুণ্যভূমি
আনন্দ আলয় বাণী-বন্দনাৰ দিব্যভূমি
এই প্ৰেম আৰু পুণ্যভূমি।

নাই ভেদ সৰু বৰ
পণ আমাৰ জীৱনৰ
শান্ত, শুদ্ধ এক সমাজ সজাৰ,

উৰ্ব্বৰ পৃথিৱীত
দুৰ্ব্বাৰ গতিৰে
দীপ্ত কৰ্ম্মময় জীৱন গঢ়াৰ,

জীৱন গঢ়াৰ এই মুক্তভূমি।
এই প্ৰেম আৰু পুণ্যভূমি।



যিজনা মহান ব্যক্তিৰ নামেৰে আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠিত সেইজনা
স্বৰ্গীয় আনন্দৰাম ঢেকিয়াল ফুকনদেৱ




আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ

৺শুকদেৱ গোস্বামী


# জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনত শ্বহীদ হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ



শ্বহীদ ভুধৰ ডেকা



শ্বহীদ নৰেন্দ্ৰ কুমাৰ নাথ



শ্বহীদ মঃ আতব আলি

## যাৰ স্মৃতি আমাৰ মানসপটত চিৰসেউজীয়া হৈ ৰ'ল।



স্বৰ্গীয় যুগল কুমাৰ বৰুৱা
মৃত্যু--১৯।৪।৮৩ গুৱাহাটী মেডিকেল কলেজ হাস্পাতালত।



স্বৰ্গীয় ঘন বৰা
মৃত্যু--২ অক্টোবৰ ১৯৮৩ চন



Somnath Rajkhowa
S/o Malaram Rajkhowa
Vill--Krishnaikhat P.O. Dakar Ghat Nowgong Assam.

Prof. J. M. Choudhury, M. Sc.
D.I.C., Ph. D. (Lond),
Vice-Chancellor
GAUHATI UNIVERSITY

Phone : No.-88412
Res.-88408
GAUHATI 781014
(India)

November 2, 1983

Dear Principal Hye,

I am glad to learn that the Anandaram Dhekial Phookan College, Nowgong, Assam has completed its 25 years of existance and the college authorities have decided to celebrate the Silver Jubilee of the institute in the month of November, 1983. The College has been giving valuable service to the people of the region in the field of higher education. The students and the staff members have also rendered commendable services to the society in the field of socio-cultural development.


I am sure the college will continue its service to the people of the region under able guidance of the Faculty members and with the co-operation of the students community for long time to come.

I am also glad to note that the Souvenir Committee is bringing out a 'Souvenir' on this happy occasion.

I wish the college all success, its all round development and a very bright future.

*Yours sincerely,*
**(J. M. Choudhury)**
Vice-Chancellor.

Shri M. A. Hye, M.A., LL.B.,
Principal, A. D. P. College,
Nowgong, Assam.



অধ্যক্ষ ৺শুকদেৱ গোস্বামীদেৱৰ স্বলিপি

# ॥ সূচীপত্ৰ ॥

## ১ম খণ্ড — স্মৃতি গ্ৰন্থ

### স্মৃতি চাৰণ


| | | |
|---|---|---|
| এডিপিৰ টুকুৰা স্মৃতি | ॥ ১ ॥ | অধ্যাপক শ্ৰীনৰেন্দ্ৰনাথ বৰা |
| স্মৃতিৰ সৌৰভ | ॥ ৩ ॥ | হৰেন্দ্ৰমোহন তালুকদাৰ |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ স্মৃতি-গাথা | ॥ ৪ ॥ | হৰনাথ গায়ন |
| আমাৰ এ ডি পি কলেজ | ॥ ৭ ॥ | পুহিৰাম দাস |
| স্মৃতি ৰোমন্থন | ॥ ৮ ॥ | প্ৰভাতচন্দ্ৰ শৰ্মা বৰুৱা |
| জীৱনৰ চাৰিটি মাধুৰী | ॥ ৯ ॥ | হিতেশ্বৰ বৰা |

---

| | | |
|---|---|---|
| সপোনকোঁৱৰ অধ্যক্ষ শুকদেৱ গোস্বামীৰ সান্নিধ্যত | ॥ ১৩ ॥ | খগেন্দ্ৰনাথ ভূঞাবড়া |
| স্বৰ্গীয় অধ্যাপক কন্দৰ্পদেৱ গোস্বামী ঃ মানুহজন | ॥ ১৮ ॥ | অধ্যাপক ডঃ মলয় কুমাৰ ৰয় |
| ইতিহাসে গৰকা এ, ডি, পি কলেজ | ॥ ২০ ॥ | উপেন্দ্ৰ নাথ বৰা |
| ঘন বৰাৰ স্মৃতিত | ॥ ২৭ ॥ | শৰৎ কুমাৰ সুত |
| অধ্যাপক আবু নছৰ ওয়াহিদৰ সোঁৱৰণত | ॥ ২৯ ॥ | নাৰায়ণ চন্দ্ৰ বৰ্মন, উপাধ্যক্ষ |
| অধ্যক্ষৰ প্ৰতিবেদন | ॥ ৩১ ॥ | |
| সম্পাদক ৰূপালী জয়ন্তী উছৱ উদযাপন সমিতি | ॥ ৩৫ ॥ | |
| সম্পাদকীয় | ॥ ৩৬ ॥ | |
| মহাবিদ্যালয়ৰ প্ৰথমখন পৰিচালনা সমিতিৰ সদস্যবৃন্দ | ॥ ৩৭ ॥ | |
| বৰ্তমান পৰিচালনা সমিতি | ॥ ৩৭ ॥ | |
| ৰূপালী জয়ন্তী উদযাপন সমিতি | ॥ ৩৮ ॥ | |
| মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিসকল (১৯৫৯-৮৩) | ॥ ৪০ ॥ | |
| মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীসকল | ॥ ৪০ ॥ | |

বিশেষ প্ৰবন্ধ

# নগাঁৱত আনন্দৰাম ঢেকিয়াল ফুকন আৰু তেওঁৰ প্ৰশাসন

যোগেন্দ্ৰনাৰায়ণ ভুঞা

"আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ" প্ৰণেতা গুণাভিৰাম বৰুৱাৰ মতে ঢেকিয়াল ফুকনে নগাঁৱত পোনতে ষ্ট্ৰং চাহাবৰ ছুটীত চব্ এচিষ্টেন্ট কমিচনৰৰ পদত একটীনী কৰ্ম কৰে ১৮৫০ খ্ৰীষ্টাব্দৰ ১১ নৱেম্বৰৰ পৰা। নগাঁৱৰ তদানীন্তন প্ৰিঞ্চিপেল এচিষ্টেন্ট কমিচনৰ মেজৰ জন বাট্‌লাৰ সেই সময়তে নগা পৰ্বতলৈ যাব লগা হোৱাত ঢেকিয়াল ফুকনেই জিলাখনৰ কোষাগাৰৰ দায়িত্বত থাকিব লগা হয়, আৰু যাৱতীয় প্ৰশাসনিক ভাৰো ১৮৫১ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰ আগ ভাগলৈকে তেওঁৰ ওপৰতে ন্যস্ত হয়। ১৮৫৩ খ্ৰীষ্টাব্দৰ জুলাই মাহৰ ১৯ তাৰিখৰ পৰা ঢেকিয়াল ফুকনক নগাঁৱত দ্বিতীয়বাৰ চব এচিষ্টেন্ট নিয়োগ কৰে ষ্ট্ৰং চাহাবৰ মৃত্যুত খালী হোৱা পদত। ১৮৫৪ চনৰ "মাৰ্চ মাহৰ আদিতে বাট্‌লৰ চাহাব গুৱাহাটীত ডেপুটী কমিচনৰ হৈ যোৱাত ফুকনে আকৌ জিলাৰ সম্পূৰ্ণ ভাৰ পালে" বুলি গুণাভিৰাম বৰুৱাই কৈছে। সেই চনৰ এপ্ৰিল মাহত নগাঁৱত ফুকনক জুনিয়ৰ এচিষ্টেন্ট আৰু সদৰ আমীনৰ ক্ষমতা দিয়ে। নগাঁৱত দ্বিতীয়বাৰ নিযুক্তি পোৱাৰ পিছৰে পৰা জীৱনৰ শেষলৈকে ঢেকিয়াল ফুকন নগাঁৱতেই চৰকাৰী কৰ্মত ব্যাপৃত থাকিব লগা হয়। এই কাল-ছোৱাৰ ভিতৰত তেওঁ বিভিন্ন সময়ত প্ৰশাসনিক ক্ষেত্ৰত নগাঁও জিলাৰ "সম্পূৰ্ণ ভাৰ" পাইছিল বুলি গুণাভিৰাম বৰুৱাই উল্লেখ কৰিছে। এই ভাৰ পোৱা কথাই তেতিয়াৰ প্ৰিঞ্চিপেল এচিষ্টেন্ট আৰু এতিয়াৰ উপায়ুক্তৰ ক্ষমতা লাভ কৰাটো সূচাইছে। পিছে এই ক্ষমতা কোন বাৰ কিমান দিনৰ নিমিত্তে তেওঁ পাই-ছিল, তাৰ সবিশেষ গুণাভিৰামে দিয়া নাই। আনন্দৰাম সম্পৰ্কীয় অৰ্বাচীন কোনো আলোচনাতো সেই কথা বিতংভাৱে ক'তো আলোচিত হোৱা নাই। সমলৰ অভাৱেই যে ইয়াৰ প্ৰধান হেতু, সেই কথা কোৱা বাহুল্য মাথোন। নগাঁৱৰ মহা-ফেজখানাত থকা আনন্দৰামৰ কাৰ্যকালৰ ৰোবকাৰী১ ( No 44, Book Miscellaneous Roobokarees ) বহী-কেইখন সুসংৰক্ষিত হোৱা হ'লে আনন্দৰাম ঢেকিয়াল ফুকনৰ কৰ্ম-জীৱন আৰু ব্যক্তিত্বৰ ওপৰত নতুন পোহৰ পেলাব পৰা সমল বিচাৰি পোৱা গ'লহেঁতেন। ৰাজহ বিভাগৰ এই ৰোব-কাৰী বহীকেইখনত বিভিন্ন সময়ত জিলাখনৰ শাসনৰ দায়িত্বত থকা বিষয়া এজোজনৰ স্বাক্ষৰিত 'আজ্ঞা' বা 'হুকুম' আছে। মহাফেজখানাত এনে ধৰণৰ যি দুই-এখন বহী কালৰ কৰাল গ্ৰাসৰ পৰা এতিয়াও কথমপি মুক্ত হৈ আছে, সেই কেইখনে নগাঁৱত আনন্দৰামে পোৱা "সম্পূৰ্ণ ভাৰ" আৰু তেওঁ চলোৱা প্ৰশাসনৰ ছবি এখন দাঙি ধৰিব পাৰে।

তদানীন্তন বৃটিছ চৰকাৰৰ শাসন আছিল কঠোৰ। বৃটিছ প্ৰশাসনৰ বিষয়া হিচাপে আনন্দৰামেও কঠোৰতা অৱলম্বন কৰিব লগা নিশ্চয় হৈছিল। কিন্তু "তেওঁৰ শাস্তি প্ৰায় বৰ কঠিন নাছিল" বুলি গুণাভিৰামে কৈছে। আনন্দৰামৰ বোলে "এইটো মত আছিল যে যি শাস্তিলৈ ভয় কৰে সি অলপ শাস্তি-ৰেই সংশোধিত হ'ব, আৰু যাৰ নাই তাক অধিক শাস্তি কৰি-লেও উপকাৰৰ নহয়।" তেওঁ প্ৰচাৰ কৰা আজ্ঞাসমূহে গুণাভি-ৰামৰ এই কথাষাৰৰ যথাৰ্থতাকে প্ৰমাণ কৰিছে।

১৮৫৫ চনৰ ৰোবকাৰী বহী এখনে দেখুৱা মতে সেই বছৰৰ ১ মে' তাৰিখৰ পৰা ১৫ অক্টোবৰ তাৰিখলৈকে জিলা-খনৰ শাসনভাৰ প্ৰিঞ্চিপেল এচিষ্টেন্ট মেজৰ জন বাট্‌লাৰৰ হাতত আছিল। গুণাভিৰাম বৰুৱাই কোৱা মতে নৱেম্বৰ মাহত বাট্‌লাৰ চাহাব বিলাতলৈ যোৱাত ফুকনে জিলাৰ সম্পূৰ্ণ প্ৰশাসনিক ভাৰ পালে। ১৫ অক্টোবৰৰ পিছত কোন তাৰিখে ঢেকিয়াল ফুকনে জিলাখনৰ ভাৰ পায় সেই কথা বহীখনে নক'লেও ৮ নৱেম্বৰৰ পৰা পৰবৰ্তী বছৰৰ ২৮ জানুৱাৰী তাৰিখলৈকে যে তেওঁৰ হাততেই শাসনভাৰ ন্যস্ত আছিল, সেই কথা কৈছে। কাৰণ ৮ নৱেম্বৰ তাৰিখে এচিষ্টেন্ট কালেক্টৰ স্বৰূপে ঢেকিয়াল ফুকনে আজ্ঞা এটাত চহী কৰিছে। আমি দেখা পোৱা তেওঁৰ এই প্ৰথম আজ্ঞাটোত নগাঁও জিলাৰ "নিজ ডবকা ও ভেলুগুৰি ও কঠিয়াতলী মৌজা এলাকাৰ" সীমা-মূৰিয়লি মিকিৰ পাহাৰৰ নামনিৰ ৰায়তসকলৰ কোনো কোনোৱে নিজৰ আবাদী মাটিৰ লগত থকা "জঙ্গলা মাটিৰ" পট্টা বিচাৰি আবেদন কৰা সংক্ৰান্তত সংশ্লিষ্ট আন কাৰোবাৰ কিবা আপত্তি থাকিলে আঠ দিনৰ ভিতৰত নিজে হাজিৰ হৈ দৰ্শাবলৈ কোৱা হৈছে। বাট্‌লাৰৰ অনুপস্থিতিৰ এই কালছোৱাত ৮ নৱেম্বৰৰ

---

১ বিজ্ঞপ্তি বা হুকুম-পত্ৰ।

উপৰি নৱেম্বৰৰ ৩০, ডিচেম্বৰৰ ৩, ৭, ১০ আৰু ৩১, আৰু ছাপন চনৰ জানুৱাৰীৰ ২৮ তাৰিখে আনন্দৰামৰ আজ্ঞা লিপিবদ্ধ হৈছে। (কোৱা নিষ্প্ৰয়োজন যে সমস্ত আজ্ঞা তেতিয়াৰ আদালতী ভাষা বঙলাত লিখা।) ডিচেম্বৰ মাহৰ ৩ তাৰিখৰ আজ্ঞা-শীৰ্ষত ভাৰপ্ৰাপ্ত উপসহকাৰী আয়ুক্ত 'সৰ্ব্ব শীৰ্ষ্টেণ্ট কমিশ্যনাৰ ইনচাৰ্য্য'"২ হিচাপেই আনন্দৰামৰ নাম লিখা আছে। এই তাৰিখত জনৈক থানুৰাম 'মহৰিৰে'৩ তেওঁৰ নিজৰ কামত চৰকাৰী কাগজত দুখন দৰ্খাস্ত লিখিছিল। "কিন্তু আলগা লোক আপন নিজ কৰ্ম্মে সৰকাৰী কাগজ দিয়া লেখা নেহাইত বেজাৰ বিধায়৪ আজ্ঞা হইল জে উক্ত অপৰাধী মহৰিৰ মজকুৰকে ৫।০ চাৰি আনা জৰিমানা কৰিয়া আদাএ কাৰণ নাজীৰকে লেখা জাএ ও মহৰিৰকে সমজান জাএ আএন্দা৬ সৰকাৰী কাগজ দিয়া নিজ কৰ্ম কৰিলে তাহাকে পুলিসে চালান কৰা জাবেক ও অন্য আমলাগণকে সমজান জাএ জদি উক্ত মত তাহাৰো কৰ্ম্ম কৰে তবে তাহাদেৰকে ঐ মত সাজা দাওা জাবেক ইতি৭



আনন্দৰামৰ চহী

কোনোটো আজ্ঞাকে ৰোবকাৰী বহীত আনন্দৰামে নিজে লিখা নাই, গতিকে আখৰ-জোঁটনিৰ বাবে আনন্দৰাম জগৰীয়া নহয়। কিন্তু 'য'ৰ ঠাইত 'জ', 'য়'ৰ ঠাইত 'এ', 'ৱা'ৰ ঠাইত 'ওা'ই কিজানি তেতিয়া খুটি পুতিয়েই বহিছিল। কাৰণ, আমি পোৱা সমস্ত আজ্ঞাত এনে ধৰণৰ ৰীতিকেই অৱলম্বন কৰা দেখা গৈছে। কোনো ধৰণৰ যতি-চিনৰ ব্যৱহাৰো আজ্ঞা-সমূহত দেখা নাযায়। আখৰ-জোঁটনিৰ উল্লিখিত ৰীতিত আনন্দৰামৰ অনুমোদন আছিল বুলি ক'ব নোৱাৰি। কিন্তু যি কেইটা আজ্ঞাত আনন্দৰামৰ শুধৰণিৰ সূক্ষ্ম হস্তাৱলেপন দেখিছোঁ, তাতো ৰ-স্থানত ব-ৰ তলত বিন্দু দিয়াৰ বাহিৰে তেনে ৰীতিৰ প্ৰতি তেওঁ ৰঙা চকু দেখুৱা আমাৰ চকুত পৰা নাই।

"১৮৫৬ চনৰ জানুৱাৰী মাহত লেম্ব চাহাব আহি জিলাৰ ভাৰ গ্ৰহণ কৰে" বুলি গুণাভিৰামে কৈছে যদিও মেজৰ টমাচ লেম্বৰ এই ভাৰ-গ্ৰহণ কাল ২৮ জানুৱাৰীৰ পাছ আৰু ২৭ ফেব্ৰুৱাৰীৰ আগৰ এমাহহে। কাৰণ, ছাপন চনৰ ২৭ ফেব্ৰুৱাৰীৰ পৰা ১৯ মাৰ্চলৈকে পুনৰ আনন্দৰাম "ইনচাৰ্য্য" হয়। ইয়াৰ পাছত, ৰোবকাৰী বহীখনে দেখুৱা মতে, ৩ নৱেম্বৰ তাৰিখলৈকে টমাচ লেম্বৰ ওপৰত, আৰু তাৰ পৰবৰ্তী আৰু ৯ ডিচেম্বৰৰ অগ্ৰৱৰ্তী কোনোবা দিনত আনন্দৰামৰ ওপৰত জিলাখনৰ শাসনভাৰ পৰে। এই কালছোৱাৰ ভিতৰৰ ফেব্ৰুৱাৰীৰ ২৭ আৰু ২৯; মাৰ্চৰ ৭, ১১, ১৪, ১৫ আৰু ১৯; ডিচেম্বৰৰ ৯, ১৩, ১৭, ১৮ আৰু ২৪ তাৰিখে আনন্দৰামে চহী কৰা আজ্ঞা পোৱা হৈছে। ডিচেম্বৰৰ ১৩ তাৰিখে দক্ষিণ গোভা মৌজাৰ জনৈক দুতিৰাম কাকতীক আনন্দৰামে এ[illegible] জৰিমনা কৰিছে। এই শাস্তিৰ কাৰণ হ'ল উক্ত মৌজাৰ ছ[illegible] চনৰ পিয়লী চিঠা দাখিল কৰাৰ নিৰ্দ্ধাৰিত সময় ১২ ডিচেম্ব[illegible] অতীত হৈ গৈছে। অথচ ১৩ ডিচেম্বৰতো ব্যক্তি গৰাক[illegible] চিঠা দাখিল কৰিব নোৱাৰিলে। কিন্তু জৰিমনা কৰাটো[illegible] আনন্দৰামৰ উদ্দেশ্য নহয়, পিয়লী চিঠা প্ৰস্তুত কৰা নিমি[illegible] কামটোও অবিলম্বে হৈ উঠিব লাগিব। সেই উদ্দেশ্যে গাইগ[illegible] দিনে তিনি অনা পাৰিশ্ৰমিক দি ঠিকাভিত্তিত দুজন কাক[illegible] নিয়োগ কৰিবলৈ সংশ্লিষ্ট কানুনগোজনক নিৰ্দেশো দিছে[illegible] ১৮ ডিচেম্বৰত কোনোবা মাধৰাম মহৰী গৰ-হাজিৰ থ[illegible] আৰু তেওঁৰ কামত "অনেক গাফিলি" থকা বাবে তেওঁ[illegible] আঠ অনা জৰিমনা কৰিছে, আৰু তেওঁৰ নামে পৰোৱা[illegible] জাৰি কৰিছে বোলে ভৱিষ্যতে "গৰহাজিৰ ও কৰ্ম্মে গাফি[illegible] পাইলে তাহাকে কৰ্ম্ম হৈতে চল্পও কৰা হৈবেক।"

আনন্দৰামৰ শাসন যে কঠোৰ নাছিল, উল্লিখিত আজ্ঞা কেইটাই তেনে এটা ধাৰণা নিদিয়ে। কিন্তু তেওঁৰ সমসাময়িক[illegible] বিষয়া টমাচ লেম্বৰ আজ্ঞাৰ লগত তুলনা কৰিলে তেওঁৰ শাসন সম্পৰ্কত গুণাভিৰামে কোৱা কথাষাৰৰ সত্যতা প্ৰমাণিত নহৈ নাথাকে। ছাপন চনৰ জুন মাহৰ ২৪ আৰু ২৫ তাৰিখে টেকেলা এজন "বিন এত্যালা"৮ গৰ-হাজিৰ আছিল। সেই দোষতে টেকেলাজনক লেম্বে নিলম্বিত কৰিছে আৰু হাজিৰ নোহোৱালৈকে দৰমহা বন্ধ কৰি ৰাখিছে। মিছা কথা কোৱা কাৰণে মাধৰাম নামৰ নকল নবিচ এজনক ২৩ জুলাইত লেম্ব চাহাবে দুটকা জৰিমনা কৰিছে। ১৭ চেপ্টেম্বৰত হাজিৰা বহীত চহী কৰোঁতে জনৈক ভোলাৰাম মহৰীয়ে কাট-কুট কৰিছিল। কিন্তু অনুসন্ধান কৰাত "কাটকুট কৰা অস্বীকাৰ

---

২ গুণাভিৰামৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ' গ্ৰন্থত 'ভাৰ' অৰ্থত 'চাৰ্জ্জ' বা চাৰ্য্য' শব্দ ব্যৱহৃত হৈছে। যেনে, "আৰু মৰ্টন চাহাব নগাঁওৰ চাৰ্জ্জ ললে", "কাপ্তান কোম্বৰ চাহাব আহি ফুকনৰ হাতৰ পৰা নগাঁওৰ চাৰ্জ্জ লয়।" শব্দটোৰ এনে অনুপ্ৰৱেশ উল্লিখিত 'ইনচাৰ্য্য' শব্দৰে পৰোক্ষ প্ৰেৰণাৰ ফল নিশ্চয়। হৰকান্ত সদৰামীনৰ আত্ম-জীৱনীতো আছে "তৎকৰ্ম্মে জান্ বটলৰ জুনিয়ৰ ইনচাৰ্জ হ'ল" (পৃঃ ৩৭)। "তেতিয়াই কছাৰী যাই চাৰ্জ দিলোঁ।" (পৃঃ ১৯৯)।

৩ কেৰাণীয়ে। ( Mohurrer, a clerk,--ডঃ হেৰম্ব কান্ত বৰপূজাৰীৰ 'আচাম ইন দ্য দে'জ অফ্ দ্য কম্পেনী' : পৃ ২৯৬)

৪ কাৰণে।

৫ পূৰ্ব্বোক্ত, উল্লিখিত। মহৰিৰ মজকুৰকে=উল্লিখিত বা পূৰ্ব্বোক্ত কেৰাণীক।

৬ আয়েন্দা=আগলৈ। ("এইবেলি দোষ মাফ দিয়া গ'ল। আয়েন্দা এমত নকৰিব।"--সদৰামীনৰ আত্মজীৱনী, পৃঃ ১৪৬)

৭ 'ব'বোৰৰ পেট আমিহে কাটিছোঁ। মূলত ৰ--স্থানতো 'ব'হে। কাটিৎহে 'ব'ৰ তলত বিন্দু আছে।


৮ জাননী বা দৰ্খাস্ত নিদিয়াকৈ। ("আমি ভাটী যাবৰ মনস্তে পূজাৰ বন্ধ সমেত ৩ মাহৰ ছুটীৰ এত্যালা দিওঁ।"--স, আ, পৃঃ ১৯১। "ডালটিন সাহেবেৰ হুজুৰে এত্যালা দিয়াতে দুই মাহৰ ছুটী দিলে।" স, আ, পৃঃ ৫১।)

হৈল। ইহাতে মহৰিৰ মজকুৰ মিথ্যা কহা প্ৰকাশ।" গতিকে মহৰীজনে লেম্বৰ হাতত চাৰি অনা জৰিমনা ভৰিব লগা হ'ল।

গুণাভিৰাম বৰুৱাই লিখা মতে নগাঁৱৰ চাপৰিমহল আৰু আন ঠাইত থকা জান "কেতবোৰেৰে ব্ৰহ্মপুত্ৰৰ পানী সোমাই চাৰিওফালে আপ্লাবিত কৰি শস্য নষ্ট কৰে। সেইবিলাক জান বন্ধাবলৈ ফুকনৰ ওপৰত ভাৰ অৰ্পিত হ'ল। তেওঁ সেইবিলাক জান বন্ধাবলৈ লোক নিযুক্ত কৰি দিলে।" ফুকনে বন্ধোৱা জানবোৰৰ ভিতৰত গৰীয়াজান'ৰ নামো আছে। এই গৰীয়াজান বন্ধাবলৈ ২৪ ডিচেম্বৰ তাৰিখে তেওঁ যি আজ্ঞা দিছিল, তাত "উপৰ উক্ত জান মড়ামত কৰাৰ জনিত ৯০ টকা ফৌজদাৰীৰ (?) কানুৰাম নাজীৰকে দেৱাৰ কাৰণ একাটন্টৰ৯ নামে পৰোৱানা" জাৰি কৰা হয়। অৱশ্যে এই মেৰামতি কাৰ্য ১৮ ডিচেম্বৰ তাৰিখে ৰেভিনিউ কমিচনাৰে লিখা ৩২৩ নং ইংৰাজী চিঠিৰ মৰ্মেই সম্পন্ন হৈছে। উক্ত পৰিমাণৰ ধন ব্যয় কৰাৰ আদেশটোও জিলা প্ৰশাসনলৈ ৰেভিনিউ কমিচনাৰৰ পৰাই আহিছে।

ছাপন চনৰ ২৪ ডিচেম্বৰৰ পিছৰ পৰা সাতাৱন চনৰ তেৰ মাৰ্চলৈকে কালছোৱাত নগাঁৱৰ শাসন-ভাৰ প্ৰধানকৈ বাট্‌লাৰৰ হাতত আছিল যদিও ছাপন চনৰ ২৬ ডিচেম্বৰৰ পৰা ২৯ ডিচেম্বৰলৈকে কালেক্টৰ চাহাব লেম্বৰ হাততো জিলাখনৰ ভাৰ থকাৰ প্ৰমাণ পোৱা গৈছে। আনহাতে ৰোবকাৰী বহীত সাতাৱনৰ ৭ জানুৱাৰীৰ পৰাহে কালেক্টৰ বাট্‌লাৰৰ আজ্ঞা আছে। সি যি হওক, সাতাৱনৰ ১৬ মাৰ্চ তাৰিখৰ পৰা ২৭ জুন তাৰিখলৈকে "শ্ৰীযুত বাবু আনন্দৰাম ঢেকিয়াল ফুকন ইনচাৰ্য্য কালেকট্টৰ" হয়। মাৰ্চ মাহৰ ১৬, ১৭, ১৮, ১৯, ২৭, ২৮, ৩০, ৩১; এপ্ৰিল মাহৰ ৬, ৭, ৯, ২০, ২১, ২২, ২৪, ২৫, ২৭; মে' মাহৰ ৬, ৯, ১৬, ১৮, ১৯, ২১, ২২, ২৬, ২৮, ২৯; আৰু জুন মাহৰ ৩, ৪, ৫, ১০, ১২, ১৫, ১৭, ২০, ২৫ আৰু ২৭ এই তাৰিখসমূহত আনন্দৰাম-স্বাক্ষৰিত বিভিন্ন ধৰণৰ আজ্ঞা পোৱা হৈছে। উল্লিখিত কালছোৱাৰ পিছত নৱেম্বৰ মাহৰ ৯ তাৰিখৰ আগলৈকে মৰ্টন চাহাবৰ (BWD Marattan) হাতত জিলাৰ ভাৰ থাকে। নৱেম্বৰৰ ৯ তাৰিখৰ পৰা ডিচেম্বৰৰ ১২ তাৰিখলৈকে পুনৰ আনন্দৰাম "ইনচাৰ্য্য" হোৱাৰ প্ৰমাণ নৱেম্বৰৰ ৯, ১৭, ১৮ আৰু ২৮ তাৰিখ, আৰু ডিচেম্বৰৰ ৭ আৰু ১২ তাৰিখৰ স্বাক্ষৰিত আজ্ঞা।

সাতাৱনৰ ১৬ মাৰ্চ তাৰিখে আনন্দৰামে তেজপুৰলৈ যাতায়াত কৰা "ৰাস্তাৰ দুই কিনাৰে কোন ৰকমেৰ কত আবাদী মাটি আছে", তাৰ বিবৰণ দুদিনৰ ভিতৰতে দাখিল কৰিবলৈ কানুনগোৰ নামত পৰোৱা জাৰি কৰিছে। কালেক্টৰী কাছাৰীত নিযুক্ত টেকেলাসকলৰ ৰেজিষ্টাৰ বহী নথকাত বহুতো অসুবিধা হৈছিল। সেই বাবে ১৯ মাৰ্চ তাৰিখে আজ্ঞা দিলে টেকেলাৰ নাম-ঠিকনা, নিযুক্তি আৰু কৰ্মচ্যুতিৰ তাৰিখ আৰু নিয়োগকৰ্তা আৰু বৰ্খাস্তকৰ্তা হাকিমৰ নাম ভৰাব পৰাকৈ প্ৰপত্ৰ তৈয়াৰ কৰি ৰেজিষ্টাৰ বহী কৰিবলৈ। ২৮ মাৰ্চ তাৰিখে খাজাঞ্চী চিৰস্তাৰ এজন টেকেলা "মলিন বস্ত্ৰে বেৰঞ্চিৰ উপৰ উপস্থিত" হৈছিল। টেকেলাৰ পোছাক পৰিধান কৰি উপস্থিত নোহোৱা সম্পৰ্কত টেকেলাজনক বুজোৱাও হৈছিল। "তত্ৰাচ ৰোজ ৰোজ ঐ মৈল্যা বস্ত্ৰ বদলি না কৰিয়া বেৰঞ্চি উপৰ (উপস্থিত) হৈয়াছে বিধায়" আজ্ঞা হ'ল "আয়েন্দা মৈল্যা পোচাকে হাজিৰ হৈলে সক্ত দণ্ড কৰা যাবেক এমত সমজাইয়া আমাৰ হকুম অন্যথা কৰা অপৰাধে সম্প্ৰতি এক আনা জৰিমানা।" ইয়াত 'সম্প্ৰতি' শব্দটো আনন্দৰামে নিজে বহুৱাইছে। ৯ এপ্ৰিলৰ আজ্ঞা এটা এনে ধৰণৰ: "গেড়াই মহৰিৰকে বাকী খাজানাৰ তলবী চিঠিৰ খোলাসা কৰাৰ কাৰণ গত মঙ্গলবাৰ কাচাৰীতে হাজিৰ হৱাৰ নিমিত্তক আমি নিজে হুকুম দিয়াছিলাম। তাহাতে মহৰিৰ মজকুৰ আমাৰ হুকুম অমান্য কৰিয়া হাজিৰ হৈলো না বিধায় আজ্ঞা হৈল যে উপৰ উক্ত অপৰাধী মহৰিৰ মজকুৰকে ॥০ আঠ আনা জৰিমানা কৰিয়া আদায় কাৰণ নাজিৰকে লেখা যায় ইতি।"



আনন্দৰামৰ চহী

ধিং মৌজাৰ মৌজাদাৰ ৰুদ্ৰসিংহই দুশ একাৱন টকা ছঅনা দহ পাই বাকী পৰি থকা খাজানা বঞ্চিত ম্যাদৰ ভিতৰতো ৰাচিল নকৰা হেতুকে ২০ এপ্ৰিলৰ আজ্ঞাৰে মৌজাদাৰজনক বৰ্খাস্ত কৰা হৈছে, আৰু মৌজাদাৰৰ জামিনৰ মাল-বস্তু ক্ৰোক কৰাৰ পৰোৱানা জাৰি কৰা হৈছে। একে ধৰণৰ অপৰাধতে ("দফায়েত মেয়াদ" দিয়া সত্বেও দুশ সাত টকা চাৰি অনা পাঁচ পাই খাজানা অনাদায়) একেটা তাৰিখৰে আজ্ঞান্তৰত মিকিৰভেটা মৌজাৰ মৌজাদাৰকো বৰ্খাস্ত কৰা হৈছে, আৰু জানিক জামিনক হাজিৰ হ'বলৈ পৰোৱানা জাৰি কৰা হৈছে। দুটা বিশেষ মৌজাৰ বাকী খাজানা আদায় কৰাৰ নিমিত্তে তিনিজন টেকেলাসহ জনেক সোমনাথ নেওগক ১৮ এপ্ৰিল তাৰিখেই দায়িত্ব দিয়া হৈছিল। কিন্তু পাঁচ দিনেও উক্ত কাম সম্পাদন কৰিব নোৱাৰা হেতুকে আনন্দৰামে নেওগক বৰ্খাস্ত কৰে ২২ এপ্ৰিলত। ২২ এপ্ৰিলৰ আন এটা আজ্ঞাত আছে বোলে ফেদেলা নামৰ টেকেলা এজনে মৌজা এটাৰ বাকী জাৰি দিবলৈ গৈ নিজৰ ঘৰত সোমাই থকা অপৰাধত টেকেলাজনক বৰ্খাস্ত কৰা হৈছিল। পিছে "টেকেলা মজকুৰ পুনৰপি আমাৰ হুকুমে চাপৰাস লইয়া আমাৰ নিকটে হাজিৰ হৈয়াছে বিধায়" বৰ্খাস্ত কৰাৰ পৰিবৰ্তে টেকেলাজনক ডেৰ টকা জৰিমনা কৰি শাস্তি ৰেহাই দিয়া হৈছে। মে' মাহৰ ৯ তাৰিখে হাজিৰা বহীত চহী কৰাৰ সময়ত আনন্দৰামে দেখিলে যে বহীখনত কান্দুৰা নামৰ মহৰী এজনে চহী কৰা ঠাইত "কালি ফেলাইয়া মএলা কৰিয়াছে"; এনে কাম অশোভনীয়। সেই বাবে মহৰীজনক

---

৯ Accountant, গাণনিক।



আনন্দৰামৰ চহী

তেওঁ দুঅনা জৰিমনা কৰিছে। এপ্ৰিল মাহৰ খতিয়নী বহী চাই ৩০ জন টেকেলা সেই মাহৰ কোনো কোনো দিনত গৰ-হাজিৰ থকা বুলি ১৬ মে' তাৰিখে জানিব পাৰিলে। গতিকে আজ্ঞা হ'ল "টেকেলা লোক ৰোজ ৰোজ কাচাৰীতে হাজিৰ থাকা উচিত।---এ প্ৰকাৰ গৰ-হাজিৰ হৈলে সৰকাৰী কৰ্ম চলা দুষ্কৰ। অতএব ঐ অপৰাধেৰ নিমিত্তে তাহাৰাকে উচিত দণ্ড কৰা আৱশ্যক জানিয়া উক্ত টেকেলাগণকে তপসিল মোতাবেক[১০] মোট ১৪৮/০ আনা জৰিমানা কৰিয়া আদায় কাৰণ নাজিৰকে লেখা যায় ইতি।"

উল্লেখযোগ্য, গাফিলি সংক্ৰান্ত অপৰাধ এটাৰ বাবে উমাৰাম নামৰ মহৰী এজনক বাট্‌লাৰে দুটকা জৰিমনা কৰিছে সাতাৱনৰ ২ ফেব্ৰুৱাৰীত। নিজৰ ঘৰলৈ গৈ "বিন এত্যালা" ছদিন কাৰ্যালয়ত গৰ-হাজিৰ থকা কাৰণে ধনী নামৰ টেকেলা এজনক পিছে বাট্‌লাৰ চাহাবে চাকৰিৰ পৰাই বৰ্খাস্ত কৰিলে ৭ ফেব্ৰুৱাৰী তাৰিখে। সাতাৱন চনৰ ২ জুলাই তাৰিখৰ পৰা নৱেম্বৰ মাহৰ প্ৰথম সপ্তাহলৈকে নগাঁও জিলাৰ শাসনভাৰ মৰ্টন চাহাবৰ হাতত আছিল বুলি আমি পূৰ্বতে দেখুৱাই আহিছোঁ। মৰ্টন চাহাবো আছিল "আপিসীয়াটিং[১১] কালেক্‌টৰ"হে। ই অথচ, ভকতৰাম ঠাকুৰ নামৰ জনৈক কৰ্মচাৰীক মৰ্টন চাহাবে দহ টকা জৰিমনা কৰিছে। আনন্দৰামে পিছে উল্লিখিত সময়লৈকে কাকো ডেৰ টকাৰ ওপৰ জৰিমনা কৰাৰ দৃষ্টান্ত ওলোৱা নাই। শাস্তি-বিধানৰ ক্ষেত্ৰত তেওঁৰ ঔচিত্য-বিচাৰো মন কৰিব লগীয়া। সাতাৱন চনৰ ১০ জুন তাৰিখৰ এটা অজ্ঞাত ভোটাই গাঁৱৰ মণি কাকতী নামৰ কৰ্মচাৰী এজন ফৌজদাৰী মোকৰ্দমা এটাত গ্ৰেপ্তাৰ হোৱা হেতুকে তেওঁক সাময়িকভাৱে নিলম্বিত কৰি তেওঁৰ ঠাইত নদৰাম কাকতী নামৰ এজনক "একটীন মকৰৰ" কৰিছিল। পিছে, চেচন আদালতত মিছা সাক্ষী দিয়াৰ অপৰাধত মণি কাকতীৰ কয়েদৰ হুকুম হ'ল। ইতিপূৰ্বে আন এটা মোকৰ্দমাৰ কাৰণেও মণি কাকতী বৰ্খাস্ত হৈছিল ; "কেৱল মেহেৰবানিপূৰ্বক তাহা নকৰিয়া" এবছৰৰ বাবে তেওঁক সাময়িকভাৱে নিলম্বিত কৰি ৰাখিছিল। কিন্তু "এমত দণ্ডাচৰণীয় লোককে সৰকাৰী কৰ্মে নিযুক্ত ৰাখা অনুচিত জানিয়া হুকুম হৈয়াছে মণি মজকুৰকে ভোটাইগাঁও মৌজাৰ কাকতী হৈতে বৰ্খাস্ত কৰিয়া ঐ কৰ্মেৰ একটীনকে আচালতন[১২] নিযুক্ত কৰাৰ কাৰণ।"

এইছোৱা কালত আনন্দৰামৰ জনকল্যাণকৰ কামৰ এটা নমুনা এনে ধৰণৰ ঃ নগাঁও জিলাৰ অন্তৰ্গত জলকৰ মহলসমূহ ডাকত বন্দোবস্ত হোৱাৰ পিছত সেইবোৰৰ পিয়ল বা পট্টা নোহোৱা হেতুকে চৰকাৰৰ পক্ষ পৰা খাজানাৰ কোনো নিৰিখো ধাৰ্য হোৱা নাছিল। এই ক্ষেত্ৰত "ৰায়তানাৰ পক্ষে অনেক অনিষ্ট হৱাৰ সম্ভৱ।" কাৰণ, মহলদাৰসকলে নিজ নিজ ইচ্ছানুসৰি "মৎস্য উপজীৱিকাৰ লোক"সকলৰ পৰা খাজানা আদায় কৰিছে। সেই বিসংগতি দূৰ কৰিবৰ উদ্দেশ্যে সাতাৱন চনৰ মে' মাহৰ ভিতৰতে মাছমৰীয়াসকলৰ জাল পিয়ল কৰিবলৈ আনন্দৰামে কানুনগোক নিৰ্দেশ দিছে ১৮ মে' তাৰিখে।

আনন্দৰামৰ আজ্ঞা-সংক্ৰান্ত নহ'লেও সংবাদ এটা এইখিনিতে উল্লেখ কৰিব লগা হ'ল। ১৮৬০ চনৰ ১৭ চেপ্টেম্বৰত স্কঞ্চ চাহাবে প্ৰচাৰ কৰা আজ্ঞা এটাৰ পৰা সংবাদটো সংগৃহীত। ৰেভিনিউ ব'ৰ্ডৰ ১৮৬০ চনৰ ২১ আগষ্টৰ চিঠি এখনত কোৱা হৈছে যে আবকাৰী বন্দোবস্ত নথকা নগাঁও চহৰত আৰু তাৰ চাৰিওফালে ৫ মাইল পৰ্যন্ত মদ বিক্ৰী কৰিবলৈ অনুমতি দিয়া হৈছে, আৰু এই সংক্ৰান্তত চব এচিষ্টেন্ট আনন্দৰাম ফুকনে আবকাৰীৰ বিষয়ে নিৰূপণ কৰা কথাখিনি আইনৰ লেখীয়া হোৱাত সেই ক্ৰমেই ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি কৈছে। এই বন্দোবস্তৰ ক্ষেত্ৰত পুলিচ-দাৰোগাক আবকাৰী-দাৰোগা নিযুক্ত কৰিবলৈ আনন্দৰামে পৰামৰ্শ দিছিল বুলি প্ৰকাশ। ব্যৱস্থাটোত প্ৰয়োজনীয় দুজন টেকেলা আৰু কেৰাণীৰ বিষয়ে আনন্দৰামে আগবঢ়োৱা প্ৰস্তাৱক্ৰমেই মাহিলি এঘাৰ টকা ব্যয় কৰিবলৈকো জিলা প্ৰশাসকক নিৰ্দেশ দিছে। আবকাৰী বিষয়ক ব্যৱস্থা প্ৰস্তাৱ বা নিৰূপণ কৰি আনন্দৰামে ৰেভিনিউ ব'ৰ্ডলৈ ১৮৫৭ চনৰ ১৩ মে' আৰু ২৬ জুনত চিঠি ("১২।৪৮ নং চিঠি") দিছিল বুলি একেটা আজ্ঞাতে উল্লেখ কৰিছে। এইটো সঁচাকৈয়ে তাৎপৰ্যপূৰ্ণ কথা যে আনন্দৰামৰ মৃত্যুৰ বছৰেকৰে ওপৰ কালৰ পিছত (১৮৬০ চনৰ ২১ আগষ্টত) ঊৰ্ধতন কৰ্তৃপক্ষই আনন্দৰামৰ প্ৰস্তাৱানুযায়ী প্ৰশাসনীয় ব্যৱস্থা এটা গ্ৰহণ কৰিছে।


গুণাভিৰাম বৰুৱাই লিখিছে, "নগাঁৱৰ প্ৰধান এচিষ্টেন্ট মৰ্টনমচাহাব নৰিয়া পৰি প্ৰথমে গুৱাহাটীলৈ গ'ল, পৰিশেষত বিলাতলৈ গ'ল। ফুকনে আকৌ জিলাৰ সম্পূৰ্ণ ভাৰ পালে।" সাতাৱন চনৰ ২৭ জুনৰ পিছত নগাঁৱৰ কাৰ্যভাৰ মৰ্টন চাহাবে কোন তাৰিখে থৈছিল আৰু আনন্দৰামে কোন তাৰিখে লৈছিল, সেই বিষয়ে গুণাভিৰামে একো কোৱা নাই। আমাৰ বোধেৰে এই "সম্পূৰ্ণ ভাৰ" নিশ্চয় ৯ নৱেম্বৰ বা তাৰ দুই-এদিনৰ আগৰ পৰাই আনন্দৰামৰ কান্ধত পৰিছে। কাৰণ, ২৭ জুনৰ পিছত নৱেম্বৰৰ ৯, ১৭, ১৮, ২৮ তাৰিখে আৰু ডিচেম্বৰৰ ৭

---

১০ তালিকা অনুসাৰে।

১১ Officiating ,অস্থায়ী।

১২ নিগাজী। ("মক্ৰি আচালতন নকলনবীচ ২০ টকা মকৰৰ হলোঁ।"--স, আ,, পৃঃ ১৮)



আৰু ১২ তাৰিখৰ বিভিন্ন আজ্ঞাত "ইনচাৰ্য্য কালেক্‌টৰ স্বৰূপে আনন্দৰামে চহী কৰিছে। ১৮৫৮ চনৰ ফেব্ৰুৱাৰী (৫, ১০, ১৬ তাৰিখ), মাৰ্চ (২, ১১, ১২, ১৫, ১৮, ২৫, ২৬, ২৯ তাৰিখ) আৰু এপ্ৰিল মাহত (৬, ৮, ১০, ২০, ২১, ২২, ২৩, ২৮, ৩০ তাৰিখ) আনন্দৰামৰ বহুতো আজ্ঞা লিপিব হৈছে। আঠাৱন চনৰ ১১ মাৰ্চৰ আজ্ঞাটোৰে আনন্দৰামে এজনক পাঁচ টকা জৰিমনা কৰিছে। আনন্দৰামৰ হাতত ইমান বেছি পৰিমাণৰ জৰিমনাৰ নজিৰ ইয়াৰ পূৰ্বে আমি পোৱা নাই। পাঠোদ্ধাৰ সম্ভৱ হৈ নথকা আজ্ঞাটোৰ এঠাইত "বাৰম্বাৰ" শব্দটো আনন্দৰামে নিজে বহুৱাব লগা হৈছে। অৰ্থ অনুমেয়। আজ্ঞাটোৰ স্থানান্তৰত নিজে বহুৱা "নিৰৰ্থক আপত্তি" শব্দ দুটায়ো অভিযুক্ত কৰ্মচাৰীজনৰ অপৰাধৰ গুৰুত্ব অনুমান কৰাব পাৰে।

বাৰ মাৰ্চ তাৰিখৰ আজ্ঞাত আছে যে দফতৰীয়ে ৰ'দত নিদিয়া আৰু তদাৰক কৰাত গাফিলি কৰা বাবে কেৰাণীখানাৰ কিছুমান দলিল নষ্ট হৈছে। ভৱিষ্যতে যেন দফতৰীজন সতৰ্ক হয়, তাৰ বাবে তেওঁক এটকা জৰিমনা কৰিছে। "অল্প অল্প গৰম উপস্থিত" হোৱা হেতুকে মাহিলি তিনি টকা দৰমহাত তিনিজন পাংখা টনা কৰ্মচাৰী (ভোলা ডোম, মনবৰ ডোম, ধনুঞ্জা কোচ) ১৮ মাৰ্চ তাৰিখে নিয়োগ কৰিছে। কিন্তু লিখিত আজ্ঞাটোৰ "৩৻৩ টাকা" অংশ কাটি আনন্দৰামে নিজ হাতেৰে "৩৻৷০ ৩৻৷০" কৰিছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে উল্লিখিত কৰ্মচাৰী তিনিজনৰ দুজনক ১৮৫৫ চনৰ ১ মে' তাৰিখে বাট্‌লাৰ চাহাবেই মাহিলি আঢ়ৈ টকা দৰমহাত নিয়োগ কৰিছিল। সাতাৱন চনতো (২১ এপ্ৰিল) পাংখা টনা লোকৰ দৰমহা একে আছিল। তিনি বছৰৰ মূৰত যেনিবা আনন্দ-ৰামৰ হাতত এওঁলোকৰ বেতন এটকা বৃদ্ধি পালে। পাংখা টনা কৰ্মচাৰীসকলৰ প্ৰতি আনন্দৰামৰ এই সহানুভূতিৰ বিপৰীতে ছাপন চনত মেজৰ টমাচ লেম্বে দিয়া আজ্ঞা কেইটামান মনত পেলাব পাৰি। সেই চনৰ অক্টোবৰৰ পৰা ১১ দিন কাচাৰী বন্ধ থাকিব বাবে "পাংখা টানা কুলী"বোৰক ৩ অক্‌-টোবৰতে লেম্বে বৰ্থাস্ত কৰিছে। পিছে ১৬ অক্টোবৰতো যিহেতু "গৰম মফ হয় নাহি", সেই বাবে পুনৰ ১৬ অক্টোবৰৰ পৰা "সাবেক বৰখাস্তী পাংখাটানা" কৰ্মচাৰীসকলক মকৰল কৰিছে। তিনি নৱেম্বৰত লেম্ব চাহাবে জানিব পাৰিলে যে কেৰাণীখানা আৰু ৰিপোৰ্ট চিৰস্তাৰ পাংখাটনা দুজন কৰ্মচাৰী "এওক১৩ বৰ্থাস্ত হয় নাহি, অতএব" ১ নৱেম্বৰ তাৰিখৰ পৰাই সেই সকলক বৰ্থাস্ত কৰাৰ আজ্ঞা হ'ল।

আনন্দৰামৰ ৬ এপ্ৰিল তাৰিখৰ আজ্ঞা এটা এনে ধৰণৰ: নমল নামৰ আৰ্ডালী এজনক চৰকাৰী কামত গধৰীয়া গাঁৱলৈ যোৱাৰ হুকুম দিয়া হৈছিল। কিন্তু হুকুম দিয়া "কালে সে তৎকালীন গধৰীয়া গাও না জাত্তা জগহেৰ কাৰণ এবং জখন তাহাকে গধৰীয়া গাও জাইতে হুকুম দেওা জাএ তখন জে গধৰীয়া গাও জাইতে পাৰীত এমত দিন ছিল তথাচ শে আমাৰ হুকুম হেয়জ্ঞান পূৰ্ব্বক গধৰীয়া গাও গেল না অতএব এমত বেক্তীকে উত্তৰ কালেৰ জন্যে এৰূপ কৰিলে একেবাৰে বৰখাস্ত হইবেক এমত সমজাইয়া ও প্ৰথম দোষ প্ৰজুক্ত দণ্ড কৰা লা-মোনাসিব১৪ জানীয়া হুকুম হৈল জে নমল আৰ্দ্দালীকে ৷৷০ আনা জৰীমানা কৰিয়া এবিশএ খাজাঞ্চীকে লেখা জাএ ইতি।" (ৰ সমূহৰ পেট আমি কাটিছোঁ। সিপিঠিত দিয়া ৰেখাংকিত অংশখিনি আনন্দৰামৰ স্বহস্তাৱলেপন।) আজ্ঞাটোত পোনতে আৰ্ডালীজনক বদলি কৰাৰ কথা আছিল।

---

১৩ এতিয়ালৈকে।

১৪ অনুচিত, অযোগ্য।

কিন্তু "প্ৰথম দোষ প্ৰযুক্ত দণ্ড কৰা" অনুচিত বিবেচনা কৰি মাত্ৰ আঠ অনা জৰিমনা কৰিয়েই আৰ্ডালীজনক এৰি দিছে। ১০ এপ্ৰিল তাৰিখে কেৰাণীখানাৰ টেকেলা এজন কেৰাণীখানাত নাথাকি আন ঠাইত থকা অপৰাধত টেকেলাজনক চাৰি অনা জৰিমনা কৰিছে।

আঠাৱন চনৰ "আগণ্ট মাহৰ শেষত এই জিলালৈ লেপ্টেনেন্ট স্কন্স নামে এজনা চাহাব প্ৰধান এচিষ্টেন্ট হৈ আহে" বুলি গুণাভিৰাম বৰুৱাই জনাইছে। হৰ্বৰ্ট স্কন্সৰ আগমনলৈকে আনন্দৰামৰ আজ্ঞা ধাৰাবাহিকভাৱে আমি পোৱা নাই। অৱশ্যে প্ৰশাসনীয় আন এবিধ বহীত ("৪৩ নং কমিসনৰিৰ ও ৰিবনিউ বোৰ্ডেৰ ও গবৰ্ণমেণ্টেৰ চিঠিসকল যাহাৰ তৰজমা আবশ্যক হয় তাহাৰ তৰজমাৰ বহী") ছেগা-চোৰোকাকৈ থকা আজ্ঞাকেইটামানৰ (জুনৰ ২৮, জুলাইৰ ৩০, আগণ্টৰ ৯ আৰু ৩০ তাৰিখ) পৰা আগণ্টৰ শেহলৈকে আনন্দৰামৰ কান্ধত জিলাৰ ভাৰ থকাৰ প্ৰমাণ পোৱা হৈছে। চেপ্টেম্বৰৰ আৰম্ভণিৰে পৰা নৱেম্বৰৰ দ্বিতীয় সপ্তাহলৈকে হৰ্বৰ্ট স্কন্সেই নগাঁও জিলাৰ প্ৰধান ভাৰথন বহন কৰে। কিন্তু নৱেম্বৰৰ ১৩, ১৮ আৰু ডিচেম্বৰৰ ১৭ আৰু ২৯ তাৰিখৰ আজ্ঞাই এই কালছোৱাত বা সেই সেই দিনসমূহত স্কন্সৰ অনুপস্থিতি আৰু আনন্দৰামৰ "চাৰ্য্য"ৰ প্ৰমাণ দিছে। ১৮৫৯ চনৰ জানুৱাৰী মাহৰ আদিতে "কাপ্তান কোম্বৰ চাহাব আহি ফুকনৰ হাতৰ পৰা নগাঁৱৰ 'চাৰ্জ্জ' লয়" বুলি গুণাভিৰামে লিখিছে। সম্ভৱতঃ মে' মাহৰ আগে আগে কোম্বৰ চাহাবৰ (Col A. K. Comber) অনুপস্থিতিত পুনৰ ঢেকিয়াল ফুকনে 'চাৰ্জ্জ' পায়, আৰু এই 'চাৰ্জ্জ' ১৬ জুনত ফুকনৰ মৃত্যু হোৱালৈকে তেওঁৰ হাততে থাকে। (তাৰ প্ৰমাণ ৩, ৭, ১০, ১১, ১৯, ২৩ আৰু ২৬ মে', আৰু ৭ আৰু ১৩ জুনৰ আজ্ঞা।)

উনষাঠিৰ ৩ মে'ৰ আজ্ঞা এটাত আদালতৰ পীথু নামৰ এজন দফতৰীয়ে "নেহাইত খৰাপ" চিয়াহী যোগান ধৰা অপৰাধত আনন্দৰামে তেওঁক দুঅনা জৰিমনা কৰিছে। বেয়া চিয়াহী দিয়া বাবে সতৰ্ক কৰি দি ভৱিষ্যতে তেনে কাৰ্যৰ পুনৰাবৃত্তি হ'লে জৰিমনা কৰিব বুলি সাতাৱনৰ ১২ ডিচেম্বৰত এজন দফতৰীক সাবধান-বাণী শুনাই থৈছিল। সেই হুকুমটোৰ লগত বৰ্তমানৰ আজ্ঞাটোৰ কিবা সম্পৰ্ক থাকিবও পাৰে। মৌজাদাৰৰ হুকুম অন্যথা কৰা কাৰণে ১১ মে' আনন্দৰামে ভদৰাম নামৰ এজন মহৰীক এটকা জৰিমনা কৰিছিল। কিন্তু আজ্ঞাটোত স্বাক্ষৰ কৰোঁতে "১৲ টাকা" অংশ কাটি "৷৷৹" আঠ অনা কৰা হৈছে। ১৯ মে' তাৰিখে আনন্দৰামে নিজ চকুৰে দেখিলে ("আপন চক্ষে দেখিয়াছি") যে আদালতৰ দফতৰ খানাত তেতিয়া হলিৰাম নামৰ কৰ্মচাৰী এজন আছিল। দফতৰখানালৈ জুই নিয়া বা তাত ধঁপাত খোৱা অপৰাধৰ কথা। গতিকে হলিৰাম নামৰ কৰ্মচাৰীজনক আঠ অনা জৰিমনা কৰা হ'ল, আৰু ভৱিষ্যতে এনে কাম নকৰিবলৈ আৰু আনে কৰাৰ ক্ষেত্ৰতো নিষেধ কৰিবলৈ মহাফেজৰ নামত পৰোৱানা জাৰি কৰা হ'ল। ইমান দিনে দৈনিক দুঅনাকৈ "মেয়াদ" পোৱা টেকেলাসকলে আনন্দৰামৰ ২৬ মে'ৰ আজ্ঞাৰে দৈনিক তিনি অনাকৈ পোৱাৰ ব্যৱস্থা হ'ল ("অদ্যকাৰ তাৰিখ হইতে টেকলাগণ ফি১৫ ৰোজ ৵৹ আনা নিৰিখ মেয়াদ (?) পাইতে থাকিবেক")।

আনন্দৰাম ঢেকিয়াল ফুকনৰ শেষ আজ্ঞাটো ১৩ জুন তাৰিখে লিপিবদ্ধ হৈছে। কিন্তু আজ্ঞাটোত তেওঁৰ চহী নাই। গুণাভিৰাম বৰুৱাৰ মতে ১৮৫৯ চনৰ ১১ জুন শনিবাৰৰ পিছত আনন্দৰাম কাচাৰীলৈ যোৱা নাই। উক্ত আজ্ঞাটোও পিছে ৰেভিনিউ কমিচনাৰৰ চিঠি এখনৰ মৰ্মে প্ৰচাৰ কৰিব লগীয়া ইস্তাহাৰহে। গতিকে ৭ জুন তাৰিখৰ আজ্ঞাটোৱেই আনন্দৰাম ঢেকিয়াল ফুকনৰ শেষ আজ্ঞা, আৰু ইয়াত কৰা চহীটোৱেই এতিয়ালৈকে আমি পোৱা শেষ চহী। আজ্ঞাটোৰ পূৰ্ণ পাঠ এনে ধৰণৰ ঃ

"শ্ৰীযুত ইনচাৰ্য্য কালেকটুৰ
১৮৫৯ ইংৰেজী ৭ জুন

ৰিপোৰ্ট সীৰিস্তায়১৬ লিলা দপ্তৰিকে সেহাই১৭ খৰাপ দেওা বিসএ দকাতে তম্বী১৮ কৰাতেও (?) অদ্য খৰাপ সেহাই দেওা দৃণ্ট হৈল বিধাএ

আজ্ঞা হৈল

উক্ত কছুৰে দপ্তৰি মজকুৰকে ১৲ টাকা জৰিমানা কৰয়া পৰওানা দেওা জাএ ইতি



১৮৫৬ চনৰ ১১ মাৰ্চ তাৰিখৰ আগৰ কালছোৱাতহে আনন্দৰামে চুটিকৈ কৰা চহী আমি পাইছোঁ। চুটি চহীটো প্ৰায় ৮×৪ চেন্টিমিটাৰ আয়তনবিশিষ্ট আৰু তেওঁৰ দীঘল চহীটো কেতিয়াবা ১৩×৬ চেন্টিমিটাৰ আৰু কেতিয়াবা ১৮×৫ চেন্টিমিটাৰ আয়তনৰ। ছাপন চনৰ ১১ মাৰ্চৰ পৰৱৰ্তী কালছোৱাত বিষয়-বাবৰ স্পষ্ট উল্লেখসহ নিজৰ সম্পূৰ্ণ নামটোৰে (Anundoram D. Phookun) কৰা আনন্দৰামৰ দীঘল চহীটো ৭ জুন তাৰিখে হঠাৎ চুটি হৈ গ'ল। এই চুটি চহীটোৰে প্ৰচাৰ কৰা জীৱনৰ শেষ আজ্ঞাটোৱেও যেন কৈ গৈছে "যি শাস্তিলৈ ভয় কৰে সি অলপ শাস্তিৰেই সংশোধিত হ'ব, আৰু যাৰ নাই তাক অধিক শাস্তি কৰিলেও উপকাৰ নহয়।" 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'ত প্ৰশাসক আনন্দৰাম সম্পৰ্কে গুণাভিৰাম বৰুৱাই কোৱা কথাবোৰৰ লগত আমি পোৱা আজ্ঞাসমূহৰ ক'তো কোনো বিৰোধ নাই; বৰঞ্চ এই আজ্ঞাসমূহে গুণাভিৰামৰ কথাবোৰক অধিক সমৰ্থনহে যোগাইছে।

---

১৫ প্ৰত্যেক। ("কপিত ফি পুৰা ২৷৷৹ টাকা, ৪ টাকা, বাউতলীত ২৲ টাকা"।--স. আ., পৃ, ১৬৮)

১৬ কাৰ্যালয়ত।

১৭ চিয়াহী।

১৮ ধমকি। ("সদৰৰ পৰা তম্বি কৰি মোৰ কৈফিয়ৎ তলব কৰিছে।"--স. আ., পৃ, ১২৮)।

# কএদি এজনক ফাঁসি দিয়া কথা

Execution of a Prisoner at Nowgong.

১৮৪৬ ইংৰাজী সঁকৰ মাৰ্চ মাহৰ ৩১ তাৰিখত এটা দুখৰ ঘটানা চাবলৈ নগাঁৱৰ জিলাত ৫০০০ হেজাৰ মান মানুহ গোট খাইচিল ; অৰ্থাত এই জিলাৰ পৰা ৭ দিনৰ বাট দূৰৈ দলেঙ্গ পুঁজি নামেৰে এখান গাঁৱৰ মধ্যম বয়সিয়া এজন খাচিয়া জি আপোনাৰ চুবুৰিয়া এজনক বধ কৰিলে, তাকে ফাঁসিত দিয়া চাবলৈ আটাই ফালৰ পৰা মানুহ আহি জিলাৰ বৰ ফাটকৰ মুখত গোট খাইচিল। এই মানুহ আৰু তিনটা মানুহে সৈতে আন এখান গাঁৱলৈ বেপাৰ কৰিবলৈ গৈচিল, আৰু উভতি আহিবৰ কালত কেৱল ৩০।৪০ টকা মান পাবৰ আসাৰে এই মানুহটো তাৰ লগৰিয়া এজনক বধ কৰিবলৈ মতি হল ; আৰু হাবিৰ মাজত জেতিয়া অলপ নিৰ্জান হৈচিল সেই ভাল সময় জানি, এই কএদিটোএ আপোনাৰ দাৱে একে কোবত তাৰ চুবুৰিয়াৰ ঠেঙ্গ এটা কাটি পেলালে। আন দুটা মানুহে সাখি দি কই, জে সিহঁত অলপ দূৰৈত আচিল, কিন্তু এটা আপদৰ সবদ সুনি ওচৰলৈ লৰ মাৰি গল, আৰু সিহঁতে ধৰি ৰাখিবৰ আগেএ দেখিলে জে এটাৰ মূৰ গাৰিৰ পৰা বেলেগ হল, কেৱল এডোখৰ মঙ্গহতেহে লাগি আচে, আৰু সিহঁতে এইটো কথা বুজালে, সিহঁতৰো অৱস্থা এনে হব বুলি ভই দেখুআই, এই মানুহ বধি ৰুপ খিনি লৈ পলাই গল। কিন্তু বধ হোআ মানুহটো নাহিল দেখি গাঁৱত বিচাৰ লাগিল, আৰু এই দুটা মানুহে মৰা সৱটো দেখুআই দিলে, আৰু পলোআটৰ বিৰোধে সাখি দিলে, কিন্তু ভই হেতুকে আগেএ সাখি দিয়া নাই। সি ধৰা পৰি সোধত দোসি হোআত ফাঁসিত দিবলৈ সদৰৰ পৰা আগ্যা আহিল। ৬ দিনৰ আগেএ জিলাৰ বিচাৰপতি শ্ৰী জুত কাপ্তান বট্‌লৰ সাহাবে এই মানুহলৈ তাৰ ফাঁসি দিয়াৰ আগ্যা জনালে, জে সি নিচই ৬ দিনৰ মূৰত মৰিব। দিৱসৰ সংখ্যা জেন নে পাহৰে এই কাৰনে দোসি মানুহটে মাটিত ৬ চট আক দি থৈচিল। কেতিয়াবা সি ভাত পানি এৰিচিল আৰু কেতিয়াবা কেতিয়াবা এই বিসই নিচইকৈ আন মন হৈচিল। সি হাতে ভৰিএ লোআ সৈতে ফাটকৰ পৰা চিপাহি আৰু ভকন্দাজবিলাকৰ মাজত ফাঁসি দিয়া ঠাইলৈ নিয়া হৈচিল, পাচত তাৰ সিকলি মেলি দিয়া হল ; হাত দুটা পাচ ফালে বান্ধিলে শ্ৰীজুত কাপ্তান বট্‌লৰ সাহাবে সদৰৰ পৰা অহা তাৰ ম্ৰিত্যুৰ আগ্যা পত্ৰ ইংৰাজী আৰু বঙ্গলা ভাসাৰে পহি সুনালে। ফাঁসি দিবলৈ সকলো জুগুত হোআৰ পাচত শ্ৰী জুত বিচাৰপতি সাহাবে দোঅনিয়াৰ দ্বাৰাই সুধিলে জে তোৰ চুবুৰিয়াক বধ কৰিচিলি নে নাই কৰা ? সি কলে মই তাক বধ কৰা নাই। তাৰ দোস সৈ কাৰিবলৈ অনেক কথা কোআ গল, কিন্তু সি বধৰ অপৰাধ মৰনলৈকেও সৈ নে কাৰিলে। সি পচিম ফাললৈ মুখ কৰি হাত কৰজোৰ কৰি মুৰ মাটিত লগাই অনেক বাৰ প্ৰাৰ্থনা কৰিলে। সত্য পৰম ইস্বৰলৈ সি প্ৰাৰ্থনা কৰা নাই, কিন্তু তাৰ দেসৰ পৰ্বতিয়া দেওবিলাকলৈ আৰু মৰা পিত্ৰি-বিলাকলৈহে প্ৰাৰ্থনা কৰিলে। পাপ পুন্যৰ বিসয়ে তাৰ একো বোধ নাচিল, আৰু পৰকালত কি গতি হব তাকো নে জানিলে, কিন্তু পহুৰ নিচিনা অগ্যান আচিল। জাঠিৰে খুচি মাৰিবলৈ নিদিব এই জাস্না কৰিলে ; তাতে সাহাবে তাক কলে জে সি অৱস্যে মৰিব, তথাপি তাক অনৰ্থক একো দুখ নি দিব। ফাঁসিৰ চাঙ্গৰ জখলাত সি নিৰ্ভয়ে উঠি গল ; এটা কএদি তাৰ মূৰত টুপি দি চকু মুখ ঢাকি ডিঙ্গিত ফাঁহ লগাই দ্দি নামি আহিল। পাচে এটা টিপ দিলতে মানুহবিলাকে জৰিত ধৰি চাঙ্গ পেলাই দিলে, আৰু খন্তেকৰ ভিতৰত সি মৰা সৱ হৈ, সকলো দোসি মানুহে জেন দেসৰ ৰাজ আগ্যাসকল অমান্য ন কৰে, এনে চেতনা দিবলৈ ওলমি থাকিল। ১০ ঘন্টা বজাৰ পৰা গধূলি ৬ বজালৈকে তাতে থাকিল ; পাচে নমাই আনি পুতি থলে।

এই দোসি মানুহৰ দুৰাৱস্থাৰ পৰা আমি কি সিখ্যা পাঁও ? লোভিয়া মন দমন কৰা আমাৰ উচিত। অনেক মানুহে ইস্বৰৰ পৰা পোআ ধন বস্তুত সন্তোস ন হৈ লোকৰ দ্ৰব্যত আসা কৰে। চুবুৰিয়াৰ অলপ ধনলৈ লোভ কৰা হেতুকে এই মানুহটো অতি লাজ পাই ম্ৰিত্যু হ'ল।

লুকুৱা পাপ কেতিয়াও প্ৰকাস ন হব বুলি কোনেও নে ভাবোক। এই মানুহটে ভাবিচিল, জে নিৰ্জান হাবিৰ মাজত তাৰ এই কুকৰম দেখিবলৈ আৰু কবলৈ কোনো নাই। জগতৰ অধিকাৰ পৰম ইস্বৰে আমাক সদাই দেখি আচে বুলি আমি মনত ৰখা উচিত। তেঁও কই জে তোমালোকৰ পাতব তোমা-লোকৰ বতৰা পাব ইয়াক তোমালোকে নিচই জানা, আৰু প্ৰতিফল দিয়া কৰম মোৰহে, মই উচিত দণ্ড দিম।

অগ্যানৰ পৰা জি আপদ ঘটে তাক দেখা। জি জনে

কই তুমি বধ ন কৰিবা, সেই পৰম ইশ্বৰক এই মানুহে নি চিনিলে। নকৰত পৰি অন্ত কালত আত্মাৰ কি গতি হব তাকো ন জনা হেতুকে পাপলৈ তাৰ একো ভই নাই। জি সাস্ত্ৰত সকলোকে প্ৰেম কৰিবলৈ কই, আৰু কাৰো হানি কৰিবলৈ নি দিএ সেই ধৰম সাস্ত্ৰ নে জানিলে। জিবিলাকে পঢ়িব পাৰে আৰু ইশ্বৰলৈ আৰু চুবুৰিয়ালৈ সিহঁতৰ কৰ্তব্য কৰম সিকে, সিহঁতে কেনে স্লাঘ্য। এই দেসৰ আগৰ ৰজাবিলাকে সামান্য লোকক পৰ্হাই সুনাই গিয়ানি কৰিবলৈ ইচা ন কৰিচিল। কিন্তু এই কালৰ অধিকাৰবিলাকে সকলো জাতি লোকৰ লৰা-বিলাকক বিনা মুল্যে পঢ়ি সুনি গিয়ানি হবৰ কাৰনে গাঁৱে গাঁৱে স্কুল পাতি বৰ অনুগ্ৰহ কৰিচে, এই নিমিত্তে আগৰ নিচিনাকৈ মুৰ্খ হৈ থকা এতিয়া মন্দ আৰু অতি বৰ লাজৰ কথা। সকলো মানুহতকৈ গিয়ানি আগৰ কালৰ জি চলোমন ৰজা, তেওঁৰ কথা পঢ়িবলৈ এই অৰুনোদই পত্ৰ পৰ্হা লোকবিলাকলৈ লিখোঁ।

হে মোৰ পুত্ৰ পাপিহঁতে তোমাক লোভ দেখালে সিহঁতে সৈতে মন নি মিলাবা। আঁহা, আমি সোনিত উলিয়াবলৈ লুকাই থাকোঁ, আমি নিৰ্দুসিবিলাকক অকাৰনে বধিবলৈ লুকাই থাকোঁ, আমি আটায়ে বহু মুল্য বেহানি পাম, আমি আপোন আপোন ঘৰ লুবা বেহানিৰে পুৰ কৰিম ; আঁহা, আমাৰ ভাগি হোআ, আমাৰ একে জোলোঙা হোক, সিহঁতে জদি এনে কথা কই, তেন্তে হে মোৰ পুত্ৰ, সিহঁতে সৈতে বাটত নে জাবা। সিহঁতে আপোনাহঁতৰে সোনিত উলিয়াবলৈ লুকাই থাকে, সিহঁতে আপোনাহঁতৰে প্ৰাণ বধিবলৈ গুপুতে থাকে। সকলো ধন লুভিয়াৰ এই গতি। হিতোপদেস দ্ৰিঢ়কৈ গ্ৰহন কৰা, তাক এৰি নি দিবা, তাক ৰখ্যা কৰা, জি হেতুক সেয়েই তোমাৰ জিৱনম।

[প্ৰথম অসমীয়া আলোচনী 'অৰুনোদই'ৰ এপ্ৰিল ১৮৪৬ সংখ্যাৰ পৰা উদ্ধৃত।]

---

## ঢেকিয়াল ফুকন কলেজ

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

তিনিকুৰি দহ বছৰতো মন যায়, সচাকৈয়ে কওঁ,
লৰাহঁতৰ লগত বেঞ্চিত বহি আকৌ যেন
কলেজৰ ক্লাচ কৰো।
পঢ়িলে, কোনটো কলেজত ?
ঢেকিয়াল ফুকন কলেজতেই নিশ্চয়।
কলঙৰ পাৰৰ ফুকনৰ মৰিশালিৰ এঙাৰ
এটুকুৰাও নাই এতিয়া।
নগৰৰ সাত-ঘোঁকোটত গুৰুদেউ গোসাঁয়ে এই কলেজখন পাতিলে।
আধুনিক অসমৰ জাতীয় আদৰ্শৰ বাণী উচ্চাৰণ কৰোঁতা
আনন্দৰামৰ পৱিত্ৰ সোঁৱৰণী এই কলেজখনতহে
অকণমান বৈ আছে।
ইয়াৰ বেৰে-চালে, বাহিৰে-ভিতৰে গছে-জেওৰাই
এটা নৈতিক সপোন বিয়পি আছে।
ইয়াত দুৰ্নীতি আৰু দেশ-দ্ৰোহিতাৰ ঠাই নাই। হব নোৱাৰে।
ইয়াৰ বায়ু এফেৰা পুৰক-কুম্ভকেৰে ভিতৰলৈ সুমাই নিয়া।
তোমালোকৰ বুকুত এই সপোন সোমাবলৈ দিয়া ;
তোমালোকৰ লগতে মোকো ঠাই দিয়া,
ময়ো উশাহ লওঁ।

[এই কিবতাটি ১৯৮০ চনত প্ৰকাশিত গুৰুদেৱ গোস্বামীৰ স্মৃতিগ্ৰন্থৰ পৰা উদ্ধৃত।]

# আনন্দৰাম ঢেকিয়াল ফুকনৰ ঘৰুৱা নথি

[আনন্দৰাম ঢেকিয়াল ফুকনে তেখেতৰ ব্যৱহাৰৰ কাৰণে প্ৰস্তুত কৰোৱা এখন ঘৰুৱা নথি। নথিখন ডঃ নৰেন কলিতাই নগাঁৱৰ জখলাবন্ধা সত্ৰৰ পৰা সংগ্ৰহ কৰিছিল আৰু 'বিহংগনি'ৰ সাহিত্য সংখ্যাত (১৯৮১, মে') প্ৰকাশ হৈছিল। ইয়াত 'বিহংগনি'ৰ পৰা পুনৰ মুদ্ৰণ কৰা হৈছে।]

শ্ৰীগণেশায় নমঃ

শ্ৰীযুক্তানন্দৰামশৰ্ম্মা ঢেকিয়ালফুকনকৃত বাৰ্ষিক কৰ্ম্মস্যমান
বৈসাখমাসে পৰ্সুৰাম বড়ুয়াৰ শ্ৰাদ্ধ
শ্ৰাৱনমাসে হলিৰাম ফুকনৰ শ্ৰাদ্ধ
কাত্তিকমাসে ব্ৰঁহ্মচাৰিবাবাৰ শ্ৰাদ্ধ
আস্মিন্ মাসে পাৰ্ব্বন শ্ৰাদ্ধ
তথা মাসে শ্ৰীযুক্তানন্দৰামফুকনৰ জন্মতিথিকৃত্য।
বৈসাখমাসে চন্ত্ৰাদিদান
আসাঢ় মাসে গঙ্গাপূজা
ৰথজাত্ৰা অম্বুঁবাচি
শ্ৰাৱনমাসে কৃষ্ণেৰ ঝুলনযাত্ৰা
ভাদ্ৰমাসে জন্মাষ্টমী ও
গনেশচতুৰ্থি ব্ৰঁত দুৰ্ব্বাষ্টমী
* * * দুৰ্গোৎসৱ
আগ্ৰহায়ন মাসে ৰাসযাত্ৰা নৱান্ন শ্ৰাদ্ধ
পৌষ মাসে খিচিৰি দান
মাঘমাসে সৰস্বতিপূজা
ভিস্মাষ্টমী মাঘিসপ্তমী
ভিম একাদসি ও অক্ষয়া প্ৰাতস্নান
ফাল্গুন মাসে সিবপূজা
দোল যাত্ৰা
চৈত্ৰ মাসে মদন পূজা
ইতি বাৰ্ষিক ক্ৰিয়া জাৰ
প্ৰয়োজন হয় এই পত্ৰ চায় জ্ঞাত হয় উদ্যম কৰিব ইতি
শন ১৭৭৮ তাং ৩০ আস্মিন্

---

* তৰা চিন দিয়া অংশ নষ্ট হৈছে।



# এডিপিৰ টুকুৰা স্মৃতি

শ্ৰীনৰেন্দ্ৰ নাথ বৰা
প্ৰাক্তন ছাত্ৰ

১৯৫৯ চনত ডচন হাইস্কুলত আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ শুভাৰম্ভ হ'ল। মৃত শুকদেৱ গোস্বামী অধ্যক্ষ। অকল অধ্যক্ষ বুলিলে ভুল কোৱা হয়। ছাৰ আছিল এই কলেজৰ পিতাস্বৰূপ। কেৰাণী, চকীদাৰ, মিস্ত্ৰি, যোগালি-- সকলোবোৰ কাম ছাৰে হাঁহিমুখে কৰি যায়। সন্তানহীন ছাৰে কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক নিজ সন্তানৰূপে গ্ৰহণ কৰিছিল। কলেজখন আছিল গোস্বামী দম্পতিৰ মানস-পুত্ৰ। বাহিৰত ছাৰক মাজে মাজে কৰ্কশ যেন লাগে। পিছে নাৰিকলৰ দৰে ভিতৰখন অতি কোমল আৰু মৰমত পমি যোৱা।

নতুন কলেজ এখনে আৰম্ভণীতে ছাত্ৰ-ছাত্ৰীসকলৰ আটাই-বোৰ অসুবিধা দূৰ কৰিব নোৱাৰাটো স্বাভাৱিক। তথাপি গোস্বামীছাৰে ছাত্ৰ-ছাত্ৰীসকলৰ অসুবিধাবোৰ আন্তৰিকতাৰে দূৰ কৰিবলৈ চলোৱা প্ৰচেষ্টাই সকলোকে সম্মোহিত কৰি ৰাখিছিল। এনে প্ৰচেষ্টাত ব্যক্তিগত ক্ষতি হলেও ছাৰে সেই ক্ষতিক হাঁহিমুখে গ্ৰহণ কৰি লৈছিল।

সেইবোৰ দিন এতিয়া পুৰণি হ'ল। ছাৰেও ইহলীলা সম্বৰণ কৰিলে। "এডিপি" কলেজত কটোৱা চাৰিটা বছৰ আৰু সেই দিনবোৰৰ বৈচিত্ৰ্যময় স্মৃতিয়ে এতিয়াও আমাক পুলকিত কৰি তোলে। তাৰে কেইটামান তলত উল্লেখ কৰিলোঁ।

দক্ষিণ হয়বৰগাঁৱৰ যি ঠাইত বৰ্তমান কলেজখন প্ৰতিষ্ঠিত হৈছে, ১৯৬০ চনত সেই ঠাই অটব্য জাৰণিৰে ভৰপূৰ আছিল। প্ৰতি ৰবিবাৰে ছাত্ৰসকলক লগত লৈ ছাৰে জংঘল ছাফা কৰায়। দুপৰীয়া গোস্বামী বাইদেৱে আগদিনা তিয়াই থোৱা বুটমাহ নিমখ আৰু আদা মিহলাই লগত কল-বন লৈ আহে। আমি আটায়ে বহি খাওঁহক। কিছুসময় জিৰণি লৈ পুনৰ দা-কুঠাৰ লৈ কামত লাগি যাওঁ। এদিন হাবি কাটি থাকোঁতেই উপায়ুক্তই লগত এজাক সশস্ত্ৰ পুলিচ লৈ আহি আমাক গছ কাটিবলৈ হাক দিলে। অন্যথাই পৰিণতি ভয়াবহ হ'ব বুলিও সকিয়াই দিলে। আমাৰ হাতৰ দা-কুঠাৰ আপোনা-আপুনি খহি পৰিল। খন্তেক পিছতে দেখো হাতত লাখুটি লৈ স্বয়ং ছাৰ। হঠাং যেন মাটি ফুটি আবিৰ্ভাৱ হল। ছাৰে চকুৰ পলকতে পৰিস্থিতিটো বুজি পুনৰ দা-কুঠাৰ লৈ কামত লাগি যাবলৈ আমাক হুকুম দিলে। সাহস পাই আমিও কামত লাগি গলোঁ। উপায়ুক্তই আমাক ভয়াবহ পৰিণতিৰ কথা সোঁৱৰাই দিলে। ৰাস্তালৈ পিঠি দি থকা ছাৰে এইবাৰ ঘূৰি লৈ উপায়ুক্তক তাৰ পৰা আঁতৰি যাবলৈ দৃঢ়স্বৰে অনুৰোধ কৰিলে। ক'লে, **"আপুনি ৰাইজৰহে সেৱক, আইন মানি আপুনি কাম কৰা বাঞ্ছনীয়। ৰাইজনৈতিক নেতাৰ খেয়াল-খুচিত ইন্ধন যোগোৱা আপোনাৰ উচিত হোৱা নাই। আপুনি গুলী কৰি- প্ৰথমে মোক মাৰিহে "ল'ৰাহঁতৰ" গাত হাত দিব পাৰিব।"** কিয় জানো, উপায়ুক্তজনে কিবা ভাবি তাৰ পৰা পুলিচ বাহিনী লৈ আঁতৰি গ'ল। সেইদিনা ছাৰে ধাৰণ কৰা ৰুদ্ৰমূৰ্তিটো আজিও অন্তৰত অঙ্কিত হৈ আছে। পিছত জানিব পাৰিছিলোঁ--সেই দিনা চাকিট হাউচত বহি তেতিয়াৰ পৌৰপিতাজনৰ সহযোগত এনে গৰ্হিত কামৰ গুৰি ধৰিছিল স্বনামধন্য শিক্ষাপ্ৰেমী নেতা শ্ৰীদেৱকান্ত বৰুৱাদেৱে।

১৯৬১ চনৰ প্ৰথম ভাগৰ কথা। কলেজৰ বছেৰেকীয়া পৰীক্ষা পাৰ হ'ল। ৰিজাল্টো দিয়া হ'ল। মাচুল আদায় নিদিয়াৰ বাবে বহুতো ছাত্ৰৰ ৰিজাল্ট ওলোৱা নাই। আমাৰ সহকৰ্মী এজনেও ৰিজাল্ট ল'ব পৰা নাই। এদিন দুয়ো ছাৰৰ ঘৰলৈ গলোঁ। ছাৰৰ ঘৰেই কলেজৰ অফিচ। ছাত্ৰৰ অবাধ গতি। আমি গৈ পালোঁ। অফিচত এজাক ছাত্ৰ বহি আছে। ছাৰ ভিতৰত। ছাৰ ওলাই আহিল। আমি কিয় আহিছোঁ সুধিলে। লাজ আৰু ভয়ত সেমেনা-সেমেনিকৈ মই বন্ধুজনৰ কথাটো কলোঁ। ছাৰ অগ্নিশৰ্মা। আনেতো নিদিয়েই, চাকৰি কৰা মানুহখিনিয়েও সময়মতে মাচুলখিনি নিদিলে কলেজ কেনেকৈ চলিব-ঘূৰাই আমাকে প্ৰশ্ন কৰিলে। এনে ছাত্ৰ নালাগে

বুলিও ছাৰে খাটাংকৈ জনালে। মৰণতে শৰণ দি বন্ধুজনৰ দুৰৱস্থাৰ কথা বৰ্ণনা কৰি কলোঁ যে তেওঁৰ দেউতাক নাই, মাকো শয্যাশায়ী হৈ পৰি আছে। অধ্যক্ষৰ জাননী পায়েই ঘৰৰ একমাত্র গাইজনী বেচি মাচুলখিনি দিবলৈ আহিছে, তাকো কলো। ছাৰে দপদপাই উঠিল, "হায় হায়! গৰুজনী কিয় বেচিলা? তাৰ আগতে মোক কথাখিনি কিয় নকলা? এস্ এস্! বৰ বেয়া কাম কৰিলা, বৰ বেয়া কথা হ'ল।" মাচুলখিনি লৈ তাৰে ২০·০০ টকা ৰুগ্না মাকৰ চিকিৎসা কৰিবলৈ ওভোতাই দিলে। লৰালৰিকৈ ৰিজাল্টো দি আমাক পঠাই দিলে।

আন এদিনৰ কথা। জাৰৰ দিন। সন্ধ্যা ছাৰে কলেজলৈ আহিয়েই চাৰিওফালে এপাক মৰাৰ নিয়ম। সেই দিনাও ছাৰে বাৰাণ্ডাইদি টহল দি ফুৰিছে। মিত্র ছাৰে আমাক ইংৰাজী পঢ়াইছে। গোস্বামী ছাৰ হঠাৎ খিড়িকীখনৰ কাষত ৰ'ল। শ্রেণীৰ পিছফালে বেঞ্চত বহা ছাত্র এজনক মাতি অফিচলৈ লৈ গ'ল। কিছু সময়ৰ পিছত এটা দামী উণী চুৰেটাৰ পিন্ধি ছাত্রজন শ্রেণীলৈ ফিৰি আহিল। ক্লাচ শেষ হোৱাৰ পিছত সোধাত বন্ধুজনে কলে যে এটা মাত্র কপাহী চোলা পিন্ধি জাৰত কঁপি থকা দেখি ছাৰে মাতি নি গাৰ পৰা চুৰেটাৰটো খুলি পিন্ধাই ক্লাচলৈ পঠাই দিলে। ছাত্র বন্ধুজনৰ নাম পাহৰিলোঁ। বি, এ, পাছ কৰি এতিয়া তেওঁ কোনোবা এখন হাইস্কুলত শিক্ষকতা কৰি আছে।

বাছনি পৰীক্ষালৈ ১৫ দিনমান থাকোঁতেই হঠাৎ মোৰ অসুখ হ'ল। নগাঁও চিভিল হস্পিতালৰ ডাক্তৰৰ পৰামৰ্শমতে চিকিৎসাৰ বাবে ডিব্ৰুগড় মেডিকেল কলেজলৈ যাবলগা হ'ল। গলোঁ। চিকিৎসা চলিল। ৩৭ দিন হস্পিতালত থাকি সুস্থ হৈ ফিৰি আহিলোঁ। পৰীক্ষা দিয়াৰ আশা এৰিছিলোৱেই। কেইজনমান বন্ধুৱে বুজাই-বঢ়াই ছাৰৰ ওচৰলৈ লৈ গ'ল। গৈ দেখিলোঁ, ছাৰ নাই। শ্রীযুত সুৰেন ভূঞা ছাৰে ইউনিভাৰচিটিলৈ পঠাব লগা পৰীক্ষাৰ ফৰ্মবোৰ চিজিল কৰি আছে। দুজনমান ছাত্র বন্ধুৱে ভূঞাছাৰক সহায় কৰিছে। খন্তেক পিছতে গোস্বামী ছাৰ লাখুটিডাল হাতত লৈ ঘৰ পালেহি। মোক দেখিয়েই গৰ্জি উঠিল। বাছনি পৰীক্ষা কিয় নিদিলো, মাচুলৰ টকাখিনি আদায় কিয় নহ'ল ইত্যাদি নানা ধৰণৰ তৰ্জন-গৰ্জন চলিল। কওঁ নকওঁকৈ মোৰ কাহিনীটো কলোঁ। শুনি ছাৰৰ হঠাৎ যেন পৰিবৰ্তন হ'ল। উগ্রমূৰ্তি এৰি শান্ত-সৌম্য মূৰ্তি ধাৰণ কৰিলে। বিশ্বামিত্র যেন বশিষ্ঠ হ'ল। ভূঞা ছাৰক মোক ফৰ্ম এখন দিবলৈ নিৰ্দেশ দি ছাৰ ভিতৰলৈ সোমাই গ'ল। কিছু পৰৰ পিছত ওলাই আহি জেপৰ পৰা টকা উলিয়াই ৰচিদ কাটিবলৈ ভূঞা ছাৰক কলে। ২।৩ মাহৰ ভিতৰতে ময়ো টকাখিনি ছাৰক ওভোতাই দিলোঁ।

১৯৬২ চনৰ ডিচেম্বৰ মাহ। ঠেঁটুৱৈ লগা জাৰ। সন্ধ্যাৰ লগে লগে ছাৰে আমাৰ কেইজন মান ছাত্রক অফিচলৈ মতাই নিয়ালে। আধা ঘন্টাৰ পিছতে আমাক চাকিট হাউচলৈ যাবলৈ নিৰ্দেশ দি ছাৰ লগে লগে উঠিল। কিয় চাকিট হাউচলৈ যাব লাগে আমি এজনেও নুবুজিলোঁ। তথাপি আমি পাঁচোজন গ'লো। তাত গৈ দেখো ছাৰে হাতত সেই পৰিচিত লাখুটিডাল ঘূৰাই ঘূৰাই বাৰাণ্ডাত পায়চাৰি কৰি আছে। আমি গৈ কাষ চাপিলোঁ। অলপ পিছতে ছাৰক ভিতৰলৈ মাতি নিলে। "কোনোবা মন্ত্রী-চন্ত্রী আহিব পায়"ঃ আমি বাহিৰতে গুণগুণালো। লাহে লাহে ছাৰৰ মাত তুঙ্গলৈ উঠিল। হঠাৎ ছাৰে আমাক চিঞৰি মাতিলে। আমিও সোমাই গ'লোঁ। দেখিলো স্বয়ং মুখ্যমন্ত্রী চলিহাদেৱ আৰু তেখেতৰ নগঞা সাঙ্গোপাঙ্গ সকল। সকলোকে অবাক কৰি ছাৰে আমাক দেখুৱাই ক'লে -- "চাওক চলিহা, এইজাক মোৰ কলেজৰ ছাত্র। বিয়া-বাৰু কৰোৱা আদবয়সীয়া এই দুৰ্ভগীয়া জাকৰ বাবেই মই কলেজ পাতিছোঁ। আপুনি লোকৰ কথা শুনি মঞ্জুৰীটো নেকাটিব। নহ'লে পাপে চুব" বুলি কৈয়েই আমাক লৈ ছাৰে নাটকীয়ভাৱে ওলাই আহিল। ছাৰৰ চকুলৈ চাব নোৱাৰি, যেন অগ্নি স্ফুলিঙ্গহে। পুহমহীয়া জাৰতো কপালত ঘাম বিৰিঙিছে। পিছদিনা ছাৰক কিছু শান্ত যেন দেখি আগদিনাৰ কথাটো সুধিলোঁ। ছাৰে হুমুনিয়াহ এটা এৰি ক'লে "বুজিছ, যোৱা বছৰতে কলেজলৈ ত্রিশহেজাৰ টকা মঞ্জুৰ হৈছিল। পোৱা হ'লে ঘৰটো সম্পূৰ্ণ কৰিব পাৰিলোহেঁতেন। পিছে এইবাৰ দেৱবৰুৱা শিক্ষামন্ত্রী হৈয়েই মঞ্জুৰীটো কাটি দিলে"। আগদিনাৰ নাটকখনৰ ওৰ আমি তেতিয়াহে পালোঁ।

## এটুপি চকুলো

গোস্বামী ছাৰৰ মানস পুত্র আজি ২৫ বছৰীয়া যুৱক। এই কলেজখন স্থাপন কৰা দিনৰে পৰা ৰাজনৈতিক নেতাসকলৰ ৰোষত পৰি ছাৰে বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হ'ল। দৃঢ়মনা, দূৰদৰ্শী আৰু অক্লান্ত কৰ্মী গোস্বামী ছাৰে নানা ঘাত-প্রতিঘাত মূৰ পাতি ল'লে। চক্রান্তকাৰীসকলৰ ওচৰত কোনোদিন সেও নেমানিলে। আজি এই অনুষ্ঠানটিৰ ৰূপালী জয়ন্তী উৎসৱত ছাৰলৈ বৰকৈ মনত পৰিছে। যিজন লোকে অলেখ সংঘাতৰ মাজেদিও এ.ডি.পি. কলেজ পাতি হাজাৰ হাজাৰ দুৰ্ভগীয়া ছাত্রক উচ্চশিক্ষা ল'বলৈ সুবিধা দিলে সেইজন মহান পুৰুষৰ স্মৃতি ৰক্ষাৰ্থে একো কৰিব নোৱাৰি আমি আজি সাংঘাটিকভাৱে অনুতপ্ত। নিজকে আমি প্রশ্ন কৰো, আমাতকৈ অকৃতজ্ঞ ব্যক্তি আৰু আছেনে ছাগৈ? যিজাক ৰাজনৈতিক টিলিকা নেতাই জীৱিত কালত ছাৰক জীয়াতু ভোগালে, মৃত্যুৰ পিচতো ছাৰৰ বিদেহী আত্মাক সিহঁতে শান্তি নিদিলে।

ভগৱন্তৰ ওচৰত প্রাৰ্থনা, ছাৰৰ আত্মা যেন চিৰকাল শান্তিত থাকে। ছাৰ য'তে আছে, তাৰ পৰাই চাওক আপোনাৰ মানস পুত্রই পূৰ্ণতা লাভ কৰিছে। আজি ২৫ বছৰীয়া ৰূপালী জয়ন্তী আমি পালন কৰিছোঁ। আপুনি আশীৰ্বাদ কৰক, এ.ডি.পি.য়ে যেন আৰু আগুৱাই যায়। এ.ডি.পি. কলেজখনেই আপোনাৰ স্মৃতি। আপোনাৰ নামত একো নেথাকিলেও এ.ডি.পি. কলেজৰ প্রতি চপৰা ইটাত আপোনাৰ নাম লিখা আছে আৰু আছে আপোনাৰ গুণমুগ্ধ ছাত্রসকলৰ হৃদয়ত। ০০

# স্মৃতিৰ সৌৰভ

শ্ৰীহৰেন্দ্ৰ মোহন তালুকদাৰ,
প্ৰাক্তন ছাত্ৰ।

অন্যান্য বহুতো সাধাৰণ খবৰৰ লগতে ৩ নৱেম্বৰৰ "দৈনিক অসম"খনে এটা নতুন অসাধাৰণ খবৰ কঢ়িয়াই আনিছিল। হঠাতে সেইদিনা সেই সুখবৰটি পাই মনটো বৰ উত্ৰাৱল হৈ পৰিছিল। আন বহুতৰ দৃষ্টি এৰাই যোৱা "আনন্দ ৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ আয়োজন"ৰ খবৰটোৱে কিন্তু মোৰ দৃষ্টি এৰাই যাব নোৱাৰিলে। নোৱৰাটোৱেই অত্যন্ত স্বাভাৱিক। কাৰণ মোৰ জীৱনৰ গুৰুত্বপূৰ্ণ এছোৱা সময়ৰ স্মৃতিযে এই অনুষ্ঠানটিৰ লগতেই ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে! সেয়েহে অতি আন্তৰিকতাৰে এই ৰূপালী জয়ন্তীৰ সফলতা কামনা কৰিলোঁ, আৰু এই মহাবিদ্যালয়ৰ পুৰণি ছাত্ৰ হিচাপে স্মৃতিপটত লুকাই পৰা এৰা-বোটলাৰ নানান কথা মনলৈ অহাত তাকেই লিখি পঠিয়ালোঁ।

হঠাতে এদিন এটি নতুন সুখবৰ পাই মনটো আনন্দতে উৎফুল্ল হৈ উঠিছিল। নতুন খবৰটো হ'ল নগাঁৱত আনন্দ ৰাম ঢেকিয়াল ফুকনৰ নামত এখন কলা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ব। মোৰো মনত আশাৰ বন্তি জ্বলি উঠিল। আশা কিজানিবা ভাগ্য সুপ্ৰসন্ন হয়েই। সঁচাকৈয়ে ১৯৫৯ চনৰ চেপ্তেম্বৰ মাহৰ ৭ তাৰিখে "আনন্দৰাম ঢেঁকিয়াল ফুকন মহাবিদ্যালয়"ৰ শুভ মুক্তিৰ বন্তি জ্বলি উঠিল। আমাৰ মনত কি যে অপাৰ আনন্দ। আজিৰ পৰা চব্বিশ বছৰৰ আগৰ কথা। অৰ্থাৎ এই মহাবিদ্যালয়ৰ আমি প্ৰথম ছাত্ৰদল। ১৯৫৯ চনৰ প্ৰথম ভাগতে তুৰাৰ পৰা বদলি হৈ নগাঁৱলৈ যাওঁ। দিনত জীৱিকাৰ অৰ্থে অসম ৰাজ্যিক বিদ্যুৎ পৰ্ষদৰ চাকৰি আৰু গধূলি মহাবিদ্যালয়ৰ পাঠ্যক্ৰম। দুয়োটাকে জীৱনৰ প্ৰত্যাহ্বান হিচাপেই গ্ৰহণ কৰিছিলোঁ। প্ৰথমে আমাৰ মহাবিদ্যালয়ৰ শ্ৰেণী নগাঁও ডচন হাইস্কুলতে বহিছিল। বেছিভাগ ছাত্ৰই দিনত চৰকাৰী, বেচৰকাৰী কাৰ্য্যালয় আদিত কাম কৰে আৰু ৰাতি পঢ়িবলৈ আহে। বহুতে দূৰ দূৰণিৰ গাঁৱৰ পৰাও পঢ়িবলৈ আহে। আজিকালিৰ দৰে সেই সময়ত যাতায়তৰ সিমান সুবিধা নাছিল। বহুতে দূৰৰ পৰা চাইকেল আৰু খোজকাঢ়ি অহা-যোৱা কৰিছিল। তথাপি এই ৰাতিৰ কলা বিভাগৰ মহাবিদ্যালয়খনে তেওঁলোকৰ জীৱনত উচ্চ শিক্ষা লাভ কৰিবলৈ যি সুবিধা দিছিল, সেইখিনি কষ্ট তেওঁলোকৰ মনত একোৱেই নাছিল। আৰু সকলোৰে মনত এটি সন্তুষ্টিৰ ভাৱ দেখা গৈছিল।

আজি আমাৰ স্মৃতিপটত ভাহি উঠিছে আজি য'ত মহাবিদ্যালয়ৰ সুন্দৰ ঘৰ দুৱাৰ তৈয়াৰ হৈছে, তাত আমি দা-কুঠাৰ লৈ জংঘল কাটিছিলোঁ। প্ৰথমে আমাৰ শ্ৰেণী ডচন হাইস্কুলতে বহিছিল, যদিও কিছুদিনৰ পিছত অস্থায়ী ঘৰ সাজি মহাবিদ্যালয়ৰ নিজা ঠাইলৈ স্থানান্তৰিত কৰা হৈছিল। আনন্দ ৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ কথা মনত পৰিলেই আমাৰ স্মৃতি-পটত এখন মুখৰ ছবি ভাহি উঠে। সেইখন হল মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অবৈতনিক অধ্যক্ষ সিংহ-পুৰুষ স্বৰ্গীয় শুকদেৱ গোস্বামীদেৱৰ। কিছুদিন তেখেতৰ নিজা বাসভৱনতে অস্থায়ী হিচাপে মহাবিদ্যালয়ৰ কাৰ্য্যালয় চলিছিল। আনকি তেখেতৰ সহধৰ্ম্মিনীয়েও অবৈতনিক প্ৰবক্তা হিচাপে আমাক ইংৰাজীৰ পাঠ্যদান কৰিছিল। তেখেতৰ কৰ্তব্যনিষ্ঠা আৰু অক্লান্ত পৰিশ্ৰমৰ ফলতেই আজি আনন্দৰাম ঢেঁকিয়াল ফুকন মহাবিদ্যালয়ে বৰ্তমান স্তৰত উপনীত হ'ব পাৰিছে। মহাবিদ্যালয়খনৰ উন্নতিৰ হকে তেখেতে দেহে কেহে খাটিছিল। এটা অতি সামান্য কথা মনত পৰিছে। এদিনাখন আমি সহপাঠী কেইজনমানে অধ্যক্ষৰ বাসভৱনত থকা মহাবিদ্যালয়ৰ কাৰ্য্যালয়লৈ গৈছিলোঁ। তেখেতৰ ঘৰত কেইবাটিও মেকুৰী পোৱালি আছিল। তাৰে এজনী সহপাঠী এজনে খোজাত তেখেতে কৈছিল, যে মই এনেয়ে মেকুৰী পোৱালি নিদিওঁ। মূল্য দহ পইচা দিব লাগিব। সেই পইচা মই কলেজৰ পুঁজিত জমা দিম। সেই মতে কামো হৈছিল। যদিও কথাটো অতি সামান্য তথাপিও বৰ তাৎপৰ্য্যপূৰ্ণ। আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ নামৰ লগত প্ৰথম অবৈতনিক অধ্যক্ষ স্বৰ্গীয় শুকদেৱ গোস্বামীদেৱৰ নাম সদায় জড়িত হৈ থাকিব। তেখেতৰ সন্তান নাছিল, যদিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে পুত্ৰ-পুত্ৰীৰ দৰে মৰম স্নেহ কৰিছিল।

সামৰণিত তেতিয়াৰ মহাবিদ্যালয়খনৰ আৰু এটি কথা উল্লেখ কৰিব বিচাৰিছোঁ। সেৱাৰ মানসে নামমাত্ৰ মাননী লৈ আমাক শিক্ষাদান কৰি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ক গুৰুগৃহত পৰিণত কৰা সেই কৃতী শিক্ষাগুৰুসকললৈ সশ্ৰদ্ধ প্ৰণাম জনালোঁ।

এৰা, এইখন আমাৰ অতি মৰমৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, যাৰ উদাৰ হৃদয়ৰ আশীৰ্বাদ অবিহনে হয়তো মোৰ জীৱনৰ গতিয়ে অন্যফালে ঢাল ললেহেঁতেন। তাতেই আৰম্ভ হৈছিল জীৱন প্ৰতিষ্ঠাৰ সংগ্ৰাম, লাভ হৈছিল বিভিন্ন, বিচিত্ৰ অভিজ্ঞতা।

সামৰণিত ৰূপালী জয়ন্তীলৈ আমাৰ আন্তৰিক শুভেচ্ছা জনাই অধ্যাপক অধ্যাপিকাসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰি বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীলৈ মৰম প্ৰীতি জনাই ইমানতে সামৰিলোঁ।

০০

ৰূপালী জয়ন্তী-লগ্নত

# আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয় স্মৃতি-গাথা

শ্ৰীহৰনাথ গায়ন
প্ৰাক্তন ছাত্ৰ।

কবি কীট্‌চৰ "The Human Seasons"ত কোৱাৰ দৰে জীৱনৰ গ্ৰীষ্মঋতুৰত লাহতী যৌৱনৰ মাদকতাপূৰ্ণ স্মৃতি-ৰাজি উদ্‌গীৰ্ণ ক্ৰমে চৰ্ব্বন কৰি মনত স্বৰ্গীয় অনাবিল শান্তি পোৱাৰ দৰে আমিও অতীতৰ স্মৃতিৰাজি স্মৰণক্ৰমে ব্যক্ত কৰিবলৈ পালে নিজকে ধন্য মনাৰ বাদে আন একো নাথাকে। কিয়নো আমি ষষ্ঠ দশক পাৰ কৰি সপ্তম দশকত ভৰি দিওঁ দিওঁ।

সিদিনা হঠাৎ নগাঁও বিশেষ কাৰাগাৰলৈ গৈছিলোঁ। আজি-কালি কাৰাগাৰলৈ যোৱা বুলিলেই বুজিব লাগিব, মানুহজন আন্দোলনৰ লগত কিবা এটা যোগসূত্ৰত আবদ্ধ আছে। তাতে শ্ৰীতৰুণ শইকীয়াক লগ পোৱাৰ ভাগ্য ঘটিল। তেওঁৰ লগত পৰিচয় হলোঁ। তেওঁ আমাৰ পৰিচয়ত এ, ডি, পি কলেজৰ প্ৰাক্তন ছাত্ৰ বুলি জানিব পাৰি অহা নবেম্বৰ মাহত আয়োজন কৰা কলেজৰ "ৰূপালী জয়ন্তী"ৰ কথা কৈ কাৰাগাৰৰ পৰাই নিমন্ত্ৰণ জনালে। লগতে "ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ"ৰ কাৰণে কিবা এটা অতীত স্মৃতিৰ বিষয়ে লিখি পঠাবলৈ অনুৰোধ কৰিলে। শেষত আমাৰ আন্দোলনৰ সহকৰ্মীসকলক উদ্ধাৰ কৰি বিদায় ললোঁ। সেইদিনা মনটো যেন পুনৰ দুই দশক পিছুৱাই গ'ল--অৰ্থাৎ বৰ্তমানো যেন এ. ডি. পি. কলেজৰ ছাত্ৰহে।

"When I remember all
The friends so link'd together
I've seen around me fall
Like leaves in wintry weather"
T. Moore

* * * *

১৩ অক্‌টোবৰ বৃহস্পতিবাৰ, বিয়লি চাৰি বজাত দুজন অচিন যুৱক ওলালহি। পৰিচয় লৈ জানিব পাৰিলোঁ এ. ডি. পি. কলেজৰ ছাত্ৰ তথা "ৰূপালী জয়ন্তী উদযাপন সমিতি"ৰ স্মৃতি-গ্ৰন্থ সম্পাদক শ্ৰীমুকুল বড়া আৰু আনজন সাংস্কৃতিক সম্পাদক শ্ৰীকমল বৰদলৈ। স্মৃতি-গ্ৰন্থৰ কাৰণে পুৰণি স্মৃতি সংগ্ৰহ কৰি ফুৰিছে। আমাৰ ঘৰত আঁৰি থোৱা কলেজ সম্পৰ্কীয় পুৰণা ফটোসমূহ পাই অতি আনন্দ পালে। খোলাভাৱে সহ-পাঠীৰ দৰেই বহুত আলোচনা কৰা হ'ল। কলেজ নিৰ্মাণৰ কাৰণে জংঘল কটা, কলেজ ইউনিয়ন গঠন আৰু নিৰ্বাচন, "দক্ষ-যজ্ঞ" ভাওনা পতা আৰু "কলেজৰ পঞ্চম প্ৰতিষ্ঠা দিৱস উদযা-পন" সম্পৰ্কে বহু আলোচনা হ'ল। শেষত ফটোসমূহ পঠাই দিবলৈ, লগতে অতীত স্মৃতিৰ টুকুৰা কথা কেইটিমান লিখি পঠাবলৈ অনুৰোধ কৰি বিদায় ললে। সেইদিন ধৰি মনত নানা ভাবে তোলপাৰ লগালে। কি লিখোঁ মইতো লিখক নহওঁ। কবিও নহওঁ কবিতা এটাকে লিখি পঠাবলৈ। গায়ন যদিও গায়কো নহওঁ, গীত এটি বচিম কেনেকৈ? আধুনিকতা একোৱেই নাই। যাহওক এ. ডি. পি. কলেজৰ ছাত্ৰ শ্ৰীহিৰণ্য গায়নৰ হাতত ফটোসমূহ পিছদিনা পঠাই দি প্ৰথম ঋণৰ পৰা অব্যাহতি ললোঁ।

সাত চেপ্তেম্বৰ, ১৯৫৯ চন। জীৱনৰ এটি চিৰস্মৰণীয় দিন। সেইদিনা এঘাৰ বছৰ জিৰণিৰ পিছত পুনৰ ছাত্ৰ হিচাপে এ. ডি. পি. কলেজত ভৰ্তি হওঁ। নগাঁও উপায়ুক্তৰ কাৰ্য্যালয়ত চাকৰি কৰি থকাত গোপনীয়ভাৱে নাম ভৰ্তি কৰিব লগাত পৰে। নামভৰ্তি কৰাৰ আগতে বন্ধু শ্ৰীউমেশ বড়াৰ লগত আলোচনা কৰি টকা নথকাত নাজিৰৰ পৰা ৪০.০০ (চল্লিশ) টকা আগধন লৈ, বাদবাকী বাকী ৰাখি নাম ভৰ্তি কৰোৱা হ'ব। এই অনুক্ৰমেই শ্ৰীলক্ষ্মী গায়ন, শ্ৰীজগত হাজৰিকাৰো নাম ভৰ্তি কৰোৱা হয়। নাম ভৰ্তি কৰাৰ আগতে আমি তিনিও, বিদ্যা আছে নে নাই জ্যোতিষীৰ দ্বাৰা গণনা কৰাইছে, "ডচন হাই স্কুলত" উদ্বোধন কৰা সভাত যোগ দিও।

কলেজ আৰম্ভ হ'ল। ছাত্ৰ কলেজলৈ যায়, অফিচ কাছাৰি ছুটীৰ পিছত এটুপি চাহপানী খাই--সন্ধ্যাৰ আগে আগে হাতত বেগ লৈ কলেজলৈ যাওঁতে বাটত বৈ থকা মানুহে নানা মন্তব্য কৰে। এদিন এটি মন্তব্য আমাৰ কাণত পৰিছিল--"বাপৰে বাপ, কৈজনমানযে আছ্‌ছে, নাজানি কৈজন ছেলে মেয়েৰ বাবা।" কাৰণ আমিতো ল'ৰা নহয়, একো একোটা মানুহ আছিলোঁ।

যাহওক কেইসপ্তাহমান "ডচন হাইস্কুলত" কলেজ চলাৰ পিছত এদিন অধ্যক্ষ মহোদয়ে, ৰবিবাৰ এটাত কলেজৰ স্থায়ী ঘৰৰ কাৰণে, বৰ্তমানৰ কলেজ ভেঁটিতে এবাবাৰী এডৰাত পুৰা ছয় বজাত জংঘল কাটিবলৈ দিন স্থিৰ কৰি, সকলো ছাত্ৰকে যথা সময়ত হাজিৰ কৰালে। জংঘল কটা কাম আৰম্ভ হ'ল। কিন্তু কিছু সংখ্যক ছাত্ৰৰ ঠাইডোখৰ পছন্দ নহ'ল। আমাক কথাটো ক'বলৈ কলে অধ্যক্ষক। কোৱা হ'ল। অধ্যক্ষ মহো-দয়ে উত্তৰ দিলে--গায়ন, নাভাবিবা এই ঠাইডোখৰ সদায়ে এনেদৰে পিছপৰি থাকিব। এদিন সময়ত ই টাউনৰ মাজ ঠাই হৈ পৰিব। বিশেষতে এই ঠাইৰ সন্মুখতে কলং নৈৰ

সিপাৰেই উপায়ুক্তৰ বঙলা আৰু জেইলৰ মাজৰ বৰ-গছজোপাৰ গুৰিতে ঢেকিয়াল ফুকনৰ সমাধিস্থান। অদূৰ ভৱিষ্যতত এইগিনে এখন দলং হলে কলেজৰ নামে কামে পৰিপূৰ্ণ হ'ব। তেখেতৰ উক্তি যুক্তিপূৰ্ণ দূৰদৰ্শিতাত কোনেও মাত নিদিলে। সমূহীয়া ফটো লৈ সেইদিনাৰ কাৰণে বিদায় দিলে। সেই ঠাইতে কিছুদিনৰ পিছত এটি অফিচ ঘৰ আৰু অস্থায়ী হিচাপে এখন চালি দি কলেজ স্থানান্তৰ কৰিলে। সন্ধ্যাৰ মহৰ উপদ্ৰৱ, দুৰ্গন্ধ বতাহ আদিকো নেওচি আমিও ক্লাচ কৰি গলোঁহক।

এনেতে প্ৰশ্ন উঠিল, "কলেজ ইউনিয়ন" গঠন সম্পৰ্কে। অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল। এদিন তেখেত ক্লাচত গৈ সেই সম্পৰ্কে আলোচনা কৰি কলে যে ৫০০·০০ (পাঁচশ) টকাকৈ যেয়ে কলেজৰ কাৰণে চাদা উঠাই দিবলৈ গাত লয়, সেয়ে ইউনিয়নৰ সদস্য হ'ব। কোনে কোনে পাৰিব হাত দাঙিব আৰু তেওঁলোকেৰেই ইউনিয়ন গঠন কৰা হ'ব। কথা মতেই কামো হ'ল। ১০।১২ জন সদস্য হ'ল। বিষয়বাব ভগাই দিলে। সৰ্বসন্মতিক্ৰমে অধ্যক্ষৰ প্ৰস্তাৱত শ্ৰীউপেন বড়াক পোনপ্ৰথম বাৰৰ কাৰণে ছাত্ৰ ইউনিয়নৰ সম্পাদক নিযুক্তি কৰা হ'ল। প্ৰত্যেক সদস্যক চাদা সংগ্ৰহৰ কাৰণে একোখনকৈ ৰচিদ বহী দিয়ে আৰু সেইদৰেই কলেজৰ অৰ্থ সংগ্ৰহো হয়। অৱশ্যে পিছৰ কেইবছৰত কলেজত ইউনিয়ন গঠনত ৰীতিমতে নিৰ্বাচন পতা হয়। শ্ৰীউপেন বড়াৰ পিছত যথাক্ৰমে সৰ্বশ্ৰী ললিত হাজৰিকা, চন্দ্ৰ শইকীয়া আৰু অনেশ্বৰ বড়াক সম্পাদক পতা লৈ আমি বিশেষ অংশ গ্ৰহণ কৰি জয়যুক্ত হওঁহঁক। উল্লেখযোগ্য যে অধ্যক্ষৰ মনোনীত প্ৰাৰ্থী শ্ৰীখৰ্গেশ্বৰ বড়াকো পৰাজয় কৰি আমাৰ প্ৰাৰ্থী শ্ৰীচন্দ্ৰ শইকীয়াক জয়যুক্ত কৰা হৈছিল। এই ক্ষেত্ৰত সদ্ ইচ্ছা, সৎসাহস আৰু খোলা-খুলিভাৱে কাম কৰা হৈছিল। সেয়েহে সকলোৰে মাজত মিলা-প্ৰীতি আৰু সম্ভাৱ অটুট আছিল। যাৰ ফলত শ্ৰীৰোহিণী বড়াও এবাৰ সম্পাদক পদৰ প্ৰাৰ্থী হিচাপে হাৰ মানিবলৈ বাধ্য হৈছিল। ইয়ো কলেজৰ ভৱিষ্যত আৰু অধ্যক্ষ মহোদয়ৰ ওপৰত অগাধ ভক্তি, ভালপোৱাৰ নিদৰ্শন, যাতে কোনো ৰাজনীতিয়ে কলেজৰ উন্নতিত বাধা দিব নোৱাৰে।

কলেজৰ আভ্যন্তৰীণ ক্ষেত্ৰতো আমি বিশেষ লক্ষ্য ৰাখি চলিছিলোঁ। অধ্যাপকসকলক যথোচিত সন্মান কৰিছিলোঁ। তেখেতসকলেও আমাক বয়সৰ মূল্য দি ছাত্ৰ যদিও সন্মানসূচক ভাৱেই ব্যৱহাৰ কৰিছিল। ক্লাচত আমি ছাৰ বুলি সম্বোধন কৰোঁ। বাহিৰত আমাক দাদা বুলি মতাত আচৰিত হবলগীয়া নহয়। এদিন অধ্যাপক শ্ৰীমহিম বড়াক এজন ছাত্ৰই টান কথা কোৱাত, তেখেতে ক্লাচ নকৰাত মাতি নি ছাত্ৰজনৰ হতুৱাই ক্ষমা খোজাই মিলকৈ দিয়াৰ বাদেও ছাত্ৰজনক ক্লাচত উচিত শাস্তি বিহে। ছাত্ৰৰ ভিতৰত অধ্যাপকৰ লগত কেনে মিলা-প্ৰীতি ইয়ো এক উদাহৰণ। কলেজ এৰি অহাৰ পিছত এদিন অধ্যাপক শ্ৰীকুশ্ৰেক বাটতে লগ পালোঁ। কথা প্ৰসংগত তেখেতে কলে যাবচোন গায়ন, আপোনালোকৰ কলেজ, কিয় নাযায়? মই সুধিলোঁ, ছাৰ আজিকালি কেনে পাইছে? এতিয়াতো ডাঙৰ কলেজ! উত্তৰত তেখেতে এটা মাত্ৰ কথা কলে—গায়ন, আপোনালোকৰ দিনত আমাৰ ভয়ৰ কাৰণ আছিল। পিছত আমি উপলব্ধি কৰিলোঁ—সেই ভয় অমূলক। এতিয়া ভয়ৰ কাৰণ নাই, তথাপি ভয় কৰি চলিবলগীয়া কথা। যুগে যুগে গুৰু শিষ্যৰ সম্বন্ধ যেন অটুট ৰওক। অধ্যাপক শ্ৰীকুণ্ডু, শ্ৰীৰাজগুৰু, শ্ৰীগোস্বামী, শ্ৰীসিংহ, শ্ৰীবাজপেয়ী, শ্ৰীচক্ৰৱৰ্তী, শ্ৰীৰহমান, শ্ৰীনাথ, শ্ৰীবৰ্মণ আৰু বৰ্তমান অধ্যক্ষ হাইৰ স্মৃতিয়ে সময়ে সময়ে মানস পটত ভুমুকি নমৰাকৈ নাথাকে।

কলেজ ইউনিয়নৰ সদস্য আছিলোঁ যদিও, প্ৰায়ে বৈঠকত যোগ দিব পৰা নহয়—চাকৰিৰ দায়িত্ব, সময়ৰ নাটনিত পৰি। দহ মাইল দূৰত ঘৰ। চাইকেলেৰে অহা-যোৱা কৰোঁ। তেতিয়া বাছ আদি নাছিল। অফিচৰ পিছত ক্লাচ, তাৰ পিছতহে সভা আদি। ৰাতি বাৰ বজাত অকলশৰে ঘৰমুৱা হোৱাও বন্ধু সকলৰ অবিদিত নহয়। সেয়েহে সভা আদি বাদ পৰে। এই বিষয়ে সমালোচনাৰ সন্মুখীন হ'ব লগাত, শ্ৰীমন্ত শঙ্কৰদেৱ তিথি উপলক্ষে বহা ইউনিয়নৰ বৈঠকত সহযোগ কৰিবলৈ বাধ্য হলোঁ। বৈঠকত তিথিৰ বাজেট উৎথাপন কৰে। প্ৰথম ৫০·০০ (পঞ্চাশ) টকা ধৰা হয় উষা সংকীৰ্তনৰ বাবদ বাছ ভাৰা। কুষ্টি সভাৰ "আৰ্টিষ্ট ভাৰা" কৰি অনাৰ বাবদ ২৫০·০০ (দুশ পঞ্চাশ) টকা। আমি প্ৰতিবাদ কৰিলোঁ। বিশদৰূপে এই বিষয় দুটিত আলোচনা চলিল। প্ৰায় ১ ঘণ্টা সময়। আলোচনাত অংশ গ্ৰহণ কৰে শ্ৰীউপেন বড়াকে আদি কৰি সদস্যসকল, অধ্যাপক শ্ৰীবৰ্মন আৰু গোস্বামীয়ে, আনফালে আমি অকলে। বহুত যুক্তি তৰ্কৰ পিছত আমি জয়ী হলোঁ। পদব্ৰজে উষা সংকীৰ্তন আৰু ভাওনা কৰাত সৰ্বশেষত সৰ্ব-সন্মতিক্ৰমে আমাৰ প্ৰস্তাৱতে মত দি আমাকেই ভাওনাৰ "কনভেনৰ" পাতিলে। আমিও মান্তি হলোঁ। ভাওনাৰ প্ৰস্তাৱত প্ৰথম সমৰ্থক শ্ৰীনগেন বড়াক "জইন্ট কনভেনৰ" আৰু লগে লগে এখন সৰু ভাওনা পৰিচালনা সমিতি পাতি দায়িত্ব গতাই দিয়া হয়। অধ্যাপক শ্ৰীকেশৱানন্দ গোস্বামীকো ভাওনা সমিতিৰ দায়িত্বত ৰখা হয়।

তৰ্ক যুদ্ধ কৰি ভাওনা কৰিবলৈ দায়িত্ব লোৱা হ'ল। সময় অতি কম, মাত্ৰ সাত দিন আছে। পিছদিনাই সমিতি বহুৱাই নাটৰ বাছনি কৰা হ'ল—"দক্ষ-যজ্ঞ"। লগতে ভাৱৰীয়া কলেজতে বাছনি কৰি পিছদিনাৰ পৰা ওচৰৰ নামঘৰতে আখৰা কৰা হ'ল। খোলতালৰ জোৰা অনা হ'ল খুটিকটীয়াৰ পৰা শ্ৰীহেম ৰাজখোৱাৰ সৌজন্যত। ভাও বিতৰণ হ'ল—দক্ষৰ ভাৱত শ্ৰীহেম ৰাজখোৱা, শিৱৰ ভাৱত—শ্ৰীনগেন বড়া, সতীৰ ভাৱত—শ্ৰীশিৱ ৰাজখোৱা, কৃষ্ণৰ ভাৱত শ্ৰীমনেশ্বৰ মুদৈ, ভৃগুমুনি—শ্ৰীৰোহিণী বড়া, নাৰদৰ ভাৱত শ্ৰীঅভয় বৰুৱা, নন্দী—শ্ৰীবুদ্ধিমান বৰদলৈ, বীৰভদ্ৰ—শ্ৰীকাতিৰাম বড়া, সূত্ৰধাৰ—শ্ৰীঅনিৰাম বড়া আদি। স্বৰ্গীয় অধ্যক্ষদেৱে ভাওনা পতাত আনন্দ পাই ভাওনাৰ শেহতীয়া বাজেটমতে ১০০·০০ (এশ) টকা দিয়ে। তাৰেই ৪০·০০ (চল্লিশ) টকা "চিন-চিনাৰীৰ" বাবে শ্ৰীনগেন বড়াক, পোছাক আদিত ৪০·০০ (চল্লিশ) টকা, জোৰাৰ

মাননি ১২·০০ (বাৰ) টকা, অন্যান্য খৰচ বাদেই। যথা সময়ত সকলো কাম হৈ উঠিল। দিনত নাম-কীৰ্তন, ৰাতি ভাওনা। ভাওনা চলি আছে--এনেতে অধ্যাপক গোস্বামী আৰু শ্ৰীবৰ্মণে ভাওনাৰ দৃশ্যাৱলীত সন্তুষ্ট আৰু মোহিত হৈ ফটো লবলৈ জোৰ কৰাত, ৰাতিয়ে "মান্নাক" অনাই ফটো লোৱা হয়। ই মোৰ গৌৰৱ নহয়, বন্ধুসকলৰ আন্তৰিকতাত নিজকে ধন্য মানিছিলোঁ।

শ্ৰীললিত হাজৰিকা সম্পাদক আৰু বন্ধুসকলৰ কথা এৰাব নোৱাৰি এবাৰ কলেজৰ বাৰ্ষিক খেল প্ৰতিযোগিতাত সহযোগ কৰি এটি পুৰস্কাৰো লাভ কৰা হৈছিল।

এইখিনিতে ১৯৬০ চনৰ ভাষা আন্দোলন আৰু ১৯৬২ চনৰ চীনা আক্ৰমণৰ কথা কবলৈ বাধ্য হলোঁ। ভাষা আন্দোলনৰ সময়ত কিছুদিনৰ কাৰণে কলেজ চৰকাৰী হাইস্কুলত বহিছিল। কাৰণ "ডচন হাইস্কুল" চৰকাৰে অধিগ্ৰহণ কৰে। অধ্যক্ষ মহোদয়ে কলেজৰ স্বাৰ্থৰ খাতিৰত আমাক ধৈৰ্য্য ধৰিবলৈ কৈছিল। এদিন আমি কলোঁ--ছাৰ এতিয়াও আমি আপোনাৰ কথাকে ধৰি থাকিব লাগিবনে? তেখেতে উত্তৰ দিলে, গায়ন ময়ো এদিন তোমালোকৰ দৰেই আছিলোঁ ছাত্ৰৰ নেতা। মোৰ ওপৰত পৰণা পৰাত হাতীমূৰা পাহাৰৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে পলাই ধিং পাইছিলোঁগৈ। ধৈৰ্য্য ধৰাহঁক, কলেজৰ স্বাৰ্থৰ কাৰণেই।

তাৰ পিছত আহিল চীন, ১৯৬২ চনত। স্বাধীন ভাৰতক পোন প্ৰথমবাৰৰ কাৰণে কঁপাই তুলিলে। অসমৰতো কথাই নাই, দৰং জিলাত সোমাই তেজপুৰ পাওঁ পাওঁ। প্ৰাণৰ ভয়ত ল'ৰা-ছোৱালী লৈ মতা-তিৰোতা ব্ৰহ্মপুত্ৰ পাৰ হৈ ভাগি আহি নগাঁও পালেহি। আমাৰ কলেজতো ভগনীয়াৰ এটি শিবিৰ পতা হ'ল। তেওঁলোকৰ দায়িত্ব কলেজে বহন কৰিলে। ছাত্ৰসকলে ভিক্ষা কৰাৰ পৰা পাইখানা খন্দালৈকে সকলো কাম সুচাৰুৰূপে চলাই গ'ল। এন. চি. চিৰ দায়িত্বত আছিল শ্ৰীআনন্দ বড়া। এৰাতি শিবিৰৰ দায়িত্ব আমাৰ ওপৰত দি অধ্যাপকসকল নিচিন্ত হ'ল। সেইৰাতি নগাঁও কলেজৰ এন· চি· চিৰ ভলন্টিয়াৰ এজনে বাৰে বাৰে নিয়ম শৃঙ্খলা ভঙ্গ কৰাত খং উঠি শিবিৰৰ পৰা ওলাই যাবলৈ নিৰ্দেশ দিওঁ ঃ তোমাৰ নিচিনা দায়িত্বহীন ল'ৰা এজন নহলেও হ'ব যোৱা। এনেতে বাকী সহকৰ্মীসকলে তেওঁক কথাবোৰ বুজাই দি ক্ষমা খোজালে। ময়ো আঁকোৱালি ললোঁ। অধ্যক্ষ মহোদয়ে পিছদিনা জানিব পাৰি "ৰিপৰ্ট" বিচৰাত পুনৰ বিচাৰৰ প্ৰয়োজন নকৰে বুলি কোৱা হৈছিল। ছাত্ৰজনৰ শাস্তি হিচাপে এন· চি. চিৰ নিয়ম অনুসৰি পিছদিনা আধা আহাৰ আৰু কঠোৰ শ্ৰমত লগোৱা হয়। সেইদিন ধৰি তেওঁ সম্পূৰ্ণ পৰিবৰ্তন হ'ল। দেখিলেই দাদা বুলি মাত দিয়ে। এয়ে সেই সময়ৰ ছাত্ৰৰ মৰম-স্নেহ, মিলা-প্ৰীতি, আৰু বুজাবুজিৰ অপূৰ্ব স্মৃতি-ৰেখা।

১৯৬৩ চন। এ. ডি. পি. কলেজে পঞ্চম বছৰত ভৰি দিলে। কলেজ পাঁচবছৰীয়া এটি শিশুৰ দৰেই আছে। কলেজৰ "পঞ্চম প্ৰতিষ্ঠা" দিৱস উদ্‌যাপন কৰিবৰ কাৰণে "কলেজ গভাৰ্ণিং বডিত" আলোচনা হ'ল। আমাকো আলোচনাত অংশ ল'বৰ কাৰণে অধ্যক্ষ মহোদয়ে মতাই পঠালে। কলেজৰ ভৱিষ্যতৰ কাৰণেই তেতিয়াৰ "গুৱাহাটী ইউনিভাৰচিটি"ৰ ভাইচ-চেঞ্চেলৰ মিঃ টেইলৰ চাহাবক বিশেষভাৱে আমন্ত্ৰণ কৰি অনা হ'ল। সভাৰ আয়োজন, অভৰ্থনাৰ দায়িত্বত থকা অধ্যাপক শ্ৰীপুষ্প বড়াৰ লগত সেইদিনাহে বিশেষভাৱে ঘনিষ্ঠতা লাভ হ'য়। পুৰা শোভাযাত্ৰাৰ দায়িত্ব আমালোকৰ ওপৰতে পৰিল। ছাত্ৰ বন্ধুসকলৰ সক্ৰিয় সহযোগত পূৰ্বৰ আলোচনাত লোৱা আঁচনিক্ৰমে খোল-তালৰ নামকীৰ্তন, পেঁপা কালি, বেণু আদিৰে মহাপয়োভৰে নগৰত শোভাযাত্ৰা কৰি পুৱাৰ কাৰ্য্যসূচী সম্পূৰ্ণ কৰি বিয়লি এক বজাত মুকলি সভা, য'ত শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাও উপস্থিত আছিল। শ শ চাইকেল গেৰেজত দেখি, তেখেতে সুধিছিল, ইমানবোৰ চাইকেলনে? উত্তৰত কোৱা হয়--সন্ধ্যা সময়ত ইয়াতকৈও বেছিহে হয়। বোধকৰো তেখেতে চিন্তা কৰিছিল, এইবোৰ চাইকেলকে লৈ এম· পি· নিৰ্বাচনত অধ্যক্ষ গোস্বামীৰ কৰ্মীসকলে প্ৰমাদ গণাইছিল। যাহওক সাত চেপ্তেম্বৰ ১৯৬৩ৰ পঞ্চম প্ৰতিষ্ঠা দিৱস দিনটি এ. ডি. পি. কলেজ স্মৃতিত স্মৰণীয় দিন আছিল।

১৯৬১ চনত পৰীক্ষাৰ আগে আগে আমাৰ ১মা কন্যাক বিবাহ দিবলগীয়া হোৱাত, সেইবছৰ পৰীক্ষাত বহিব পৰা নহ'ল। ১৯৬২ত আই, এ পৰীক্ষা পাছ কৰি, পুনৰ পঢ়া আৰম্ভ কৰা হয়। সেই চনতে আমাক চাকৰিৰ ক্ষেত্ৰত অন্য বিভাগত ৰহালৈ স্থানান্তৰিত কৰে। ৰহাত চাকৰি, পুৰণি গুদামত ঘৰ আৰু নগাঁৱত কলেজ। অন্যান্য ৰাজহুৱা দায়িত্ব বহন কৰিও মৰসাহ দি ১৯৬৪ চনত বি, এ পৰীক্ষাত বহা হয়, বিবাহিতা ১মা কন্যাক নিজহাতে দাহন কাৰ্য্য শেষ কৰাৰ সাত দিনৰ পিছতে।

সংঘাতপূৰ্ণ, কৰ্মবহুল জীৱন এটি সংঘাতৰ মাজেদিয়েই পাৰ হৈ গ'ল। থাকি গ'ল অতীতৰ স্মৃতিসমূহ। অতীতৰ স্মৃতি ৰোমন্থন কৰি বৰ্তমানত ভৰি দি, আমি পুতি থৈ অহা গুটিটিয়ে এতিয়া পত্ৰে-পুষ্পে বিকশিত হৈ যৌৱনাৱস্থা লাভ কৰা দেখি আমাৰ চকুৰেদি আনন্দাশ্ৰু বৈ আহে। এদিন হাবি জংঘলৰ মাজত চালিৰ তলত প্ৰাচীন গুৰুকুল আশ্ৰমৰ দৰে শিক্ষা লাভ কৰা এ. ডি. পি. কলেজ, এতিয়া 'বেজবৰুৱা ভৱনকে' লৈ বহু স্থায়ী ঘৰদুৱাৰেৰে নগাঁও চহৰৰ বহু প্ৰাচীন মহাবিদ্যালয়তকৈও সুৰুচিপূৰ্ণ আৰু অত্যাধুনিক সা-সুবিধাৰে পৰিবেষ্টিত এটি আধুনিক অনুষ্ঠান। আমাৰ এদিনৰ সৰু স্বপ্নই, আমাৰ চামৰ ত্যাগৰ ভেঁটিত আজিৰ চামৰ ভোগৰ পদুম ফুলা দেখি আমি সঁচাকৈয়ে গৌৰৱান্বিত। কোন পিতৃয়ে বাৰু নিজৰ পুত্ৰৰ গৌৰৱত গৌৰৱান্বিত নহয়? এই মহাবিদ্যালয়ে হয়তো এদিন ঢেকিয়াল ফুকনৰ মহাবাণীক বাস্তৱত পৰিণত কৰিব। "জি কালত অশম দেসৰ লোকসকলে পৰস্পৰে হিংসা হিংসি নকৰি আটায়ে আটাইক ভাত্ৰিৰত চেনেহ কৰিব....সেই সময়, হে পৰমপিতা জগদিশ্বৰ সিঘ্ৰে ঘটোৱা।"

আজি ৰূপালী জয়ন্তীৰ স্বৰ্ণলগ্নত আমি সেই শুভদিনৰ আশাত বন্দী হৈ ৰলোঁ। ওম শান্তি !! ০০

# আমাৰ এ ডি পি কলেজ

শ্ৰীপুহিৰাম দাস
প্ৰাক্তন ছাত্ৰ

১৯৫৯ চনৰ সাত চেপ্তেম্বৰ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম হয়। এই মহাবিদ্যালয় খোলাৰ উদ্দেশ্য হ'ল দিনৰ সময়ত যিসকল ছাত্ৰই দিনত চাকৰি কৰি পঢ়াৰ সুবিধা নাপায় সেইসকল ছাত্ৰ-ছাত্ৰীক এই মহাবিদ্যালয়ত পঢ়িবলৈ সুবিধা দিয়া। কাৰণ এই মহাবিদ্যালয় আছিল নৈশ মহাবিদ্যালয়। ইয়াৰ আগতে নগাঁও মহাবিদ্যালয়ত কলা বিভাগ নৈশ শাখাত নাছিল, গতিকে নৈশ বিভাগত কলা বিভাগ খোলাৰ লগে লগে চাকৰিয়াল সকলে পঢ়াৰ এটা ভাল সুবিধা পালে আৰু বিশ বছৰৰ আগতে প্ৰবেশিকাত উত্তীৰ্ণ হৈ থকা ছাত্ৰয়ো এই মহাবিদ্যালয়ত নাম ভৰ্তি কৰিলে।

এই মহাবিদ্যালয়ৰ গুৰি ধৰোঁতা আছিল স্বৰ্গীয় শুকদেৱ গোস্বামীদেৱ। তেখেতে ডেকা কালতেই বিলাতত উচ্চ শিক্ষা লাভ কৰি ২৫ বছৰ কাল তাত থাকি তাৰ পাছত ভাৰতলৈ ঘূৰি নগাঁৱত নিজা ঠাইত থাকিবলৈ ইচ্ছা কৰে। তেখেতে নগাঁৱলৈ আহিয়েই নগাঁৱৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত উচ্চ শিক্ষাৰ বিষয়ে আলোচনা কৰে। তেখেতৰ দিনতে অশেষ পৰিশ্ৰম আৰু চেষ্টাৰ ফলতেই এই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম হ'ল। কাৰণ তেখেতৰ মনৰ ভাববোৰ আছিল বৰ বহল।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় নামেৰে কিয় এই মহাবিদ্যালয়ৰ নাম হ'ল, তাৰ বিষয়ে স্বৰ্গীয় গোস্বামীদেৱে প্ৰথম প্ৰতিষ্ঠা দিৱসত সাত চেপ্তেম্বৰ তাৰিখে ব্যাখ্যা কৰে। আনন্দৰাম ঢেকিয়াল ফুকন নগাঁৱত উপায়ুক্ত আছিল। ফুকন চাহাবে নগাঁৱত বহুতো প্ৰজাহিতকৰ কাম কৰি থৈ যায়। সেই সময়ত বাট-পথ বা শিক্ষানুষ্ঠানৰ কোনো নাম নাছিল আনকি নগাঁৱৰ কলংসুতিৰ ওপৰত নতুনকৈ সজোৱা দলংখন ফুকন চাহাবৰ নামে নামকৰণ কৰাৰ কথা আছিল। কিন্তু দলং সম্পূৰ্ণ হৈ উঠাৰ পিছতো তেতিয়া সেই নামকৰণ কৰা নহ'ল। গতিকে তেখেতে এই মহাবিদ্যালয়খন "আনন্দৰাম ঢেকিয়াল ফুকন"ৰ নামেৰে নামকৰণ কৰিলে।

গোস্বামীদেৱে অস্থায়ী মহাবিদ্যালয়খন স্থায়ীকৈ পাতিবৰ বাবে স্থান নিৰ্বাচন কৰিবৰ কাৰণে কেইবাজনৰো লগত আলোচনা কৰি, চহৰৰ আঁতৰত ভাল ঠাই পায় যদিও ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰীৰ যাতায়তৰ সুবিধাৰ কাৰণে চহৰৰ নিচেই ওচৰতে বিচাৰিলে। কিন্তু চহৰত মাটি কম, দামো বেছি। মহাবিদ্যালয় এখনৰ কাৰণে কমেও ২০।২৫ বিঘা মাটিৰ প্ৰয়োজন। গতিকে তেখেত বৰ চিন্তাত পৰিছিল।

এনে সময়তে জানিবলৈ পালোঁ যে দক্ষিণ হয়বৰগাঁৱৰ (বৰ্তমান মহাবিদ্যালয় থকা) নগাঁও পৌৰসভাৰ অধীনত থকা শ্ৰীপুহিৰাম দাসৰ ১/. কঠা মাটি বিক্ৰি হয়। গোস্বামীদেৱে শ্ৰীদাসৰ লগ হৈ আলোচনা কৰিলে। দাসৰ লগত আলোচনা কৰি মহাবিদ্যালয়ৰ স্থায়ী স্থান এই ঠাইতে ভাল হ'ব বুলি চিন্তা কৰিলে। কাৰণ এই দাসৰ মাটিৰ নিচেই কাষতে লাগি থকা পৌৰসভাৰ এলেকাৰ অধীনত থকা ৭৵. কঠা মাটি আছে। গতিকে গোস্বামীদেৱে ভাবিলে এই মাটি মহাবিদ্যালয়ৰ কাৰণে পৌৰসভাৰ পৰা ল'ব পৰা যাব। এই উদ্দেশ্যে এই ১/. কঠা মাটি কম মূল্যতে ৪০০০.০০ (চাৰি হাজাৰ) টকাত কিনে। কিনাৰ পিছতেই এই দক্ষিণ হয়বৰ গাঁৱতেই স্থায়ী মহাবিদ্যালয়ৰ ঘৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ল।

উপাধ্যক্ষ আছিল স্বৰ্গীয় কন্দৰ্প গোস্বামীদেৱ। তেখেতৰ বাহিৰেও নগাঁও মহাবিদ্যালয়ৰ অধ্যাপক সৰ্বশ্ৰী ললিত শইকীয়া, ভগবান বৰুৱা, হবিবুৰ ৰহমান, মহিম বৰা, জগৎ শৰ্মা আদি কেইবাগৰাকী অধ্যাপকে এই মহাবিদ্যায়ত আংশিকভাৱে শিক্ষা দান দিছিল। বৰ্তমান অধ্যক্ষ মাননীয় আব্দুল হাই চাহাব আৰু বৰ্তমান উপাধ্যক্ষ মাননীয় নাৰায়ণ বৰ্মনদেৱো আছিল।

গোস্বামীদেৱে বিনা বেতনে খাটিও মহাবিদ্যালয়ৰ মাটিৰ কাৰণে পৌৰসভাৰ এলেকাৰ অধীনত থকা সেই ৭৵. কঠা মাটিৰ কাৰণে সেই সময়ৰ চেয়াৰমেন স্বৰ্গীয় গোলোক বৰুৱাৰ লগত আলোচনা কৰে। কিন্তু তেখেতে মহাবিদ্যালয়খন অনুন্নত ঠাই দক্ষিণ হয়বৰ গাঁৱত পাতিবলৈ ৰাজি নহয়। গোস্বামীদেৱে চৰকাৰৰ ওচৰত গোচৰ তোলে। তাৰ পিছত বহুত দিনৰ মূৰত সেই অকল মহাবিদ্যালয়ৰ নামতেই নিদি তিনি অংশত ভাগ হ'ল। এক অংশ মহাবিদ্যায়ক দিলে, এক অংশ জনজাতি ছাত্ৰাবাসৰ কাৰণে দিলে আৰু এক অংশ হৰিজন সকলৰ বাসস্থানৰ বাবে দিলে। অৱশ্যে মহাবিদ্যালয়ৰ বাবে বেছি অংশ দিলে। এই পৌৰসভাৰ পৰা পোৱা অংশতেই এই মহাবিদ্যালয়ৰ বৰ্তমান লক্ষ্মীনাথ বেজবৰুৱা ভৱন হয়।

এই মহাবিদ্যালয়ত ১৯৬০ চনত প্ৰথম সৰস্বতী পূজা এই নতুন স্থান নিৰ্মাণ ঠাইতে পতা হয়। এই মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফলো ভাল দেখা যায়। এই মহাবিদ্যালয়ৰ প্ৰথম সাধাৰণ সম্পাদক আছিল শ্ৰীযুত উপেন বৰাদেৱ।

আজি এই মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ দিনত মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

০০

# স্মৃতি-ৰোমন্থন

শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মাবৰুৱা
পুথিভঁড়ালী

মই মহাবিদ্যালয়ত নিযুক্তি পাওঁ ১৯৬০ চনৰ ১ চেপ্তেম্বৰ তাৰিখে। কাৰ্য্যালয়ত তেতিয়া সহায়কাৰী আছিল বৰ্তমান নগাঁও মহাবিদ্যালয়ৰ শ্ৰীমহেশচন্দ্ৰ ভট্টাচাৰ্য্য আৰু এজন। কিন্তু পিছৰ জনে আন চাকৰি পোৱাত মই আৰু ভট্টদাদা থাকোঁ। সেই সময়ত মই পুৱাবেলা মহাবিদ্যালয়ৰ ঘৰৰ কাম-বন চাওঁ আৰু বিয়লি কাৰ্য্যালয়ৰ যাবতীয় কাম কৰোঁ। এইদৰেই আমাৰ মহাবিদ্যালয়ৰ কামকাজ সকলো পিনে আগ বাঢ়িল আৰু ইয়াৰ ছাত্ৰই প্ৰথম বাৰৰ বাবে ১৯৬১ চন ত আই, এ, পৰীক্ষা দিলে। এই পৰীক্ষাত যথেষ্ট সংখ্যক ছাত্ৰই কৃত-কাৰ্য্যতা লাভ কৰিলে। ইয়াৰ পিছতেই স্নাতক শ্ৰেণীও আৰম্ভ কৰা হ'ল। ১৯৬১ চনত শ্ৰেণীসমূহ এই মহাবিদ্যালয়লৈ স্থানান্তৰিত কৰা হয় যদিও মহাবিদ্যালয়ৰ ঘৰৰ কাম সম্পূৰ্ণ হোৱা নাছিল। কাৰ্য্যালয় স্থানান্তৰ কৰা হৈছিল বৰ্তমান অধ্যক্ষ মহোদয়ৰ কোঠালৈ। কাৰ্য্যালয়ৰ বাবে সুকীয়া কোঠা নাছিল। বৰ্তমানৰ BOTANY ৰ Practical Room ৰ লগতে থকা অন্য কোঠাকেইটাহে আছিল। কিন্তু তাৰ ওপৰৰ ছাদ মৰা হোৱা নাছিল। ওপৰত টিৰপাল দিয়া হৈছিল আৰু বৰষুণ হলে দীঘল বাঁহ লৈ দাঙি দাঙি পানীবোৰ উলিয়াই দিব লাগিছিল।

সেই সময়ত বিজুলী যোগানৰ ব্যৱস্থা নথকাত পোহৰৰ ব্যৱস্থা কৰা হৈছিল মেন্টেল লাইটৰ দ্বাৰা। তাৰপাছত Dynemo ৰ ব্যৱস্থা কৰা হৈছিল।

ছাত্ৰসকলে মহাবিদ্যালয়ৰ কাষৰ হাবি জংঘল বন্ধৰ দিনত নিজে আহি চাফ চিকুণ কৰি লৈছিল। বিভিন্ন অসুবিধাবোৰ নিজেই সমাধান কৰি লৈছিল।

এইখিনিতে এটা কথা উল্লেখ কৰোঁ যে মহাবিদ্যালয়ৰ কাৰ্য্যালয়ত কাম কৰা শ্ৰীৰবিৰাম বৰা, মঃ ৰফিউল হক আৰু শ্ৰীবিনোদ গোস্বামীৰ ইতিমধ্যে মৃত্যু হৈছে।

চৰকাৰৰ অনুমোদন পাবৰ কাৰণে স্থায়ী অধ্যাপকৰ দৰ-কাৰ হৈছিল আৰু নতুন অধ্যাপকক নিযুক্তি দিয়া হৈছিল। ইংৰাজী বিষয়ত অধ্যাপক পোৱাত যথেষ্ট অসুবিধা হৈছিল। এইখিনিতে দুটামান মনোৰঞ্জক ঘটনাৰ কথা লিখোঁ। অসমৰ বাহিৰৰ এজন ইংৰাজী অধ্যাপক। তেখেত ৺অধ্যক্ষ ডাঙৰীয়াৰ ঘৰৰ সৰু কোঠা এটাতে আছিল। ১৯৬২ চনৰ চীনা আক্ৰ-মণৰ কথা গম পাই তেওঁ যি গ'ল আৰু নাহিল। মোক পঠালে জাগীৰ বাঘজাপৰ এজন অধ্যাপকৰ খবৰ লবলৈ। পুৱাৰ বাছত গৈ কপিলীৰ ইপাৰে নামিলোঁ। সিপাৰে বাঘজাপ। দলং নাই। নাৱৰে পাৰ হ'ব লাগে। পুৱাৰে পৰা বৰষুণ পৰি কপিলীত বানপানীৰ সোঁত বৈছিল। গতিকে নাৱৰে পাৰ নকৰে। চাৰি ঘন্টামান ৰোৱাৰ পিছত দহ জনমান মানুহ গোট খালে। বহুত কাকুতি-মিনতি কৰাৰ পিছত নাৱৰীয়া সন্মত হ'ল। পাৰ হলোঁ। গৈ অধ্যাপকৰ ঘৰ পালোঁ। তেখেতে অন্য মহাবিদ্যালয়ত অধ্যপনা কৰি থকাৰ বাবে আহিবলৈ অমান্তি হয়। নাৱৰে পাৰ হোৱাৰ সুবিধা নথকাত জাগী-ৰোডলৈ খোজ ললোঁ। শিলগুটি দিয়া ৰাস্তা। দোঙা দোঙা পানী। ওপৰত বৰষুণ, ছাতি নাই। তিতি বুৰি জাগীৰোডৰ পকা ৰাস্তা পাই গম পাওঁ এপাত জোতাৰ তলৰ গোবোৰাটো কৰবাত বৈ গ'ল।

তেতিয়াৰ দিনত প্ৰায় ছাত্ৰই অধ্যাপকসকলতকৈ বয়সত ডাঙৰ আছিল। অধ্যাপক নৰেন্দ্ৰনাথ শইকীয়া Join কৰিবলৈ আহি কাৰ্য্যালয়ত বহু সময় থিয় হৈ আছিল। ( কাৰ্য্যালয়ত বহাৰ ব্যৱস্থাও কম। ) মই কোনোবা নতুন ছাত্ৰ বুলিয়েই ভাবি-ছিলো। পিছত অধ্যক্ষ ডাঙৰীয়াই আহি কওঁতেহে গম পালোঁ। অৱশ্যে নিযুক্তি পত্ৰখন ময়ে টাইপ কৰি দিছিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ পৰা Distinction লৈ পাছ কৰা প্ৰথম স্নাতক শ্ৰীঅৰুণেশ দেৱৰয়। তেতিয়া মহাবিদ্যা-লয়ৰ কাৰণে যথেষ্ট গৌৰৱৰ বিষয়।

বৰ্তমানৰ অধ্যাপক ডঃ নৰেন কলিতা, অধ্যাপক ডিম্বেশ্বৰ হাজৰিকা আৰু অধ্যাপক কৃষ্ণ বৰা এই মহাবিদ্যালয়ৰ পৰা পাছ কৰা স্নাতক। ডঃ কলিতাই সম্ভৱ পাছ কৰি Ph.D. লোৱা প্ৰথম আৰু একমাত্ৰ ছাত্ৰ।

১৯৫৯ চনৰ এই নৈশ মহাবিদ্যালয়ে উন্নতিৰ পথত আগ-বাঢ়ি ২৫ বছৰত সোমাল। এই মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনা কৰিলোঁ।

০০

# জীৱনৰ চাৰিটি মাধুৰী

**শ্ৰীহিতেশ্বৰ বৰা**
প্ৰাক্তন ছাত্ৰ

উনৈশ শ উনষাঠি চনৰ অক্তোবৰ মাহৰ কোনোবা এটা বুধবাৰ। শিক্ষকৰ জিৰণি কোঠাত এজনে ক'লে, "নগাঁৱত এখন নৈশ কলেজ খুলিছে, ৰাতি অধ্যয়ন কৰাৰ এটা ভাল উপায় ওলাইছে।" কথাটো শুনিয়েই মোৰ মনটো উগুল-থুগুল লাগিল কিজানি বহু কাল ধৰি মনত পুহি ৰখা হেঁপাহটো পূৰ কৰিব পাৰোঁৱেই, এই আশাত। দুজন সহকৰ্মীৰে সৈতে চহৰলৈ গ'লোঁ। সদৰ পুলিচ থানাৰ কাষতে এটা কোঠাত এ.ডি.পি. কলেজৰ অফিচ। প্ৰধান অফিচ সহায়ক মিঃ পুৰকায়স্থক লগ ধৰি নৈশ কলেজৰ নাম ভৰ্ত্তি আৰু অন্যান্য বিষয়ে সকলো খবৰচি মাৰি সুধি ল'লোঁ। ঘৰত আহি কথাটো উল্লেখ কৰাৰ [illegible] লগে আনৰ কথা বাদেই মোৰ ল'ৰা-ছোৱালী দুটিয়েও [illegible]নন্দত কিৰিলি পাৰিলে "দেউতাই কলেজত পঢ়িব-"।

দুই চাৰি দিনৰ ভিতৰতে কলেজৰ নাম ভৰ্ত্তি বহীত ১১ ক্ৰমিক নম্বৰত মোৰ নাম লিখা হ'ল। কলেজৰ শ্ৰেণী খোলা দিনলৈ বহু আগ্ৰহেৰে অপেক্ষা কৰিলোঁ। ইতিমধ্যে জানিব পাৰিলোঁ নগাঁও ডচন বহুমুখী স্কুলত কলেজৰ শ্ৰেণী আৰম্ভ হ'ব আৰু তাৰ আগদিনা সন্ধ্যা সেই স্থানতে কলেজ প্ৰতিষ্ঠা উৎসৱ পতা হ'ব। এই কেইদিনৰ ভিতৰতে গম পালোঁ আমাৰ ফালৰ পৰাই ভালেমান যুৱকে (ইয়াৰ প্ৰায়খিনিয়েই শিক্ষক) সেই কলেজত নাম লগাইছে। সদলবলে আমি কলেজ প্ৰতিষ্ঠা উৎসৱত উপস্থিত হলোঁগৈ। অতি সাধাৰণভাৱে পতা এই উৎসৱত কলেজৰ অধ্যক্ষ মাননীয় শুকদেৱ গোস্বামীয়ে আদৰণী ভাষণত কলেজ প্ৰতিষ্ঠাৰ উদ্দেশ্যে বাখ্যা কৰি সকলোৰে সহানুভূতি কামনা কৰিলে। লগতে দুই চাৰিজন স্থানীয় ভদ্ৰলোকে কলেজৰ স্থায়িত্ব আৰু উন্নতি কামনা কৰি চাৰি আষাৰ ক'লে।

সেইদিনা নেৰানেপেৰা বৰষুণৰ মাজেদিও বহু ছাত্ৰ আৰু ভালেমান ভদ্ৰলোকৰ উপস্থিতিত প্ৰতিষ্ঠা কাৰ্য্য সুকলমে সমাধা হ'ল। পিছদিনা শ্ৰেণী আৰম্ভ ডচন স্কুলৰ হলত। নিৰ্দ্দিষ্ট সময়ৰ আগতেই হাজিৰ হলোঁগৈ। ইংৰাজী ক্লাচ আৰম্ভ। অধ্যক্ষ মহোদয়ে ইংৰাজীতে উপদেশ দিলে। ইংৰাজী বিষয়ৰ শিক্ষকে ইংৰাজী পাঠৰ বিষয়ে কিছু কলে। সেইদিনা উপস্থিত থকা প্ৰায় ১৫০ জন ছাত্ৰৰ ভিতৰত বহু চিনাকি মুখ দেখা পালোঁ। দুজনমান মোৰ সহপাঠীও আছে--তাৰ ভিতৰত একেলগে মেট্ৰিক পাছ কৰা শ্ৰীহৰনাথ গায়নো। দেখি বৰ ভাল লাগিল যে বৰ্তমান সহপাঠীসকলৰ ২০ জন মান মই পঢ়োৱা ছাত্ৰই। তেওঁলোকৰ আদৰ সন্মানে আৰু বিশেষকৈ আদহীয়া বয়সত কলেজত পঢ়িবলৈ অহা মোক কেউফালৰ পৰা জাউৰীয়ে জাউৰীয়ে অহা উৎসাহৰ মন্তব্যবোৰে মনত অপাৰ আনন্দ দিলে। সেইদিনা ৰাতি শোৱা পাটীত বহু পুৰণি কথাই মনলৈ আহিল। প্ৰায় ২২ বছৰৰ আগতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১ম বিভাগত মেট্ৰিক পাছ কৰিও নগাঁৱত কলেজ নথকাত উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ অন্তৰ কেনেকৈ ভাঙি পৰিছিল, দেউতাৰ অলপীয়া উপাৰ্জনেৰে মোক অন্য ঠাইত উচ্চ শিক্ষা দিব নোৱাৰাত প্ৰায় এমাহ ধৰি ঘৰত কেনেকৈ তৰ্ক-বিতৰ্ক আৰু অশান্তিৰ সৃষ্টি কৰিছিলোঁ আৰু মোতকৈ কম মেধাৰ ছাত্ৰইও বি,এল পাছ কৰি আহি উকিল হ'ল, এনেবোৰ কথাই মোক জুমুৰি দি ধৰিছিল। যাহওক সুদীৰ্ঘ বিৰতিৰ পিছত উচ্চ শিক্ষা লোৱাৰ এটি সুযোগ ওলোৱাত মনৰ হেঁপাহ পলুৱাব পাৰিম বুলি সান্ত্বনা লভিলোঁ।

কলেজ আৰম্ভ হ'ল। নগাঁও কলেজৰ শিক্ষকসকলেই Part time শিক্ষক হিচাপে শিক্ষা দিবলৈ ধৰিলে। ইয়াৰ মাজত বহু অসুবিধা। কেতিয়াবা লাইটৰ, কেতিয়াবা শিক্ষকৰ আৰু কেতিয়াবা অন্যান্য। অধ্যক্ষ গোস্বামীদেৱৰ তৎপৰতাত অনেক অসুবিধা সমাধান হ'ল। আমাৰ শ্ৰেণীত আৰু অধিক ছাত্ৰ ভৰ্ত্তি হ'ল। ইংৰাজী ক্লাছত হাজিৰা কৰোঁতেই বহু সময় যায়। এই সময়খিনি বচাবৰ বাবে অধ্যক্ষ মহোদয়ে এটা ব্যৱস্থা কৰিলে। কাঠৰ এটি দীঘলীয়া মুখ খোলা বাকচ মেজৰ ওপৰত ৰাখিলে আৰু ছাত্ৰসকলক বুজাই দিয়া হ'ল যে ছাত্ৰসকলে শ্ৰেণীৰ ঘন্টা পৰাৰ লগে লগে এটুকুৰা কাগজত ৰোল নং আৰু নাম লিখি মেজৰ ওপৰত থোৱা বাকচৰ থাপত ৰাখিব, যথা সময়ত চকীদাৰে সেইটো লৈ যাব। অফিচে ছাত্ৰৰ উপস্থিতি তাৰ পৰাই সংগ্ৰহ কৰিব। অধ্যক্ষই এই নীতিৰ ওপৰত মন্তব্য দি কৈছিল যে হাজিৰাৰ এই নীতি অতি বিশুদ্ধ নহলেও বয়সস্থ ছাত্ৰসকলৰ নৈতিকতাৰ ওপৰত বিশ্বাস ৰাখি এনে নিয়ম প্ৰচলন কৰা হৈছে। এই নিয়ম ডচন স্কুলত কলেজ থকা গোটেই সময়খিনি চলিছিল। মোৰ মনত আছে

ছাত্রসকলেও হাজিৰাৰ এই নীতি সাধুতাৰে মানি চলিছিল। এনেভাৱেই আমাৰ অধ্যয়ন অলপ অসুবিধাৰ মাজেৰে চলিছিল। এনেতে এদিন অধ্যক্ষ মহোদয়ে আহি কৈ গ'লহি কেইদিনমানৰ পিছতেই আমাৰ বোলে টাৰ্ম পৰীক্ষা হ'ব। অৱশ্যে অকল ইংৰাজী বিষয়ৰহে! কথামতে কাম। পৰীক্ষাৰ দিন স্থিৰ কৰি নোটিচ আঁৰিলে। মোৰ মহা চিন্তা--পৰীক্ষা দিমনে নিদিম, একো দেখোন বুজি গোৱা নাই। ফেইল হ'ব লাগিলে ছাত্ৰবিলাকৰ আগত লাজ পাব লাগিব। ঘৰলৈ আহোঁতে বাটতে এইবোৰ কথা ওলাল। লগত অহা দুই-এজন কম বয়সীয়া ছাত্ৰই কলে, "ছাৰ আপুনি ভয় নকৰিব, আপনি পাছ কৰিব, আমাৰহে ভয়।" ভয়ে ভয়ে পৰীক্ষা দিলোঁ। নতুনকৈ একো জ্ঞান হোৱা নাই। হাইস্কুলৰ ইংৰাজীৰেই যি পাৰোঁ লিখিলোঁ। পাছ হমনে নহম নিজেই বিশ্বাস কৰিব নোৱাৰিলোঁ। পৰীক্ষাৰ এসপ্তাহৰ পিছত প্ৰশ্নোত্তৰৰ বহীবোৰ মেজৰ ওপৰত থোৱা দেখা গ'ল। ছাত্ৰসকলে উঠপ্ ঠপ্কৈ বহীবোৰ আনিলে। ভয়ে ভয়ে মই শেহতীয়াকৈ মেজৰ ওচৰলৈ গৈ মোৰ ৰোল নম্বৰৰ বহী বাছি লৈ যিটো নম্বৰ দেখা পালোঁ, সেইটো পাম বুলি মই কেতিয়াও ভবা নাছিলোঁ। মই দেখোন ৫২ নম্বৰ ধৰিছোঁ! পিছত জানিলোঁ সেইটোৱেই সৰ্বোচ্চ নম্বৰ। সেই নম্বৰ আৰু এজনে ধৰিছে। তেওঁ হ'ল মোৰ হাইস্কুলৰ সহপাঠী শ্ৰীহৰ-নাথ গায়ন। ইয়াৰ পিছতেই কিবা কাৰণত আমি ডচন স্কুলৰ-পৰা স্থান সলনি কৰিব লাগিব বুলি গম পালোঁ। ইপিনে আমাৰ সুযোগ্য অধ্যক্ষ মহোদয়ে কলেজৰ স্থায়ী ঘৰ নিৰ্মাণৰ কাৰণে মাটি বিচৰাত ব্যস্ত হৈ পৰিল। হয়বৰগাঁৱৰ ভগনীয়াচুকত এডোখৰ জংঘল মাটি সংগ্ৰহ কৰি কলেজৰ নামত কিনি পেলালে। আমাৰ মাটি দেখি মন কোঁচ খাই গ'ল। যাহওক, মাটিখিনি পৰিষ্কাৰ কৰাৰ ভাৰ ছাত্ৰসকলৰ ওপৰতে পৰিল। মনত আছে কোনোবা এটা দেওবাৰে পুৰা আমি শিক্ষক ছাত্ৰ চকীদাৰ সকলো গোট খাই জংঘল কটা, মাটি পৰিষ্কাৰ কৰা আদি কাম নিজ হাতে কৰিছিলোঁ। তাৰ এখন ফটোও লোৱা হৈছিল।

কিছুদিন পিছতেই কলেজৰ স্থান সলনি হ'ল। এইবাৰ নগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হলত। ইতিমধ্যে আমাৰ কলেজলৈ নতুন শিক্ষক দুই এজনৰ আগমন হৈছে। এজন বৃদ্ধ শিক্ষকৰ কথা মোৰ মনত পৰে--তেখেতৰ পঢ়োৱা পদ্ধতিৰ বাবে। তেখেত প্ৰফেচাৰ কুণ্ডু-ঢাকা বিশ্ববিদ্যালয়ৰ অৱসৰ-প্ৰাপ্ত ইংৰাজী শিক্ষক। সেই বৃদ্ধ শিক্ষকগৰাকীয়ে যি গুৰু-গম্ভীৰ স্বৰেৰে সুন্দৰ পদ্ধতিত ইংৰাজী গদ্য-সাহিত্য পঢ়াইছিল মই নিজে এজন শিক্ষক হিচাপে মোহিত হৈছিলোঁ। মই জানি-ছিলোঁ যে নগাঁও কলেজৰ কিছু ছাত্ৰও তেখেতৰ পাঠদান শুনিবলৈ কোঠাৰ আশে-পাশে থিয় দিছিলগৈ। পিছে শিক্ষকজন বেছি দিন নাথাকিল।

ইতিমধ্যে কলেজৰ মাটিত নতুন ঘৰ নিৰ্মাণ হবলৈ ধৰিলে। দুই খোটালিৰ এটি অফিচ ঘৰ, শ্ৰেণী বহুৱাৰ পৰাকৈ তিনি কোঠালিৰ আন এটি ঘৰ আৰু এটি অসম্পূৰ্ণ হল নিৰ্মাণ কৰিলে। নতুন ঘৰ প্ৰতিষ্ঠা কৰি তাতে শিক্ষা আৰম্ভ কৰিলে। সেই ঘৰলৈ যোৱাৰ সময়তে আমি এজন নতুন স্থায়ী শিক্ষক পাওঁ। তেখেত শ্ৰদ্ধেয় শ্ৰীহৰেশ্বৰ গোস্বামী, বৰ্তমান বি, টি, কলেজৰ অধ্যক্ষ। এডুকেচনৰ শিক্ষক গোস্বামীদেৱে বৰ নিষ্ঠাৰে আমাক অধ্যয়নত সহায় কৰিছিল, আনকি তেখেতে আমাক ঘৰলৈ মাতি নিও দুই এটি বুজিব নোৱাৰা কথা বুজাই দিছিল।

নতুন ঘৰত বিজুলিচাকিয়ে আমাক বৰ অসুবিধা দিছিল। কেতিয়াবা মেণ্টেল লাইট জ্বলাই পঢ়িব লগা হৈছিল। নগৰৰ-পিচ পৰা সেই ঠাই ডোখৰত চাহ-তামোল খাবলৈ দোকান-পোহাৰ একেবাৰেই নাছিল।

কাৰবাক অনুৰোধ কৰিহে চাহৰ দোকান খোলাইছিল। কিছুদিন কলেজৰ চৌকিদাৰ সীতাৰামেহে দোকান দিব লগা হৈছিল। এই কালছোৱাত 'পাৰ্ট টাইম' শিক্ষকসকলৰ কিছু অনিয়ম আমি লক্ষ্য কৰিছিলোঁ। আওহতীয়া জেগালৈ ৰাতি ৰিক্সা পোৱা অসুবিধা। মাজে মাজে ক্লাছ ক্ষতি হয়। আমি কলেজত উপস্থিত হৈ মাজে সময়ে এটা বা দুটা ক্লাছ কৰিয়েই ফিৰি আহিব লাগে। ধেমালি কৰি কথা পাতি সময় কটাওঁ। এনেতে কোনোবা ৰসিক ছাত্ৰই এ. ডি. পি কলেজৰ এটি ব্যঙ্গ নাম উদ্ভাৱন কৰিলে। সি হল 'আদহীয়া ডেকাৰ পাগ মৰা কলেজ'। এই নাম মাজে সময়ে আৱশ্যকত ব্যৱহাৰ কৰি আমি হাঁহিৰ সমল গোটাওঁ। মই এতিয়া ২য় বাৰ্ষিকৰ ছাত্ৰ। ছমহীয়া পৰীক্ষা হৈ আছে। পৰীক্ষাৰ মাজতে মোৰ আন এটা পৰীক্ষা হ'ল--যাৰ কথা মোৰ এতিয়াও মনত আছে। সেইদিনা অসমীয়া পৰীক্ষা। ৰামায়ণৰ এটা প্ৰশ্ন আহিছে। ৰামায়ণ পঢ়াই মাননীয় মহিম বৰা ছাৰে। ৰামায়ণৰ প্ৰশ্ন দেখিয়েই মোৰ ওচৰৰ প্ৰায়খিনি ছাত্ৰই 'এইটো নপঢ়োৱা প্ৰশ্ন' বুলি কৈ জাঙুল খাই ছাৰক আপত্তি দিছে। ছাৰে পঢ়োৱা হৈছে বুলি কৈছে। ছাত্ৰসকলে নামানে, সৰু-সুৰা এখন তৰ্ক আৰম্ভ হ'ল। কি হ'ব ছাৰে উপায় নাপায় মোলৈ আঙুলিয়াই কলে, 'বৰাই কওকচোন হয়নে নহয়।' মই পৰিলোঁ দোধোৰ-মোৰত। এফালে শিক্ষক, আনফালে সহপাঠী বন্ধু। শিক্ষকৰ আগত মিছা কোৱা মোৰ অভ্যাস নাই। কলোঁ, "ৰামায়ণ সাহিত্য সম্বন্ধে চাৰে এদিন এটা চুটি লেকচাৰ দিছিল।" ছাৰ জিকিল, মই কিন্তু বন্ধুসকলৰ ওচৰত অপ্ৰিয় হলোঁ। দুই এজনে পিছত কলে বুঢ়া মানুহ নহয়, কেনেকৈ মিছা মাতে। ক'ব নোৱাৰো এই কথাৰ পৰাইনে কি মোক কিছু আসৈ পোৱা বয়সস্থ ছাত্ৰই বুঢ়া বুলি সম্বোধন কৰে—যিটো মই অন্তৰেৰে ভাল নাপাওঁ। যিহেতু মই তেতিয়া কলেজত পঢ়া ডেকা ল'ৰা বুলিহে ভাবোঁ। সিবিলাকক মই অৱশ্যে হাঁহিৰেই সমিধান দিওঁ।

আন এদিনৰ কথা। অসমৰ তেতিয়াৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱা নগাঁৱলৈ আহিছে। কলেজৰ গভৰ্ণিং বডীয়ে তেওঁক লগ ধৰা নাই। আমি ছাত্ৰসকলৰ দলৰ পৰাই কলেজৰ জেনে-ৰেল চেক্ৰেটৰী শ্ৰীললিত হাজৰিকাৰ উদ্যোগত লগ ধৰি আমাৰ বক্তব্য জনালোঁ, মুখপাত্ৰ হিচাপে মই দুআষাৰ কলোঁ। মোৰ এতিয়াও মনত আছে তেওঁৰ উত্তৰবোৰ খহটা আছিল আৰু

তাৰ অৰ্থ আছিল তেওঁৰ দলক কলেজ চমজি দিলেহে কলেজে চৰকাৰী সাহায্য পাব।

এতিয়া আমাৰ আই, এ ফাইনেল পৰীক্ষাৰ দিন চমু চাপিছে। টেষ্ট পৰীক্ষাত নিয়মমতে পাছ কৰিছোঁ। পৰীক্ষাৰ ওচৰ মনপুতি পঢ়িব পৰাকৈ বন্ধুবৰ স্বৰ্গীয় মহীকান্ত বৰাৰ লগতে নৰ্তমগাঁৱৰ ভাড়াঘৰত বাস কৰিছোঁ। ফাইনেল পৰীক্ষা দিলোঁ। মনত সন্দেহ পাছ কৰিম জানো? ফেইল হলে বুঢ়া কালত লাজ পাম। ফলাফললৈ বাট চালোঁ। কাৰবাৰ মুখে শুনিলোঁ আজি কালিতে পৰীক্ষাৰ ফল ওলাব। পৰীক্ষাৰ ফলাফল ওলোৱাৰ দিনা মোৰ ভয় লাগে। পৰীক্ষাৰ ফল ঘোষাণা কৰা স্থানলৈ মই কেতিয়াও নাযাওঁ। আনেহে মোৰ পৰীক্ষাৰ ফল জনায়। সেইদিনা গা অসুখ, ঘৰৰ ভিতৰত কাপোৰ লৈ বহি আছোঁ। এনেতে পৰিবাৰে পদুলিৰ পৰা চিঞৰি চিঞৰি কৈ আহিছে "এতিয়া মিঠাই খুৱাব লাগিব নহয়; এতিয়া মিঠাই খুৱাব লাগিব নহয়।" মই কিয় কিয় বুলি সুধিছোঁ, কিন্তু নকয়। মিঠাই খোৱাৰ প্ৰতিশ্ৰুতি আদায় কৰিহে কৈছে মই আই, এ পাছ কৰাৰ শুভ সংবাদটো। সেই কালত আই, এ পাছ কৰা লোকৰ সংখ্যা আমাৰ অঞ্চলত বৰ কম। তাতে আধহীয়া বয়সত পাছ কৰা বাবে মোৰ সজ-নাম কেউফালে। ৰিজাল্ট ওলোৱাৰ দহ দিনৰ পিছত দেখা গ'ল মোৰ ফটোসহ অসম বাণীত খবৰটো ওলাইছে, "পৰিণত বয়সত আই, এ পাছ কৰিছে শ্ৰীহিতেশ্বৰ বৰাই।" এই বুলি। এই পৰীক্ষাত আমাৰ নতুন কলেজৰ ফলাফল সন্তোষজনক আছিল।

উৎসাহ বাঢ়ি গ'ল। বি, এত নাম লগালোঁ। ইফালে ঘৰ-গৃহস্থী চলোৱা অসুবিধা। নিজৰ পৰিয়ালৰ বাহিৰে বিধবা বোৱাৰী আৰু দুই নাবালকৰ ভৰণ-পোষণৰ দায়িত্ব। তদুপৰি শঙ্কৰদেৱ এম, ই স্কুলৰ শিক্ষকতা। নিতৌ সন্ধ্যা কলেজলৈ অহাই-যোৱাই প্ৰায় ১২ মাইল চাইকেল কৰিব লাগে। কেকো-জেকোকৈ ভাৰ বহন কৰি অধ্যয়ন চলাই গলোঁ। ইতিমধ্যে কলেজত বেজবৰুৱা ভৱনত নিৰ্মাণকাৰ্য্য চলি আছে। কলেজলৈ নতুন শিক্ষকৰ সমাগম হৈছে—ডেকা প্ৰফেচাৰ নাৰায়ণ বৰ্মণ, এডুকেচনৰ প্ৰফেচাৰ নৰেন শইকীয়া স্থানীয় উদ্যোগী প্ৰফেচাৰ পুষ্প বৰা আদিয়ে শিক্ষকতা আৰম্ভ কৰিছে।

কলেজৰ অৱস্থা দিনক দিনে ভাললৈ আহিল। অধ্যক্ষ গোস্বামীদেৱে অতি কষ্টৰে কলেজখনক গঢ় দিলে। তেখেতে বহু কাম নিজ মতেৰেই কৰিছিল। তেখেতৰ অভিজ্ঞতাও আছিল যথেষ্ট। স্থানীয় ৰাইদঙীয়া গাঁৱৰ এটি ধনী পৰিয়া-লত জন্ম গ্ৰহণ কৰা শুকদেৱ গোস্বামী গৈছিল উচ্চ শিক্ষাৰ কাৰণে ইংলণ্ডলৈ। তাতে বহুকাল বসবাস কৰি বিলাতী কন্যাৰ পাণিগ্ৰহণ কৰিছিল। পিছত ঘৰলৈ আহি বিলাতী মেমক কথাই-বতৰাই সাজে-পোছাকে অসমীয়া বোৱাৰী কৰিছিল। ছাৰ আছিল স্বাধীনচিতীয়া। সন্তানহীন ছাৰে অসমীয়া ল'ৰা-ছোৱালীৰ অৰ্থেই এনে উদ্যোগ লৈছিল বুলি জানিছিলোঁ।

মই এজন শিক্ষক, সেইবাবে সময় পালেই শিক্ষকসকলৰ পঢ়োৱা পদ্ধতি লক্ষ্য কৰি ফুৰিছিলোঁ। ৰাজগুৰু ছাৰে বৰ মনোমোহাকৈ লেকচাৰবোৰ দিয়ে। আব্দুল হাই ছাৰে বুৰঞ্জীৰ নোট দিওঁতে বৰ দীঘল বাক্য কয়; ললিত শইকীয়া ছাৰে বুৰঞ্জী পঢ়াওঁতে হাতৰ মুদ্ৰা দিয়ে। এইবোৰ চাই বৰ আনন্দ উপভোগ কৰিছিলোঁ। এতিয়া আহি ১৯৬২ চন পালেহি। চীনে অপ্ৰৰোচিতভাৱে ভাৰত আক্ৰমণ কৰি সমস্ত অৰুণাচল দখললৈ নিছে। উত্তৰপাৰৰ বহু মানুহ নগাঁৱলৈ আহিছে। এ. ডি. পি কলেজতো আশ্ৰয়-শিবিৰ খোলা হৈছে। আমি ছাত্ৰসকলে শিক্ষকসকলৰ পৰামৰ্শমতে অনেক কাৰ্য্য কৰি গৈছোঁ। গোটেই দেশতে হাহাকাৰ। ভাগ্যে যুদ্ধবিৰতি হ'ল। লাহে লাহে আমাৰ কলেজ খোলা হ'ল।

আন এদিনৰ এটি ক্ষুদ্ৰ ঘটনা। ৰাতি কলেজত ক্লাচ কৰি থাকোঁতেই ডবাপিত্ৰা বৰষুণ আহিল। ঘৰলৈ আহিব নোৱাৰি সহপাঠী শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰৰ লগতে থাকিলোঁগৈ। ৰাতিৰ বিৰাট বৃষ্টিৰ পিছত পুৱা বতৰ ফৰকাল হৈছিল। তালুক-দাৰৰ ঘৰৰ পিছফালৰ এটা জেওৰাৰে বেৰা কম্পাউণ্ড। মই দাঁতোনডাল লৈ ইফাল-সিফাল কৰিছোঁ। এনেতে এজাক নোদোকা গাহৰি বেৰাৰ ভিতৰ সোমাই কচু খুচৰি আহাৰ বিচাৰিছে। কেচু, কুমতি ধৰোঁতে সিহঁতৰ মাজত বৰ কাজিয়া। কোনোটোৱে কোনোটোক আহত কৰি পেলাইছে। তথাপি নিজা নিজা আহাৰ সংগ্ৰহ কৰিছে। এনেতে দুটা ভলুকা কুকুৰ তাত সোমালহি। ফালৰি কাটি যোৱা কেইটামান গাহৰিক কুকুৰ কেইটাই এনেভাৱে আক্ৰমণ কৰিলে যে সিহঁতে গগণফলা চিঞৰ দিলে। এনেতে দেখা পালোঁ সমস্ত গাহৰি একত্ৰ হৈ কুকুৰৰ ওপৰত আক্ৰমণ চলালে। ভলুকাহঁত ক্ষত-বিক্ষত হৈ পলাবলৈ বাধ্য হ'ল। নিকৃষ্ট গাহৰিৰ নিজৰ জাতিক ৰক্ষা কৰাৰ এই আদৰ্শই মোৰ অন্তৰত বাৰুকৈয়ে ৰেখাপাত কৰি-ছিল। পিছৰ কালত জাতিৰ অস্তিত্ব ৰক্ষাৰ বিষয়ত সভাই সমিতিয়ে মই এই উদাহৰণ দিবলৈ পাহৰা নাই।

মই এতিয়া চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ। টেষ্ট পৰীক্ষা দিছোঁ। সিমান ভাল হোৱা নাই। এদিন স্থানীয় এখন সভাত মাননীয় প্ৰফেচাৰ হৰেশ্বৰ গোস্বামীক লগ পালোঁ। তেখেতে সেইদিনাই টেষ্টৰ ৰিজাল্ট দিব বুলি কলে। ভয়ে ভয়ে কলেজলৈ গলোঁ। কলেজ পোৱাৰ লগে লগে দুই এজন সহপাঠী আহি মোৰ হাত জোকাৰি কলে বোলে মোৰ পৰীক্ষা হেনো সকলোতকৈ ভাল হৈছে। মোৰ সন্দেহ—ঘোষণাৰ কাৰণে উৎকণ্ঠাৰে বাট চালোঁ। অধ্যক্ষই যথা সময়ত ফল ঘোষণা কৰিবলৈ লৈ সেই কথাকে কলে, "কলেজৰ এজন বয়সস্থ ছাত্ৰ শ্ৰীহিতেশ্বৰ বৰাই বাছনি পৰীক্ষাত সকলোতকৈ ভাল কৰিছে। He may please stand up"। আনন্দ আৰু উৎকণ্ঠাৰ মাজেৰে শিক্ষক-ছাত্ৰ সকলোকে নমস্কাৰ জনাই থিয় দিলোঁ। হৰ্ষধ্বনি আৰু হাত চাপৰিৰ মাজত মই লুকাই গলোঁ। তাৰ পিছত দ্বিতীয় স্থান পোৱা শ্ৰীভূপেন্দ্ৰ নাথ বৰবৰাক সেইদৰেই ঠিয় কৰাই ধন্যবাদ দিলে। সভা ভঙ্গ হোৱাৰ লগে লগেই অত্যুৎসাহী কোনোবা বন্ধুৱে

মোক দাঙি লৈ গ'ল জলযোগৰ হললৈ। তাত সিবিলাকৰ কিমান আদৰ কিমান আপ্যায়ন! সেই স্মৃতিয়ে এতিয়াও মোক আনন্দ দিয়ে।

ফাইনেল পৰীক্ষাৰ ওচৰ চাপি আহিল। অধ্যয়নৰ সুবিধাৰ অৰ্থে বন্ধুবৰ স্বৰ্গীয় মহীকান্ত বৰাৰ পঁজাত থাকিবলৈ ললোঁ। অসুবিধা অনেক--নিজে ভাত ৰন্ধা, চাইকেলেৰে দৈনিক স্কুল কৰা ইত্যাদি। যাহওক ইতিমধ্যে আমি কেইজনমান মনে-মিলা সহপাঠী লগ হৈছোঁ। সিবিলাক হ'ল বন্ধুবৰ স্বৰ্গীয় মহীকান্ত বৰা (পিছত সহকাৰী অধ্যক্ষ, নৈনে উচ্চতৰ মাধ্যমিক), শ্ৰীললিত হাজৰিকা (এতিয়া অধ্যাপক, কলিয়াবৰ কলেজ) শ্ৰীপদ্মকান্ত বৰা আদি। চাৰিও বন্ধুৱে বিছনাত বহি সম্ভাব্য প্ৰশ্ন আৰু উত্তৰসমূহ যুগুত কৰোঁ। এনে কৰাত বিভিন্ন বিষয়ৰ ওপৰত আমাৰ কিছু দখল আহিল বুলি বিশ্বাস। অধ্যয়নৰ এই ৰীতিটো মই লাভজনক বুলি ভাবোঁ, কিয়নো আমি আটাইকেইজনে ইয়াৰ শুভফল লাভ কৰিছিলোঁ। যথাসময়ত বি, এ, ফাইনেল পৰীক্ষা আহিল। ভুলে-শুদ্ধে উত্তৰ কৰিলোঁ। উদ্বিগ্নতাৰে ফলাফললৈ বাট চাই ৰলোঁ। যথাসময়ত ফলাফল ঘোষণা হ'ল। মোৰ ল'ৰা শ্ৰীদ্বিজেনে উধাতু খাই কলেহি মই বোলে পাছ কৰিছোঁ। সকলোৱে মুখত হঁ আমাৰ স্কুলৰ শিক্ষক ছাত্ৰ সকলোকে জলযোগেৰে আপ কৰা হ'ল। ইয়াৰ পিছত স্নাতকোত্তৰ শ্ৰেণী অধ্যয়নৰ চিন্তা কৰিছিলোঁ, কিন্তু অপৰিহাৰ্য্য পাৰিবাৰিক অসুবিধাৰ এই আশা ত্যাগ কৰিব লগা হয়। মোৰ কেইজনমান সহপা কিন্তু ইমানতে ক্ষান্ত নাথাকি মনৰ ক্ষুধা পলুৱালে। কোনে যোগ্যতাৰে এম. এ পাছ কৰিলে, কোনোৱে আইন পঢ়ি উ হল। আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়ে বহু আহুত লোকক আনন্দ দিয়াৰ উপৰিও মান-সম্ভ্ৰম আৰু উচ্চ জীৱনৰ সন্ধান দিলে।

এনেভাবেই মই ঢেকিয়ালফুকন কলেজত আদহীয়া কা অধ্যয়ন কৰাৰ চাৰিটি বছৰৰ মাধুৰী বুকুত বান্ধি লৈ ৰলে মধ্যযুগৰ কোনো এক বিখ্যাত কবিয়ে কোৱাৰ দৰে মই আগ জীৱনৰ এই চাৰটি বছৰৰ আনন্দময় স্মৃতি ৰোম কৰি ভাল পাওঁ।

○



# সপোনকোঁৱৰ অধ্যক্ষ শুকদেৱ গোস্বামীৰ সান্নিধ্যত

শ্ৰীখগেন্দ্ৰনাথ ভূঞাবড়া
এ. ডি. পি কলেজৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক১৯৬০-৬১

বহুজনক ভাৰসা দিয়াৰ দৰে, মোৰ ঘৰুৱা জীৱনৰ নানা ঘাট-প্ৰতিঘাতৰ দুৰ্ভেদ্য প্ৰাচীৰক নেওচা দি উচ্চ শিক্ষা লাভ কৰাৰ আশাটিক ভাৰসা দিয়া যেন পালোঁ--যেতিয়া শুনিলোঁ নগাঁৱত এ. ডি. পি নামে এখন সন্ধ্যাৰ কলেজ আৰম্ভ হ'ল বুলি। বোধকৰো মোৰ দৰেই শতেকজন উচ্চশিক্ষা অভিলাষী ডেকাৰ প্ৰাণত সেই কথাই পুলক জগাই তুলিছিল। বহুতেই সপোন দেখিছিল দিনৰ ভাগত চাকৰি কৰি, ব্যৱসায় আদি কৰি, সংসাৰ চলোৱাৰ সুযোগ গ্ৰহণ কৰিও, মন কৰিলেই উচ্চশিক্ষা লোৱাৰো ব্যৱস্থা কৰিব পাৰে। এইশ্ৰেণী ডেকাৰ বুকুৰ ভাষাক নীৰৱেই যেন বুজি পাইছিল এজন লোকে, যিজনে সপোন দেখিছিল বয়সৰ পুৰঠতাৰে পুৰঠ এচাম লোককো উচ্চশিক্ষাত শিক্ষিত কৰি তুলিব পাৰিলে অকল তেওঁলোকৰ পৰা আশীৰ্বাদ লোৱায়েই নহয়, সমাজখনতো বহুত পিনৰ পৰা শিক্ষাৰ আলোকপাত হ'ব। সেই সময়ৰ লোকবচন মতে এ, ডি. পি কলেজ 'আদহিয়াৰ' কলেজ।

ইজন সিজনৰ পৰা ডচন হাইস্কুলত এ. ডি. পি কলেজৰ শিক্ষা দিয়াৰ কাম চলে বুলি শুনিলোঁ। মোৰ কুঁজীডাঁহৰ ঘৰৰ পৰা ডৰচন হাইস্কুললৈ ১১½ মাইল বাট। তেতিয়াও মই কুঁজীডাঁহ হাইস্কুলতেই শিক্ষকতা কৰোঁ। স্কুল ছুটীৰ পিছত পথৰ সাৰথি চাইকেলখনি লৈ ১৯৬০ চনত এদিন আগ বাঢ়িলোঁ নৈশ মহাবিদ্যালয় এ, ডি. পি. কলেজলৈ। কলং পাৰৰ সৰু পকি দালান এটিৰ এটি কোঠাত নাম ভৰ্তিকৰণ হৈছিল। দালানটি বিলাতী মেম বিয়া কৰি জাত-যোৱা আমাৰ ৰাই-ডঙীয়াৰ গোসাঁইৰ পিতেকৰ ঘৰ বুলি কলং পাৰেদি ফুৰিবলৈ যাওঁতে আগতেই মোৰ কোনোবা লগৰীয়াই চিনাকি কৰি দিয়া। আমি একে হাতীচাং মৌজাৰ মানুহ হলেও, তেখেতক আগতে দেখা নাছিলোঁ, কিন্তু এবাৰ দেখা পোৱাৰ হেঁপাহে মোক ব্যগ্ৰ কৰি ৰাখিছিল। দেখা নাছিলোঁ যদিও তেখেতৰ খ্যাতি সম্পন্ন বহুত কথায়েই শুনিছিলোঁ। বিশেষকৈ তেখেতৰ 'বাঘ-ঢালৰ' খেলত পটুতাৰ সম্বন্ধে আমাৰ জ্যেষ্ঠ সকলৰ ওচৰত বহি লৈ সৰু ল'ৰা-ছোৱালীয়ে সাধু শুনাদি শুনিছিলোঁ।

চাইকেলখন বাজতে থৈ, সেই সময়ত বাহিৰতে ৰৈ থকা পাঁচজন ল'ৰাৰে সৈতে মই ভিতৰ সোমাই গ'লোঁ। সেই সময়ত কেৰাণীজন নাম ভৰ্তিকৰণৰ কামত ব্যস্ত। নাম ভৰ্তি কৰি চাৰিজন ল'ৰা বাহিৰ হৈ যোৱা দেখিলোঁ। মোৰ লগত যোৱা কিজন বা বাহিৰলৈ ওলাই যোৱা কিজনৰ কোনো জনকেই মই চিনি নাপাওঁ। কেৰাণীজনৰ কাষ চাপিলোঁ, তেওঁ মোক আগৰে পৰা চিনি পায়। মোক সুধিলে আপুনি আহিল? মই ক'লোঁ, এৰা, ছাত্ৰ হ'বলৈ আহিলোঁ। তেওঁ ক'লে ভাল কথাহে। মোৰ লগত যোৱা পাঁচজন ল'ৰাৰ ভিতৰত দুজনৰ ধন, দিব লগা ধনৰ, আধা আধাহে হ'ব। গতিকেই কেৰাণীয়ে ভিতৰত কথাটো আলোচনা কৰিবলৈ বোধকৰো উঠি গৈছিল। কেৰাণী-জনে বোধকৰো কথাটো জনাই ওলাই আহিল। তাৰ অলপ-মান সময়ৰ পিছতে পকা ঠেকেৰা যেন মুখৰ, বৈ পৰা ডাঠ ভ্ৰূযুগল, ধুনীয়া ডাঙৰ ডাঙৰ দুটি চকু আৰু ধুনীয়া জোঙা নাকৰ এজন মানুহ ওলাই আহিল, তেওঁৰ গাত এটি ধোবাই ধোৱা বগা হাফচাৰ্ট, আঁঠুৰ তললৈকে মাথো চুৰিয়া আৰু কান্ধত এখন জপা ফুলাম গামোচা। মানুহজনে আহি কেৰা-ণীক নিৰ্দেশ দিলেহি--"আধা মাচুল বা তিনি ভাগৰ এভাগ মাচুল দিলেও নামৰ বিপৰীতে লিখি ৰাখি গ্ৰহণ কৰোঁতাজনৰো চহী আৰু দিওঁতাজনৰো চহী কৰি ৰাখিবা। একেবাৰে দিব নোৱৰা কোনোবাজন আহিলে মোক জনাবা। এইখন কলেজ তেওঁলোকৰহে, ধন নিদি ক'লৈ যাব?" এই বুলি আমাৰ ফালে চালে। মোক সুধিলে, "বোপাই! তোমাৰ ঘৰ ক'ত?" মই ক'লো--'কুঁজীডাঁহত। বাকী পাঁচজনকো তেওঁলোকৰ গাঁৱৰ নাম সুধিলে। কেউজনে উত্তৰ দিয়াৰ পিছত মোক ভিতৰলৈ মাতি নিলে। বহিবলৈ দি মোক বিবিধ প্ৰশ্ন সুধিছিল। তাৰ মাজতে সুধিছিল কুঁজীডাঁহত আগৰ দৰে নামঘৰত ভাওনা হয়নে নহয়, খেলবোৰত মিলা-প্ৰীতি আছেনে নাই। মই কাৰ পুত্ৰ জানি লৈ তেখেতসকলৰ ঘৰৰ আগেদিয়েই বোলে আমাৰ দেউতা, বৰদেউতাসকলে তেখেতসকলৰ ওচৰতে থকা মাহগুৰি পামলৈ অহাযোৱা কৰিছিল আৰু কেইবাদিনো আমাৰ পিতাপুৰুষক অনুৰোধ কৰি তেখেতসকলৰ বৈঠকী কোঠাত বৰগীত গোৱাইছিল। কথা প্ৰসঙ্গতে মই বৰগীত গাব জানোঁনে নেজানোঁ সুধিলে। মই জানোঁ বুলিয়েই ক'লোঁ আৰু লগে লগেই এটি বৰগীত গাবলৈ কৈ তেখেতৰ পত্নীকো মাতি আনিলে। তেখেতৰ পত্নীক তেতিয়ালৈকে মই দেখা নাছিলোঁ। এক ফৰ্-মূতিত দুই আমৰ দৰে ইমানদিন দেখিবৰ বাবে ব্যগ্ৰ হৈ থকা

দম্পতিযুগলক সন্মুখতে দেখা পাই যেন নিজেই ধন্য হ'লোঁ। চফেদ বগা সুঠাম দেহটোত তেখেতৰ পত্নী--মেমগৰাকীয়ে মুগাৰ ৰঙাফুলৰ মেখেলাখনিৰ ওপৰত এখনি বগা ফুলাম চাদৰ লৈছিল। বৰগীত এটি গালোঁ। অধ্যক্ষ মহাশয়ে তেখেতৰ পত্নীক মোক চিনাই দিলে তেখেতৰ গাঁৱৰ ঘৰৰ ওচৰবে বুলি। মেমনী গৰাকীয়ে মোক ধন্যবাদ দিলে। গোটেই কথাখিনি মোৰ মনত অধ্যক্ষ মহাশয়ৰ অযাচিত অনুগ্ৰহ যেন লাগিল। ২৫ বছৰ বিলাতত থাকিও বিলাতী নোহোৱা এইজন মানুহ, কথা, বতৰা, খোজ-কাটল, চাল-চলন, আচাৰ-ব্যৱহাৰ সকলোতেই নিভাঁজ এজন অসমীয়া। মোৰ মনত প্ৰশ্ন হ'ল এইজন মানুহৰ ক'ত জাত গ'ল? এওঁচোন জাত মাৰিলে মেমনীগৰাকীৰহে! মেমনী গৰাকীক অসমীয়া সাজ-পোছাক পিন্ধোৱাই নহয়, অসমীয়া ভাষা, কলা-সংস্কৃতি আৰু ধৰ্মলৈয়ো ধাউতি বঢ়ালে। মনে মনে এই নিভাঁজ অসমীয়া লোকজনৰ প্ৰতি কৃতজ্ঞ হৈ ধন্যবাদ আগবঢ়ালোঁ। এনে নিভাঁজ অসমীয়া দম্পতিযুগলৰ প্ৰতি মোৰ মোহ আৰু আকৰ্ষণ বাঢ়িল। অধ্যক্ষ মহাশয়ৰ নিৰ্দেশত বোধহয়, মেমগৰাকীয়ে এপিয়লা চাহ দিলে, মই চাহ পিয়লা খাই শেষ কৰাৰ পিছত মহাশয়ে ক'লে, "বোপাই, এক্কাৰ হৈ আছিল, কলেজত পঢ়াশুনা বিশেষ হোৱা নাই। আজি তুমি ঘৰলৈকে যোৱা-- বহু দূৰ যাব লাগিব, পাৰিলে দুই এজন লগৰীয়া কৰি লোৱা।" চেষ্টা কৰি চাওঁ বুলি দুয়োকে নমস্কাৰ জনাই সেইদিনা বিদায় কৰিলোঁ।

বিদেশত থাকি নিজ দেশ অসমৰ সপোন দেখা দুজন মানুহৰ কথা মনলৈ আহে। এজন সম্বলপুৰত কাঠৰ ব্যৱসায় কৰা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু অন্যজন স্বৰ্গীয় শুকদেৱ গোস্বামী। দুয়োজনৰ অন্তৰতে আমি অসমীয়া, আমি কোনো কথাতে হীন নহয়, এনে এটি ভাব সদায় পোষণ কৰা দেখা যায়। দুয়োজনেই অসমৰ ধূলি-বালি, গছ-বন, নদ-নদী, ভাষা, কৃষ্টি-সংস্কৃতিক এক মোহভৰা চকুৰে চাইছিল। দুয়োজনৰ কাৰণেই জনমভূমি অসম--সাদৰী সোণা। হ'লেও স্বৰ্গীয় শুকদেৱ গোস্বামী আছিল একাচেকা বিধৰ মানুহ; বিদেশত থাকিও বিদেশৰ বহু কথাৰ লগত ফেৰ মাৰি প্ৰতিযোগিতা কৰি নিজে জিকি অহা বিধৰ লোক। এখেত আছিল এনেকুৱা এটি মনৰ গৰাকী, যিটি মনক একোৱেই সেও মনাব নোৱাৰে।

এইজন পুৰুষৰে অধ্যক্ষতাত ১৯৫৯ চনৰ সাত চেপ্তেম্বৰত নগাঁও ডচন হাইস্কুলত এখন নৈশ মহাবিদ্যালয় খোলা হয়। নগাঁও কলেজৰ ভালেমানজন অধ্যাপকে মাথো মাহে ৫০'০০ (পঞ্চাশ) টকাকৈ বানচ লৈ অংশকালীন সেৱা আগবঢ়ালে। বাহিৰৰ মাথো দুই এজনহে আছিল। আজি এ, ডি, পি, কলেজৰ পঁচিশ বছৰীয়া ৰূপালীজয়ন্তীত এই অনুষ্ঠানৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক হিচাপে আমি সেই শিক্ষকসকলৰ ত্যাগ আৰু মহানুভৱতাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিলোঁ।

আজি ২৫ বছৰীয়া ৰূপালী জয়ন্তীৰ দিনত এই ব্যক্তিজনলৈ বৰকৈ মনত পৰিছে, বৰকৈ মনত পৰিছে তে সপোনবোৰৰ কথা। এদিন ১৯৮২ চনত এ, ডি, পি, ক ছাত্ৰ একতা সভাৰ সম্পাদকৰ নিমন্ত্ৰণক্ৰমে কলেজ বছেৰেকীয়া দিৱসত নিৰ্দিষ্ট বক্তাৰ বক্তব্যত এই মহান জনাৰ সপোনৰ কথাখিনি কিছু থূলমূলকৈ প্ৰকাশ কৰিছি আজি সেই কথাখিনিকে অলপ প্ৰাঞ্জলভাৱে ক'বলৈ বিছোঁ। তাকে ক'বলৈ যাওঁতে মই এই ব্যক্তিজনাৰ সান্নিধ্যলৈ কেনেকৈ চাপিবলৈ পালোঁ সেই কথাও প্ৰকাশ প্ৰয়োজন আছে।

মই এ. ডি. পি. কলেজত ভৰ্তি হোৱা দিনত কলেজ তেতিয়াও ডচন হাইস্কুলতে আছিল বুলি আগতেই দি আহিছোঁ আৰু তাতেই ছাত্ৰসকলৰ বিষয়-বৰীয়াৰ নিৰ্বা হয়। ছাত্ৰসকলে নিৰ্বাচনত মোৰ ওপৰতেই ১৯৬০-৬১ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰুভাৰটি অৰ্পণ ক মোৰ প্ৰতি ছাত্ৰসকলৰ এই মৰমেই এজন হাড়ে হিমজুৰে মীয়া, আমাৰ পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ স্বৰ্গীয় শুকদেৱ গোস্ব দেৱৰ ঘনিষ্ঠতা আৰু সান্নিধ্যলৈ গৈ অতি ওচৰৰ পৰা নিৰ্ভীক, আৰু ত্যাগী লোকজনক চাবৰ কাৰণে মোক সু দিলে। তেখেতক অতি ওচৰৰ পৰা মই যেন ভাৰসা পা দেখিলোঁ সময় আৰু যুগৰ খচকত হেৰাই নোযোৱা এ অসম সাহসী ধাউতিযুগীয়া নিভাঁজ অসমীয়া মানুহ, যি কথাৰ আৰু কামৰ; যিজন লাচিত বীৰৰ দৰে কথাৰ আ কামৰ মানুহ, ২৫ বছৰ বিলাতত থকাৰ পিছতো বিলাতী ভা বিলাতী বতাহ, বিলাতী চাল-চলন, বিলাতী সংস্কাৰ, বিলা সংস্কৃতিয়ে যাৰ জাত মাৰিব নোৱাৰিলে, বৰং বিলাতী মে বিয়া কৰি, বিলাতী মেমৰহে জাত মাৰি অসমীয়া ভাষা-কৃষ্টি সংস্কৃতি, আচাৰ-ব্যৱহাৰ চাল-চলন, পোছাক-পৰিচ্ছদৰ মাজ সুমোৱাই আনিলে।

দেখাত আৰু কামত অত্যন্ত কঠোৰ এই লোকজনৰ অন্তৰ খনি আছিল কুসুম-কোমল। এই কথা তেখেতৰ কৰ্মৰ মাজে দিয়েই প্ৰতিভাত হৈছিল। এদিনৰ কথা। কেইজনমান দুখীয় ছাত্ৰই ফীজ দিব নোৱাৰি মোক অধ্যক্ষ মহোদয়ৰ লগত ক হৈ মাচুলখিনি মাফ কৰাই দিবৰ কাৰণে বৰকৈ লগাত ম তেখেতৰ লগত কথা পাতোঁ। কিন্তু অধ্যক্ষ মহোদয়ে তেওঁ লোকৰ মাচুল মাফ দিয়াৰ পৰিবৰ্তে মোৰ আগতেই সীতাৰা চকীদাৰক পঠাই সেই ছাত্ৰকেইজনক মতাই আনি তেখেত নিজৰ পকেটৰ পৰাই তেওঁলোক প্ৰত্যেকজনৰে মাচুলখিনি জমা দিবলৈ দিছিল। ছাত্ৰসকলক তেখেতে পুত্ৰৱত স্নেহ কৰাৰ আৰু এটি উদাহৰণ দাঙি ধৰোঁ। তেখেতে কেতিয়াবা শ্ৰেণী ভিতৰলৈ সোমাই গৈ কোনো কোনো ছাত্ৰক প্ৰশ্ন কৰিছিল, "বোপাই তোমাৰ ঘৰ কোন গাঁৱত--কিমানদূৰ ইয়াৰ পৰা? ৰাতিখন চাইকেল কোবাই কোবাই আহিছা, ভালকৈ পঢ়া, ভালকৈ পাছ কৰি যাব লাগিব।" ছাত্ৰসকলৰ ৰাতি অহা-যোৱাৰ কষ্টলৈ লক্ষ্য কৰি তেখেতে বাৰিষা দিনত সাধাৰণতে বতৰ

বেয়া কৰি অহা দেখিলেই অফিচৰ পৰা ওলাই শ্ৰেণীয়ে শ্ৰেণীয়ে গৈ কৈছিল, "বোপাইহঁত! বতৰ বৰ বেয়া কৰি আহিছে, আজিলৈ ইমানতে এৰি কোবাকুবিকৈ ঘৰলৈ যোৱাগৈহঁক। আজিলৈ ছুটী হ'ল।" অন্যহাতে এনে কোমল অন্তৰৰ এই লোকজন ফাঁকি দিয়া, এলেহুৱা আৰু নিষ্কৰ্মী মানুহৰ ওচৰত বৰ কঠোৰ আৰু তেনে মানুহক তেওঁ বৰ বেয়া পাইছিল। তেওঁ নিজে যেনেকৈ কথা আৰু কামৰ মানুহ আছিল, আনৰ ক্ষেত্ৰতো কথা আৰু কামৰ হোৱাটোকে বাঞ্ছা কৰিছিল। কলেজৰ ছাত্ৰই ইটা ভাঙি দ'ম কৰা দেখি আৰু কলেজৰ চৌহদৰ হাবি কাটি পৰিষ্কাৰ কৰা দেখি শুনিবলৈ বেয়া লাগিলেও তেওঁ এদিন নিজমুখে মোক কৈছিল, "বোপাই তুমি মোৰ লগত হ'লে মোক গৱৰ্ণিং বডি ফৱৰৰ্নিং বডি একো নেলাগে, আমিয়েই কলেজখন কৰিব পাৰিম।" (এই কথাষাৰিৰ কাৰণে যাতে সদাশয় কোনো লোকে আমাৰ ওপৰত ৰোষ নেৰাখে। স্বৰ্গীয় অধ্যক্ষদেৱৰ নিজ মুখৰ কথা আছিল বাবেহে আমি মুকলিকৈ ব্যক্ত কৰিলোঁ।) মই কলোঁ, ছাৰ! এই কথা শুনিলে গৱৰ্ণিং বডিৰ সদস্যসকলে বৰ বেয়া পাব। তেখেতে ক'লে, "বেয়া পাবলৈ মই কাকো গুৱাল-গালি পৰা নাই, এটা কৰ্তব্যৰ তানৰ কথাহে কৈছোঁ। এইষাৰ কথাত কোনোবাই কাম কৰিবলৈ ওলাই আহে যদি আহক--নহ'লে মই কিবা বেয়া কাম কৰিবলৈ যদি গৈছোঁ, কৰ্তব্যৰ ওচৰত নিজক যদি ফাঁকি দিছোঁ, তেন্তে মোৰ বিৰোধিতা কৰক। মোৰ কথা, বোপাই, হয় তেখেতসকলে কাম কৰক, নহয় কলেজখন মোক এৰি দিয়ক। লেজুত ধৰা বল নিদিয়া হৈ কোনো থাকিব নালাগে।" মোৰ মাত বন্ধ হ'ল--দুৰ্বাৰ কৰ্তব্যনিষ্ঠা, পুৰুষজনৰ কৰ্তব্য-বোধৰ চৰম যুক্তি দেখি অজ্ঞাতেই মনটোয়ে যেন তেওঁৰ চৰণত ধৰি শপত ল'লে--মুখেৰে মাথো প্ৰকাশিলোঁ--আপোনাৰ প্ৰয়োজন আৰু নিৰ্দেশৰ বাবে সদায় অপেক্ষা কৰিম ছাৰ! 'শুনা' বুলি অধ্যক্ষ মহাশয়ে আকৌ ক'লে, "দুজন লোকে বিলাতলৈ যোৱাৰ দিনা মোক ভাৰতৰ দুৱাৰমুখত পানী জাহাজত উঠাই কিয় আগবঢ়াইছিল বাৰু? বিলাতৰ পৰা ঘূৰি আহি এই পিছ পৰি থকা আমাৰ অসমখনত কিবা দিব পাৰিমহি বুলিহে। নহ'লেতো বিলাততে ধন ঘটাৰ মোৰ ঢেৰ থল আছিল।"

এজন মানুহ সম্পূৰ্ণ ইংৰাজী ভাষাত ইংৰাজী শিক্ষাত অভ্যস্ত হৈ ২৫ বছৰ বিলাতত আছিল, কিন্তু কলেজত শিক্ষা-সংক্ৰান্ত কথাত বাহিৰে কোনো কথাত বা কলেজৰ সভাত সমিতিতো কোনো দিনেই এটাও ইংৰাজী শব্দ তেখেতৰ ভাষণ বা কথাত ব্যৱহাৰ কৰা শুনা নাছিলোঁ। ইমান নিভাঁজ অসমীয়া কথা-বতৰা আমি অসমতে চিৰদিন থকা মানুহবোৰে ক'ব পৰা হৈ আছোনে নাই সন্দেহ উপজে।

অধ্যক্ষ গোস্বামীদেৱে এটি বিশেষ সম্বোধনেৰে সকলো ছাত্ৰকে আপোন কৰিছিল। সেইটি এখনি অসমীয়া অন্তৰৰ আমঠুক পৰশ কৰিব পৰা সম্বোধন। এই সম্বোধনটি মই প্ৰথমে তেখেতৰ সন্নিধ্যলৈ আহোঁতে মোকেইহে কৰিছে বুলি আনন্দ পাইছিলোঁ, কিন্তু ক্ৰমান্বয়ে দেখিবলৈ পালোঁ যে সেইটো তেখেতৰ সাৰ্বজনীন সম্বোধন, সকলো ছাত্ৰকে তেখেতে এই সম্বোধনকেই কৰে। বোধকৰো সকলো ছাত্ৰয়েই মই পোৱাদি তেখেতৰ সেই সম্বোধনত আনন্দ পায়। সেইটি তেখেতৰ 'বোপাই' বা 'বোপাইহঁত' সম্বোধন। এনে আত্মিক সম্বোধনে তেখেতৰ আত্মাৰ লগত তেখেততকৈ কম বয়সৰ সকলৰ লগত এক অখণ্ড যোগসূত্ৰ স্থাপন কৰিছিল। এই অখণ্ড আত্মিক যোগ-সূত্ৰৰেহে তেখেতে প্ৰীতিপূৰ্ণভাৱে আৰু সহৃদয়তাৰে ছাত্ৰ সকলৰ লগত জৰিত হৈ তেওঁলোকৰ সকলো কথা শুনিছিল আৰু পাৰ্য্যমানে সহায়ো কৰিছিল।

এটি ছাত্ৰাবাসৰ সুবিধা দিবৰ কাৰণে অধ্যক্ষক ধৰিবলৈ মোক কেইবাদিনো আপত্তি দৰ্শোৱাত, এদিন অধ্যক্ষ মহাশয়ৰ কাৰ্য্যালয়লৈ গৈ তেখেতক লগ ধৰি ছাত্ৰসকলক এটি ছাত্ৰাবাসৰ সুযোগ দিবৰ বাবে টানি অনুৰোধ জনালোঁ। অধ্যক্ষ মহাশয়ে সহৃদয়তাৰে বহুত বেলি মোৰ কথা শুনি ছাত্ৰসকলৰ এই কষ্টৰ প্ৰতি তেখেতে বহুত আগৰে পৰাই লক্ষ্য কৰিছে বুলি কৈ--পিছদিনাখন মই দুই বজাতে কলেজ পোৱাকৈ মাতি পঠালে। মযো উদ্দেশ্য সিদ্ধিৰ সম্ভাৱনা দেখি পিছদিনা দুই বজাৰ আগতে কলেজ পালোঁগৈ। গৈ দেখোঁ অধ্যক্ষ মহাশয়ে তেতিয়াৰ চৌকীদাৰ সীতাৰামক কিবা নিৰ্দেশ দি আছে। মোক দেখি বোপাই আহিলা বুলি কাৰ্য্যালয়ত থোৱা তেখেতৰ বেঁতৰ হাত-লাখুটিডালি লৈ মোক ক'লে, ব'লা। মই ক'লৈ যাব লাগে নাজানি মন্ত্ৰমুগ্ধ সৰ্পৰ দৰে খোজ ল'লোঁ। মই অৱশ্যে প্ৰথমে ভাবিছিলোঁ কোনোবা ঠাইত ঘৰ ঠিক কৰি পছন্দ হয়নে নহয় চাবৰ কাৰণে মোক লগত লৈছে। তেখেতে প্ৰথমে ডাকুৱাল গাঁৱৰ মাজেৰে গৈ বৰ্তমান ঢেকিয়ালফুকন কলেজৰ উত্তৰ ফালে থকা পথটিৰে মোক লৈ আহি পশ্চিমত ৰাষ্ট্ৰীয় পথ ওলালহি আৰু মাজে মাজে কোন ঠাইত কি পাতিবলৈ ইচ্ছা কৰিছে--সেই কথাবোৰ দেখুৱাই খুটিকটিয়াৰ উত্তৰত থকা পথেৰে এই বিৰাট বৃত্তটিৰে ঘূৰি গৈ পুনৰ কলেজৰ কাৰ্য্যালয়লৈ সোমাই মোক ওচৰৰ চকী এখনিতে বহিবলৈ কলে কিন্তু। মই নবহি থিয় হৈয়েই ৰ'লোঁ। অধ্যক্ষ মহোদয়ে ক'লে। এই খণ্ড মাটিকে আমি আমাৰ মহাবিদ্যালয়ৰ কাৰণে গ্ৰহণ কৰিব লাগিব। মই ক'লোঁ, এইবোৰচোন মানুহৰ ম্যাদী পট্টাৰ মাটি, স্থাৱৰ সম্পত্তি। "হয়, স্থাৱৰ সম্পত্তি কিন্তু গোটেই নগাঁও টাউনৰ ভিতৰতে এই ঠাইৰ মাটিৰেই দাম কম। গতিকে ইয়াতেই মহাবিদ্যালয়খন স্থাপন কৰিবলৈ বিচাৰিছোঁ। ইয়াত থকা মানুহখিনিক অন্য ঠাইত মাটি ল'বৰ কাৰণে উপযুক্ত দাম দি আমি এইখিনি মাটি মহাবিদ্যালয়ৰ নামত গ্ৰহণ কৰিম। ইয়াৰ ভিতৰতে মহাবিদ্যায়ৰ দক্ষিণত থাকিব ছাত্ৰাবাস। সেই ছাত্ৰাবাসত কেনে কেনে ধৰণৰ ছাত্ৰ থাকিব পাৰিব, সেইটো মইহে সিদ্ধান্ত কৰিম। বৰ্তমান আমাৰ মহাবিদ্যালয় সন্ধ্যাহে হয়। গতিকে পুৱা বেলাটো নিজৰ পঢ়াত আৱদ্ধ থাকি যিবোৰ ছাত্ৰই দিনৰ ভাগত কাৰিকৰী শিক্ষা লৈ নিজে উপাৰ্জনক্ষম হ'বলৈ বিচাৰে, মই তেনে ছাত্ৰকহে এই ছাত্ৰাবাসত থাকিবলৈ দিম। মোৰ মহাবিদ্যালয়ৰ ছাত্ৰসকলে

নিজে উপাৰ্জন কৰিব আৰু পঢ়িবও। তেওঁলোকে কাম অনুৰূপে ইয়াতেই পাৰিতোষিক পাব। আৰু পিতৃমাতৃৰ ভিত্তিত গলগ্ৰহ হোৱাৰ পৰা আঁতৰি আহিব। শিক্ষা শেষ হোৱাৰ পিছতো তেওঁলোকে ইয়াতেই থাকি মহাবিদ্যালয়ৰ উপাৰ্জন কৰিব পাৰিব আৰু তেতিয়া তেওঁলোকৰ কাৰণে বেলেগ দিহা কৰা হ'ব। বুজিছা বোপাই! মই চাকৰিৰ মোহত ঘূৰি পকি ফুৰা একশ্ৰেণীৰ নাগৰিকতকৈ একশ্ৰেণী কাৰিকৰী শিক্ষাত শিক্ষিত আৰু ব্যৱসায় বাণিজ্যৰ প্ৰতি ধাউতি বঢ়া নাগৰিকহে জন্ম দিবলৈ বিচাৰিছোঁ। মই উঠি অহা, কাঁটল-ফুটা এইচাম ডেকাক কাজুৱা কৰিম, বন লগাম। তোমাক ছাত্ৰাবাসৰ কথাৰে আপত্তি কৰা ছাত্ৰসকলে যদি দিনত তেনে ধৰণৰ কাৰিকৰী শিক্ষা লয়, তেন্তে ক'বা, বৰ্তমান মই এটা ভাড়াঘৰকে লওঁ। কিন্তু তেওঁলোক দিনত এনে কাৰিকৰী শিক্ষা লৈ কাজুৱা হ'ব লাগিব।" অধ্যক্ষ মহাশয়ৰ কথা শুনি মই আৰু একোকে ক'ব নোৱাৰিলোঁ। কিয়নো মোক আপত্তি কৰা ছাত্ৰসকল অধিক সংখ্যকেই আছিল কোনো নহয় কোনো ঠাইত নিয়োগী।

তেখেতৰ লগত সেইদিনা ওলাই যাওঁতে মই এটা প্ৰশ্ন কৰিছিলোঁ। অধ্যক্ষ মহাশয়ে--তোমাৰ ইটো কথাৰ উত্তৰটো দিওঁ শুনা বুলি কবলৈ আৰম্ভ কৰিলে। কৌতূহলী পঢ়ুৱৈ সকলে মোৰ প্ৰশ্নটো জানিবলৈ নিশ্চয় আগ্ৰহেৰে অপেক্ষাত বোধহয় আছে। সেই বাবে মোৰ প্ৰশ্নটোও এই ঠাইতে জনাই থলোঁ। মই তেখেতক প্ৰশ্ন কৰিছিলোঁ, "চহৰৰ মৈলা পোতা ঠাইখনৰ কাষতে, ডাকুৱাল গাঁৱৰ হলস্থূলীয়া পৰিবেশ এটাৰে ইমান পিছ পৰা ঠাইখনত আমাৰ কলেজখন পাতিবলৈ ল'লে কিয়?" তেখেতে ক'লে--একেটা প্ৰশ্নকে পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাকে ধৰি বহুত জনে কৰিছে আৰু আজি তুমিও কৰিছা। তোমাক কোৱাত লাভেই হ'ব। তেখেতে সহজভাৱে মোক কথাখিনি কোৱাৰ পৰিবৰ্তে প্ৰশ্নহে কৰিলে, "তুমি কোন মহাবিদ্যালয়ৰ ছাত্ৰৰ সাধাৰণ সম্পাদক?" উত্তৰ দিলো--এ.ডি.পি মহাবিদ্যালয়ৰ। "এ. ডি. পি. মহাবিদ্যালয়ৰ সম্পূৰ্ণ নামটি মুকলিকৈ কোৱাচোন।" মই কলো। আনন্দৰাম ঢেকিয়াল-ফুকন মহাবিদ্যালয়ৰ। আনন্দৰাম ঢেকিয়ালফুকনে জগদীশ্বৰক কি প্ৰাৰ্থনা কৰিছিল জানানে? মই এই কথাৰ উত্তৰ দিওঁ নিদিওঁভাৱে অন্তৰত বিচাৰ কৰি থাকোঁতে অধ্যক্ষ মহাশয়ে কৈ গ'ল, "জি সময়ত অসম হাবি গুচি ফুলবাৰী হ'ব, নৈত ডোঙা গুচি জাহাজ হ'ব, ঘৰবোৰ বাঁহৰ গুচি সিল ইটাৰ হ'ব, গাঁৱে গাঁৱে হেজাৰ হেজাৰ পঢ়াশালি হ'ব, চিকিৎসালয়, দুখীয়া দৰিদ্ৰৰ পৰিত্ৰাণৰ আলয় হ'ব আৰু যি কালত লোক সকলে পৰস্পৰ হিংসা নকৰি আটায়ে আটাইকে ভ্ৰাতৃবৎ চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিছা সাক্ষী নিদি লাখ টকাকো কাতি কৰি থ'ব, কোটি টকা ভেটী পায়ো কাৰো অন্যায় নকৰিব, বেস্যা, কানি আৰু সুৰা এই দেশত লোকে ভু নোপোৱা হ'ব, সেই সময়হে পৰমপিতা জগদীশ্বৰ সিদ্ধে ঘটোৱা।" বুজিছা বোপাই, "ঢেকিয়াল ফুকনৰ এই কথাখিনি শিঘ্ৰে ফলক বুলিয়েই আবৰ্জনাপূৰ্ণ, পিছ পৰি থকা ঠাইখনত এই অনুষ্ঠানটো পাতিছোঁ। ঢেকিয়ালফুকনৰ স্বপ্নয়েই আমাৰো স্বপ্ন হোৱা উচিত। এই ঠাইৰ পিছ পৰা মানুহখিনিক আগুৱাই নিব লাগিব। তুমি আমিয়েই এই পিছ পৰা মানুহখিনিক হাতত ধৰি আগুৱাই নিনিলে কোনোবা বিদেশীয়ে নিবহিনে? ময়লাৰ পথাৰখনৰ ময়লাবোৰ মাটিয়ে গ্ৰাস কৰিব। এইটোতো আমি জানোঁ, আমি নিজৰ ময়লা চাফা কৰি মাটিৰেহে হাত ঘঁহি পৰিষ্কাৰ হওঁ। সেই ঠাইতে পকী ঘৰ উঠিলে তাত ময়লাৰ গোন্ধ নেথাকিব। সি হ'ব বোকাৰ মাজৰ পদুমৰ দৰেহে।"

এইবোৰ আছিল নিৰ্ভীক অসমীয়া লোক আমাৰ শ্ৰদ্ধাভাজন স্বৰ্গীয় শুকদেৱ গোস্বামীদেৱৰ সীমাহীন সপোনৰ একোটি অংশ। তাৰেই কিছুমান হ'ল সফল সপোন আৰু কিছুমান হ'ল বিফল সপোন। এ. ডি. পি, কলেজৰ গাতে লাগি থকা মহাবিদ্যালয়ৰ চৌহদৰ পৰা বাহিৰ হলেই প্ৰথমে ভৰি দিবলৈ পোৱা ডাকুৱাল গাঁওখনিৰ অৱস্থা তেখেতে ভৱামতে উন্নত নহ'ল। চৰকাৰে স্ৰোতস্বিনী জীয়া কলংখনিক মৰা নদী এখনলৈ ৰূপান্তৰিত কৰি এই নদীৰ কাষত চিৰদিন বসতি কৰি থকা মৎসজীৱী আদিম জাতি এটাক উচ্ছন্ন কৰাদি ডাকুৱাল গাঁৱৰ মৎসজীৱী সকলকো উচ্ছন্ন কৰিলে, গাঁওখনিত বাহিৰৰ পৰা অহা মানুহৰ ঘৰ জিলিকি উঠা দেখা গৈছে।

দেশজুৰি জুৱা, বেশ্যা, মদৰ অবাধ প্ৰচলন হৈছে। এটি চাকৰিৰ কাৰণে বিভিন্ন মহলত হাজাৰে হাজাৰে ধন ভেটী দিব লগা হৈছে। ৰাজনীতি, সমাজনীতি সকলোতে বেশ্যাগিৰি আৰু মিছাৰ প্ৰভাৱ বাঢ়িছে। আজি যদি আনন্দৰাম ঢেকিয়াল-ফুকন আৰু তেখেতৰ সপোনক বাস্তৱত ৰূপ দিবলৈ ওলোৱা সপোন-কোঁৱৰ অধ্যক্ষ শুকদেৱ গোস্বামী জীয়াই থাকিলহেঁতেন তেন্তে আজিৰ অসমৰ অৱস্থা দেখি বুকু ভাঙি ভাঙি কান্দিয়ো শান্তি নেপালেহেঁতেন। অৱশ্যে গোস্বামীদেৱৰ সপোন আংশিক-ভাৱে কাৰ্য্যত পৰিণত নাই হোৱা বুলিব নোৱাৰি। কিন্তু অসমীয়াক খাতি অসমীয়া কৰিবলৈ আৰু তাকে কৰি কৰি হাড় পেলাবলৈ বিলাতৰ পৰা চাপলি মেলা গোস্বামীদেৱৰ সপোন সফল বাস্তৱলৈ নামি আহিবলৈ বহুত বাকী।

আজি ২৫ বছৰে এই মহাবিদ্যালয়ৰ শিক্ষাৰ মহলা শেষ কৰি ভালেমান গৰীৱ জনসাধাৰণৰ ল'ৰা-ছোৱালী স্নাতক হ'ল। বহুতে বিভিন্ন নিয়োগত আবদ্ধ হৈ স্বচ্ছলভাৱে জীৱন যাপন কৰিছে। অৱশ্যে সেই সকলোৰে তেজৰ ধমনিত গোস্বামী মহাশয়ে আশা কৰা হিচাপে অসমীয়া তেজ প্ৰবাহিত হৈ নিজক অসমীয়া হিচাপে অসমীয়া বৰজাতিক বিশ্বৰ আগত প্ৰতিষ্ঠা কৰিবৰ কাৰণে চেষ্টা চলিছেনে নাই কোৱা টান, তথাপি এ.ডি.পি কলেজত মোৰ সহপাঠী আৰু বৰ্তমান এ. ডি. পি. কলেজৰে অসমীয়া বিভাগৰ অধ্যাপক বন্ধুবৰ ডঃ নৱেন কলিতাদেৱে অসমৰ পৌৰাণিক স্থাপত্য আৰু ভাস্কৰ্য্য চৰ্চা আৰু সত্ৰ-সচং আদিত ভ্ৰমি আহৰণ কৰা পৌৰাণিক তথ্যৰে অসমীয়া যে পাবত গজা জাতি নহয় তাক বিবিধ প্ৰবন্ধ পাতিৰে দাঙি ধৰাত আমি এই সুযোগতে তেখেতৰ শলাগ ললোঁ আৰু আশা ৰাখিলোঁ তেখেতে এ.ডি.পি কলেজত পঢ়া এজন ছাত্ৰৰ গৌৰৱ চিৰদিন ৰক্ষা কৰক।

এ. ডি. পি কলেজত প্ৰথম বাৰৰ বাবে, ছাত্ৰ একতা সভাৰ মোৰ সম্পাদককালীন সময়ছোৱাৰ ভিতৰতে এখনি সংবিধান ৰচনা কৰা হৈছিল। সেই সংবিধানখনি ৰচনা কৰা ক্ষেত্ৰত অধ্যক্ষ স্বৰ্গীয় গোস্বামী মহাশয়, বৰ্তমানৰ অধ্যক্ষ আৰু সেইকালৰ বুৰঞ্জী বিভাগৰ অধ্যাপক শ্ৰদ্ধাভাজন হাই ছাব আৰু বৰ্তমান নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ সেইকালৰ এডুকেশ্যন বিভাগৰ এ. ডি. পি কলেজৰ অধ্যাপক শ্ৰদ্ধেয় শ্ৰীহৰেশ্বৰ গোস্বামী, প্ৰাক্তন সম্পাদক শ্ৰীউপেন্দ্ৰ বৰা আৰু ছাত্ৰ একতা সভাৰ সেই কালৰ বিষয়ববীয়া সদস্যসকলে নানান সৎ পৰামৰ্শৰে সংবিধানখনিৰ গাঠনিত সহায় কৰিছিল। সেই সকললৈ আজি ৰূপালী জয়ন্তীৰ দিনত শলাগনি আগবঢ়ালোঁ।

সেই সময়ত নতুন মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে গৃহনিৰ্মাণৰ ক্ষেত্ৰত হাবি কাটি ইটা ভাঙি যিসকল ছাত্ৰ বন্ধুৰ সহায়ত আমাৰ আঁচনিক সফল ৰূপ দিব পাৰিছিলো সেই সকলো বন্ধুৰ নাম এই স্থলত উল্লেখ কৰা সম্ভৱপৰ নহয় বাবে সেই সময়ৰ এ. ডি. পি কলেজৰ সমূহ ছাত্ৰ বন্ধুলৈ আমাৰ ধন্যবাদ আগবঢ়ালোঁ। সেই সময়ত এই কলেজত অনুষ্ঠিত হোৱা খেলা-ধূলাৰ সম্পাদক, সাংস্কৃতিক সম্পাদক সাৰদা দাস, সৰস্বতী পূজাত নগেন বৰা, শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ তিথি, কলেজ সপ্তাহ আদিত কাৰ্য্যসূচী সফল ৰূপায়ণত সহায় কৰা অধিক সকল বন্ধুৰ নামেই আজি ২৫ বছৰীয়া ব্যৱধানত বিস্মৃতিৰ গৰ্ভত পৰিছে। মাথো শ্ৰীগজেন বৰা, শ্ৰীনৰেন কলিতা, শ্ৰীআনন্দ বৰা আদি কেইজনমান বন্ধুৰ নামহে মনত আছে; সেই বাবে মোৰ দোষাদোষৰ ক্ষমা বিচাৰি সবলৈকে শলাগ আৰু ধন্যবাদ আগবঢ়ালোঁ।

এৰা চাওঁতে চাওঁতে আনন্দৰামঢেকিয়াল ফুকন কলেজৰ বয়স আজি ২৫ বছৰ হলহি--ৰূপালী জয়ন্তী হ'লহি। প্ৰায়বোৰ কথাকেই বিস্মৃতিৰ গৰ্ভ খুছৰি উলিয়াব লগা হলেও এজন পুৰুষৰ কথা আৰু কাম মনৰ মাজত চিৰ সেউজ--চিৰ সজীৱ হৈ ৰ'ব। সেই সময়ত কলেজত পতা অনুষ্ঠানবিলাকৰ কথা মনলৈ আহোঁতে কোমল জোনৰ পোহৰ যেন লগা মুখৰ, মুগাৰ কুৰ্তা-চোলা-চুৰিয়া পিন্ধি, কান্ধত ফুলাম গামোচা লৈ অনুষ্ঠানবোৰত যোগ দিয়া, ছাত্ৰৰ লগতে নামত বহা স্বৰ্গীয় গোস্বামী ছাৰৰ ধুনীয়া মুখখনিলৈ বৰকৈ মনত পৰিছে। বৈ পৰা ডাঠ চেলাউৰি, ডাঙৰ চকুদুটি আৰু টনটনীয়া জোঙা নাকৰ সেই সুন্দৰ পুৰুষজন। আজিৰ মহাবিদ্যালয়ৰ অধ্যক্ষসকলে কি কৰে নেজানোঁ, কিন্তু মোৰ দিনত এ. ডি. পি মহাবিদ্যালয়ৰ এইজনা অধ্যক্ষই প্ৰতি অনুষ্ঠানতে পুৱাতেই আহি বোপাই ইটো হ'লেনে—সিটো হ'লনে আদি বিবিধ কামৰ ইঙ্গিত আৰু সহযোগিতাৰে কাম শেষ নোহোৱালৈকে থাকি কাৰ্য্যসূচী সফল কৰাত সহায় কৰিছিল। জীৱনত ব্যক্তিগতভাৱে বহু লোকৰ লগত চিনাকি হলোঁ, বহুলোকৰ লগত কথা পাতিলোঁ, কিন্তু স্বৰ্গীয় গোস্বামী ছাৰৰ দৰে অতি মহৎ, অতি অমায়িক, অতি সৰল, অতি নিৰ্ভীক, অতি কৰ্তব্যনিষ্ঠ আৰু অতি কথা আৰু কামৰ মানুহ মই কমেই পালোঁ। এই পুৰুষজনৰ সান্নিধ্য লাভ কৰাটোও মই সৌভাগ্যৰ কথা বুলিয়েই ভাবিছিলোঁ আৰু আজিও ভাবোঁ। তেখেতে প্ৰতিষ্ঠা কৰা আনন্দৰাম ঢেকিয়াল ফুকন কলেজত, বিদেশত থাকি মাতৃভূমি অসমৰ কাৰণে শয়নে সপোনে চিন্তা কৰা পুৰুষ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ নামত এটি সুন্দৰ ভৱন নিৰ্মাণ হ'ল, সেই অনুষ্ঠানতে বৰ্তমান বিজ্ঞান শাখা আৰু কলা শাখাত অধ্যয়নৰত প্ৰায় সোতৰশ ছাত্ৰছাত্ৰী আৰু সত্তৰ জনমান অধ্যয়নপুষ্ট মনৰ শিক্ষকৰ তত্বাৱধানত অসমৰ এখন লেখত ল'বলগীয়া মহাবিদ্যালয় গঢ়ি উঠিছে, হাবি গুচি ধুনীয়া ফুলনি হৈছে, মৈলা পোতা ঠাইখনত পকা দালান হৈছে।

দেশত আৰু বিদেশত অসম আৰু অসমীয়াৰ উন্নতিৰ অন্তহীন সপোন চাই ভাগৰ নলগা নিৰ্ভীকতা, উদাৰতা, স্পষ্টবাদিতা, আৰু যুৱকসুলভ দুৰ্বাৰ উদ্দীপক শক্তিক কৰ্মৰ উপজীব্য হিচাপে গ্ৰহণ কৰা আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা, নিৰ্ভীক নিভাঁজ অসমীয়া পুৰুষ সপোন কোঁৱৰ অধ্যক্ষ শুকদেৱ গোস্বামী আজি আমাৰ মাজত নাই এইবোৰ আনন্দত আপ্লুত হ'বলৈ। নিৰ্মম কালৰ নিকৰুণ কৱলত পৰি ১৯৬৪ চনৰ বিজয়া দশমীৰ গোঁসানী বিসৰ্জনৰ দিনা এইজনা পুৰুষকো আমি বিসৰ্জন দিব লগা হ'ল চকুলোৰে বন্যা বোৱাই। তেখেতে প্ৰগতিৰ পথত আগবঢ়া আনন্দৰাম ঢেকিয়ালফুকন কলেজৰ এইবোৰ কথা দেখা নাপালে। নিঠুৰ কালে এইকণি আনন্দ উপভোগ কৰিবলৈ এধানি সুযোগ নিদিলে আৰু সুযোগ নিদিলে তেখেতৰ সপোনৰ মহাবিদ্যালয়খনি গঢ়ি তোলাত। তেখেতক আজি আমি আমাৰ মাজত নাপাওঁ নেপালেও আংশিক হলেও তেখেতৰ সপোনবোৰৰ পৰশ সকলোৱে ল'ব পাৰোঁ। বাহুল্যৰ ভয়ত থূলমূলভাৱেহে গোস্বামী ছাৰৰ সপোনবোৰৰ আংশিক প্ৰকাশ একণ দিলোঁ, মুঠতে যি অলপ পাইছিলোঁ। তেখেত আছিল আকাশৰ দৰে এখন বহল অন্তৰৰ গৰাকী যাক, আমাৰ সীমাবদ্ধ লিখনিৰে প্ৰকাশ কৰা সম্ভৱ নহয়। আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়কো তেখেতে বিচাৰিছিল ভাৰতৰ মহাবিদ্যালয়বোৰৰ ভিতৰত এখন আগশাৰীৰ মহাবিদ্যালয় কৰিবলৈহে। "অসমক চিনি নোপোৱা ভাৰতৰ অন্য ঠাইৰ মানুহবোৰে এই মহাবিদ্যালয়তহে তেওঁলোকৰ ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ খাপ পিতিব।" এয়া আছিল তেখেতৰ কথা। আজি তেখেত আমাৰ মাজত নাথাকিলেও আমাৰ আশা বৰ্তমানৰ এ. ডি. পি মহাবিদ্যালয়ৰ অধ্যক্ষ পূজনীয় হাই ছাৰৰ নেতৃত্বত এ, ডি, পি কলেজৰ উত্তৰ সাধকসকলে, এ, ডি, পি, কলেজৰ নৱগঠিত ছাত্ৰ একতা সভাৰ সম্পাদক প্ৰমুখ্যে সমূহ ছাত্ৰই যেন স্বৰ্গীয় অধ্যক্ষ গোস্বামীদেৱৰ সপোনক বাস্তৱত ৰূপ দিবলৈ সমৰ্থবান হয়। এ, ডি, পি মহাবিদ্যালয়ে অসম সাহসী অসম সন্তানৰ জন্ম দিয়ক, এ, ডি, প মহাবিদ্যালয়ৰ শিক্ষাৰ জ্যোতিয়ে দিগন্ত আলোকিত কৰোঁক, এই আশাৰে আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়ৰ পুণ্য বেদীলৈ হিয়াৰ তলিৰ এপাহি পবিত্ৰ পদুম অৰ্পণ কৰিলোঁ।

০০

# স্বৰ্গীয় অধ্যাপক কন্দৰ্প দেৱগোস্বামী ঃ মানুহজন

অধ্যাপক ডঃ মলয় ৰায়

আমাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক কন্দৰ্প দেৱগোস্বামীদেৱৰ কিছু বছৰ আগত পৰলোক-প্ৰাপ্তি ঘটিছে। এইজন শিক্ষাবিদ ব্যক্তিৰ লগত আমি কেইবছৰমান একেলগে শিক্ষকতা কৰাৰ সৌভাগ্য লাভ কৰিছিলো। 'Simple living and high thinking'— অৰ্থাৎ 'সৰল জীৱন আৰু উচ্চ ভাৱনা' এয়ে আছিল অধ্যাপক গোস্বামীৰ জীৱনৰ একমাত্ৰ আদৰ্শ। ১৯৩৪ চনত তেখেতে মেট্ৰিকুলেচন পৰীক্ষা পাছ কৰিছিল। বহু দিনলৈকে কোনো কলেজত নপঢ়ি ঘৰুৱা কামবনত দেউতাকক সহায় কৰিছিল। পিছত তেখেতৰ নিজৰ ইচ্ছাত কলেজত নাম লগালে আৰু ১৯৫১ চনত লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জীত এম, এ পাছ কৰিলে। পৰীক্ষাত তেখেতৰ ফলাফল ভাল হৈছিল। এম, এ পাছ কৰি উঠি তেখেত কিছুদিন ঘৰত বহি থাকিল। তেখেতৰ ঘৰুৱা অৱস্থা স্বচ্ছল থকা বাবে চাকৰিৰ প্ৰয়োজন সিমানকৈ অনুভৱ কৰা নাছিল। ১৯৫৯ চনত আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ লগে লগে তেখেতক মাতি আনি বুৰঞ্জী বিভাগৰ মুৰব্বীৰ পদত বহুওৱা হল। আমাৰ প্ৰাক্তন অধ্যক্ষ স্বৰ্গীয় শুকদেৱ গোস্বামীদেৱ তেখেতৰ সম্পৰ্কীয় আছিল।

স্বৰ্গীয় কন্দৰ্প দেৱগোস্বামী যেতিয়া লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ ছাত্ৰ, তেতিয়া ৰাধাকুমুদ মুখাৰ্জীৰ দৰে এজন আন্তৰ্জাতিক খ্যাতিসম্পন্ন বুৰঞ্জীবিদ সেই বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰধান। সেইজনা গুৰুৰ সুশৃংখল পৰিচালনাত আমাৰ গোস্বামীদেৱে বুৰঞ্জী বিষয়টোক হাড়ে হিমেজুৱে আয়ত্ব কৰিছিল। আগৰ দিনত শিক্ষা জগত আজিৰ দৰে নিষ্প্ৰাণ আৰু অৰ্থ-কেন্দ্ৰিক নাছিল। তেতিয়াৰ দিনত এজন ছাত্ৰই জ্ঞানলাভৰ হকে নিজৰ জীৱনটো উছৰ্গা কৰিবলৈ প্ৰেৰণা পাইছিল। গুৰুক শ্ৰদ্ধা আৰু ভক্তি কৰিলেহে জ্ঞানলাভ সম্ভৱ-শ্ৰদ্ধাবান লভতে জ্ঞানম্—এই সংস্কৃত কথাষাৰ আগৰ দিনৰ ছাত্ৰসকলৰ কাৰণে সঁচা আছিল। ছাত্ৰ আৰু শিক্ষাগুৰুৰ পাৰস্পৰিক সম্পৰ্ক আছিল মৰম-চেনেহ আৰু শ্ৰদ্ধাৰে পৰিপূৰ্ণ। সেইবাবে দেখা যায়, অধ্যাপক গোস্বামীদেৱৰ সংক্ষিপ্ত অধ্যাপক জীৱনৰ কালছোৱাত তেখেতে যথাসাধ্য তেখেতৰ বিভাগত এটি শিক্ষাৰ বাতাবৰণ গঢ়ি তুলিব পাৰিছিল। তেখেতৰ ইংৰাজী ভাষণ আছিল শ্ৰুতিমধুৰ আৰু সাহিত্য-গুণ-সম্পন্ন। মই বিভিন্ন মেল-মিটিঙত তেখেতৰ ভাষণ শুনিছোঁ আৰু বিভিন্ন বিষয়ত তেখেতৰ বিশ্লেষণী ভঙ্গীৰ চিনাকি পাই মুগ্ধ হৈছোঁ।

কথাপ্ৰসঙ্গত তেখেতে এদিন মোক কৈছিল, "জানে ৰয়, মই এটি গৱেষণা হাতত লৈছিলোঁ। পিছে ই সম্পূৰ্ণ হৈ নুঠিল।" মই সুধিলোঁ, "আপোনাৰ বিষয়টোনো কি আছিল?" তেখেতৰ উত্তৰ---Transport system of Ancient India মই চক খাই উঠিছিলোঁ। বিষয়টো গতানুগতিক নাছিল, এইটো গৱেষণা সম্পূৰ্ণ হোৱাহেঁতেন আমাৰ বুৰঞ্জীবিদসকলে প্ৰাচীন ভাৰতৰ এটি নতুন দিশৰ সন্ধান পালেহেঁতেন। মই তেখেতক পুনৰ সুধিছিলোঁ—আপুনি এই ক্ষেত্ৰত কিমান দূৰ আগবাঢ়িছিল?"

"মই মাত্ৰ সমলখিনি গোটাব ধৰোঁতেই মোৰ ঘৰখনত কিছুমান আহুকাল আহি পৰিল, যাৰ ফলত, মই চব বাদ দিব লগা হ'ল।"

প্ৰাচীন ভাৰতৰ জীৱনধাৰা সম্পৰ্কে মোৰ এটা আগ্ৰহ আছে, যাক বহুতে nostalgia বুলি ক'ব পাৰে। মনস্তাত্ত্বিক-সকলে হেনো কয়, যিসকল মানুহে অতীতকাল সম্পৰ্কে বেছিকৈ ভাবে, তেওঁলোকে বৰ্তমান সমস্যাৰ পৰা মানসিকভাৱে পলায়ন কৰিব খোজে আৰু এয়া হ'ল এবিধ old-age complex। সঁচা মিছা নেজানোঁ, মই ভাবোঁ, এখন দেশ আৰু ইয়াৰ বুৰঞ্জী অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সমন্বয়ৰ ফল। অতীতক ভালদৰে জানিলেহে ভৱিষ্যতৰ ফালে খোজবিলাক নিশ্চিত আৰু অভ্ৰান্ত হয়। অধ্যাপক গোস্বামীদেৱৰ লগত সেইদিনাই আলোচনা প্ৰসঙ্গত ৰামায়ণ-মহাভাৰতৰ পূৰ্ববৰ্তী আৰু পৰবৰ্তী কালছোৱাত যানবাহন সম্পৰ্কে এটি দীৰ্ঘ আলোচনাত অংশগ্ৰহণ কৰিছিলোঁ। তেখেতে উনুকিয়াইছিল--আগৰ দিনৰ শিবিকা বস্তুটো আছিল ভাৰতবৰ্ষৰ দীৰ্ঘকালস্থায়ী এটি যানবাহন। মাত্ৰ কিছুদিন হ'ল ইয়াৰ বিলুপ্তি ঘটিছে। ক্লাচিক যুগৰ শিবিকাৰ লগত আহোম যুগৰ দোলা বস্তুটো তেখেতে ৰিজাই বিচাৰ কৰিছিল। আগৰ দিনৰ ভাৰতীয় নাওবিলাকৰ লগত তেখেতে ইংলণ্ডৰ নৌকা-গঠন প্ৰণালীটোৰ তুলনা কৰিছিল। এই সূত্ৰত তেখেতে ডক্‌টৰ ৰাধাকুমুদ মুখাৰ্জীৰ বিখ্যাত 'Indian Shipping and Maritime Activities নামৰ গ্ৰন্থখনৰ উল্লেখ কৰিছিল।

বাহিৰা অৰ্থত মানুহজন আধুনিক নাছিল। সাজপোছাক, খোজ-কাটল, কথা-বতৰাত তেখেত আছিল আমাৰ যুগমীয়া

ভাৰত-সংস্কৃতিৰ উত্তৰপুৰুষ। এখন ধুতি আৰু এটা চাৰ্ট, জাৰকালি এটা লং কোট লগত এখন চুৰিয়া--বচ্ এয়ে আছিল মানুহজনৰ পোছাক। এখন ৰং জ্বলি যোৱা চাইকেল আছিল তেখেতৰ নিত্যসঙ্গী। এবাৰ নগাঁৱৰ বৰবজাৰত চোৰে চাই-কেলখন নিলে। তেখেতে আক্ষেপ কৰিছিল, চাইকেলখনৰ দামৰ কথা ভাবি নহয়, পুৰণা বন্ধুৰ লগত বিচ্ছেদ হ'ল ভাবি। ৰাইদঙীয়াত তেখেতৰ ঘৰ। কেইবাবাৰো গৈছোঁ। এবাৰ অধ্যাপক বন্ধু দেৱকুমাৰ শইকীয়াৰ লগত এনেয়ে ওলাই গৈছিলোঁ ফুৰিবলৈ। ঘূৰি ঘূৰি গোস্বামীদেৱৰ ঘৰ পালোঁগৈ। তেখেতে পৰীক্ষাৰ বহী চাই আছিল। বাহিৰৰ ডাঙৰ কোঠাটোত এখন পালেং, বেৰৰ কাষত এখন বেঞ্চ। পালেঙৰ ওপৰত তেখেতৰ বিছনাখন। বেঞ্চখনতে আমি দুয়ো বহিলোঁ। তেখেত অসুস্থ আছিল। ইটো সিটো কথাৰ পিছত তেখেতে ওখ ঘৰটোৰ মূধচৰ ফালে আঙুলিয়াই দেখুৱালে সুধিলে, সৌৱা কিবা দেখি-ছেনে ?

আমি ওপৰৰ ফালে চালো--পাঁচটামান পাৰই ৰুকুৰকাই আছে। তেখেতে মিচিকৈ হাঁহি এটা মাৰি ক'লে, "পাৰকেইটা ইয়াৰ নহয়।" আমি দুয়ো আচৰিত হৈ ক'লোঁ--"ইয়াৰ নহয় মানে ?"

তেখেতৰ উত্তৰ--"এই কেইটা বিক্ৰমপুৰীয়া পাৰ। আমাৰ এইখন ঘৰ সাজিছিল বঙ্গদেশৰ বিক্ৰমপুৰৰ পৰা অহা এদল মিস্ত্ৰিয়ে। লগতে আনিছিল কেইটিমান বাছকবনীয়া পাৰ। তেওঁলোকে খাব বুলিহে আনিছিল। আমাৰ দেউতাই পাৰ-কেইটা কিনি লৈ পুহিছিল। আজিৰ পৰা পঞ্চাশ বছৰমান আগৰ কথা। সেই পাৰকেইটাই বংশবৃদ্ধি কৰি আজি আমাৰ ঘৰখনত ভৰি পৰিছে।"

শইকীয়াই গোস্বামীদেৱক ক'লে--"পাৰৰ মঙহ খাবলৈ মই হলে বৰ ভাল পাওঁ। আমি অইন এদিন আহি---"

ময়ো সমৰ্থন কৰিলোঁ।

গোস্বামীদেৱ চক খাই উঠিল। "কি কয়, ইচ্ ৰাম। এইবিলাক পাৰক পালগোহ দি ইমান বছৰে ঘৰুৱা পোহনীয়া কৰি বঢ়াই তুলিছোঁ--হেৰি, এয়া খাবলৈ নহয়---ইচ্ ইচ্।"

বুজিলোঁ তেখেতে আঘাত পাইছে। আমি দুয়ো ক্ষমা খুজি ক'লোঁ, "ভুল নুবুজিব গোস্বামী--আমি এনেয়ে ধেমালিতে ক'লোঁ।"

কিন্তু আমি সেইদিনা তেখেতৰ মুখলৈ হাঁহি ঘূৰাই আনিব নোৱাৰিলোঁ।

আৰু এদিন।

আমাৰ কলেজৰ এজন প্ৰাক্তন ছাত্ৰৰ বিয়া। ঘৰ ৰাই-দঙীয়াত। আমাক বিয়ালৈ মাতিছে। আমি কলেজৰ পৰা দহজনমানে বিয়াঘৰত দেখা দি উভতি আহোঁতে গোস্বামী ডাঙৰীয়াৰ ঘৰত সোমালোঁ। তেতিয়া গধূলিৰ এন্ধাৰ নামিছে। ৰাইদঙীয়ালৈ তেতিয়া বিজুলী যোৱা নাছিল। আমি গোস্বামী-দেৱৰ বাহিৰা কোঠাটোৰ দুৱাৰমুখত ঠিয় হৈ চিঞৰিলোঁ, "গোস্বামী আছেনে ?"

লাহে লাহে জপাই থোৱা দুৱাৰখন মেল খালে। হাতত লেম এটা লৈ গোস্বামীদেৱ স্বয়ং। তেখেতে লেমটো অলপ দাঙি লৈ প্ৰত্যেকৰ মুখ চালে। লাহে লাহে মুখত হাঁহি বিৰি-ঙিল-- "অ--কথা নাই বতৰা নাই--হঠাতে---।"

আমি বিতংভাবে ক'লোঁ।

তেখেতে যত্নকৈ আমাক বহিব দিলে। পত্নীক মাতি আনি চিনাকি কৰাই দিলে। চাহ খুৱালে। তামোলৰ বটা আগুৱাই দিলে। কিছু সানমিহলি কথা পাতিলে। ইফালে আমাৰ দেৰি হৈছে। ক'লোঁ, "আজি যাওঁ গোস্বামী--বৰ ভাল লাগিল--অইন এদিন আহিম।"

গোস্বামীদেৱে ক'লে--"ব'লক, বাছষ্টেণ্ডলৈকে আপোনালোকক আগুৱাই দিওঁ।

আমি বাধা দিলোঁ।

তেখেতে নেমানিলে-- "ব'লকচোন। এন্ধাৰ বাট। লেমটো দৰকাৰ হ'ব পাৰে। লগত তিৰোতামানুহ আছে।" তেখেত ওলাল। ৰাইদঙীয়া বাছষ্টেণ্ডৰ ওচৰত বহিবলৈ এখন বেঞ্চ আছে। বাঁহৰে বনোৱা। তিৰোতাসকল তাতে বহিল। আমি কেইজনমান ঠিয় হৈ কথা পাতি আছোঁ।

আধা ঘন্টা গ'ল। এঘন্টা গ'ল। বাছ নাহে। গোস্বামী যেন অলপ লজ্জিত। যেন আমাৰ এই অসুবিধাৰ বাবে তেখে-তেই দায়ী। দেড় ঘন্টা গ'ল। তেখেতে আমাক ফিচ্ ফিচাই ক'লে--"ট্ৰাকতে যাওকগৈ নহলে। এইবোৰ--বুইছেনে--বাছৰ কোনো ঠিক নাই। দেশখনৰ কি যে হল, নিয়ম নাই শৃঙ্খলা নাই।"

আমি তেখেতক আশ্বাস দি ক'লোঁ--"আপুনি নেভাবিব। বাছ আহিবই ; তিৰোতাসকল আছে, ট্ৰাকতনো যাম কেনেকৈ ?"

"হয় দিয়ক। এই যানবাহনৰ সমস্যাটো---"বাছ এখন আহিল দুঘন্টা ৰৈ থকাৰ পিছত। প্ৰায় খালি। আমি উঠি বহিলোঁ। ৰাস্তা পাঁচ মাইলহে। বাছত বহি গোস্বামী-দেৱৰ কথাটো ভাবি আছিলোঁ ঃ 'যানবাহনৰ সমস্যা।'

বাৰু তেখেতে প্ৰাচীন ভাৰতৰ যানবাহনৰ বিষয়ে অনু-সন্ধান কৰোঁতে তাহানি দিনৰ সমস্যাবোৰৰ কথাও ভাবিছিল নে ? দোলা বহনকাৰী মানুহবোৰৰ কষ্টৰ কথা ? এশ মাইল পথ অতিক্ৰমকাৰী ঘোঁৰাবোৰৰ শ্ৰমৰ কথা, নাও বাই যোৱা নাৱৰীয়াসকলৰ আমনিৰ কথা ?

আচলতে এইখন পৃথিৱীত সকলো গতিবিধিয়েই সমস্যা-সঙ্কুল। একমাত্ৰ ইহকালৰ পৰা পৰকাললৈ যাওঁতে যান-বাহনৰ কোনো সমস্যা নাই। স্বৰ্গীয় গোস্বামীদেৱে সেইখিনি বাট নিশ্চয় বিনা কষ্টে পাৰ হৈছিল।

০০

# ইতিহাসৰ গৰকা এডিপি কলেজ

### উপেন্দ্ৰনাথ বৰা

ঐ দেৰী কৰিলি কিয় ? "হা বাবু, পানী খুব জোৰচে গিৰ পৰা। আভি থোৰা কাম হোৱা, তব্‌ভি ভিজ্ ভিজ্ কৰ লায়া' হমি না চোচা থা ইয়া আপটো কপড়াকি লিয়ে ভেজি থী।" বহুত আবেৰ হুৱা ? "ঠিক আছে ৰিক্সাখন সেই ফালে ৰাখ আৰু হামাৰা সাথ আও।" যেনে মালিক, তেনে চালক। লগতে আহিল ঘৰুৱা ৰিক্সাৱালা বিশ্বেশ্বৰ মহতু।

হেৰৌ বিদ্যা, গোপাল কি কৰিছ ? থানকেইটা তিতিছে। কাতিৰাম-গোবিনহঁতক লৈ গেটত কাপোৰখিনি লগা। গজাল এইয়া। তক্তা কেইচটামান লাগিব ? মই ইয়াৰ সৈতে বঙালী স্কুলৰ পৰা লৈ আহোগৈ।

এদমকৈ জাপি থোৱা বঙালী হাইস্কুলৰ ব্যৱহৃত তক্তাৰ এচটা টান মাৰেঁাতেই বিশ্বেশ্বৰে চিঞৰি উঠিল "দেখ দেখ বাবু, এ ক্যা হোৱা। আপটো ওপৰমে যানেকা কাম ঠিক নহী কিয়া। কামিজভি টুটী খুনভি নিকলা ইয়েটো নেহী হোনা চাহীয়ে।

"ঠিক আছে ইলাজ হোগা পিছে, লে তুম দো আওৰ। মই ভী দুথু লে লিয়া।"

কাঠ আহিল, গেট আৰম্ভ হ'ল। বৰষুণ বুলি ব'লে নহব, সকলো অনা হ'ল। হেৰৌ বিদ্যা, আমাৰ সেই দস্তালি মৰা মিঃ অনেশ্বৰ-আনন্দ ক'লৈ গ'ল ? সিহঁতকো মাত, সকলোবোৰ লেঠা শেষ কৰ। নেৰাখিবি।

সৌৱা গোস্বামীদেৱ (শ্ৰীযুক্ত কুশদেৱ গোস্বামী' এডভোকেট) আহিলেই, জজ চাহাবো (শ্ৰীযুক্ত বিশ্বদেৱ শৰ্মা) আহেহে ল াগে।

ঠিক এনেদৰে আৰম্ভ হ'ল পৰৱৰ্তীকালৰ এখন ঐতিহ্য মণ্ডিত কলেজৰ প্ৰথম সূচনাৰে পৱিত্ৰ দিৱসটোৰ এটা অনাড়ম্বৰ প্ৰস্তুতি --য'ত আমি বা অন্যান্য সচেতন নাগৰিক কিয় আনকি সুদূৰৰ পৰা অহা ৰিক্সাৱালাকেইটা ঠিক একে ধৰণৰে সচেতন বা কম পৰিমাণে হ'লেও আন্তৰিকতাৰে দায়বদ্ধ।

আৰম্ভণীৰ সকলো যোগাৰ হ'ল। ইং সাত চেপ্তেম্বৰ (২১ ভাদ) বগা থান কাপোৰৰ গেট, বহুলোকৰ প্ৰৱেশ ঘটিল।

শুভ্ৰ-জোৎস্না পুলকিত যামিনীম্ হোৱাৰ দৰে পিঠিৰ ওপৰেদি গজাল সোমাই ফলা শুভ্ৰ চোলাত ৰক্তৰ জোৎস্না প্ৰতিফলন হ'ল যদিও তালৈ পাহৰিলোঁ। যামিনীৰ দৰেই পুলকিত হ'লোঁ। অভ্যাগতসকলৰ অভ্যৰ্থনাৰ যা-যো কৰাত ব্যস্ত হ'লোঁ। সোমবাৰ। পাঁচ বাজি গ'ল। ব বৰষুণ দিয়াই নহয় গাজনিও মাৰিছে। এন্ধাৰো সোনক আগুৱাইছে, ওচৰতে থকা শ্ৰীহৰি কলিতা দোকানীয়ে তে দোকানৰ মেণ্টেল লাইটটো দিয়াত এন্ধাৰ আঁতৰিল। শ্ৰী ৰবায়ো কেইডালমান মম আনি জ্বলাই দিলে। বিভিন্ন ক বন্ধুসব লাগি গ'ল। সভাৰ কাম সুকলমেই পাৰ হ'ল

স্কুলীয়া জীৱনৰ দেওনা পাৰ হোৱাৰ পিছৰ পৰাই ক শব্দই মোৰ দৰে বহুতকেই আশান্বিত কৰিছিল। আ সেই সাঁচি থোৱা ঈৰ্ষাৰ হাৰণ পূৰাবলৈ আজি ইং ৭৷৯ তাৰিখে নগাঁও জিলাৰ চেচন্ জজ মহোদয়ৰ সভাপতি হোৱা উদ্বোধনী দিৱসত একত্ৰিত আৰু প্ৰতিজ্ঞাবদ্ধ হ'লে কলেজ হ'বই, আমি পতিমেই আৰু গঢ়িমেই।

নগাঁও ডচন হাইস্কুল আছিল বৰ্তমান নগাঁও কলেজ জন্মস্থান। তাহানি নগাঁও কলেজক "মেটোৰপাট্ৰি কলে বুলিহে নগাঁৱত এখন কলেজ থকাৰ কথা সদৰি হৈছি এই কলেজত নৈশ ভাগত কলা শাখা নাছিল ; পাছলৈ বাণিজ্য শাখা প্ৰৱৰ্তন হ'ল। ৰাতিৰ ভাগত ক'লা বিত্ত শিক্ষাৰ চহৰৰ একমাত্ৰ আনন্দৰাম ঢেকিয়ালফুকন কলে পাতনি মেলে এইখন স্কুলতে। যদিও প্ৰথম ছোৱাত এই কলেজ নগাঁও নৈশ কলেজ বুলি কোৱা হৈছিল, ১৯৫৯ চনত অ সাহিত্য সভাৰ অধিবেশন নগাঁৱত অনুষ্ঠিত হোৱাৰ কিছু আগতেই এই নৈশ কলেজৰ নামকৰণ "আনন্দৰাম ঢেকি ফুকন" কলেজ হ'বৰ কাৰণে স্থিৰ কৰা হয় আৰু সাহি সভাতেই উক্ত নামকৰণৰ সাৰ্থকতা লাভ কৰে। চমুকৈ হ'ল এ, ডি, পি, (A.D.P.)। এই প্ৰসংগত বহুলোকে A আদহী -D- ডেকাই -P- পঢ়া Collge বুলি বিৰূপ মন্তব্য কৰি ছিল। এনে মন্তব্যই আমাক আদহীয়া ভাবৰ পৰা ল'ৰা ভাবলৈহে আনিছিল। আমাৰ উদ্যম, পঢ়াৰ ধাউতি আ কলেজৰ সৰ্বাঙ্গীন উন্নতিয়েই আছিল আমাৰ প্ৰতিজনৰ মানসি একাগ্ৰতা।

আউনিআটি, ৰহা, মাজত নগাঁও। জীয়েকে দিব মেট্ৰি পিতাকৰ বিকৃতি A.D.P. । "দাদা, আজি কিছু দেৰি হ'ল। উত্তৰ "চাইকেলৰ পাম কমাত বেছি স্পিদ দিব পৰা নাই এতিয়া চৈধ্য মাইল আহিলোঁ, আকৌ দহ মাইল যাবই লাগিব কলেজ ছুটীৰ পাছত দোকান পাওঁনে নাপাওঁ" যন্ত্ৰৰ দ পৰিচালিত সেইজন সাংসাৰিকৰ কলেজৰ ধাউতি।--- যন্ত্ৰ দৰে পৰিচালিত দাদাৰ কলেজ পাছ কৰাৰ পৰিণাম ঘৰ থকাখুন্দা। বাপেকে মিঠাই খুৱাবনে এতিয়া জীয়েকে মিঠা খুৱাব ? সমাধান ক'ত ? সমাধানৰ মাধ্যম দাদাৰ সেই ৰেলি চাৰ্কেলখন। শ্ৰীহৰকান্ত গায়ন বয়সীয়া ছাতৰৰ মাজত একেবাৰে আগশাৰীৰ। তেখেতৰ দৈনন্দিন আঠ চল্লিশ মাইল বাটত চকৰি ঘূৰোৱা আৰু কলেজত শিক্ষাৰে জিৰণি লোৱাৰ কাৰ্য বাকী সকলোকে যথেষ্ট প্ৰেৰণা দিছিল।

আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ প্ৰথম তদৰ্থ (Adhoc) সমিতিৰ সভাপতি লোকসেৱক হলধৰ ভুঞা দেৱ আছিল। সেই সময়ত বাবত নাথাকিলেও প্ৰাক্তন এম, এল, এ চামচুল হুদাই মোৰ আৰু বন্ধুসকলৰ কলেজ গঢ়া ক্ষেত্ৰত সহায় আৰু অৰিহনা যোগাইছিল। যুটীয়া সম্পাদক শ্ৰীকুশদেৱ গোস্বামী আৰু শ্ৰীএম, আতাউৰ ৰহমান (উভয়েই এডভোকেট) উভয়েই কলেজখনৰ আৰম্ভণিত সৰ্বতোভাৱে সহযোগ কৰিছিল।

তকলা বাকৰিত ঘাঁহ গজোৱাৰ প্ৰচেষ্টাৰে আমাৰ ছাত্ৰ সকলৰ তৰফৰ পৰাই কলেজৰ হিচাপ-পত্ৰ, নাম-ভৰ্তিকৰণ আদি কামবোৰ চলাবৰ কাৰণে একো একো জনক পাল পাতি কেৰাণীগিৰি কৰিবলৈ দিয়া হৈছিল; তৎ অধিক-পিয়নগিৰিও আমাৰ মাজতেই আছিল।

নগাঁও কলেজৰ আঠ ন জন মান অধ্যাপকে যৎসামান্য জল-পানিৰে শিক্ষাৰ পৰিৱেশ এনেদৰে গঢ়িলেযে সেই কথা মই আজিও অনুভৱ কৰোঁ তেখেতসকলৰ শিক্ষদানৰ বিনিময়তেই কলেজখনিৰো তকলা বাকৰিত ঘাঁহ গজা জীপ সঞ্চাৰ হ'ল।

* * *

দিন পাৰ হ'ল হয়, আকৌ লেঠা ·· ·· ··

"কলেজ বুলিলেই কলেজ এখন হয়? তোমালোকে কি ভাবিছা? বুইচা বোপা, নাচোৰ গতি হ'ব লাগিব তেতিয়াহে!" কথাষাৰ কৈ অধ্যক্ষ মহোদয়ে মোলৈ বৰ সকৰুণভাৱে চালে। মই পলমকৈ সুধিলো, কি হ'ল ছাৰ, কিবা ঘটনা হ'লনেকি?

"বাজপেয়ী প্ৰফেচৰৰ ঘৈণীয়েকৰ অসুখ! হয় টকা লাগে, নহয় বাজপেয়ী নিজে যাবগৈ লাগে। টেলিগ্ৰাম আহিছে কি কৰা?"

"ফাণ্ডত মুঠতে ১৪৭ টকাহে আছে, দিলে লেঠাই মৰিব।"

"নহয় ছাৰ, বাজপেয়ীয়ে Course শেষ কৰা নাই, পৰী-ক্ষাও ওচৰ চাপিছে গলে সৰ্বনাশ।" "অ' টকা T.M.O. কৰিব পাৰিলে মই পাছত যাবলৈ মনাব পাৰিম।"

হব ছাৰ! অতি সংগোপনে ৰাতিয়েই নিজৰ ববীয়াকৈ সমাধা কৰিলোঁ। তিনিখিলা T.M.O. ৰ খৰচ সুকীয়া। আজিও সংগোপনেই ৰ'ল যদিও অধ্যক্ষদেৱে ফাণ্ডলৈ বাট চাইছিল।

যাহওক লেঠা মিট্‌মাট্‌ হল। Julius Caesar দ্ৰামাও অন্ত পৰিল। এইজনা অধ্যাপকে ঘৰুৱা বিপদৰ প্ৰতি আও-কাণ কৰিও কলেজৰ প্ৰতি দৰ্শোৱা আহি স্মৰণীয়।

কাক ক'ম কোনে পতিয়াব? মোৰ গাত চেণ্ডা তেল পৰাৰ দৰে প্ৰায়েই উফৰি ফুৰিব লগা হয়। সময় নাই, লাইটৰ মেণ্টেলহে ছিগিল, তেলহে নাই, বতাহত তিৰ্‌পালখনহে এৰাই গ'ল, বান্ধিবলৈ ৰচি নাই--কিমান শুনিম। গেলাতে টেঙা দিয়া কেইজনমানো নথকা নহয়--ভেঁকাহি মাৰে।

"ইউনিয়ন চেক্ৰেটেৰী--পাচোন, মজাপালি পা"। পালোঁ অৱশ্যেই, জোলোকা জোলকে ভুগিলোও। সৰস্বতী পূজা কলেজ উদ্বোধনীৰ চাবি মাহৰ পাছতেই। বন্ধুবৰ্গই চান্দা গোটাই দিলে। প্ৰতিমাখনলৈকো সেই ধনে নুজুৰিলে। খোৱাই খালে, আনন্দ কৰাই আনন্দ কৰিলে হয়--মোৰ ভাগত সেই জোলোকা কম নপৰিছিল। লক্ষ্মীপূজা কৰাহে ভাল আছিলনেকি? কাৰণ আজিৰ দিনত ভেকাহি মৰা শুনোঁ--ইউনিয়ন চেক্ৰেটেৰী বাঃ "খা--যিমান পাৰ, সিমান খা"।

* * *

আনন্দৰাম ঢেকিয়াল ফুকন কলেজক কলেজ বুলি কোৱাতকৈ এখন আশ্ৰম বুলি কোৱাৰো থল আছিল। গুৰু আৰু শিষ্যৰ প্ৰীতিভাৱ এনে প্ৰকট আৰু অভিন্ন সি বৰ্ণনাতীত। পূজা-পাৰ্বন তিথিসমূহ, ফতেহা-দোৱাজ-ই দাহাম আৰু আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতি দিৱস আদি পালনৰ কোনো ব্যতিক্ৰম নহৈছিল। সাংস্কৃতিক দিশত আহিমূলকভাৱে ছাত্ৰ সমাজে ভাওনা কৰিও কলেজৰ মানদণ্ড আগুৱাবলৈ সক্ষম হৈছিল।

"দেশ তৰিলে তৰিবা, দেশ মৰিলে মৰিবা"

১৯৬০ চনৰ ১৬ জুন তাৰিখে অধ্যক্ষ মহোদয়ৰ সভা-পতিত্বত "আনন্দৰাম ঢেকিয়াল ফুকন"ৰ স্মৃতি-দিৱস পালন কৰা হয়। ২২ জুনৰ দিনা অধ্যক্ষ মহোদয়ে কলে, "খবৰ কাগজ পঢ়িছানে?" "হয় ছাৰ এই কেইদিন বিশেষভাৱে নাজানোঁ" উত্তৰ দিলো। খোৰতে তেখেতে ক'লে, "চৰকাৰৰ মাহী আইৰ মৰম বিচাৰিলে পাবা।"

কথাষাৰ উপলব্ধি কৰিবলৈ মোৰ কিছু সময় লাগিল যদিও বেছি পলম নহ'ল। ইতিমধ্যে অসমত গঢ়ি উঠা ৰাজ্যিক ভাষা আন্দোলনে চূড়ান্ত অৱস্থালৈ আহিছে--অসমৰ প্ৰায়বোৰ কলেজে মাৰ বান্ধিছে--আমিনো কিয় হুহকিম? এনে ভাবৰেই সমূহ ছাত্ৰৰ অনুমতি আৰু সহানুভূতিৰে সচেতন হলোঁ। অসমৰ সেই সময়ৰ দহখন স্বীকৃতিপ্ৰাপ্ত কলেজৰ লগতে আনন্দৰাম ঢেকিয়ালফুকন কলেজেও যোগদান কৰিবলৈ সক্ষম হ'ল। A. A. I. C. S. U. (All Assam Inter College Students Union)ৰ সম্পাদকৰ লগত আন দহ জন সম্পাদকে প্ৰধানমন্ত্ৰী স্বৰ্গীয় জৱাহৰলাল নেহৰুলৈ উক্ত আন্দোলনৰ বাবদ "ভাষা জননী"ৰ স্বীকৃতি দিবলৈ দাবী জনালোঁ। প্ৰসঙ্গতে জনাই থওঁ যে সেই চনত ২৩ মে তাৰিখে অসমৰ ৰাজধানী চিলং নগৰত কিছুমান ভগনীয়া বঙালী লোকে "Assamese is a donkey languae" বুলি দিয়া শ্লগানৰ আৰু তেনেকুৱা Play Card বাহিৰ কৰাৰ বিৰুদ্ধাচৰণ কৰা, প্ৰতিবাদ দিৱস পতা আৰু উচিত দণ্ডৰ বাবে প্ৰধান-মন্ত্ৰীলৈ জনোৱা কাৰ্যত আমাৰ কলেজহে অগ্ৰজ হৈছিল, যদিওবা আন কলেজসমূহো একগোট হৈছিল। "আনন্দৰাম ঢেকিয়াল ফুকন"ৰ স্মৃতি জীয়াই ৰখাৰ ইও এক পন্থা। কৰ্তব্যৰ জৰিয়তে কলেজলৈ অনা সুনামেহে আমাক গোহৰাই তুলিব। এই বিশ্বাসতেই কলেজক সাঙুৰি লওঁ মহৎ উদ্দেশ্যেৰে।

অসম মন্ত্ৰী সভাৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলাপ্ৰসাদ চলিহা। শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাদেৱ। ১৯৬০ চনৰ ৪ জুলাইত ভাষা আন্দোলনৰ প্ৰথম চৰকাৰী বলি হল--কটন কলেজ হোষ্টেলৰ ৰঞ্জিৎ বৰপূজাৰী, দুৰ্য়ত্তৰ হাতত শিলিগুৰিত সূৰ্য

বৰা, নগাঁৱত নিশ্বাস পেলালে ডচন হাই স্কুলৰ ছাত্ৰ মফিজুদ্দিন আহম্মদে।

কোন শুই থাকিব পাৰে? জাগৰণ হল ছাত্ৰৰ-ৰাইজৰ। বহু অঘটন ঘটিল। লগতে প্ৰকৃতিয়েও বিপদ মাতিলে কেউফালে। বানপানী নিজৰ হল নিজেই কাঢ়িব লাগিব। ক্ষতিগ্ৰস্ত ৰাইজৰ প্ৰতি সৰ্বতোভাৱে ছাত্ৰ সমাজেও খাটিলে। আমিও ছাত্ৰ আৰু সমাজৰে এজনহে।

পিছে বিপদে পাছ নেৰাৰ দৰে মই জিৰণিলৈ বাট চাই ডেৰ বছৰৰ পাছলৈ ৰওঁতেই সেই সময়তে বাৰে বিংকৰা কথা কোৱা লোকবোৰ খেদা খাই আতঙ্কিত হৈ বেছিভাগেই নগাঁও পালেহি--না বুজো ভাষা, না বুজো ভাব--ওকোটা-ওকোটা গন্ধ সিহঁতৰ শৰীৰৰ। যাহওক "চীনা আক্ৰমণৰ" শৰণাগতাঃ যেতিয়া পালকস্য হি নিবৃতিঃ অতএব।

* * *

চৰকাৰৰ তৰফৰপৰা আহাৰ-পাতি ভগনীয়া লোকসকললৈ যোগান ধৰাহে হ'ল--সকলো ধৰণৰ শুশ্ৰূষা ছাত্ৰ সমাজেই কৰিলে। চহৰৰ মজিয়াত থকা আটাইকেউখন কলেজ-স্কুলৰ পৰা স্বেচ্ছাসেৱক-বাহিনী গঠন হল। গঢ়ি উঠিল "সদৌ অসম চীনা আক্ৰমণ প্ৰতিৰোধ" সমিতি। স্কুল-কলেজসমূহত শিবিৰ পাতি ফিতাহি মাৰি থাই পাছত গ'লগৈ। আমিও স্বস্তি অনুভৱ কৰিলোঁ।

১৯৬২ চন পাৰ হোৱাৰ লগে লগে কলেজৰ নৱাগতসকলক দায়িত্ব অৰ্পণ কৰাৰ সুযোগ পালো--কিন্তু এই সুযোগে মোক নুগুজিলে। ছাত্ৰসমাজত ৰাজনীতিৰ বীজ, অঁৰিয়াঅৰি, ইখন কলেজে আনখন কলেজক ভাল নোপোৱা আদি দেখি শুনি কেইবাজনো শিক্ষাবিদ অধ্যক্ষ মহোদয় আৰু সেই সময়ৰ দুই এজন মেধাৱী ছাত্ৰৰ লগত আলচ কৰিলোঁ।

জিলাখনৰ বিভিন্ন স্কুলসমূহৰ প্ৰতিনিধি আমন্ত্ৰণ কৰা হ'ল। কলেজ চাৰিওখনৰ সৰহ সংখ্যক ছাত্ৰই যোগ দিলে। ১৯৬৩ চনৰ ২৭ জানুৱাৰী তাৰিখে ছাত্ৰসকলৰ সাধাৰণ সভা বহিল। ৰচিত কৰা খচৰা সংবিধান গৃহীত হল। বিলুপ্তিৰ গৰ্ভৰ পৰা মুক্ত হল নগাঁও জিলাত নৱগঠিত "নগাঁও জিলা ছাত্ৰ পৰিষদ" "Nowgong District Students' Union"। আটায়ে সংকল্প ললে ছাত্ৰসমাজক সুপথে পৰিচালিত কৰাৰ আৰু এখন জিলা ছাত্ৰ পৰিষদৰ অধিবেশন পতাৰ।

এই ক্ষেত্ৰত ঢেকিয়ালফুকন কলেজৰ ভালেমান ছাত্ৰৰ ভিতৰত সৰ্বশ্ৰী ললিত হাজৰিকা, নেত্ৰ বৰা, হেম ৰাজখোৱা, ললিত শৰ্মা, হৰেন দাধৰা, আনন্দ বৰা, পদ্ম বৰা, অনন্ত সত্ৰা-পণ্ডিত, কৃষ্ণ শৰ্মা, গোপী কাকতি, তক্ষেশ্বৰ বৰা, পুলিন বৰ-কটকী, নগেন কটকী, কুমুদ দাস, ক্ষীৰ বৰা, অনেশ্বৰ শইকীয়া, হৰ গায়ন, শৰৎ বৰুৱা আৰু ৰোহিণী বৰা; নগাঁও কলেজৰ সৰ্বশ্ৰী ভদ্ৰ বৰা, শ্ৰীমতী পঙ্কজা শইকীয়া, ইভা গোহাঁই, খুৰচিদ আৰা বেগম, ক্ষীৰ বৰা, ক্ষেম বৰা, জ্ঞান বৰুৱা, অনিল গোস্বামী, দৰ্প গগৈ, স্বপন গুপ্ত, থাকুৰলাল মোডি, পলিটেকনিকৰ সৰ্বশ্ৰী সোভন চন্দ্ৰ দেবনাথ, জীৱন শইকীয়া, ৰবীন গায়ন, বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তী আদিৰ উপৰিও লালচান্দ টোডী কলেজৰ শ্ৰীমতী হেমলতা দেৱী, প্ৰতিমা বৰা, উপমা বৰা, মৃণালিনী শইকীয়া, মৃদুলা শৰ্মা, নিলিমা দাস, মীনা শৰ্মা, মনু বৰুৱা আৰু নীতি বৰদলৈৰ একাণপতীয়া পৰিশ্ৰম আৰু ত্যাগ লেখত লবলগীয়া।

উঠি অহা ভাতৃবৎ নুমলীয়া--নগাঁও চৰকাৰী হাইস্কুলৰ ছাত্ৰ সৰ্বশ্ৰী ৰবীনচন্দ্ৰ ডেকা, অতুল বৰা, শিব কলিতা, প্ৰদীপ চন্দ্ৰ অধিকাৰী, বিমল দাস আদি কেইবাজনো, হয়বৰ গাঁও হাইস্কুলৰ তেতিয়াৰ ছাত্ৰ পবন বৰা, প্ৰভাত শইকীয়া, ৰবীন মুদৈ, কমল বৰা, ডচন হাই স্কুলৰ সৰ্বশ্ৰী আনন্দমোহন বৰা, গুণেশ্বৰ বৰা, লক্ষ্মীপ্ৰসাদ দত্ত, লয়ৰাম বৰাৰ উপৰিও দহ মাইল দূৰৰ জুৰীয়া হাইস্কুলৰ সৰ্বশ্ৰী দেবকান্ত নাথ, পুষ্পকান্ত হাজৰিকা, লুটফুৰ ৰহমান, হেমকান্ত বৰুৱা, প্ৰণতি কটকী, তিলু বৰা, চম্পা ভূঞা আদিৰ অক্লান্ত শ্ৰমদানে সেই সময়ৰ ছাত্ৰসমাজৰ ঐক্যৰ দোল কটকটীয়া কৰি তুলিছিল।

কিবা এটা সোধপোচ কৰিম বুলি অধ্যক্ষ মহোদয়ৰ ঘৰলৈকে গলোঁ। চাইকেলখন থৈ দুৱাৰমুখত থিয় হৈছোঁহে "বপাই দুখ নিকাৰ অপাৰ, গাটোও ভাল নহয়, এগোহালি গৰু, গাখীৰ খাওঁ, গুৱালৰ পানী" "ভুঁজিবই লাগিব"--কোৱাচোন বাৰিষানো এইখন কি পাতিব বিচাৰিছা?" মহোদয়ে সুধিলে। ময়ো থিতাতে কলো, "মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু দুই এজনক অনাৰ কথা ভাবিছোঁ--পিছে আপোনাৰ সেই কথাটোৰ কিবা সন্দেহ পা---" আধাথিনি কথা থাকোঁতেই হোঃ বুলি কৈ খঙৰ ভমকত দপদপাই ভিতৰলৈ সোমাই গ'ল--ভিতৰত ঘটংকৈ শব্দ কৰিলে। ময়ো ভয় খালোঁ কিবা অঘটন ঘটিছে বুলি। থিয় দি থকা অৱস্থাতে মই নিজক সংযত কৰিবলৈ বেৰৰ ছবি কেইখনলৈ চকু ৰাখিলোঁ।

"হেৰা বোপাই--এইখন চোৱা" বুলি কৈ এটা খামুচিয়া বাঁহৰ প্ৰায় ১৬" ইঞ্চিমান দীঘল চুঙাৰ ভিতৰৰ পৰা খণ্ড খুলি নিজৰ চাৰ্টিফিকেটখন উলিয়াই দিলে। ময়ো ভয়ে ভয়ে চকু ফুৰালো, বিশেষকৈ কেউকাষে দিয়া ফুলাম বৰ্ডাৰ (Boarder) টোতহে চকু ফুৰালো। গৰজি উঠিল--"মোৰ চাৰ্টিফিকেট বিচাৰে? চাৰ্টিফিকেট বিচাৰিবৰ সিহঁতৰ অধিকাৰ ক'ত?" বুইজা "মন্ত্ৰীবোৰ এৰা, Vice-chancellor অক অনাৰ ব্যৱস্থা কৰা। নিজে যোৱা। He is the fit person, man of Education"। হব ছাৰ! উভতি চাইকেলখনত জাপ দিলো। নিজকে পাতল যেন লাগিল। আশ্বস্ত হলো।

"কলেও আয়ে কিল খায়--নকলেও বোপায়ে চুৱাতে খায়।" সমস্যা আওপকীয়া। এহাতে উৎকট গৰম, আনহাতে বানপানীয়ে আজি বোলে বোকাখাত, কালি বোলে ধৰমতুলত ৰাস্তা চিঙো চিঙো। চিন্তা কৰি ঠিক কৰিলো যদি অহাৰ সিদ্ধান্ত হয় তেন্তে ৰাস্তা চিঙিলেও আনিমেই। এইবুলি আকৌ ভাবিলো "নিজে যোৱা" কথাষাৰ। বন্ধু ৰোহিণী বৰা প্ৰমুখ্যে কেইবাজনৰে সৈতে জালুকবাৰী পালোগৈ। বাটে বাটে আমি আলচিলো--মন্ত্ৰীসকল অহাটো final। বাকী সকলো মিছা হ'ব

যদিহে Vice-chancellor ক অহাটো কৰিব নোৱাৰো। পেটে পেটে ভগৱানৰ নামো নোলোৱাকৈ থকা নাছিলো "যেন অহাতো হওক।"

উপাচাৰ্য্যৰ বাসভৱনত আমি হাজিৰ। প্ৰহৰীৰ পৰা জানিব পাৰিলো উপাচাৰ্য্য মহোদয় বাহিৰলৈ গৈছে, অলপ পাছত আহিব। আমি কেইজনে আলচ কৰিলো, "এই সোণালী সুযোগ" বে'ল (Bell) টিপি দিলো। ওখ গৌৰ বৰ্ণৰ বিলাতী চেহেৰাৰ মানুহগৰাকীয়ে দুৱাৰখন খুলি আমাৰ ফালে চালে। আমি বুজি উঠিলো তেখেতেই উপাচাৰ্য্যৰ সহধৰ্মিণী। প্ৰশ্ন কৰিলে, "ক'ৰ পৰা আহিছে।" "গুড্ মৰ্ণিং মেডাম, উই আৰ ফ্ৰম নগাঁও।" "থেংকিউ, চিট ডাউন প্লিজ"। আমি গৰম অনুভৱ কৰা বুজি পাই মেডামে কলে, "ইউ লাইক চৰ্বত?" "ইয়েচ মেডাম।" নিজ হাতেৰেই চৰবত তৈয়াৰ কৰি আনি প্ৰতিজনকে একো একো গিলাচকৈ দিলে। ওচৰতে থকা চকী এখনত বহি কলে, "হি উইল টাৰ্ন আপ চুন, এনিথিং মে---"।

ঘপহকৈ মগজুত খেলালে আইক ধৰিলেহে বোপায়ে বল দিব। তুৰন্তে কৈ দিলো "উই হ্যাভ্ কাম্ টু ইনভাইট ইউ।" "হোৱাট ফৰ।" "হয় মেডাম, আমি ষ্টুডেন্ট এচ্‌চিয়েনৰ পাতিছো 'কন্‌ফাৰেন্স'। আপুনি আৰু ভাইচ চেঞ্চেলৰ চাহাবক চীফ গেষ্ট কৰি ৰাখিছো। যাব লাগিব।" (আমি ইজনে সিজনে চকুৰে চকুৰে কথা পাতি বুজিলো যে এই সোণালী সুযোগতেই আমাৰ কাম হাছিল কৰিব লাগিব।) ইউ হেভ্ নট্ চিন্ নগাঁও চ' ফাৰ আই থিঙ্ক! 'ন', হাও মেনি ডিচ্‌টেন্স? উত্তৰ-- চেভেন্টিফাইভ মাইলচ্। আপুনি আৰু চাহাব যাব লাগিব বুলি কোৱাত মূৰ দুপিয়ালে। ময়ো ইতস্ততঃ নকৰি কলো--ইফ্ ইউ ডু নট মাইণ্ড উই উইল্ এৰেঞ্জ ইউৰ গয়িং। তেখেতে সুধিলে "এতিয়া ফ্লাড আছে, কমিউনিকেচন কাট অফ্ আছে, কাৰটো (car) কি ৰকম পাচ (pass) হ'ব।" আমিও কম নহয়। লগে লগেই কলো ৰাস্তা বন্ধ থাকিলে নাও ঠিক ৰাখিছো। "নাও"। হয় মেডেম, নাও মানে ব'ট (Boat) এৰেঞ্জ কৰিম। ইয়েছ ভেৰি প্লেজাৰ জাৰ্ণি বুলি কৈ বৰ আনন্দিত হোৱা যেন লাগিছিল। ঘড়ীটো চাই তেখেতে কলে "থাকিব"। দুৱাৰমুখলৈ উঠি গৈ আমাৰ পিনে ঘূৰি চাই জনালে "হি ইজ কামিং"। উপাচাৰ্য্য মহোদয়ে ভিতৰ সোমাই ওচৰৰে এখন চকীত বহিল। আমিও গুড মৰ্ণিং দিয়া কাম ইতিমধ্যে সমাপ্ত কৰি ললো।

উপাচাৰ্য্য মহোদয়ে তেখেতৰ সহধৰ্মিণীৰ লগত নিজা ঠাচত কথা পাতিলে। লগে লগে ভিতৰলৈ ডঃ টেইলৰ (উপাচাৰ্য্য) সোমাই হাতত ডায়েৰী এখন লৈ আহি সুধিলে ডেইট? কলো-- টু (two) দেইজ প্ৰগ্ৰেইম। আপুনি টুৱেন্টিফৰ্থত যাব লাগিব, লগতে মেডেম। তেখেতে ডায়েৰীত লিখি লৈ সুধিলে ইউ ন (know) ফ্লাড পজিচন, কোনো কথা নাই আমি ফ্লাডত গাড়ী নগলে বট '(boat) দি নিম। উত্তৰ দিলে-- "ফাইন "যাব"।, এই বুলি কোৱাৰ লগে লগে শ্ৰীমতী টেইলৰৰ মুখত মিচিকিয়া হাঁহি বিৰিঙিলে। (সম্ভৱতঃ আমি নাৱত তুলিম বুলি কোৱা আৰু তেনে যাত্ৰা আনন্দকৰ হব বুলি উৎফুল্ল হৈছিল আৰু উপাচাৰ্য্যই নিৰ্বিবাদে তেখেতৰ লগত মত দিয়াৰ কাৰণ হব পাৰে।)

আমিও পুনৰ "ফিক্স ডেইট"ত এচকৰ্ট কৰিমহি বুলি কৈ গুডবাই জনালোঁ। আমি কেইজনে কিন্তু ইজনে সিজনক গুড-বাই দিব নোৱাৰাত পৰিলো কিয়নো কেইজনমানে জালুকবাৰী এৰি গুৱাহাটী পোৱাৰ লগে লগে থকৰ ভমকত পকেটবোৰক গুডবাই দি পেলালে। ময়ো এৰি অহা বিধৰ নহয়, কেইজনকে লৈ কৈছিলো গুৱাহাটী - গুডবাই।

* * *

১৯৬৩ চন ইং ২৪ জুন মুকলি অধিবেশনত পৌৰোহিত্য কৰিলে শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাদেৱে। সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিলে বিত্তমন্ত্ৰী শ্ৰীকামাখ্যাপ্ৰসাদ ত্ৰিপাঠীদেৱে আৰু বিশিষ্ট অতিথিৰ আসনত উপাচাৰ্য্য ডঃ জন হেৰল্ড টেইলৰ আৰু তেখেতৰ সহধৰ্মিণী মেঃ হেৰল্ড টেইলৰ। উভতি যাবৰ বিদায় সম্ভাষণত শ্ৰীমতী টেইলৰ নগাঁৱলৈ আনোঁতে নাৱত অহা আনন্দৰ কথা শলাগিলে। আমিও তেখেতৰ হাবিয়াস পূৰণ কৰিব পাৰি ধন্য হলো।

* * *

প্ৰাসঙ্গিক হিচাপে উনুকিয়াব খোজো যে আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ অধ্যক্ষ মহোদয়ে উক্ত অধিবেশনৰ কৃতকাৰ্য্যতা আৰু নিয়ম শৃংখলাত অপাৰ আনন্দ লাভ কৰে আৰু থোৰতে কৈছিল, "মোৰ বুকু ডাঠ। পাৰা যদি ইউনিভাৰচিটিৰ অহা বছৰৰ খেলাধূলা সকলোখিনি আমাৰ ইয়ালৈ দাঙি আনিব নোৱাৰিবনে?"

শুনিহে থলো--নিমাত মই। সুধিলে কলৈ যাবা। উত্তৰ দিলো--"হাই ছাৰক" লগ পাবলৈ। "আহো ছাৰ।"

* * *

আঁতিগুৰি নমবাৰৈয়ে "আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ ছাত্ৰ সমাজে দৃঢ়ভাৱে কবলৈ বুলি অকণমান আঁত উলিয়াই নিদিলে মোৰ লেখনীত চেকা ৰোৱা যেন হ'ব।

ইতিহাসৰ গুৰু-শিষ্যৰ সমন্বয় থকা কালৰ পাছত শিক্ষাৰ ক্ৰমবিকাশ হয়। ক্ৰমবিকাশ অকল শিক্ষাৰ ক্ষেত্ৰতে আবদ্ধ নাথাকি কাৰিকৰী, মনোবিকাশ, সাংস্কৃতিক, প্ৰাণীবিদ্যা, ভূ-বিদ্যা আদিলৈ উন্নত হোৱাৰ লগে লগে ছাত্ৰ সমাজেও স্বকীয়ভাৱ বিকাশৰ থল বিচাৰিলে। পাশ্চাত্য শিক্ষাৰ আহিঁ কিমান দূৰ ভাৰতৰ ছাত্ৰ সমাজত লীন হল সেই বিষয়ে বিভিন্ন শিক্ষাবিদৰ মত ভিন্ ভিন্। যিয়েই হওক ভাৰতবৰ্ষত বৃটিছৰ সাম্ৰাজ্যবাদী শাসনকালত ছাত্ৰসমাজৰ নিজা তেনে উল্লেখযোগ্য অনুষ্ঠান গঢ়ি নুঠিলেও স্বাধীনোত্তৰ কালতেই ভাৰতবৰ্ষৰ ভিন্ ভিন্ প্ৰদেশত ছাত্ৰ-আন্দোলন শিক্ষাৰ ক্ষেত্ৰতহে গঢ়ি উঠিছিল।

১৯২০ চনত নাগপুৰত বহা নিখিল ভাৰত কংগ্ৰেছৰ অধিবেশনৰ লগতে পঞ্জাৱৰ জাতীয়তাবাদী নেতা "লালা লাজপত ৰায়"ৰ সভাপতিত্বত প্ৰথমবাৰৰ কাৰণে "সৰ্বভাৰতীয় ছাত্ৰ

সন্মিলন" বহে আৰু অসম ছাত্ৰ সন্মিলনেও ইয়াত প্ৰতিনিধিত্ব কৰে।

১৯২১ চনত গান্ধীজীৰ নেতৃত্বত চলা অসহযোগ আন্দোলনত ছাত্ৰসকলেও সক্ৰিয় অংশ গ্ৰহণ কৰে। এয়েই ছাত্ৰসকলৰ ভাৰতবৰ্ষত ৰাজনৈতিক তথা দেশক গণতন্ত্ৰৰ ভেঁটিত প্ৰতিষ্ঠা কৰিবলৈ বুলি গ্ৰহণ কৰা প্ৰথম ৰাজনৈতিক আন্দোলন। সেই কালছোৱাতে অসমত ১৯২০ চনত গোলাঘাটত বহা পঞ্চম বাৰ্ষিক "ছাত্ৰ সন্মিলন"ত অকল শিক্ষা-সাহিত্য চৰ্চা আদিত আবদ্ধ নাথাকি ৰাজনৈতিক বিষয়তো সহযোগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ ছাত্ৰসমাজৰ ৰাজনৈতিক বিষয়ত সহযোগৰ এয়েই প্ৰথম পদক্ষেপ।

১৮৩৬ চনত যেতিয়া বৃটিছ চৰকাৰে অসমৰ স্কুল, অফিচ আদিত বঙলা ভাষা প্ৰচলন কৰিলে, তেতিয়া কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলেই সংগঠিতভাৱে ইয়াৰ প্ৰতিবাদ কৰে। আনন্দৰাম ঢেকিয়াল ফুকনৰ নেতৃত্বত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি-বৰুৱা প্ৰমুখ্যে চৰকাৰক অসমীয়া ভাষা, অসমীয়া জাতিযে এটা স্বকীয় ভাষা আৰু স্বকীয় জাতি বুলি নানা তথ্যপাতিৰে বুজাই দিলে। সহজে ফল নধৰিলে সময় লাগিল। সংগঠন প্ৰৱণতাক জীয়াই ৰাখিবলৈকে "অসমীয়া ভাষা উন্নতি সাধিনী সভা" (Assamese Students' Literary Club) একতা ক্লাব আদি অনুষ্ঠান গঢ়ি তুলিলে। তাৰে পৰাই বিজ্ঞান সন্মতভাৱে সদৌ অসমৰ ভিত্তিত একমাত্ৰ ছাত্ৰ অনুষ্ঠান "অসম ছাত্ৰ সন্মিলন"ৰ জন্ম। ইং ১৯১৬ চনৰ পঁচিশ ডিচেম্বৰ তাৰিখে গুৱাহাটী নগৰত "অসম ছাত্ৰ সন্মিলন"ৰ প্ৰথম অধিবেশন সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ সভাপতিত্বত সমাধা হয়।

অসমৰ ছাত্ৰ সমাজৰ কাৰণে এইটোৱেই স্মৰণীয় ঐতিহাসিক দিন।

* * *

১৯৩০ চনৰ পৰা ১৯৩৬ চনলৈকে ভাৰতবৰ্ষত স্বাধীনতা আন্দোলন প্ৰকট হয়। অসমৰ ছাত্ৰ সমাজেও সক্ৰিয় সহযোগ কৰাত বহুতৰে শিক্ষা জীৱনৰ সমাপ্তি ঘটে। বহুজন চিৰকাললৈ পঙ্গু হয়--লগতে নেতাসকলো কাৰাৰুদ্ধ হোৱাত উক্ত কালছোৱাত উল্লেখযোগ্যভাৱে ছাত্ৰ-সমাজৰ কোনো অভ্যুদয় হোৱা নাছিল। আনকি ১৯৪৪ চনলৈকে সভাসমিতিও অনুষ্ঠিত কৰিব পৰা নহৈছিল।

উক্ত সময়ছোৱাৰ ভিতৰতে ১৯৪১ চনত পাটনাত বাঁওপন্থী কমিউনিষ্ট পাৰ্টিৰ আলমত দুখন সমান্তৰালভাৱে অধিবেশন অনুষ্ঠিত হয়; ইতিপূৰ্বে ১৯৪০ চনত বহা নাগপুৰ অধিবেশনত সৰ্বভাৰতীয় ছাত্ৰ ফেডাৰেশ্যনৰ অধিবেশনতেই কমিউনিষ্টপন্থী আৰু জাতীয়তাবাদী ছাত্ৰদলৰ মাজত মতভেদে তীব্ৰভাৱে দেখা দিয়ে--অৱশেষত বিভক্ত হয়। সেয়েহে উল্লেখ কৰা পাটনাৰ ১৯৪১ চনৰ অধিবেশনো সমান্তৰালভাৱে দুখন হৈ পৰে। বামপন্থী দল কমিউনিষ্ট পাৰ্টিৰ আৰ্হিত আৰু সোঁপন্থী জাতীয়তাবাদী দলত। অসমতো পুলি গজি বামপন্থী ছাত্ৰ দলৰ। পাছে এই দলে "ছাত্ৰ ফেডাৰেশ্যনে" সেই সময়ৰ আন্দোলনত পক্ষপাতিতা নকৰাত (গণ বিপ্লৱ, স্বাধীনতা আন্দোলন আদিত) ৰাইজৰ সমৰ্থন লাভ কৰিব নোৱাৰিলে।

* * *

১৯৪৪ চনত গুৱাহাটীত ২৭ নবেম্বৰ তাৰিখে জাতীয়তাবাদী ছাত্ৰসকল সন্মিলিত হৈ নতুনকৈ "অসম ছাত্ৰ ইউনিয়ন" গঠন কৰে আৰু নিৰ্বিবাদে ৰাইজৰ বিপুল সমৰ্থন লাভ কৰে। এইখনিয়েই বৰ্তমানৰ "ছাত্ৰ সন্থাৰ" সৰ্বপ্ৰথম (অসমৰ) বুনিয়াদ বুলিব পাৰি। ১৯৪৬ চনৰ ১ আৰু ২ জুনত সমাজবাদী নেতা অধ্যক্ষ হেম বৰুৱাৰ সভাপতিত্বত ২য় বাৰ্ষিক অধিবেশনত "নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ"ৰ পৰামৰ্শমতে "অসম ছাত্ৰ ইউনিয়ন" নামৰ সলনি কৰি "অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছ" ৰখা হয়।

* * *

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ ভূমিকাৰ বুৰঞ্জী অনুকৰণীয়। স্বাধীনতাৰ পাছৰ পৰা বিভিন্ন কাৰণত তেনে উল্লেখিত সভা-সমিতি অসমৰ ছাত্ৰসমাজত প্ৰকটভাৱে হোৱাৰ থল নাছিল। সময়ে সময়ে হোৱা প্ৰাকৃতিক দুৰ্যোগ উন্মোচনৰ কথা বাদ দিব নোৱাৰি। ১৯৫৭ চনত গুৱাহাটীত কেইজনমান উদ্যোগী ছাত্ৰই "অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছ"ৰ প্ৰতিনিধিত্বমূলক সভা আহ্বান কৰে আৰু নামকৰণৰো সাল-সলনি কৰাৰ বিষয়ে আলচে, যদিও কোনো ফল নধৰিলে। ইতিমধ্যে ১৯৫৯ চনৰ আগভাগত যোৰহাটত বহা প্ৰতিনিধিত্বমূলক সভাত কলেজ পৰ্য্যায়ৰ সংগঠনৰ ভেঁটি দৃঢ়কৰণ হৈ পৰে আৰু সেই সংগঠনৰ নামকৰণ হয় "The All Assam Inter College Students' Union"। এই সংগঠনটিয়ে সমূহ ছাত্ৰক সামৰিব নোৱাৰিলে।

১৯৬০ চনৰ ভাষা আন্দোলন, প্ৰশাসনীয় উৎপীড়ন, লগতে শিক্ষাৰ প্ৰতি চৰকাৰৰ আওকণীয়া মনোভাব আদিৰ প্ৰতিবাদত ছাত্ৰসমাজৰ প্ৰতিনিধিত্বমূলক এখনি সভা গুৱাহাটীৰ জালুকবাৰীত আৰু এখন যোৰহাটৰ জে, বি, কলেজত অনুষ্ঠিত হয়।

ছাত্ৰসমাজত শিক্ষাৰ শুদ্ধ বাতাবৰণ গঢ়ি তোলা আৰু অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰ স্বীকৃতি দিয়া আদি কেউদিশ সামৰি ছাত্ৰ সমাজ ঐক্যবদ্ধ হ'ল। পূৰ্বৰ "অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছ" নামকৰণ সলনি কৰি "সদৌ অসম ছাত্ৰ পৰিষদ" কৰা হয় আৰু একে সময়তে বাঁওপন্থী ৰাজনৈতিক নেতাসকলৰ অনুগামী হৈ অহা ছাত্ৰসকলে "অসম ছাত্ৰ পৰিষদৰ" লগতে ফেৰ মাৰি "অসম ছাত্ৰ কৰ্ম পৰিষদ" গঠন কৰিছিল যদিও ৰাইজৰ সমৰ্থন লাভ কৰিব নোৱাৰি বিৰোধিতা নকৰাকৈ নাছিল।

আগতেই কৈ অহা হৈছে যে আন আন দেশৰ সমস্যাতকৈ অসমৰ সমস্যাও কম নহয়। চীনা আক্ৰমণে অসমত যি বিভিষিকাৰ সৃষ্টি কৰিলে--তাৰ ফলত অসমৰ ৰাইজ, ছাত্ৰ

সমাজ উদ্বিগ্ন নোহোৱাকৈ থকা নাই। নগাঁও জিলাত এনেবোৰ কাৰণতে গঢ়ি উঠিল "চীনা আক্ৰমণ প্ৰতিৰোধ" সমিতি আৰু নগাঁৱৰ সংগঠনটিৰ ওপৰতে ভিত্তি কৰি সদৌ অসম চীনা আক্ৰমণ প্ৰতিৰোধ সমিতিলৈকে উন্নীতকৰণ হয়। পাছলৈ অৱশ্যে সংগঠনটিৰ তেনে কাৰ্য্য নোহোৱাত লুপ্ত হ'ল যদিও একেখিনি ছাত্ৰই ভিন ভিন ৰূপত অৱতীৰ্ণ হ'ল।

* * *

১৯৬২ আৰু ১৯৬৩ চন দুটি নগঁঞা ছাত্ৰ সমাজৰ আপুৰুগীয়া কাল। ১৯৬২ চনৰ চীনা আক্ৰমণৰ ভিত্তিত গঢ় লোৱা সংগঠনৰ পাছত পৰোক্ষভাৱে সদৌ অসমৰ ছাত্ৰসমাজক সজীৱ কৰিবলৈ জিলাখনিত গঢ়ি উঠে "নগাঁও জিলা ছাত্ৰ পৰিষদ" "Nowgong District Students' Union"

ঢেকিয়াল ফুকন কলেজৰ সকলো উদ্যোগী ছাত্ৰৰ লগত (১) নগাঁও কলেজ (২) লালচান্দ টোডি কলেজ (বৰ্তমান ছোৱালী কলেজ) আৰু (৩) নগাঁও পলিটেকনিক কলেজৰ ছাত্ৰসমাজে সৰ্বতোভাৱে কৰা সহায়-সহযোগত এনেহেন গুৰুত্বপূৰ্ণ সংগঠন সুকলমে সুচাৰুৰূপে হৈ উঠিল। অসমৰ ছাত্ৰ সমাজেও শুভেচ্ছাৰে পঠোৱা "বাণী"য়েও নগঁঞা ছাত্ৰক প্ৰফুল্লিত কৰিলে। "নগাঁও জিলা ছাত্ৰ পৰিষদ"ৰ সংবিধানৰ আহিতেই অসমৰ ছাত্ৰ সমাজৰ সাংবিধানিক ভেঁটি প্ৰতিষ্ঠিত হল। এই অধিবেশনেই অসমত জিলাৰ ভিত্তিত হোৱা প্ৰথম অধিবেশন।

আশাকৰো আনন্দৰাম ঢেকিয়াল ফুকন কলেজে তথা ছাত্ৰসমাজে সংগঠনটিৰ সজীৱতা গঢ়ি তুলিব।

কৈ অহা কথাটো পাহৰা নাছিলো। ছাৰে মানে শুকদেৱ গোস্বামীয়ে। হয়তো সুধিব পাৰে--উত্তৰ নিশ্চয় কিবা এটা দিব লাগিব।

কলেজত কেইজনমান ছত্ৰ সৰ্বশ্ৰী চন্দ্ৰ শইকীয়া, আনন্দ বৰা, কৃষ্ণ শৰ্মা, সদানন্দ শৰ্মা, নগাঁও কলেজৰ জ্ঞান বৰুৱা প্ৰমুখ্যে আৰু কেইজনমানৰ লগত "খেলাধূলা"খন গুৱাহাটীৰ পৰা দাঙি অনাৰ কথা পাতিলো। তেওঁলোক আগ্ৰহী হল। নগাঁৱৰ কলেজ কেইখনৰ অধ্যাপকসকলৰ মাজত সাধাৰণ সম্পাদকসকলে আলচ কৰি অনাটোকে থিৰাং কৰিলে। লালচান্দ টোডি কলেজৰ (এতিয়াৰ ছোৱালী কলেজ) অধ্যক্ষ মহোদয় শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, নগাঁও কলেজৰ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, নগাঁও পলিটেকনিক কলেজৰ শ্ৰী জি, এচ, চিল, আমাৰ কলেজৰ স্বৰ্গীয় শুকদেৱ গোস্বামী অধ্যক্ষ মহোদয়ৰ উপৰিও অধ্যাপকসকল আৰু নগাঁও ক্ৰীড়া সন্থাৰ শ্ৰীনুৰুল আমিন আৰু বিভিন্ন জনে অহোপুৰুষাৰ্থক্ৰমে "দাঙি" আনিলে "৯ম. ইন্টাৰ কলেজ স্পৰ্টচ ফেষ্টিভেল"। ছাৰে বৰ আনন্দ পালে দিনে পুৱা আৰু গধূলি সকলোৰে খোৱাত কিবা অসুবিধা হৈছেনেকি বুলি মোক সোধাৰ কথাও আজিও মনলৈ আহে।

বৰ্তমান কলেজতে তাহানিৰ আশাশুধীয়াভাৱে লাগি থকা এজন "ত্ৰিমন্ত" কৰ্মীয়ে ৯ম আন্তঃকলেজ ক্ৰীড়া সমাৰোহত অক্লান্ত পৰিশ্ৰম কৰি আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ সুনাম, সুখ্যাতি বঢ়োৱাইছিল। আপোনালোকে তেখেতক "ত্ৰিমন্ত" নুবুলি "ত্ৰিমূৰ্ত্তি" বুলিও লব পাৰে। কিয়নো মূৰ্ত্তি মানে প্ৰতিমা, প্ৰতিমাত আশাৰ প্ৰতিফলন হোৱাৰ দৰে "মন্ত"ত একে ধৰণৰ শক্তিকাৰক মাধ্যম--ইয়াৰো প্ৰতিফলন নোহোৱা নহয়।

একেজন ব্যক্তিয়ে একেধাৰে তিনিটা বিষয়ৰ দায়িত্ব পালন কৰাটো এলাপচা কথা নহয়--ব্যৱস্থাপক কমিটিৰ চেক্ৰেটেৰী (Management Committee) (২) খেলাধূলা কমিটি (Sports Committee)ৰ চেক্ৰেটেৰী, তাৰউপৰি এনেহেন বিপুল আয়োজনৰ (৩) বিত্তীয় কমিটি (Finance Committeeৰ চেক্ৰেটেৰী একেলগে কেইটা কাম ভাগে ভাগে নিয়াৰিকৈ সমাধান কৰিলে--সেইজন-মইয়ে কৈছিলো 'হাই ছাৰৰ তালৈ যাওঁ', সেইজন। নগাঁৱলৈকে খেলাধূলাখন অনাত এই কলেজৰ লগত আনকেইখনৰ অধ্যাপকৰ লগতে অন্য তিনিও কলেজে ত্যাগ স্বীকাৰ নকৰাকৈ নাছিল। সকলোলৈকে মোৰ আন্তৰিকতা বিদ্যমান। আমাৰ অধ্যক্ষদেৱে সেই কেইদিন বেছিকৈ খোজ কাঢ়িব লগা হোৱাত কৈছিল "হেৰা বপাই--তোমালোকৰ ইয়াত (খেলাধূলাত) 'খোজকঢ়া প্ৰতিযোগিতা ইন্ট্ৰডিউচ কৰিব লাগে'। 'আই উড্ ষ্টুড্ ফাৰ্ষ্ট' বুইচা।" কথাটো মিছাও নহয়--খোজকঢ়াত বৰ পাকৈত।

অধ্যক্ষ স্বৰ্গীয় শুকদেৱ গোস্বামীদেৱৰ বিষয়ে নিশ্চয় মোৰ বন্ধুসৰৰ কোনোজনে লিখিছে--তেখেতৰ তালৈ সঘনে অহা-যোৱা কৰাটোও মোৰ কৰ্তব্যৰ ভিতৰত এটা।

তেখেতৰ লগত ১৯৫৭ চনৰ পৰাই মোৰ বেছি ধৰণৰ ঘনিষ্ঠতা হৈছিল। প্ৰথম অৱস্থাত মই তেখেতৰ লগত এখন বহুমুখী সমবায় নগাঁৱত অনুষ্ঠিত কৰাৰ বিষয়েহে যোগাযোগ কৰিছিলো। পাছে সমবায় নহল খেতি কিন্তু হল। সেই খেতিৰেই ভঁৰাল 'আনন্দৰাম ঢেকিয়ালফুকন' কলেজ।

ভাৰতবৰ্ষত গঢ়ি উঠা স্বাধীনতা আন্দোলনৰ ঢৌৰ লণ্ডনতো উথলি উঠিছিল। এনে আন্দোলনৰ সংগঠন গঢ়ি তুলিবলৈ সক্ষম হৈছিল স্বৰ্গীয় গোস্বামীদেৱ। লণ্ডনৰ "হাইড" পাৰ্কত ভাৰতবৰ্ষৰ স্বাধীনতাৰ হকে দিয়া বক্তৃতাৰ ফলত বৃটিচ চৰকাৰৰ ওচৰত নজৰবন্দী হ'ব লগাত পৰে। নজৰবন্দী কালছোৱাত তেখেতে স্কটলেণ্ডলৈকো যাবলগা হৈছিল। তাত তেখেতে Co-operation Scheme ত কাম কৰি উপাৰ্জন কৰিব লগা হোৱাৰ কথা মোক কৈছিল।

তেখেতে খঙৰ ভমকত মোক দৰ্শোৱা চাৰ্টিফিকেট ৰখা বাঁহৰ চুঙাটো স্কটলেণ্ডৰ। (দেখাত কিছু অপইতা বাঁহ যেন লাগে)। এনে সংৰক্ষণ সঁচাকৈয়ে বিৰল।

স্বৰ্গীয় গোস্বামীদেৱৰ পৰিয়াল বুলিবলৈ আছিল নিজস্বভাৱে কেৱল সহধৰ্মিণীহে। তেখেতৰ সহধৰ্মিণী "শ্ৰীমতী চাৰা দেবী'ও সংৰক্ষণ, বিচৰণ আদি ক্ষেত্ৰত স্বামীতকৈ কম নাছিল। তেখেতে মোক এদিন মাতি কলে, "ইউ লাইক্ ওৱান কিড্"। মই তেখেতৰ ভাব-ভাষা আগৰেপৰাই বুজো হেতুকে উত্তৰ দিলো "চাৰটেইনলি।"

এটা সৰু পঁাচিত ঢাকি অৰ্থাৎ আঠুৱাৰ দৰে ঢাকি থোৱা পোৱালি কুকুৰ এটা আনি দি কুকুৰ পোৱালিটোৰ ভিত্তিত আঁৰি থোৱা ডাঠ কাগজখন মোক দেখুৱাই কলে, "দি বাৰ্থ

ডেইট, হিয়েৰ--লেট্ হিম মেইক্ এজ্ মেন্।" * * * সেই কুকুৰটোৰ নাম দিয়া হল "টেনজিং"। মানুহৰ দৰেই বাদাম কুঁহিয়াৰ খাবলৈকো শিকিলে। সচৰাচৰ কুকুৰতকৈ অধিক কাল জীয়াই আছিল। মাহে মাহে তেখেতে (চাৰাদেৱীয়ে) তাৰ খবৰ (অসুখ বিসুখৰ বিষয়ে বেছিকৈ) সুধিছিল। তেখেতৰ মেকুৰী পোৱালি, কুকুৰ পোৱালি পোহাত হেঁপাহ আছিল যদিও আনকেই বিলাই দিছিল। প্ৰতিটি প্ৰাণীৰ জন্মৰ সময়, তাৰিখ লিখি ৰখা স্বভাৱ আমাৰ কেইজনৰ আছে বাৰু? তেখেতে প্ৰেছৰ নিজা 'যশোদা' প্ৰেছৰ ছপা কামৰ উপৰিও প্ৰুফ চোৱাত সিদ্ধহস্ত আছিল। বিলাতী হৈয়ো অসমীয়া সাজ-পাৰ পৰিপাতিকৈ পিন্ধি গাড়ী চলোৱা (নিজা এম্বেচেদৰ)ৰ নিচিনা কাম কৰা আমাৰ স্ত্ৰী-সমাজত লেখত লব লগীয়া আহিঁ।

জনামতে শ্ৰীমতী চাৰা দেৱীয়ে লণ্ডনতেই বৰ্তমান আছে যেহেতু লণ্ডনত থকা কালত গোস্বামীদেৱে তাত ভূ-সম্পত্তিও ঘটিছিল। ক'লা চামৰাই বগা চামৰাৰ দেশত দপদপাবলৈ বুলি কম খেদ কৰা নাছিল। আনন্দৰাম ঢেকিয়ালফুকন কলেজৰ প্ৰাণ প্ৰতিষ্ঠাতা স্বৰ্গীয় গোস্বামীদেৱৰ অদমনীয় জেদ ভাব শলাগিব লগীয়াই নহয় অনুকৰণীয়ও। কেইবাবাৰো সংসদী নিৰ্বাচনৰ প্ৰাৰ্থী হৈছিল। নিৰ্বাচনী অভিযানৰ কথা সোধোঁতে এদিন মোক কৈছিল--"ন' তোমালোকে ইচ্ছা কৰিলে চাইকেলত লিখি লবা মোৰ নামদি 'যদি ৰাইজে উপযুক্ত ভাবিছে ভোটটো মোৰ বাকচত দিব" "নাভাবিলে অথলে নিদিব"। কথা কেইষাৰৰ ব্যাখ্যা পঢ়ুৱৈ সমাজলৈকে এৰিলো।

তেখেতৰ সকলো গুণতকৈ স্বজনপ্ৰীতি অনুকৰণীয়। কোনোদিনেই অধ্যাপক, ছাত্ৰক আনকি বাটৰুৱা লোককো নাম কাঢ়ি মতাৰ অভ্যাস নেদেখিলো। তেখেতৰ "বপাই" শব্দ আজিও কাণত ভাহে।

* * *

তেখেত অসমবাসীৰ এজন শুদ্ধ অসমীয়া--তেখেতৰ বিলাতী ঢং দূৰতে বিদূৰ। খাচ ঘৰুৱা অসমীয়া শব্দৰ প্ৰয়োগ সম্বোধনৰ লালিত্য সঁচাকৈয়ে মহান আদৰ্শ।



ইংৰাজী ১৯৬৪ চনৰ বিজয়া দশমীৰ দিনা আনন্দৰ সমাপ্তিৰ লগে লগে আমাৰ পূজ্য স্বৰ্গীয় দেৱৰো নশ্বৰ দেহাৰ সমাধিস্থ হয়। প্ৰেৰণাৰ উ গ'ল, সমবেত সকলোৱে মূৰ দোঁৱালে--ময়ো।

* * *

ঢেকিয়াল ফুকন কলেজৰ স্মৃতিগ্ৰন্থৰ কাৰণে বিচাৰি ঘূৰি ফুৰা শ্ৰীমুকুল বৰা, কমল বৰদলৈ চাৰিজন ছাত্ৰ আৰু অধ্যাপক শ্ৰীদেৱ শইকীয়ালৈ মোৰ থাকিল। কিমানখিনি সোৱাদ দিব পাৰিছো তাৰু নাজানিলো। তথাপিতো ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে আৰম্ভণিৰে পৰা নিজা আৰু সাধাৰণ সম্পাদক হিচাপে লটি-ঘটিৰ ইতিহাসখিনি আগবঢ়ালো। লগতে ৰূপালী ৰূপত ৰং চৰাবৰ আৰু ৰাইজে আস্বাদ পাওক বু গোস্বামীদেৱৰ অসমীয়া ভাষাত মোলৈ লিখা চিঠিখ চানেকিটোকে আগবঢ়ালো যেন যুগমীয়া হৈ ৰয়। (এ খনি ১।২।৬০ তাৰিখে সৰস্বতী পূজালৈ আহিব নোৱা দিছিল)।

১।২।৬

শ্ৰীমান উপেন,

তোমালোকৰ নিমন্ত্ৰণৰ কাৰণে আমি দুয়ো ধন্যবাদ আশা কৰো সকলো কাম সুচাৰুৰূপে সমাধা হ'ব।

মোৰ শৰীৰ অসুখ লাগি থকাৰ কাৰণে আমি যা ৰিম। মোৰ পেট্ৰমাক্স লেম্পটো পত্ৰ-বাহকৰ হাতত পঠিয়াই দিবা। ইতি--

শুভাকাংক্ষী

শ্ৰীশুকদেৱ গে

আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ আৰম্ভণি সহযোগত থকা এই কলেজখনৰ প্ৰতি মোৰ নিজস্ব এট তীত্ব আছে; এটা নিবিড় সম্পৰ্ক আছে। কলেজখনৰ উন্নতি মই সদায়েই কামনা কৰোঁ। জয়তু আনন্দৰাম ে ফুকন কলেজ।

# ঘন বৰাৰ স্মৃতিত

শ্ৰীশৰৎ কুমাৰ সুত ছাত্ৰ।

"Our life will be destroyed at any time, but our memory will be stayed for ever."

বৈঠালাংচু।

মৰমৰ ঘন,

মৰমবোৰ লবি। আশাকৰোঁ তোৰ ভাল। মোৰো এক প্ৰকাৰ ভালেই বুলি ধৰিব পাৰ। ইয়ালৈ মই transfer হৈ অহা বেছি দিন হোৱা নাই। চেপ্তেম্বৰৰ ৯ তাৰিখে আহি পালোঁহি হাতিখালীৰ পৰা। অৱশ্যে তই হয়তো নাজান মই transfer হৈ অহাৰ কথা। এইটোও ঠিক কেনেকৈনো জানিবি। তোক আমাৰ B. A. final পৰীক্ষা দিয়াৰ পৰা আৰুতো লগেই পোৱা নাই। তইতো জানই কলেজখন আমাৰ কিমান মৰমৰ আছিল! মই চাকৰি কৰা ঠাইৰ পৰা ঘৰলৈ গ'লে, বন্ধ কিম্বা খোলাই হওক, কলেজলৈ এপাক নামাৰিলে সেই ৰাতি টোপনিয়েই নহয়। ইফালে ঘৰলৈ যাওঁতে ননৈ চাৰিআলিত সদায় চাওঁ, তোক বা ৰজতক, লগ পাওঁ বুলি। যদি নেদেখোঁ আঁতৰৰ পৰা বাঁহগছৰ মাজেদিয়েই তহঁতৰ ঘৰটোলৈ চাই যাওঁ কিজানিবা তই বাটৰ ফালে ওলাই আহিছই!

এৰা, জান ঘন, আমাৰ কলেজীয়া জীৱনটো কিমান মধুৰ আছিল! P.U. পাছ কৰাৰ আগলৈকে তোৰ লগত মোৰ চিনাকি হোৱা নাছিল। কিন্তু পাৰিবাৰিক সম্বন্ধৰ হেতু তয়ো মাৰ কথা জানিছিলি আৰু ময়ো তোৰ কথা জানিছিলোঁ। পাছত Pol. Sc. ৰ Hons ৰ Class-অতহে ভালদৰে চিনাকি হৈছিল। তাৰ পাছতে আহিল College election। সেইবাৰ কন্দৰ্পদাই তৰুণক প্ৰাগৰ পৰা লৈ আহিল। মোৰ সকলো কথা খুব ভালদৰে মনত আছে। মই সেইদিনা নতুন চাইকেল এখন কিনাৰ বাবে কলেজলৈ যাব নোৱাৰিলো। কিন্তু সেইদিনাই কলেজৰ union য়ে ইলেকচন বাবে প্ৰাৰ্থীনিৰ্বাচন কৰিলে। তই ঠিক জানিছিলি--কলেজত তেতিয়া মোৰ ৭০% ভোট আছিল। আনকি মই উঠিলে, মোৰ against-অত কোনো উঠিবলৈ সাহ নকৰে বুলিও তই ঠিক জানিছিলি। সেয়েহে, তই আবেলি আমাৰ ঘৰলৈ গৈ কলেজত কি হৈছিল সকলো খুলি কৈছিলি। তাৰ পাছদিনা গম পাইছিলোঁ--ছাত্ৰ সন্থাৰ তৰফৰ পৰা সাধাৰণ সম্পাদক পদৰ বাবে তৰুণক উঠাইছে। তহঁত গৰম হৈ গৈছিলি মোক মনোনীত নকৰাৰ বাবে। দুলাল, তই, ৰজত, ভবেন, সুনীল, চিত্ৰ, মালা, কবিতা, উষাহঁতে ২০ নং কোঠাত লোহিতক ঘেৰাও কৰিছিল। আৰু শেষত মোৰ মনোনয়নপত্ৰখন মনে মনে গৈ বৰ্মণ ছাৰৰ হাতত submit কৰি থৈ আহিছিল। মোৰ সকলো মনত আছে ঘন! তাৰ পাছত কলেজত কি প্ৰৱল উত্তেজনা! যেন মস্ত এটা বোমাহে ফুটিল! তহঁতে হাঁহিছিলি মই nomination submit কৰাৰ বাবে। কিন্তু শেষত মই তহঁতৰ মনৰ আশা ভাঙি দি, সেই হাঁহি বন্ধ কৰি সদৰ্পে ঘোষণা কৰিছিলোঁ, মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰো বুলি। তহঁতে হয়তো ভাবিছিলি--হয় মই ঘোচ খাইছোঁ, নহয় মই পলায়নবাদী। আচলতে কি জান--কলেজত যাতে বিভাজন নহয় বা সন্থাৰ যাতে অনিষ্ট সাধন নহয় তাৰ বাবেই মই সেই ঘোষণা কৰি তৰুণক সমৰ্থন কৰিছিলোঁ। তাতে এটা কথা, আমি সমাজৰ সেৱা কৰি ভাল পাওঁ। কিন্তু নেতা হোৱাৰ কোনো হেঁপাহ নাছিল। তই বহু পলমকৈ বুজিছিলি। যদিও সাধাৰণ সম্পাদকৰ সৰ্বক্ষমতা থাকে তথাপি মূল ভেটিটো হ'ল ছাত্ৰৰ সমাজখন।

যাহওক--তাৰ পাছতে N.S.S.-অৰ নাম ভৰ্তি কৰণৰ কাম আৰম্ভ হ'ল। মোক শ্ৰীযুত ৰয় ছাৰে আগতেই দলপতি select কৰি ৰাখিছিল। অৱশ্যে দুলালৰো N.S.S.-অৰ নেতা হোৱাৰ সম্পূৰ্ণ যোগ্যতা আছিল। তথাপিও সৰ্বসন্মত সিদ্ধান্তক্ৰমে মোকেই তহঁতে দলপতি পাতিছিল। আৰু মই Group leader-অৰ বাবে বাচনি কৰিছিলোঁ দুলাল ভূঞা, মুকুন্দ বাৰিক, লোকেন বৰা আৰু তোক। লগতে ছোৱালী Group টোৰ leader-অৰ দায়িত্ব দিছিলোঁ কবিতা বৰাক। যিয়েই নহওক--তিনিটা নৰ্মেল কেম্প কৰিয়েই মই চাকৰিলৈ গুচি যাব লগা হ'ল। চাৰৰ লগত আলোচনা কৰি মই দুলালক মোৰ দায়িত্ব দিলোঁ। তহঁতে Special camp কৰিবলৈ গৈ ধিঙৰ চহৰীয়া গাঁৱত কি অৱস্থাত পৰিছিলি মনত আছেনে ঘন? ৰাতি ৭ বজাৰ পৰা পিছদিনা পুৱা ৩ বাজিছিল সেই কথাবোৰ কওঁতে। মই লক্ষ্য কৰিছিলোঁ তই সেইদিনা কথা কওঁতে কওঁতে কান্দি উঠিছিলি।

কথাবিলাক আকৌ মনত পৰিছে জান। নাজানো কিমান দিন এইবিলাকে স্মৃতিৰ পটত জোকাৰণি তুলি থাকিব। এৰা ঘন--মানুহ ধ্বংস হৈ যাব পাৰে, কিন্তু স্মৃতি সদায় সজীৱ।

তাৰপাছত কলেজত বহুতো ঘটনা-উপঘটনা ঘটি গ'ল। কিন্তু আমাৰ staff টো একেই থাকিলোঁ। তই হয়তো তোৰ প্ৰতি থকা মোৰ মৰমৰ ভাষা বুজিবলৈ টান পাইছিলি। কিন্তু

মই জনাত তই বুজি পাইছিলি। সেইযে--তহঁতৰ ঘৰত সুমথিৰাৰ বাকলি মিহলাই বনোৱা তিলপিঠা, নাৰিকলৰ লঙ্কৰা বনাই দিছিল তোৰ মাৰে--মনত আছেনে তোৰ? আমাৰ মায়েও বনাইছিল; কিন্তু মা ঢুকুৱাৰ পাছত বহুত দিন হ'ল সেইবোৰ নোখোৱা। সেইদিনা কিমান ভাল লাগিছিল নহয়? B.A. final পৰীক্ষাৰ Economics-অৰ 2nd আৰু 3rd paper-অৰ দিনা। বৰ বৰষুণ দিছিল। হামৰেণমুখী মটৰগাড়ীখনে আমাৰ ঘৰৰ পৰা অলপ আঁতৰতে আহমেদ আলী নামৰ ল'ৰা এজনক খুন্দিয়াই মাৰি পেলালে। মই লাচটো চাবলৈ গৈ শিয়ঁৰি উঠিছিলোঁ। মোৰ খুব ভয় হৈছিল ৰজত আৰু তোৰ বাবে। চাইকেল সাবধানে চলাবলৈ মই তহঁতক কঠোৰ নিৰ্দেশ দিছিলোঁ। তেতিয়াৰ পৰাই মোৰ মনত এটা অজানিত ভয়ে বাহ লৈছিল। মাজতে বৰ বজাৰত তোক লগ পাওঁতে তই বাৰগঞ্জা ভাওনা চাবলৈ মাতিছিলি। তই ভাওনা এখনৰ main part লোৱাৰ কথা আছিল।

ঘন, মানুহৰ আশাবোৰ ভগবানে সদায় অপূৰ্ণ কৰিয়েই ৰাখেনেকি? সঁচাই মানুহে আশা কৰাৰ দৰেই যদি সকলো কাম কৰিব পাৰিলেহেঁতেন, তেন্তে এই পৃথিবীত ধনী-দুখীয়াৰ পাৰ্থক্যই নাথাকিল হয়। কিন্তু তথাপিও আমি মানুহ! আৰু মানুহ বাবেই আমি জীয়াই আছোঁ আশাত বন্দী হৈ। কিন্তু অক্টোবৰৰ ২ তাৰিখে তোৰ হঠাৎ কি হ'ল? কলেজলৈ ৩ তাৰিখে গৈ মই যি শুনিছিলোঁ--সেয়া কি সত্য? মইযে ভাবিবই পৰা নাছিলোঁ--এনেকৈয়ে কিবা এটা হ'ব বুলি! কিয় হ'ল? কেনেকৈ হ'ল? এই প্ৰশ্নৰ উত্তৰ নাই। কাক সুধিম? আকাশক? বতাহক? সকলো দেখোন ম্ৰিয়মান হৈ গ'ল ঘন!

টেক্সিখনৰ সমুখৰ ছীটত মই, দুলাল আৰু ৰয় ছাৰ। পাছৰ ছীটত মুকুল, পূৰ্ণ, কমল, লীলাহঁত। আমাৰ মনবোৰ গধুৰ হৈ পৰিছিল। চকুবিলাক সেমেকি উঠিছিল। নগাঁৱৰ পৰা দক্ষিণমুখী আমাৰ গতি। নিজৰ বেগেৰেই টেক্সিখন গৈ আছিল। গৈ গৈ বাদলগাঁও পালেগৈ। আমাৰ বুকুবোৰ ভৰি পৰিছিল--এক ক'ব নোৱৰা আবেগেৰে। আমাৰ খুব ভয় লাগিছিল আগন্তুক পৰিস্থিতিৰ মুখামুখি হ'বলৈ। আমি আগবাঢ়িব নোৱৰা হৈ গৈছিলোঁ। কোনো এক অনামী বেদনাই আমাৰ গতি আহত কৰি তুলিছিল।

এটা সময়ত তহঁতৰ ঘৰৰ পদূলিত আমাৰ গাড়ী ৰৈ গৈছিল। আমি নামি গলোঁ। তহঁতৰ ঘৰত বহুতো মানুহ ভৰি আছিল। তাৰ মাজতে তোৰ দেউতা। হঠাৎ যেন ঘৰখনত ভয়ঙ্কৰ শব্দ এটা হৈ গ'ল। আমাৰ খুব ভয় লাগিছিল। ভয় লাগিছিল তোৰ দেউতাৰৰ মুখলৈ চাবলৈ। ভয় লাগিছিল তহঁতৰ ঘৰত বহি সেই পৰিবেশটোৰ সন্মুখীন হ'বলৈ। আমাক দেখি দেউতাৰে কৈ উঠিল, "মোৰ ঘন মৰা নাই। এয়া মোৰ ঘনহঁত আহিছে।" হঠাতে তোৰ ভনীজনী ওলাই আহি বাৰাণ্ডাত ধুপুচ্‌কৈ পৰি চিঞৰি উঠিল, "কিয় আহিছে আপো[na]লোক--গুচি যাওক ইয়াৰ পৰা---"। মাৰে ভাঙি পৰা মাতে কৈছিল, "মোৰ ঘন কলৈ গলি ঐ---।" অচেতন হৈ প[...] গৈছিল তোৰ মা। তোৰ বাইদেউৱে কান্দি-কাটি আহি কৈছি[...] "মই তাৰ বায়েক--আজিৰ পৰা তোমালোকৰো বায়েক[...]

বিৰাট ধুমুহা এজাকৰ পাছত সেমেকি পৰা মাটিৰ দৰে তহঁতৰ ঘৰখনো সেমেকি গৈছিল। আমি আটাইকেউজ[...] আগবাঢ়ি গৈছিলোঁ তোৰ সমাধিলৈ, ফুলখিনি হাতত লৈ। এ[...] এজনকৈ পুষ্পাঞ্জলি যাচিছিলোঁ তোৰ কেঁচা দেহৰ সেই শুক[...] ছাইখিনিৰ ওপৰত। সেইটো দেহ, যিটোত শক্তি আছিল, যি প্[...] প্ৰাচুৰ্য্যেৰে ভৰপূৰ হৈ আছিল। সেইটো মস্তিষ্ক, যিটোত [...] আশা আছিল, সেই হাত, য'ত জনসেৱাৰ পূৰ্ণ শক্তি আছি[...] সেই সেই সকলোবোৰ পুৰি ছাই হৈ গৈছিল। কেৱল আ[...] পাইছিলোঁ--অলপ ছাই--কেঁচা কলগছৰ টুকুৰা আৰু কেইটুকু[...] মান আধাপোৰা বাঁহ। কাবোবাৰ কবিতা এটা মনত [...] আহিছিল "মৃত্যুও হেনো এটা শিল্প।" একো ক'ব নোৱ[...] হৈ গৈছিলোঁ। বুকুখন কিবা এটাই হেঁচা মাৰি ধৰিছি[...] অবুজ এক বেদনাই মনটো আহত কৰি দিছিল। জী[...] থাকোঁতে তই হয়তো আমাৰ পৰা একোৱেই নাপালি। ম[...] পাছত কেইপাহমান ফুল আৰু চকুলোৰ বাহিৰে আমাৰ [...] আন একো নাই দিবলৈ। লাহে লাহে আমি পুনৰ ন[...] মুখি হলোঁ। আহোঁতে শ্বায়েৰী এটা মনলৈ আহিছিল। [...] গুণাই তাকে আবৃত্তি কৰিলোঁ--

"কিসিনে মোল না পুছা দিলে সি কন্তাকা
কোই খৰিদ কে টুটা পেয়ালা কিয়া কৰ্‌তা।"

"মোৰ ভগ্ন হৃদয়ৰ মূল্য কাৰো বাবে আৱশ্যক নহ[...] ভঙা পিয়লা জানো কোনোবাই কিনিবলৈ যাব?"

ৰিণি ৰিণি কাণত বাজি আছিল--"মোৰ ঘন মৰা ন[...] এয়া মোৰ ঘনহঁত আহিছে---"

"কিয় আহিছে আপোনালোক--গুচি যাওক ইয়াৰ পৰা--

"মই তাৰ বায়েক--আজিৰ পৰা তোমালোকৰো বায়েক--

"মোৰ ঘন কলৈ গলি ঐ---"

এৰা ঘন, তোৰ মা দেউতাৰৰ মানত আমি আছোঁ ঘন তেখেতসকলৰ পুত্ৰ হৈ--তোৰ ভনীয়েৰৰ মানত ঘন আ[...] ককায়েক হৈ--বায়েৰৰ মানত ঘন আছোঁ ভায়েক হৈ।

ভগবান আছেনে নাই নাজানোঁ। যদি নাই বেলেগ ক[...] কিন্তু যদি আছে তেন্তে ভগবানৰ ওচৰত আমাৰ এটাই [...] দাবী "তোক চিৰশান্তি দিবই লাগিব।" বিশেষ নাই।

পুনৰ মৰমেৰে

ইতি--

তোৰেই শৰ[...]

বিঃ দ্ৰঃ তইযে চাৰি পুৰা মাটিত নিজে খেতি কৰিছিলি, [...] গহকৈ বাঢ়ি আহিছে, বৰ সুন্দৰ ধান হৈছে।

# অধ্যাপক আবু নছৰ ওৱাহিদৰ সোঁৱৰণত

শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ্মণ, উপাধ্যক্ষ

১৯৭৭ চনৰ ২১ নবেম্বৰৰ নিচেই পুৱাতেই নগাঁও চহৰত এটি শোকাবহ বতৰা বিয়পি পৰিল যে স্থানীয় চৰকাৰী অসামৰিক চিকিৎসালয়ত ৰাতি অধ্যাপক আবু নছৰ ওৱাহিদৰ আকস্মিকভাৱে বিয়োগ ঘটিছে। এনে অপ্ৰত্যাশিত ঘটনাই সকলোকে শোকাভিভূত কৰি তুলিলে আৰু তেওঁৰ গুণমুগ্ধ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু বন্ধুবৰ্গ তেওঁৰ বাসভৱনত উপস্থিত হ'ল। প্ৰতিজনে মৰ্মাহত হৈ ওৱাহিদ চাহাবৰ ঠৰ লগা মৃতদেহ চাই অশ্ৰু-অঞ্জলি যাচিলে। বিভিন্ন অনুষ্ঠানৰ ফালৰ পৰাও শৱদেহত মাল্য প্ৰদান কৰাৰ পিছত এটি মৌন সমদলেৰে মৃতদেহ আনি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰাঙ্গণত ৰখা হ'ল আৰু অতি গাম্ভীৰ্যপূৰ্ণভাৱে সকলোৱে অশ্ৰুসিক্ত নয়নেৰে শেষবাৰলৈ মৃতদেহ দৰ্শন কৰি ভক্তি, শ্ৰদ্ধা আৰু প্ৰীতিৰ চিন স্বৰূপে পুষ্পাঞ্জলি আগবঢ়াই চিৰদিনৰ বাবে অধ্যাপক ওৱাহিদ চাহাবক বিদায় দিলে।

ওৱাহিদচাহাবৰ মৃত্যুৰ দিনচেৰেক আগতে কলেজত এখন শোকসভা অনুষ্ঠিত হৈছিল আৰু সেই সভাত মৃতকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁ মৃতকৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে ভগবানৰ ওচৰত মৌন প্ৰাৰ্থনা জনাইছিল। কিন্তু তেওঁ জনা নাছিল যে তাৰ দিনদিয়েক পিছতেই সেই ঠাইতেই তেওঁৰ বাবে শোক-সভা পাতি তেওঁৰেই আত্মাৰ সদ্গতিৰ অৰ্থে প্ৰাৰ্থনা কৰিব লগা হ'ব। এয়া নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস!

নগাঁও জিলাৰ বগৰিগুৰি মাদ্ৰাছাৰ শিক্ষক মৌলবী চিৰাজুল হক চাহাবৰ জ্যেষ্ঠপুত্ৰ আবু নছৰ ওৱাহিদে উক্ত বিদ্যালয়ৰ পৰা ১৯৫৪ চনত সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া কলেজৰ পৰা ১৯৫৮ চনত বি এ ডিগ্ৰী লাভ কৰে। আৰবী বিষয়ৰ শিক্ষক দেউতাকৰ দ্বাৰা অনুপ্ৰাণিত হৈ ওৱাহিদ চাহাবে আলিগড় বিশ্ববিদ্যালয়ত আৰবী বিষয়ত অধ্যয়ন কৰে আৰু ১৯৬০ চনত এম এ ডিগ্ৰী লৈ ১৯৬১ চনৰ ১৭ চেপ্তেম্বৰ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত আৰবী বিভাগৰ মূৰব্বী অধ্যাপকৰ পদত নিয়োজিত হৈ অধ্যাপনা আৰম্ভ কৰে আৰু মৃত্যুৰ তিনিদিন আগলৈকে তেওঁ উক্ত পদত থাকি কৰ্তব্য সমাপন কৰে।

অধ্যাপক ওৱাহিদ চাহাব আছিল এজন নিষ্ঠাবান শিক্ষক আৰু শিক্ষকতাই আছিল তেওঁৰ জীৱনৰ ব্ৰত। কৰ্তব্যৰ প্ৰতি অনুৰাগ আছিল তেওঁৰ অসীম। তেওঁৰ ব্যক্তিগত চেষ্টাৰ গুণতেই আৰবী বিভাগৰ স্নাতক শ্ৰেণীৰ সন্মান পাঠ্যক্ৰমত একাধিকবাৰ একাধিক ছাত্ৰই প্ৰথম শ্ৰেণী লাভ কৰি বিশ্ববিদ্যালয়ত সুনাম অৰ্জন কৰিছে আৰু অনুষ্ঠানৰ গৌৰৱ বৰ্দ্ধন কৰিছে।

চুটি-চাপৰ, ক্ষীণকায় ওৱাহিদ চাহাব আছিল পোছাক-পৰিচ্ছদত পৰিপাটি, ব্যৱহাৰ-পাতিত আছিল সুসংযত। পাঞ্জাবী-পায়জামা নাইবা কোট-পেন্ট-টাই পৰিহিত ওৱাহিদ চাহাব সদায় মিষ্টভাষী, সহাস্যবদন, সহকৰ্মীসকলৰ মাজত ৰসৰ নিজৰা। কথাই কথাই শ্বায়েৰীৰ উদ্ধৃতিৰে বুদ্ধিদীপ্ত আছিল তেওঁৰ কথোপকথন। মধুৰ আলাপেৰে সকলোকে আকৰ্ষণ কৰিব পৰা গুণৰ গৰাকী আছিল ওৱাহিদ চাহাব।

শিল্পীৰূপেও ভুমুকি মাৰিছিল ওৱাহিদ চাহাবে। গজল, কাৱালী আছিল তেওঁৰ প্ৰিয় সঙ্গীত। এই দুবিধ সঙ্গীত তেওঁ নিজে শুনিও ভাল পাইছিল আৰু সময়ে সময়ে পৰিৱেশ অনুসৰি তেওঁ আনকো শুনাইছিল। অভিনেতা হিচাপেও তেওঁ মঞ্চত আত্মপ্ৰকাশ কৰি অভিনয়-কলা চৰ্চাৰ ইঙ্গিত দিছিল। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ত কেইবাবাৰো অধ্যাপক-অধ্যাপিকাৰ মিলিত প্ৰচেষ্টাত কেইবাখনো নাটক মঞ্চস্থ কৰা হয় আৰু প্ৰতিবাৰতেই তেওঁ অভিনয় কৰি প্ৰশংসা অৰ্জন কৰে। এবাৰ এখন নাটকত ওৱাহিদ চাহাবে যিটো চৰিত্ৰৰ ভাও লৈছিল সেই চৰিত্ৰই এটি আধুনিক হিন্দী গীত গাব লগা আছিল। পৰিচালকে ঠিক কৰিলে যে গীতটো নেপথ্যত গোৱা হ'ব আৰু উক্ত চৰিত্ৰৰ ভাওত অভিনয় কৰা অধ্যাপক ওৱাহিদ চাহাবে মুখেৰে ভঙ্গী কৰি দৰ্শকক বুজাব যে গীতটো তেৱেঁই পৰিৱেশন কৰিছে। ওৱাহিদ চাহাব মান্তি নহ'ল। ওস্তাদ আনি গানটো শিকি লৈ হুবহুকৈ মঞ্চত যেতিয়া ওৱাহিদ চাহাবে গানটো গাই অভিনয় কৰিলে হাত-চাপৰিৰ ধ্বনিৰে হলঘৰ ৰজনজনাই গ'ল।

ওৱাহিদ চাহাবৰ আন এটি চখ আছিল আজৰি পৰত অধ্যাপকৰ জিৰণি-কোঠাত দাবা খেলা। এজন মনোমত সঙ্গী লৈ দাবা খেলে নিৰ্বিকাৰভাৱে। পাৰ হৈ যায় ঘন্টাৰ পিছত ঘন্টা। উমান নাই--কিমান পৰ খেলিলে। চকীদাৰে দৰ্জা বন্ধ কৰিবৰ বাবে উদ্‌গ্ৰীৱ হৈ বাট চাব লগা হয়। সকিয়াই দিব লগা হয় খেলা সামৰি দৰ্জা বন্ধ কৰিবৰ বাবে অনুমতি দিবলৈ। চকীদাৰৰ কষ্ট দেখি ওৱাহিদ চাহাবৰ অন্তৰখন সেমেকি যায়। ততাতৈয়াকৈ খেলা সামৰি নিৰ্দেশ দিয়ে দৰ্জা

বন্ধ কৰি বিজুলীবন্তি নিৰ্বাপিত কৰিবলৈ। কিন্তু কেতিয়াও মনলৈ নাহে যে নিজৰ জীৱন-বন্তিও নিৰ্বাপিত হৈ যাব দুদিন পিছতেই।

ওয়াহিদ চাহাবৰ জীৱনৰ এটা প্ৰধান বৈশিষ্ট্য সকলোৰে চকুত ধৰা পৰিছিল। বিভিন্ন ধৰ্ম সম্পৰ্কে তেওঁ অধ্যয়ন কৰিছিল আৰু সকলো ধৰ্মৰ প্ৰতি আছিল তেওঁৰ উদাৰ দৃষ্টিভঙ্গী। কোনো ক্ষেত্ৰতেই অন্ধবিশ্বাস, গোড়ামী, ঠেক মনোভাব তেওঁ পোষণ নকৰিছিল।

অধ্যাপক ওয়াহিদ চাহাবে ষোল বছৰ কাল কলেজত অধ্যাপনা কৰিছিল আৰু এই সময়ছোৱাৰ ভিতৰতে তেওঁ প্ৰতিষ্ঠিত হৈছিল এজন কৃতী শিক্ষকৰূপে। সহকৰ্মীসকলৰ লগত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত মৰমচেনেহৰ এটি মধুৰ সম্বন্ধ মৃত্যুকাললৈকে তেওঁ অক্ষুণ্ণ ৰাখিছিল। আজি ওয়াহিদ চাহাব আমাৰ মাজত নাই, কিন্তু তেওঁৰ এই আদৰ্শ আমাৰ সকলো অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত অনুপ্ৰেৰণাৰ উৎস হওক—এয়ে আমাৰ কাম্য।

oo



# আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদকৰ প্ৰতিবেদন

মাননীয় সভাপতি মহোদয়, নিমন্ত্রিত বিশিষ্ট অতিথি-বৰ্গ, সমবেত সুধী সমাজ, মোৰ সহকৰ্মী অধ্যাপক আৰু অধ্যাপিকাবৃন্দ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকল ! আমাৰ অতি মৰমৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ আজি ৰূপালী জয়ন্তী উৎসৱ আৰু এই বছৰৰ নৱাগত আদৰণি উৎসৱ অনুষ্ঠানটিত আপোনালোকক দুআষাৰ ক'বলৈ পাই পৰম আনন্দিত হৈছোঁ। এই বছৰৰ সাত চেপ্তেম্বৰ তাৰিখৰ পৰাই আমাৰ এই মহাবিদ্যালয়খনিয়ে পঁচিশ বছৰত প্ৰৱেশ কৰিছে। মহাবিদ্যালয়ৰ পঁচিশ বছৰীয়া যৌৱনৰ ৰূপালী জয়ন্তী উৎসৱটি যিমান আড়ম্বৰপূৰ্ণ কৰি উদ্‌যাপন কৰিব লাগিছিল, সময়ৰ প্ৰতিকূল পৰিৱেশত সেইদৰে পাতিব পৰা নগ'ল। এই উৎসৱটি যথাযথভাৱেহে আমি পালন কৰিছোহঁক।

আমাৰ মহাবিদ্যালয়খনি আৰম্ভ কৰাৰ আগৰে পৰাই নগাঁও চহৰত এখনি নৈশ মহাবিদ্যালয়ৰ আৱশ্যকতা নগঞা ৰাইজে অনুভৱ কৰি আহিছিল। ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত নগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্ত বিংশতিতম অধিবেশনত অসমৰ সিংহ পুৰুষ স্বৰ্গীয় আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শতবাৰ্ষিকী উৎসৱো পালন কৰা হয়। সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে নগাঁও চহৰতে শেষ নিশ্বাস ত্যাগ কৰা এই মহান পুৰুষজনৰ স্মৃতি যুগমীয়া কৰিবৰ কাৰণে নগঞা ৰাইজলৈ গোহাৰি জনায়। এই নতুন উদ্যমৰ পৰিপ্ৰেক্ষিততে নগাঁৱৰ এদল গণ্যমান্য লোকে "আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়" নামেৰে এখনি নৈশ মহাবিদ্যালয় পাতিবলৈ উঠি-পৰি লাগে।

এই উদ্দেশ্যৰেই লোক সেৱক স্বৰ্গীয় হলধৰ ভূঞাৰ সভাপতিত্বত বহা এখনি মুকলি সভাত 'আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় পৰিচালনা সমিতি' এখন গঠন কৰা হয়। এই সমিতিখন স্বৰ্গীয় হলধৰ ভূঞা—সভাপতি, শ্ৰীনুৰুল ইছলাম আৰু স্বৰ্গীয় শুকদেৱ গোস্বামী উপ-সভাপতি, অধ্যাপক ললিত শইকীয়া—সম্পাদক, শ্ৰীযোগেশ চন্দ্ৰ শৰ্মাক ধন ভঁৰালী হিচাপে লৈ বাইশজন অন্য সদস্যৰে গঠিত কৰি দিয়া হ'ল। ইয়াৰ পাছত আতাউৰ ৰহমান আৰু শ্ৰীকুশদেৱ গোস্বামীক যুটীয়া সম্পাদক হিচাপে লৈ সমিতিখন পুনৰ গঠন কৰা হয়।

এই পৰিচালনা সমিতিখনৰ ঐকান্তিক চেষ্টা, নগাঁও মহাবিদ্যালয়ৰ কেইজনমান অধ্যাপকৰ ত্যাগ আৰু সদিচ্ছা, প্ৰথম দল ছাত্ৰৰ আশাশুধীয়া যত্নত ১৯৫৯ চনৰ সাত চেপ্তেম্বৰ তাৰিখে নগাঁৱৰ তৎকালীন অতিৰিক্ত চেচন জজ শ্ৰীবি. শৰ্মাদেৱে এই মহাবিদ্যালয়খনৰ শুভ উদ্বোধন কৰে। তাৰ পিছদিনাখনৰ পৰাই স্থানীয় ডচন উচ্চতৰ বহুমুখী বিদ্যালয়ত পাঠদান আৰম্ভ হয়। পৰিচালনা সমিতিৰ আহ্বানক্ৰমেই সমিতিৰ উপসভাপতি স্বৰ্গীয় শুকদেৱ গোস্বামীয়ে অধ্যক্ষৰ গুৰুভাৰ লৈ ছাত্ৰ ভৰ্ত্তিকৰণ আদি যাৱতীয় দায়িত্ব বহন কৰি অবৈতনিক-ভাৱেই কাম চলাই যায়। ১৯৬৪ চনৰ ১৬ অক্টোবৰৰ দিনা আকস্মিকভাৱে ইহলীলা সম্বৰণ কৰা পৰ্য্যন্ত তেখেত এই পদত অধিষ্ঠিত আছিল। স্বৰ্গীয় গোস্বামীদেৱৰ ত্যাগ আৰু সুযোগ্য পৰিচালনাত মহাবিদ্যালয়খনিয়ে প্ৰথম স্তৰত বহুত ঘাত-প্ৰতিঘাত অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছিল। আজিৰ এই শুভ দিনত আমি তেখেতক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ আৰু তেখেতৰ স্মৃতিৰ প্ৰতি অকুণ্ঠ সন্মান প্ৰদৰ্শন কৰিছোঁ। ভগবানে যেন তেখেতৰ আত্মাক চিৰ শান্তিত ৰাখে—তাৰবাবে প্ৰাৰ্থনা জনাইছোঁ।

১৯৫৯ চনত আই, এ ১ম বাৰ্ষিক শ্ৰেণীত ছাত্ৰৰ সংখ্যা আছিল ২৪২ জন। নগাঁও মহাবিদ্যালয়ৰ ১১ গৰাকী অধ্যাপকে (সকলোৱেই Part timers হিচাপে) পাঠদান কৰিছিল। সেই সময়ত দুজন কাৰ্য্যালয় সহকাৰী আৰু এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল।

নগাঁও আইন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীনুৰুল আমিন আৰু শ্ৰীনুৰুল ইছলাম ভাতৃদ্বয়ে দিয়া ঘৰ এটিত মহাবিদ্যালয়ৰ কাৰ্য্যালয় চলোৱা হৈছিল। এই অনুষ্ঠানটিৰ জন্ম লগনৰ অসহায় অৱস্থাত তেখেতসকলৰ এই অৱদানৰ কথা আমি কৃতজ্ঞতাৰে সোঁৱৰণ কৰিছোঁ। ১৯৫৬, ১৯৬০ আৰু ১৯৬১ চনৰ কাল-ছোৱাত প্ৰথমে ডচন উচ্চতৰ বহুমুখী বিদ্যালয়ত, তাৰ পাছত নগাঁও মহাবিদ্যালয় আৰু নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ত ছাত্ৰসকলক পাঠদানৰ দিহা কৰা হৈছিল। এই তিনিওটি অনুষ্ঠানৰ সেই সময়ৰ কৰ্তৃপক্ষলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নগাঁও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সেই মহাবিদ্যালয়ৰ এঘাৰগৰাকী অধ্যাপকক মাহিলি পঞ্চাশ টকীয়া সামান্য পাৰিশ্ৰমিক এটি লৈয়েই আমাৰ এই মহাবিদ্যালয়ৰ জন্ম দিয়াৰ অনুমোদন দিয়াৰ কাৰণেও আজি শ্ৰদ্ধাৰে শলাগ লৈছোঁ। ইতিমধ্যে প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় শুকদেৱ গোস্বামীদেৱে মহাবিদ্যালয়ৰ কাৰ্য্যালয়টি তেখেতৰ নিজা বাস-ভৱনলৈ স্থানান্তৰিত কৰে।

১৯৬০ চনত ৬৬ জন ছাত্ৰৰে তৃতীয় বাৰ্ষিক শ্ৰেণী আৰম্ভ কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৬১-৬২ চনত আই, এ

আৰু ১৯৬২-৬৩ চনত বি, এ মহলাক স্বীকৃতি দিয়ে।

এই সময়ছোৱাৰ ভিতৰতে বৰ্তমান মহাবিদ্যালয়ৰ এই ঠাই ডোখৰতে প্ৰথমে এডোখৰ মাটি কিনি উত্তৰ আৰু দক্ষিণ ফালৰ পকী ঘৰ দুটাৰ কাম আৰম্ভ কৰা হয়। লগতে বৰ্তমানৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ কাৰ্য্যালয়টিও সজোৱা হয়। গৃহ নিৰ্মাণৰ এই কাম চলি থাকোঁতেই ১৯৬১ চনৰ সোতৰ চেপ্তেম্বৰ তাৰিখৰ পৰাই অস্থায়ী টিনৰ চালিৰ তলত মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ কৰা হয়। ইতিমধ্যে বিভিন্ন বিষয়ত পাঠদানৰ কাৰণে পূৰ্ণাঙ্গ পৰ্য্যায়ৰ অধ্যাপক নিযুক্তিও দিয়া হৈছে।

১৯৫৯ চনত মহাবিদ্যালয়খনি আৰম্ভ কৰোঁতে ইংৰাজী, অসমীয়া, বঙালী, অসমীয়া ঐচ্ছিক, বুৰঞ্জী, অৰ্থনীতি, সংস্কৃত, আৰবী, শিক্ষা--এই কেইটা বিষয়ৰহে পাঠদানৰ দিহা কৰা হৈছিল। মহাবিদ্যালয়খন আৰম্ভণিৰ সময়ত ২৫০০ টকাকৈ দান দিয়াৰ কাৰণে শ্ৰীতৰুণ চন্দ্ৰ বৰদলৈ আৰু শ্ৰীইউচুফ আলি আৰু ১০০০ টকা দান দিয়াৰ কাৰণে প্ৰাক্তন স্কুল উপ-পৰিদৰ্শক শ্ৰীগোপাল চন্দ্ৰ দাসলৈ মই আজি পুনৰ অভিনন্দন জনাইছোঁ।

১৯৬৩ চনৰ জুলাই মাহৰ পৰা আমাৰ মহাবিদ্যালয়ে ৰাজ্যিক চৰকাৰৰ পৰা ১৫০০ টকীয়া এটি তদৰ্থ মঞ্জুৰী পায়। ১৯৬৪ চনৰ পহিলা এপ্ৰিলৰ পৰা এই মহাবিদ্যালয়খন ৰাজ্য চৰকাৰে ঘাটি মঞ্জুৰী অৱস্থালৈ উন্নীত কৰে। এই সময়ছোৱাৰ পাছৰে পৰাই আমাৰ মহাবিদ্যালয়খনিয়ে পুথিভঁৰাল, ছাত্ৰ-ছাত্ৰী জিৰণি কোঠা, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, ছাত্ৰ-ছাত্ৰী সাহায্য পুঁজি, খেলাধূলা আদি বিভিন্ন শিতানত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু ৰাজ্যিক চৰকাৰৰ পৰা সাময়িক সাহায্য পাবলৈ সমৰ্থ হৈছে। ১৯৬৫ চনতে মহাবিদ্যালয় কৰ্তৃপক্ষই ২,৫০,০০০ টকাৰ পৰিকল্পনাৰে এটি দুমহলীয়া ঘৰ সজোৱাৰ কাম হাতত লয় আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু ৰাজ্যিক চৰকাৰৰ অনুদানৰ লগত সংগতি ৰক্ষা কৰি ২,৬১, ০০০.০০ টকাৰ খৰচৰে ১৯৬৮ চনত এই ঘৰটি সম্পূৰ্ণ কৰা হয়। ১৯৬৮ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱত এই ভৱনটি 'লক্ষ্মীনাথ বেজবৰুৱা ভৱন' নামেৰে অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাদেৱৰ দ্বাৰা মুকলি কৰোৱা হয়।

১৯৭০-৭১ চনৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ সমূহীয়া অকুণ্ঠ সাহায্য আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৭০,০০০ টকাৰ সহায়ত, ১৯৭৬-৭৭ চনত "নন্ ৰেচিডেন্ট্ ষ্টুডেন্ট চেণ্টাৰ" ভৱনটি সম্পূৰ্ণ হৈ উঠে। পাঁচ বছৰৰ আগতেই ছাত্ৰবাসৰ দুই মহলীয়া ঘৰ এটাৰ পৰিকল্পনা হাতত লৈ কাম আৰম্ভ কৰা হৈছিল যদিও এৰিব নোৱাৰা নানা অসুবিধাত পৰি এই ছাত্ৰাবাসটিৰ এটা অংশতহে ছাত্ৰ থকাৰ ব্যৱস্থা কৰিব পৰা হৈছে। আমি আশা ৰাখিছোঁ, অদূৰ ভৱিষ্যতেই এই কাম সম্পূৰ্ণ হৈ উঠিব।

মহাবিদ্যালয়খনি এই ঠাইত আৰম্ভ কৰাৰে পৰাই আহলবহল মাটিৰ অভাৱে এটি প্ৰধান অন্তৰায় হৈ পৰিছে। পূৰ্বৰ মাটিখিনিৰ আশে পাশে সময়ে সময়ে অধিক চ'ৰা দামত কম কমকৈ একোডোখৰ মাটি কিনি থাকিবলগীয়া হৈছে। এইদৰে কিনি থকাৰ কাৰণেই বৰ্তমান মহাবিদ্যালয় চৌহদত মুঠ ৯ বিঘা ১ কঠা মাটি হৈছেগৈ। তাৰ কাৰণে যথেষ্ট পৰিমাণৰ ধনো খৰচ কৰিবলগীয়া হৈছে যদিও এইখিনিয়েই এখন মহাবিদ্যালয়ৰ বাবে যথেষ্ট মাটি নহয়।

বৰ্তমান মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত ১৭,০০০ৰ অধিক কিতাপ আছে। প্ৰায় দুকুৰিখনমান সাময়িকী আলোচনী আৰু বাতৰি কাকত লোৱা হয়।

১৯৬৫ চনৰ পৰাই আমাৰ মহাবিদ্যালয়ত সন্মানৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। প্ৰথমতে অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু বুৰঞ্জী বিষয়তহে খোলা হৈছিল যদিও কেইবছৰমানৰ ভিতৰতে অসমীয়া, শিক্ষা সংস্কৃত, আৰবী, ভূগোল আৰু গণিত--এই ৯ টা বিষয়ত সন্মানৰ পাঠ্যক্ৰম খোলা হয়। এই বিষয়কেইটাত উল্লেখযোগ্য সুখ্যাতিৰে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হৈছে। অৰ্থনীতি, বুৰঞ্জী, সংস্কৃত, আৰবী আৰু ভূগোল বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিও আমাৰ গৌৰৱ আনিছে। প্ৰাক বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ পৰীক্ষাত সাধাৰণভাৱে উত্তীৰ্ণ হোৱাৰ হাৰ বিশ্ববিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰতকৈ সদায়েই ওপৰত থাকে কাৰণে আমি গৌৰৱ অনুভৱ কৰোঁ।

নগাঁও জিলাত বিজ্ঞান শাখা থকা দ্বিতীয় এখন মহাবিদ্যালয় আমাৰ এই অনুষ্ঠানটিতেই আৰম্ভ কৰিবলৈ নেৰানেপেৰা চেষ্টা চলাই অহা হৈছিল যদিও সি কাৰ্য্যত পৰিণত হোৱা নাছিল। অৱশেষত ১৯৭৮ চনৰ শিক্ষা বছৰত আমাৰ এই মহাবিদ্যালয়ত কেৱল স্নাতক মহলাতহে বিজ্ঞান শাখা খুলিবলৈ চৰকাৰে অনুমতি দিলে। সেই অনুসাৰে সেই বছৰ স্নাতক মহলাৰ বিজ্ঞান শাখা খোলা হ'ল। অৱশ্যে ১৯৭৯ চনত পুনৰ প্ৰাক্ বিশ্ববিদ্যালয় স্তৰতো খোলাৰ অনুমতি পাবলৈ আমি সমৰ্থ হলোঁ। আগৰ গণিত আৰু ভূগোলৰ লগত নতুনকৈ ৰসায়ন, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান খোলা হ'ল। সেইদৰেই প্ৰাক্ বিশ্ববিদ্যালয় স্তৰতো গণিত, ভূগোল, ৰাসায়ন, পদাৰ্থ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞানৰ বিষয় খোলা হল। দিবা আৰু নৈশ--এই দুয়োটা বিভাগতে পাঠদান দিয়াৰ ব্যৱস্থা হ'ল। কিন্তু আৰম্ভণীৰ দিনৰে পৰাই নানা অনুনয় বিনয় কৰিও ৰাজ্যিক চৰকাৰৰ দ্বাৰা এই বিজ্ঞান শাখাটো ঘাটি মঞ্জুৰী অৱস্থালৈ অনাব পৰা নাই। এই আহুকলীয়া পৰিস্থিতিৰ কাৰণে নিযুক্তি দিয়া অধ্যাপক অধ্যাপিকাসকলক স্বাভাৱিক প্ৰাপ্য দৰমহা দিব পৰা নাই; বিজ্ঞান শাখাৰ পাঠদানৰ কাৰণে আৱশ্যকীয় ঘৰ সজাব পৰা নাই। আমাৰ ওচৰতে থকা নগাঁও আইন মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সেই মহাবিদ্যালয়ত দিনত বিজ্ঞান শাখাৰ পাঠদানৰ ঠাই দিয়াতহে আমি অসুবিধাৰ মাজেৰেই চলিবলৈ সমৰ্থ হৈছোঁ। আজিৰ এই শুভ মুহূৰ্তত, নগাঁও আইন মহাবিদ্যালয়ৰ গুণগ্ৰাহী কৰ্তৃপক্ষক মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। যোৱা তিনি চাৰিটা বছৰত আমাৰ বিজ্ঞান

শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত সুখ্যাতিৰে কৃতকাৰ্য্য হৈছে। এই বছৰৰ স্নাতক পৰীক্ষাত ভূগোলৰ সন্মানৰ পাঠ্য-ক্ৰমত এজনে ১ম শ্ৰেণীৰ চতুৰ্থ স্থান, এজনে গণিতত ২য় শ্ৰেণীৰ স্থান আৰু আন এগৰাকী ছাত্ৰীয়ে ডিষ্টিংচন সহ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ তালিকাত ১ম স্থান অধিকাৰ কৰি আমাৰ গৌৰৱ বঢ়াইছে।

খেলাধূলা, তৰ্ক প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা আদিৰ বিষয়তো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিগত বছৰ-কেইটাত যথেষ্ট সুনাম অৰ্জন কৰি আহিছে। মহাবিদ্যালয়ৰ নিজা বৰীয়াকৈ এখন মুকলি খেল-পথাৰ নথকাৰ কাৰণে আমি সদায় এটি এৰিব নোৱাৰা আহুকালৰ সন্মুখীন হৈ আহিছো। তথাপি উদ্দীপনাৰ অভাৱ ঘটিছে বুলি ক'ব নোৱাৰোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্পৰ্টচ বোৰ্ডৰ অনুৰোধক্ৰমে ১৯৬৫ চনত আমাৰ মহাবিদ্যালয়ে আন্তঃ বিশ্ববিদ্যালয় ফুটবল প্ৰতি-যোগিতা পৰিচালনা কৰে। ১৯৬৯ চনত গুৱাহাটী বিশ্ববিদ্যা-লয়ৰ ক্ৰীড়া মহোৎসৱ আৰু ১৯৭২ চনত আন্তঃকলেজ হকী প্ৰতিযোগিতা দক্ষতাৰে পৰিচালনা কৰে। ১৯৭৫ চনতো আমাৰ মহাবিদ্যালয়ে পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া মহোৎসৱ সুচাৰুৰূপে পৰিচালনা কৰে আৰু এই সমাৰোহত আমাৰ মহাবিদ্যালয়ৰ দলটি শ্ৰেষ্ঠ দল ৰূপে পৰিগণিত হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যিক স্পৰ্টচ বোৰ্ডৰ পৰা ৰাষ্ট্ৰীয় বৃত্তি পাবলৈকো সমৰ্থ হৈছে।

১৯৬৩ চনৰ পৰাই আমাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণৰ সুবিধা দি অহা হৈছে। ১৯৬৩ চনতেই উপাধ্যক্ষ শ্ৰীনাৰায়ণচন্দ্ৰ বৰ্মন আৰু তাৰ পাছত শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীনৰেন্দ্ৰ নাথ শইকীয়াই প্ৰশিক্ষণ লৈ আহি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ভাৰপ্ৰাপ্ত শিক্ষক হিচাপে কাম কৰি আহিছে। ১৯৭৯ চনত উপাধ্যক্ষ শ্ৰীবৰ্মনে এই বিভাগৰ পৰা অৱসৰ লোৱাত ভূগোল বিভাগৰ অধ্যাপক শ্ৰীখগেন্দ্ৰ মেহেলাই প্ৰশিক্ষণ লৈ আহিছে। আমাৰ মহাবিদ্যালয়ত যি সকলে প্ৰশি-ক্ষণ লৈছিল--তাৰ ভিতৰত বহুতেই ভাৰতীয় সেনা বাহিনীত, আৰক্ষী বিভাগত আৰু অন্যান্য বৃত্তিত সোমাই পৰিছে। শ্ৰীকৃষ্ণ শৰ্মা নামৰ এজন ছাত্ৰই বৰ্তমান সেনাবাহিনীত মেজৰ হিচাপে কাম কৰি আছে। এই বাহিনীৰ বছেৰেকীয়া শিবিৰ বিলাকত আমাৰ ছাত্ৰই প্ৰতিযোগিতাসমূহত কৃতিত্ব দেখুৱাই আহিছে। সৰ্বভাৰতীয় শিবিৰ বিলাকতো পাৰদৰ্শিতা অৰ্জন কৰিছে। ১৯৮১ চনৰ পেৰাচুট ট্ৰুপিং কৰ্চত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীপাৰ্থপ্ৰতিম মহন্তই বিশেষ সুনাম অৰ্জন কৰে। ১৯৮২ চনৰ পৰ্বত আৰোহণ শিবিৰত অংশ গ্ৰহণ কৰি প্ৰদীপ শইকীয়াই সৰ্বভাৰতীয় সন্মান লাভ কৰিছে। বৰ্তমান আমাৰ মহাবিদ্যা-লয়ত এটা ট্ৰুপে প্ৰশিক্ষণ লৈ আছে।

১৯৭০ চনৰ পৰাই আমাৰ মহাবিদ্যালয়খন জাতীয় সমাজ-সেৱা আঁচনিৰ অন্তৰ্ভুক্ত কৰা হয়। অসমৰ কেইখনমান বছা বছা মহাবিদ্যালয়ত এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এই আঁচনি অনুসৰি ৰাষ্ট্ৰীয় অনুদান লৈ বিভিন্ন পিছপৰা অঞ্চলত শিবিৰ পাতি ছাত্ৰ-ছাত্ৰীসকলে জনকল্যাণ কাৰ্য্যসমূহ সম্পাদন কৰে। ডঃ মলয় কুমাৰ ৰয়ৰ তত্ত্বাৱধানত এই বাহিনীটোৱে উল্লেখযোগ্য সফলতাৰে কাম চলাই আহিছে। ১৯৭৩ চনত ডিফুত "দুভিক্ষৰ বিৰুদ্ধে যুৱক" আঁচনিত বিশ-দিনীয়া শিবিৰ; ১৯৭৫ চনত ধিং অঞ্চলৰ দহখন গাঁৱত ২০ দিনীয়া শিবিৰ; ১৯৭৬ চনত মৰিগাঁৱৰ আঠখন গাঁৱত ১০ দিনীয়া শিবিৰ; ১৯৭৭ চনত নগাঁও পৌৰ সভা এলেকাত ১০ দিনীয়া শিবিৰ; ১৯৭৮ চনত ৰহা দীঘলীআটি অঞ্চলৰ আঠখন গাঁৱত ১০ দিনীয়া শিবিৰ; ১৯৮১ চনত পুৰণি গুদামত সাত-দিনীয়া শিবিৰ; ১৯৮২ চনত চহৰীয়া জনজাতীয় অঞ্চলত ১০ দিনীয়া শিবিৰ অনুষ্ঠিত হৈ যায়। এই বিভিন্ন শিবিৰসমূহত অসম চৰকাৰৰ জনস্বাস্থ্য বিভাগ, বন বিভাগ, কৃষি আৰু মীন বিভাগ আৰু জন সংযোগ আৰু প্ৰচাৰ বিভাগৰ সহায় সহ-যোগিতা সদায় পাই অহা হৈছে। ইয়াৰ ওপৰিও প্ৰতি বছৰত একাধিক সাধাৰণ শিবিৰ পাতি সমাজসেৱা আগবঢ়োৱা হয়। এই আঁচনিৰ জৰিয়তেই ১৯৭৮ চনৰ পৰা "প্ৰাপ্ত বয়স্কৰ সাক্ষৰতা অভিযান"ৰ কামো হাতত লোৱা হয়। নগাঁও জিলাৰ মুঠ ১১ টা কেন্দ্ৰত এই আঁচনিৰ যোগেদি শিক্ষা দান কৰি মুঠ ৩৩০ জন শিক্ষাৰ্থীক শিক্ষিত পৰ্য্যায়লৈ তুলি প্ৰমাণ-পত্ৰ দিয়া হৈছে।

বৰ্তমান আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আপে-ক্ষিকভাৱে বৃদ্ধি হৈছে। ১৯৮৩ চনত মুঠ ২৪০৫ ছাত্ৰ-ছাত্ৰী আছে। তাৰে কলা বিভাগত--

| | | |
|---|---|---|
| প্ৰাক-বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত | দিনত | ৩২৬ জন |
| | ৰাতি | ৮৫ " |
| | মুঠ-- | ৪১১ জন |
| প্ৰাক-বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকৰ | দিনত | ৩১৩ জন |
| | ৰাতি | ৮০ " |
| | মুঠ-- | ৩৯৩ জন |
| স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ | দিনত | ২৮০ জন |
| | ৰাতি | ১৮৯ জন |
| | মুঠ-- | ৪৬৯ জন |
| স্নাতক শ্ৰেণীৰ দ্বিতীয় বাৰ্ষিকৰ | দিনত | ২৩৩ জন |
| | ৰাতি | ৬৫ জন |
| | মুঠ-- | ২৯৮ জন |

কলা বিভাগৰ শ্ৰেণীসমূহত মুঠ ১৫৭১ জন ছাত্ৰ-ছাত্ৰী আছে। বিজ্ঞান বিভাগত---

| | | |
|---|---|---|
| প্ৰাক-বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিকৰ | দিনত | ১৩২ জন |
| | ৰাতি | ১১৮ জন |
| | মুঠ-- | ২৫০ জন |
| প্ৰাক-বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকৰ | দিনত | ১৫০ জন |
| | ৰাতি | ৬১ জন |
| | মুঠ-- | ২১১ জন |

| | | |
|---|---|---|
| স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ | দিনত | ১১৬ জন |
| | ৰাতি | ১০৫ জন |
| | মুঠ-- | ২২১ জন |
| স্নাতক শ্ৰেণীৰ দ্বিতীয় বাৰ্ষিকৰ | দিনত | ৮১ জন |
| | ৰাতি | ৭১ জন |
| | মুঠ-- | ১৫২ জন |

বিজ্ঞান বিভাগৰ শ্ৰেণীসমূহত মুঠ ৮৩৪ জন ছাত্ৰ-ছাত্ৰী আছে। এই দুয়োটা বিভাগতে নাম ভৰ্তিকৰণৰ কাৰণে আবেদন কৰা ভালেমান ছাত্ৰ-ছাত্ৰীক আমি সুবিধা দিবলৈ অপাৰগ হোৱাৰ কাৰণে আমি দুখিত।

বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ কলা বিভাগত মুঠ পোন্ধৰটা বিষয়ত পাঠদান কৰা হয়। তাৰে ৯ টা বিষয়ত সন্মানৰ পাঠ্যক্ৰম আছে। সেইদৰে বিজ্ঞান বিভাগতো মুঠ ১০টা বিষয়ত পাঠদান কৰা হয়। তাৰে দুটা বিষয়ত সন্মানৰ পাঠ্যক্ৰম আছে। অধ্যক্ষক ধৰি এতিয়া আমাৰ মহাবিদ্যালয়ত মুঠ ৬১ গৰাকী অধ্যাপক অধ্যাপিকা আছে। তাৰ ভিতৰত ৪৫ জনৰহে চৰকাৰী অৰ্থ অনুমোদন পোৱা হয়। ১৫ জনৰ দৰমহা মহাবিদ্যালয়ৰ নিজা পুঁজিৰ পৰাই বহন কৰিব লাগে। আন এগৰাকী অংশকালীন অধ্যাপিকাৰ দৰমহাও নিজা পুঁজিৰ পৰাই দিবলগা হয়। এইদৰেই মহাবিদ্যালয়ৰ আৰ্থিক দিশটোৱে আমাক স্বাভাৱিক অগ্ৰগতিত বাধা দি আহিছে।

আজি এইখিনিতে মই স্বীকাৰ কৰোঁ যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষানুষ্ঠানৰ অত্যাৱশ্যকীয় সা-সুবিধাখিনিৰ যোগান আমি ধৰিব পৰা নাই। যি সামান্যভাৱে আগবঢ়া হৈছে, আঢ়ৈ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠান এটাত সি নিচেই সামান্য। মই আশা ৰাখিছোঁ যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ধৈৰ্য আৰু উদ্যম নেহেৰুৱাই আমাৰ অৱস্থাৰ লগত সহযোগিতাৰে আগবাঢ়িলে আমি আগুৱাই যাব পাৰিম। আমাৰ শিক্ষকসকলোকো দিবলগীয়া সা-সুবিধাখিনি আমি দিব পৰা নাই। তেখেতসকলেও অৱস্থাৰ গুৰুত্ব বুজি অভাৱ-অনাটনলৈ আওকাণ কৰি, ছাত্ৰ-ছাত্ৰীক পাঠদানৰ মূল বিষয়টোৰ প্ৰতি সদা সতৰ্ক হৈ থকাৰ কাৰণে মই আন্তৰিকতাৰে তেখেতসকলৰ শলাগ লৈছোঁ।

আজিৰ এই ৰূপালী জয়ন্তী উৎসৱৰ দিনত, আমাৰ এই মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰাই জড়িত হৈ থকা পৰলোকগত ব্যক্তিসকলক পৰম শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। তেখেতসকলৰ আদৰ্শ আৰু আশীষবাণী আমাৰ জীৱনৰ চিৰকালেই পথ প্ৰদৰ্শক হৈ ৰ'ব। ব্যক্তিগতভাৱে কৃতজ্ঞতা জনাবলৈ অপাৰগ হৈ, আজি এই শুভক্ষণতে আমাৰ মহাবিদ্যালয়ৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত সকলো শুভাকাংক্ষীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। এই সুদীৰ্ঘ পঁচিশ বছৰ কালছোৱাত এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি যোৱা সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীলৈ মই হিয়াভৰা ওলগণি জনাইছোঁ। সেই সকল ব্যক্তিলৈ মোৰ এটি সবিনয় অনুৰোধ যে তেখেতসকলে এই মহাবিদ্যালয়খনিলৈ সদায় চেনেহৰ দৃষ্টিৰে চায় আৰু দিহা-পৰামৰ্শৰ সহযোগিতাৰে আমাৰ অগ্ৰগতিত সহায় কৰে।

আমাৰ মহাবিদ্যালয়ৰ পৰা অৱসৰ লোৱা বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় কন্দৰ্পদেৱ গোস্বামী আৰু আৰবী বিভাগৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় আবু নছৰ ৱাহেদলৈ আজি এই ৰূপালী জয়ন্তী উৎসৱত আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

নৱাগত আদৰণী উৎসৱটিও একেলগেই উদ্‌যাপিত হৈছে যেতিয়া এই বছৰত প্ৰাক্-বিশ্ববিদ্যালয় আৰু স্নাতক মহলৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীসকললৈ মই আন্তৰিকতাৰে আদৰণি জনাইছোঁ। তেখেতসকলে উচ্চ শিক্ষাৰ এটি উজ্জ্বল আশা লৈ ইয়ালৈ আহিছে আৰু সেই উদ্দেশ্য পৰিপূৰণৰ কাৰণে মই কামনা কৰিছোঁ। আমাৰ মহাবিদ্যালয়ৰ পূৰ্বৰ সন্মানৰ আৰু অধিক শ্ৰীবৃদ্ধি আনিব বুলি আমি আশান্বিত হৈছোঁ। সমাজ জীৱনৰ প্ৰতিযোগিতাত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীকে আহ্বান জনাইছোঁ। মহাভাৰতত কৰ্ণই কোৱাৰ দৰেই "দৈবায়ত্তম্‌কুলে জন্ম মদায়ত্বং তু পৌৰুষাম্" অৰ্থাৎ দৈব শক্তিৰ অধীনৰ আমি যি কোনো জাতি বা ধৰ্মতেই জন্ম গ্ৰহণ নকৰো লাগিলে, মানৱীয় পুৰুষালি আমি নিজেহে আয়ত্ত কৰিব পাৰিম। জাতি, ধৰ্ম, ধনী-দুখীয়াৰ প্ৰভেদ পৰিহাৰ কৰিবলৈ শিকি প্ৰেম আৰু একতাৰ শক্তিৰে সকলো ছাত্ৰ-ছাত্ৰীয়ে উন্নতিৰ পথত অগ্ৰসৰ হ'ব বুলি বান্‌ছা কৰিছোঁ।

ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া পুৰুষসিংহ স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত আৰু আদৰ্শত আমাৰ এই মহাবিদ্যালয়খনি উৎসৰ্গা কৰা হৈছে। মহাবিদ্যালয়খনিৰ নামটিৰ লগতে সমগ্ৰ অসমীয়াৰ এটি আবেগিক সহানুভূতিৰ সংযোগ আছে। পুৰণি অসমৰ এটি সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰি উপযুক্ত শিক্ষা অৰ্হতাৰে মিছনেৰীসকলৰ সহযোগিতাত ঊনবিংশ শতিকাৰ আগভাগত অসমৰ ঐতিহ্যপূৰ্ণ ভাষা-সংস্কৃতিৰ ওপৰত বঙালীসকলৰ অবান্‌ছনীয় আধিপত্য উফৰাবলৈ চেষ্টা কৰোতা তেৱেঁই আছিল প্ৰথম আৰু শ্ৰেষ্ঠ অসমীয়া লোক। তেওঁৰ অদমনীয় সাহস, শ্ৰেষ্ঠ ব্যক্তিত্ব, গভীৰ পাণ্ডিত্য, কৰ্মময় জীৱন জাতীয়তাবোধ, অসমীয়া ভাষা-সাহিত্যৰ গভীৰ অনুৰাগে তেওঁক এজন অগ্ৰগণী ভাৰতীয় তথা সৰ্বশ্ৰেষ্ঠ অসমীয়া হিচাপে গঢ়ি তুলিছিল। তেওঁৰ একেবাৰে চমু জীৱনৰ কাৰ্যকালে আজিৰ অসমীয়াক সঞ্জীৱিত কৰি ৰাখিছে। এইজনা মহান পুৰুষৰ আদৰ্শ যাতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে হৃদয়ঙ্গম কৰি সৎ আদৰ্শ আৰু মহৎ কৰ্মেৰে গৌৰৱ অৰ্জন কৰিব পাৰে--তাৰ কাৰণে সদায় জাগ্ৰত থকা উচিত। এই মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱপূৰ্ণ ঐতিহ্য যাতে ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰীৰ তথা অসমীয়াৰ আদৰ্শৰ, প্ৰেৰণাৰ উৎস হয়, তাৰ কাৰণে যত্নবান হ'ব বুলি আশা ৰাখিলোঁ।

সদৌ শেষত, আপোনালোকক আদৰ অভ্যৰ্থনা কৰোতে নানা ত্ৰুটি-বিচ্যুতিৰ কাৰণে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। আনন্দৰাম ঢেকিয়াল ফুকনৰ আদৰ্শ আৰু সপোনৰ বাস্তৱ ৰূপায়ণ আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ। নমস্কাৰ।

ইতি---

ৰাইজৰ আশীৰ্বাদ প্ৰাৰ্থী

মোঃ আব্দুল হা

অধ্যক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক।

# আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উছৱ উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

আনন্দৰাম ঢেকিয়াল ফুকন এটি ঐতিহ্যপূৰ্ণ নাম। অসমৰ অসমৰ এজনা প্ৰাতস্মৰণীয় ব্যক্তিৰ নামেৰে এই বিদ্যালয়খনি স্থাপিত হৈছে। আৰম্ভনিতে মই এই মহাবিদ্যালয় স্থাপন কৰোঁতা সকললৈ আৰু এই মহাবিদ্যালয়খনলৈ সহায় সহযোগ আগবঢ়োৱা সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

১৯৫৯ চনৰ ৭ চেপ্তেম্বৰ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম হয়। আজি ১৯৮৩ চনত ২৫ বছৰত ভৰি দিছেহি। আজি আমি অতি আনন্দৰে এই মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উছৱ উদ্‌যাপন কৰিবলৈ ওলাইছোঁ। মহাবিদ্যালয়খনিৰ লগত ভালেমান ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীৰ অশেষ ত্যাগ আৰু কষ্ট জড়িত হৈ আছে। এই সকললৈকো পুনৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা আগবঢ়াইছোঁ।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উছৱৰ প্ৰাৰম্ভিক কাম ১৯৮৩ চনৰ ১১ জুলাইৰ পৰা আৰম্ভ হৈছিল। যদিও দেশৰ পৰিস্থিতি আৰু এই পৰিপ্ৰেক্ষিতত কিছুমান মনে সজা গোচৰত আমি কাৰাৰুদ্ধ হ'ব লগীয়া হোৱাত প্ৰায় উছৱৰ যাৱতীয় কাম-কাজ আৰম্ভ কৰাত পলম হয়। কাৰাগাৰৰ পৰা মুক্তি পাই অলপ সময়ৰ ভিতৰতে এই উছৱটি পালন কৰিবলৈ আয়োজন কৰা হয়। কিন্তু এই ক্ষেত্ৰত সমস্যা আহি পৰে অৰ্থৰ। বৰ্তমান পৰিস্থিত অৰ্থসংগ্ৰহো জটিলতৰ হৈ পৰাত অগত্যা অনুষ্টুপীয়াকৈয়ে এই পৱিত্ৰ উছৱটি সম্পাদন কৰিবলৈ ঠিক কৰা হয়।

উদ্‌যাপন সমিতিৰ লক্ষ্য আছিল উছৱটিৰ মাজেৰে মহাবিদ্যালয়খনৰ উন্নয়নৰ কাৰণে কাম কৰা। কিন্তু অনিবাৰ্য্য কাৰণবোৰে এই সন্দৰ্ভৰ সকলো আঁচনিকে পৰিহাৰ কৰাৰ বাহিৰে গত্যন্তৰ নাৰাখিলে। সেয়ে ৰাইজৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

মহাবিদ্যালয়খন স্থাপন হোৱা দিনৰে পৰা ধৰি আজিলৈকে এই কালছোৱাৰ ভিতৰত মহাবিদ্যালয়ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত প্ৰতিস্থাপক অধ্যক্ষ শুকদেৱ গোস্বামীদেৱৰ লগতে যিসকল মহান ব্যক্তিক আমি হেৰুৱালো, সেই সকলোকে আজি এই পৱিত্ৰ ক্ষণত আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু সেই প্ৰয়াত ব্যক্তিসকলৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

ৰূপালী জয়ন্তী উছৱৰ সাফল্যৰ বাবে সহৃদয় ৰাইজ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰী আৰু কৰ্মচাৰীবৃন্দই সাধ্যানুসাৰে দান-বৰঙনি আগবঢ়াইছে। এখেতসকল সদৌটিৰে এনে সহায় সহযোগ অবিহনে ৰূপালী জয়ন্তী উছৱ কেতিয়াও সফল নহ'লহেঁতেন। উদ্‌যাপন সমিতি এই সকলোৰে ওচৰত কৃতজ্ঞ।

মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়ত্ৰী বিভিন্ন বিভাগৰ উপসমিতিৰ সমবেত প্ৰচেষ্টা সত্বেও ৰূপালী জয়ন্তী উছৱ উদ্‌যাপন কৰাৰ ক্ষেত্ৰত আমাৰ জ্ঞাত অজ্ঞাতসাৰে যথেষ্ট ত্ৰুটি থাকি গৈছে। সহৃদয় ৰাইজ আৰু সন্মানিত অতিথিসকলৰ প্ৰতি আগবঢ়োৱা সেৱা শুশ্ৰূষাৰ ক্ষেত্ৰতো আমাৰ বহুতো ত্ৰুটি-বিচ্যুতি থাকিব পাৰে। সেয়েহে উদ্‌যাপন সমিতিৰ হৈ আমি সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

**তৰুণ চন্দ্ৰ শইকীয়া**
সম্পাদক,
ৰূপালী জয়ন্তী উছৱ উদ্‌যাপন সমিতি,
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়।

# সম্পাদকীয়

ইতিহাস মৰহি নাযায়, সময়ৰ সাক্ষীৰূপে সাৰে থাকে। অসমৰ উচ্চ শিক্ষাৰ ইতিহাসত স্থিতি আৰু কৃতীৰে এটি গৌৰৱ উজ্জ্বল ঐতিহ্য সৃষ্টি কৰি, আনন্দৰাম ঢেকিয়াল ফুকন মহাবি ইতিমধ্যে পঁচিশটি বছৰ পূৰ্ণ কৰিছেহি। এই ক্ষণত এৰি অহা ২৫টি বছৰক এবাৰ সশ্ৰদ্ধভা চাই ভৱিষ্যতৰ বাবে প্ৰেৰণা আৰু প্ৰত্যয় আহৰণ কৰাৰ মানসেৰে এই মহাবিদ্যালয়ৰ ৰূপালী উছৱৰ আয়োজন কৰা হৈছে। একুৰি পাঁচ বছৰীয়া মহাবিদ্যালয়ৰ ইতিহাসত বহু ব্যক্তি বহু ধৰণে হৈ পৰিছিল। সেইসকলৰ বহুতকে কালে হৰণ কৰিছে। যিসকলৰ চিন্তা সক্ৰিয় চেষ্টাই মহাবিদ স্থিতি লাভ কৰাত সহায় কৰিছিল, সেই ব্যক্তিসকললৈ শ্ৰদ্ধাঞ্জলি যাচিছোঁ। চিৰদিনলৈ বিদায় শুভানুধ্যায়ীসকলৰ ভিতৰত প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামী অন্যতম। ঢেকিয়াল ফুকনৰ কৰ্মৰ বাণী আৰু উদ্যোগ এয়ে আছিল এখেতৰো জীৱনৰ ব্ৰত।

এই মহাবিদ্যালয়ৰ পৰাই বহুতো শিক্ষক আৰু ছাত্ৰই তেখেতসকলৰ বিদ্যানুৰাগ দেখুৱাই শিখৰত স্থান লৈছেগৈ। তাৰবাবে আমি নিজেই গৌৰবান্বিত। সময়ৰ লগে লগে এই মহাবিদ পৰিসৰ বাঢ়ি আহি বৰ্তমান সমগ্ৰ অসমৰ ভিতৰতে এখনি উচ্চমানবিশিষ্ট মহাবিদ্যালয় ৰূপে ডি উঠিছে। বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাসমূহত এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট সন্তোষ ফলাফল দেখুৱাই আহিছে। এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ লুকাই থকা অনুভূতি বুদ্ধিমত্তাৰ নতুন প্ৰেৰণাৰে বিভিন্ন স্থানত অৱস্থিত হৈছে।

ৰূপালী জয়ন্তী উছৱ ঃ—আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ৰূপালী জয়ন্তীৰ প্ৰাৰম্ভিক ১৯৮৩ চনৰ ১১ জুলাইৰ পৰা আৰম্ভ হৈছিল। উছৱৰ লগত সঙ্গতি ৰাখি ৰূপালী জয়ন্তী উদ্‌যাপন সমি এখনি পূৰ্ণাঙ্গ স্মৃতিগ্ৰন্থ প্ৰণয়নৰ আঁচনি লৈছিল। কিন্তু বিভিন্ন এৰাই চলিব নোৱৰা কাৰণত স্মৃতি কাম আৰম্ভ কৰা হয় ১২।১০।৮৩ তাৰিখৰ পৰাহে। সেই তাৰিখতে এই স্মৃতি-গ্ৰন্থৰ গুৰু দায়িত্ব বিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিয়ে এই অভাজনৰ ওপৰত দিয়ে। এই গতে অধ্যক্ষকে ধৰি উদ্‌যাপন সমিতিত সমূহ সদস্যলৈ মোৰ কৃতজ্ঞতা থাকিল।

খুউব কম সময়ৰ ভিতৰত ইমান বৃহৎ এটি অনুষ্ঠানৰ স্মৃতি-গ্ৰন্থ ছপাই উলিয়াবলৈ যদিও অ ধৈৰ্য্য আৰু পৰিশ্ৰমৰো পৰিচয় পোৱা গ'ল। ইতিমধ্যে চলি থকা অসমত বিদেশী নাগৰিক বহিষ্ক আন্দোলনৰ পৰিপ্ৰেক্ষিতত ৰূপালী জয়ন্তী উদ্‌যাপনৰ দিন সাল-সলনি কৰিব লগা হয়। তাৰ বৰ্তমান চলি থকা বিভিন্ন অশান্তিয়ে ইয়াত হেঙাৰ হিচাপে থিয় দিয়ে। এই বিষয়ে বৰ্তমান চেতন ব্যক্তিসকলৰ আগত অৱগত কৰাৰ নিষ্প্ৰয়োজন। স্মৃতিগ্ৰন্থৰ বিভিন্ন লেখনিসমূহ আমালৈ পঠিয়াবলৈ ব কাকতত জাননী দি, পত্ৰৰে যোগাযোগ কৰি, ব্যক্তিগতভাৱে পৰিচয় হৈ প্ৰৱন্ধ আদি লেখকসকলৰ পৰা বি হৈছিল। কিন্তু ইমান কম সময়ৰ ভিতৰত লিখকসকলে তেখেতসকলৰ লিখনিসমূহ পঠিয়াব নোৱা বা পঠিয়াওৱা পলম হোৱাত স্মৃতি-গ্ৰন্থখনিৰ প্ৰবন্ধ-পাতি আমাৰ উদ্দেশ্যমতে আৰু স্মৃতি-গ্ৰন্থৰ নি স্থানত ছপা কৰিব নোৱাৰাত আমাৰ মনত খেদ ৰৈ গ'ল। তাৰবাবে সম্পাদনা সমিতিক কোনেও জগৰত নেপেলায়। যিসকলৰ লিখনিসমূহ স্মৃতি-গ্ৰন্থত বিশেষ কাৰণত স্থান দিব পৰা নগ'ল তাৰ তেখেতসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনাইছোঁ।

স্মৃতি-গ্ৰন্থখনি পূৰ্ণাঙ্গ কৰিবলৈ এই প্ৰসঙ্গৰ অনেক সমল সংগ্ৰহৰ কাৰণে সময়ৰ অভাৱত ৰ'ল। এই ক্ষেত্ৰত উদ্দেশ্য আৰু লক্ষ্যৰ লগত সঙ্গতি ৰাখি এখন বিশুদ্ধ সেউজ-পত্ৰ ( blue pri ৰচনা কৰিব নোৱাৰাটোও এটা ডাঙৰ খুঁত হৈ থাকিল। তাৰ উপৰি আৰ্থিক দিশটোলৈ লক্ষ্য ৰ মহাবিদ্যালয়ৰ নিয়মীয়া মুখপত্ৰ 'আনন্দলেখা'খনো ইয়াৰ লগতে সাঙুৰি দিব লগা হৈছে। দেখাত এই বিসদৃশ যেন লাগিলেও দৰাচলতে এৰাই চলিব নোৱৰা কাৰণতে দুয়ো খণ্ড একেলগ কৰিবলগীয়া হ' সকলো কথা বিবেচনা কৰি সহৃদয়তাৰে আমাৰ প্ৰচেষ্টা গ্ৰহণ কৰিলে শ্ৰম সাৰ্থক হৈছে বুলি ভাবি

স্মৃতি-গ্ৰন্থখনি সম্পাদনৰ ক্ষেত্ৰত আমাক এই সকল ব্যক্তিয়ে অপৰিসীম সহায় আগবঢ়ায় অধ্যক্ষ আব্দুল হাই, ডঃ নৰেন কলিতা, ভৱকান্ত শৰ্মা, হীৰেণ শইকীয়া, পুষ্পকান্ত বৰা, ৰবীন চন্দ্ৰ ব ডঃ মলয় কুমাৰ ৰয়, ললিত শইকীয়াদেৱে। বেটুপাতটো চাই পুনৰ সংশোধন কৰি দি আৰু শ্ৰ তৰ্পণ প্ৰতীকটোও অংকণ কৰি দি যশস্বী শিল্পী প্ৰণৱ বৰুৱাদাই কৃতজ্ঞতাৰ পাশত বান্ধিলে। বন্ধু সৰ্ব তৰুণ চন্দ্ৰ শইকীয়া (সাধাৰণ সম্পাদক), প্ৰদীপ কুমাৰ বৰুৱা, কমল বৰদলৈ, আনন্দলেখাৰ সম্পাদ আব্দুৰ ৰছিদ চৌধুৰী আৰু জ্যোতিৰ্ময় চক্ৰবৰ্তীয়ে অতুলনীয় আন্তৰিক সহায় কৰিছে।

মাত্ৰ কেইদিনমানৰ ভিতৰতে স্মৃতি-গ্ৰন্থখনি ছপাই-বন্ধাই দিয়াৰ বাবে প্ৰখ্যাত 'হেমকোষ প্ৰিন্টাৰ্ছ' কৰ্তৃপক্ষ আৰু কৰ্মীবৃন্দলৈ গভীৰ কৃতজ্ঞতা জনালোঁ।

শ্ৰীমুকুল বৰা
সম্পাদক, স্মৃতিগ্ৰ

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰথমখন পৰিচালনা সমিতিৰ সদস্যবৃন্দ ১৯৫৯ চন

১। স্বৰ্গীয় হলধৰ ভূঞা, সভাপতি
২। নুৰুল ইচলাম, উপ-সভাপতি
৩। স্বৰ্গীয় শুকদেৱ গোস্বামী, ,,
৪। অধ্যাপক ললিত শইকীয়া সম্পাদক
৫। শ্ৰীআতাউৰ ৰহমান, অধিবক্তা ”
৬। শ্ৰীকুশদেৱ গোস্বামী, অধিবক্তা ”
৭। শ্ৰীযোগেশ শৰ্মা, অধিবক্তা, কোষাধ্যক্ষ
৮। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা সদস্য
৯। মোঃ ইদ্ৰিছ ”
১০। অধ্যাপক ফণীন্দ্ৰলাল দত্ত ”
১১। অধ্যাপক হবিবুৰ ৰহমান ”
১২। নুৰুল হুচেইন ”
১৩। শ্ৰীশচীন বৰা, অধিবক্তা ”
১৪। শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী ”
১৫। নুৰুল আমিন ”
১৬। শ্ৰীলক্ষেশ্বৰ হাজৰিকা, অধিবক্তা ”
১৭। অধ্যাপক মহিম বৰা ”
১৮। শ্ৰীমোহন মহন্ত, অধিবক্তা ”
১৯। মোঃ আবু চামা, অধিবক্তা ”
২০। ডাঃ উপানন্দ শইকীয়া ”
২১। ছামচুল হুদা সদস্য
২২। শ্ৰীভগবানদাস খেমকা ”
২৩। গোপালচন্দ্ৰ আগৰৱালা, অধিবক্তা ”
২৪। শ্ৰীৰাধেশ্যাম খাটোৱালা ”
২৫। স্বৰ্গীয় লালচান্দ টোডী ”
২৬। শ্ৰীমহেশ চন্দ্ৰ দেৱগোস্বামী ”
২৭। স্বৰ্গীয় মহিচন্দ্ৰ বৰা, ”
২৮। ডাঃ বি, কে, গুহ ”
২৯। মোঃ আব্দুল হাই ”
৩০। শ্ৰীজগবন্ধু দাস ”
৩১। স্বৰ্গীয় প্ৰতাপচন্দ্ৰ শৰ্মা ”
৩২। অধ্যাপক কামাখ্যা সভাপণ্ডিত ”
৩৩। অধ্যাপক স্বৰ্গীয় নিৰ্মলচন্দ্ৰ সমাদ্দাৰ ”
৩৪। অধ্যাপক দীনেশ দত্ত ”
৩৬। পি, বৰুৱা ”
৩৬। অধ্যাপক বুদ্ধেশ্বৰ গোহাই ”
৩৭। অধ্যাপক স্বৰ্গীয় পূৰ্ণেশ্বৰ বৰদলৈ ”
৩৮। অধ্যাপক বসন্ত ভূঞা ”
৩৯। এচ, এ, বৰা ”
৪০। অধ্যাপক স্বৰ্গীয় ধীৰেন্দ্ৰ নাথ কুণ্ডু ”

# বৰ্তমান পৰিচালনা সমিতি

১। শ্ৰীচি, বি, ৰাজীৱ, উপায়ুক্ত, নগাঁও, সভাপতি
২। অধ্যক্ষ আব্দুল হাই, সম্পাদক
৩। জোনাব আলি, অধিবক্তা সদস্য
৪। শ্ৰীবলীন হাজৰিকা, অধিবক্তা ”
৫। শ্ৰীনীৰু বেজবৰুৱা ”
৬। শ্ৰীমদন আগৰৱালা ”
৭। শ্ৰীনগেন্দ্ৰনাথ গোস্বামী নগাঁও সংমণ্ডল বিদ্যালয় পৰিদৰ্শক সদস্য
৮। অধ্যক্ষ ত্ৰৈলোক্য হাজৰিকা ”
৯। অধ্যাপক ফণীন্দ্ৰলাল দত্ত ”
১০। অধ্যাপক নাৰায়ণ চন্দ্ৰ বৰ্মন ”
১১। অধ্যাপক ধৰ্মেশ্বৰ বৰা শিক্ষক প্ৰতিনিধি
১২। অধ্যাপক দেবেন্দ্ৰনাথ শইকীয়া ”

# ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি

কাৰ্য্যকৰী সমিতি ঃ

১। সভাপতি ঃ চি, বি, ৰাজীব (উপায়ুক্ত নগাঁও)।
২। কাৰ্য্যকৰী সভাপতি ঃ অধ্যক্ষ মঃ আব্দুল হাই।
৩। উপ সভাপতি ঃ উপাধ্যক্ষ শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ্মন।
৪। সাধাৰণ সম্পাদক ঃ শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া।
৫। সহঃ সম্পাদক ঃ মঃ বেলায়েত হুছেইন
শ্ৰীবীৰেণ দাস
ৰানা বৰা
চেনীৰাম বৰা
শৰৎ কুমাৰ সুত
ভবেন কুমাৰ বৰুৱা।

কোষাধ্যক্ষ ঃ অধ্যাপক শ্ৰীশশীকান্ত বৰা।

সদস্য ঃ শ্ৰীবলিন হাজৰিকা, অধিবক্তা
শ্ৰীজনাব আলী, অধিবক্তা
ডঃ শ্ৰীৰাম মোৰ
অধ্যাপক সহজানন্দ ওজা
অধ্যাপক দেৱেন্দ্ৰনাথ শইকীয়া (অসঃ বিভাগ)
শ্ৰীলোহিত চন্দ্ৰ ভূঞা, প্ৰাক্তন সাঃ সম্পাদক
শ্ৰীপ্ৰদীপ কুমাৰ বৰুৱা, উপ-সভা ঃ ছাত্ৰসন্থা
শ্ৰীপ্ৰদীপ বৰ্মন
শ্ৰীকন্দৰ্প শইকীয়া।
ইয়াৰ উপৰিও সকলো উপসমিতিৰ সভাপতি, সম্পাদক জন পৰিচালনা সমিতিৰ সদস্য।

(২) বিত্তীয় উপ-সমিতি ঃ

১। সভাপতি ঃ চি, বি, ৰাজীব (উপায়ুক্ত নগাঁও)
২। সম্পাদক ঃ অধ্যক্ষ মঃ আব্দুল হাই।
৩। সহঃ সম্পাদক ঃ প্ৰদীপ বৰুৱা, উপ সভাপতি মহাবিদ্যালয় ছাত্ৰসন্থা।
৪। সদস্য ঃ সহজানন্দ ওজা
মদনলাল আগৰৱালা
দেবেন্দ্ৰ নাথ শইকীয়া (অসমীয়া বিভাগ)
ডিম্বেশ্বৰ হাজৰিকা
হেম বৰুৱা
চৰণ সিং
খগেন্দ্ৰ মহেলা
তৰুণ চন্দ্ৰ শইকীয়া।

(৩) প্ৰচাৰ বিভাগ ঃ

সভাপতি ঃ অধ্যাপক হীৰেন্দ্ৰনাথ শইকীয়া
শিক্ষক উপদেষ্টা ঃ সুৰেন্দ্ৰনাথ বাৰৈ
" " নগেন চন্দ্ৰ নাথ
" " জনসংযোগ বিষয়া, নগাঁও
সহঃ উপদেষ্টা ঃ অতুল ভট্টাচাৰ্য্য
সহঃ সম্পাদক ঃ ভবেন কুমাৰ বৰুৱা।
সদস্যবৃন্দ ঃ দেৱকান্ত লস্কৰ
ফুকন সুত
ৰূপনাৰায়ণ গোস্বামী।

(৫) ব্যৱস্থাপনা উপসমিতি ঃ

সভাপতি ঃ অধ্যাপক দেৱেন্দ্ৰনাথ শইকীয়া।
শিঃ উপদেষ্টা ঃ অধ্যাপক আশ্ৰফ আলী
অধ্যাপক মলয় ৰয়
অধ্যাপক ৰমণীমোহন দাস।
সম্পাদক ঃ শ্ৰীকুশৰাম শইকীয়া
শ্ৰীদেৱকান্ত লস্কৰ
শ্ৰীএ, চুলেমান
শ্ৰীচেনীৰাম বৰা।
সদস্য ঃ শ্ৰীকমলা কান্ত বৰা
শ্ৰীউপা বৰুৱা
শ্ৰীপূৰ্ণকান্ত নাথ
শ্ৰীমহেশ চন্দ্ৰ নাথ
শ্ৰীনিৰেন চন্দ্ৰ নাথ।

(৬) অভ্যৰ্থনা সমিতি ঃ

সভাপতি ঃ অধ্যাপক পুষ্পকান্ত বৰা
উপ-সভাপতি ঃ অধ্যাপক ভৱকান্ত শৰ্মা
শিঃ উপদেষ্টা ঃ অধ্যাপক এ, বি, এম, চিদ্দিক
অধ্যাপক নৰেন্দ্ৰনাথ শইকীয়া
সম্পাদক ঃ অধ্যাপক মঃ আঃ হান্নান।
সহঃ সম্পাদক ঃ শ্ৰীবীৰেন দাস
সদস্য ঃ অধ্যাপিকা ভবানী বৰা
অধ্যাপিকা সোনালী বৰা
শ্ৰীৰোহিত চন্দ্ৰ মহন্ত (মুখ্য কাৰ্য্যালয় সহায়ক)
শ্ৰীমাইনুল হক চৌধুৰী
শ্ৰীযতী ৰেণু দেৱী
শ্ৰীমতী ইৰাণী ভূঞা।

(৭) সাংস্কৃতিক সমিতি ঃ

সভাপতি ঃ অধ্যাপক ভৱকান্ত শৰ্মা
শিঃ উপদেষ্টা ঃ অধ্যাপক ডিম্বেশ্বৰ হাজৰিকা
অধ্যাপক নিত্য বৰা
অধ্যাপক এভ, এ, হাছমী
অধ্যাপক প্ৰবীৰকুমাৰ বৰুৱা
অধ্যাপক অৰুণা দৰী
অধ্যাপক বিপুলকুমাৰ বৰা
অধ্যাপক পদ্মকান্ত শৰ্মা।
সম্পাদক ঃ শ্ৰীকমল বৰদলৈ
যুটীয়া " ঃ শ্ৰীনীৰেন নাথ
সদস্য ঃ পি, চি, এচ, বৰুৱা
প্ৰবীণ হাজৰিকা
পবিত্ৰ বৰা
পি, নাথ
শৰৎ কুমাৰ সুত
হৰিনাৰায়ণ বৰুৱা

(৮) সংগীত বিভাগ ঃ

সভাপতি ঃ অধ্যাপক নৰেন্দ্ৰনাথ শইকীয়া
শিঃ উপদেষ্টা ঃ অধ্যাপক মলয় কুমাৰ ৰয়
অধ্যাপক শাৰদ মাধৱ কুম্রে
অধ্যাপক জিতেন বৰা
অধ্যাপক দেৱজিৎ শৰ্মা
অধ্যাপক ৰাতুল বৰা
অধ্যাপক দেৱ হাজৰিকা।
সম্পাদক ঃ শ্ৰীহেমন্ত কুমাৰ চৌধুৰী
সহঃ সম্পাদক ঃ শ্ৰীউজ্জ্বল কুমাৰ তালুকদাৰ
সদস্য ঃ শ্ৰীকিৰণ শইকীয়া
শ্ৰীদীপক কুমাৰ শৰ্মা
শ্ৰীজগদীশ শইকীয়া
শ্ৰীমামুদা চুলতানা
শ্ৰীপ্ৰদীপ বৰ্মন
শ্ৰীকন্দৰ্প কুমাৰ শইকীয়া

(৯) প্ৰদৰ্শনী বিভাগ ঃ

সভাপতি ঃ অধ্যাপক আশ্ৰফ লালী
শিঃ উপদেষ্টা ঃ অধ্যাপক ছামছুদ্দিন
অধ্যাপক হীৰেন্দ্ৰনাথ শইকীয়া।
ঃ মোক্তাৰ আহমেদ
ঃ অধ্যাপক পদুম শইকীয়া
অধ্যাপক নগেন নাথ

অধ্যাপিকা গীতিমল্লিকা শইকীয়া
অধ্যাপক শ্বৰীফ আহমেদ
সম্পাদক ঃ শ্ৰীদুলাল চন্দ্ৰ ভূঞা
সহঃ সম্পাদক ঃ শ্ৰীযতীন শইকীয়া
শ্ৰীখনীন্দ্ৰ গোস্বামী
সদস্য ঃ শ্ৰীলীলা বৰা
শ্ৰীঅম্বুৰাম চমুৱা
শ্ৰীসুনীল সুত
শ্ৰীতপন দেৱনাথ

(১০) তৰ্ক বিভাগ ঃ


সভাপতি ঃ অধ্যাপক এ, বি, এম ছিদ্দিক।
শিঃ উপদেষ্টা ঃ অধ্যাপক ৰবীন্দ্ৰ চন্দ্ৰ বৰা
শ্ৰীপুষ্পকান্ত বৰা
শ্ৰীধৰ্মেশ্বৰ বৰা
শ্ৰীডিম্বেশ্বৰ হাজৰিকা।
সম্পাদক ঃ মহেশ চন্দ্ৰ নাথ
সদস্য ঃ আব্দুল মতিন
গোলাপ শইকীয়া।

(১১) পোহৰ, পানী যোগান, সাজসজ্জা ঃ

সভাপতি ঃ অধ্যাপক কৃষ্ণকান্ত ফুকন
উপ-সভাপতি ঃ অধ্যাপক জিতেন বৰা।
শিঃ উপদেষ্টা ঃ অধ্যাপক কৃষ্ণ বৰা
অধ্যাপক কৈলাশ দাস
অধ্যাপক ৰবীন্দ্ৰনাথ শৰ্মা
অধ্যাপক প্ৰীতম সিং
অধ্যাপক দেৱ হাজৰিকা
অধ্যাপক ৰাতুল বৰা।
সম্পাদক ঃ অধ্যাপক শ্বৰিফউদ্দিন আহমেদ
সহঃ সম্পাদক ঃ শ্ৰীপ্ৰদীপ কুমাৰ বৰুৱা
মুখলেছুৰ ৰহমান
সদস্য গকুল শৰ্মা
তোলেন মহন্ত
মইনুল হক চৌধুৰী।

(১২) সমাজসেৱা বিভাগ ঃ

সভাপতি ঃ অধ্যাপক মলয় কুমাৰ ৰয়
শিঃ উপদেষ্টা ঃ অধ্যাপক খগেন মহেলা
সম্পাদক ঃ কমলাকান্ত বৰা
সঃ সম্পাদক ঃ মইনুল হক
সদস্য ঃ সুব্ৰত শইকীয়া



চাহ মেলত মিঃ টেইলৰ, মিছেছ টেইলৰ, মিচেছ গোস্বামী (মাজত) আৰু শ্ৰীযজ্ঞেশ্বৰ শৰ্মা দেৱ (অধ্যক্ষ নগাঁও কলেজ)।



পঞ্চম প্ৰতিষ্ঠা দিৱস উপলক্ষে সভাপতিত্ব কৰা বিশিষ্ট অতিথি গুৱাহাটী ইউনিভাৰ্চিটিৰ ভাইচ চেঞ্চেলৰ টেইলৰ আৰু পৰিবাৰক লৈ লোৱা সমূহীয়া ফটো। কলেজৰ প্ৰফেচাৰ, অধ্যক্ষ গোস্বামী ও পৰিবাৰ আৰু ছাত্ৰসকলক লৈ।


## মহাবিদ্যালয়ৰ ১৯৮১-৮২ চনত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল





এ, ডি, পি কলেজৰ পঞ্চম প্ৰতিষ্ঠা দিৱস উপলক্ষে উলিওৱা শোভা-যাত্ৰা ৭ চেপ্তেম্বৰ ১৯৬৩ চন। সন্মুখৰ ৪ জন সৰ্বশ্ৰী, চন্দ্ৰ শইকীয়া, চন্দ্ৰ শৰ্মা, হৰ গায়ন আৰু মঃ সত্তাৰ।

# কেইগৰাকীমান প্ৰাক্তন ছাত্ৰ



শ্ৰীউপেন্দ্ৰ নাথ বৰা, মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ প্ৰথম সাধাৰণ সম্পাদক।



শ্ৰীহৰেন্দ্ৰ মোহন তালুকদাৰ




শ্ৰীহিতেশ্বৰ বৰা




শ্ৰীহৰনাথ গায়ন



শ্ৰীকৃষ্ণদাস ভাৰতী



বৰ্তমানৰ অধ্যক্ষ মঃ আব্দুল হাই।




শ্ৰীপ্ৰভাত শৰ্মাবৰুৱা, পুথিভঁৰালী




মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ
উপসভাপতি১৯৮২-৮৩

## ৰূপালী জয়ন্তী উছৱ সমিতিৰ কাৰ্য্যকৰী সভাৰ সদস্যসকলৰ কেইগৰাকীমান



থিয়হে (বাওঁফালৰ পৰা) ঃ-অঃ ডঃ মলয় ৰয়, অঃ আশ্ৰফ আলী, মহেশ নাথ, বেন্নায়েত হুচেইন, বীৰেণ দাস, তৰুণ চন্দ্ৰ শইকীয়া, দুলাল ভূঞা, অঃ-ভৱকান্ত শৰ্মা, অঃ, খগেন মাহেলা, দেৱকান্ত লস্কৰ, লোহিত ভূঞা, প্ৰদীপ বৰ্মণ, ভৱেন কুমাৰ বৰুৱা। বহি (বাওঁফালৰ পৰা ঃ- অঃ, দেবেন্দ্ৰ নাথ শইকীয়া (অসমীয়া বিভাগ), অধ্যক্ষ মঃ আব্দুল হাই, উপয়ুক্ত চি, বি, ৰাজীৱ, উপাধ্যক্ষ নাৰায়ণ চন্দ্ৰ বৰ্মণ, অঃ নৰেন্দ্ৰ নাথ শইকীয়া, অঃ-শশী কান্ত বৰা, অঃ এ, এম, চিদ্দিক, অঃ কৃষ্ণ কান্ত ফুকন, অঃ এ, হান্নান।

# স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি



বহি বাঁওফালৰ পৰা ঃ ডঃ নৰেন কলিতা (সহযোগী সদস্য), শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া, (সদস্য), অঃ পুষ্পকান্ত বৰা, (উপদেষ্টা), উপাধ্যক্ষ নাৰায়ণ চন্দ্ৰ বৰ্মণ (উপ সভাপতি), অধ্যক্ষ মঃ আব্দুল হাই (সভাপতি), অঃ শশীকান্ত বৰা (সদস্য), অঃ ভৱকান্ত শৰ্মা (সদস্য)।
থিয় হৈ বাঁওফালৰ পৰা ঃ আব্দুৰ ৰাসিদ চৌধুৰী (যুটীয়া সম্পাদক), কমল বৰদলৈ (সদস্য), প্ৰদীপকুমাৰ বৰুৱা (সদস্য), মুকুল বৰা (সম্পাদক), অঃ হীৰেণ শইকীয়া (সদস্য), অঃ সহজানন্দ ওজা (উপদেষ্টা), অঃ পদ্ম শৰ্মা (সদস্য) আৰু সদস্য অঃ এ, হান্নান (অনুপস্থিত)।

# A.D.P. COLLEGE
# SILVER JUBILEE SOUVENIR

विद्ययामृतमश्नुते
A D P COLLEGE

EDITED BY
MUKUL BORA

# — SOUVENIR —

(English Section)

## Contents

| | | |
|---|---|---|
| A.D.P. College An-them | 1 | Prof. Rabindra Chandra Bora |
| Memory | | |
| A Moment of thrill and joy twenty five years ago | 2 | Prof. Lalit Saikia |
| Reminiscence of Anandaram Dhekial Phookan College | 4 | Amulya Chandra Nath |
| An Evocation | 6 | Krishnadas Bharati |
| Erosion of Human values | 7 | Prof. P. K. Bora |
| The Ultimate Structure of Matter | 9 | Prof. A. H. Choudhury |

# A.D.P. College An-them

This haven of love and bliss
Of nectar of Knowledge
This haven of love and bliss.

This abode of happiness
This place of worship
Of the great Goddess of learning
This haven of love and bliss.

No discord among big and small
This is our life's mission
To usher in an order
Gentle, calm and purer.

This house of creation
Of lives of action
Of high speed and dynamism
In a dry and berren world.

This place wide and open
The gateway to life's horizon.

This haven of love and bliss.

*Composed in Assamese by—*
*Prof. Hirendra Nath Saikia.*

*Translated into English by—*
*Prof. Rabindra Ch. Bora.*

> "Lord, God of Hosts, be with us y
> Lest we forget, lest we forget."
>
> (Kiplin

# A Moment of thrill and joy : Twenty five years ago

*By*—
**Lalit Saikia,**
Nowgong Coll

The road deflecting south-westward from the national high-way across the R.C.C. bridge over the Kalang river, once a quiet promenade for a few numerable visitors, away from the city din, turns a hub to-day of busy goers and knowledge-seekers. Here by the side of this least trodden road stands the Ananda Ram Dhekial Phookan College whose travails still swirl about the mind even as the romance of its concomitants is fast receding to oblivion.

I admit I suffer a nostalgic aura as I hark back to those 'ember days' when a handful of teachers of Nowgong college in collaboration with a few leading gentlemen of the Nowgong bar were out to fulfil a holy task of setting up the nucleus to a temple of learning. Although a vivid account of all details is not possible at present after nearly a quarter of a century, I shall nevertheless try, what with aplomb and with sincerity, to present the following seribble to sustain all inquiring minds.

At a time when higher education was still at a low ebb in the district and the Nowgong College was the only centre of learning which could not accommodate the growing number of students, a band of zealots (some of whom were married, employed and having children) who were unable to prosecute their studies inspite of their strong desire either due to poverty or sundry other causes, met some members of the local bar and a few teachers of the Nowgong College and gave vent to their ardent desire of continuing studies at night provided a night section in Arts could be opened in Nowgong College. The idea received sympathy from all and I was requested by my colleagues to draft a petition to be placed before the Principal, Nowgong College. Accordingly a petition was moved urging upon him to open a night section for Arts, who however, fought shy of and pointed out certain difficulties in doing so. One evening, we (Sri Mahim Bora, Sri Jagat Sarma and myself) betook ourselves to Sri Pu Chandra Sarma with to view to impressing up him the necessity of opening night classes in N gong College, but had to beat retreat disappoint

Nevertheless, the idea got on and was not ab doned to gather moss. We were all resolved to something positive in this regard. It was then moo that the best course was, under the circumstan to start a night college if it was feasible at all the benefit of those students who were not me learners but also earner-learners. The proposal currency amongst the sympathisers in and outs the college. Some leading members of the bar cluding late Nurul Islam (Advocate and President the then Nowgong College Governing body), Ataur Rahman, Sri Kusha Dev Goswami, Sri Mu bbir, Sri Shamsul Huda and others came up w all earnestness and made a move for collecting mo for the purpose. A meeting was organised a a few days to deliberate on the issue. I was ask to do all the needful to arrange for it. I sp Rs. 7.00 (Rupees Seven) only for buying a proce ings Book, a dak-book and papers. Invitations w extended to the members of the teaching staff of Nowgong College, members of the local bar like-minded elite of the town including late Dr. L Barua who was a staunch sponsor of the then G College (Not the present one) under the Princip ship of late Prof. Nirmal Kumar Samaddar, of Nowgong College. I remember well Dr. Barua not attend the meeting, possibly because he w afraid the fortunes of the nascent Girls' College mi suffer. This college, however did not survive ravages of time.

The meeting was held in the Bordoloi Hall the Nowgong College under the presidentship of Nurul Islam. (I cannot remember the date now). meeting, attended by lawyers, College teachers

some of the students who were keen to joint the night classes, adopted a resolution to start a night College to be named after Ananda Ram Dhekial Phookan, a noted litterateur of Assam. An Ad-hoc Committee was formed with Sri Ataur Rahman (Advocate) and my humble self as joint Secretaries and Sri Nurul Islam as president. In the same meeting late Sukdev Goswami was appointed Principal in-charge of the College. The proceedings of this fateful meeting were written by me as joint Secretary in the first few folios of the first ever proceeding book, a major portion of which is alleged to have been eaten up by a cow during the period of stewardship of late Goswami (O tempora ! O Mores !) Thenceforward everyone of us made united efforts to collect money and start the classes as soon as possible. Late Nurul Islam was kind enough to help the Committee with his personal Office-house where the college office was set up for all preliminary works. The academic pedastal on which the intellectual edifice was built up in later years was first laid by a handful of teachers of Nowgong College who offered to serve the institution without any remuneration whatsoever. These teachers namely Sri Mahim Bora, Sri Jagat Sarma, Sri Habibur Rahman, Sri Tarini Prasad Sarma, Sri S.N. Chakraborty and this scribe did not take any money for the first three months. Later on they were honoured with Rs. 20·00 and later on Rs. 50·00 a month. Gradually the permanent staff and the number of part-timers from Nowgong College had increased.

The inaugural function of the college was held on 7th September in 1959 in the Dawson H.E.School with Sri B.N.Sarma, the then District Judge of of Nowgong in the Chair. Classes were started in the Dawson H.E.School, which were later shifted to Nowgong Govt. H.E.School. Since I myself was a member of the teaching staff I declined to continue as a joint Serctary. Thenceforth a regular body began to function and office-bearers were newly appointed. Sri Kushadev Goswami, a leading advocate of the Nowgong Bar remained as one of the early architects of the A.D.P. College.

In the meanwhile land had been purchased at the instance of late Sukdev Goswami at the present site. It is true that not all members were happy in this deal in view of the milieu and location of the place as it had no space for future expansion. The area was full of jungles and it was decided to clear it through self-service. It was a treat to see all of us-the teachers, the principal-in-charge, the students clearing the area with besoms, daos, knives in the best of spirit and jubilation.

The present office building was the first ever structure which housed both the office and a class-room. The college, almost in embryo, looked like a sylvan retreat. To go to it was, as it were, a pilgrimage for the teachers and the students alike. With the passage of time the College grew to naturity and is now one of the leading colleges of the state. The founder-teachers bowed out of the portals of the college in 1965-66. Within the compass of this scroll it is difficult to weave all details. There are many things and many names that I have left out and that deserve a niche on the escutcheon. The nub of what I have written down is only a genre-painting' of a life-line touching on the heart-beats of this temple of learning at the hour of its infancy. It is neither an attempt at gerrymandering or at throwing out innuendoes or at self-projection. These are hard facts never to miss the ink of a sincere chronicler.

I thank the student-Secretary Mr. Bora for having given me this opportunity to bethink myself on the 'incunabula' of this hallowed educational institution with which I was once associated in more ways than one.

Long live A.D.P. College.

Thanking you all.

# Reminiscence of Anandaram Dhekial Phookan College

**Amulya Chandra Nat**
Ex-Lecturer

A glance at the past of Anandaram Dhekial Phookan College will clearly reveal that this institution had opened a new vista to fulfil the ambition of a large number of students who could not prosecute their studies in a college due to financial hardship which compelled most of them to engaged in various occupations to earn their livelihood.

It was initially started as a night college (as the classes were held in the evening, it was called so) at the initiative of a group of persons working in different offices of this district headquarter. Today it is a full fledged college of Arts and Science upto the Degree level, though the Science section is yet to develop, having both day and night shifts and housed in its own building in a spacious compound. Can the present set up of the college bear the remembrance of the tenacity and selfless services rendered by the founders at its difficult infant stages ?

The founder principal of the college late Sukadev Goswami, the present Principal of the college and a number of senior professors of Nowgong College rendered such a valuable service. for the growth of the college (particularly at the time of initiation) that without their service it would not have at all been possible to reach the present stage. In this connection, I must mention the selfless endeavour of those pioneer students of first batch without whose untiring effort none could perhaps dream of the growth of this college.

The college was established in the year 1959 which was the year of death centenary of the illustrious son of Assam, Anandaram Dhekial Phookan who breathed his last in this town while he was serving as the Deputy Commissioner of the district of Nowgong. Besides being an able administrator in those early days of the British rule, Dhekial Phookan had a deep love for the people of Assam and he always voiced for the cause of Assam an her language, literature and culture. He aspired fo a prosperous Assam. Therefore, to commemora the name of this monumental person with the esta blishment of an institution of higher education w quite befitting.

The college started functioning with more th two hundred students, in the building of the Daws High School which was also the birth place of t Nowgong College, the pioneer institution of high education in the district of Nowgong. When t second batch of students were admitted to the fir year I.A. class (1st year P.U. class of present day there arose a problem to accomodate two class (both first year and 2nd year) of more than tw hundred students in each, as the Dawson High Scho had only one hall. Therefore, classes were also hel for a short period in the hall of the Govt. Boy High School.

This college offered a great opportunity to thos students who could accomplish the twin objects o learning and earning at the same time, as the classe were held in the evening. The first few batches o the students of the college mainly consisted of the persons working in different offices and schools. Many of these students successfully passing out o this college could build their career and joined new assignements of better position. This was perhaps a great achievement for the college.

The present site of the college was an out of the way place at that time and the area was full of jungle. The students helped a lot in clearing the jungle at the time of taking possession of the land. When the college was shifted to its permanent site, the construction of the long building behind the present office of the college was not complete. The roof of the building was covered by C.I. sheets on a

temporary basis bound with the help of bamboo structure. At that time it was a big hall where the 1st year and 2nd year classes were held. I still remember an incident in one evening when the class was going on, myself along with the students were fully drenched by a heavy downpour, as the roof failed to carry away the rain-water outside, there being no any place of shelter for all those present.

When I was asked join the college in the department of Economics, I was fortunate to get the association as well as patranage of principal late S. Goswami and my former teachers of Nowgong College who were in the teaching staff of this nascent institution.


I remember my first day in the college when I discussed "Economic planning in India." As I stood on the dais to discuss the subject, I found the hall, full of students, most of whom were quite elderly listening seriously to my discussion and taking down notes on their khatas.

I felt much encouraged to find the crave for learning of the students, as the attendance was full even in the last period i.e. from 9 P.M. to 9-45 P.M. in the winter evening after which many had to traverse a long distance amidst shrill of cold winter night.

There was a very cordial relation between the teachers and the taught. I got ample opportunities to serve with full co-operation of the students who were sincere and inquisitive worshipers of knowledge.

The story of the birth of this college is woven with many unforgettable events. The founders had to overcome a good number of hurdles to put the nascent institution on a firm foorting. But the increasing number of the inquisitive learners became a solid capital with which the college could march on with confidence. Let us hope that it would "grow for ever and for ever".

I pray for a bright future of the college.



# An Evocation

**Krishnadas Bhaarati**
Ex-A.D.Pian

I hail thee
oh, nineteen hundred
And eighty three,
On this Sclemn day
of November two and twenty
That celebrates the Silver Jubilee
of the College A.D.P.
It always cheers me
With refreshing memory
Of the days dead and gone
When I was a student young
and bold;
Now though mine is a Sprit
Weak and old
Sitting on the fenee of death
Yet I wish, I should also dence
With the present generation
In their moment of joy mirth
Though for away now from them
Yet, I wish a vibrant life for all.
And pray for progressive development
Of this great institution
I, close here, an old ADIPEAN
I hail thee
O, Nineteen hundred
And eighty three
On the solemn day
Of November two and twenty
that celebrates the Silver Jubilee
of the college A.D.P.
It surely cheers me
With refreshing memory
of the days old.
When I was a student bold.
Now although a weak spirit
Sitting on the fence of death
I feal I should also dance
With the present generation.
In their gleeful merriment.
Although for among for the thoght
And praying for progressive development
of this great Institution
I, else here on old Adipian

oo

# Erosion of Human Values

Prof. P. K. Bora.

The present society has become a very complex society. It is not a traditional society of the past. In the past, agriculture was the main source of livelihood. Joint family system was the basis of the society. With the change of time, our social order has undergone much change. We are daily experiencing new changes in our social, political and economic conditions. We have become self-centred and materialistic in our outlook.

Ours is a society which is confronted with endless problems of the present era released by actions and interactions of various forces. Let us take an example of a middle class family where four members are its earning members. The standard of living of such a family depends on its income. The member who earns more naturally develops a tendency to maintain a good standard of living. He wants to provide the best education to his children. The other members, whose income is less cannot afford to do that. This automatically creates an atmosphere where peace of the family is disturbed.

The spectacular development in science and technology has its direct impact on the minds of the present generation. There is change in our way of living and thinking. We are losing faith in God, respect for our old heritage and human values. The materialistic ideas have robbed us of our cherished ideals. The Marxian concept is also responsible for this. The materialistic concept of Marx has proved to be a fatal blow to our age-old values. Morality, religion, ideals, God all have become meaningless. Marxian teaching has sent a tremor to the western way of life.

According to Marx, material conditions of life determine everything. The material conditions constitute the real object and other things are its mere shadows. The Marxian concept is like a tornado to mankind. It exposes the exploitation of man by man. It is rocking the very base of capitalism of the West.

The present Western society is wedded to democracy and capitalist way of life. They are wallowing in all the material comforts of life. They are enjoying everything from the air-conditioned rooms to space travel. They do not know what hunger is. But in spite of all, they are restless and mentally not at peace. We find that the Yankees, Australians, Canadians, Germans flock to India in search of peace, They join "Krishna consciousness" movement with Mridangams in their hands. They, with shaven heads, pull the Ratha in Puri for spiritual satisfaction. Why are they not happy in spite at all the physical comforts ?

The Soviet system stands on Marxian teachings. People are free from economic worries but real freedom is unfamiliar to them. They do not have freedom of thought, expression, press. If any body criticizes govt. activities he is generally sent to mental asylum. Mr. Shakarov, the father of Soviet hydrogen bomb in now in prison. Many of the great academicians are now put behind the bars. Yet man's hunger for freedom is not lost. We find many Germans trying to cross the "Berlin Wall" for freedom. Many have paid the price for that misadventure.

If we make a close observation of the above facts we find that biblical maxim that "Man does not live by bread alone" is quite sound. Man is a strange mixture of "fire and clay". There is a spark of spiritualism in every man. In India poverty is a slur, a permanent blemish. We are fighting a ceaseless war to eradicate it. If all the material needs of every Indian is satisfied, will he be permanently at peace ? The answer will be an emphetic 'no'. Peace of mind can be obtained neither from the western philosophy nor from the Marxian teaching. Man is the roof and crown of creation. But what

is strange is that we are busy in killing our own species. The weapon of mass destruction is not the glory of science, it is rather the madness of science.


The present world is spending 1.3 million dollars per minute on arms whereas 30 children are dying around the world for malnutrition. Doctors are busy to save the suffering millions and some scientists are busy in the production of Thermonuclear wapons, Chemical weapons etc. Why this sadism is growing in the minds of some powers ? Daily thousands are being killed in Iraq-Iran war, in Lebanon, in Latin America, in Afghanistan and Kampuchia. In India communal flare-up is very common. Innocent people are being butchered in the name of religion. Is it not really disgraceful that in this century blood-bath should take place in the name of religion ?

The present world is sitting on a nuclear volcano which may erupt at any time. If war breaks out, the civilization will be wiped out completely from the face of the world. We will invite our own catastrophe unless we develop a spirit of mutual tolerance and respect. Our life has become artificial. We have come far away from nature. We are attacked with new maladies because of change of nature. The atmosphere is polluted, the river is fed with industrial wastes. We are going to lose many of the good things of life.

We have become pawns in the hands at the artful politicians. We have given our back to Mahatma Gandhi, Buddha and Guru Nanak. Our national character has become an asset to our enemies. There is a great gulf of difference between what we say and what we do. This gulf cannot be bridged. The spirit of service and sacrifice is gone. We run after leaves and fishes without thinking for our ideals.

The blind imitation of western social life cannot solve our problem. The rigid application of Marxian doctrine cannot deliver the goods. We must allow to grow in us a mental attitude of respect for our past cultural heritage and secular outlook. We must have equal respect for Buddha, Jesus, Krishna and Prophet Mahammad. Secularism is planted in our heritage and culture. We must have an Indian way of life. We should blindly follow neither western way of life nor Communist way of life. We must not sacrifice our freedom and liberty for our bread. We should not try to bring about a change in Indi by bloody revolution. We know that one blood revolution will automatically lead to another one. The state must provide bread to all. A health nation is not possible with hungry stomachs. Th big industries must be nationalised and avenues employment must be increased. The weapons mass killing of the big powers must be destroye under the sincere initiative of the United Nation Humanity can be saved from nuclear holocaust onl by application of wisdom. We do not like to se another Naga Saki and Hiroshima in this globe So, spiritualism and rationalism should be properl blended to save humanity. We strongly hope tha sanity will prevail to fight for permanent peace i the world.

***



# The Ultimate Structure of matter

Prof. A. H. Choudhury.

From time immemorial man has been wondering about the ultimate nature of matter in the universe. Kanada, the author of the 'Vaisesika' system of Indian philosophy, who lived 800 years before Buddha, put forth the idea of 'Kana' as the smallest particle of matter which could not be split further. Later around 400 B.C. the Greek Philosopher Democritus presented the concept of smallest particle in more rigorous manner and gave the world the word 'atom' (Greek meaning—something that cannot be cut). Jhon Dalton systematised this concept into a scientific thought and put forwarded his famous atomic theory in 1810. According to his theory matter consists of indivisible atoms and each element is made up of a characteristic kind of identical atoms. Atoms of an element are perfectly alike in all respects.

Towards the end of nineteenth Century with the discovery of radioactivity by Bequerel and the Curies, the concept of atom got a new turn. To interpret the phenomenon of radioactivity and the mass data gathered in the rapidly developing field of spectroscopy, Rutherford in 1910 put forth his model of nuclear atom. In his model, very tiny negatively charged particles called electrons, which were earlier discovered by J. J. Thomson, were supposed to be distributed around the centrally located positively charged nucleus consisting of protons. Accordingy to this theory, hydrogen atom consists of one proton in the nucleus and one electron outside it making the atom electrically neutral. Soon after Bohr and Sommerfeld showed that electron could revolve round the nuclear care only in some permissible orbits, an assembly which could be likened to a miniaturised solar system.

In 1930, Bothe and Becher in Germany reported a highly penetrating radiation when light elements like Beryllium were exposed to X-rays. Similar results was obtained by Irene Curie and F. Juliot in 1932. The nature of these radiations were established by the Japanese scientist James Chadwick in 1932 who showed that they consists of neutral particles of almost euqal mass of protons and called neutrons.

With the discovery of neutrons, it was shown that the nucleus of an atom having atomic number Z and mass number A consists of Z protons and (A-Z) neutrons and that it does not contain any electron whatsoever. Nuclei having protons and neutrons was found fully in consistant with the facts of radio activity and isotopes of elements.

In the modern times, as a result of the availability of bigger and better atom-smashers the comfortable idea that the ultimate particles of the universe are protons, neutrons and electrons, have been disappeared. A veritable zoo of sub-atomic particles such as pions, muons, neutrinos and most intriguing of all—the anti-particles etc. have been discovered. By the 1970s, a belief has been gradually developed that all these sub-atomic particles are composed of three basic kinds : quarks, gluons and leptons. These seem to be the basic building block of matter that man has been seeking unsuccessfully for over two thousand years.

Quarks are structureless, pointlike. Pairs and triplets are tightly bound to each other by gluons. These gluons-quark conglomerates which make up most particles, the commonest of which are the protous and neutrons.

The leptons are indivisible and take part in week interactions. The electrons are the most familiar of them. The anti-particles of an electron is called positrons ($e^+$) having unit positive charge and mass equal to that of an electrons. After electrons and positrons, the third lepton particles are muons minus ($\mu^-$) and their antiparticles are muons plus ($\mu^+$). Both electrons and muons have their corresponding neutrinos. They are electron neutrinos ($\nu_e$) and muonnentrinos ($\nu\eta$) having Zero mass and no charge. These neutrinos have their antiparticles—electron-antineutrinos ($\nu^-e$) and muons anti-neutrinos ($\varphi\ \nu^-\mu$). These antipaticles are also having nomass and no charge. Most recently another kind of lepton particles called tans (T) have been discovered. Among these, there are tan plus ($T^+$) and tan ($T^-$) and their anti particles. These leptons also have no mass and without any charge.

Like the leptons another kind of particles called hadrons, take part in strong interactions. There are two types of hadrons—the boson particles which follows Bose Statistics and the fermion particles which follows Fermistatisties.

According to Quark theory, it is believed that three quarks combine to form another kind of particles called beryons. From Group theory it is shown that there are 10 kind of beryon particles.

In the recent years physicists have come accross many new particles of very short half-lives, as short as $10^{-23}$ secs. They are also called 'resonamces'. If these are included in the list of sub-atomic particles their number will go well beyond 200. ***

# Executive Body of A.D.P. College Student Union 1956-60

| | Name | Roll. | | | Name |
|---|---|---|---|---|---|
| 1. | Shri Upendranath Borah, Union Secretary | | 11. | " | Padmeswar Borah |
| 2. | " Krishna Kumar Deka | 98 | 12. | " | Nandi Ram Barua |
| 3. | " Ananda Ram Bora | 26 | 13. | " | Lalit Ch. Hazarika |
| 4. | " Lakhi Bora | 27 | 14. | " | Pulin Borkatoky |
| 5. | " Anneswar Saikia | 8 | 15. | " | Lokendra Hazarika |
| 6. | " Ananta Savapandit | 206 | 16. | " | Saffiqul Haque |
| 7. | " Hara Nath Gayan | 166 | 17. | " | Md. Nazar Ali |
| 8. | " Madan Mohan Sarma | 40 | 18. | " | Kati Ram Bora |
| 9. | " Sishu Ram Bora | 80 | 19. | " | Na Ram Bora |
| 10. | " S. S. Kalam | 160 | 20. | " | Moheswar Barua |

# General Secretaries of A.D.P. College, 1959-1983.

| | | |
|---|---|---|
| 1. | Sri Upendra Nath Borah | 1959—60 |
| 2. | Sri Khagen Borah | 1960—61 |
| 3. | Sri Lalit Hazarika | 1961—62 |
| 4. | Sri Chandra Kr. Saikia | 1962—63 |
| 5. | Sri Anneswar Saikia | 1963—64 |
| 6. | Sri Mohan Ch. Hazarika | 1964—65 |
| 7. | Sri Prabin Hazarika | 1965—66 |
| 8. | Sri Rajen Saikia | 1966—67 |
| 9. | Sri Phanidhar Borah | 1967—68 |
| 10. | Sri Abu Sarif | 1968—69 |
| 11. | Sri Dambarudhar Saikia | 1969—70 |
| 12. | Sri Purna Baruah | 1970—71 |
| 13. | Sri Naren Baruah | 1971—72 |
| 14. | Sri Deba Barah | 1972—73 |
| 15. | Sri Premadhar Kakati | 1973—74 |
| 16. | Sri Rasidul Islam Saikia | 1974—75 |
| 17. | * * * | 1975—76 |
| 18. | Sri Tarun Saikia | 1976—77 |
| 19. | Sri Guneswar Borah | 1977—78 |
| 20. | Sri Suren Mahanta | 1978—79 |
| 21. | Sri Luhit Ch. Bhuyan | 1979—80 |
| 22. | Sri Tarun Ch. Saikia | 1981—82 |
| 23. | Sri Tarun Ch. Saikia | 1982—83 |


# List of Present Teaching Staff, A.D.P. College.

1. Principal, M. A. Hye
2. Prof. N. C. Barman (Vice-Principal)
3. Prof. P. K. Borah
4. Prof. B. Saikia
5. Prof. M. K. Roy
6. Prof. S. M. Kusre
7. Prof. R. N. Sarmah
8. Prof. N. N. Saikia
9. Prof. K. K. Phookan
10. Prof. S. K. Borah
11. Prof. H. N. Saikia
12. Prof. D. N. Saikia (Assamese)
13. Prof. D. Borah
14. Prof. J. N. Borah
15. Prof. A. M. Siddique
16. Prof. S. Ojha.
17. Prof. D. N. Saikia (Geo).
18. Prof. M. Sumsuddin.
19. Prof. R. M. Das.
20. Prof. M. A. Hashmi.
21. Prof. R. C. Borah
22. Prof. S. C. Baroi.
23. Prof. P. Singh.
24. Prof. N. C. Nath.
25. Prof. D. Bordoloi.
26. Prof. Dr. N. C. Kalita.
27. Prof. B. K. Sarmah.
28. Prof. K. R. Saikia.
29. Prof. A. Dev.
30. Prof. D. Hazarika.
31. Prof. T. Sarmah.
32. Prof. R. K. Mazumder.
33. Prof. N. Borah.
34. Prof. N. C. Sahu.
35. Prof. M. Sarma.
36. Prof. P. K. Sarmah.
37. Prof. H. Rahman.
38. Prof. K. Mahela.
39. Prof. A. Ali.
40. Prof. Mrs. N. Deka.
41. A. Hannan.
42. Prof. K. Borah.
43. Prof. M. Ahmed.
45. Prof. P. K. Baruah.
45. Prof. A. N. Sarmah.
46. Prof. S. Chowdhury.
48. Prof. A. Devi.
48. Prof. D. Sarmah.
49. Prof. Ratul Bora.
50. Prof. S. Ahmed.
51. Prof. Mrs. G. M. Saikia.
52. Prof. P. Saikia.
53. Prof. Mrs. B. Borah.
54. Prof. D. P. Hazarika.
55. Prof. M. Baruah.
56. Prof. K. Das.
57. Prof. Mrs. A. Bhattacharjee.
58. Prof. Sonalee Bora.
59. Prof. Bipul Bora.
60. Prof. Mrs. Mamani Phukan Rajkhowa.
61. Prof. Mrs. M. Chowdhury.
62. Prof. Dewan S. Alam.

## EXECUTIVE BODY OF A. D. P. COLLEGE STUDENTS' UNION. 1982-83


| | |
|---|---|
| Principal M. Abdul Hye | President |
| Vice Principal Narayan Ch. Barman | Working President |
| Pradip Kr. Baruah | Vice President |
| Tarun Ch. Saikia | General Secretary |
| M. Balayat Hussain | Asst. G. S. ( day ) |
| Cheniram Borah | Asst. G. S., ( Night ) |
| Kamal Ch. Bordoloi | Secy. Cultural |
| Niran Ch. Nath. | Asst. Secy. Cultural |
| Hemanta Kr. Choudhury | Secy. Music |
| Uzzal Kr. Talukdar | Asst. Secy. Music |
| Mahesh Ch. Nath | Secy. Debate & Symposia |
| M. Mukhlesur Rahman | Secy. Games & sports |
| Jayanta Nath | Asst. Secy. Games & sports (indoor) |
| Purna Kanta Nath | Asst. Secy. Games & sports (out door) |
| Deba Kanta Laskar | Secy. Gymnasium |
| M. Abdur Rasid Chowdhury | Editor, Magazine |
| Bhaben Kr. Boruah | Secy. Boys Common Room |
| Amulya Kr. Hazarika | Asst. Secy. Boys Common Room (Day) |
| Prabhat Das | Asst. Secy. Boys Common Room (Night) |
| Miss Upa Boruah | Secy. Girl's Common Room |
| Atul Ch. Bhattacharyya | Secy. Student Welfare Fund |
| Kamala Kanta Bora | Secy. Social Service |
| M. Mainul Haque | Asst. Secy. Social Service |

# মহাবিদ্যালয় ছাত্র সন্থা ১৯৮২-৮৩ চন




বহি--(বাঁওফালৰ পৰা) ঃ শ্ৰীবীৰেণ দাস (শ্ৰেঃ প্ৰঃ), উজ্জ্বল কুমাৰ তালুকদাৰ (সহঃ সঙ্গীত সঃ), হেমন্ত কুমাৰ চৌধুৰী (সঙ্গীত সম্পাদক), তৰুণ চন্দ্ৰ শইকীয়া (সাধাৰণ সম্পাদক), মঃ আব্দুল হাই (অধ্যক্ষ), নাৰায়ণ চন্দ্ৰ বৰ্মন (উপাধ্যক্ষ),ভৱকান্ত শৰ্মা (তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), মঃ মোখলেছুৰ ৰহমান (সঃ ক্ৰীড়া বিভাগ), মহেশ নাথ (সঃ তৰ্ক আৰু আলোচনা চক্ৰ), মঃ বেলায়েত হুছেইন (সহঃ সাঃ সঃ)।


থিয় হৈ (বাঁওফালৰ পৰা) ঃ উপা বৰুৱা (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), মঃ আব্দুৰ ৰসিদ চৌধুৰী (সঃ আলোচনী), খনিন্দ্ৰ গোস্বামী (শ্ৰেঃ প্ৰঃ), অতুল ভট্টাচাৰ্য্য (সঃ ছাত্ৰ-ছাত্ৰী সাহায্য নিধি), দুলাল চন্দ্ৰ ভূঞা (শ্ৰেঃ প্ৰঃ), কমল চন্দ্ৰ বৰদলৈ (সঃ সাংস্কৃতিক বিভাগ), তপন নাথ (শ্ৰেঃ প্ৰঃ), ভবেন কুমাৰ বৰুৱা (সঃ ছাত্ৰ জিৰণি কোঠা), জয়ন্ত নাথ (সহঃ সঃ ক্ৰীড়া বিভাগ), প্ৰভাত দাস (সঃ ছাত্ৰ জিৰণি কোঠা নৈশ), পূৰ্ণকান্ত নাথ (সহঃ সঃ ক্ৰীড়া বিভাগ, বহিঃ), দেৱকান্ত লস্কৰ (সঃ ব্যায়াম বিভাগ), অনিল শইকীয়া (অফিচ বিয়েৰাৰ)।




১৯৮০-৮১ চনৰ ৰাষ্ট্ৰীয় সমাজ সেৱা আঁচনিৰ উপদেষ্টা সমিতি, অধিনায়ক, নায়ক প্ৰমুখ্যে স্বেচ্ছাসেৱক স্বেচ্ছাসেৱীকাসকল




মহাবিদ্যালয়ৰ শ্বহীদবেদী




মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা




মহাবিদ্যালয়ৰ এটি অংশ




মহাবিদ্যালৰ ছাত্ৰ জিৰণি কোঠা




ছাত্ৰী জিৰণি কোঠা




মহাবিদ্যালয়ৰ চাইকেল ষ্টেণ্ড



অৰ্দ্ধ নিৰ্মিত ছাত্ৰাবাস



মহাবিদ্যালয়ৰ কাৰ্য্যালয়ত কৰ্মব্যস্ত কৰ্মচাৰীবৃন্দ




গ্ৰন্থাগাৰ সন্নিহিত পাঠাগাৰত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকল আৰু কৰ্ম-কৰ্তাসকল




ৰসায়ন বিভাগৰ পৰীক্ষাগাৰত ছাত্ৰ আৰু শিক্ষক



কৰ্মব্যস্ত অৱস্থাত ছাত্ৰ সন্থাৰ বিষয় ববীয়াসকল



পদাৰ্থ বিজ্ঞান বিভাগৰ পৰীক্ষা গাৰত শিক্ষক আৰু ছাত্ৰবৃন্দ



প্ৰাণীবিজ্ঞানৰ পৰীক্ষাগাৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক



N.C.C. Cadets clearing the house site in the arson affected area at Samaguri, during April, 1983 by A.D.P. College Unit.




S.U.O. Parthapratim Mahanta (From left No. 5) get ready to get in the Aircraft for Para jump at Para Trooper's Training School, Agra.



Relief Collection at Fancy Bazar Gauhati, for Riot striken people of Assam by N.C.C. Cadet of A.D.P. College, 8th Assam BN. N.C.C. Nowgong during April 1983.




N. C. C. Officer
A. D. P. College



N.C.C. Social Service at Sialbasti, Missa by N.C.C. officers and cadets during Annual Training Camps.



শ্ৰীমতী বীণা মাইবালাৰী (খাখ্লাৰী)
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ




শ্ৰীৰাণা বৰা, প্ৰাঃ বিঃ বিঃ, ২য় বাৰ্ষিক ক'লা (দিবা)
১৯৮২-৮৩ চনৰ 'মহাবিদ্যালয় সপ্তাহ সমাৰোহ'
শ্ৰেষ্ঠ গায়ক।



বাঁওফালৰ পৰা—মঃ আব্দুল মতিন (এওঁ ১৯৮১-৮২] আৰু ৮২-৮৩-ত আমাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ তাৰ্কিক)।
মহেশ চন্দ্ৰ নাথ (সম্পাদক, তৰ্ক বিভাগ)।
গোলাপ শইকীয়া (১৯৮৩ চনত ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত পতা স্বৰ্গীয় প্ৰণৱ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে আৰু এই দলটিয়ে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।)



শ্ৰীশৰৎ চন্দ্ৰ বৰা, যোৱা ১৯৮১-৮২ৰ কলেজ সপ্তাহত পতা সুকুমাৰ কলাৰ শ্ৰেষ্ঠ প্ৰতিযোগী।




শ্ৰীৰমণী মোহন দাস
১৯৮২-৮৩ চনৰ শ্ৰেষ্ঠ কেৰেম প্ৰতি.যাগী



শ্ৰীভোগেশ্বৰ বৰা, স্নাতক মহলাৰ ২য় বাৰ্ষিক ১৯৮১-৮২ চন
"মিষ্টাৰ এ, ডি, পি, কলেজ মহাবিদ্যালয়ৰ সপ্তাহ সমা-
ৰোহত'' ১৯৮১-৮২ দেহশ্ৰী প্ৰতিযোগিতাত ১ম পুৰস্কাৰ প্ৰাপ্ত




১৯৮২-৮৩ চনৰ বেডমিন্টনৰ আনন্দৰাম ঢেকিয়াল ফুকন
কলেজৰ শ্ৰেণ্ঠ প্ৰতিযোগী শ্ৰীউপেন কুমাৰ কাকতী।




মোঃ শ্বফিকৰ ৰহমান ১৯৮১-৮২ আৰু
১৯৮২-৮৩ চনৰ শ্ৰেষ্ট এথলেটিচ


মহাবিদ্যালয়ৰ মুখপত্ৰ "আনন্দলেখা"ৰ কেইটামান বিগত সংখ্যাৰ বেটুপাতৰ প্ৰতিকৃতি
















মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল






তৰুণচন্দ্ৰ শইকীয়া
সম্পাদক, ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি



ৰতন সিং,
টেব্‌ল টেনিচ চেম্পিয়ন ১৯৮১-৮২



মুকুল বৰা
সম্পাদক, স্মৃতিগ্ৰন্থ



ফটোত মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ সন্থাৰ তৰফৰ পৰা মৰিগাঁও মহকুমাত যোৱা অবৈধ নিৰ্ব্বাচনত ক্ষতিগ্ৰস্থ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিতাপ বিতৰণ কৰা দেখা গৈছে।



বছৰটোৰ শ্ৰেষ্ঠ ভলিবল দল ১৯৮২-৮৩

# আনন্দ লেখা

ত্ৰিবিংশতিতম আৰু
চতুৰ্বিংশতিতম যুগ্ম সংখ্যা

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ
ৰূপালী জয়ন্তী উদযাপন বৰ্ষ ॥ ১৯৮৩

# ॥ সূচীপত্র ॥

## ২য় খণ্ড আনন্দ লেখা

**প্ৰবন্ধ**


| | | |
|---|---|---|
| খালছা | ॥ ১২ ॥ | অধ্যাপক প্ৰিতম সিংহ |
| 'ৰভা'ৰ স্কাউটিং' | ॥ ২১ ॥ | ডিম্বেশ্বৰ হাজৰিকা |
| মাৰ্ক্সৰ দৃষ্টিত প্ৰব্ৰজন সমস্যা অমৌলিক | ॥ ২২ ॥ | পৰাণ কুমাৰ বৰুৱা |


**বিশেষ নিবন্ধ**


| | | |
|---|---|---|
| কলেজীয়া শিক্ষাৰ বিষয়ে ভয়ে ভয়ে দুআষাৰমান | ॥ ১ ॥ | যজ্ঞেশ্বৰ শৰ্মা |
| মোৰ কলেজীয়া জীৱন | ॥ ৪ ॥ | ডঃ ভুপেন হাজৰিকা |
| ছাত্ৰ আন্দোলন---কেইটামান বিক্ষিপ্ত চিন্তা | ॥ ৭ ॥ | হৰেশ্বৰ গোস্বামী |


**বিজ্ঞান বিষয়ক নিবন্ধ**


| | | |
|---|---|---|
| চিকিৎসা বিজ্ঞানৰ ফেঁহুজালি | ॥ ১৫ ॥ | ডঃ কৈলাশ চন্দ্ৰ দত্ত |


গল্প


| | | |
|---|---|---|
| স্মৃতি | ॥ ৯ ॥ | প্ৰফুল্ল হাজৰিকা |
| স্বাগত | ॥ ১৭ ॥ | ইন্দ্ৰকান্ত শৰ্মা |
| মাজ নিশাৰ উচুপনি | ॥ ৩০ ॥ | দীপক কুমাৰ বৰদলৈ |


**কবিতা**


| | | |
|---|---|---|
| মহানগৰ | ॥ ১৯ ॥ | অধ্যাপক ৰবীন্দ্ৰ চন্দ্ৰ বৰা |
| এপাহ শেৱালী ফুল | ॥ ১৯ ॥ | লক্ষ্মী প্ৰসাদ নাথ |
| সন্ধিক্ষণ | ॥ ২০ ॥ | বীৰেন চন্দ্ৰ বৰা |
| যাত্ৰা এনেকৈয়ে | ॥ ২০ ॥ | দেবেন চন্দ্ৰ নাথ |
| স্মৃতি | ॥ ২০ ॥ | বিমল চন্দ্ৰ ডেকা |
| দিবস | ॥ ২৮ ॥ | মোহন কাকতি |
| জুই নমাওঁ কেনেকৈ | ॥ ২৮ ॥ | হিৰণ্য কুমাৰ গায়ন |
| শিল্পীৰ স্মৃতিত | ॥ ২৮ ॥ | কৃষ্ণ কানাই ভূঞা |
| শৰতৰ ছবি | ॥ ২৯ ॥ | প্ৰতুল ভট্টাচাৰ্য্য |
| দুটি কবিতা | ॥ ২৯ ॥ | ফুলচিং দেউৰী |


**অন্যান্য**


| | |
|---|---|
| ছাত্ৰ সন্থাৰ উপ সভাপতিৰ একাষাৰ ১৯৮২-৮৩ | ॥ ৩৩ ॥ |
| সম্পাদকীয় প্ৰতিবেদনসমূহ | ॥ ৩৪ ॥ |

# কলেজীয়া শিক্ষাৰ বিষয়ে ভয়ে ভয়ে দুআষাৰমান

দেশত কলেজীয়া শিক্ষাৰ বিস্তাৰ ব্যাপকভাৱে হৈছে।
ই কেৱল নগৰতে আৱদ্ধ হৈ থকা নাই। গাঁৱে-ভূঞে আৰু
আওহতীয়া ঠাইতো কলেজীয়া শিক্ষা বিয়পি পৰিছে। ৱুটিছৰ
দিনত কলেজৰ শিক্ষা সীমাৱদ্ধ আছিল। আমি পঢ়াৰ দিনত
অসমত গুৱাহাটী আৰু শ্ৰীহট্ট মাত্ৰ দুখন কলেজ আছিল।
এই দুয়োখন কলেজেই চৰকাৰী কলেজ আছিল। চৰকাৰী
ৱৃত্তি পোৱা ল'ৰাৰ বাহিৰে সাধাৰণ দুখীয়া ল'ৰাৰ গুণ থাকিলেও
কলেজীয়া শিক্ষাৰ পৰা বঞ্চিত হৈছিল। মন কৰিব লগীয়া
সেই সময়ত অসম উপত্যকাত মেট্ৰিক পাছ কৰা মাত্ৰ এঘাৰটা
ল'ৰাই ৱৃত্তি পাইছিল। বিজ্ঞান বিষয়ত ছাত্ৰৰ আসনৰ সংখ্যাও
অতি সীমাৱদ্ধ আছিল আৰু বাণিজ্য শিক্ষাৰ কোনো উপায়
নাছিল। ১৯১৭-১৮ চনত গোটেই যোৰহাট মহকুমাত মাজু-
লীকে ধৰি মাত্ৰ ১১৫ খন প্ৰাইমেৰী স্কুল আছিল। ইয়াৰ পৰাই
সেই সময়ৰ শিক্ষাৰ এটা ধাৰণা কৰিব পাৰি।
ছাত্ৰৰ সংখ্যা কম হোৱাৰ ফলত সেই সময়ত শিক্ষাৰ
ব্যৱস্থা thorough আছিল। সেই অনুপাতে শিক্ষকৰ সংখ্যাও
যথেষ্ট আছিল।
স্বাধীনতাৰ কালত ঠায়ে ঠায়ে উচ্চ-ইংৰাজী স্কুলবিলাক
স্থাপন হ'বলৈ ধৰিলে। এই স্কুলবিলাক স্থাপনত স্থানীয়
ৰাইজ আৰু শিক্ষিত লোকসকলৰ অৱদান একেবাৰে কম
নহয়। ৰাইজে পতা স্কুলৰ আৰম্ভ বিশেষকৈ ১৯৩২-৩৩ চনৰ
কুখ্যাত কানিংহাম চাহাবৰ ফলত হ'বলৈ পাইছিল। এইটো কথা
স্পষ্ট যে ৰাইজৰ ৰাজনৈতিক চেতনাৰ লগত শিক্ষাৰ প্ৰসাৰ
আৰু প্ৰচাৰৰ যথেষ্ট সম্বন্ধ আছে। বিদেশী শাসকৰ তলত শিক্ষাৰ
মান কিছু উন্নত হলেও ইয়াৰ আদৰ্শ শাসকসকলৰ স্বাৰ্থ
অনুকূল আছিল। সেই আদৰ্শ অলপ ইফাল-সিফাল হ'লেই
বিদেশী শাসকে বিৰক্তি পোৱাটো স্বাভাৱিক। সেই কাৰণে
হাইস্কুল আৰু কলেজ স্থাপন কৰাৰ বিষয়ত শাসকসকলৰ
মনোভাব মাহীমাকৰ মনোভাবৰ নিচিনা আছিল। তেওঁলোকে
এই বিষয়ত ৰাইজক উৎসাহ দিবলৈ অলপো ইচ্ছা কৰা নাছিল
আৰু নানান কাৰণ দেখুৱাই শিক্ষাৰ বহল প্ৰচাৰত নানা বিঘি-
নিৰ সৃষ্টি কৰিছিল। ১৯৩০ চনত যেতিয়া যোৰহাটত প্ৰথমে
জগন্নাথ বৰুৱা কলেজ স্থাপন কৰিবলৈ লোৱা হৈছিল, সেই
সময়ত তেওঁলোকে সক্ৰিয়ভাৱে বিঘিনি সৃষ্টি কৰিছিল

তাৰ পাছৰ বছৰৰ হবিগঞ্জত আৰম্ভ কৰা তেনে, এটা প্ৰচেষ্টাক
বৈৰভাৱে দেখিছিল। তদানীন্তন ডাইৰেক্তৰ মিঃ স্মলৰ পাঁচ-
বছৰীয়া ৰিপ'ৰ্ট পঢ়িলে এই বিষয়ে জানিব পাৰিব।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত শিক্ষা প্ৰচাৰ কৰাৰ
আকাংক্ষা বাঢ়ি অহাটো অতি স্বাভাৱিক কথা। কিন্তু এই
স্বাভাৱিক আকাংক্ষাটো আমাৰ তথাকথিত গণতান্ত্ৰিক শাসনৰ
ফালৰ পৰা সবল আৰু আশাসুধীয়াভাৱে গ্ৰহণ কৰা নহৈছিল।
এই কলেজসমূহ যদিও ৰাইজৰ দান-বৰঙনি আৰু অনেক উচ্চ
শিক্ষিত ডেকাৰ পৰিশ্ৰমৰ ফলত আৰম্ভ হৈছিল—ইয়াত ৰাজ-
নৈতিক হুদু পৰিবলৈ বেছি সময় নালাগিল। এই পৱিত্ৰ অনু-
ষ্ঠানসমূহক যৎসামান্য সাহায্য দিয়াৰ নামত উচ্চাকাঙ্ক্ষী
বা দুৰাকাঙ্ক্ষী ৰাজনৈতিক ব্যক্তিসকলে আকাঙ্ক্ষা পূৰণৰ
একোটা সৰু সৰু মঞ্চ বুলিও ভাবি লৈছিল। ৰাজনীতিৰ
ক্ষেত্ৰত নিজৰ ৰাজনৈতিক বিস্তাৰৰ স্পষ্ট প্ৰমাণ এই অনুষ্ঠান
বিলাকত পোৱা গৈছিল। অৱশেষত এই কলেজসমূহ নিয়ন্ত্ৰণৰ
কাৰণে যি আইন প্ৰণয়ন কৰা হৈছিল তাতো অতি স্পষ্টভাৱে
ৰাজনৈতিক প্ৰভাৱ পৰিছিল। কলেজসমূহৰ ওপৰত এনে
ৰাজনৈতিক প্ৰভাৱ এতিয়াও শেষ হোৱা নাই।

দেশত উচ্চ বিদ্যালয় বা মহাবিদ্যালয় স্থাপন হ'লে সেই
বিলাকে সমাজত কি পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰে আৰু কি
পৰিমাণে ইয়াৰ পৰা উপকৃত, হয় তাৰ দ্বাৰাহে এই বিদ্যালয়-
সমূহৰ বিচাৰ কৰিব লাগিব। কোনো এখন দেশত কিমান
বুদ্ধিজীৱী লোক থাকে আৰু সংসাৰৰ জ্ঞান-বিজ্ঞানৰ সম্পৰ্কে
সেই দেশৰ লোকৰ কিমানখিনি পৰিচয় হয় সেই কথাৰ দ্বাৰাই
সেই দেশৰ বুদ্ধিৰ মূল্য নিৰ্ণয় কৰিব লাগে। সেই ফালৰ পৰা
চাবলৈ গ'লে আমাৰ মহাবিদ্যালয়সমূহে এই কৰ্তব্য সম্পূৰ্ণ
ৰূপে পালন কৰিছে বুলি কোৱা টান। উচ্চ শিক্ষাৰ ঘাই উদ্দেশ্য
হৈছে বিভিন্ন বিষয়ৰ লগত ছাত্ৰসকলৰ ঘনিষ্ঠ পৰিচয়, চিন্তাৰ
বিকাশ আৰু মোহমুক্ত বুদ্ধি আৰু মনোবৃত্তিৰ সৃষ্টি। এনেই
ফল লাভ হৈছে বুলি আমি এতিয়াও ক'ব পৰা হোৱা নাই।
আমাৰ উচ্চশিক্ষা এতিয়াও সম্পূৰ্ণ পৰীক্ষা নিয়ন্ত্ৰিত অৰ্থা
পৰীক্ষাই ইয়াৰ ঘাই উদ্দেশ্য। গোটেই শিক্ষাৰ প্ৰণালীৰেই যেন
বাৰ্ষিক পৰীক্ষা গ্ৰহণ কৰাই প্ৰধান কাম। শিক্ষাদান কেৱল

গৌণ উদ্দেশ্য। এনে শিক্ষা ব্যৱস্থাৰ মাজতো যি দুই-চাৰি প্ৰতিভাশালী ডেকা ওলাইছে ই শিক্ষা ব্যৱস্থাৰ ফলত নহয়। Not for it, but in spite of it আৰু প্ৰায় কমেও ৩০ জন ল'ৰা এই শিক্ষা বিলাকত অকৃতকাৰ্য্য হয়; তেওঁলোকে নিজৰ শক্তিৰ ওপৰতে আস্থাহীন হৈ পৰে। এখন দেশৰ যুৱক-সম্প্ৰদায় এনেদৰে আত্মবলৰ ওপৰত আস্থাহীন হৈ পৰাটো গোটেই দেশৰ বাবে অতি ভয়াবহ কথা।

যিসকলে বৰ্তমান আমাৰ উচ্চ শিক্ষা ব্যৱস্থা নিয়ন্ত্ৰণ কৰিব তেওঁলোকৰ প্ৰধান কৰ্তব্য ছাত্ৰসকলৰ মাজত যুক্তিপ্ৰধান মনোবৃত্তি উদ্‌বুদ্ধ কৰা, জিজ্ঞাসা প্ৰৱণতা বৃদ্ধি কৰা আৰু নিজৰ অন্তৰ্নিহিত শক্তিৰ ওপৰত আস্থা বঢ়োৱা। এই উদ্দেশ্য সফল কৰিবলৈ উচ্চ শিক্ষা সম্পৰ্কে আমাৰ দৃষ্টিভংগী সম্পূৰ্ণ শুধৰাই লব লাগিব আৰু এইটোৱেই আটাইতকৈ টান কাম। কিয়নো মানুহ স্বাভাৱিকতে গতানুগতিকতা প্ৰিয়। নতুনৰ কাৰণে সদায় ভীৰু। এই ভীৰুতা আৰু সংকোচ সমাজৰ তলৰ পৰা ওপৰলৈ সকলো শ্ৰেণী মানুহৰ মাজৰ পৰা নুগুচিলে শিক্ষাক নতুন যুগৰ অভিমুখী কৰাটো অলপ টান হ'ব।

মহাবিদ্যালয় বিলাকত কলা, বিজ্ঞান, বাণিজ্য ঘাইকৈ এই তিনিটা বিষয়েই শিক্ষা দিয়া হয়। বাণিজ্য বিষয়টো বাদ দি কলা আৰু বিজ্ঞানৰ কথা কোৱা যাওক। কলা বিষয়ত আমাৰ ডিগ্ৰীৰ পাঠ্যক্ৰমত দুটা বিষয়েই প্ৰধানকৈ লোৱা হয় যদিও ইংৰাজী এটা আধা বিষয় হিচাপে থাকে। বিজ্ঞানত তিনিটা বিষয় আছে আৰু বিজ্ঞানৰ প্ৰত্যেক বিষয়তে practical বা কাৰ্য্যকৰী শিক্ষা থাকে। ছাত্ৰসকলে নিজে পৰীক্ষা কৰিবলগীয়া হয়। তাৰ তুলনাত কলা বিজ্ঞানত পাঠ্যক্ৰম লঘু, কাৰণ পাঠ্যক্ৰমত কলা বিভাগত কেৱল দুটা বিষয়হে শিক্ষা দিয়া হয়। অন্ততঃ তিনিটা বিভাগত শিক্ষা দিয়া উচিত। তাৰ বিতৰণ মৌলিক বা basic, যেনে--দৰ্শন, সংস্কৃত, সাহিত্য, বুৰঞ্জী ইয়াৰ অন্ততঃ দুটা থকা উচিত। কোনো এজন স্নাতকে কেৱল Education আৰু মাতৃভাষা এই দুটা বিষয় লৈ পাছ কৰিলেও তেওঁ কোনো গুৰুত্বপূৰ্ণ মৌলিক বিষয় শিকিব নোৱাৰে আৰু সঁচা কথা ক'বলৈ গ'লে সেই স্নাতকৰ মূল্যও বহুত কমি যায়।

প্ৰাক্-বিশ্ববিদ্যালয় বা উচ্চতৰ মাধ্যমিক স্তৰত (১) অসমীয়া আৰু ইংৰাজীৰ দুখনকৈ পত্ৰ আৰু (২) লজিক, সংস্কৃত, বুৰঞ্জী, ৰাজনীতি, অৰ্থনীতি, অসমীয়া (২য়), ভূগোল, গণিত, মনোবিজ্ঞান, মেটাফিজিক্‌ছ, ৰসায়ন, পদাৰ্থবিদ্যা, উদ্ভিদবিদ্যা, জীৱবিদ্যা, নৃতত্ব, কৃষিবিদ্যা, ৰেচমশিল্প, বুক-কিপিং এই দ্বিতীয় বিষয়সমূহৰপৰা ভৱিষ্যত কল্পনা অনুযায়ী ৫।৬ খন পত্ৰৰ শিক্ষা আৰু পৰীক্ষা হ'ব লাগে। এই পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ কলা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা, বাণিজ্য, কৃষি প্ৰভৃতি বিষয়ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰলৈ যাব অথবা ছবছৰীয়া আইনৰ অধ্যয়ন কৰিব। যিসকলে ইয়াতেই শিক্ষা শেষ কৰিব খোজে, সেইসকলে শিক্ষিত enlightened নাগৰিক হিচাপে স্বাধীন জীৱন যাপন কৰিব পাৰিব আৰু কৃষি আদি ব্যৱসায়ত লাগিলেও আধুনিক বিজ্ঞানৰ প্ৰয়োগ কৰিব পাৰিব।

স্নাতক স্তৰত (বাণিজ্যৰ বাহিৰে) সংস্কৃত, দৰ্শন, বুৰঞ্জী, মনোবিজ্ঞান, ৰাজনীতি, অৰ্থনীতি, ইংৰাজী, অসমীয়া, ভূগোল, গণিত এইবিলাকৰ মাজৰ তিনিটা বিষয়ৰ প্ৰতি বিষয়ত তিনিখনকৈ ন খন পত্ৰৰ কাৰণে পঢ়িব। ইংৰাজী আৰু অসমীয়া প্ৰবন্ধ ৰচনাৰ এখন পত্ৰ থাকিব আৰু তাৰ কাৰণে কিছুমান কিতাপ বিশ্ববিদ্যালয়ে অনুমোদন কৰিব, যেনে Bertrand Russele অৰ প্ৰবন্ধ বা তেনে সংকলন, ৰবীন্দ্ৰনাথৰ প্ৰবন্ধ, অসমীয়া সাহিত্যৰ প্ৰবন্ধ সংকলন। ছাত্ৰই নিজে সেইবিলাক অধ্যয়ন কৰিব, তাৰ পৰা কোনো প্ৰশ্ন নাহিব।

অনাৰ্ছ বোলা কোনো বিষয় আৱশ্যক যেন নালাগে। ন খন (বা দহ) পত্ৰৰ মুঠতে শতকৰা ৬০ বা অধিক পালে প্ৰথম শ্ৰেণী, ৫০ৰ পৰা ৫৯ লৈ দ্বিতীয় শ্ৰেণী আৰু ৪০ৰ পৰা ৪৯লৈ পোৱা পৰীক্ষাৰ্থী সাধাৰণ উত্তীৰ্ণ বুলি ধৰিব। এটা বিষয়ত অনাৰ্ছ লোৱা ছাত্ৰই আন দুটা বিষয়ত কোনোমতে সৰকিবলৈ চেষ্টা কৰে। এইটো নীতি হিচাপে নিন্দনীয়।

যিহেতু আমাৰ শিক্ষাৰ মাধ্যম বৰ্তমান মাতৃভাষা অসমীয়া হৈছে, তেনেস্থলত এটা তিনি বছৰীয়া degree courseত তিনিটা সম্পূৰ্ণ বিষয় কোনো প্ৰকাৰে গধুৰ হ'ব নোৱাৰে। লঘু বিষয় লবলৈ চেষ্টা কৰাটো আমাৰ ছাত্ৰ সমাজৰ মানসিক অলসতাৰ ফল। যি জাতিৰ ছাত্ৰই মানসিক অলসতাক প্ৰশ্ৰয় দিয়ে, সেই জাতিৰ ভিতৰত বুদ্ধিপ্ৰধান মেধাৱী লোকৰ উদ্ভৱ হোৱা সম্ভৱ নহয়। বৌদ্ধিক দুৰ্বলতাৰ কোনো সম্প্ৰদায় জগতত তিষ্ঠিব নোৱাৰে।

আমাৰ শিক্ষাৰ এটা প্ৰধান অন্তৰায় হৈছে ছাত্ৰ আৰু শিক্ষকৰ ভিতৰত সংযোগৰ অভাৱ। সপ্তাহত তিনি বা চাৰিটা বক্তৃতা ডেড়শ-দুশ ছাত্ৰৰ সন্মুখত গতানুগতিকভাৱে দি গলে ছাত্ৰ আৰু শিক্ষকৰ সংযোগ অতি ক্ষীণ হৈ থাকে। এই আনুষ্ঠানিক বক্তৃতা বস্তুটো কমাই তাৰ ঠাইত সৰু সৰু দল বা Group সপ্তাহত অন্ততঃ দুবাৰকৈ বা তিনিবাৰকৈ শিক্ষকৰ লগতে লগ লাগি বিষয়-বস্তুৰ মুকলিমূৰীয়া আলোচনা কৰিলে ছাত্ৰৰ চিন্তাৰো বাট ওলায় আৰু শিক্ষাও আনন্দদায়ক হয়। আমাৰ বৰ্তমান শিক্ষা-প্ৰণালী প্ৰায়ে আনন্দদায়ক নহয়। It's task not a pleasure। সৰহীয়া ল'ৰাৰ মাজত বক্তৃতা দি ল'ৰাক আনন্দ দিব পৰা অধ্যাপক খুব কমেইহে পোৱা যায়। Tutorial Groupঅৰ সংখ্যা যিমানেই অধিক হ'ব আৰু সেই সৰু শ্ৰেণীবিলাকত বিষয়বিলাকৰ সম্পৰ্কে ছাত্ৰক স্বাধীনভাৱে আলোচনা কৰিবলৈ সুবিধা দিয়া হ'ব, সিমানেই বিষয়টোৰ প্ৰতি আগ্ৰহ হ'ব আৰু শিক্ষণীয় বিষয়ত আনন্দ লাভ কৰিব পাৰিব। অৱশ্যে শিক্ষকৰ বা অধ্যাপকৰ যোগ্যতা আৰু আগ্ৰহৰ ওপৰতো এই কথা নিৰ্ভৰ কৰে। মুঠৰ ওপৰত যি বিষয় পঢ়ি ছাত্ৰৰ মনত কোনো সৃষ্টিধৰ্মী মানসিক প্ৰতিক্ৰিয়া নহয় আৰু যি মনক স্পৰ্শ নকৰে, সেই বিষয়ৰ শিক্ষা বন্ধ্যা।

কলেজীয়া শিক্ষাৰ লগত খাপখোৱাকৈ আমাৰ প্ৰাক্-বিশ্ববিদ্যালয় বা প্ৰাক্-ডিগ্ৰী আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰো পৰিবৰ্তন হ'ব লাগিব। প্ৰকৃতপক্ষে উচ্চতৰ মাধ্যমিক আৰু

-ডিগ্ৰী দুয়োটা পৰীক্ষা আৰু শিক্ষা একে হোৱাটো অতি ৱশ্যক। ইমান দিনে সেইটো হৈ উঠিব লাগিছিল। নোহোৱাটো যাতে অশুভ আৰু অন্যায় কাম হৈছে। এই স্তৰৰ শিক্ষা সম্বন্ধে ৰ্থাৎ P.U. বা উচ্চতৰ মাধ্যমিক আমাৰ শিক্ষাবিদসকলে বাত্মক ভুল কৰি আহিছে। পূৰ্ববৰ্তী শিক্ষাবিদসকলে প্ৰস্তুত বা ৰিপ'ৰ্টত এই কথা স্পষ্টকৈ কোৱা আছে যে এই শিক্ষাৰ দ্দেশ্য মাতৃভাষা আৰু আন এটা ভাষাৰ বিষয়ে ছাত্ৰক যথেষ্ট ান দিয়া। এজন উচ্চতৰ মাধ্যমিক বা পি, ইউ পাছ কৰা াত্ৰই, যিজনৰ মাতৃভাষা আৰু লগতে আন এটা ভাষা, যেনে, ংৰাজীৰ যথেষ্ট জ্ঞান লাভ কৰিব লাগে। ভাষা-শিক্ষাৰ ামটো ডিগ্ৰী শ্ৰেণীৰ কাৰণে থব নালাগে।

আমাৰ বক্তব্য হ'ল এয়ে. প্ৰাক-বিশ্ববিদ্যালয় বা উচ্চতৰ মাধ্যমিকত ছাত্ৰবিলাকক প্ৰস্তুত কৰি কেৱল উপযুক্ত ছাত্ৰক ডিগ্ৰী কলেজত ভৰ্তি কৰিব। শিক্ষকসকলো সেই অনুপাতে ডিগ্ৰী কলেজত শিক্ষাদানৰ সম্পূৰ্ণ উপযুক্ত হ'ব লাগিব আৰু প্ৰকৃত শিক্ষাদানৰ কাৰণে যথেষ্ট সংখ্যক শিক্ষকৰো আৱশ্যক হ'ব।

উচ্চ শিক্ষাত শিক্ষকৰ সংখ্যা আৰু গুণ দুয়োটা অতি গুৰুত্বপূৰ্ণ। আজিকালি প্ৰায় শতকৰা ৭৫ জন শিক্ষকেই অধ্যাপনা কাৰ্য্যত জীৱনৰ ব্ৰত বুলি গ্ৰহণ নকৰে আৰু সেই সংকল্প গ্ৰহণ কৰাৰ উপযুক্তও নহয়। প্ৰতিভাশালী আৰু উচ্চ-বৃত্তিসম্পন্ন ছাত্ৰ মাত্ৰেই ইঞ্জিনিয়াৰিং, মেডিকেল কিম্বা আন লাভজনক কাৰ্য্যৰ কাৰণে আৰম্ভতে নিজৰ নিজৰ ৰুচি অনুসৰি পথ অৱলম্বন কৰে। অধ্যাপনা কাৰ্য্যৰ কাৰণে অৱ-শিষ্টবিলাকৰ ভিতৰত কিছু নিম্নথাপৰ মানুহে অধ্যাপনা কাৰ্য্যলৈ যাবলৈ বাধ্য হয়। কলেজত শিক্ষাদানত অনুপযুক্ত যি কোনো master ডিগ্ৰী ধাৰী লোককো কলেজৰ অধ্যাপনাৰ কাৰণে নিযুক্তি দিয়ে। অনুপযুক্ত লোক উচ্চ শিক্ষাৰ শিক্ষক হোৱা দেশৰ পক্ষে অতি মাৰাত্মক কথা। বিদেশী বিতাৰণ সমস্যাতকৈ এই সমস্যা দেশৰ কাৰণে ভয়াবহ।

আমাৰ বক্তব্যখিনি এতিয়া চমুকৈ কবলৈ চেষ্টা কৰোঁ--

(১) আমি কিছুদিন পূৰ্বে এখন ধেমেলিয়া অৰ্দ্ধ কবিতাপুথি লিখিছিলোঁ। তাত মহা আৰু বিদ্যালয় এটাও নহয়

জ্ঞানী লোকে মহাবিদ্যালয় বুলি কয়-

এই কথাখিনিয়ে এসময়ত অলপ উত্তেজনাৰ সৃষ্টি কৰি-ছিল। এই প্ৰসঙ্গত স্বৰ্গীয় পণ্ডিতপ্ৰবৰ সন্দিকৈদেৱে কোৱা বিদ্যালয় আৰু বিত্তালয়ৰ পাৰ্থক্যলৈ মনত পৰে।

(২) মহাবিদ্যালয় হলে প্ৰকৃততে সি উচ্চমান অৱলম্বন কৰিব লাগিব। ইয়াত প্ৰৱেশ কৰা ছাত্ৰৰ উচ্চশিক্ষা গ্ৰহণৰ উপযুক্ততা থাকিব লাগিব আৰু শিক্ষাদাতা শিক্ষকসকলৰো যথেষ্ট অৰ্হতা থাকিব লাগিব। শিক্ষকসকলক মাজে সময়ে প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা থাকিব লাগিব।

(৩) মহাবিদ্যায়সমূহ অবাঞ্ছনীয় ৰাজনৈতিক প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত থাকিব লাগিব।

(৪) চৰকাৰ আৰু ৰাইজে মহাবিদ্যালয়বিলাকৰ কাৰণে যথেষ্ট পৰিমাণে আৰ্থিক সাহায্য যোগাবলৈ প্ৰস্তুত হ'ব লাগিব। কিয়নো ক্ষুদ্ৰ মন কৃপনালিৰ দ্বাৰা কোনো ডাঙৰ কাম নহয়। Big institutions and little mids dont go together.

(৫) এই বিদ্যালয় বিলাকৰ পৰা আয়কৰ লোৱাত অধ্যা-পক সকলকো যাতে অৱসৰ লোৱা জীৱনত কিছু আৰ্থিক সাহায্য দিব পৰা হয় সেই কথাও সমাজে চিন্তা কৰিব লাগে। কোনো কোনো অভিজ্ঞ আৰু উপযুক্ত অধ্যাপকক অৱসৰ লোৱাৰ পাছতো সেই কলেজৰ লগত সম্পৰ্ক ৰাখিবলৈ সুবিধা দিব লাগে। প্ৰায় প্ৰত্যেক সভ্য দেশতে এই প্ৰথা আছে।

(৬) আমাৰ মহাবিদ্যালয়সমূহ বৰ্তমান আন্দোলনৰ লগত জড়িত হৈ পৰিছে। ফলত শিক্ষাদান আৰু শিক্ষা গ্ৰহণৰ অসুবিধা হোৱাটো স্বাভাৱিক। আনহাতে অন্যায়ৰ প্ৰতিবাদ কৰাটো শিক্ষাৰ অন্যতম উদ্দেশ্য। অন্যায় সহ্য কৰাটো শিক্ষাৰ উদ্দেশ্য হ'ব নোৱাৰে। গতিকে ছাত্ৰসকল আন্দোলনৰ লগত জড়িত হলেও যাতে শিক্ষা ব্যৱস্থা অব্যাহত থাকে তাৰ উপায় শিক্ষক আৰু ছাত্ৰ মিলি উলিয়াব লাগিব। আন্দোলনতো আমি আশা নকৰো! কিন্তু যেতিয়া মানুহে বাধ্য হৈ আন্দোলন কৰিব লগা হয়-- তেতিয়া উপায় নাথাকে। এনে অৱস্থাত আন্দো-লনত জড়িত থকা ছাত্ৰও শিক্ষা স্বাভাৱিকভাৱে পোৱা দি পাই থাকে তাৰ উপায় উলিয়াব লাগিব। আধুনিক জগতত দিনে নানা বিপ্লৱ হ'ব লাগিছে। শান্তিপূৰ্ণ জীৱন সদায় আশা কৰিব নোৱাৰি। ইয়াৰ মাজতো দেখা গৈছে যে ছাত্ৰসমাজে এহাতে পুথি আৰু এহাতে বন্দুক লৈ কৰ্তব্যৰ সমন্বয় সাধন কৰিছে।

(৭) কলেজৰ পুথিভঁৰালত বাছকবনীয়া গ্ৰন্থৰ ঠাই হ'ব লাগে আৰু সেইবিলাক যাতে ছাত্ৰ-ছাত্ৰীয়ে পাব পাৰে তাৰ ব্যৱস্থা থাকিব লাগে। তাৰ উপৰি খেলা-ধূলা, তৰ্ক-আলোচনা আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান কোনো এটা কলেজৰ অপৰি-হাৰ্য্য অংগ।

(৮) কলেজত যিবিলাক কাৰ্য্যনিৰ্বাহক সভা আছে, সেই বিলাকত উপযুক্ত আৰু শিক্ষাপ্ৰেমী মানুহে ঠাই পাব লাগে। যাতে অবাঞ্ছনীয় প্ৰভাৱৰ শক্তি কমি যায়।

(৯) অৱশেষত যিজন আধুনিক অসমৰ নিৰ্মাতা মহাপ্ৰাণ ঢেকিয়াল ফুকনৰ নামত এই কলেজ স্থাপিত হৈছে--সেই গৰাকী পুৰুষৰ আজি গুণ সভা, এই অনুষ্ঠানত বিয়পি থাকিব লাগে।০০০

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
প্ৰাক্তন সভাপতি,
অসম সাহিত্য সভা

৩
৪

স্মৃতিৰ লেচেৰী বুটলি

# মোৰ কলেজীয়া জীৱন

## ডঃ ভূপেন হাজৰিকা

০ মই কুৰি বছৰ বয়সত এম, এ, পাছ কৰিছিলোঁ। গতিকে কেইবছৰ কলেজত পঢ়িলোঁ? মাত্ৰ ৪ৰ পৰা ৬ বছৰ। তাৰে কটন কলেজত দুবছৰ পঢ়িছোঁ। যেতিয়া মোৰ এই কলেজীয়া জীৱনৰ কথা ভাবোঁ, তেতিয়া গোটেইখন আন্ধাৰ; যুদ্ধ হৈ আছে। গোটেইখনতে sleep tranch আছে, গুৱাহাটীৰ ভৰলুমুখৰ সোণাৰাম স্কুলৰ ফিল্ডত এন্টি এয়াৰক্ৰেফট্ গান আছে—জেপেনীজ বিমান গুলীয়াবলৈ; গোটেইখন আন্ধাৰ।

আমাৰ কটন কলেজৰ চুডমাৰ্চন হলত ফাংশ্যন পাতিবলৈকো অনুমতি ল'ব লাগে; সৰু মইক্ৰোফোন এটা আছিল। হলতে আমি আড্ডা মাৰিছিলোঁ, পিং-পং খেলিছিলোঁ; বৰ ৰঙীণ দিন সেইবোৰ। আন্ধাৰ দিনৰ কিন্তু বৰ ৰঙীণ।

চিন্তাৰ দোধোৰ-মোধোৰত পৰিছিলোঁ; বিৰাট শক্তি আহিছে; ইংলণ্ড আৰু এমেৰিকাৰ soldier আহিছে—আমাৰ অসমখন যুদ্ধক্ষেত্ৰ হৈ উঠিছে। সিফালৰ পৰা সুভাষ বোস আহিছে, আমাক স্বাধীনতা দিবলৈ আহিছে; কহিমাত বহুত মানুহ মৰিছে।

বহুত মৃতদেহ দেখোঁ, এমেৰিকান dead body বিলাক চিংগাপুৰত জাপানীয়ে মাৰিছে; তাৰ মৃতদেহবোৰ আনি ব্ৰহ্মপুত্ৰৰ মাজত উটাই দিছে।

ৰাতি দেউতাই মোয়ে উজানবজাৰৰ পৰা ভৰলুলৈ উভটি আহোঁতে কিছুমান American soldier এ নাৰ্ছ কেইগৰাকীমানক বেয়া ব্যৱহাৰ কৰা দেখোঁ; অসভ্যৰ নিচিনা ব্যৱহাৰ। মই চকু মুদোঁ। দেউতাই এবাৰ হাতৰ লাঠীৰে আমাৰ ঘৰৰ মুখতে তেনেকুৱা দুটামানক মৰিয়ালেও।

এনেকুৱা অসভ্যালিৰ লগতে জ্যোতিও আছে; স্বাধীনতাৰ সংগ্ৰামো চলি আছে -'৪১-'৪২ত। এফালে নেহৰু, এফালে জে, পি (জয়প্ৰকাশ) সকলোৰে মিলি স্বাধীনতা সংগ্ৰাম কৰি ...ছে। নগাঁৱৰ মহেন্দ্ৰ হাজৰিকা তেতিয়া ফেৰাৰ / TRR অৰ। ...ছ গুলীয়াবলৈ বিচাৰি আছে। তেওঁ বাচি আছে; সংগ্ৰাম ...াছে। গতিকে সেই পৰিৱেশত তেতিয়া আমি ডেকা ...নত।

আন্ধাৰ আছিল কাৰণেই দেউতাই কৈছিল- আগুৱাই যা, সিফালে যা। কলিকতালৈ গ'লোঁ। তাতো জাপানী বোমা ফুটিছে। পোহৰ তাতো নাই; গতিকে ছেদেলি-ভেদেলি কলিকতাৰ ল'ৰা ট্ৰেনৰ তৃতীয় শ্ৰেণীত উঠি বেনাৰস পালোঁগৈ। গতিকে মোৰ কলেজীয়া জীৱন হ'ল--গুৱাহাটীত ইন্টাৰমিডিয়েট (তাত বৰ দোধোৰ-মোৰত কলেজীয়া জীৱনটো আছিল; আমি যিটো ৰঙীন সপোন লৈ গৈছিলোঁ সেই্টো -সম্পূৰ্ণ নাপালোঁ।) বি-এ, এম-এ বেনাৰসত পঢ়োঁতে সৰ্বভাৰতীয় যুৱমানসৰ লগত চিনাকি হ'লোঁ; তেতিয়া আমি এজন চেটাৰ্জী বা এজন সুব্ৰহ্মণিয়ম আৰু এজন পাৰীখ, এজন পেটেল সহ আমি সকলো একে হৈ গ'লোঁ; আৰু একে উদ্দেশ্য আমাৰ "কি দেশখন স্বাধীন হৈতে লাগে।"

গতিকে আজিৰ কলেজীয়া ছাত্ৰতকৈ আমি অলপ বেছি সৌভাগ্যবান; কাৰণ আমি গোটেই সামূহিক কিবা এটা পাইছিলোঁ।

তাৰ পিছত আহে যৌৱন।

আৰু মই শিল্পী আছিলোঁ কাৰণে বা হ'ব খুজিছিলোঁ কাৰণে বুটলিছিলো (মই শাস্ত্ৰীয় সংগীত বেনাৰসতে শিকিছিলোঁ; আৰু অসমলৈ আহি ফাঁচী বজাৰত এজন দেচুৱালী মৃদংগ বজোৱা মানুহক নানা বনাই লৈছিলো ক্লাছিকেল শিকিম বুলি); নাপাওঁ, তেতিয়া আমি একো নাপাওঁ। ফাংশ্যন তাংশ্যনো নাই। কেতিয়াবা বৰগীত গাব লাগে শংকৰদেৱৰ তিথিত। বিহু সন্মিলন তেতিয়া এনেকৈ পতা নাছিল। তেতিয়া কৰবাত সৰুকৈ এখন তেনে সন্মিলন হয়। বিহু আছিল গাঁৱে-গাঁৱে, চহৰলৈ অহা নাছিল।

গতিকে আমাৰ যৌৱনটো তেনেকৈয়ে কটাইছোঁ। খুব কিবা এটা ৰঙীন পোৱা নাই; অলপ পাইছিলোঁ; কিন্তু আমাৰ কলেজীয়া জীৱনটো বৰ সন্ধিক্ষণত গ'ল।

কলেজীয়া জীৱনটো মই বৰ পাইছিলোঁ হ'লে।

আমাৰ কটন কলেজত ডঃ(বাণীকান্ত) কাকতি, ডঃ (সূৰ্যকুমাৰ) ভূঞা, পি-চি ৰয় আদি শিক্ষকসকলৰ কথা মই ক'বই লাগিব। বাণীকান্ত কাকতিৰ নিচিনা মানুহে (বিড়ি খায়) এক বান্দোল বিড়ি লগত লৈ আনে আৰু সুন্দৰকৈ খায়; আৰু কেতিয়াও লণ্ডন নেদেখাকৈয়ে লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা পি-এইচ, ডি, ডিগ্ৰী লৈ আনিছিল। আদৰ্শৱান। নগাঁৱৰ সূৰ্য ভূঞা, তেওঁ বুৰঞ্জীবিলাক নতুনকৈ উদ্ধাৰ কৰি আমাক কৈছে আহ, চা-এয়া আমাৰ অসমৰ ঐতিহ্য।

গতিকে সেইবিলাক মানুহৰ অধীনত পঢ়িছোতো, পঢ়ি খুব ভাল লাগিছিল। সংস্কৃত শিকিছিলো আমি লক্ষ্মী চেটাৰ্জীৰ আগুৱাত। আকৌ বেনাৰসত গৈ ফিল'চফিত অনাৰ্চ লৈ ডঃ ৰাধাকৃষ্ণনক পালোঁ; ছমাহ আমাক পঢ়ায়। ইমান ডাঙৰ মানুহজনে, ভাইচ চেঞ্চেলৰো হৈ তেওঁৰ নিজৰ বিষয়ৰ বি-এৰ অনাৰ্চ ক্লাচ ল'বলৈ নামি অহা আমি পৃথিৱীৰ ক'তো আৰু দেখা নাই। তাৰ মানে কিমান ভাল atmosphere আমি পাইছিলোঁ।

তাৰ পিছত কলেজীয়া জীৱন এমেৰিকাতো আছে। তাততো প্ৰফেচৰক নামৰ প্ৰথম আখৰেৰে মতা হয়। যেনে-প্ৰফেচৰ জন উইক। জন বুলি মাতো। মাতিবলৈ নিজেই দিয়ে। আমাকো (ছাত্ৰবোৰকো) প্ৰথম নামদি মাতে। তেওঁ হয়তো বয়সত মোতকৈ ৩০ বছৰে ডাঙৰ, কিন্তু তেওঁক পল বুলিয়ে মাতিব লাগিব, নহ'লে তেওঁ বেয়া পায়।

কলেজীয়া জীৱনটোত মই কতৰকমৰ যে ৰহণ পালোঁ। কটন কলেজৰ এন্ধাৰৰ মাজতে পোহৰ পালোঁ। বেনাৰস য়ুনিভাৰ্চিটিৰ সৰ্বভাৰতীয় পৰিৱেশত আমাৰ অসমীয়া নীচাত্মিকা মনোভাৱটো হেৰাই গ'ল। (আমি অসমীয়া ল'ৰাও, intelligent আমিও স্বৰ্ণ পদক পাওঁ, আমাৰ ল'ৰা ফাৰ্ষ্ট ক্লাচ ফাৰ্ষ্ট হয়, আমাৰ ল'ৰা ভাল মেকানিকেল আৰু মাইন ইঞ্জিনিয়াৰ হয়, এতিয়া ইঞ্জিনিয়াৰিঙত যিমানবিলাকে leadership পাইছে সব বেনাৰস বিশ্ববিদ্যালয়ৰ ছাত্ৰ; গতিকে এনেকৈ আমাৰ ইনফেৰিয়ৰ'টি কমপ্লেক্সটো নোহোৱা হ'ল। আৰু যেতিয়া verricular স্কুলত পঢ়া ল'ৰা কলাম্বিয়া বিশ্ববিঃত পি, এইচ, ডি, কৰিব আহিছোঁ আমাৰ মূৰো নিশ্চয় কম নহয়; মানে কোনো মহাপুৰুষ নহয় অনুভৱ কৰিলোঁ, সুবিধা পালে আমিও হেৰি কৰিব পাৰোঁ।)

কলেজীয়া জীৱনটোত আমি যিমানখিনি বিচাৰিছিলোঁ সিমানখিনি পালোঁ, নাপালোও। কিছু পালোঁ। বহুখিনিয়ে পাইছিলোঁ। বিশ্ব-দৰ্শনৰ লগতো মই কলেজীয়া জীৱনতে স্পৰ্শ কৰি পাইছিলোঁ।

বিশ্বদৰ্শনৰ ঘাত-প্ৰতিঘাতৰ লগতো।

সপোন দেখাটোৱেই এটা অংগ কলেজীয়া জীৱনৰ। যিটো ভৱিষ্যতত বা বাস্তৱত বিচৰা হৈছে সেইখিনিকে কামত পৰিণত কৰিবলৈ যি এটা equipment বা শক্তি দৰকাৰ সি হ'ল education শিক্ষা। সেইখিনিকে ল'বলৈ যাওঁতে দোধোৰ-মোৰত পৰিছিলোঁ। এটা হ'ল---নিয়মটো ল'ব লাগিব। নিয়ম ভঙা ধৰণৰ মানুহ আছিলো আমি; গতিকে নিয়মত পৰি (নিয়মখিনি ঘিণ লাগে যদিও) বহুতৰ সান্নিধ্য পাই পুৰণিচামে তেওঁলোকৰ অভিজ্ঞতাখিনি আমাক দিব খোজে (যিটো শিক্ষাৰেই নিয়ম), সেইখিনি সময়ত আমি বাচি বাচি ল'ব পাৰিছিলোঁ। তাৰ পৰা কোনখিনি ল'ব লাগে, কোনখিনি পেলাব লাগে তাৰ চেষ্টা কৰিছিলো। যেনে--History does not repeat itself, আমি সদায় ভাবি আছিলো History repeats itself, নহয়, ই মিছা কথা--History never repeats। মানে History ৰ spiral way তহে সমাজখন যায়। অৰ্থাৎ কিছু পেলাই দিব লাগিবই। যেনে-এটা পটলুং ১৯৪৬ চনত হলৌলোৱা আছিল; এতিয়া আকৌ হৈছে, মাজতে চিপু হৈ গ'ল; কিন্তু That does not mean social change এইটো এটা প্ৰকাশ মাত্ৰ। '৪৬ৰ পটলুঙটো '৮২ত আকৌ আহিল কাৰণে ক'ব নোৱাৰি যে history repeats itself এটা সংঘাতৰ পিছত কাইলৈ আকৌ বদলিব হয়তো।

সমাজখনো তেনেকুৱা যেন পাওঁ।

গতিকে এটা generationএ আন এটা generationক জ্ঞান দিব খোজাটোৱেই হৈছে কলেজীয়া জীৱন। সেই গোটেই সঁজুলিখিনি (শিক্ষা) লৈ তাৰ পিছত প্ৰয়োজন অনুসৰি বাচ-বিচাৰ চলাব লাগিব এই কলেজীয়া জীৱনত। কাৰণ আজি ১৯৮২ চনত কোনো প্ৰিন্সিপাল কৃষ্ণকান্ত সন্দিকৈয়ে, কোনো মহেশ্বৰ নেওগে বা কোনো ভূপেন হাজৰিকাই ক'ব নোৱাৰিব ২০০১ চনত তুমি কিহৰ সন্মুখিন হ'বা। I can only give you, only, the equipment to fight, not the solution for 1999 গতিকে সেইমতে আমি শিক্ষা ল'বৰ চেষ্টা কৰিছিলো। গতিকে ক'তো এবছৰ fail নকৰাকৈ মৰমেৰে এমাহ এমাহ পঢ়ি হ'লেও পাছ কৰি degree কেইটা লৈছিলো।

আৰু আনুভূতিক জীৱন যিটো আছিল; যেনে--প্ৰেমত পৰা, ছোৱালী চোৱা, ছোৱালী জোকোৱা আদি, (সত্য কথা) সেই স্বাভাৱিক জীৱনো আছিল। সেই কাৰণেই (দুখতে নিজৰ কথা লেখিব নোৱাৰি) 'কঁপি উঠে কিয় তাজমহল' বুলি আগ্ৰা চাই পেলাই লেখি দিলো--ছাহজাহানৰ প্ৰেমৰ কথা। আনফালে মনে মনে ছাহজাহানৰ ওপৰত খঙো উঠিছিল-অযথা পইচা খৰচ কৰা বুলি। --চন্দ্ৰটো (জোনটো) আন, একো নহয়, ৰুটি এটা, 'দেই যোৱা ৰুটি'। সেইটো কথাও ভাবিছোঁ তেতিয়া, মানে বিদ্ৰোহী মানসিকতাও আছে। এফালে খাবলৈ নোপোৱা মানুহৰ কাৰণে বিদ্ৰোহী, আনফালে তাজমহল দেখি আকৌ নিজৰ দুখৰ কথাও মনত পৰে; কোনোবা মমতাজক নোপোৱাৰ বেদনা প্ৰকাশ কৰিছোঁ। কিন্তু সেই বেদনা মই কোনো আড্ডাত, বা ছোৱালী জোকাই প্ৰকাশ কৰা নাছিলোঁ; কৰিছিলোঁ গানত।

কাৰণ গান মোৰ মাধ্যম আছিল।

কলেজীয়া জীৱনটো বৰ স্মৰণীয়।

কাৰণ তেতিয়াইতো আমি সাজিছো-কাচিছো-ভৱিষ্যতৰ জীৱনটোৰ কাৰণে। মাত্ৰ সেইকেইটা বছৰতে!

তাতে অসমত মোৰ জ্যোতি-বিষ্ণু-ফণী শৰ্মা আদিতে শিক্ষক নোহোৱাকৈয়ে মই শিক্ষক পাইছোঁ। সামাজিকভাৱে শিক্ষা পাইছোঁ। এমেৰিকাত প'লৰবছনক পাইছোঁ। সৌভাগ্য মোৰ। তেতিয়াৰ আমাৰ মাষ্টৰ দণ্ডীনাথ কলিতা, আনন্দ আগৰৱালা, তেজপুৰত জ্যোতিপ্ৰসাদ, বাণ ষ্টেজত বিষ্ণুক মই আপোনজন হিচাপে পাইছিলোঁ। গতিকে কলেজীয়া জীৱনত এই গোটেইবিলাক মানুহৰ সান্নিধ্যও মোৰ বৰ ৰঙীন যেন লাগে।

(কিন্তু আজিৰ এজন ডেকাক কলেজীয়া জীৱনলৈ বুলি prepare কৰি দিব লাগে--সমাজে, শিক্ষা বিভাগে। সৰুৰে পৰা vocational guidence নিদিয়া কাৰণেই এই জীৱনত আহি আজিৰ কলেজীয়া সকল confused হয়, বিব্ৰত হয়। গতিকে কলেজীয়া জীৱনটো নিখুঁত কৰিবৰ কাৰণে শিক্ষা বিষয় পদ্ধতি, শিক্ষা প্ৰশাসন আৰু পৰীক্ষা পদ্ধতিৰ সংস্কাৰ

হ'ব লাগে বুলি ভাবোঁ। এই ক্ষেত্ৰত অতি পলম হৈ গৈছে; গোটেই ভাৰতবৰ্ষই ভাবিছে মই জানো, কিন্তু ভুৱাহে হৈছে। কামত পৰিণত হোৱা নাই বুলিয়ে ভাবোঁ। সেই কাৰণে আজিৰ কলেজীয়া মানসিকতা বিক্ষুব্ধ হৈছে।

আমাৰ দিনৰ দৃষ্টিভঙ্গীৰ তুলনাত কৈছোঁ।)

কলেজীয়া জীৱনৰ মোখনি হিচাপে মোৰ দুটামান সৰু সৰু কথা কওঁ। ৰেল লাইনৰ ফালেদি নিউ ফিল্ডৰ ফালৰ পৰা (বাণীকান্ত) কাকতি ছাৰ আহিছে বিড়ি এটা খাই খাই আৰু সিফালৰ পৰা আমি (তেতিয়াই মই বিড়ি-চিড়িত ধৰা নাই আক') পাৰ হ'বলৈকে ভয় লাগে; নিগনি পলোৱাদি পলাওঁ। তেওঁ কিন্তু একো নকয়, ভালহে পায়। (এতিয়াৰ দিনত ---- (??) খালি মাজতে এবাৰ ক্লাচত এটা খুব জনা দেখুৱাই থকা ল'ৰাক জোকাওঁতে ছাৰে মোক mischievious mosquito বুলি কৈছিল!!

০০ মই বৰ সৰুতে (মানে ১৪ বছৰতে) মেট্ৰিক পাছ কৰি-ছিলো কাৰণে কলেজত সমস্যাৰ মুখতে পৰিছিলো। ক্লাচৰ বাকীবোৰ ১৮।১৯ বছৰীয়া। মই হাফপেন্ট পিন্ধি গৈছিলো কাৰণে মোক কেলিজিয়েটৰ ল'ৰা বুলি কয়। আনকি কলেজৰ চকীদাৰ জিলকায়ো সোধে --তই স্কুলৰনে কলেজৰ! পিং-পং খেলোঁতে মোক ভালদৰে বলটোও তুলি নিদিয়ে। পি, চি, ৰয় ছাৰেও (অমিতা মালিকৰ দেউতাক) সোধে Are you a matriculate ? ক্লাচত প্ৰথম দিনাই সুধিছে। তেতিয়া মানে মাষ্টৰ, চকীদাৰ, কলেজ আনকি ছোৱালীলৈকো ভয় লাগে। মোৰ জেদ হ'ল। দেউতাক ক'লো।

ৰয় ছাৰে মই genuine matriculate পৰীক্ষা কৰিলে দুটা প্ৰশ্ন কৰি - Sonnet কাক বোলে, লাষ্টৰ দুটা লাইনক কি বোলে। উত্তীৰ্ণ হ'লো।

অৰ্থাৎ মই প্ৰমাণ দিব লগাও হৈছিল।

তেতিয়া জ্ঞানৰ জেদ আছিল। গতিকে দিনবোৰ বৰ বঢ়ী আছিল।

কুৰি বছৰ বয়সত এম, এ পাছ কৰি youngest M.A হৈছোঁ। অৰ্থাৎ সেই কুৰি বছৰ বয়সত মই মুক্ত অনুভ কৰিছোঁ। পৰীক্ষা-চৰীক্ষা সব শেষ।

কিন্তু যৌৱনৰ সেই ভৰদুপৰীয়াত নানা কথা মনলৈ আহিছে তেতিয়াই মই ভাবিছোঁ--দহটা ভাই-ভনীক দেউতাৰ দৰমহ ১৪৫ টকাৰে মই কেনেকৈ খুৱাম। অৰ্থাৎ কলেজীয়া জীৱন সাং কৰি মূৰে-কপালে হাত দি বহি আছোঁ। ইতি হ'ব এতিয়া দেখোন কুৰি বছৰ বয়সতে!

তেতিয়াই ডঃসূৰ্যকুমাৰ ভূঞাই ৭৫·০০ টকাৰ বুৰঞ্জী গৱেষণাৰ scholarship এটা দিলে বুৰঞ্জী আৰু পুৰাতত্ত্ব গৱেষণা সঞ্চালকালয়ত। আৰু বি. বৰুৱা কলেজত ১২৫·০০ টকীয়া চাকৰি এটাও দিলে; ৰাতি Civics পঢ়াব লাগে। গতিকে মাহে ২০০·০০ টকা। চাইকেল এখন লৈ ধূতি-কুৰ্তা পিন্ধি জোতা-চোতা নিপিন্ধাকৈয়ে (মাজে মাজে তাতে বুটাম-চুতামো নাথাকে) চলি আছোঁ। চিৰাজত অনিল হৈছিলো কাৰণে হিৰ' হৈ গ'লো। নাম কৰিলো। মানুহে চায়-এইটো ভূপেন হাজৰিকা।

মই নাম কৰিছোঁ, হিৰ' হ'লো কিন্তু জীৱিকা নিৰ্বাহৰ পথটো বৰ টান (সাংঘাটিক ভয় লাগি আহিছে); ৫ টকা চাউলৰ সেৰ। বাস্তৱত পৰিলো।

গতিকে কুৰি বছৰ বয়সতে মই দোমোজাত পৰিছোঁ। কলেজীয়া জীৱনৰ পৰা যিখিনি শিক্ষা পালো তাৰেই জীৱিকাৰ বাবে বাস্তৱত জপিয়াব লাগিল। জপিয়াই দিলোও।

গতিকে মোৰ কুৰি বছৰত মোৰ কলেজীয়া জীৱনৰ মান-সিকতা এয়াই আছিল।

---

॥ এই লেখাটি নগাঁৱৰ

'তুৰংগম ফিচাৰ সেৱা'ৰ সৌজন্যত প্ৰাপ্ত ॥

---

# ছাত্র আন্দোলন

## কেইটামান বিক্ষিপ্ত চিন্তা

**শ্ৰীহৰেশ্বৰ গোস্বামী,**
অধ্যক্ষ, শিক্ষণ মহাবিদ্যালয়, নগাঁও, অসম।

( ১ )

পৃথিবীৰ বিভিন্ন দেশত সমাজলৈ নতুন চিন্তাক আদৰণি জনোৱাৰ ক্ষেত্ৰত ছাত্ৰ সমাজৰ ভূমিকা অনস্বীকাৰ্য্য। এখন দেশৰ জনতাৰ সামহিক স্বাৰ্থৰ কাৰণে ছাত্ৰ সমাজ একগোট হৈ কাম কৰাৰ উদাহৰণো বিভিন্ন দেশৰ বুৰঞ্জীত অলেখ।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ক্ষেত্ৰতো গান্ধীপন্থা বা কংগ্ৰেছ নীতিৰ পৰা আঁতৰি গৈ কোনো কোনো নেতাই অন্যান্য পন্থাৰ অৱতাৰণা কৰিলেও ভাৰতৰ ছাত্ৰ সমাজে একেলগেই স্বাধীনতাৰ কাৰণে কাম কৰিছিল। স্বাধীনতা লাভৰ পিছত ৰাজনৈতিক চিন্তাধাৰাৰ বিভিন্নতা কিম্বা ৰাজনৈতিক ক্ষমতা লাভৰ প্ৰয়াসৰ ফলত ভাৰতত ৰাজনৈতিক দলৰ সংখ্যাও বৃদ্ধি পালে। তথাপি প্ৰথম অৱস্থাত এই দলসমূহক দুটা শিবিৰত ভগাব পাৰি--কংগ্ৰেছ আৰু কমিউনিষ্ট। কংগ্ৰেছৰ প্ৰতি আছিল জনতাৰ এক আন্তৰিক অনুভূতি আৰু কমিউনিষ্ট শিবিৰত প্ৰাধান্য পাইছিল আদৰ্শৰ প্ৰত্যয়ে। কিন্তু কংগ্ৰেছ নেতৃত্বয়ো ৰাইজৰ অনুভূতিক সন্মান জনাব নোৱাৰিলে আৰু কমিউনিষ্টৰো প্ৰত্যয় ৰাইজৰ ওচৰ পোৱাৰ আগতেই থানবান হৈ গ'ল। ৰাজনৈতিক নেতাসকলৰ দেশৰ প্ৰতি এয়া এক প্ৰৱঞ্চনা।

ৰাজনৈতিক নেতাসকলে আৰু এটা কাম কৰিলে--সেয়া হ'ল, প্ৰত্যেক দলৰে একোটা ছাত্ৰ সংগঠন গঠন কৰিলে। ফলত দেশত যিমান ৰাজনৈতিক দল সিমান ছাত্ৰ সংগঠন হ'ল। তাৰ ফলশ্ৰুতি হিচাপে ছাত্ৰ আৰু শিক্ষাৰ স্বাৰ্থতকৈ দলীয় স্বাৰ্থত ছাত্ৰ আন্দোলনৰ সংখ্যা বাঢ়িল। জনতাৰ সামূহিক স্বাৰ্থৰ খাতিৰতো ছাত্ৰসকল একেখন মঞ্চত থিয় হব নোৱাৰা হ'ল। ৰাজনীতি কৰা শিক্ষকে একোদল ছাত্ৰ নিজৰ পৰিচালনাত ৰাখিব পাৰিলেও সামগ্ৰিকভাৱে ছাত্ৰ সমাজত শিক্ষকৰ নেতৃত্ব হেৰাই গ'ল। শিক্ষানুষ্ঠানৰ চৌহদ, ছাত্ৰ একতা সভাৰ নিৰ্বাচন ৰাজনীতিৰ খেলাৰ স্থান হ'ল। শিক্ষাৰ পৰিবেশ বিশৃঙ্খল হৈ পৰিল।

( ২ )

স্বাধীনোত্তৰ কালত ছাত্ৰ আন্দোলনৰ এক বৃহৎ অংশ অধিকাৰ কৰিছে সমাজৰ দুৰ্নীতি বিৰোধী আন্দোলনে। সাধাৰণতে ক্ষমতাত নথকা বিৰোধী ৰাজনৈতিক দলসমূহেও দুৰ্নীতি বিৰোধী আন্দোলনত উদগনি দি আহিছে। দিন যোৱাৰ লগে লগে সমাজৰ বহুতো নেতাই আৰু কাৰ্য্যালয়ৰ বহুতো পদাধিকাৰীয়ে নিজ নিজ স্থান ৰিক্ত কৰি আঁতৰি গৈছে। সেই স্থান বিলাক আৰু নতুনকৈ সৃষ্টি হোৱা স্থানবিলাকো পূৰণ কৰিছে দুৰ্নীতি বিৰোধী আন্দোলন কৰা নতুন পুৰুষেই। সমাজৰ পৰা দুৰ্নীতি কমিব লাগিছিল, কিন্তু বাঢ়িছে কিয়? ব্যক্তিগত চৰিত্ৰৰ সংশোধন নহ'লে, শোভাযাত্ৰাত দিয়া ধ্বনিয়ে সমাজ সংস্কাৰ কৰিব নোৱাৰে।

১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলন আৰু ১৯৭২ চনৰ মাধ্যম আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা ছাত্ৰসকলৰ বহুতেই আজি সমাজৰ আৰু কাৰ্য্যালয়ৰ বিভিন্ন পদত অধিষ্ঠিত হৈ আছে। তেওঁলোকৰ কিমানে ব্যক্তিগতভাৱে অসমীয়া ভাষা ব্যৱহাৰৰ প্ৰতি আগ্ৰহী?

( ৩ )

দুৰ্নীতিপৰায়ণ বা বিষয়া, কৰ্মচাৰী আৰু নেতাসকলৰ ল'ৰা-ছোৱালীও ছাত্ৰ সমাজত অন্তৰ্ভুক্ত, বহুতো ছাত্ৰসকলৰ নেতাও। কিন্তু তেনে কিমান ছাত্ৰই নিজৰ পিতৃ-মাতৃক দুৰ্নীতিৰ পৰা বিৰত কৰাৰ চেষ্টা কৰিছে? অথচ সভাই-সমিতিয়ে দুৰ্নীতিপৰায়ণ বিষয়া বা নেতাৰ বিৰুদ্ধে বক্তৃতা দিয়া ছাত্ৰৰতো অভাৱ নাই।

কলেজত ছাত্ৰ-ছাত্ৰীক দিয়া বৃত্তিৰ ক্ষেত্ৰত অভিভাৱকৰ উপাৰ্জনৰ এটা নিম্নতম পৰিমাণ ধৰা আছে। এই ক্ষেত্ৰত সঁচা প্ৰমাণ-পত্ৰ কিমান অভিভাৱকে দিয়ে বাৰু? অভিভাৱকৰ আয়ৰ মিছা প্ৰমাণ-পত্ৰ দাখিল কৰি বৃত্তি লোৱা ছাত্ৰসকলে ভৱিষ্যতে নিকা জীৱন কটাবনে? খোলা দুৱাৰেদি যাব নোৱাৰি পিছফালৰ কাণিদুৱৰী হৈ থকা পথেদি সোমাই

বৃত্তিমূলক শিক্ষানুষ্ঠানত আসন পোৱা সকলনো আৰু কিমান সৎ ?

বৃত্তিমূলক শিক্ষানুষ্ঠানত নাম ভৰ্ত্তিৰ কাৰণে মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলেই নিৰ্বাচিত হয়। আনফালে এই বৃত্তিবিলাক-তেই অধিক দুৰ্নীতিৰ আশ্ৰয় লোৱা বুলি আলোচনা হয়। অৰ্থাৎ ইয়াৰ দ্বাৰাই এনে এটা সামাজিক চিত্ৰ প্ৰকাশ পায়নেকি যে, সমাজৰ মেধা আৰু দুৰ্নীতিৰ মাজত এটা ধনাত্মক সমন্বয় ( Positive correlation ) আছে ? দেশৰ কাৰণে এনে এখন চিত্ৰ কিমান মাৰাত্মক !

( ৪ )

সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত চাৰি বছৰে অসমৰ খিলঞ্জীয়া ৰাইজে জাতীয় অস্তিত্ব বিপন্ন কৰিব পৰা এটা অৱস্থাৰ বিপৰীতে আন্দোলন কৰিছে। শ শ যুৱকৰ প্ৰাণা-হুতি আৰু শ শ যুৱকৰ জীৱন ঘূণীয়া হ'ল এই আন্দোলনত। আজিৰ ছাত্ৰ সমাজৰ বহুতেই কালিলৈ দেশৰ নেতা আৰু কাৰ্য্যা-লয়ৰ পদাধিকাৰী হ'ব। ছাত্ৰ সন্থাই ৰাইজক ভৱিষ্যতে এক শ্ৰেণী নিকা নেতা দিয়াৰ প্ৰতিশ্ৰুতি দিব পাৰেনে ? চাৰি বছৰীয়া আন্দোলনৰ ভিতৰত কিমানৰ ব্যক্তিগত চৰিত্ৰৰ সং-শোধন্ হ'ল বাৰু ?

( ৫ )

সমাজৰ বহুতো সমস্যা সমাধানৰ ক্ষেত্ৰত ছাত্ৰ সমাজে নেতৃত্ব দি আহিছে। কিন্তু ছাত্ৰ সমাজ নিজেই যেতিয়া সমাজৰ কাৰণে সমস্যাৰূপে দেখা দিয়ে তেতিয়া ? তেনে সমস্যা সমাধানৰ কাৰণেওতো ছাত্ৰসমাজে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। অসৎ চৰিত্ৰৰ ছাত্ৰ এজনে সমাজত কোনো গৃহিত কাম কৰিলে তেওঁ শাস্তি পোৱাৰ যোগ্য হয়। ছাত্ৰসকলে তেওঁৰ সমৰ্থনত আন্দোলন কৰাতকৈ তেওঁৰ শাস্তি আৰু সংশোধনৰ দায়িত্ব নিজে লব পাৰে।

ছাত্ৰসকলৰ অযথা অপকাৰ নোহোৱা এটা সুস্থ পৰীক্ষা পদ্ধতি বিচাৰি ছাত্ৰসকলে আন্দোলন কৰিব পাৰে। কিন্তু তেনে পদ্ধতিৰ উদ্ভাৱন নোহোৱালৈকে প্ৰচলিত পদ্ধতিৰ আচৰণ বিধি ভঙ্গ কৰি অসৎ উপায় অৱলম্বন কৰা ছাত্ৰ-ছাত্ৰী আৰু তেনে আচৰণৰ লগত জৰিত অন্যান্য ঘটনাসমূহত অংশগ্ৰহণ-কাৰী ছাত্ৰ-ছাত্ৰীৰ শাস্তিৰ ব্যৱস্থাও ছাত্ৰ সমাজে কৰিব পাৰে।

নতুন বছৰৰ আৰম্ভণিতে উচ্চ শিক্ষাৰ অনুষ্ঠানবিলাকত ঘটা ৰেগিং নামৰ অশোভনীয় অত্যাচাৰৰ ফলত বহুতো ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ গতিয়েই সলনি হ'ব লগা হয়, বহুতো মানসিক-ভাৱে ব্যাধিগ্ৰস্ত হয়, অভিভাৱকসকলৰ আৰ্থিক ক্ষতি আৰু মানসিক উদ্বেগ আছেই। ছাত্ৰ সমাজৰ এই ব্যাধি ছাত্ৰসমাজৰ বাহিৰে কোনো কৰ্তৃপক্ষৰে গুচোৱাৰ সাধ্য নাই। ছাত্ৰ সমাজে এই ব্যাধি গুচাবনে ?

( ৬ )

আনন্দৰাম ঢেঁকীয়াল ফুকন কলেজৰ পৰা ওলাই যোৱা ছাত্ৰ-ছাত্ৰীসকলে যাতে নিজৰ আচৰণৰ দ্বাৰাই যিসকলৰ ত্যাগৰ বিনিময়ত তেওঁলোকে কলেজখন পাইছে, তেওঁলোকৰ ত্যাগৰ স্বীকৃতি দিবলৈ সংকল্পবদ্ধ হয়। ৰূপালী জয়ন্তীৰ অৱসৰত এয়ে আমাৰ কামনা। ০০০



গল্প

# ঘূৰ্ণি

প্ৰফুল্ল হাজৰিকা

“নৈৰ ঘাটৰ শ্মশানৰ জুই শিখাত মোৰ সৰ্বস্ব জ্বলি জ্বলি শেষ হৈ গলে, সেই জুই শিখাই তোমাকো দহি দহি ছাই নকৰিবনে ?” এই কথাষাৰ এদিন প্ৰণৱে নিজৰাক কৈছিল। তাইৰ আজিও মনত আছে। নিজৰাই হুকহুকাই কান্দি উঠিল। প্ৰণৱৰ অতীতৰ স্মৃতিবোৰে আজি তাইক দহি দহি পুৰিছে। ঘি জুয়ে মাথোন পুৰে, কিন্তু ছাই নকৰে। আজি কুৰিটা বছৰে নিজৰাই তিলতিলকৈ নিজকে নিঃশেষ কৰি দিলে মানসিক দংশনত। এটা সময়ত তাই বহু ভাবিছিল। কিন্তু নোৱাৰিলে, একমাত্ৰ নিৰা আৰু নিপুলৰ কাৰণে। নিৰাই কালি এম, এ পাছ কৰিলে। নিপুলে বি, এ পঢ়ি আছে। দুৱাৰখন খুলি নিজৰা বাহিৰলৈ ওলাই আহিল। আঁউসীৰ এন্ধাৰ আৰু জানুৱাৰী মাহৰ পুৱতি নিশাৰ হাড় কঁপোৱা জাৰে তাইক বাধা দিব নোৱাৰিলে। খন্তেক নিজৰাই মৌন আকাশখনলৈ চালে। তাৰপিছত আগুৱাই গৈ পদূলিৰ গেটখনৰ ওচৰ পালেগৈ। পদূলিৰ বকুল জোপাক এজন প্ৰহৰী যেন লাগিল। এই বকুলজোপা প্ৰণৱে দিল্লীৰ Botanical Gardenৰ পৰা আনি ৰুইছিল। নিজৰাই বকুল তলৰ চাংখনতে বহিল। নিয়ৰৰ টোপালবোৰ শুকান কলৰ পাতত পৰি টপ টপকৈ শব্দ হৈছে। ৰাতি পুৱাবৰ বেছি সময় নাই।

এটা সময়ত নিজৰা তাৰ পৰা উঠি আহিল। ভিতৰ সোমাই তাই দুৱাৰখন বন্ধ কৰি দিলে। মৌন আকাশখন চাবলৈ তাইৰ আকৌ মন গ'ল। সেইবাবে খিৰিকীখন খুলি দিলে। এজাক চেঁচা বতাহ সোমাই আহিল ভিতৰলৈ। আৰু এই বতাহজাকেই যেন প্ৰণৱৰ অতীতৰ স্মৃতিবোৰ কঢ়িয়াই আনিছে। নিজৰাই পালেংখনতে বহি পৰিল। পদূলিৰ গেটখন খুলি কোনোবা এজন যেন সোমাই আহি দুৱাৰমুখত থিয় হৈ ক'ব খুজিছে ‘নিজৰা দুৱাৰখন খোলা, আকৌ মই আহিছোঁ নহয় ?’ নিজৰা বাহিৰলৈ যাব খুজিও বৈ গ'ল। তাই জানে প্ৰণৱ আৰু কোনো দিন ঘূৰি নাহে। পালেংখনত বাগৰি গাৰু এটা বুকুত সাবটি ধৰি তাই উচুপিবলৈ ধৰিলে। মনত পৰিল তাইৰ কলেজীয়া জীৱনৰ কথা। তেতিয়া প্ৰণৱ আৰু নিজৰা পি, ইউৰ দ্বিতীয় বাৰ্ষিক পঢ়িছিল। এদিন ক্লাছৰ সকলোৱে জনা হ'ল প্ৰণৱে নিজৰাক ভাল পায়। সেইদিনা নিজৰাই সৰু ছোৱালীৰ দৰে উচুপি উচুপি খুউব কান্দিছিল। সেই উচুপনি কান্দোনে তাইক লগ এৰি নিদিলে।

এদিন দুয়ো উচ্চ শিক্ষা লৈ উভতি আহিছিল ঘৰলৈ। প্ৰণৱে সৈন্যবাহিনীৰ উচ্চ বিষয়া হৈ দিল্লীত আছিল। নিজৰাইও জীৱিকাৰ পথ হিচাপে বাছি লৈছিল অধ্যাপিকা জীৱন। প্ৰণৱে দিল্লীলৈ যোৱাৰ আগদিনা তাইলৈ লিখিছিল, “কাইলৈ কাঁহিলি কাঁহিলি পুৱাতে এই ঠাই এৰিব লাগিব। তোমালৈ বৰ মনত পৰিছে। ভাবি চাবা, অনুভূতি মোৰ শেষ হৈ যোৱা নাই। তোমাক মই আজিও এটা কথা কোৱা নাই, কি জানা ? মই তোমাক কিমান ভাল পাওঁ, সেইয়া মই নিজেই নাজানোঁ। কিন্তু তুমি নহ'লে মই জীয়াই থাকিব নোৱাৰিম।” দিল্লীৰ পৰাও প্ৰণৱে মাজে সময়ে তাইলৈ চিঠি লিখিছিল। এবাৰ প্ৰণৱে U.S.A, ভ্ৰমণ কৰি আহোঁতে তাইলৈ এখন ধুনীয়া Greetings আনিছিল। গ্ৰিটিংচখনত লিখিছিল, “তিনিটা ব্যঞ্জনবৰ্ণ আৰু প্ৰকটভাৱে উচ্চাৰিত হোৱা দুটা স্বৰবৰ্ণৰ সংমিশ্ৰণত ভৌতিক প্ৰক্ৰিয়াৰ দ্বাৰা সৃষ্টি হোৱা এটি মিঠা প্ৰাকৃতিক নাম নিজৰা। নামটো মোৰ বৰ ভাল লাগে।” নিজৰাৰ সেই কথা আজিও মনত আছে। এদিন নিজৰাই প্ৰণৱৰ পুৰণা ডায়েৰী এখন মেলোঁতে দুখনমান চিঠি পাইছিল। কোনোবাই উপদেশৰ সুৰত লিখা চিঠি। “পৰ্বতৰ পৰা যি সৰু খালেদি পানী বৈ আহে তাকে নিজৰা বোলে। নিজৰাৰ পানী সাধাৰণতে ঠাণ্ডা হয়। গা ধুই (গৰম দিনত) ভাল লাগে। কিন্তু নিজৰাৰ পানীৰ সোঁতত মৰণৰ বীজ নামি আহে। যেনে--সাপ, বিষাক্ত পোক আদি। গতিকে নিজৰাত গা ধুলে বিষাক্ত পোক বা সাপৰ পৰা ৰক্ষা পাব জানিলে ধোৱাত বাধা নাই। কিন্তু নাজানিলে নিজৰাৰ খলা-বমাত পৰি ডুব যোৱা বা ভৰি ভঙাৰ সন্দেহ থাকে। এতেকে মই ক'ব খোজোঁ যে ভাল পাব জানিলে ভাল পোৱাত বাধা নাই।”

“ইমান দৰদ, ইমান মৰম লৈ কেনেকৈ জীয়াই থাকিবা ? দুখ পাবা প্ৰতি খোজতে। কল্পনাৰ ৰঙীন চশমাৰে চোৱা পৃথিৱীখনতকৈ বাস্তৱৰ উকা জগতখন যে বৰ ভয়াবহ। কাঁইট

আছে। বিন্ধিব। কাঁইটক মৰমেৰে আঁকোৱালি ধৰিলেও যে বিন্ধে। কাঁইটৰ ধৰ্ম হৈছে বিন্ধা আৰু আঘাত দিয়া। তুমি শিক্ষিত আৰু অভিজ্ঞ। হলেও তোমাক মই এবাৰলৈ সোঁৱৰাই দিছোঁ অলপ টান হবলৈ শিকা। তুমি এজনী ৰূপৱতী, গুণবতী আৰু সুচৰিত্ৰা ছোৱালী বিয়া কৰাবা। মই সুখী হ'ম। মা-দেউতা সুখী হ'ব। আশীৰ্বাদ কৰিছোঁ।”

তাইক বিয়া কৰোৱাৰ আগেয়ে প্ৰণৱে বোধকৰো কাৰোবাৰ পৰা উপদেশো লৈছিল। কাৰণ তেওঁ ভৱিষ্যতৰ বাবে বহু কথাই চিন্তা কৰিছিল। এবাৰ প্ৰণৱে নিজৰালৈ লিখিছিল, “মই তোমাক ভাল পাওঁ, হয়তো, তুমি মোৰ প্ৰতি বিৰূপ নোহোৱা। কিন্তু যিদিনা মোৰ সৰ্বস্ব জ্বলি জ্বলি শেষ হৈ যাব, সেইদিনা তুমি ভাবি চাবা মই তোমাৰ কোন আছিলোঁ।” নিজৰাই হুকহুকাই কান্দি উঠিল।

এইবাৰ তাইৰ মনত পৰিল যিদিনা তাই প্ৰণৱৰ লগত গুচি আহিছিল সেই দিনটোৰ কথা। নিজৰাৰ বিয়া ঠিক হৈছিল উত্তৰ লক্ষীমপুৰৰ ডাঃ অসীম দত্তৰ লগত। বিয়াৰ নিমন্ত্ৰণ পাই প্ৰণৱো দিল্লীৰ পৰা আহিছিল। যিদিনা তাইৰ বিয়া আছিল সেইদিনাই অসীম দত্তই গাঁৱৰে ছোৱালী এজনী লৈ ক'ৰবালৈ গুচি গৈছিল। নিজৰাইও বিয়াৰ দিনা পুৱতি নিশাই প্ৰণৱৰ লগত দিল্লীলৈ গৈছিল জীৱন-সঙ্গিনী ৰূপে। দিল্লীত কিছুদিন থকাৰ পাছত প্ৰণৱ বদলি হৈ বাঙ্গালোৰলৈ গৈছিল--কৰ্ণেল হিচাপে। নিজৰাইও প্ৰণৱৰ লগ এৰা নাছিল। নিজৰাই ভাল গীত গাইছিল, প্ৰণৱে ধুনীয়া মেন্দুলীন বজাইছিল। টনা টনা সুৰ, সেই সুৰত যেন কিবা এটা বিষাদৰ ছাঁ থকা যেন লাগিছিল তাইৰ। সাততি বছৰ আনন্দৰে অতিবাহিত কৰাৰ পাছত নিজৰাৰ কোলালৈ আহিছিল নিৰা আৰু নিপুল। প্ৰণৱে নিৰা আৰু নিপুল ডাঙৰ হ'লে ডেৰাডুনত পঢ়োৱাৰ কথা প্ৰায়েই তাইক কৈছিল। ওৰে দিনটো ব্যস্ততাৰ মাজেৰে অতিবাহিত কৰি প্ৰণৱে নিশা আহি নিৰা আৰু নিপুলক বুকুৰ মাজত লৈ কিমান মৰম কৰিছিল। এদিন প্ৰণৱে নিজৰাক প্ৰশ্ন কৰিছিল, “তুমি মই নহলেও চলিব পাৰিবানে? মই আঁতৰি গ'লে তুমি দুখ পাবানেকি?” সেইদিনা নিজৰাই মাথোন প্ৰণৱৰ মুখলৈহে চাই আছিল। একো ক'ব পৰা নাছিল তাই। আকৌ এদিন প্ৰণৱে তাইক কৈছিল, “মই তোমাক কোনোদিন আমনি নিদিওঁ। কিন্তু মই নহ'লে তুমি দুখ পাবানেকি? নিজৰাই সেই সময়ত এই কথাবোৰ একো বুজা নাছিল। বুজিবলৈও তাই চেণ্টা কৰা নাছিল। কিন্তু আজি তাই সকলো কথাই বুজিছে। প্ৰণৱৰ প্ৰতিটো কথাৰ কিমান গভীৰ অৰ্থ আছে।

১৯৬২ চন। প্ৰণৱ আৰু নিজৰাৰ সুখৰ জীৱনলৈ নামি আহিছিল এচমকা ক'লা মেঘ। চীনা সৈন্য আহি তেজপুৰ পালেহি। প্ৰধানমন্ত্ৰী নেহেৰুৱে “ My heart goes to the people of Assam” বুলি সান্ত্বনাহে লভিছিল। কিন্তু---। আনহাতে বিশ্বপ্ৰেমী-সকলে কৈছিল, “চীনা সকলতো আমাৰ শত্ৰু নহয়।” যিসকল বিশ্বপ্ৰেমীয়ে ৰুচিয়াৰ দোকান এখনত জুই লাগিলেও অসম তথা ভাৰতবৰ্ষৰ সকলো ঠাইতে ৰঙা ৰঙৰ ফ্লেগ উৰাই প্ৰতিবাদ জনাইছিল। কিন্তু দুখৰ বিষয় বৰ্তমান অসমত কিমান মানুহ মৰিল, কিমানজন চিৰ-দিনৰ বাবে পঙ্গু হৈ গ'ল, কিমান জন গৃহহীন হৈ পৰিল আৰু কিমান লোকে এতিয়াও পুলিচৰ নিৰ্য্যাতন খাই আছে, তথাপি এই বিশ্বপ্ৰেমী সকলে চৰকাৰৰ ওচৰত কোনো দিনে প্ৰতিবাদ কৰা নাই। কেন্দ্ৰীয় চৰকাৰে নিজে স্বীকাৰ কৰিছে অসমত বিদেশী আছে, কিন্তু তথাকথিত বিশ্বপ্ৰেমী সকলেতো অসমত বিদেশী নাই বুলিয়ে কব খোজে। স্বাধীনতা আন্দোলনতো এই বিশ্বপ্ৰেমীসকলে বৃটিছৰ হৈ ওকালতি কৰিছিল। প্ৰণৱে গৃহমন্ত্ৰী নন্দৰ লগত আলোচনা কৰি তেজপুৰ পাইছিলহি। সেইদিনা নিজৰাই প্ৰণৱক তেজপুৰলৈ নাযাবলৈ বহুবাৰ বাধা দিছিল। কিন্তু প্ৰণৱে নামানিলে--মাথোন নিজৰাক কৈছিল--যিখন মাতৃ-ভূমিক ৰক্ষা কৰিবলৈ তেওঁ এদিন সৈনিক হৈছিল, সেই মাতৃ-ভূমিখন তেওঁ জীয়াই থকা অৱস্থাত কেতিয়াও বিদেশী শত্ৰুৰ হাতত এৰি দিব নোৱাৰে। চীনা সৈন্যৰ ৰণকৌশলত ভাৰতীয় সৈন্যবোৰ পিছুৱাই আহিছিল। বহুতো ভাৰতীয় সৈন্যই কাপুৰুষৰ দৰে-দিহিঙে দিপাঙে পলাইছিল। যিসকলে আজি অসমৰ নিৰীহ জনসাধাৰণৰ ওপৰত অমানুষিক অত্যাচাৰ চলাইছে। কৰ্ণেল প্ৰণৱজ্যোতি বৰুৱাও ৰণত পৰিছিল। চীনা সৈন্যই তেওঁৰ চকুৰ মণি দুটাও কাঢ়ি লৈ গৈছিল। ৰেডক্ৰচ বিভাগে প্ৰণৱৰ চিকিৎসাৰ বাবে বম্বেলৈ নিছিল। নিজৰাই বম্বেৰ হস্পিটেলত প্ৰণৱৰ অৱস্থা দেখি খুউব কান্দিছিল। গৃহ-মন্ত্ৰী নন্দই নিজৰাক ধৈৰ্য ধৰিবলৈ কৈছিল আৰু যুদ্ধত প্ৰণৱ-জ্যোতি বৰুৱাৰ পাৰদৰ্শিতাৰ শলাগ লৈছিল। আৰু লগতে কৈছিল, “মিঃ বৰুৱা, যদি হেৰাই যায়, ই অকল তোমাৰ ব্যক্তিগত ক্ষতি, নহয়” বৰং আমাৰ গোটেই দেশৰে ক্ষতি। নিজৰাই প্ৰণৱৰ কাষলৈ গৈছিল ডাক্তৰৰ বাধাক আওকাণ কৰি। প্ৰণৱৰ অৱস্থা দেখি তাই পৰি গৈছিল। এটা সময়ত সাৰ পাই দেখে তাই প্ৰণৱৰ কাষতে পৰি আছিল। নিজৰাই প্ৰণৱক সুধিছিল, “এইয়া তোমাৰ কি হ'ল।” সেহাই সেহাই খোকাথুকি মাতেৰে প্ৰণৱে কৈছিল, “মই তোমাক দেখা নাই নিজৰা। সীমান্তৰ যুদ্ধত এৰি থৈ আহিলোঁ মোৰ সেই চকুৰ মণিদুটা। সিহঁতে (চীনা সৈন্যই) মোক কৈছিল, 'যিখন দেশ ৰক্ষা কৰিবলৈ তই আজি ইয়ালৈ আহিছ, ঘূৰি গৈ সেইখন দেশ তই যেন দেখা নাপাৱ।' মোৰ চকুৰ মণি দুটাও কাঢ়ি লৈ গ'ল। মই জীয়াই থাকিবলৈ অক্ষম নিজৰা। মই তোমাক একো দিব নোৱাৰিলোঁ। মাথোন তোমাৰ কোলাত তুলি দিলোঁ নিৰা আৰু নিপুলক। সিহঁতক তুমি মানুহ কৰিবা। তেতিয়াহে মোৰ আত্মাই শান্তি পাব।” প্ৰণৱে আৰু একো কব নোৱাৰিছিল। সেইদিনা নিজৰাই হিয়া ধাকুৰি ধাকুৰি খুউব কান্দিছিল। কান্দোনৰ পাৰ ভাঙি গৈছিল। দুজন বিদেশৰ পৰা অহা ডাক্তৰেও প্ৰণৱক আৰোগ্য অৱস্থালৈ আনিব নোৱাৰিলে। ঠিক ৰাতি নৌপুৱাতেই প্ৰণৱ চিৰদিনৰ বাবে টোপনি গৈছিল। নিজৰা ক'ব নোৱৰা হৈ গৈছিল। প্ৰণৱৰ মৃত-

দেহটো জন্মভূমি অসমলৈ অনা হৈছিল। প্ৰণৱৰ মৃতদেহটোৰ ওপৰত অসমৰ প্ৰায়বোৰ আগশাৰীৰ সচেতন ব্যক্তিয়ে মাল্য প্ৰদান কৰিছিল আৰু আনুষ্ঠানিকভাৱে মৃতদেহটোক সৎকাৰ কৰা হৈছিল। নিজৰাই এই কথা শুনিছিলহে। তাই ক'ব নোৱাৰিছিল।

নিজৰাই নিৰা আৰু নিপুলক বুকুতে সাবটি লৈ জীয়াই থকাৰ সংগ্ৰাম চলাইছিল। প্ৰণৱৰ মাক-দেউতাকে নিজৰাক বহুতো বুজনি দি ওচৰৰ কলেজখনতে অধ্যাপিকা হিচাপে নিযুক্তি দিয়াইছিল। বৃদ্ধ মাক-দেউতাক পুত্ৰশোকত অলৰ অথৰ হৈছিল। ঘৰৰ সকলো দায়িত্ব পৰিছিল নিজৰাৰ ওপৰত। বৃদ্ধ মাক-দেউতাকৰ মৰম স্নেহত নিজৰাই সকলো পাহৰি গৈছিল। এদিন বৃদ্ধ মাক-দেউতাকেও তাইক এৰি থৈ গুচি গৈছিল। তথাপিও তাই বিচলিত নহৈছিল। তাইৰ একমাত্ৰ আশা নিৰা আৰু নিপুলক মানুহ কৰাটো। নিজৰাৰ আশানুৰূপে নিৰা আৰু নিপুলৰ ফল পোৱা গৈছিল। নিৰাই কালি এম, এ পাছ কৰিছে। ৰিজাল্ট শুনি তাই খুউব কান্দিছিল দেউতাকৰ ফটোখনলৈ চাই। হয়তো নিৰাই ভাবিছিল আজি তাইৰ দেউতাক জীয়াই থকা হ'লে কিমান আনন্দ পালেহেঁতেন। নিজৰাই কেতিয়াবা কেতিয়াবা সিহঁতক দেউতাকৰ কথা কৈছিল। নিপুলে কেতিয়াবা কেতিয়াবা দেউতাৰ ফটোখনলৈ চাই দুখ মনেৰে বহি থাকে। সিহঁতে সদায় এটা অভাৱ অনুভৱ কৰি আহিছে, যিটো অভাৱ কোনোদিনে পূৰণ নহয়।

নিজৰাই পালেংখনৰ পৰা উঠি নিপুল শুই থকা কোঠাটোলৈ গ'ল। নিপুল শুই আছে। নিজৰাই চকী এখনতে বহি একেথৰে চাই আছে নিপুললৈ। নিপুলে সাৰ পালে। নিজৰাই কোঠাটোৰ লাইটটো অন কৰি দিলে। নিপুলে মাকক দেখি আচৰিত হ'ল। মাক নিজৰাই নিপুলৰ শুই থকা পালেংখনত বহি ক'লে, "জান, তই অলপ ভাল পাইছনে ?" নিপুলে পোৱা বুলি কলে। তাৰ হাতখন মাকে ভালদৰে চালে। বেণ্ডেজটো ঠিক আছে। মাকৰ চকুপানী দেখি নিপুলে বুজিলে তাৰ মাকে কিয় কান্দিছে। সিদিনা নিপুলে কলেজৰ পৰা ঘূৰি আহোঁতে চি, আৰ, পিয়ে বৰকৈ মাৰিলে। দুদিন হস্পিটেলত আছিল। আজি প্ৰণৱ জীয়াই থকাহেঁতেন সামৰিক বাহিনীৰ উচ্চ বিষয়াৰ পুতেক হিচাপে তাক চি, আৰ, পিয়ে এৰি দিলেহেঁতেন। নহ'লে প্ৰণৱে চি, আৰ, পি খিনিৰ ওপৰত কেচ কৰিলেহেঁতেন। যাৰ দেউতাকে এদিন দেশৰ কাৰণে প্ৰাণ দিছিল, তেওঁৰ সন্তানৰ ওপৰত বিনা কাৰণত দেশৰ অৰ্দ্ধ সামৰিক বাহিনীয়ে কৰা অত্যাচাৰ ই কোনো এখন দেশৰ বাবে সন্মানীয় কাম নহয়। আমাৰ দেশখন গণতান্ত্ৰিক হয়নে নহয় ? যদি গণতন্ত্ৰ আছে তেন্তে গণতন্ত্ৰৰ দশা কিয় এনেকুৱা। হায় ! গণতন্ত্ৰ- -তোমাৰ কিয় এনেকুৱা অৱস্থা হ'ল। অসমৰ ৰাজনীতিৰ আৰু অৰ্থনৈতিক পথাৰখন যিমানে বোকাময় আছিল তাতোকৈ শতগুণে বেছি বোকাময় হৈছে। লাইটটো অফ্ কৰি নিজৰা নিজৰ কোঠাটোলৈ আহিল। পালেংখনতে আকৌ বহি পৰিল । চি, আৰ, পি খিনিৰ কাৰ্যকলাপ দেখি নিজৰাৰ বৰ খং উঠিল। যিখিনি চি, আৰ, পি ১৯৬২ চনৰ যুদ্ধত ঠাৰবিব নোৱাৰি চোৰৰ দৰে পলাই আহিছিল আৰু যাৰ শুশ্ৰূষাৰ বাবে অসমৰ মহিলাই হাতৰ কাণৰ গহনা বিক্ৰি কৰিছিল আৰু সেইখিনি চি, আৰ, পিয়ে উত্তৰ কামৰূপত মহিলাৰ ওপৰত যি নিৰ্য্যাতন চলালে, দুলীয়াজানত কুকুৰ-মেকুৰীৰ দৰে আমাৰ মানুহক গুলীয়াই মাৰিলে আৰু বিভিন্ন ঠাইত আমাৰ মানুহৰ ওপৰত যি অত্যাচাৰ উৎপীড়ন চলাইছে--ই কোনো মানৱিকতা বোধৰ কাম নহয়।

নিজৰাই এইবাৰ নিৰা শুই থকা কোঠাটোলৈ গ'ল। নিৰা নিদ্ৰাদেৱীৰ আলসুৱা কোলাত শান্তিৰে টোপনি গৈছে। নিজৰা তাৰ পৰা ওলাই আহি প্ৰণৱৰ ফটোখনলৈ চাই থাকিল। এটা সময়ত চেঁচা বতাহ সোমোৱা খিৰিকীখন বন্ধ কৰিলে তাই। ৰাতি পুৱাওঁ পুৱাওঁ। ঠিক এনেকুৱা এটি পুৱতি নিশাতে প্ৰণৱ আৰু নিজৰাৰ প্ৰথম দেখা হৈছিল। ঠিক এনেকুৱা এটি পুৱতি নিশাতে নিজৰা প্ৰণৱৰ লগত জীৱনসঙ্গিনী হৈ গুচি গৈছিল। ঠিক এনে এটি পুৱতি নিশাতে নিজৰাৰ কাষৰ পৰা প্ৰণৱ চিৰ দিনৰ বাবে আঁতৰি গৈছিল। ঠিক এনেকুৱা এটি পুৱতি নিশাই প্ৰণৱৰ অতীতৰ স্মৃতিবোৰ নিজৰাৰ মনলৈ কঢ়িয়াই আনিছে।

০০০



# খালছা

অধ্যাপক ঃ শ্ৰীপ্ৰতম সিংহ এম. এ.

[গুৰু গোবিন্দ সিংহ শিখসকলৰ দশম আৰু শেষগুৰু (১৬৭৫-১৭০৮ চন)। সম্ৰাট ঔৰংজেৱৰ কোপাগ্নিত পৰি পিতৃগুৰু তেগ্‌বাহাদুৰে প্ৰাণ হেৰুৱায় (১৬৭৫)। প্ৰায় ৯।১০ বছৰ বয়সতে শিখসকলৰ দশম গুৰুৰূপে অভিষিক্ত হৈ "গুৰুগাদী" (The seat of Sikh Spiritual Leadership) লাভ কৰা গুৰুগোবিন্দই উক্ত সম্ৰাটৰ সেনাবাহিনীৰ হাতত তেওঁৰ ৪ জন পুত্ৰ সৰ্বসিংহ (অজিত, যুদ্ধাৰ, জোৰাবৰ, ফতেহ্) নিধন হোৱাৰ অসহ্য বেদনা বহন কৰিব লগা হয়। গুৰুগোবিন্দই শিৰহিন্দৰ নবাব ওৱাজীৰ খাঁই নিয়োগ কৰা গুপ্তঘাতক গুলখাঁৰ হাতত মাত্ৰ ৪২ বছৰ বয়সতে প্ৰাণ হেৰুৱায়। গুৰুগোবিন্দই "খাল্‌ছা-পন্থ"ৰ জন্ম দি শিখসকলক এটা জাতিৰ ৰূপ দি বিশ্বত এখন সুকীয়া আসনৰ পত্তন দিয়ে। বহাগ মাহৰ প্ৰথম দিনটি সমগ্ৰ বিশ্বৰ শিখৰ বাবে পৱিত্ৰ দিন। এই দিনটোতে পৱিত্ৰ "খাল্‌ছাৰ জন্ম হয়।]

১৬৯৬ চন। মিঠা বহাগৰ প্ৰথম দিন। হিন্দুসকলৰ পৱিত্ৰ নৱবৰ্ষৰ প্ৰথম দিন। এই পুণ্য দিনটোতে শিখসকলৰ দশম গুৰু গুৰুগোবিন্দই স্ব-কল্পিত এক নতুন সমাজৰ জন্ম দিয়াৰ আয়োজন সমাপ্ত কৰে। ১ম গুৰু গুৰুনানকৰ পৰা ৯ম গুৰু তেগ্ বাহাদুৰৰ১ দিনলৈকে শিখমত কোনো বিশেষ ধৰ্মাৱলম্বী লোকৰ মতবাদ নাছিল। ইমান দিনে শিখ (শিষ্য) সমাজ শান্তিপ্ৰিয়, পৰমত সহিষ্ণু, ধৰ্মনিষ্ঠ লোকৰ এখন সমাজ আছিল, য'ত হিন্দু-মুছলমান, আমীৰ-গৰীৱ আৰু উচ্চ-নীচৰ প্ৰভেদ নাছিল। [গুৰু নানকে বাল্যকালৰ শিক্ষা লাভ কৰিছিল মৌলৱী চৈয়দ হাচানৰ তলত। তেওঁৰ দুজন প্ৰধান শিষ্যৰ ভিতৰত ভাই মাৰ্দানা আছিল মুছলমান। চতুৰ্থ গুৰু ৰামদাসক অমৃতচৰ চহৰ প্ৰতিষ্ঠা কৰিবৰ বাবে সুবিধা দি মহামতি সম্ৰাট আক্‌বৰে তেওঁক ৫০০ বিঘা মাটি দান কৰে। কোৱা বাহুল্য অমৃতচৰৰ স্বৰ্ণমন্দিৰৰ আধাৰশিলা স্থাপন কৰে মিঞা মিৰ চাহাবে শিখ গুৰু অৰ্জুনদেৱৰ অনুৰোধত।]

ডঃ (ছাৰ) গোকুল চাঁদ নাৰঙ্গৰ মতে, "গুৰু গোবিন্দৰ সময়ত হিন্দুসকল স্বাভাৱিকতে আছিল কোমলমতি আৰু আত্মসন্তুষ্ট। তেওঁলোকৰ ধৰ্মবোধ আছিল প্ৰখৰ, কিন্তু জাতীয়তাবোধ মুঠেই নাছিল। গুৰুগোবিন্দই ভাৰতীয় জাতীয়তাবোধকেই মুখ্য ধৰ্ম বুলি চিনাক্ত কৰে।"

কিছুমান মৰ্মন্তুদ ঘটনাই গুৰুগোবিন্দক গভীৰ চিন্তাত পেলায়। তেওঁ দেখে হিন্দুসকলৰ বিনাশৰ পথ সুগম কৰিছে জাতিভেদ প্ৰথাই। তেওঁৰ শ্ৰদ্ধেয় পিতৃ গুৰু তেদবাহাক চৰম লাঞ্ছিত কৰি দিল্লীৰ ৰাজপথত শিৰচ্ছেদ কৰা হয়। হিন্দু সমাজৰ পৰা ইয়াৰ কোনো প্ৰতিবাদ শুনা নগ'ল। আনকি মৃতদেহ কেইবাদিনো ৰাজপথৰ ধূলিত পৰি থকাৰ পিছত নীচ জাতিৰ দুজন লোকেহে নিশাৰ এন্ধাৰৰ আশ্ৰয় লৈ গুৰু তেগ্ বাহাদুৰৰ ছিন্নমুণ্ড আৰু মুণ্ডহীন দেহ সৎকাৰৰ বাবে চোৰ কৰি আনে। এবাৰ গুৰুগোবিন্দই তেওঁৰ প্ৰিয় শিষ্য ৰঘুনাথ পণ্ডিতক সংস্কৃত শিক্ষা লবৰ বাবে কাশ্মীৰলৈ পঠায়। কিন্তু ৰঘুনাথ ব্ৰাহ্মণ ছাত্ৰ নোহোৱা বাবে ঘূৰাই পঠোৱা হয়। গুৰু গোবিন্দই এই কথা শুনি বেজাৰ কৰি কলে, "হিন্দু জাতি চাৰি বৰ্ণৰ সংমিশ্ৰণহে, ই জাতিভেদ নহয়। এটা মহাজাতি গঠনৰ বাবে তামোল, পাণ, চূণ আৰু মচলাৰ দৰে এটি মধুৰ সংমিশ্ৰণ হওঁক।"

তেওঁ এনে এখন সমাজৰ সপোন বাস্তৱত পৰিণত কৰিব বিচাৰে য'ত চাৰিটা জাতি এটা হ'ব লাগে, যত প্ৰত্যেক ব্যক্তিয়ে পাব লাগে তেওঁৰ যোগ্য সন্মান, প্ৰাপ্য অধিকাৰ আৰু ন্যায় বিচাৰ। তেওঁৰ সমাজত গুৰু-শিষ্যৰ ব্যৱধান থাকিব নোৱাৰিব। তেওঁৰ এই আদৰ্শ সমাজ (Ideal society)ৰ জন্ম হয় সেই বহাগৰ প্ৰথম দিনটিতে।

এই অগ্নিপৰীক্ষাৰ বাবে, তেওঁৰ মৰমৰ শিখসকল প্ৰস্তুত আছেনে ? এওঁলোকে এই পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিবনে ? আজি অগ্নি-পৰীক্ষাৰ দিন। "পাহ্‌ল" অৰ্থাৎ শিখ-তৈয়াৰ কৰাৰ ব্যৱস্থা। 'নৱবৰ্ষ'ৰ প্ৰথম দিনা হাজাৰ হাজাৰ অনুগামী ভক্ত আহি আনন্দপুৰৰ গুৰুগৃহত সমবেত হলহি। এই জন সমুদ্ৰৰ আগত গুৰুগোবিন্দই এটি তথ্যগধুৰ ভাষণ দি উঠি হঠাতে হাতত খোলা তৰোৱাল লৈ ভক্তবৃন্দৰ পৰা দাবী কৰিলে

এটি অশ্রুতপূর্ব উপহাৰ, "এতিয়াই মোক এজন শিখৰ মূৰ লাগে। কোন ভক্তই মোৰ এই দাবী পূৰণ কৰি এই কৃপাণৰ (Sword) পিপাসা নিবাৰণ কৰিব পাৰে?"

সভা কঁপি পৰি জীণ গ'ল। আতঙ্কগ্ৰস্ত মানুহবোৰে ইজনে সিজনৰ মুখলৈ চাবলৈ ধৰিলে। বেপাৰটো কি? গুৰুৰ উদ্দেশ্য কি? গুৰু আজি নিশ্চয় উন্মাদ হ'ল। গুৰুৱে আকৌ দাবী উত্থাপন কৰি হাতত খোলা তৰোৱালে লৈ সভাৰ মাজত স্থিৰ হৈ ৰ'ল। এইবাৰ মৃত্যুৰ দৰে নিস্তব্ধতা ভঙ্গ হ'ল। লাহে লাহে গুৰুৰফালে আগবাঢ়ি আহিল লাহোৰৰ দয়াৰাম ক্ষেত্ৰী, গুৰুৰ পূজাৰ বেদীত দান কৰিলে তেওঁৰ মস্তক।

কথিত আছে, গুৰুগোবিন্দই দয়াৰামক সভাৰ মাজৰ পৰা এটা তম্বুৰ মাজলৈ টানি লৈ যায়। আগতে যোগাৰ কৰি ৰখা স্থানত দয়াৰামক জিৰণি লবলৈ দি, এটা ছাগলী বলি দি, ৰক্তাক্ত কৃপাণ হাতত লৈ গুৰু গোবিন্দই সভাস্থলীলৈ আহি আৰু এজন শিখৰ মস্তক দাবী কৰিলে। ভয়ত লগে লগে সভাকক্ষ সেৰেঙা হ'ল। এইবাৰ আহিল দিল্লীৰ ধৰ্মদাস। তেওঁকো তম্বুৰ ভিতৰলৈ নি তথাকথিতভাৱে বধ কৰা হয়। এইদৰে আৰু তিনিবাৰ দাবী কৰি গুৰুৱে লাভ কৰিলে দ্বাৰকাৰ মোহ কমচাঁদ, বিদৰৰ সাহেবচাঁদ আৰু পুৰীৰ হিম্মৎ চাঁদৰ তিনটি মূৰ। তেওঁলোকৰ পৰিবৰ্তে প্ৰকৃততে পাঁচটা ছাগলী বধ কৰা হ'ল। এইদৰে গুৰুগোবিন্দই ভয়াতুৰ এখন জন-অৰণ্যৰ মাজত ফান্দ পাতি ধৰিলে পাঁচটি "সিংহ"।

এই পাঁচজন বীৰ শিখক গুৰুৱে এক বিশেষ ধৰণত পোছাক পিন্ধাই বিমূঢ় জনমণ্ডলীৰ সন্মুখত উপস্থিত কৰালে। [পোছাক: নীলা দীঘল চোলা, পীতবৰ্ণ কুৰ্তা, পীতবৰ্ণ কমৰবন্ধ আৰু চুটি বগা 'কচ্' (underwear) গুৰু গোবিন্দই আবেগৰুদ্ধ কণ্ঠেৰে ক'লে, "তোমালোক মোৰ 'পঞ্চ-প্ৰিয়জন' (পঞ্জ-পিয়াৰে)। গুৰুৰ অগ্নিপৰীক্ষাৰ বিচিত্ৰ ৰূপ দেখি সভাকক্ষত ভীমনাদে উচ্চাৰিত হ'ল "সৎ শ্ৰী আকাল" (Victory to the Lord)

উল্লেখযোগ্য যে গুৰুগোবিন্দই যি পাঁচজন শিখৰ দ্বাৰা 'খাল্চা' ৰচনা কৰিলে তাৰ ভিতৰত চাৰিজনেই অনুসূচীত জাতিৰ লোক।

এইবাৰ গুৰুৱে এটি লৌহ পাত্ৰত পানী আৰু চেনি লৈ পঞ্চ-প্ৰিয়জনৰে সৈতে নিজে পাত্ৰটি মাজত লৈ বৃত্তাকাৰে বহিল। এখন "খাণ্ডা" (দুধাৰী চুটি কৃপাণ) লৈ উক্ত পাত্ৰৰ পানী আবতিত কৰি "পঞ্চস্তোত্ৰ" পাঠ কৰিবলৈ ধৰিলে। [পঞ্চস্তোত্ৰ: গুৰু নানকৰ "জপ্‌জী", গুৰু অমৰদাসৰ "আনন্দ" আৰু গুৰুগোবিন্দৰ "জপ্" "দশ্ সৰ্বেয়ে" আৰু বিন্তী চৌপঈ]।

স্তোত্ৰ পাঠৰ অন্তত লৌহপাত্ৰৰ "অমৃত" পঞ্চ-প্ৰিয়জনক পান কৰালে আৰু কিছু অংশ তেওঁলোকৰ চকু আৰু মুখত ছটিয়াই দিয়ে। এইবাৰ গুৰুৱে পঞ্চ-প্ৰিয়জনৰ সমুখত মূৰ দোঁৱাই হাতজোৰ কৰি তেওঁকো উক্ত অমৃত পান কৰাই দীক্ষিত কৰিবলৈ প্ৰাৰ্থনা জনায়। এইদৰে গুৰু-শিষ্য উভয়ে দীক্ষিত হোৱাৰ অন্তত মৃদু হাঁহিৰে কলে, "খাল্চা গুৰুচে, অ'ৰ গুৰু খাল্চাচে হো। এক দোজেকে তবীদাৰ হো।"

['খাল্চা' গুৰুৰ পৰা আৰু গুৰু খাল্চাৰ পৰা আবিৰ্ভাৱ হৈছে। ইজন সিজনৰ ৰক্ষক হওঁক]

"হে শিষ্যগণ! আজিৰ পৰা এখন নতুন সমাজৰ জন্ম হ'ল। আজিৰ পৰা তোমালোক 'খাল্চা' অৰ্থাৎ পৱিত্ৰ আৰু 'সিংহ' হলা। তোমালোকৰ উপাধি 'সিংহ' বুলি জনা যাব। তোমালোকে ইজনে সিজনক "ৱাহ গুৰুজীকা খাল্চা, ৱাহগুৰু-জীকী ফতেহ্" বুলি সম্বোধন জনাবা। [Khalsa of the Lord, victory to the holy Lord]

গুৰুগোবিন্দৰ স্বৰচিত গ্ৰন্থ "ৰহমতনামা" (Rule of Life of Gobind)-ত গুৰুৱে উল্লেখ কৰিছে, "খাল্চাৰ মাজতে গুৰুক পাবা।" পাঁচখন খাল্চা য'ত উপস্থিত হয়, আজিও সেই স্থানত সাক্ষাৎ গুৰুৰ আবিৰ্ভাৱ হয় বুলি শিখ-সকলৰ বিশ্বাস আছে। এজন প্ৰকৃত শিখে সৰ্বদা পাঁচটা 'ক' (K) ৰক্ষা কৰিব লাগিব। ক্ষাত্ৰ ধৰ্ম্মৰ প্ৰতীক দীৰ্ঘ "কেশ" ধাৰণ কৰিব লাগিব, (২) কেশ পৰিষ্কাৰৰ বাবে লগত "কাংঘা" (ফণি) ৰাখিব লাগিব, (৩) ভগৱানৰ সাৰ্বভৌমত্বৰ প্ৰতীক হিচাপে লৌহ বলয় ("কাৰা") ধাৰণ কৰিব, (৪) পৱিত্ৰতাৰ চিন স্বৰূপে চুটি শুভ্ৰ "কচ্" (underwear) (a short of niker-bocker which bears the same significacce as the toga 'virilis" of the Roman Youth; Sir G. C. Narang; Grolious History of Sikhism; Pg. III.) (৫) আৰু জীৱন আৰু সম্পত্তি ৰক্ষাৰ বাবে সদায় "কৃপাণ" ধাৰণ কৰিব লাগে। ধূমপান স্বাস্থ্যৰ পক্ষে ক্ষতিকৰ; গতিকে ইয়াক নিষেধ কৰা হয়। খেলাধূলা, ঘোঁৰা চলোৱা, যুদ্ধাস্ত্ৰৰ প্ৰশিক্ষণ, সমাজসেৱা আৰু স্বাস্থ্যৰক্ষা শিখসকলৰ প্ৰধান কৰ্তব্য হ'ব।

'পাহ্‌ল' অনুষ্ঠান সমাপন কৰি গুৰু গোবিন্দই ভক্তবৃন্দক এটি সাৰগৰ্ভ ভাষণ দিয়ে, "মোৰ মৰমৰ খাল্চাসকল! আজিৰ পৰা তোমালোকৰ মাজত জাতিভেদৰ বিনাশ হ'ল। তোমালোক হিন্দু-মুছলমানৰ মিলন-সেতু হ'বা। পুণ্যাৰ্জনৰ বাবে তীৰ্থ ভ্ৰমন নিষ্প্ৰয়োজন। গাহস্থ্য জীৱনেই শিখসকলৰ মুখ্য তীৰ্থস্থান। সত্যৰ বাবে হাঁহিমুখে আত্মবলিদান দিবা। শিখ সমাজত নাৰী-পুৰুষৰ ভেদাভেদ নাথাকিব। সকলোৱে সমঅধিকাৰ ভোগ কৰিবা। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে দৰিদ্ৰ নাৰায়ণৰ সেৱা কৰিবা। খাল্চা সমাজ যেনেকৈ দৰিদ্ৰজনৰ অন্নসত্ৰ (দেগ্) তেনেকৈ তোমালোকৰ লগত ("তেদ্") শক্তিৰ মাহাত্ম্যও থাকিব। যেতিয়া এজন শিখে "চোৱা লাখ" লোকৰ সন্মুখত নিৰ্ভয়ে থিয় হ'ব পাৰিব; তেতিয়াহে গুৰুগোবিন্দ সিংহৰ নাম সাৰ্থক হ'ব।"

ঐতিহাসিক গোলাম মহিউদ্দিনৰ মতে "গুৰুগোবিন্দই খাল্চাৰ জন্মানুষ্ঠানত যি ভাষণ দিছিল, তাত গুৰুৱে হিন্দু-সকলৰ মাজত থকা জাতিভেদ, কুসংস্কাৰ, অন্ধ বিশ্বাসৰ বিলুপ্তি ঘটায় ভ্ৰাতৃত্বৰ-বন্ধনৰ সূচনা কৰে। অনেক গোঁড়া হিন্দুৰ বিৰোধিতা স্বত্বেও প্ৰথম দিনাই প্ৰায় বিশ হেজাৰ লোকে খাল্চা পন্থ গ্ৰহণ কৰে। এপষেকৰ ভিতৰত এই

সংখ্যা আশী হাজাৰলৈ বৃদ্ধি পায়।”

জাতিভেদ ঘৃনণীয়। শিখসকলৰ অৱশ্যে কৰণীয় কৰ্তব্য “সেৱা আৰু লঙ্গৰ খানা’ত আদৰ্শ মনত ৰাখিবলৈ গুৰুগোবিন্দই ‘খাল্‌চা’ক নিৰ্দ্দেশ দিয়ে। শিখৰ সমাজত সকলোৱে একেলগে বহি লঙ্গৰখানা’ত আহাৰ গ্ৰহণ কৰাৰ নিয়ম। লৰ্ড টয়েনবিয়ে লিখিছে, “লেনিনৰ কাম বিলাক গুৰুগোবিন্দ সিংহই প্ৰায় দুশ বছৰৰ আগতেই কৰি থৈ গৈছে।” গুৰুগোবিন্দই গুৰু- কৰণ প্ৰথা বন্ধ কৰি দি শিখসকলক আত্মকলহৰ পৰা ৰক্ষা কৰি যায়। গুৰুগোবিন্দই মৃত্যুৰ আগমুহূৰ্তত ঘোষণা কৰে যে তেওঁৰ মৃত্যুৰ পিছত গুৰু নানকৰ উত্তৰাধিকাৰী হ’ব “গুৰু গ্ৰন্থচাহেব।” তেতিয়াৰে পৰা গুৰু গ্ৰন্থচাহেব২ (The Bible of the Sikhs) শিখ জাতিৰ গুৰুৰূপে বিৰাজমান হৈ আছে। শিখ ঐতিহাসিক বাবা ৰতন সিংহৰ মতে, “গুৰু গোবিন্দ সিংহই “খাল্‌চা” পন্থ স্ৰজন কৰিছিল এই কাৰণেই তেওঁ দেশৰ সাৰ্বভৌমত্ব দৰিদ্ৰ জনসাধাৰণৰ হাতত তুলি দিবলৈ আশা কৰিছিল যিসকলে ভৱিষ্যতে এই কথা মনত ৰাখিব যে নিজৰ যথা সৰ্বস্ব ত্যাগ কৰি এখন শ্ৰেণীহীন (Class-less) সমাজ গঠন কৰিবলৈ প্ৰয়াস কৰা গুৰুগোবিন্দ সিংহ নামৰ ইতিহাসত এজন গুৰু আছিল।”(Prachin Panth Prakash by B. Rattan Singh.)

গুৰুগোবিন্দ আছিল মহান ভাৰত সন্তানসকলৰ অন্যতম। জীৱনৰ চৰম সংকট কালতো তেওঁ আছিল অবিচলিত। এবাৰ দমদমা নামে স্থানত তেওঁৰ পত্নীয়ে চাৰি পুত্ৰক পিতাৰ লগত নেদেখি প্ৰশ্ন কৰাত গুৰুগোবিন্দই চকীত আৰু স্তব্ধ সভা-সদৰ (খাল্‌চা) ফালে আঙুলিয়াই দি ক’লে,

“ইন পুত্ৰন কে শীৰ পৰ,
ওৱাৰ দিয়ে সুত চাৰ।
চাৰ গয়েতো ক্যা হোৱা,
জীৱিত কাঁই হাজাৰ।”

(এই সহস্ৰ পুত্ৰৰ (খাল্‌চা) কল্যাণৰ বাবে মই মোৰ চাৰি-জন পুত্ৰক মৃত্যুৰ মুখলৈ ঠেলি দিলোঁ। মোৰ চাৰি পুত্ৰ গ’ল যাওক) আমাৰ সহস্ৰ পুত্ৰ জীৱিত আছে। এওঁলোকৰ শ্ৰীবৃদ্ধি হওঁক।)

গুৰুগোবিন্দৰ ভাৰতৰ সমাজৰ বাবে দানৰ কথা উল্লেখ কৰি প্ৰখ্যাত ঐতিহাসিক সৈয়দ মহম্মদ লটিফ চাহাবে মন্তব্য কৰিছে, “মঞ্চত গুৰু গোবিন্দ আছিল বিধায়ক, যুদ্ধক্ষেত্ৰত বিজেতা, মচ্‌নদত তেওঁ আছিল সম্ৰাট আৰু “খালচা” সমাজত তেওঁ আছিল সন্ত (সাধু)। (History of the Punjab, Calcutta, 1890)

Reference

(1) Guru Gobind Singh : Dr. Gopal Singh
(2) History of the Punjab : S. M. Latif.



# চিকিৎসা বিজ্ঞানৰ ফেঁহুজালি

ডাঃ কৈলাশ চন্দ্ৰ দত্ত

মানৱদেহক কেন্দ্ৰ কৰি মানুহৰ বৌদ্ধিক পৃথিৱীখনে বিকাশ লাভ কৰে। মানৱ দেহৰ বিভিন্ন অঙ্গ-প্ৰত্যঙ্গ, ইয়াৰ পাৰিপাৰ্শ্বিকতাৰ লগত মানৱদেহৰ সম্বন্ধ। তাকেই কেন্দ্ৰ কৰি মানৱে বিশ্ব-ব্ৰহ্মাণ্ডৰ চিৰন্তন সত্য আৰু সুন্দৰৰ বিষয়ে জানিবলৈ পলে পলে আগবাঢ়ে।

চিকিৎসা বিজ্ঞানেই হেনো সকলো বিজ্ঞানৰ আদি মূল। কিয়নো চিকিৎসা বৃত্তিৰ প্ৰথম আৰু প্ৰকৃত দৃষ্টিপাত হ'ল মানৱদেহৰ ওপৰত। এই বৃত্তিয়েই হল বিশ্ব ইতিহাসত বৈজ্ঞানিক পন্থা অৱলম্বন কৰা একমাত্ৰ সংঘবদ্ধ মানৱৰ সমষ্টি। এই বিজ্ঞানেই হল কোনো ৰাজনৈতিক অথবা ধৰ্মীয় অনুশাসনৰ চেকা নপৰাকৈ কৰা নৈসৰ্গিক কাৰ্যাৱলীৰ এক নিৰঙ্কুশ বিশ্লেষণ।

বহুদিন ব্যাপী হয়তো চিকিৎসা বিজ্ঞানৰ বিকাশ আছিল এক তমসাবৃত অধ্যায়। এয়া এক সুদীৰ্ঘ পৰিক্ৰমা। বিশ্বৰ প্ৰান্তৰে প্ৰান্তৰে কাঁচিয়লি ৰ'দৰ পোহৰ পেলাই সভ্যতাৰ বন্তিগছ উমি উমি জ্বলি থাকিল। সেই জ্যোতিতেই উদ্ভাসিত হ'ল ভাৰতবৰ্ষৰ চৰক আৰু সুশ্ৰুত। লাহে লাহে মানৱদেহক কেন্দ্ৰ কৰি বিজ্ঞানৰ ঠাল-ঠেঙুলিবোৰে পোখা মেলিলে।

এই ধৰক গণিতবিদ্যা। আদিম যুগৰ জনৈক চিকাৰীয়ে হয়তো বনৰ মাজত এদিন এজাক হৰিণ দেখিলে। ঘৰলৈ আহি তাৰ কবৰ মন যাবই। পিছে হিচাপ ক'ত কৰিব? তাৰ হাতৰ দহ আঙুলিত। দৌৰি দৌৰি আহি তাৰ সঙ্গীহঁতক দেখুৱালেহি সি কেইটা হৰিণ দেখিলে। গণিতীয় দহ আৰু দশমিক পদ্ধতিৰ আৱৰ্তণি হয়তো সেয়েই।

সূৰ্য্য, গ্ৰহ-নক্ষত্ৰ, ধূমকেতু আদিৰ আবিৰ্ভাৱৰ লগত মানুহৰ সুখ-দুখ হাঁহি-কান্দোনৰ যোগসূত্ৰ বিচাৰিলে আদিম মানৱে। নাৰীৰ ঋতুস্ৰাৱৰ লগত চন্দ্ৰকলাৰ অৱয়ব বৃদ্ধিৰ সম্পৰ্ক বিচাৰি পালে। সিহঁতৰ অসংযত চিন্তাধাৰাত আনি দিলে ধাৰাবাহিকতা। ভাগ্য-চক্ৰ, দুখ-দুৰ্দশাৰ লগত গ্ৰহ-নক্ষত্ৰৰ অৱস্থানৰ পম খেদিলে--জন্ম হ'ল জোতিৰ্বিদ্যাৰ।

উদ্ভিদ মানুহৰ জীৱন ধাৰণৰ বাবে অত্যাৱশ্যকীয় সুস্বাদু খাদ্য। বিগত কোনো এক শুভ মুহূৰ্তত মানুহে হয়তো গম পালে যে আৱশ্যকীয় উদ্ভিদ স্বইচ্ছাৰে উৎপাদন কৰিব পাৰি। ফলত জন্ম হল উদ্ভিদ-বিদ্যাৰ।



(চিত্ৰ ১)

হিপক্ৰেটিচ--চিকিৎসা বিজ্ঞাৰ জনক

প্ৰকৃতি আৰু পাৰিপাৰ্শ্বিকতাৰ বিষয়ে মানুহৰ সঞ্চিত অভিজ্ঞানৰ তালিকাখন এনেদৰেই অপ্ৰত্যাশিতভাৱে দীঘল হৈ গৈ থাকিল।

হিপক্ৰেটিচ্ চিকিৎসা বিজ্ঞানৰ এটা অতি চিনাকি নাম। "চিকিৎসা বিজ্ঞানৰ পিতৃ" বুলিলে আমি তেওঁক বুজো। তদুপৰি তেওঁ সমগ্ৰ মানৱ জাতিৰ মুক্তিদাতা খৃঃ পূঃ পঞ্চম শতিকাৰ অনন্য চিকিৎসা বিজ্ঞানী। "হিপক্ৰেটিক অথ" নামৰ নৈতিক সংহিতাৰ প্ৰতিষ্ঠাপক। অকল সেয়ে নহয় সমকালীন ধৰ্মযাজকসকলৰ ধৰ্মান্ধতা, পাশৱিকতাৰ শৃংখল চিঙি ৰোগসমূহৰো যে এটা নিৰ্দিষ্ট ধাৰা আছে, নিৰ্দিষ্ট কাৰণ আছে তাৰ সন্ধান দিলে। তেওঁ দেখুৱাই দিলে যে ৰোগৰ এই ধাৰাসমূহ অধ্যয়ন কৰিব পাৰি, লিপিবদ্ধ কৰিব পাৰি, সিহঁতৰ পূৰ্বাভাস দিব পাৰি আৰু বহু ক্ষেত্ৰত তাৰ গতি সলনি কৰিব পাৰি।

এৰিষ্টটেল আছিল আন এক অগ্ৰণী। মানৱদেহৰ ওপৰত আছিল তেওঁৰ এক অদম্য অনুসন্ধিৎসা। বাস্তৱিক পক্ষে এজন চিকিৎসাবিদ নহলেও তেৱেঁই প্ৰথমে জীৱদেহ এক বৈজ্ঞানিক অনুপ্ৰেৰণাৰে নিৰীক্ষণ কৰিছিল। তাৰ পৰা কিছু কিছু সত্যৰ, কিছু কিছু ধ্যান-ধাৰণাৰ উপাদান সংগ্ৰহ কৰিছিল। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে মানুহৰ নিজা পৃথিৱীখনৰ নিজেই স্ৰষ্টা আৰু নিজেই সংহাৰক। মানুহে কেৱল মাত্ৰ তাৰ পঞ্চেন্দ্ৰিয়ৰ অনুভূতিৰ সহায়তে ধৰ্মগুৰুৰ সহায়ৰ অবিহনে, স্বৰ্গীয় অনুপ্ৰেৰণাবিনে পৃথিৱীৰ গঠনৰ বুজ ল'ব পাৰে। ইয়াত জীৱদেহৰ অতীৱ প্ৰয়োজনীয় সম্পদ কি আছে বিচাৰি উলিয়াব পাৰে।

মানুহকে ধৰি জীৱদেহৰ ভিন্ ভিন্ আভ্যন্তৰীণ ক্ৰিয়া কলাপৰ, সত্য আৰু সুন্দৰৰ কল্পতৰুৰ অন্বেষণ, মহাসমুদ্ৰৰ অতল

তলিত লুকাই থকা সম্পদৰাজিক কিদৰে মানৱৰ কল্যাণৰ হকে প্ৰয়োগ কৰিব পাৰি, আকাশত কিদৰে বিহঙ্গমৰ দৰে মুকলিমুৰীয়াকৈ উৰি ফুৰিব পাৰি, মানুহৰ শত্ৰু ৰোগৰ কিদৰে উৎপত্তি হয় আৰু কিদৰে সিহঁতৰ নিৰাময়ৰ বিধান দিব পাৰি সেই অভিজ্ঞানৰো সন্ধান দিলে এৰিষ্টটলে।

বহুক্ষণ ব্যাপী কৰা পৰীক্ষা-নিৰীক্ষাৰ পাছতেই হয়তো তেওঁ ঘূৰি গ'ল ৰাজনীতিৰ জগতখনলৈ, এবাৰ নৈতিক বিধি ব্যৱস্থাৰ সমল গোটালে, অলপ পাছতেই হয়তো আঁতৰি গল ৰসায়ন বিজ্ঞানৰ মজিয়ালৈ। এৰিষ্টটেলৰ দৃঢ় বিশ্বাস ধ্ৰুৱ সত্যলৈ পৰিণত হ'ল। মানুহে বিশ্ব ব্ৰহ্মাণ্ড জয় কৰিলে।

মধ্যযুগীয় বৌদ্ধিক চিন্তাধাৰাৰ ধ্বজাবাহক গেলেন আহি পালে এৰিষ্টটলৰ পৰৱৰ্তী শতিকাত। তেওঁ ৰোমৰ বাসিন্দা আছিল, কিন্তু তেওঁৰ লেখনীৰ মাধ্যম আছিল গ্ৰীকভাষা। তেওঁৰ গ্ৰন্থৰাজি ইমানেই বিশাল বিস্তৃত আছিল যে তাৰ তুলনাত পৱিত্ৰ বাইবেলখনো এখন তেনেই ক্ষুদ্ৰ পুথি যেন বোধ হয়। তেওঁ কাৰ চিকিৎসা কৰা নাছিল-- সম্ৰাট, গণিকা, মদ্যপায়ী সেনানায়ক, ৰাজনীতিজ্ঞ, সতীসাধ্বী, দাৰ্শনিক, বণিকনে, সৈনিকৰ ?

তেওঁ সকলোবোৰ ৰোগৰ কথা সদৰি কৰিছিল আৰু ৰোগ নিৰ্ণয়ৰ বাবে অৱলম্বন কৰা কৌশলবোৰ আনক অবগত কৰাইছিল। অৱশ্যে তেওঁ শৰীৰ স্থান-বিজ্ঞানৰ সেই সমুদায় জ্ঞান আহৰণ কৰিছিল জীৱদেহ ছেদনৰ একঘেয়ামিৰ মাজেদি। তেওঁৰ এই বিৰামবিহীন একাগ্ৰতাই চিকিৎসা বিজ্ঞানৰ তিমিৰাচ্ছন্ন এলেকাত যি আলোকপাত কৰিলে, সেই পোহৰ তাৰ পৰৱৰ্তী বহু শতিকা জুৰি তিৰবিৰাই থাকিল।

ধীৰে ধীৰে সেই দীপ্তিৰ অৱক্ষয় হল, ৰোগৰ লগত মানৱৰ নিৰৱধি সংগ্ৰামৰ আন এক যুগান্ত পাথৰ স্বৰূপ হৈ মানৱদেহৰ আঁহবোৰ ফঁহিয়াই চাবলৈ আহিল ভেচেলিয়াচ। তেৱেঁই বিশ্ব ইতিহাসত প্ৰথমবাৰৰ বাবে নিখুঁত আৰু পূৰ্ণাঙ্গভাৱে শৰীৰৰ গঠন আৰু ভিন ভিন অংশৰ কথা লিপিবদ্ধ কৰিলে। ১৫৪৩ চনত প্ৰকাশ পালে তেওঁৰ যুগান্তকাৰী গ্ৰন্থ "দ্যা হিউমেনি কৰপোৰিচ ফেব্ৰিকা"।

মধ্যযুগীয় বুদ্ধিজীৱীৰ দীৰ্ঘকালীন সুষুপ্তিৰ পৰিৱেশৰ মাজত প্ৰকৃতিক অধ্যয়নৰ বাতাৱৰণ নাছিল বুলিলেই হয়। গীৰ্জা, ধৰ্মীয় অনুষ্ঠান, বিশ্ববিদ্যালয় আৰু তথাকথিত মানৱপ্ৰেমীসকলে জীৱদেহ ছেদনৰ ঘোৰ বিৰোধিতা কৰিছিল। নৱ-জাগৰণৰ কালছোৱাতো প্ৰতিভাশালী লোকসকলে গেলেন আৰু কিছু পৰিমাণে এৰিষ্টটলৰ লিখাখিনিৰ ওপৰতে নিৰ্ভৰ কৰিছিল।

গেলেন এৰিষ্টটলৰ শৰীৰস্থান বিজ্ঞানৰ অনেকখিনি জ্ঞান জীৱদেহৰ ওপৰত কৰা চাক্ষুষ বিশ্লেষণৰ ভিত্তিত প্ৰতিষ্ঠিত। তথাপি ১৫শ শতিকাৰ শেষ আৰু ১৬শ শতিকাৰ আদি ভাগৰ তথাকথিত পণ্ডিতসকলৰ বাক্‌বিতণ্ডা গেলেনৰ আৱিষ্কাৰৰ নিৰ্ভৰযোগ্যতাৰ ওপৰতেই চলিছিল।

অজ্ঞতা আৰু ধৰ্মান্ধতাৰ এই বাধাৰ প্ৰাচীৰৰ বিপৰীতে ভেচেলিয়াচৰ গৱেষণা নিৰন্তৰ চলিয়েই থাকিল। জীৱৰ মৃত দেহ আছিল তেওঁৰ বাবে বাইবেলৰ দৰে পৱিত্ৰ। সেই মৃতদেহ তেওঁ যিকোনো প্ৰকাৰে সংগ্ৰহ কৰিছিল। পেৰিচত থকা কালছোৱাত তেওঁ ঠিক কৰিলে যে মন্ট্‌ফকনৰ পৰা মৃতদেহ চুৰি কৰিব পাৰি। সেই ঠাইখনত দোষীসকলক ফাঁচি দি মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হৈছিল। ল'ভেইনতো তেওঁ ৰাতিৰ অন্ধকাৰত হাতত সাৰে ভৰিত সাৰে গৈ ফাঁচিকাঠৰ পৰা মৃতদেহ নমাই আনি তাৰ ওপৰত গৱেষণা আৰম্ভ কৰিছিল।

এনেবোৰ আলৈ আহুকালৰ মাজত মানুহে মানৱদেহৰ অভিজ্ঞান লাভ কৰিলে। ভেচেলিয়াচে নিজৰ উদ্ভাৱনিৰ দাম দিব লগা হ'ল। তেওঁক সমাজে এঘৰীয়া কৰিলে। অনুশোচনাৰ জুইত দগ্ধ হৈ তেওঁ কবৰবালৈ ওলাই গ'ল আৰু ঘূৰি নাহিল। "দ্যা হিউমেনি কৰপোৰিচ ফেব্ৰিকা"ই তেওঁক জীয়াই ৰাখিলে। আধুনিক চিকিৎসা বিজ্ঞানৰ ফেঁহুজালি এয়ে।

এয়েই যদি ফেঁহুজালি হয় সৃষ্টিৰ আদিৰে পৰা নিজৰ অতিকৈ চিনাকি দেহটোৰ বিষয়ে জানিবলৈ মানুহৰ বহুত দিনেই লাগিল। তথাপিও এই অভিজ্ঞানে চিকিৎসা জগতৰ লক্ষজনৰ মণপ্ৰাণ জন্ম জন্মান্তৰলৈ উদ্ভাসিত কৰি ৰাখিব। ০০



গল্প

# স্বাগত

ইন্দ্ৰ কান্ত শৰ্মা

ভুঞা বজাৰৰ কোণাতে সেই দোকানখন। যিখন দোকানে আজি প্ৰায় এঘাৰ বছৰে কঢ়িয়াই আনিছে নতুন পুৰুষৰ স্বাৱলম্বনৰ নতুন স্বাক্ষৰ। দোকানদাৰ কৰুণাৰ ব্যৱহাৰেই তাৰ উন্নতিৰ সহায়ক। এইখন বজাৰৰে কতজনৰ কতখন দোকানৰ আজি চিনচাব নাইকিয়া হ'ল। কিন্তু কৰুণাৰ ধৈৰ্য্য একাগ্ৰতা আৰু সাহসে তাৰ জীৱনলৈ আনি দিছে এক বৈপ্লৱিক পৰিৱৰ্তন। সি জীৱনত কাহানিও কল্পনা কৰিব নোৱৰা এই পৰিৱৰ্তনে তাৰ মনলৈ আনি দিছে এক অফুৰন্ত আনন্দ আৰু গতিশীলতাৰ প্ৰেৰণা।

সংগ্ৰাম আৰু সংঘাতপূৰ্ণ অৱস্থাতে কৰুণাই মেট্ৰিক পাছ কৰি এদিন কলেজত ভৰ্তি হৈছিল। লগে লগে আহি পৰিছিল কিছুমান সামাজিক দায়িত্ব। কলেজৰ একতা সভাৰ দায়িত্বও লবলগীয়া হৈছিল কৰুণাই। কোনো ৰকম প্ৰাক-বিশ্ববিদ্যালয়ৰ পৰীক্ষা পাছ কৰিয়েই চহৰৰ পৰা প্ৰায় আঠমাইল দূৰৰ এখন ভেঞ্চাৰ স্কুলত কৰুণাই মূৰ পাতি ললে শিক্ষকতাৰ গধুৰ দায়িত্ব। দিনে প্ৰায় ষোল্ল মাইল চাইকেলেৰে অহা-যোৱা কৰি দিনত বিদ্যালয়ত ল'ৰা-ছোৱালীক শিক্ষাদান কৰি যেতিয়া নৈশ শ্ৰেণীত শিক্ষা লবলৈ আহি এ, ডি, পি কলেজ পায়হি, তেতিয়া সি ক্লান্ত হৈ পৰে। তেনে অৱস্থাতো সি এদিন বি, এ পাছ কৰিলে।

বি, এ পঢ়ি থাকোঁতেই আহি পৰিছিল '৭২ চনৰ সেই মাধ্যম আন্দোলন। অসমীয়া শিক্ষাৰ মাধ্যম আৰু চৰকাৰী ভাষা হিচাপে স্বীকৃতি পাবৰ বাবে যুঁজিবলগীয়া হ'ল সমগ্ৰ অসমবাসীয়ে। সময়ত দাবী পূৰণ হ'ল। কিন্তু লগে লগে কৰুণাই হেৰুৱাবলগীয়া হ'ল তাৰ পৰমবন্ধু অনিলক। তেনে সময়তে স্থানীয় ৰাইজ আৰু পৌৰ নিগমৰ উদ্যোগত স্থাপন হ'ল ভুঞা বজাৰখন। কৰুণাই থিৰাং কৰিলে দিনে ষোল্ল মাইল চাইকেল কাঢ়ি কেইটামান টকাৰ বাবে ভেঞ্চাৰ স্কুলত চাকৰি কৰি থকাতকৈ ব্যৱসায়ত নামি স্বাৱলম্বী হোৱাটোৱেই শ্ৰেয়ঃ হ'ব। লগে লগেই সি খুলি ললে গেলামালৰ এখন সৰু দোকান, লগতে মনোহাৰী মাল আৰু তামোলপানৰ ব্যৱস্থাও ৰাখিলে। একাগ্ৰতাৰে ব্যৱসায়ত লাগি পৰিল কৰুণা, কিন্তু তাৰ শিক্ষকতা জীৱনৰ স্মৃতিয়ে মাজে মাজে বিব্ৰত নকৰাকৈ নাথাকিল। মনোবিজ্ঞানৰ ছাত্ৰ কৰুণাই গ্ৰাহকক সন্তুষ্ট কৰিবলৈ অকণো ত্ৰুটি কৰা নাছিল। দিনে দিনে তাৰ দোকানত গ্ৰাহকৰ সংখ্যা বাঢ়িব ধৰিলে। চৰকাৰেও তাৰ দোকানখন সুলভ মূল্যৰ দোকান হিচাপে স্বীকৃতি দিলে। আৰু ৰাজহুৱা বিতৰণৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰীও তাৰ দোকানতে দিলে। লগে লগে বাঢ়ি আহিল তাৰ দোকানৰ পৰিসৰ।

যেতিয়া তাৰ বন্ধু অভিযন্তা চৌধুৰী আৰু ডাক্তৰ প্ৰণৱক লগ পায় বা সিহঁতৰ কথা ভাবে তেতিয়া তাৰ অলপ বেয়া লাগে। সিও হয়তো তেনেদৰে চৰকাৰী বিষয়া হোৱা হলে ভাল লাগিলহেঁতেন। কিন্তু যেতিয়াই সি সকলো কথা ফঁহিয়াই চায়, তেতিয়া সি আত্মসন্তুষ্টি লাভ কৰে এই কথা ভাবি যে সিও এক ধৰ্মই কৰিছে। ৰাইজক অইন নহলেও প্ৰয়োজনীয় সামগ্ৰীখিনি যোগান ধৰিব পাৰিছে। সৎভাৱে কৰা ব্যৱসায়ো এটি ধৰ্মহে।

সময়ে সময়ে চলি অহা কৃত্ৰিম নাটনিৰ ক্ষেত্ৰত সি কেইবাবাৰো ৰাইজক যথেষ্ট সকাহ দি আহিছে। আজি সি মাৰোৱাৰী ব্যৱসায়ীকেইটাৰ লগতো প্ৰতিযোগিতা কৰিব পাৰিছে। সি এতিয়া পাইকাৰী ব্যৱসায়ও কৰিছে। গুৱাহাটীৰ পৰা নিজৰ গাড়ীৰে মালবস্তু আনি আনতকৈ কম লাভ লৈও সি গ্ৰাহকৰ উপকাৰ সাধিছে। সঁচায়ে কৰুণা ব্যৱসায়ৰ ক্ষেত্ৰত এক আদৰ্শ। সকলোৰে সুখ-দুখৰ সমভাগী হ'বলৈ চেষ্টা কৰা কৰুণা দুখীয়া লোকৰ বন্ধু। কিন্তু তাৰ সৰলতা আৰু সহায়কাৰী মনোবৃত্তিৰ সুবিধা লৈ তাক কোনেও প্ৰৱঞ্চনা কৰা নাই।

ব্যৱসায়ী হলেও কৰুণাৰ অন্তৰত সমাজ সচেতনতা, দূৰদৰ্শিতা বিদ্যমান। অসমী আইৰ গৌৰৱোজ্জ্বল গৰিমা তাৰ চিৰকাম্য। সেই ক্ষেত্ৰত এজন ব্যৱসায়ী হিচাপে সি অত্যাধিক

সেৰা আগবঢ়াই আহিছে। আজি চাৰি পাঁচ বছৰে চলি অহা গণ আন্দোলনতো সি যথেষ্ট সহায় সহযোগ আগবঢ়াই আহিছে। যেতিয়াই যি পাৰে কৰি আহিছে। এই অঞ্চলত বহুত বাৰ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱা সত্বেও তাৰ কাৰণেই কোনো বিশেষ অপ্ৰীতিকৰ ঘটনা হ'ব পৰা নাই। যেতিয়াই তাৰ দোকানৰ সন্মুখত আৰক্ষী বাহিনীৰ অৱস্থিতি হয় আৰু যেতিয়াই তাৰ সংস্পৰ্শত আহে তেতিয়াই তেওঁলোকে আচল কথা বুজি পায় আৰু সংযত হবলৈ বাধ্য হয়।

সেইদিনা ১ জানুৱাৰী '৮০ চন। অসমৰ আন্দোলনকাৰীৰ আহ্বানত ১ জানুৱাৰী পুৱা ৬ বজাৰ পৰা ৩ জানুৱাৰী ৪ বজালৈকে ৫৮ ঘন্টীয়া অসম বন্ধ। আবেলি ৩ বজাৰ লগে লগে জখলাবন্ধাৰ ফালৰ পৰা কনভয়েৰে আহি আছিল প্ৰায় ৭ খন গাড়ী। লগে লগে ৰাষ্ট্ৰীয় পথত অৱস্থান কৰিলে শ শ পুৰুষ মহিলা।

যুদ্ধং দেহি মনোভাবেৰে জনতাৰ ফালে আগবাঢ়ি আহিল এজাক লাঠি আৰু ৰাইফলধাৰী আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ লোক।

দোকানৰ মুখত বৈ থকা কৰুণাও লাহে লাহে আগবাঢ়ি আহিছিল সেই জনতাৰ থূপৰ কাষলৈ। প্ৰায় ত্ৰিশগজমান দূৰ পাওঁতেই সি দেখিলে তাৰ এসময়ৰ সহপাঠী অ', চি ফুকনে লাঠী জোকাৰি ৰক্তপিপাসু বাঘৰ দৰে গৰজি আছে। চাই থাকোঁতেই আৰম্ভ হ'ল লাঠী চালনা। আৰম্ভ হ'ল দৌৰাদৌৰি। ফুকনৰ লাঠীৰ কোবত দুজনীমান ছোৱালীও ঢলি পৰিল। ভাগ্য ভাল আছিল, হেন সময়তে আহি পাইছিল কৰুণাৰ চিনাকি চি, আৰ, পিৰ প্লেটুনটো। ইতিমধ্যে পৰিস্থিতি চম্ভালিবলৈ আৰু ছোৱালীবিলাকক আঁতৰাই নিবলৈ অহা অধ্যাপক শইকীয়া ঢলি পৰিল ফুকনৰ লাঠীৰ কোবত। এটা চি, আৰ, পিয়ে খেদি গৈছিল কৰুণাৰ পিনে। কিন্তু ভাগ্য ভাল তাৰ চিনাকি চি, আৰ, পিকেইটাই সিহঁতক ইঙ্গিত দি ৰখাই দিলে। কৰুণা অতিষ্ঠ হৈ দৌৰি গ'ল ফুকনৰ ওচৰলৈ, এষাৰ মাথোন কথা ক'লে, "বেয়া নালাগিল তোমাৰ এনে অত্যাচাৰ কৰিবলৈ?" তাৰপিছত সি কোবাকুবিকৈ গ'ল তাৰ চিনাকি চি, আৰ, পিৰ কমাণ্ডেন্ট সিঙৰ গাড়ীখনৰ ওচৰলৈ। পৰিস্থিতি শান্ত কৰিবলৈ তেওঁক বুজাই কলে। এসময়ত সকলো শান্ত হ'ল। চি, আৰ, পিৰ গাড়ী এখনতে আহতসকলক যেতিয়া ভৰাই লৈ হস্পিতাললৈ নিছিল তেতিয়া কৰুণাৰ দুগালেদি ধাৰাসাৰে চকুলো বৈ আহিছিল। সি তাৰ এসময়ৰ অধ্যাপক শইকীয়াক নিজৰ কামিজৰে এচোৰা ফালি মূৰত এটা টানকৈ বান্ধ দিছিল। তথাপিতো তেজ ৰোৱা নাছিল। সেহাই সেহাই অধ্যাপক শইকীয়াৰ মুখৰ পৰা ওলাই আহিছিল—"জয় আই অসম", "জয় আই অসম"। আজিও সেইদিনাৰ সেই আহত ছোৱালীকেইজনী আৰু তাৰ অধ্যাপকৰ সেই অসহায় কৰুণ চাৱনিটো তাৰ প্ৰাণত বাজি থাকে। কেতিয়াকৈ অসম মাতৃ এই নিপীড়ণ আৰু ঔপনিৱেশিকতাৰ পৰা মুক্ত হ'ব ভাবি ভাবি তাৰ অন্তৰ ব্যাকুল হৈ উঠে। সেই সূৰ্যৰ পোহৰ আহি পৰিবলৈ আৰু কিমান বাকী? ০০০





## মহানগৰ

(অধ্যাপক) ৰবীন্দ্ৰ চন্দ্ৰ বৰা

"'Tis surely a most shabby Thinker
Who looking on Nature, finds not the reflection apalling"

মোৰ দৃষ্টিৰ পৰিধিত--এখন সুপ্ত মহানগৰ
যেন নিশাৰ আন্ধাৰে আবৰা
এক অৰণ্যৰ ছবি।

মহানগৰৰ সুউচ্চ অট্টালিকাৰ সুকোমল শয্যা,
আৰু জীৰ্ণ পঁজাৰ শীৰ্ণ শেতেলিত ;
শুই থকা নাৰী, শিশু, বৃদ্ধৰ অৱচেতনাত
ক্লান্তি আৰু শঙ্কাৰ
এক মিশ্ৰ প্ৰতিক্ৰিয়া।

যেন,
গভীৰ অৰণ্যৰ গছ আৰু জোপোহাত
আশ্ৰয় লোৱা পশু-পক্ষীৰ মনত জাগ্ৰত,
অনাগত বিপদৰ এক অজান আশঙ্কা।

অৰণ্যৰ--
বন্য হিংস্ৰ জন্তুৰ আস্ফালনত শুনো,
নিশাচৰ কুচক্ৰীৰ ভয়াল পদক্ষেপ,
আৰু অসহায়, আৰ্তৰ কৰুণ ক্ৰন্দনধ্বনি ;
পথ, উপপথ, গলিবোৰত নিশাচৰী গোপন ব্যস্ততা।

যেন,
মহানগৰীৰ বুকুত সংঘটিত হব এতিয়া
নাৰকীয় ঘটনাৰ অন্য এক ৰূপ।

অন্ধকাৰ অৰণ্যৰ---
বিশাল আৰু অস্থিৰ নীৰৱতাৰে
যেন মহানগৰ আচ্ছন্ন
আৰু, নগৰবাসী এক বোবা যন্ত্ৰণাত সন্ত্ৰস্ত।
সুপ্ত মহানগৰৰ উৎকণ্ঠাৰ
শেষ ক'ত ?

০০০

## এপাহ শেৱালী ফুল

শ্ৰীলক্ষ্মীপ্ৰসাদ নাথ
প্ৰাক বিশ্ববিদ্যালয় (বিজ্ঞান)

তুমি লাজ কৰিবলৈ শিকাৰ পিছৰ
প্ৰথমটো শৰতত
তোমাক যে এপাহ শেৱালি ফুল উপহাৰ দিছিলোঁ।
তুমি নখে মাটি লেখি লাজ-লাজকৈ হাঁহিছিলা।

তুমি শিৰত সেন্দূৰ লোৱাৰ পিছৰ
প্ৰথমটো শৰতত
এতিয়া চাগে দোকমোকালিতে
বাহি চোতালৰ পৰা
তলসৰা শেৱালিবোৰ সাৰি পুছি আঁতৰাই নিয়া!

মই দিয়া ফুলপাহে
সেই ফুল পাহে
এটোপাল নিয়ৰেৰে মুখহাত ধুই
কি জানিবা আলফুলে এবাৰ বুটলি
অকণি মৰম কৰি আথেবেথে সাঁচি থৈ দিয়া
এই আশা কৰি
তোমাৰ নতুন ঘৰৰ বাহী চোতালত
কেতিয়াও জিলিকি নাথাকে ?

০০০

## সন্ধিক্ষণ

**শ্ৰীবীৰেন চন্দ্ৰ বৰা**
স্নাতক, ১ম বাৰ্ষিক (ক'লা) দিবা শাখা।

ৰাজদণ্ডত ফাঁচী দিলেও মই সঁচা কথাই ক'ম।
সি মোৰ তেজ শুহিছে
অকল সিমানেই নে ?
মোৰ মঙহখিনি খাবৰ বাবে---
সি মোৰ ফালে দৌৰি আহিছে---
মই কি আত্মৰক্ষা নকৰিম ?
মই কিন্তু তাক---
ক্ষমা নকৰিম !
প্ৰথম ক্ষমাই জন্ম দিয়ে
দ্বিতীয় ভুলৰ
মৰিম নে জীম সি পিছৰ কথা !
মোৰ বাহু দুটাৰটো এটা মূল্য আছে।
মূল কথা ঃ
শেষ কথা।
মোৰ মৃত্যুৰো এটা দাম আছে
আৰু মোৰ
আয়ুসো আছে---।

০০০

## যাত্ৰা এনেকৈয়ে

**শ্ৰীদেবেন চন্দ্ৰ নাথ**
প্ৰাকবিশ্ববিদ্যালয়, প্ৰথম বাৰ্ষিক কলা।

আন্ধাৰবোৰ এনেকৈ আঁতৰিবনে ?
কেনেকৈ ?
পাৰমাণবিকৰ নৃত্যত।
অসম্ভৱ।
আঁতৰিব
সেই ইস্পাত কঠিন সাঁকোত বগোৱা
    শোণিত ৰঙা শিশুৰ কোমল হাতখনেৰে।
যি খন হাতে আন্ধাৰবোৰক
    মোহাৰি মোহাৰি নিঃশেষ কৰিব।

০০০

## স্মৃতি

**শ্ৰীবিমল চন্দ্ৰ ডেকা**
২য় বাৰ্ষিক, প্ৰাকবিশ্ববিদ্যালয় কলা।

এতিয়া,
এই পথ আৰু তোমাৰ মাজত
বিৰাট সাঁথৰ ঃ
আত্মাৰ স্থলীত ঃ স্মৃতিৰ টুকুৰা
বোৰে--আঘাট কৰে !!
আৰু
টোপা-টোপে সৰি পৰে---
চকুৰ পানীবোৰ ঃ নিৰ্জন ৰাতিত
যেতিয়া,
তোমাৰ এখনি মুখ ঃ মোৰ
ভগ্ন হৃদয় জিলিকি
উঠে ?

০০০

# "ৰ'ভাৰ স্কাউটিং"

শ্ৰীডিম্বেশ্বৰ হাজৰিকা আৰ, এচ, এল

ৰ'ভাৰ স্কাউটিং এবিধ খেল। এই খেল ১৭।১৮ বছৰ বয়সৰ পৰা ৩৫ বছৰ বয়সলৈকে খেলিব পৰা যায়। এই খেলৰ উদ্দেশ্য হৈছে--

(১) ল'ৰা-ছোৱালীক ঈশ্বৰত বিশ্বাস ৰাখিবলৈ আৰু ভক্তি কৰিবলৈ শিকোৱা,

(২) সিহঁতৰ চৰিত্ৰ গঠন কৰা আৰু সু-নাগৰিক কৰি গঢ়ি তোলা,

(৩) ল'ৰা-ছোৱালীৰ সম্পূৰ্ণ শিক্ষা অৰ্থাৎ সিহঁতৰ দৈহিক, মানসিক আৰু নৈতিক উন্নয়ন সাধন কৰা,

(৪) স্কাউট-গাইড্ কলাৰ মাধ্যমেৰে স্বাৱলম্বী হোৱাত সহায় কৰা,

(৫) পৰ্য্যবেক্ষণ শক্তি, আত্ম-শৃঙ্খলা বা আত্ম-সংযম আৰু আত্ম-বিশ্বাসৰ ভাব জগাই তোলা,

(৬) নিয়মানুবৰ্তিতা, সৎসাহস, বীৰোচিত পৌৰুষ, নিৰ্ভীকতা আৰু স্বদেশানুৰাগৰ বীজ অঙ্কুৰিত কৰা,

(৭) জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে নগৰীয়া আৰু চুবুৰীয়াৰ সেৱা কৰিবলৈ আৰু সিবিলাকৰ লগত মিলিজুলি থাকিবলৈ শিকোৱাৰ মাজেৰে ৰাষ্ট্ৰ আৰু সমাজ সেৱাৰ প্ৰশিক্ষণ দিয়া।

এই সকলোবোৰ উদ্দেশ্য সাধনাৰ্থে কিছুমান বিশেষ ৰূপে যুগুত কৰা প্ৰতিযোগিতা, খেল-ধেমালি আৰু ব্যাজ্ পদ্ধতিৰ যোগে, ক্যাম্পিং (শিবিৰ পাতি শিক্ষা) হাইকিং (খোজকাঢ়ি বা চাইকেলেৰে দূৰলৈ ভ্ৰমণ কৰা), অৰণ্য কলা, প্ৰকৃতি-পাঠ আৰু ক্যাম্প-ফায়াৰৰ আনন্দ উৎসৱৰ আয়োজন কৰা হয়; লগতে দৈনন্দিন জীৱনৰ প্ৰতিদিনে একোটা লোকহিতকৰ কাম কৰোৱাৰ জৰিয়তে এই উদ্দেশ্যত উপনীত হবলৈ চেষ্টা কৰা হয়।

স্কাউটিং এক বিশ্ববিয়পা খেল। এই খেল স্বেচ্ছামূলক ( voluntay )। গতিকে এই আন্দোলনৰ যোগেদি কৰা বা কৰিব বিচৰা কামবোৰৰ মাজেদি যাতে সমাজৰ প্ৰয়োজনীয়তা আৰু আকাংখা সম্যকভাৱে ৰূপায়িত হয় তালৈ সদায় চোকা নজৰ ৰখা হয়; লগতে এই কথালৈও চকু দিয়া হয় যাতে এই খেল ল'ৰা-ছোৱালীৰ মনঃপুত আৰু আকৰ্ষণীয় হয়। আজি আমাৰ প্ৰতি ল'ৰাৰে আৱশ্যক হৈছে এটি সুস্থ কৰ্মঠ দেহ, এটি তীব্ৰ মন আৰু এনে এবিধ জীৱনীশক্তিৰ যি দেশৰ উদীয়মান যুৱক সমাজক কৰ্তব্য-পৰায়ণ নাগৰিক ৰূপে গঢ়ি তুলিব পাৰে। এই তিনি বিধ গুণৰ অধিকাৰীহে প্ৰকৃত সু-নাগৰিক হব পাৰিব। স্কাউটিঙে ল'ৰা-ছোৱালীক এই তিনিও বিধ গুণৰ যথোচিত বিকাশ কৰিবলৈ সহায় কৰে। "স্বাৱলম্বী হওঁ আহক" বা "সু-নাগৰিক গঢ়ি তোলক" এতিয়া আৰু Slogan নহয়। বিশ্ব-বিস্তৃত আন্দোলনৰূপে স্কাউটিঙৰ একমাত্ৰ উদ্দেশ্য হৈছে শান্তিসদিচ্ছা আৰু মানৱ-সেৱাৰ যোগেদি পৃথিবীময় এটি সুমহান ভ্ৰাতৃত্ব মণ্ডলীৰ সংস্থাপন কৰা।

"All work and no play makes Jack a dull boy"


শিক্ষাবিদ আৰু সমাজ সংস্কাৰকসকলে এই খেলৰ উচ্চ প্ৰশংসা কৰা দেখা যায়। এই খেলৰ ঘাই পদ্ধতি হৈছে হাতে কামে কৰি শিকা ( learning by doing ) এই খেলৰ পৰিসীমা ঘৰৰ বা শিক্ষানুষ্ঠানৰ বাহিৰত হোৱা বাবে আৰু নাচি-বাগি গান গাই এই খেল খেলিব পৰাৰ বাবে ই ল'ৰা-ছোৱালীৰ অধিক আকৰ্ষণীয় আৰু উপযোগী। ভল্টেয়াৰে কৈছে, "জীৱনৰ নানান জঞ্জালৰ ক্ষতিপূৰণ ৰূপে ভগৱানে আমাক আশা আৰু টোপনি দিছে"। আমনিয়ে আমাৰ চকুলৈ টোপনি মাতি আনে। মহাপুৰুষ লৰ্ড ৰবাৰ্ট বেডেন পাৱেলে স্কুলীয়া শিক্ষাই সৃষ্টি কৰা monotony ৰ পৰা ৰেহাই পাবলৈ আমাক দিছে স্কাউটিং আৰু গাইডিং খেল।

আমাৰ মহাবিদ্যালয়তো যোৱা বছৰ (১৯৮২-৮৩) পাঠ্যক্ৰম বছৰৰ পৰা এই খেলৰ আয়োজন কৰা হৈছে। আনন্দৰাম ঢেকিয়ালফুকন কলেজত ৰ'ভাৰ ক্ৰু গঠনেৰে ইয়াত ইতিমধ্যে ১২ জন ছাত্ৰই আত্মনিয়োগ কৰি একোজন সজ নাগৰিক হৈ নিজৰ জীৱন গঢ় দিয়াৰ প্ৰস্তুতি লৈছে। মই আশা ৰাখিছোঁ প্ৰতিজন ৰ'ভাৰ স্কাউটেই সমাজৰ একোজন কৰ্মঠ, স্বাস্থ্যবান, চৰিত্ৰবান সেৱক আৰু সংগঠক হবলৈ আগুৱাই যাব। যুৱতীসকলৰ বাবে "ৰেঞ্জাৰ" Ranger tem গঠন হোৱা নাই যদিও অনতিপলমে সেই দিশতো আমাৰ মহাবিদ্যালয় আগুৱাই যাব বুলি আশা ৰাখিছোঁ।

আহক, আমি সকলোৱে এই খেল খেলাৰ মাজেৰে সকলোৰে অন্তৰত বিশ্ব-ভ্ৰাতৃত্বৰ মহান আদৰ্শ জগাই তোলোঁ। তৃতীয় বিশ্ব-যুদ্ধৰ ভাবুকিৰ সন্মুখীন হৈ আমি স্মৰণ কৰো লৰ্ড বেডেন পাৱেলে ১৯১১ চনতে লিখি যোৱা কথা, "''Peace Cannot by secured ent!rely by Commercial interests, militory alliances, general disarmament or mutual treaties, unless the sport for peace is there in the minds and wills of the people. This is a matter of education."

পৰমেশ্বৰে সকলোৰে মঙ্গল কৰক আৰু আমাৰ প্ৰচেষ্টা সফল হওক।

০০০



# মাৰ্ক্সৰ দৃষ্টিত প্ৰব্ৰজন সমস্যা অমৌলিক

পৰাগ কুমাৰ বৰুৱা

কোনোবা এজন পণ্ডিতে বোলে এই বুলি চিঞৰি চিঞৰি ৰাস্তাত ঘূৰি ফুৰিছিল ঃ "মোৰ হাতত সকলো উত্তৰ আছে ; কিন্তু তোমালোকৰ প্ৰশ্নবোৰ ক'ত ?"

ভাবি চালে কথাষাৰ অতি অৰ্থপূৰ্ণ। শুদ্ধ উত্তৰ দিয়াতকৈ শুদ্ধ প্ৰশ্ন এটা ভাবি উলিওৱাটো অনেক গুণে টান কাম। ঠিক সেইদৰে বহু ক্ষেত্ৰত সমস্যাৰ সমাধান ভাবি উলিওৱাতকৈ সমস্যাটো নিৰাবেগ দৃষ্টিভংগীৰে বিশ্লেষণ কৰা আনটো দিশৰ পৰা পোহৰ পেলায়, তাৰ স্বৰূপ উপলব্ধি কৰা বহু গুণে বেছি টান কাম।

উদাহৰণ স্বৰূপে অসমৰ কথা কবলৈ গৈ 'মাৰ্ক্সৰ দৃষ্টিত প্ৰব্ৰজন সমস্যা অমৌলিক (?)' এই সম্পৰ্কৰ কথাকে আলোচনা কৰিবলৈ যুক্তিৰ সতে একেলগে পাঞ্জা খেলত বহিছো।

মাৰ্ক্সৰ সৈতে মুখামুখি হওঁতে আমাৰ মনলৈ এটা প্ৰশ্ন আহে। প্ৰশ্নটোৰ উত্তৰ বিচাৰোঁতে মাৰ্ক্সৰ বিপুল আৰু বিচিত্ৰ সৃষ্টি সমূহৰ মৰ্মত প্ৰৱেশ কৰিব লাগিব। তেহে মাৰ্ক্সৰ দৃষ্টিত এই প্ৰশ্নৰ সঠিক উত্তৰ পোৱা যাব।

কাৰ্ল মাৰ্ক্সক আমি তেওঁৰ যুগৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰো। তেওঁৰ যুগোপযোগী অৱস্থাত কি ভূমিকা গ্ৰহণ কৰিছিল তাকো আমি চোৱাৰ প্ৰয়োজন। প্ৰব্ৰজন সমস্যাৰ ক্ষেত্ৰত তেওঁৰ বাস্তৱ দৃষ্টিভংগী আছিলনে ? এই প্ৰশ্নৰ উত্তৰ আমি বিচাৰিব লাগিব। তেতিয়াহে প্ৰকৃত স্বৰূপ উদ্ঘাটিত হব আৰু আমি ধৰিব পাৰিম যুগৰ পটভূমিত তেওঁ কিমানদূৰ বস্তুনিষ্ঠ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

॥ ১ ॥

প্ৰব্ৰজন সমস্যা মূলতঃ সাম্ৰাজ্যবাদী ৰণ কৌশল। এই সম্পৰ্কে কমিউনিজমৰ মূল প্ৰবক্তা মহামতি মাৰ্ক্সে কতো সুসংগবদ্ধভাৱে বিতংকৈ কতো লিখি থৈ যোৱা নাই। কিন্তু প্ৰব্ৰজন সমস্যাই কি দৰে একোটা সৰু সৰু জাতি নিষ্পেষণ কৰি নিঃশেষ কৰি দিয়ে এই সম্পৰ্কে দৃষ্টি নিক্ষেপ কৰিছিল। জাতি (Nation) বা জাতীয় প্ৰশ্ন ( National question )ৰ সম্পৰ্কে মাৰ্ক্সে কতো সংক্ষিপ্ত, অৰ্থবহুল বা সুসংহত সূত্ৰ দিয়া নাই। বিশেষকৈ আয়াৰলেণ্ড সম্পৰ্কীয় নিবন্ধবোৰত পুঁজিবাদৰ অন্যতম ষড়যন্ত্ৰ ৰূপে প্ৰব্ৰজন সমস্যাক প্ৰকাশ কৰিছে। ইংলেণ্ডৰ প্ৰব্ৰজনত পতিত হোৱা আইৰিচ জাতিৰ প্ৰতি কাৰ্ল মাৰ্ক্সে কৰা মন্তব্যৰ পটভূমিতেই আজি অসমত দেখা দিয়া প্ৰব্ৰজন সমস্যাৰ সম্পৰ্কে আলোচনা কৰাটো একান্ত জৰুৰী আৰু প্ৰাসংগিক।

প্ৰব্ৰজন সমস্যা এটা ক্ষুদ্ৰ জাতিৰ কাৰণে এটা জটিল বিষয় কাৰণ ই ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, ভাষা-সংস্কৃতি আদি জাতি উপাদানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। মাৰ্ক্সৰ লেখনিসমূহ বহলাই আলোচনা কৰা এই প্ৰবন্ধৰ লক্ষ্য নহয়। ইমান কম পৰিসৰৰ ভিতৰত এনে কৰা অসম্ভৱ। কিন্তু আমি বাস্তৱ ক্ষেত্ৰত দেখিবলৈ পাইছো কি ? মাৰ্ক্সৰ সাহিত্যৰ পণ্ডিত বুলি জাহিৰ কৰা সকলে মাৰ্ক্সবাদী-লেনিনবাদী ফোঁট লগুণ লৈ অসমত উগ্ৰ বঙালী জাতীয়তাবাদৰ টিলিঙা বজাই পুৰোহিতৰ ভাওত অৱতীৰ্ণ হৈছে। অসমীয়া জাতিৰ জাতীয় আশা আকাঙ্ক্ষা সোপাই প্ৰতিক্ৰিয়াশীল আৱৰ্জনা বুলি ধৰি লৈ শ্ৰেণী সংগ্ৰামৰ গদা ঘূৰাইছে।

॥ ২ ॥

কোৱা বাহুল্য যে তথাকথিত Marx Renaissance ৰো এটা দ্বান্দ্বিক চৰিত্ৰ আছে। এচাম মাৰ্ক্সবাদী বন্ধুৱে যেনেকৈ মাৰ্ক্সৰ মূল সত্যবোৰ পুনৰাবিষ্কাৰ আৰু প্ৰচাৰ কৰা কামত নিজকে নিয়োগ কৰিছে, ঠিক তেনেদৰেই আন এচামে নিজৰ বুদ্ধি আৰু বিবেক খটুৱাই অতি কৌশলেৰে মাৰ্ক্সৰ নিবন্ধবোৰ বিকৃত কৰা কাৰ্য্যত আত্মনিয়োগ কৰিছে। শোষক চক্ৰৰ অশেষ নিকাৰ ভুঞ্জি ৰজা ঘৰৰ লগত কোনোদিন আপোচ নকৰা মাৰ্ক্সে নিশ্চয় ভাবিব পৰা নাছিল যে, তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰবন্ধ-পাতিৰ ওপৰত মৰণোত্তৰভাৱে অশ্ৰু প্ৰচাৰ

চলাই সংগ্ৰামী চিন্তাক বিলুপ্ত কৰিব। কিন্তু এচাম ভাৰতীয় মানসিকতাশীল মাৰ্ক্সবাদীৰ উদ্দেশ্য সেইটো।

"মাৰ্ক্সবাদৰ প্ৰকৃত পৰীক্ষা হয় প্ৰয়োগত, প্ৰয়োগৰ গোহৰত তাৰ সূত্ৰসমূহৰ সংস্কাৰ কৰাৰো প্ৰয়োজন হয়, নতুন তত্ত্বৰ সংযোজন হয়। সেয়ে তাক সৃষ্টিশীল (creative) তত্ত্ব বোলা হয়। কিন্তু সৃষ্টিশীলতাৰ নামত যদি মাৰ্ক্সবাদৰ মূল দৃষ্টিকোণ আৰু ধ্যান-ধাৰণাৰ প্ৰধান ভেঁটিটোকে সলনি কৰি পেলোৱা হয় তেনেহলে তাক মাৰ্ক্সবাদৰ প্ৰতি অৱদান বুলিব নোৱাৰি। বৰং তাক মাৰ্ক্সবাদৰ বিৰুদ্ধে এক ষড়যন্ত্ৰই বুলিব লাগিব"।১ অসমত থকা মাৰ্ক্সীয় বন্ধুসকলৰ ভূমিকাও এনে। আচলেত এইটো এটা চক্ৰান্ত। প্ৰায় জন্মকালৰে পৰাই মাৰ্ক্সে ইয়াৰ বিৰুদ্ধে যুদ্ধ দিব লগা হৈছিল। ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিবোৰে যেতিয়া জাতীয়তাবাদৰ ভিত্তিত বৃহৎ জাতিৰ দন্ত কঁপাই দিয়ে, বৰ ভুঁইকপৰ সৃষ্টি কৰে তাৰ আঘাতত শোষক গোষ্ঠীৰ বহতীয়া, ভাৰা দিয়া বুদ্ধিজীৱীসকলে নিজৰ ব্যক্তিগত সুখ সৌভাগ্য সুৰক্ষিত কৰিবলৈ মাৰ্ক্সৰ লেখনি বিকৃত কৰি কলম ধৰে। ই কেৱল অসমৰ ক্ষেত্ৰতে দেখা গৈছে এনে নহয়, আনকি এংগেলছৰ একালৰ ঘনিষ্ঠ সতীৰ্থ বেনষ্টাইন আৰু কাউৎস্কিও এনে ধৰণৰ ৰোগত পৰি নিকাৰ ভুঞ্জিছিল। এয়াই আছিল মাৰ্ক্সৰ নামত মাৰ্ক্সৰ লেখনি বিৰোধিতাৰ ৰণ কৌশল। উদাহৰণস্বৰূপে সেই সকলৰ অপপ্ৰচাৰৰ অন্যতম এপাত অস্ত্ৰ হল—মাৰ্ক্সে "কমুনিষ্ট মেনিফেষ্টোত" লিখা "শ্ৰমিকৰ দেশ নাই" বোলা কথাষাৰ। অথচ এই কথাষাৰৰ অৰ্থ যে শ্ৰমিকসকল মাতৃ-ভূমিহীন জাৰজ সন্তান বুলি কব পৰা নাযায়। এই সম্পৰ্কত মাৰ্ক্সৰ মূল ভাব আছিল "শ্ৰমিকৰ সংগ্ৰামত আন্তৰ্জাতিক চৰিত্ৰ"। তাকেহে বুজাব পৰা যায়। এনেবোৰ খেলি-মেলিৰ কাৰণে এঠাইত লেনিনে ইয়াৰ স্পষ্টীকৰণো দাঙি ধৰিছিল—"শ্ৰমজীৱী মানুহৰ কোনো দেশ নাই। এই কথাষাৰৰ অৰ্থ হল শ্ৰমজীৱী মানুহৰ অৰ্থনৈতিক অৱস্থা ৰাষ্ট্ৰীয় নহয় বৰং আন্তঃৰাষ্ট্ৰীয়; শ্ৰমজীৱী মানুহৰ শ্ৰেণীশত্ৰু আন্তঃৰাষ্ট্ৰীয়; শ্ৰমজীৱী মানুহৰ মুক্তিৰ চৰ্তবিলাকো; শ্ৰমিকসকল ৰাষ্ট্ৰীয় ঐক্যতকৈ আন্তঃৰাষ্ট্ৰীয় ঐক্যহে অধিক গুৰুত্বপূৰ্ণ।১ ইয়াৰ অৰ্থ বিদেশী শাসন ওফৰাই পেলাবলৈ সংগ্ৰাম কৰিব নালাগে, এই বুলি কব পৰা নাযায়। মাৰ্ক্সৰ দৃষ্টিত সভ্যতাৰ উপাদান শ্ৰমৰ লগতে প্ৰাকৃতিক সম্পদো। গতিকে মাতৃভূমিৰ প্ৰাকৃতিক উপাদানৰ ওপৰত শ্ৰমিকৰ নিশ্চয় অধিকাৰ থাকিব। সেইহে মধ্যযুগৰ মাতব্বৰৰ দৰে কৃষিত বিদেশী প্ৰব্ৰজনকাৰীক ওলগ জনাই সম্প্ৰসাৰণবাদী সাম্ৰাজ্যবাদৰ স্বাৰ্থত শ্ৰমিকক ভুৰুকি কেঁচামাল আত্মসাৎ কৰা নচলিব।

অসমীয়া সমাজত মাৰ্ক্সৰ দৃষ্টিভংগী "আপোন মনৰ মাধুৰী মিহলাই" সজাই পৰাই লব পাৰি। আৰু লক্ষ্য ৰাখিব লাগিব মাৰ্ক্সৰ দৃষ্টিভংগী যাতে বিকৃত, অপব্যাখ্যা, সত্যৰ অপলাপৰ অতল গহ্বৰৰ মাজত ডুব নেযায়। আগেই কৈ অহা হৈছে মাৰ্ক্সবাদৰ প্ৰকৃত পৰীক্ষা হয় প্ৰয়োগত। তেনে স্থলত কাল, স্থান আৰু পাত্ৰ সম্পৰ্কে গভীৰ জ্ঞান থকা প্ৰয়োজন। পৰীক্ষাৰ বাবে যদি প্ৰথমেই অসমৰ কথাকে হাতত লওঁ তেতিয়াহলে বিপ্লৱে এই মাটিতে গজালি মেলিব লাগিব। ইয়াৰ প্ৰয়োজনীয়তা কিমান সকলোৱেই বুজিব পাৰে। কিয়নো আমদানিকৃত বিপ্লৱ কেৱল 'ফেচন'ৰ নামান্তৰ। অসমৰ মাটিত গঢ়ি উঠা বিপ্লৱত আমোলমোলাই থাকিব লাগিব সোণৰ সঁফুৰাৰ কেঁচা মাটিৰ গোন্ধ।

মাৰ্ক্সৰ লেখনি কেৱল মাৰ্ক্সে সজাই পৰাই থৈ যোৱা কিতাপৰ মাজৰ কিছুমান বাক্যৰ সমষ্টিয়ে নহয় ই হ'ল কৰ্তব্য, কেৱল পথ নিৰ্দেশক। মাৰ্ক্সে কৈছে—

Marx questions a socialist belonging to an oppressing nation and he at once reveals the defect common to the socialists of the dominant nations : they fail to understand their socialist duties towards the down trodden nations, they echo the prejudices of the "Great Power" bourgeoisie.

অসমৰ বাবে অসমৰ নিজস্ব মাটিত গজা প্ৰগতিশীল চক্ৰৰ প্ৰয়োজনীয়তা কিমান এই কথা সাব্যস্ত কৰে।

সেইয়ে মাও, চে টুঙৰ বক্তব্য মন কৰিবলগীয়া—"The theory of Marx, Engels, Lenin and Stalin is universally applicable, we should not regard it as dogma but as a guideline".৩

এই দৃষ্টিভংগীৰে মাৰ্ক্সবাদৰ প্ৰয়োগেই হব বাস্তৱসন্মত। তাকে নকৰি ১৯১৭ চনত লেনিনে ছোভিয়েট ৰুছিয়াত প্ৰয়োগ কৰা পন্থা প্ৰয়োগ কৰিলে সুফল পোৱা নেযাব। মাৰ্ক্সৰ চিন্তাক অসমৰ জাতীয় জীৱনৰ লগত খাপ খুৱাই লব লাগিব। বাস্তৱসন্মত আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে চাবলৈ গলে পিকিং মস্কো, পোলেণ্ড আদি জনসাধাৰণৰ সমস্যা একে নহয়। তাৰ উপৰিও পিকিঙৰ সমস্যাৰ লগত অসমৰ সমস্যা একে বুলি কবলৈ যোৱাটোৱেই হ'ব হাস্যকৰ। গতিকে চীনত মাও-চেটুঙে দেশৰ গৌৰৱময় সাহিত্য সংস্কৃতিক সামাজিকভাৱে বৰ্জন কৰি বিপ্লৱৰ ভেটি সুদৃঢ় কৰা নাছিল বা আবেগত বিভোৰ হৈ মাৰ্ক্সবাদক আঁকোৱালি লোৱা নাছিল। তাৰ উদাহৰণস্বৰূপে মাও চে টুঙৰ "A nationalistic culture with a socialist content" নামৰ গ্ৰন্থখনলৈ আঙুলিয়াই দিব পাৰো। তাত পোৱা যায়—"chinese communists are part and parcel of the great chinese nation and its very flesh and blood. If they talk about Marxism apart from china's character stics, it will be only Markism in the abstract, Marxism void of matter". ৪

এতিয়া মাৰ্ক্সৰ পৰিস্থিতি ব্যাখ্যা আমাৰ সন্মুখত পৰিষ্কাৰ হৈ ফুটি উঠিছে।

॥ ৩ ॥

মাৰ্ক্সে বাৰুকৈয়ে বুজি পাইছিল উগ্ৰ জাতীয়তাবাদ, বিচ্ছিন্নতাবাদ, প্ৰাদেশিকতাবাদ আদি বাহ্যিক দৃষ্টিকোণৰ পৰা যিমানেই সংকীৰ্ণ নহওক কিয়, ভুল নহওক কিয়, ইয়াৰ আভ্যন্তৰীণ

দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে দেখিবলৈ পোৱা যায় ইয়াৰ পটভূমি এটা জাতিৰ বাবে অতিশয় করুণ। ইয়াৰ ব্যাখ্যা ৰাখিছিল মাৰ্ক্সে এনেদৰে--

বুৰ্জোৱা শ্ৰেণীয়ে জাতিৰ মাজত সংঘাত আনিবলৈ অকল অহৰহ চেষ্টা চলাই থাকে এনে নহয়, ইয়াক ক্ৰমাত বৃদ্ধি কৰাত সহায়ো কৰে।

(১) বজাৰ নিয়ন্ত্ৰণৰ বাবে পুঁজিপতিৰ মাজত সংঘাত হয়।

(২) এটা জাতিৰ দ্বাৰা আন এটা জাতি দমনৰ ফলত জাতীয় বৈৰী ভাবৰ জন্ম হয়।

(৩) গোড়া সাম্প্ৰদায়িকতাবাদ ( chauvinism )ৰ দ্বাৰা সৰ্বহাৰাৰ ওপৰত বুৰ্জোৱা শ্ৰেণীৰ নিয়ন্ত্ৰণৰ সুবিধা হয়।

মাৰ্ক্সৰ ১ নং কাৰণ মতে অৱদমিত জাতিৰ মুক্তিয়েহে জাতীয় বিভেদ আৰু সংঘাত নাশ কৰি, উভয় জাতিকে প্ৰকৃত শত্ৰু পুঁজিপতিৰ বিৰুদ্ধে একত্ৰ কৰাত সহায় কৰে। এটা জাতিৰ অবদমনৰ ফলত দমনকাৰী জাতিৰ শ্ৰমিক শ্ৰেণীৰ ওপৰত বুৰ্জোৱাসকলৰ আদৰ্শাত্মক নেতৃত্ব তীব্ৰ কৰাত সহায় কৰে। শোষিত শ্ৰেণীৰ মুক্তিয়ে দমনকাৰী জাতিৰ শোষক শ্ৰেণীৰ অৰ্থনৈতিক, ৰাজনৈতিক আদৰ্শৰ ভেঁটি নিশকতীয়া কৰি তোলে আৰু সেই নিষ্পেষিত জাতিটোৰ শ্ৰমিক শ্ৰেণীৰ বিপ্লৱী সংগ্ৰাম ত্বৰান্বিত কৰে।

মাৰ্ক্সৰ ২ নং কাৰণটো মন কৰিবলগীয়া। দুটা জাতিৰ মাজত বৈৰী ভাব সৃষ্টিৰ কাৰণটো হ'ল এটা জাতিৰ দ্বাৰা আনটো জাতিৰ ওপৰত কৰা শোষণৰ ফল।

যদি অসমীয়া জাতিৰ প্ৰতি লক্ষ্য ৰাখো তেতিয়া আমি দেখিবলৈ পাম, অসমীয়া মানুহে কোনো বিশেষ সম্প্ৰদায়ৰ প্ৰতি শত্ৰু ভাবাপন্ন হৈছে, অথবা কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে শোষণৰ অভিযোগ আহিছে, ইয়াৰ কাৰণ ২নং টোৱে হব।

মাৰ্ক্সৰ ৩নং কাৰণটোৱেই হৈছে গোড়া সাম্প্ৰদায়িকতা-বাদ ( chauvinism )। ইয়াৰ জন্মৰ মূল কাৰণ হ'ল এটা জাতিৰ দ্বাৰা আন এটা জাতিৰ ওপৰত কৰা দমন আৰু শেষত পুঁজিপতি শ্ৰেণীয়ে সৰ্বহাৰাৰ ওপৰত ইয়াৰ জৰিয়তে নিয়ন্ত্ৰণৰ সুবিধা লয়।

এই তিনিটা কাৰণ ফঁহিয়াই চাই কোনো প্ৰভাৱশালী জন গোষ্ঠীৰ অৰ্থনৈতিক, ৰাজনৈতিক বা সামাজিক শোষণৰ বিৰুদ্ধে যুঁজ দিয়াটো একান্ত প্ৰয়োজন। তাৰ লগে লগে মাৰ্ক্সৰ--Free development of each is the condition for the free development of all" পাহৰিলে কেনেকৈ চলিব ?

অন্যহাতে উৎপাদিকা শক্তিৰ ( productive forces )ৰ শীৰ্ষ উন্নয়নত ৰাষ্ট্ৰৰ পৰস্পৰ নিৰ্ভৰশীলতাত ভৌগোলিক সীমাই জন সাধাৰণৰ স্বাৰ্থক ব্যাহত কৰিব নোৱাৰে। ইয়াৰ ব্যাখ্যা এইটো নহয় যে পুঁজিপতি সমাজৰ সংঘাত দ্ৰুততৰ কৰিবলৈ বিদেশৰ পৰা যিমান পৰা যায় সিমান মানুহৰ প্ৰব্ৰজন কৰিব লাগে। "......The emancipation of the German is the emancipation of man" (critique of Hegel's philosophy of Rights) ই মাৰ্ক্সৰ কোনো গোড়া সাম্প্ৰদায়িক মতবাদো নহয়। আকৌ মাৰ্ক্সে কৈছে ··· The proletariat of each country must of course, First settle matters with its own bourgeoisie" «

Only when the socialist revolution has became a reality and not a method, will the slogan. "Down with frontiers" be a collect slogan. Then we shall say comrades. Come to us......"

মাৰ্ক্সতকৈয়ো লেনিনে প্ৰব্ৰজনৰ ক্ষেত্ৰত অতি সুস্পষ্ট মতা-মত আগবঢ়াইছে। লেনিনৰ উক্তিটি মন কৰিবলগীয়া।

প্ৰব্ৰজন সমস্যা ক্ষেত্ৰত যিহেতু উৎপীড়ণ আৰু নিপীড়ণৰ প্ৰশ্নই বিৰাজমান, সেইহে শেষ, বিচাৰত প্ৰব্ৰজন সমস্যা শ্ৰেণী সংগ্ৰামৰেই প্ৰশ্ন। এনে বক্তব্যৰ পৰা মাৰ্ক্সো বিচলিত নহয়।

॥ ৪ ॥

বিপ্লৱৰ পথ মাৰ্ক্সে দুটা দিছে। যথাসম্ভৱ শান্তিপূৰ্ণভাৱে নহলে শক্তি প্ৰয়োগেৰে আৰ্থ-সামাজিক ভৌগোলিক সীমাৰ ৰক্ষণ, সাধাৰণ জনভাষাৰ প্ৰৱৰ্তন, সংস্কৃতিৰ সমন্বয়ীকৰণ আৰু প্ৰব্ৰজন নিয়ন্ত্ৰণ। এই আটাইবোৰৰ দাৰ্শনিক মূল এটাই। প্ৰব্ৰজন সমস্যা যে সাম্ৰাজ্যবাদী ৰণ কৌশল এই কথা আমি আগতেই কৈ আহিছো। প্ৰব্ৰজন সমস্যাই কিদৰে এখন দেশ দুখন কৰে এই সম্পৰ্কে আমাৰ কৌটিল্যয়ো স্পষ্টভাৱে উল্লেখ কৰিছে। এনে ধৰণৰ সমস্যা কেনে ধৰণৰ সমাজ ব্যৱস্থাত উদ্ভৱ হয় ? এইটো যদি আমাৰ প্ৰশ্ন হয় আৰু এই প্ৰশ্নৰ উত্তৰ যদি মাৰ্ক্সৰ দৃষ্টিভংগীৰে দিব লগা হয়, তেনেহলে কব লাগিব--

(১) যত কোনো প্ৰভুত্বশালী জাতিৰ শাসক শ্ৰেণীৰ নেতৃত্বত আন পিছ পৰা জাতিসমূহক থুপ খুৱাই এখন বহু জাতিৰ ৰাষ্ট্ৰৰ সৃষ্টি কৰা হৈছে।

(২) যত সামন্তবাদৰ অন্ত পৰা নাই অথচ পুঁজিবাদে বিকাশ লাভ কৰিছে।

(৩) বাধ্য হৈ পিছ পৰি থকা জাতিসমূহে যেতিয়া নিজকে অৰ্থনৈতিকভাৱে সুসংহত জাতিলৈ পৰিণত হয় অথবা তেনে ধৰণৰ বহু জাতিক ৰাষ্ট্ৰত পুঁজিবাদে বিকাশ লাভ কৰে।

এনেবোৰ কাৰণত পিছ পৰি থকা জাতিসমূহৰ মাজত কি দ্বন্দ্ব হয় তাৰ পৰাই জাতি সমস্যাৰ সৃষ্টি হয়।

বৃটিছ অহাৰ লগে লগে অসমত জনজাতীয় সমাজ ব্যৱস্থাৰ বুনিয়াদ উভালি পৰিল। আৰম্ভ হ'ল নিৰ্মম শোষণ। এই নিৰ্য্যাতনে ভাৰতবৰ্ষৰ স্থবিৰতা ভংগ কৰি দিলে। জনমংগল-কামী শান্তিপূৰ্ণ ব্যৱস্থাৰ ঠাইত আগবাঢ়িল জন নিষ্পেষণৰ নিষ্ঠুৰ ব্যৱস্থা। বৃটিছৰ 'সূৰ্য্য ডুব নোযোৱা সাম্ৰাজ্যবাদী শোষণৰ ইতিহাস সম্পৰ্কে মাৰ্ক্সে কৈছে ঃ---

"ইংৰাজে সিহঁতৰ (ভাৰতীয়)ৰ পৰা বছৰি খাজনা, ৰেলৱেৰ লাভাংশ, সামৰিক আৰু অসামৰিক চাকৰিয়ালৰ পেন্সনৰ মাৰফৎ যিখিনি ধন লয় তাৰ লগত তেওঁলোকে দিয়াখিনিৰ

সমতা নাই ; তাৰোপৰি তেওঁলোকে ভাৰতবৰ্ষতে নিজৰ কাৰণে খৰচ কৰা টকাৰ পৰিমাণৰ লগতো দিয়া-থিনিৰ পৰিমাণৰ আকাশ-পাতাল পাৰ্থক্য। তেওঁলোকে নিজৰ কাৰণে খৰচ কৰা টকাৰ পৰিমাণ ভাৰতৰ ৬০ নিযুত শ্ৰমিক আৰু কৃষকৰ মুঠ আয়তকৈয়ো বেছি, প্ৰতিহিংসামিশ্ৰিত ই এক তেজ-শোষণৰ পদ্ধতি।"৬

মাৰ্ক্সৰ বক্তব্য মন কৰিবলগীয়া। বৃটিছে ভাৰতবৰ্ষলৈ বেপাৰী সাজেৰে হাতত দগা-পাল্লা লৈ আহি নানা ছল-চক্ৰান্তৰে ৰাজদণ্ড হাতত ললে। তাৰ লগে লগে আৰম্ভ হ'ল শোষণৰ অলিখিত ইতিহাস। ভাৰতৰ একছত্ৰী সম্ৰাট হৈ বৃটিছৰ চকু পৰিল শস্যশ্যামলা অসমৰ ওপৰত। বৃটিছৰ গধুৰ বুট জোতাৰ শব্দত অসমৰ হৰিৎ প্ৰান্তৰ কঁপি উঠিল। বহুতে "সমনীয়া লোকৰ অধীন হোৱাতকৈ বিদেশী বিজতৰীয়া লোকৰ অধীন হোৱাই ভাল" বুলি বৃটিছৰ ভৰিত পৰি লেওসেও দিলে। বহুতে প্ৰভুভক্ত পোহনীয়া কুকুৰৰ দৰে নেজ জোকাৰি মাটিত বহিল আৰু কোনোৱে বিদ্ৰোহ ঘোষণা কৰিলে। বৃটিছে সুযোগ বুজি অসমৰ স্বাধীনতা হৰণ কৰি ভাৰতৰ অংগ ৰাজ্যলৈ ৰূপান্তৰিত কৰিলে। গোমধৰ কোঁৱৰেই আছিল এনে ষড়যন্ত্ৰৰ বিৰুদ্ধে প্ৰথম মাত মাতোঁতা। স্বাধীন অসমৰ তিনিজন বৃটিছ আৰু তিনিজন মানসেনাৰ স্বাক্ষৰত আদিম দাস প্ৰথাৰ দৰে অসমক ভাৰতৰ লগত সংযোগ কৰা হ'ল।

পুঁজিবাদী নিষ্পেষণৰ শোষণত ৰাজহাড় বেঁকা হৈ পৰা শ্ৰমিকসকলক আমদানি কৰি অসমলৈ অনা হল। এইখিনিতে F. Engels-অৰ এফাঁকি কথা মন কৰিবলগীয়া। Engels-এ এঠাইত আদিম, সাম্যবাদ মূলী জাতি এটাই মাত্ৰ ধনুকাঁড় আৰু জোঙেৰে পৃথিৱীতে সৰ্বপ্ৰথম বুলি খ্যাত আৰু প্ৰত্যক্ষ যুদ্ধত সমকক্ষ নথকা ব্ৰিচলোডা ব্যৱহাৰ কৰা বৃটিছ অশ্বাৰোহীৰ বিৰাট সৈন্যদল এটা কেনেকৈ ছিন্ন ভিন্ন কৰি দিছিল তাৰ বৰ্ণনা দিছে। "এজনৰ কাৰণে জাতিটো আৰু জাতিটোৰ কাৰণে এজন"। এই চেতনা অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত আছিল। কিন্তু বৃটিছে প্ৰয়োগ কৰিছিল ভেদনীতি। বৃটিছৰ ভেদনীতিয়ে অসমীয়া জনজীৱনত গা কৰি উঠিব পৰা নাছিল। ইয়াৰ প্ৰধান কাৰণেই আছিল অসমীয়া মানুহৰ সাম্ৰাজ্যবাদ বিৰোধী মানসিকতা। এইচাম মানুহে অশেষ কদৰ্থ ককৰ্থনাৰ বলি হৈয়ো সাম্ৰাজ্যবাদৰ ফেঁাট-লগুণ লোৱা পুৰোহিত হোৱা নাছিল মাৰ্ক্সৰ লেখনীত অসমীয়া মানুহৰ জাতীয় চৰিত্ৰৰ ছবি স্পষ্টভাৱে ফুটি উঠিছে।

মাৰ্ক্স-এংগেলছে অতি গুৰুত্বসহকাৰে ভাৰতৰ বৃটিছ শাসনৰ বিষয়ে তন্নতন্নকৈ বিচাৰ কৰিছিল। এই সম্পৰ্কে মাৰ্ক্সে অসমীয়া প্ৰজা বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে কেনে ধৰণেৰে উদ্বুদ্ধ হৈছিল, সেই কথা মাৰ্ক্সে অকণো কাৰ্পণ্য নকৰাকৈ লিখিছিল ঃ

"ইতিমধ্যে শুনা গৈছে যে কলিকতাৰ উত্তৰ পূব ফালেও বিদ্ৰোহ আৰম্ভ হৈছে। মধ্য ভাৰতহৈ উত্তৰ পশ্চিম পৰ্য্যন্ত আৰু অসম সীমান্ত যদি পূৰ্বীয়াৰ (Poorbears) দুটা শক্তিশালী ৰেজিমেণ্ট প্ৰত্যক্ষভাৱে ভূতপূৰ্ব ৰজা পুৰন্দৰ সিংহক ওভতাই অনাৰ প্ৰস্তাৱত বিদ্ৰোহ কৰিছে।"৭

মাৰ্ক্সৰ মতামত আছিল এনে ধৰণৰ। অসমীয়া মানুহৰ জাতীয় অস্তিত্ব ৰক্ষাৰ ভূমিকাও তাৎপৰ্য্যপূৰ্ণ। যিহেতু সংস্কৃতি ৰক্ষাৰ অবিহনে এটা জাতি জাতিৰূপে বৰ্তি থকাটো সম্ভৱপৰ নহয়। বৃটিছ সংস্কৃতি আৰু অসমীয়া সংস্কৃতিৰ মাজত তফাৎ আছে অনেক। আলোচনা কৰিলে মাও-চে-টুঙৰ কিছু কথালৈ আমাক টানি লৈ যায়। মাওৱে কৈছে ঃ

"Some comrad in stead of feeling ashamed take pride in their ignorance or scanty knowledge of our own history."

আকৌ এঠাইত কৈছে-- "Our nation has a history of several thousand year with its own characteristics and own store of treasures"

ভাৰতবৰ্ষৰ পটভূমিত বৃটিছ শাসনৰ ভেঁটিত অসমীয়া মানুহৰ সাম্ৰাজ্যবাদ বিৰোধী মানসিকতাৰ সংক্ষিপ্ত আলোচনাৰে আমাৰ মূল বক্তব্য প্ৰব্ৰজন সমস্যাৰ সম্পৰ্কে আলোচনা কৰাৰ বাট কাটিছো।

কিন্তু ইয়াতকৈ অসমীয়া প্ৰজাৰ বিদ্ৰোহ সম্পৰ্কে মাৰ্ক্স আগবঢ়া নাই। বাৰুকৈয়ে মাৰ্ক্সে বুজি পাইছিল, অসমীয়া জাতি এটা যুঁজাৰু জাতি যিটো জাতিয়ে কোনো দিন সাম্ৰাজ্যবাদৰ সতে আপোচ কৰা নাছিল।

॥ ৫ ॥

এতিয়া আইৰিচ সম্পৰ্কীয় কথালৈ আহো। কিয়নো আইৰিচ জাতিৰ মুক্তি সংগ্ৰামত মাৰ্ক্সৰ ভূমিকাই অসমীয়া জাতিৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত শিক্ষা দিয়ে।

আয়াৰলেণ্ড আছিল এখন কৃষিপ্ৰধান জিলা। এই অকণমান জিলাখনেই আছিল ইংলেণ্ডৰ শস্যৰ ভঁৰাল। কিন্তু তাৰ ফলত আইৰিচ জাতিয়ে পাইছিল ইংলেণ্ড, স্কটলেণ্ড আৰু ভূমি কুবেৰসকলৰ অত্যাচাৰ আৰু উৎপীড়ণ। কাৰণ অসমৰ দৰে এই ভূমিকুবেৰসকলৰ কাৰণে আছিল শোষণৰ সোণৰ থালী।

১৮৪৬ চনত আয়াৰলেণ্ডত হোৱা দুভিক্ষৰ ফলত ১০,০০০,০০ জনতকৈয়ো অধিক লোক মৃত্যুৰ গৰাহত পৰে। আনহাতে মাৰ্ক্সে দেখুৱা পৰিসংখ্যাৰ তথ্যমতে সেই দুভিক্ষৰ ফলত আয়াৰলেণ্ডৰ মুঠ মুনাফা ৪৩,৬৮,৬১০ পাউণ্ডৰ ভিতৰত তিনিজন ভূমিকুবেৰে লাভ কৰে ২,৬২,৬১০ পাউণ্ড। (দ্ৰষ্টব্য ঃ on colonial question Marx)

যাৰ ফলত নিৰীহ আইৰিচ জাতিয়ে জীয়াই থকাৰ আশাত নিজৰ পৱিত্ৰ মাতৃভূমি ত্যাগ কৰিব লগা হৈছিল। শেষত ইংলণ্ডত শ্ৰমিক হিচাপে জীৱন নিৰ্বাহ কৰিছিল। ইংলণ্ডত থকা এজন আইৰিচ শ্ৰমিকৰ জীৱন যাত্ৰা সম্পৰ্কে মাৰ্ক্সে সংগ্ৰহ কৰা জবানবন্দীৰ পৰা ভালদৰে বুজিব পৰা যায়।

দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে দেখিবলৈ পোৱা যায় ইয়াৰ পটভূমি এটা জাতিৰ বাবে অতিশয় কৰুণ। ইয়াৰ ব্যাখ্যা ৰাখিছিল মাৰ্ক্সে এনেদৰে--

বুৰ্জোৱা শ্ৰেণীয়ে জাতিৰ মাজত সংঘাত আনিবলৈ অকল অহৰহ চেষ্টা চলাই থাকে এনে নহয়, ইয়াক ক্ৰমাত বৃদ্ধি কৰাত সহায়ো কৰে।

(১) বজাৰ নিয়ন্ত্ৰণৰ বাবে পুঁজিপতিৰ মাজত সংঘাত হয়।

(২) এটা জাতিৰ দ্বাৰা আন এটা জাতি দমনৰ ফলত জাতীয় বৈৰী ভাবৰ জন্ম হয়।

(৩) গোড়া সাম্প্ৰদায়িকতাবাদ (chauvinism)ৰ দ্বাৰা সৰ্বহাৰাৰ ওপৰত বুৰ্জোৱা শ্ৰেণীৰ নিয়ন্ত্ৰণৰ সুবিধা হয়।

মাৰ্ক্সৰ ১ নং কাৰণ মতে অৱদমিত জাতিৰ মুক্তিয়েহে জাতীয় বিভেদ আৰু সংঘাত নাশ কৰি, উভয় জাতিকে প্ৰকৃত শত্ৰু পুঁজিপতিৰ বিৰুদ্ধে একত্ৰ কৰাত সহায় কৰে। এটা জাতিৰ অবদমনৰ ফলত দমনকাৰী জাতিৰ শ্ৰমিক শ্ৰেণীৰ ওপৰত বুৰ্জোৱাসকলৰ আদৰ্শাত্মক নেতৃত্ব তীব্ৰ কৰাত সহায় কৰে। শোষিত শ্ৰেণীৰ মুক্তিয়ে দমনকাৰী জাতিৰ শোষক শ্ৰেণীৰ অৰ্থনৈতিক, ৰাজনৈতিক আদৰ্শৰ ভেঁটি নিশকতীয়া কৰি তোলে আৰু সেই নিষ্পেষিত জাতিটোৰ শ্ৰমিক শ্ৰেণীৰ বিপ্লৱী সংগ্ৰাম ত্বৰান্বিত কৰে।

মাৰ্ক্সৰ ২ নং কাৰণটো মন কৰিবলগীয়া। দুটা জাতিৰ মাজত বৈৰী ভাব সৃষ্টিৰ কাৰণটো হ'ল এটা জাতিৰ দ্বাৰা আনটো জাতিৰ ওপৰত কৰা শোষণৰ ফল।

যদি অসমীয়া জাতিৰ প্ৰতি লক্ষ্য ৰাখো তেতিয়া আমি দেখিবলৈ পাম, অসমীয়া মানুহে কোনো বিশেষ সম্প্ৰদায়ৰ প্ৰতি শত্ৰু ভাবাপন্ন হৈছে, অথবা কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে শোষণৰ অভিযোগ আছিছে, ইয়াৰ কাৰণ ২নং টোৱে হব।

মাৰ্ক্সৰ ৩নং কাৰণটোৱেই হৈছে গোড়া সাম্প্ৰদায়িকতা-বাদ (chauvinism)। ইয়াৰ জন্মৰ মূল কাৰণ হ'ল এটা জাতিৰ দ্বাৰা আন এটা জাতিৰ ওপৰত কৰা দমন আৰু শেষত পুঁজিপতি শ্ৰেণীয়ে সৰ্বহাৰাৰ ওপৰত ইয়াৰ জৰিয়তে নিয়ন্ত্ৰণৰ সুবিধা লয়।

এই তিনিটা কাৰণ ফঁহিয়াই চাই কোনো প্ৰভাৱশালী জন গোষ্ঠীৰ অৰ্থনৈতিক, ৰাজনৈতিক বা সামাজিক শোষণৰ বিৰুদ্ধে যুঁজ দিয়াটো একান্ত প্ৰয়োজন। তাৰ লগে লগে মাৰ্ক্সৰ--Free development of each is the condition for the free development of all" পাহৰিলে কেনেকৈ চলিব?

অন্যহাতে উৎপাদিকা শক্তিৰ (productive forces)ৰ শীৰ্ষ উন্নয়নত ৰাষ্ট্ৰৰ পৰস্পৰ নিৰ্ভৰশীলতাত ভৌগোলিক সীমাই জন সাধাৰণৰ স্বাৰ্থক ব্যাহত কৰিব নোৱাৰে। ইয়াৰ ব্যাখ্যা এইটো নহয় যে পুঁজিপতি সমাজৰ সংঘাত দ্ৰুততৰ কৰিবলৈ বিদেশৰ পৰা যিমান পৰা যায় সিমান মানুহৰ প্ৰব্ৰজন কৰিব লাগে। "......The emancipation of the German is the emancipation of man" (critique of Hegel's philosophy of Rights) ই মাৰ্ক্সৰ কোনো গোড়া সাম্প্ৰদায়িক মতবাদো নহয়। আকৌ মাৰ্ক্সে কৈছে ··· The proletariat of each country must of course, First settle matters with its own bourgeoisie" ৫

Only when the socialist revolution has became a reality and not a method, will the slogan. "Down with frontiers" be a collect slogan. Then we shall say comrades. Come to us......"

মাৰ্ক্সতকৈয়ো লেনিনে প্ৰব্ৰজনৰ ক্ষেত্ৰত অতি সুস্পষ্ট মতামত আগবঢ়াইছে। লেনিনৰ উক্তিটি মন কৰিবলগীয়া।

প্ৰব্ৰজন সমস্যা ক্ষেত্ৰত যিহেতু উৎপীড়ণ আৰু নিপীড়ণৰ প্ৰশ্নই বিৰাজমান, সেইহে শেষ, বিচাৰত প্ৰব্ৰজন সমস্যা শ্ৰেণী সংগ্ৰামৰেই প্ৰশ্ন। এনে বক্তব্যৰ পৰা মাৰ্ক্সো বিচলিত নহয়।

॥ ৪ ॥

বিপ্লৱৰ পথ মাৰ্ক্সে দুটা দিছে। যথাসম্ভৱ শান্তিপূৰ্ণভাৱে নহলে শক্তি প্ৰয়োগেৰে আৰ্থ-সামাজিক ভৌগোলিক সীমাৰ ৰক্ষণ, সাধাৰণ জনভাষাৰ প্ৰৱৰ্তন, সংস্কৃতিৰ সমন্বয়ীকৰণ আৰু প্ৰব্ৰজন নিয়ন্ত্ৰণ। এই আটাইবোৰৰ দাৰ্শনিক মূল এটাই। প্ৰব্ৰজন সমস্যা যে সাম্ৰাজ্যবাদী ৰণ কৌশল এই কথা আমি আগতেই কৈ আহিছো। প্ৰব্ৰজন সমস্যাই কিদৰে এখন দেশ দুখন কৰে এই সম্পৰ্কে আমাৰ কৌটিল্যয়ো স্পষ্টভাৱে উল্লেখ কৰিছে। এনে ধৰণৰ সমস্যা কেনে ধৰণৰ সমাজ ব্যৱস্থাত উদ্ভৱ হয়? এইটো যদি আমাৰ প্ৰশ্ন হয় আৰু এই প্ৰশ্নৰ উত্তৰ যদি মাৰ্ক্সৰ দৃষ্টিভংগীৰে দিব লগা হয়, তেনেহলে কব লাগিব--

(১) যত কোনো প্ৰভুত্বশালী জাতিৰ শাসক শ্ৰেণীৰ নেতৃত্বত আন পিছ পৰা জাতিসমূহক থূপ খুৱাই এখন বহু জাতিৰ ৰাষ্ট্ৰৰ সৃষ্টি কৰা হৈছে।

(২) যত সামন্তবাদৰ অন্ত পৰা নাই অথচ পুঁজিবাদে বিকাশ লাভ কৰিছে।

(৩) বাধ্য হৈ পিছ পৰি থকা জাতিসমূহে যেতিয়া নিজকে অৰ্থনৈতিকভাৱে সুসংহত জাতিলৈ পৰিণত হয় অথবা তেনে ধৰণৰ বহু জাতিক ৰাষ্ট্ৰত পুঁজিবাদে বিকাশ লাভ কৰে।

এনেবোৰ কাৰণত পিছ পৰি থকা জাতিসমূহৰ মাজত কি দ্বন্দ্ব হয় তাৰ পৰাই জাতি সমস্যাৰ সৃষ্টি হয়।

বৃটিছ অহাৰ লগে লগে অসমত জনজাতীয় সমাজ ব্যৱস্থাৰ বুনিয়াদ উভালি পৰিল। আৰম্ভ হ'ল নিৰ্মম শোষণ। এই নিৰ্য্যাতনে ভাৰতবৰ্ষৰ স্থবিৰতা ভংগ কৰি দিলে। জনমংগল-কামী শান্তিপূৰ্ণ ব্যৱস্থাৰ ঠাইত আগবাঢ়িল জন নিষ্পেষণৰ নিষ্ঠুৰ ব্যৱস্থা। বৃটিছৰ 'সূৰ্য্য ডুব নোযোৱা সাম্ৰাজ্যবাদী শোষণৰ ইতিহাস সম্পৰ্কে মাৰ্ক্সে কৈছে ঃ---

"ইংৰাজে সিহঁতৰ (ভাৰতীয়)ৰ পৰা বছৰি খাজনা, ৰেলৱেৰ লাভাংশ, সামৰিক আৰু অসামৰিক চাকৰিয়ালৰ পেন্সনৰ মাৰফৎ যিখিনি ধন লয় তাৰ লগত তেওঁলোকে দিয়াখিনিৰ

সমতা নাই ; তাৰোপৰি তেওঁলোকে ভাৰতবৰ্ষতে নিজৰ কাৰণে খৰচ কৰা টকাৰ পৰিমাণৰ লগতো দিয়া-থিনিৰ পৰিমাণৰ আকাশ-পাতাল পাৰ্থক্য। তেওঁলোকে নিজৰ কাৰণে খৰচ কৰা টকাৰ পৰিমাণ ভাৰতৰ ৬০ নিযুত শ্ৰমিক আৰু কৃষকৰ মুঠ আয়তকৈয়ো বেছি, প্ৰতিহিংসামিশ্ৰিত ই এক তেজ-শোষণৰ পদ্ধতি।"৬

মাৰ্ক্সৰ বক্তব্য মন কৰিবলগীয়া। বৃটিছে ভাৰতবৰ্ষলৈ বেপাৰী সাজেৰে হাতত দগা-পাল্লা লৈ আহি নানা ছল-চক্ৰান্তৰে ৰাজদণ্ড হাতত ললে। তাৰ লগে লগে আৰম্ভ হ'ল শোষণৰ অলিখিত ইতিহাস। ভাৰতৰ একছত্ৰী সম্ৰাট হৈ বৃটিছৰ চকু পৰিল শস্যশ্যামলা অসমৰ ওপৰত। বৃটিছৰ গধুৰ বুট জোতাৰ শব্দত অসমৰ হৰিৎ প্ৰান্তৰ কপি উঠিল। বহুতে "সমনীয়া লোকৰ অধীন হোৱাতকৈ বিদেশী বিজতৰীয়া লোকৰ অধীন হোৱাই ভাল" বুলি বৃটিছৰ ভৰিত পৰি লেওসেও দিলে। বহুতে প্ৰভুভক্ত পোহনীয়া কুকুৰৰ দৰে নেজ জোকাৰি মাটিত বহিল আৰু কোনোৱে বিদ্ৰোহ ঘোষণা কৰিলে। বৃটিছে সুযোগ বুজি অসমৰ স্বাধীনতা হৰণ কৰি ভাৰতৰ অংগ ৰাজ্যলৈ ৰূপান্তৰিত কৰিলে। গোমধৰ কোঁৱৰেই আছিল এনে ষড়যন্ত্ৰৰ বিৰুদ্ধে প্ৰথম মাত মাতোঁতা। স্বাধীন অসমৰ তিনিজন বৃটিছ আৰু তিনিজন মানসেনাৰ স্বাক্ষৰত আদিম দাস প্ৰথাৰ দৰে অসমক ভাৰতৰ লগত সংযোগ কৰা হ'ল।

পুঁজিবাদী নিষ্পেষণৰ শোষণত ৰাজহাড় বেঁকা হৈ পৰা শ্ৰমিকসকলক আমদানি কৰি অসমলৈ অনা হল। এইখিনিতে F. Engels-অৰ এফাঁকি কথা মন কৰিবলগীয়া। Engels-এ এঠাইত আদিম, সাম্যবাদ মূলী জাতি এটাই মাত্ৰ ধনুকাঁড় আৰু জোঙেৰে পৃথিবীতে সৰ্বপ্ৰথম বুলি খ্যাত আৰু প্ৰত্যক্ষ যুদ্ধত সমকক্ষ নথকা ব্ৰিচলোডা ব্যৱহাৰ কৰা বৃটিছ অশ্বাৰোহীৰ বিৰাট সৈন্যদল এটা কেনেকৈ ছিন্ন ভিন্ন কৰি দিছিল তাৰ বৰ্ণনা দিছে। "এজনৰ কাৰণে জাতিটো আৰু জাতিটোৰ কাৰণে এজন"। এই চেতনা অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত আছিল। কিন্তু বৃটিছে প্ৰয়োগ কৰিছিল ভেদনীতি। বৃটিছৰ ভেদনীতিয়ে অসমীয়া জনজীৱনত গা কৰি উঠিব পৰা নাছিল। ইয়াৰ প্ৰধান কাৰণেই আছিল অসমীয়া মানুহৰ সাম্ৰাজ্যবাদ বিৰোধী মানসিকতা। এইচাম মানুহে অশেষ কদৰ্থ কৰ্কৰ্থনাৰ বলি হৈয়ো সাম্ৰাজ্যবাদৰ ফোঁট-লগুণ লোৱা পুৰোহিত হোৱা নাছিল মাৰ্ক্সৰ লেখনীত অসমীয়া মানুহৰ জাতীয় চৰিত্ৰৰ ছবি স্পষ্টভাৱে ফুটি উঠিছে।

মাৰ্ক্স-এংগেলছে অতি গুৰুত্বসহকাৰে ভাৰতৰ বৃটিছ শাসনৰ বিষয়ে তন্নতন্নকৈ বিচাৰ কৰিছিল। এই সম্পৰ্কে মাৰ্ক্সে অসমীয়া প্ৰজা বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে কেনে ধৰণেৰে উদ্বুদ্ধ হৈছিল, সেই কথা মাৰ্ক্সে অকণো কাৰ্পণ্য নকৰাকৈ লিখিছিল ঃ

"ইতিমধ্যে শুনা গৈছে যে কলিকতাৰ উত্তৰ পূব ফালেও বিদ্ৰোহ আৰম্ভ হৈছে। মধ্য ভাৰতহৈ উত্তৰ পশ্চিম পৰ্য্যন্ত আৰু অসম সীমান্ত যদি পূৰ্বীয়াৰ (Poorbears) দুটা শক্তিশালী ৰেজিমেণ্ট প্ৰত্যক্ষভাৱে ভূতপূৰ্ব ৰজা পুৰন্দৰ সিংহক ওভতাই অনাৰ প্ৰস্তাৱত বিদ্ৰোহ কৰিছে।"৭

মাৰ্ক্সৰ মতামত আছিল এনে ধৰণৰ। অসমীয়া মানুহৰ জাতীয় অস্তিত্ব ৰক্ষাৰ ভূমিকাও তাৎপৰ্য্যপূৰ্ণ। যিহেতু সংস্কৃতি ৰক্ষাৰ অবিহনে এটা জাতি জাতিৰূপে বতি থকাটো সম্ভৱপৰ নহয়। বৃটিছ সংস্কৃতি আৰু অসমীয়া সংস্কৃতিৰ মাজত তফাৎ আছে অনেক। আলোচনা কৰিলে মাও-চে-টুঙৰ কিছু কথালৈ আমাক টানি লৈ যায়। মাওৱে কৈছে ঃ

"Some comrad in stead of feeling ashamed take pride in their ignorance or scanty knowledge of our own history."

আকৌ এঠাইত কৈছে-- "Our nation has a history of several thousand year with its own characteristics and own store of treasures"

ভাৰতবৰ্ষৰ পটভূমিত বৃটিছ শাসনৰ ভেঁটিত অসমীয়া মানুহৰ সাম্ৰাজ্যবাদ বিৰোধী মানসিকতাৰ সংক্ষিপ্ত আলোচনাৰে আমাৰ মূল বক্তব্য প্ৰব্ৰজন সমস্যাৰ সম্পৰ্কে আলোচনা কৰাৰ বাট কাটিছো।

কিন্তু ইয়াতকৈ অসমীয়া প্ৰজাৰ বিদ্ৰোহ সম্পৰ্কে মাৰ্ক্স আগবঢ়া নাই। বাৰুকৈয়ে মাৰ্ক্সে বুজি পাইছিল, অসমীয়া জাতি এটা যুঁজাৰু জাতি যিটো জাতিয়ে কোনো দিন সাম্ৰাজ্যবাদৰ সতে আপোচ কৰা নাছিল।

॥ ৫ ॥

এতিয়া আইৰিচ সম্পৰ্কীয় কথালৈ আহো। কিয়নো আইৰিচ জাতিৰ মুক্তি সংগ্ৰামত মাৰ্ক্সৰ ভূমিকাই অসমীয়া জাতিৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত শিক্ষা দিয়ে।

আয়াৰলেণ্ড আছিল এখন কৃষিপ্ৰধান জিলা। এই অকণমান জিলাখনেই আছিল ইংলেণ্ডৰ শস্যৰ ভঁৰাল। কিন্তু তাৰ ফলত আইৰিচ জাতিয়ে পাইছিল ইংলেণ্ড, স্কটলেণ্ড আৰু ভূমি কুবেৰসকলৰ অত্যাচাৰ আৰু উৎপীড়ণ। কাৰণ অসমৰ দৰে এই ভূমিকুবেৰসকলৰ কাৰণে আছিল শোষণৰ সোণৰ থালী।

১৮৪৬ চনত আয়াৰলেণ্ডত হোৱা দুভিক্ষৰ ফলত ১০,০০০,০০ জনতকৈয়ো অধিক লোক মৃত্যুৰ গৰাহত পৰে। আনহাতে মাৰ্ক্সে দেখুৱা পৰিসংখ্যাৰ তথ্যমতে সেই দুভিক্ষৰ ফলত আয়াৰলেণ্ডৰ মুঠ মুনাফা ৪৩,৬৮,৬১০ পাউণ্ডৰ ভিতৰত তিনিজন ভূমিকুবেৰে লাভ কৰে ২,৬২,৬১০ পাউণ্ড। (দ্ৰষ্টব্য ঃ on colonial question Marx )

যাৰ ফলত নিৰীহ আইৰিচ জাতিয়ে জীয়াই থকাৰ আশাত নিজৰ পৱিত্ৰ মাতৃভূমি ত্যাগ কৰিব লগা হৈছিল। শেষত ইংলণ্ডত শ্ৰমিক হিচাপে জীৱন নিৰ্বাহ কৰিছিল। ইংলণ্ডত থকা এজন আইৰিচ শ্ৰমিকৰ জীৱন যাত্ৰা সম্পৰ্কে মাৰ্ক্সে সংগ্ৰহ কৰা জবানবন্দীৰ পৰা ভালদৰে বুজিব পৰা যায়।

"মাঞ্চেষ্টাৰৰ বজাৰৰ বাবে মাল তৈয়াৰ কৰা এই শ্ৰমিক জনৰ নাম 'জনচন'। তেওঁ কৈছে ঃ মই এজন বটল মিস্ত্ৰি। সোমবাৰৰ পৰা শুক্ৰবাৰলৈ ৰাতিপুৱা ৬টাৰ পৰা ৰাতি ১১টা পৰ্য্যন্ত কাম কৰো। শনিবাৰে সন্ধিয়া ৬ টাত ছুটী। আৰু তিনি ঘন্টা সময় পাওঁ খোৱা, বোৱা, বিশ্ৰামৰ বাবে। মোৰ ল'ৰা-ছোৱালীৰ সংখ্যা মুঠ পাঁচটা। এই কামৰ বাবে মই সপ্তাহত পাওঁ ১০ চিঃ ৬ পেঃ---।"

এইয়াই আছিল আইৰিচ শ্ৰমিকৰ মজুৰী আৰু আইৰিচ শ্ৰমিকৰ জীৱন।

(দ্ৰষ্টব্য ঃ On colonial question Marx)

অকল সিমানেই নহয়। আইৰিচ শ্ৰমিকৰ ধাৰাবাহিক প্ৰব্ৰজনে ইংলণ্ডৰ শ্ৰমিকৰ মাজত বিদ্বেষ ভাবৰ সৃষ্টি কৰিছিল। মাৰ্ক্সে এচ, মেয়াৰ আৰু ফগটলৈ লিখা এখন চিঠিত এই সম্পৰ্কে স্পষ্ট আভাস পাব পাৰি। মাৰ্ক্সে লিখিছিল--

"ইংলণ্ডৰ প্ৰতিটো শিল্প আৰু বানিজ্য কেন্দ্ৰত এতিয়া শ্ৰমিক শ্ৰেণী শত্ৰু ভাৱাপন্নভাৱে দুটা শ্ৰেণীত বিভক্ত হ'ল। এটা শিবিৰত বৃটিছ সৰ্বহাৰা শ্ৰমিকসকল আৰু আনটো শিবিৰত আইৰিচ সৰ্বহাৰা শ্ৰমিকসকল। ইংৰাজ শ্ৰমিক সকলে আইৰিচ শ্ৰমিকসকলে তেওঁলোকৰ জীৱন-যাত্ৰা তললৈ নমাই দিছে বুলি ভাবি আইৰিচ শ্ৰমিকসকলক ঘিণ কৰিবলৈ ধৰিলে। আইৰিচ জাতিৰ শ্ৰমিকৰ তুলনাত ইংৰাজ শ্ৰমিক-সকলে নিজৰ শাসক জাতিৰ সভ্য হিচাপেও আইৰিচ শ্ৰমিকক আমেৰিকাৰ নিগ্ৰোসকলৰ দৰে ব্যৱহাৰ কৰে।"১০

যাৰ ফলত আইৰিচ জাতিয়ে বৃহৎ জাতিৰ নিষ্পেষণ আৰু জীয়াতু ভুগিবলগীয়া হৈছিল।

॥ ৬ ॥

তাহানিৰ আইৰিচ জাতিৰ দৰে আজিৰ অসমীয়া জাতিৰ সমস্যাও অনুৰূপ। এই সমস্যাসমূহ আলোচনা কৰিব লাগিব অসমৰ আৰ্থ-সামাজিক কাঠামোৰ মাজেদি।

(১) তাহানি ইংলেণ্ড, স্কটলেণ্ডে আইৰিচ জাতিৰ ওপৰত কৰা শোষণৰ লেখিয়া এটা ধাৰাবাহিক ঔপনিবেশিক শোষণ আজি অসমৰ ওপৰত চলি আছে। আইৰিচবাসীৰ দৰে অসমীয়া মানুহেও ঔপনিবেশিক শোষণৰ বিৰুদ্ধে কঁচি কঁচি পাজা খেলত অৱতীৰ্ণ হৈছে। স্বাধীনতাৰ আগৰ আৰু পাছৰ ইতিহাসৰ মাজত কোনো পাৰ্থক্য নাই। অতীতত ইংৰাজসকলে যিদৰে অসমখনক ক'লনী হিচাপে ব্যৱহাৰ কৰিছিল, এতিয়া ভাৰতীয়সকলেও একে ৰূপতে কল্পনা কৰে। ফলত উত্তৰ পূব ভাৰতখন ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ এখন উপনিবেশ।

(২) ইংৰাজৰ যুগত অহা সহায়ক বনিয়া, গোমোস্তা স্থানীয় দালাল, ধনী কৃষক আদি লোকসকলৰ কোনো পৰিবৰ্তন নহ'ল। তেতিয়া বৃটিছৰ স্বাৰ্থৰক্ষাত ব্যস্ত আছিল আৰু এতিয়া ভাৰতীয় পুঁজিপতি শোষক গোষ্ঠীৰ স্বাৰ্থৰক্ষাৰ কাৰণে কাম কৰে। পূৰ্বাঞ্চলৰ পণ্য সামগ্ৰীৰ বজাৰখন তেওঁলোকৰ দখলত। গতিকে বজাৰৰ অংশীদাৰবোৰ তেওঁলোকৰ নিজৰ জাতিসত্ত্বা বিচাৰি অসমৰ বাহিৰৰ পৰা আনে। উদাহৰণ স্বৰূপে যদি এজন মাৰোৱাৰীয়ে মৰাপাটৰ ব্যৱসায় আৰম্ভ কৰে তেতিয়া হলে তেওঁৰ লাগতিয়াল সকলো লোক ৰাজস্থানৰ পৰা আনে। ৰেলত কাম কৰা বঙালী এজনে বিভাগীয় কাৰ্য্যালয়ত কিবা কাম ওলালে বঙালী এজনক আগতীয়াকৈ খবৰ দি চাকৰিত নিয়োগ কৰে। যাৰ ফলত অসমৰ কোনো খিলঞ্জীয়া লোক সোমাব নোৱাৰে।

(৩) স্থানীয় পুঁজিপতিসকলৰ চাহশিল্প, কাঠৰ কাৰবাৰ আদি স্বাধীনতাৰ আগৰ অৱস্থাতে থাকিল। ইংৰাজ বণিক সকলে যিদৰে কঁকাল ভাঙিছিল আজিও টাটা, বিৰলা, গোৱেঙ্কাই কঁকাল ভাঙিছে। যাৰ ফলত অসমৰ অধিকাংশ চাহ বাগিচা মাৰোৱাৰী তথা উত্তৰ ভাৰতীয় পুঁজিপতিৰ হাতত।

এই আলোচনাৰ মূল কথা হ'ল অসমৰ ওপৰত চলা ভাৰতীয় ঔপনিবেশিক শোষণ। ইয়াৰ তীব্ৰতা বৃদ্ধিৰ লগে লগে যেনেকৈ জাতীয় জাগৰণৰ সম্ভাৱনা থাকে তেনেকৈ নিস্ব হোৱা জাতিৰ ওপৰত বৃহৎ জাতিৰ দাদাগিৰিৰো সম্ভাৱনা থাকে। তাহানিৰ আইৰিচ জাতিৰ দৰে আজি অসমীয়া জাতিৰ সত্বাৰ ওপৰতো আমি উভয় বিধি প্ৰৱণতা দেখা পাওঁ। উত্তৰ ভাৰতীয় বণিক গোষ্ঠীৰ অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত যিদৰে অবাধ ৰাজত্ব ঠিক তেনেকৈয়ে ৰাজনীতিৰ ওপৰতো তেওঁলোকৰ বিৰাট প্ৰভুত্ব।

॥ ৭ ॥

আহক আলোচনাৰ শেষত আকৌ আমি আইৰিচ প্ৰশ্নলৈ উভতি যাওঁ। ইংৰাজ ঔপনিবেশিকহঁতৰ অত্যাচাৰত নিষ্পেষিত আইৰিচ জাতিয়ে বিদ্ৰোহৰ বহ্নি হাতত তুলি ললে। শেষলৈ এই বিদ্ৰোহৰ গৰ্ভত ইংলণ্ডৰ ভূখণ্ডৰ পৰা আয়াৰলেণ্ড পৃথক হোৱাৰ দাবীৰ সূচনা হ'ল।

সেই সময়ত কাৰ্ল মাৰ্ক্স আধাআধি ইংলণ্ডবাসী। আয়াৰলেণ্ডৰ স্বাধীনতাৰ দাবীক বৃহৎ ঈংলণ্ড জাতীয়তাবাদে তথাকথিত সংহতি, সমন্বয়ৰ আৱাজ তুলি মষিমূৰ কৰাৰ অভিযান আৰম্ভ কৰিলে। কিন্তু মাৰ্ক্স বৃহৎ ইংলণ্ড জাতীয়তাবাদৰ চল-চাতুৰীত ভোল নগ'ল। আইৰিচবাসীৰ বেদনা মাৰ্ক্সে অনুভৱ কৰিলে। অকল সিমানেই নহয়, আইৰিচবাসীৰ মুক্তিৰ আন্দোলনত মাৰ্ক্স জপিয়াই পৰিল। এংগেলছলৈ মাৰ্ক্সে লিখা এখন চিঠিত তাৰ স্পষ্ট আভাস পোৱা যায়।

....even if federation should follow upon separation (Marx's letter to Engels on Dce. 10, 1869)

অৰ্থাৎ, আগতে ভাবিছিলো বৃটেইনৰ পৰা আয়াৰলেণ্ডৰ বিচ্ছেদ অসম্ভৱ। এতিয়া ভাবিছো সেইটো অনিবাৰ্য্য। বিচ্ছেদৰ পিছতো ফেডাৰেচন হ'ব পাৰে। )

এনেকৈয়ে নিপীড়িত জাতিৰ স্বাধীন আশা-আকাঙ্ক্ষাক মাৰ্ক্সে আন্তৰিকতাৰে সমৰ্থন জনালে আৰু অৱহেলিত অত্যাচাৰিত জাতি-সত্তাসমূহৰ মুক্তি আন্দোলনত নিৰ্ভীক যোদ্ধা

ৰূপে থিয় দিলে। প্ৰতিটো জাতিয়ে নিজস্ব বৈশিষ্ট্য পৰম্পৰা অটুট ৰাখি স্বাধীনভাৱে বিকাশ হোৱাৰ ই হ'ল পথিকৃত। যিমানেই বেছি স্বাধীনতা প্ৰদান কৰা হয়, সিমানেই পৃথকীকৰণৰ মানসিকতা লোপ পাব।

॥ ৮ ॥

পূৰ্বাঞ্চললৈ ঘটা বহিৰাগতৰ প্ৰব্ৰজনৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে প্ৰথম প্ৰব্ৰজনৰ সময়ত ইয়াৰ সমাজ গাঁথনি কেনে আছিল তাক বিচাৰ কৰিব লাগিব। Goil Omvedt ৰ মতে

In the North East region the tribals generally lived by Jhum cultivation, also known as slash and burn and shifting cultivation. The Assamese speaking people of the Brahmaputra valley also practised this apparently to a significant degree until the time of colonial rule (Frontier 7 June)

জনজাতীয় প্ৰাধান্যতা বিৰাজ কৰা, অসমৰ প্ৰাক্ সাম্ৰাজ্যবাদী শাসনাধীন গাঁওবোৰ আত্মনিৰ্ভৰশীল আছিল। কিন্তু স্বাধীনতাৰ আগত আৰু পাছত বহিৰাগতৰ প্ৰব্ৰজন আনহাতে ঔপনিবেশিক শোষণৰ ফলত সমাজ-ব্যৱস্থাৰ বুনিয়াদ সলনি হ'ল। লহপহকৈ বাঢ়ি আহিল পুঁজিবাদী সমাজ-ব্যৱস্থা। স্বাধীনতাৰ পাছতো এই শোষণ-ব্যৱস্থা চলি থাকিল। ওচৰ চুবুৰীয়া ৰাজ্যৰ পৰা দুগুণ উৎসাহেৰে চলিল প্ৰব্ৰজন। সেইহে আজি প্ৰব্ৰজন সমস্যাই অসমৰ সৰ্বাঙ্গ দিশত এক প্ৰচণ্ড আঘাত হানিছে। আনহাতে অসমত বাস কৰা মাৰ্ক্সৰ তথাকথিত অনুগামীসকল আকাশ কুসুম কল্পনা কৰাত ব্যস্ত হৈ আছে। সেইহে আমি আগেই কৈ আহিছো তাহানিৰ আইৰিচ জনগণৰ সমস্যা আৰু আজিৰ অসমৰ সমস্যাৰ মাজত কোনো তফাৎ নাই। তফাৎ নাই মতাদৰ্শ আৰু লক্ষ্যৰ। তফাৎ মাথোন সময়ৰ। গতিকে আমি জোৰ দি কোৱাৰ দৰকাৰ ঃ---

(১) বাংলা দেশীয়ে নিজৰ সমস্যা বাংলা দেশত সমাধান কৰক। সংগ্ৰাম বাদ দি ভয়ত চোৰৰ দৰে জেওৰা জপনা বগুৱা বাই পলাই আহি নিজৰ সমস্যা অসমত জাপি দিলে নচলে।

(২) নিজৰ ন্যায্য অধিকাৰ প্ৰতিষ্ঠা কৰিব লাগিব নিজৰ মাতৃভূমি বাংলা দেশত, অসমত নহয়।

(৩) বাংলা দেশৰ স্বাৰ্থত ভাৰতীয় শোষক দলে যাতে Divide and rule নীতি গ্ৰহণ কৰিব নোৱাৰে, তাৰ প্ৰতি চকু ৰাখিব লাগিব।

(৪) বিদেশী নাগৰিকক ধৰ্ম আৰু ভাষাৰ নামত বিতৰণ কৰিব নোৱাৰিব। বিতাড়ণ চলিব কেৱল ৰাজনৈতিক পৰিচয়তহে।

এতিয়া এই কথা স্পষ্ট। বিদেশী নাগৰিকৰ সমস্যা যিদৰে আমাৰ বাবে ভয়াৱহ, ঠিক সেইদৰে ভয়াৱহ ভাৰতীয় পুঁজিপতি আৰু সিহঁতৰ 'এজেন্ট'বোৰ। গতিকে অসমৰ নতুন পুৰুষে চিন্তা কৰক। চিন্তাৰ পথাৰত ন, ন, চিন্তাই গজালি মেলক। ভাৰতীয় চৰকাৰে বিদেশী নাগৰিকৰ সমস্যা সমাধান নকৰি ভৱিষ্যতৰ ভয়াৱহ অন্ধকাৰলৈ ঠেলি দিয়াৰ পৰিস্থিতিয়েই অসম্ভৱকো সম্ভৱলৈ ৰূপান্তৰিত কৰিব। সাম্ৰাজ্যবাদৰ লগত আপোচ কৰি পোৱা ভাৰত ৰাষ্ট্ৰৰ শোসনৰ ভাগ বিতৰণৰ বাবে অঁৰিয়া-অৰি কৰা থলুৱা মধ্যবিত্তই জাতিৰ অস্তিত্ব ৰক্ষাৰ এই পথত বিৰোধিতা কৰিব। কিন্তু জাতিৰ অস্তিত্ব ৰক্ষাৰ পথ এয়েই। সোঁৰৰাই দিয়াৰ জানো আৱশ্যক আছে-শোষণ, নিপীড়ণ প্ৰৱঞ্চনাৰ কণ্টৰে জৰ্জৰিত অসমীয়া জাতিয়ে, এমুঠি সহজ সৰল মানুহে অস্তিত্ব ৰক্ষাৰ নিশ্চয়তা বিচাৰি তাহানিৰ আইৰিচ জাতিয়ে দেখুৱাই দিয়া পথলৈ বাট চাই আছে ?

পাদটীকা ঃ

১। জাতি সমস্যা আৰু মাৰ্ক্সবাদৰ অপপ্ৰয়োগ--ডঃ হীৰেণ গোহাঁই।
২। বুৰ্জোৱা জাতীয়তাবাদ আৰু সৰ্বহাৰা আন্তঃ জাতীয়তাবাদ প্ৰসংগ--লেনিন পৃষ্ঠা ৮৭।
৩। ART AND LITERATURE—Mao, Page No. 5
৪। A nationalistic culture with a socialist content, Page No. 7
৫। Communist Manifesto.
৬। Karl Marx and F. Engels, selected correspondence, (Moscow 1934) Page No. 408.
৭/৮। —A nationalistic culture with a socialist content.
৯। First Indian War of Independence—Marx-Engels, Page No. 105
১০। On Crospandence—Marx

## দিবস
(শ্বহীদৰ নামত)

শ্ৰীমোহন কাকতি
স্নাতক ২য় বাৰ্ষিক (কলা)

লুঙামুখৰ পানী
লুংলুঙীয়া তেজেৰে গঢ়া
মোৰ আইৰ
প্ৰতিটো স্তৱকত
শোকৰ নখ আৰু চুলি।
এতিয়াও কলঙত শোকৰ বিননি।
০০

## জুই নুমাওঁ কেনেকৈ !
হিৰণ্য কুমাৰ গায়ন

জুই নুমাওঁ কেনেকৈ (?)
হৃদয়লৈকে ছানি ধৰা একুৰা অনিৰ্বাণ জুই,
মোৰ শিৰাই শিৰাই যাৰ উত্তাপ।
জুলীয়া উত্তাপবোৰ মস্তিস্কলৈকে বিয়পি পৰে
অথচ এই উত্তাপৰ অনঘ শব্দবোৰ তোমালোকে নুবুজা !
দুৰ্বহ এই উত্তাপৰ নিৰাময় ক'ত ?
হে পৃথিবীৰ শীতলতম ঠাই--তুমিও আজি উত্তপ্ত !
তেনে এই জুই নুমাওঁ কেনেকৈ (?)
হে মোৰ অপ্ৰতিম শব্দৰ অচ্যুত জলধি
তোমাৰ অকুণ্ঠিত জলৰাশিত মোক নামিবলৈ দিয়া
মোক নামিবলৈ দিয়া--তোমাৰ গভীৰৰ পৰা গভীৰলৈ
কিজানি মাণিকৰ দৰে তোমাৰ গভীৰতাত শামুক বিচাৰি পাওঁ
কিজানি কাঁইট বিচাৰি পাওঁ শৰীৰৰ শিৰা বিন্ধিব পৰা
কিজানি এগণ্ডুষ পানী বিচাৰি পাওঁ জুইকুৰা নুমাব পৰা
যিয়ে মোৰ হৃদয় ছানি আছে ক্ষণে ক্ষণে প্ৰতিক্ষণে।
০০

## শিল্পীৰ স্মৃতিত

কৃষ্ণকাণাই ভূঞা
স্নাতক ২য় বাৰ্ষিক কলা

এজাক প্ৰচণ্ড ধুমুহা
দুৰ্বাৰ গতিৰে পাৰ হৈ যায়
তাৰ বুকুৰ ওপৰেদি,
বাৰিষা দুয়োকূল উপচি পৰা
বলিয়া বানৰ উত্তপ্ত যৌৱনে
বাৰে বাৰে আহ্বান জনাইছে,
আঁহা, পলম নকৰিবা--
নীৰৱ দৰ্শকৰ দৰে,
সি মাত্ৰ এপলক দৃষ্টিৰে
চাই চাই ভাবিছিল,
ইয়াৰ শেষ বিন্দু ক'ত-- ?
নীলাভ সাগৰৰ অতল গহ্বৰত,
প্ৰতিক্ষাৰত জলকুঁৱৰীৰ
সেইয়া পুনৰ প্ৰত্যাহ্বান।
পলম নকৰিবা আঁহা, আগুৱাই আঁহা,
সময়ে তাক বিঙিয়াই মাতিলে,
অস্তাচলত, সন্ধিয়াৰ আকাশে,
গ্ৰাস কৰিলে সূৰ্য্যৰ প্ৰখৰ কিৰণক।
লগে লগে জোনালীৰ
স্নিগ্ধ চাকনৈয়াত
নিখোজ হ'ল এটি ছাঁয়ামূৰ্তি।
কাৰ বাৰু ?
কোন প্ৰেয়সীৰ শিৰৰ ৰক্তিম আভা
উকা কৰি অকালতে মৰহি গ'ল।
এইয়া ;
উদয়াচলত কাউৰীজনীয়ে বমলিয়াইছে
পুৱাৰ চাৰি বজাৰ সংকেত ধ্বনিয়ে
থানাৰ চিপাহী বৰ্গক,
নিদ্ৰাদেৱীৰ কোলাৰ পৰা আদৰি আনিছে।
ক্ৰমাত মানুহৰ ভিৰ, বাঢ়ি গৈ পাতলি গৈছে,
সন্মুখত দেখো স্মৃতিজৰিত এখন প্ৰতিচ্ছবি
ডক্তৰ বেজবৰুৱাৰ নায়ক তচুদ্দোক ইউচুফ। ০০০
০০

## শৰতৰ ছবি

শ্ৰীপ্ৰতুল ভট্টাচাৰ্য্য
প্ৰাক বিশ্ববিদ্যালয় ২য় বাৰ্ষিক (কলা)।

এপাহি দুপাহিকৈ
পুৱতিত সৰিলে শেৱালি
যেন দুবৰি দলিচাত
ফুল বচা চেলেং এখনি
সূৰুযে মাৰিলে হাঁহি
আঁতৰে ধূসৰ কুঁৱলী
তাকে দেখি প্ৰাণত জগাই
ন ন আশাৰ জেউতি
তাৰে সজায় তোলে
মিঠা শৰতৰ ছবি ॥

ooo

## দুটি কবিতা

শ্ৰীফুলচিং দেউৰী
বি, এ, (স্নাতক)।

### (১) আজলী-লক্ষ্মী

লক্ষ্মী তুমি চোন তেনেই আঁজলী
মোৰ জোনবাৰ ঘন সেউজীয়া
কাপোৰযোৰত--
তুমিয়েই দিছানেকি
গুটি গুটি ফুলবোৰ তুলি ?
মোৰ জোনবাৰ সুগন্ধি আঁতৰ
আৰু শিৰৰ সেন্দূৰখিনি
তুমিয়েই দিছানেকি উপহাৰ ?
মই সদায়ে ভাবো জানা
এইবোৰ কথা,
তোমাৰ ওচৰতে বহি ॥
আৰু ভাবো, নবৌৰ
বগা সাজযোৰত
তুমিয়েই যোৱা বছৰ
নীলা বৰণ ঢালি দিলা !
মই তোমাক ঠিক ধৰা পেলাওঁ,
কিয় জানা ?
তুমি যে নিজম ৰাতি
আলফুলে শোৱা দুবৰি বনত
মই যে তোমাক সদায়
কোচ ভৰাই বুটলি আনো ॥
কিন্তু তুমি যে লক্ষ্মী
যোৱা বেজাৰত লেৰেলি ॥
জানো তুমি মোক বেয়া পোৱা।
মই হলে ভাল পাওঁ তোমাক
খু-উ-ব, ঠিক দেউতাই কোৱা
"জোনবাইৰ" দেশৰ তুলসী তলৰ
শহাটি মানুহে পুহিবলৈ অনা"
সাধুটিৰ দৰে ॥

### (২) লক্ষ্মী

লক্ষ্মী মোৰ মন যায় ক'ত, বান্ধিম তোমাৰে ঘৰ
তুমি মাথো মোক এবাৰো উভতি নাচালা, মানুহ মই যে পৰ
তোমাক সুঁৱৰি নাকান্দে কোনোৱে, কান্দোতাও কোনো নাই,
চকুলো সোমাল ক'লা-বজাৰত, কোনেনো বিচাৰি যায় !
হেঁচনিৰ হেঁচাত নিৰোধ উশাহ, চাম কোনফালে বাৰু !
উলঙ্গ ৰূপত লৰিছোঁ মাথোন মূৰত অগ্নিৰ চৰু !

ooo



● দীপক কুমাৰ বৰদলৈ

জেঠৰ বাৰটা খৰ পূৰ হ'বলৈ আৰু তিনিটা বাকী। প্ৰকৃতি ৰাজ্যৰ চাৰিওফালে হাহাঁকাৰ লাগিছে। আজি, কালি কৰি দুৰ্বাৰ গতিত বাঢ়ি অহা সূৰ্যৰ তাপত সমস্ত প্ৰাণীজগৎ জীয়া মাছ তপত খোলাত দিলে যি অৱস্থা হয়, ঠিক তেনেদৰে যেন চটফটাব লাগিছে। সকলোৰে সূৰ্য স্তুতি কৰিব লাগিছে। ল'ৰা-ছোৱালীবোৰ লগ লাগি বৰষুণ আহবান কৰি গৰখীয়া সবাহ পাতিছে; যদিও আগৰ দৰে পিঠি চেকচেকাই যোৱা বৰষুণত আধা বিতৰণ কৰা প্ৰসাদৰ পাচি লৈ দৌৰিব লগা হোৱা নাই এইবাৰ। গৰমৰ প্ৰকোপত থাকিব নোৱাৰি চহৰৰ উপকণ্ঠৰ গাঁওখনৰ পশ্চিমত থকা বট গছজোপাৰ তললৈ ঢাপলি মেলিছে। দুই এজন বুঢ়াই কান্ধৰ গামোছা ঘূৰাই ঘূৰাই বৃদ্ধদেহক সান্ত্বনা দিয়াৰ চেণ্টা কৰিছে। সনাতন পাঠকে আদি যামালৰ পৰা এফাকি আওৱালে "এক সূৰ্য তাপে হৈব বাৰৰ সমান। তাহাৰ প্ৰতাপে লোক হৈব ছাৰখাৰ।" পদটো মাতি চেকচেকাই হাঁহিলে তেওঁ। ডেকাবোৰে তাঁচ পাতৰ লগত চুপতি মাৰিছে। বটজোপাই নীৰৱে চেণ্টা কৰিছে মানুহবোৰক উৎকট গৰমৰ পৰা পৰিত্ৰান দিবলৈ। নগৰৰ মানুহখিনিৰো একেই অৱস্থা। অলপ ছাঁ ল'বলৈকো ঘৰৰ সন্মুখত ডাঙৰ গছ নাই। গোলাপ, বেলিফুল আমূল স্প্ৰে, ডালডাৰ টিন আৰু মাটিৰ চৰুত শিল গুটি দি জীয়াই ৰখা কাঁইটীয়া বিদেশী সৌন্দৰ্যবোৰে মানুহক এই টৌফুটীয়া ৰ'দৰ পৰা ৰক্ষা কৰিব নোৱাৰে নহয়! যোৱা নটা ৰ'দতে 'ড্ৰয়িং-ৰুম'বোৰ বিজুলী বিচনীৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈছে। প্ৰকৃতিৰ বিৰুদ্ধে কৰা মানৱৰ সংগ্ৰামৰ প্ৰতি ই যেন এটা বিদ্ৰুপ।

কাৰ্যালয়ৰ 'ৱাল ক্লক'টোৱে টংটংকৈ আবেলি তিনি বজাৰ কথা ঘোষণা কৰিলে। দুঘণ্টা ধৰি কাৰ্যলয়ৰ গেটত থিয় হৈ থকা পমিলিয়ে এটা স্বস্তিৰ উশাহ টানিলে। লৰালৰিকৈ কাৰ্যালয়ৰ ভিতৰলৈ গৈ তাই বন্দুকটো জমা দি হাত মুখ ধুলেগৈ। আগেয়ে তাই 'ডিউটি'ৰ পিছত ক্ষন্তেক জিৰায়, কিন্তু আজি তাইৰ সেই ইচ্ছা নাই। লৰালৰিকৈ তাই কাৰ্যালয়ৰ বাহিৰ ওলাল। শইকীয়া চাৰে কথা পতাৰ চেলু উলিয়াইছিল। কিযে মানুহটো! সংসাৰৰ হোৱাই নোহোৱাই কথাবোৰ কৈ কৈ তাইৰ বৈ পৰা চেলাউৰিৰ সৈতে সৰু সৰু চকু দুটালৈ চাই থাকে। তাই মাজে মাজে গৰ্ব অনুভৱ নকৰাকৈও নেথাকে অৱশ্যে। অন্য নহ'লেও পুৰুষৰ অন্তৰ জয় কৰিব পৰাকৈ তাইৰ এযুৰি চকু আছে। কিন্তু কেতিয়াবা বিৰক্তি উপজে। তেনে দুটি চকুৰেই নহয়। নাৰীৰ জীৱনত আৰু প্ৰয়োজন আছে। কথাবোৰ ভাবি ভাবি তাই বাহিৰ ওলাল।

চহৰখনৰ সীমাতেই পমিলিহঁতৰ ঘৰ। নগৰীয়া 'বা' লাগিছেগৈ যদিও অঞ্চলটোত গাঁৱলীয়া জীৱনৰ মাধুৰ্য আকাশে বতাহে ওলমি আছে। কাৰ্যালয়ৰ পৰা পমিলি ' সাধাৰণতে খোজকাঢ়ি অহাযোৱা কৰে। 'দীপ্তি পান বাহাৰ' নামৰ নামফলি আঁৰি থোৱা পানদোকানখন তাইৰ জীৱনৰ বাবে এটা বোজা হৈ পৰিছে। তাত সাধাৰণতে আড্ডা মাৰি থকা ডেকাকেইটাৰ উক্তিবোৰে তাঁইক বিব্ৰত কৰি তোলে। পানদোকানখনৰ আগেদি পাৰ হৈ যাওঁতে তাইৰ ভৰিৰ শিৰা-উপশিৰাবোৰ টনটনাই যায়, কাণ দুখনলৈ হঠাতে গৰম বতাহ বলি আহে। তাই পথ সলাই কাৰ্যালয়লৈ যাবৰ মন যায়। কিন্তু আৰু পথ নাই। তাইৰ বাবেটো জীৱনৰ পথৰেই বিকল্প নাই। আজিও ল'ৰাকেইটা আছে। পমিলিক দেখি-য়েই সিহঁতৰ মুখলৈ জেউতি নামি আহিল। চাবে তিনিশ জৰ্দা পান গাল ওফন্দি যোৱাকৈ খাই থকা ল'ৰাটোৱে পিক্ এসোপা দূৰলৈ পেলাই দি লগৰটোক কিবা এটা ইংগিত দিলে। পমিলিয়ে বুজে এই ইংগিতৰ অৰ্থ। তাইৰ কলিজাটো ধমহকৈ উঠিল যেন এশ বছৰীয়া বুঢ়া ওখ নাৰিকল গছৰ পৰা বে শুকাই যোৱা নাৰিকল এটা মাটিত সৰি পৰিল। সিহঁতলৈ চাবৰ আৰু ধৈৰ্য নাই! কিন্তু কাণ দুখন তাইৰ এতিয়াও জীয়াই আছে। চাৰমিনাৰ ফিল্টাৰ ডালত এটা হুপা মাৰি ধোঁৱাবোৰ নাকে-মুখে সমানে উলিয়াই দি আন এজনে ক'লে-

"আজি দেখোন মোট সলাই আহিল।" লগৰ কেইটাই অট্ট-হাস্য কৰিলে। এটাই দস্তুৰমতে চিঞৰিয়েই ক'লে-- "আৰে তই গৰমত সেই গৰুৰ চালখন লগায়েই থাকিবিনে ? ।

এপাত বিহ সনা কাঁড় যেন তাইৰ কাণেদি সোমাই গ'ল। খং, ঘৃণা, অপমানৰ ত্ৰিফলাই পমিলিৰ সৰ্বশৰীৰ জোকাৰি দিলে। তেতিয়াও কোনোবা এটাই কৈ আছিল-- "অৱশ্যে অফিচাৰ কেইটাৰ----"। ক্ৰমশঃ তাইৰ কাণ দুখনলৈ স্থৱিৰতা নামি আহিল। বাকীখিনি তাই নুশুনিলে। কিন্তু বুজিলে। মনলৈ নামি অহা বিৰক্তিৰ বাগে তাইক উটুৱাই আনি ঘৰ পোৱালে। তাই ভাবি নেপালে কি শক্তিয়ে তাইক এই ডেৰ মাইল বাট ইমান সোনকালে কঢ়িয়াই আনিলে।

ঘৰৰ ভিতৰ সোমায়েই বেৰত আঁৰি থোৱা হ'ম গাৰ্ডৰ খাকী পোছাকযোৰ চকুত পৰিল পমিলিৰ। কলিজাটো এটা বিষাক্ত কীটে যেন কটৰকৈ কামুৰি দিলে। সেই পোছাকে তাইক যেন উপহাস কৰিছে। মনৰ হেপাহ পলুৱাই পোছাকযোৰ আজুৰি আজুৰি চিঙিবৰ মন গ'ল। তাই আৰু টুপিটো; তাইৰ জীৱনৰ ব্যৰ্থতা, অপমানখিনিক ঢাকি ৰাখিবৰ বাবেই যেন টুপিটো পিন্ধিছে। কিন্তু ঢাকিব জানো পাৰিছে ? কথাবোৰ ভাবি তাইৰ মূৰ উদং হৈ যায়। যেতিয়া চৰকাৰে তাইৰ যৌৱনটোৰ ওপৰত জাপি দিয়া খাকি কাপোৰৰ পোছাকযোৰৰ জেপকেইটাত জীৱনৰ পৰাজয়ৰ গ্লানিবোৰ ভৰাই ঘৰলৈ আহে, তেতিয়া 'দীপ্তি পানবাহাৰ'ৰ সন্মুখত বাহাৰ কৰি থকা একে কেইটা ল'ৰাই তাইক এই গৰমত 'গৰুৰ চালখন' পিন্ধাৰ বাবে আপত্তি কৰে। আৰু আজি তাই কাপোৰযোৰ ধোৱাক দি ঘৰলৈ চাদৰ-মেখেলা পিন্ধি অহাটো সিহঁতৰ পচন্দ হোৱা নাই। কথাবোৰ ভাবি ভাবি বিছনাত পৰি থাকোঁতেই তাইৰ ভনীয়েক জোনটি স্কুলৰ পৰা আহি পালেহি ভাতৰ ঢাকনৰ ওচৰলৈ গৈ জোনটিয়ে বুজিলে পমিলিয়ে ভাত নোখোৱাকৈ শুই আছে। কথাটো ভাবি তাইৰ কণমানি অন্তৰখন মোচৰ খাই গ'ল। এইবোৰ তাইৰ সহজ অভিজ্ঞতা। পমিলিয়ে প্ৰায়েই এনে কৰে। মাজনিশা সাৰ পাই জোনটিয়ে নিচেই কাষতে শুই থকা বাইদেৱেকৰ উচুপনিৰ উমান পায়। মন যায় তাইৰ যেন বাইদেৱেকৰ চকুলোবোৰ এন্ধাৰৰ আঁৰ লৈ মচি দিব। কিন্তু তাইৰ তেজৰ সোঁত ধীৰ হৈ যায়। নিচেই কাষতে শুই থকা পমিলিৰ অশ্ৰুসিক্ত মুখখন তাইৰ পৰা যোজন পথৰ দূৰত যেন অনুভৱ হয়। তাই জানে বাইদেৱেকৰ চকু পানী তাই যিমানেই মচিব, সিমানেই বেছিকৈ ওলাব। আজিও তাই বুজিছে তথাপি পমিলিৰ ওচৰ পালেগৈ জোনটি।

"বাইদেউ"।

"কি"? গাৰুত মূৰ গুজি থাকিয়েই পমিলিয়ে ক'লে।

"তই দেখোন ভাত নোখোৱাকৈ শুই আছ ? গা বেয়া নেকি ?

"মোৰ গাতো ভাল লগা নাই, তই খাগৈ যা। মোৰ ভোক-লগা নাই।"

জোনটিয়ে বুজিলে বাইদেৱেকক জোৰ কৰি লাভ নাই! তাই ভাতৰ পাতত বহিলেগৈ। কিন্তু খাব নোৱাৰিলে। ডিঙিটোত কিহবাই বাট ভেটি ধৰিলে। চকুৰ পানীৰ প্ৰাচীৰৰ মাজেদি তাই সানি লোৱা ভাত বোৰ নেদেখা হ'ল। কাঁহীখনত তাই তৰ্জনি আঙুলিৰে কিবা লিখি থাকিল। হয়তো কলিজাৰ মূক ভাষা।

বেলি ডুবিবৰ সময়ত ঘৰৰ সন্মুখতে বহি জোনটিয়ে ঘূৰণীয়া ফ্ৰেমত টেবুল ক্লথ এখনৰ চুক এটা লগাই লৈ ফুল গুঠিবলৈ লাগিল। বিচনাত চট্‌ফটাই থকা পমিলি ওলাই গৈ তাইৰ কাষতে মূঢ়া এটা পাৰি বহিল। সিহঁতে কোনো কথা নেপাতিলে। ভায়েক কানুৰ মাত নুশুনি তাই তাৰ বিষয়ে ভাবিছিল যদিও জোনটিক একো নুসুধিলে। নিজৰ জীৱনটোৰ হিচাপেই তাই উলিয়াব পৰা নাই। এনেতে এহাতে বৰশী আৰু আনহাতে মাছৰ লানি এডাল লৈ কানু দৌৰি আহিল। বৰ উল্লাসেৰে সি দূৰৰ পৰা চিঞৰি আহিল -- "বাইদেউ আজি পৰুৱাৰ টোপ নহয়, একদম ৰক্ষা নাই। দিয়াৰ লগে লগে---। গ'ৰৈ পাঁচটা, কাৱৈ পোন্ধৰটা, কণীলগা চিঙৰা----।" হঠাৎ তাৰ হিচাপৰ তালিকাখন বন্ধ হৈ গ'ল। জোনটি আৰু পমিলিৰ পৰা কোনো সন্তোষজনক সঁহাৰি নেপাই তাৰ ন' বছৰীয়া সৰু মনটো দমি গ'ল। জোনটিয়ে মাথো ক'লে-- "যা বেৰত থকা খালৈটোতে থৈ হাতভৰিকেইটা ধুই ল'গৈ।"

আঁঠুলৈকে বোকা লাগি শুকাই বগা হৈ পৰা ভৰিকেইটা জেঠমাহৰ ৰ'দে পোনপতীয়াকৈ চুকি পাই ক'লা কৰা তাৰ পিঠিখন মাছৰ বাকলি লাগি থকা তাৰ হাত আৰু গাল দুখনৰে সৈতে কানুক বৰ বিকৃত লাগিল পমিলিৰ। তাই তাক একো নক'লে। তাক কবই বা কি ? আনদিনা তাই গধূলি কানুক পঢ়ায়। পাঁচ সাত গুণ কিমান, শঙ্কৰদেৱৰ জন্ম ক'ত হৈছিল ? তিনিবিধ বাকলি নোহোৱা মাছৰ নাম সোধে। বামি আৰু তুৰা মাছৰ যে সৰু সৰু বাকলি আছে আৰু সেই কেইটা যে বাকলি নোহোৱা মাছৰ শাৰীত নপৰে তাক বুজাই দিয়ে। কিন্তু আজি তাই একো কৰা নাই। জোনটিয়ে পমিলিৰ কথা বুজি পাইছে যদিও প্ৰকৃত ঘটনা কি সোধা নাই। তাই নিজে চাকি বাতি জ্বলালে। 'মাতৃ' ধূপ দুডাল জ্বলাই দুৱাৰ মুখৰ বাহৰ বেৰ দুখনত গুজি দিলে। পিছত ভায়েক কানুৰ সৈতে পঢ়া টেবুলত বহিলগৈ। কিন্তু তাই পঢ়িব নোৱাৰিলে। কানুৱে পঢ়িলে মক্কা দিল্লীতকৈ দূৰ। মক্কাত হজৰত মহম্মদৰ জন্ম হৈছিল------।" কিন্তু অনতিপলমে বেলাটো বৰশী বাই অহা ভাগৰৰ বাবে এতিয়া নিজে বৰশী চিপ্‌টোৰ দৰে কিতাপৰ ওপৰত উঠা-নমা কৰাত লাগিল। আনদিনা হোৱাহেঁতেন সি নিশ্চয় ধমক খালেহেঁতেন। কিন্তু আজি তাক ধমক দিয়া বাইদেৱেক দুয়োজনীয়ে নিজৰ জীৱনৰ ধমক্ খাই নিস্তব্ধ হৈ আছে।

বহু সময়লৈকে বাহিৰত বহি থাকিল পমিলি। ভাত ৰান্ধিবৰ বা খাবৰ ইচ্ছা নাই তাইৰ। মাথো এটা সিদ্ধান্ত বিচাৰি তাইৰ মন বাউলী হৈছে। তাইক এটা পথ লাগে। কি পথ ? কোন পথ ? ?? ভাবি তাই চলাথ কৰিছে মাথো,

বিচাৰি পোৱা নাই। জোনটিৰ কথা ভাবি তাই ভাত ৰান্ধিবলৈ বুলি ভিতৰ সোমাল। ৰাতি ভাত খাবলৈ বুলি কানুক চিঞৰি চিঞৰি তুলিব নোৱাৰিলে দুয়োজনী বায়েকে। অন্তৰৰ মাজেদি এটা বেদনাৰ সিঁহৰণ পাৰ হৈ গ'ল সিহঁতৰ। অন্ততঃ সিয়েই এই মাছ কেইটা জেঠ মহীয়া ৰ'দত বৰশী বাই আনিছিল।

বাৰে বাৰে চেষ্টা কৰিও টোপনি যাব নোৱাৰিলে পমিলিয়ে। মাজে মাজে বুকু ভাঙি যোৱা একোটি হুমুনিয়াহ ওলাই আহিল কাষতে শুই থকা জোনটিৰ কথা ভাবি তাই সংযত হ'বৰ চেষ্টা কৰিলে। এই আন্ধাৰৰ মাজত তাই অনুভৱ কৰিলে জোনটিয়ে যেন তাইলৈ চাই আছে। গাটো জিকাৰ খাই উঠিল তাইৰ। কিন্তু তাইক এটা সমিধান লাগে। বিগত দিনবোৰৰ স্মৃতি-বোৰ তাইৰ মনত ভাঁহি উঠিল।

পমিলিৰ গাৰ কাপোৰে যি সময়ত ভাঁজ সলাইছিল সেই সময়ত দেউতাকে তাইক এসাজ ভাল কাপোৰ আনি দিয়াৰ সামৰ্থ হেৰুৱাইছিল। মৃত্যুৰ বাবে বিচনাত ক্ষণ গণি থকা মাকক তাই এপালি ভাল দৰৱ দিব নোৱাৰিছিল। অতিশয় সংকটৰ সময়ত দেউতাকে ডাক্তৰ মাতিছিল। চাকিৰ নোৱৰা যৌৱনটো লৈ পমিলি ডাক্তৰৰ আগলৈ ওলাব নোৱাৰিছিল। এদিন তাইক মাকে এৰি থৈ গ'ল। তাই কান্দিলে, বহু কান্দিলে। কিন্তু সিহঁতৰ বাবে ইয়াই যথেষ্ট নহয়। বহুদিন কাহ হৈছে বুলি ভাবি থকাৰ পিছত এদিন দেউতাকৰ মুখেদি তেজ ওলাল। তেওঁ ইমানদিনে কাঁহৰ প্ৰকৃত কাৰণ ল'ৰা-ছোৱালী কেইটাৰ আগত ঢাকি ৰাখিছিল। কিন্তু এতিয়া আৰু উপায় নাই। পমিলিয়ে বুজিলে দেউতাকৰ অচিন যাত্ৰাৰ কথা। জোনটি আৰু কানুৱে নুবুজিলে। কানুয়ে পমিলিক কলে--"বাইদেউ, দেউতাৰ মুখৰ পৰা তেজ ওলাইছে কিয়? আমি কাহিলে নোলায় দেখোন।" চকু মুদি তাই ভায়েকক সাৱতি ধৰিলে। এদিন নিৰলে পমিলিক মাতি নি দেউতাকে বহু কথা ক'লে, "মাজনী! তই ডাঙৰ ছোৱালী। সিহঁত দুটাক তই চাবি। তহঁতক জনম দিলো আৰু হয়তো একোৱেই দিব নোৱাৰিলো। মোক ক্ষমা কৰিবি।" তেওঁৰ হয়তো আৰু বহুত কিবা ক'ব লগা আছিল। কিন্তু ক'ব নোৱাৰিলে। ধাৰাসাৰে চকুলো ওলাল। তেওঁ সৰু ল'ৰা এটাৰ দৰে উচুপিবলৈ ধৰিলে। লগে লগে বুকু ভাঙি তেওঁৰ কাঁহ উঠিল। পমিলিয়ে বুকুত হেঁচি ধৰিলে। কিন্তু তেওঁ কাহিয়েথাকিল। মুখেদি হোলোকে হোলোকে তেজ ওলাল। আৰু পিছত?---

বজ্ৰপাত পৰাৰ দৰে পমিলি থৰ হৈ গ'ল। এইখন সমাজত তাই কিদৰে চলিব। পথ কি? ভাবি তাই হায়ৰাণ হ'ল। বিবেকৰ খেলিমেলি যুক্তি নেওছি তাই এদিন গৃহৰক্ষী বাহিনীত ভৰ্তি হ'ল। তাইক মাথো পথ লাগে জীয়াই থকাৰ আৰু তাই জোনটি, কানুক গঢ়িব খোজে। সেইদিন ধৰি তাই 'দীপ্তি পান বাহাৰ'ৰ সন্মুখৰ আধুনিক ডেকাকেইটাৰ ঠাট্টা মস্কৰা শুনি আহিছে।

কিন্তু আজি তাইৰ অসহ্য লাগিছে। এদিন সিহঁত পান দোকানৰ পৰা আঁতৰি যাব। তাত আকৌ নতুন এচাম আহিব। সিহঁতেও তাইক একেদৰেই সম্ভাষণ জনাব। তাই ভাবে--যেন চাকৰি এৰি দিব, কিন্তু বিকল্প কি? চাকৰি এৰাৰ পিছত সেইকেইটা ডেকাই তাইৰ যৌৱনৰ ওচৰলৈ দেউতাক-হঁতে উপাৰ্জন কৰা বাহিৰা টকাৰ একাংশ লৈ নাহিবনে? চাকৰি এৰিলে জোনটি আৰু কানুয়ে কিদৰে পঢ়িব? কথা-বোৰ ভাবোঁতে তাইৰ দেউতাকলৈ মনত পৰিল। সকলো বাধা নেওচি তাই উচুপি উঠিল।

"বাইদেউ তই আজিৰ পৰা চাকৰি কৰিব নেলাগে।" ইমান পৰে বিছনাত ইকাটি-সিকাটি কৰি থকা জোনটিয়ে কলে। তাই বুজিছে পমিলিয়ে এই চাকৰি কৰি বাৰে বাৰে অপমান পাইছে।

পমিলিয়ে একো নকলে। তাই ভাবিব পৰা নাছিল জোন-টিয়ে তাইৰ উচুপনিৰ কাৰণ বুজিপাব বুলি। একে মাক বাপেকৰ সন্তান বাবেই হয়তো তাইৰ কলিজাৰ ঢপঢপনি জোন-টিৰ কলিজাত প্ৰতিধ্বনিত হৈছে। জোনটি এতিয়া সৰুজনী হৈ থকা নাই। তাই নৱম মান শ্ৰেণীত পঢ়ে। সিহঁতৰ ওপ-ৰত কৰা কু-মন্তব্যবোৰ তাই বুজি পায়। কিন্তু তাই হয়তো মই চাকৰি এৰাৰ পিছত বিকল্প পথটোৰ কথা বুজি পোৱা নাই--ভাবিলে পমিলিয়ে। বিকল্প পথ? ভাবি তাইৰ গা শিয়ঁৰি উঠে। নাই! তাই হাজাৰ অপমান মূৰ পাতি হলেও চাকৰি কৰিব। জোনটি আৰু কানুৰ জীৱনটোক তাই একোটা অভিশাপ হ'বলৈ নিদিয়ে। এক অজান পুলকে তাইক আপ্লুত কৰি তুলিলে। কাষতে শুই থকা জোনটিক সাবটি মাৰি ধৰিলে, অস্ফুট স্বৰত উচ্চাৰণ কৰিলে--'জো-ন-টি!" ০০০



# ছাত্ৰ সন্থাৰ উপসভাপতিৰ একাষাৰ
## ১৯৮২-৮৩

প্ৰতিবেদনৰ আৰম্ভনিতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, কৰ্মচাৰী বৃন্দ, শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয় কৰ্তৃপক্ষলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰীতি শুভেচ্ছাপূৰ্ণ নমস্কাৰ নিবেদন কৰিছোঁ।

এইখিনিতে উনুকিয়াই থওঁ যে এই উপসভাপতি পদটো ইয়াৰ আগতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহোদয়ে গ্ৰহণ কৰি আহিছিল। কিন্তু সংবিধান সাল-সলনিৰ জৰিয়তে ১৯৮২-৮৩ চনৰ বছৰটোৰ পৰা এই পদবীটো ছাত্ৰ-ছাত্ৰীসকলে গ্ৰহণ কৰে। অৱশ্যে উপসভাপতিজন মনোনীতহে হ'ব আৰু সেইমতেই মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সংবিধানত সন্নিবিষ্ট হৈছে। এই পদত পোন প্ৰথমবাৰৰ কাৰণে আমাকেই ছাত্ৰ-ছাত্ৰীসকলে মনোনীত কৰাত সকলোলৈকে ধন্যবাদ জনাইছোঁ।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ উপসভাপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত গোটেই বছৰটোৰেই ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আমি কিমান দূৰ কৃতকাৰ্য হৈছিলোঁ সেয়া সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ বিচাৰ্য বিষয়। ছাত্ৰ-ছাত্ৰীৰ কল্যানৰ বাবে কৰা কাৰ্যসূচীত আমাৰ লগত সহযোগ কৰা সকলো ছাত্ৰ-ছাত্ৰীকে মই ছাত্ৰ সন্থাৰ হৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ উপসভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত সাধাৰণ সম্পাদক শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া, কমলা বৰা, ৰাণা বৰা, হৰিনাৰায়ণ বৰুৱা আৰু মই আমাৰ মহাবিদ্যালয়ৰ পৰা নগাওঁ সদৰ আঞ্চলিকত প্ৰতিনিধিত্ব কৰোঁ। ইয়াৰ উপৰি শ্ৰীতৰুণ চন্দ্ৰ শইকীয়াই "সদৌ নগাওঁ জিলা ছাত্ৰ সন্থাৰ উপসভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰে। প্ৰতিনিধিত্ব কৰিবৰ বাবে আমাক মহাবিদ্যালয়ৰ পৰা পঠোৱা বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ অকৃত্ৰিম মৰম থাকিল।

আমাৰ এই কাৰ্যকালৰ সময়ত এক অবৈধ নিৰ্বাচনৰ অজুহাতত আমাৰ ছাত্ৰসমাজৰ অবৰ্ণনীয় ক্ষতি হয়। অধ্যক্ষ আব্দুল হাই ছাৰ, উপাধ্যক্ষ মহোদয় আৰু সাধাৰণ সম্পাদকক লৈ মই নগাওঁ জিলাৰ ক্ষতি গ্ৰস্ত গাওঁসমূহ পৰ্যৱেক্ষণ কৰোঁ আৰু যথাবিহিতভাৱে ৰাইজলৈ সাহায্য আগবঢ়াওঁ। ইতিমধ্যে এই সময়ত আমাৰ মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰীৰেই ঘৰ-বাৰী পুৰিছে আৰু আন কাৰোবাৰ কিতাপ-পত্ৰবোৰ পুৰিছে। দান-বৰঙণি সংগ্ৰহ কৰি ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহায্য বিতৰণ কৰা হৈছে।

তদুপৰি আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ভূধৰ ডেকা, নৰেন নাথ ডিমৌত পুলিচৰ গুলীত নিহত হয়। আমি বিশেষ মৰ্মাহত হৈছোঁ যে মোৰ অতি মৰমৰ বন্ধু আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত চিৰপৰিচিত সমাজকৰ্মী, শ্ৰীঘন বৰাৰো আকস্মিকভাৱে মৃত্যু হৈছে। এই আটাইকেই গৰাকী ছাত্ৰৰ বিদেহী আত্মাৰ সদগতি কামনা কৰিলোঁ।

এইবছৰ আমাৰ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বছৰ। সেইবাবে ১৯৮৩ চনৰ ২৫ নৱেম্বৰৰ পৰা বিভিন্ন কাৰ্যসূচীৰে পাতিবলৈ আয়োজন কৰিছোঁ। ইয়াৰ লগতে আমাৰ মহাবিদ্যালয়ৰ "নৱাগত" সকলো ছাত্ৰ-ছাত্ৰীকেই আদৰিবলৈ বিচৰা হৈছে। তদুপৰি এই কাৰ্যকালৰ ভিতৰত ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰীলৈ ৰূপালী জয়ন্তী বৰ্ষৰ বাবে আন্তৰিক শুভেচ্ছা জনাবলৈ পাই মই অতিকৈ আনন্দিত হৈছোঁ।

অইন কেইবছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি মহা সমাৰোহেৰে পালন কৰা হয়। ইয়াৰ উপৰিও বৰ্তমানে চলি থকা বিদেশী বহিষ্কাৰ আন্দোলনৰ বাবে সৰস্বতী পূজা জাক-জমকতাৰে নাপাতি অনুষ্টুপীয়াকৈ পতা হয়। ফাতেহা-ই-দোৱাজ ডহেম সমূহ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকা বৃন্দৰ সহযোগত উদযাপন হয়।

এইবছৰত যিসকল গুণী-জ্ঞানী ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে কালৰ আহবানত মৃত্যু বৰণ কৰিলে সেইসকলৰ আত্মাৰ সদগতিৰ অৰ্থে আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা শোকসভা পাতি তেৰাসবৰ শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰা হয়।

ইতিমধ্যে "সদৌ অসম ছাত্ৰ সন্থা"ৰ মনোনীত সদস্য-সকলক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচিত কৰি এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনক ক্ৰমান্বয়ে উন্নতিৰ পথলৈ আগুৱাই নিয়াত সুযোগ পাইছো আৰু এই সুবিধা গ্ৰহণ কৰি কৰ্তব্যৰ পথত অগ্ৰসৰ হৈছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালৰ ভিতৰত বিভিন্ন বিষয়ত সহায় সহযোগ আগবঢ়োৱা অধ্যক্ষ মঃ আব্দুল হাইদেৱ, উপাধ্যক্ষ শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ্মণ লগতে আমাৰ অধ্যাপক সৰ্বশ্ৰী পুষ্পকান্ত বৰা, ডঃ নৰেন কলিতা, চৰিফুদ্দিন, চিদ্দিক ছাৰ অধ্যাপিকা গীতিমল্লিকা শইকীয়া, শ্ৰীআশ্ৰফ আলীদেৱৰ ওচৰত মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তাৰ উপৰি মোৰ সকলো কামতে দিহা-পৰামৰ্শ দিয়া বাবে বন্ধুবৰ সাঃসঃ শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া, সুৰেণ মহন্ত, প্ৰগতি খাউণ্ড, দীপালী বৰা, মুকুল বৰা, শৰৎ কুমাৰ সুত, বেলায়েত হুচেইন, চেনীৰাম বৰালৈ কৃতজ্ঞতা জনাইছোঁ। আনহাতে কাৰ্যকালৰ ভিতৰত অজানিতে কৰা ভুল ত্ৰুটিৰ বাবে শ্ৰদ্ধাভাজন, শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ ওচৰত ক্ষমা বিচাৰিছো।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ উজ্বল ভোটা তৰাৰ পোহৰতে কালৰ সংঘাত দূৰ কৰি প্ৰগতিৰ পথত আগবঢ়াওক। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ "ছাত্ৰ-সন্থা" দীৰ্ঘজীৱি হওঁক; নতুন পুৰুষৰ ভাবধাৰা উজ্বল হওঁক, ছাত্ৰ সংহতি যুগমীয়া হওঁক।

"জয় আই অসম"

**শ্ৰীপ্ৰদীপ কুমাৰ বৰুৱা**
উপসভাপতি
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ছাত্ৰ সন্থা

# সম্পাদকীয় প্ৰতিবেদন

## ॥ সাধাৰণ সম্পাদক ॥

জয় জয়তে বুৰঞ্জীপ্ৰসিদ্ধ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। অসমৰ ৰাইজ বৰ্তামান বিপদাপন্ন। যিটো সময়ত একেবাহেই অসমৰ ৰাইজে সাৰ্বভৌম সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত বিভিন্ন ধৰণৰ হেঙাৰৰ সন্মুখীন হব লগা হৈছে ; যিটো সময়ত আমি আমাৰ অস্তিত্ব ৰক্ষাৰ বাবে পৃথিৱীৰ বুৰঞ্জীৰ পাতত বিচাৰি নোপোৱা অহিংস আন্দোলন কৰিবলগীয়া হৈছে ; তেনে এটা মুহূৰ্তত একেবাহে দুবাৰকৈ এই অভাজনক আপোনালোকে সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব দি আপোনালোকৰ নেতৃত্ব দিবৰ বাবে আগবঢ়াই দিলে তাৰবাবে পুনৰ বাৰৰ বাবে আপোনালোকৰ ওচৰত চিৰকৃতজ্ঞ। কিন্তু কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছৰ পৰাই মহাবিদ্যালয়ৰ লগতে এই মহান অভূতপূৰ্ব গণআন্দোলনত কি নেতৃত্ব দিব পাৰিছো, সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। এখন সমস্যাবহুল মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে যেনে ধৰণেৰে সমস্যাৰ সমাধান কৰিব পাৰিব লাগিছিল, সেয়া বিশেষকৈ আন্দোলনত ওতঃপ্ৰোতঃভাৱে জপিয়াই পৰিবলগীয়া হোৱাৰ বাবেই যে হৈ নুঠিল সেই কথা মই পুনৰ নকলেও ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবী সকলৰ লগতে অসমৰ ৰাইজেও নিশ্চয় জানে যেতিয়া অসমৰ ছাত্ৰ-ছাত্ৰীৰ লগতে জনসাধাৰণেও অস্তিত্ব ৰক্ষাৰ বাবে সংগ্ৰামত জপিয়াই পৰিব লগা হয় ; তেনে সময়ত এখন মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কথা কেতিয়াও চিন্তা কৰিব নোৱাৰি।

প্ৰথম বছৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ বছৰেকীয়া ক্ৰীড়া মহোৎসৱ পতাৰ আয়োজন কৰা হয়। এই উৎসৱ পাঁচদিনীয়াকৈ পাতি সামৰণি পেলোৱা হয়। যিহেতুকে অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহা বিদ্যালয় বিভিন্ন খেল-ধেমালিৰ ক্ষেত্ৰত এটা বিশেষ অধ্যায়ৰ সূচনা কৰি আহিছে। ইয়াত যিসকলে বিশেষ স্থান অধিকাৰ কৰে সেইসকল ছাত্ৰক আন্তঃমহাবিদ্যালয় মহোৎসৱত যোগদানৰ সুবিধা দিয়া হয়, আৰু তাতে আমাৰ মহাবিদ্যালয়ে বিশেষ বিশেষ কিছুমান স্থান অধিকাৰ কৰি আহিছে। সেয়েহে আমাৰ মহাবিদ্যালয়ত এই বছেৰেকীয়া ক্ৰীড়া মহোৎসৱৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীয়েই অগ্ৰাধিকাৰ দিয়ে আৰু বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সমৰ্থ হয়।

ইয়াৰ কিছুদিনৰ পিছতে অসমৰ আন্দোলনৰ বাবে বহুদিনলৈ মহাবিদ্যালয় বন্ধ থাকে আৰু সকলো ছাত্ৰ-ছাত্ৰীয়েই আন্দোলনত জপিয়াই পৰিবলগা হয়। মোৰ কাৰ্য্যকালৰ প্ৰথম বছৰৰ শেষৰ পিনে আন্দোলনৰ গতিধাৰা সলনি হয় আৰু লগে লগেই নৱাগত আদৰণি উৎসৱ পতাৰ সময় আহি পৰে। কম সময়ৰ ভিতৰতেই মহাবিদ্যালয়ৰ ছাত্ৰাবাস যিটো ছাত্ৰৰ বাবে অতি প্ৰয়োজনীয়, সেই ছাত্ৰাবাসটিৰ মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি বহু চেষ্টাৰ মূৰত কোনোমতে তাত ছাত্ৰ থাকিব পৰা অৱস্থাটো কৰিব পৰা হয়। কিন্তু মোৰেই দুৰ্ভাগ্য যে ছাত্ৰাবাসৰ কামটো সম্পূৰ্ণ কৰিব পৰা নহ'ল। ইয়াৰ কাৰণ গৃহনিৰ্মাণ সামগ্ৰীৰ অভাৱ আৰু আৰ্থিক দুৰৱস্থা।

ইয়াৰ বাহিৰেও মই প্ৰথম বছৰতেই ছাত্ৰ একতা সভাৰ সিদ্ধান্ত অনুযায়ী মহাবিদ্যালয়ৰ চাৰিবেৰ, কেন্টিন, ছাত্ৰীৰ কাৰণে ছাত্ৰীবাস, বিজ্ঞান শাখাৰ উন্নতিৰ লগতে বেজবৰুৱা ভৱনৰ ওপৰত আৰু এটা স্তৰ নিৰ্মাণ কৰাকে মুখ্য কৰি কেইবাখনো স্মাৰক-পত্ৰ, কৰ্তৃপক্ষৰ ওচৰত দিয়া হৈছিল। শেষত ইয়াৰ দ্ৰুতগতিত উন্নতিৰ বাবে ছাত্ৰ একতা সভাৰ পিনৰ পৰা আন উপায়েৰে অৰ্থ সংগ্ৰহৰ বাবে যাদুকৰ, সঙ্গীত সন্ধিয়াৰ আয়োজন কৰাৰ বাবেও বহু চেষ্টা কৰিছিলো, কিন্তু আন্দোলনৰ পৰিপ্ৰেক্ষিতত সময়ত বহুবাৰ চেষ্টা কৰিও কৃতকাৰ্য্য হব নোৱাৰিলো। স্মাৰকপত্ৰ দিয়াৰ পিছত কৰ্তৃপক্ষৰ কিছু হেমাহি দেখি আমাৰ ফালৰপৰা চৰম-পত্ৰ দিয়া হৈছিল ; সেই অনুযায়ী এসপ্তাহ ধৰি মহাবিদ্যালয় বন্ধ পালন কৰা হৈছিল। শেষত কৰ্তৃপক্ষই সিদ্ধান্ত কৰি সন্থাৰ দাবীবোৰ খৰতকীয়াকৈ পূৰণ কৰিবৰ বাবে আগবাঢ়ি আহোঁতে আন্দোলনৰ পৰিপ্ৰেক্ষিতত বহুদিনলৈ মহাবিদ্যালয় বন্ধ হবলগীয়া হয়। তাৰ ফলত যিবোৰ কাম হাতত লোৱা হৈছিল, সেই সকলোবোৰ সাময়িকভাৱে বন্ধ থাকিব লগাত পৰে। কাৰণ মূল সমস্যাৰ পৰা ফালৰি কাটি গৈ এখন মহাবিদ্যালয়ৰ প্ৰগতিৰ চিন্তা কেতিয়াও কৰিব নোৱাৰি। যি হওক মোৰ প্ৰথম বছৰৰ কাৰ্য্যকালৰ ভিতৰতে, বিশেষকৈ ছাত্ৰাবাসটিৰ ওপৰত যথেষ্ট পৰিমাণে ছাত্ৰ একতা সভাই গুৰুত্ব দিছিল, যাতে বহুদিন পৰি থকা ঘৰটোৰ কেইটামান কোঠা হলেও আগন্তুক নৱাগত আদৰণি উৎসৱত সমূহীয়াকৈ উদ্বোধন কৰিব পাৰে। সেয়েহে ছাত্ৰ একতা সভাৰ বন্ধুবৰ সদস্যসকলৰ সহযোগত যেনে তেনে

বহু কষ্ট কৰি নৱাগত আদৰণি উৎসৱৰ দিনা সেই সময়ৰ নগাঁৱৰ উপায়ুক্তৰ দ্বাৰা ছাত্ৰাবাসটি উদ্বোধন কৰা হয়।

ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ নিৰ্বাচন পতা হয়। বহুতো বন্ধুবান্ধৱৰ অনুৰোধত মই পুনৰ বাৰৰ বাবে নিৰ্বাচনত উঠিবলৈ সিদ্ধান্ত ললো। নিৰ্বাচনত জয়ী হোৱাত যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক সহায় কৰি তেখেত-সকলৰ এই মহান গুৰু দায়িত্ব পালন কৰাত সহায় কৰিলে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। দ্বিতীয় বছৰত নিজৰ পঢ়া-শুনাকে ধৰি বিভিন্ন কামত এই গভীৰ দায়িত্ব পালন ভালদৰে কৰিব পাৰিমনে নোৱাৰিম চিন্তিত হৈছিলো।

কিন্তু মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ সহযোগত অশেষ সহায় ও দিহা-পৰামৰ্শ, বুদ্ধি আদিৰে মোক সহায় কৰাৰ লগতে মাননীয় স্বনামধন্য অধ্যক্ষৰ সম্পূৰ্ণ সহযোগিতা আৰু অধ্যাপক, অধ্যাপিকাসকলৰ সহায়েৰে, দ্বিতীয় বছৰত এই দায়িত্ব পালন কৰাত মই বিশেষ অসুবিধা অনুভৱ কৰা নাছিলো; কিন্তু কি কৰিলো আৰু কি কৰিব পাৰিম, সেইটো আপোনালোকৰ সম্পূৰ্ণ বিচাৰ্য্যৰ বিষয়।

দ্বিতীয় বছৰত দায়িত্ব গ্ৰহণ কৰাৰ লগে লগেই অসমত যি বুৰঞ্জীৰ পাতনি মেলিলে সেইয়া পৃথিৱীৰ বুৰঞ্জীত পাতত বিচাৰি নোপোৱা বেদনাদায়ক আৰু শোকাবহ কাহিনী। ইয়াত অসমৰ জনসাধাৰণৰ লগতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ত্যাগো যথেষ্ট, যাক তুলনা কৰিব নোৱাৰি। একেৰাহে ৪।৫ মাহ ধৰি অসমত যি ঘটনাৰ সূত্ৰপাত হ'ল তাৰ বাবে জনসাধাৰণৰ লগতে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও জীয়াতু ভুগিব লগাত পৰিছে। এই বিদেশী বহিষ্কাৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত সম্পূৰ্ণ সহায় ও সাহসৰ পৰিচয় দিবলৈ যাওঁতে দুজনকৈ ফুলকুমলীয়া ছাত্ৰ আমাৰ মহাবিদ্যালয়ৰ পৰা অকালতে শ্বহীদ হবলগীয়াত পৰিল। ডিমৌৰ ওচৰত পথবন্ধ কাৰ্য্যসূচীত যোগদান কৰিবলৈ যাওঁতে অকালতে মৃত্যুবৰণ কৰিবলগা এই ছাত্ৰ দুজন শ্বহীদ নবেন নাথ আৰু ভূ-ধৰ ডেকাক আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলে কেতিয়াও পাহৰিব নোৱাৰে। তথাপিতো ইয়াৰ মাজেদিয়েই মহাবিদ্যালয়ৰ বছেৰেকীয়া ক্ৰীড়া মহোৎসৱ আদিও পতা হয়, য'ত ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালি, সঙ্গীত প্ৰতিযোগিতা, নাটক আদি বিষয়ত নিজৰ নিজৰ প্ৰতিভা বিকাশ পোৱাত সহায় আৰু সুযোগ পায়। সেইকাৰণে অসমৰ বিভিন্ন কলেজত এই বছেৰেকীয়া ক্ৰীড়া মহোৎসৱে এক বিশেষ স্থান পাই আহিছে। ইয়াৰ পিছতেই পৰীক্ষাসমূহ অনুষ্ঠিত হোৱাত পৰীক্ষাৰ বাবে ব্যস্ত হবলগীয়াত পৰিলো।

মোৰ কাৰ্য্যকালৰ ভিতৰতে আমাৰ মহাবিদ্যালয়ে পঁচিশ বছৰত ভৰি দিয়াত ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰিবলৈ ওলোৱাত মই গৌৰৱ অনুভৱ কৰিছোঁ আৰু নিজকে ধন্য মানিছো। আমাৰ মহাবিদ্যালয়খনে আৰম্ভণিৰ পৰাই বহুতো অভাৱ অভিযোগৰ মাজেদি পৰিচালিত হৈ সকলো অন্তৰায় অতিক্ৰম কৰি বৰ্তমান ক্ৰমে উন্নতিৰ পথলৈ আগবাঢ়িছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত শতকৰা আশী-ভাগেই গাঁৱলীয়া। সেই কাৰণে এই মহাবিদ্যালয়খন নগাঁও চহৰৰ মাজ-মজিয়াত স্থাপিত হলেও এই মহাবিদ্যালয়ত গাঁৱলীয়া এটা সুন্দৰ পৰিৱেশ থকা বুলি কলেও ভুল কৰা নহব। অসমৰ বিভিন্ন গাঁৱৰ, বিভিন্ন জাতি-উপজাতিৰ ছাত্ৰ-ছাত্ৰী-সকলৰ মাজত এটা মধুৰ সম্পৰ্ক আৰু সুন্দৰ সমন্বয় আছে বুলি মই ভাবো। ঠিক সেইদৰে শিক্ষক আৰু ছাত্ৰৰ মাজত যেনে ধৰণৰ সম্বন্ধ আৰু সহযোগিতা আছে, সেইটো বোধহয় অসমৰ কোনো মহাবিদ্যালয়তে নাই বুলি মই ভাবো। মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো, যাতে ছাত্ৰ আৰু শিক্ষকৰ মাজৰ এই মহান সম্পৰ্ক অব্যাহত থাকে। মহাবিদ্যালয়ত দিনক দিনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমাৎ বাঢ়ি আহিছে; কিন্তু ছাত্ৰ-ছাত্ৰী অনুপাতে বিভিন্ন দিশত সুবিধাসমূহ দিব নোৱাৰা-টোহে এটা বিশেষ অসুবিধা হৈ পৰিছে। এই ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ মাজেদি ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিবলগা বিশেষভাৱে পৰিলক্ষিত হৈছে। কিন্তু অসুবিধাসমূহ দূৰ কৰিবৰ বাবে কলেজ কৰ্তৃপক্ষ তথা চৰকাৰে যেনে ধৰণে সহায় কৰিব লাগিছিল, তাৰপৰা সম্পূৰ্ণৰূপে বিৰত থকাটোহে দেখিবলৈ পোৱা গৈছে। প্ৰতিটো ক্ষেত্ৰতে মহাবিদ্যালয় ছাত্ৰ সন্থাই বিশেষভাৱে মনোনিৱেশ কৰাতহে কিছুক্ষেত্ৰত আগবাঢ়িব পৰা গৈছে।

ক্ৰমবৰ্দ্ধিত হাৰে বৰ্তমান আমাৰ মহাবিদ্যালয়ত দিন আৰু নিশা শাখা মিলি প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰী আছে।

এই ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট সংখ্যক গাঁও অঞ্চলৰ অৰ্থ-নৈতিক দিশত শোচনীয় পৰিয়ালৰ মানুহৰ পৰা পঢ়িবলৈ আহে। মহাবিদ্যালয়খনৰ পৰা যিমান গৰা যায় সুবিধাখিনি দিয়া হয় কিন্তু এইখিনিয়েই যথেষ্ট নহয়। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে আমাৰ অভাৱ-অভিযোগবোৰ ক্ৰমাৎ বৃদ্ধি হোৱা দেখা পোৱা গৈছে। ছাত্ৰাবাসৰ প্ৰয়োজন বিশেষভাৱে অনুভূত হৈছে। ছাত্ৰসকলক হোষ্টেলত থকাৰ সুবিধা দিব নোৱাৰা বাবে বহু ছাত্ৰই অশেষ কষ্ট ভোগ কৰিব লগাত পৰিছে। অকল ছাত্ৰৰ ক্ষেত্ৰতেই নহয়, ছাত্ৰীৰ হোষ্টেল নিৰ্মাণৰ কামো অনতিপলমে আৰম্ভ কৰিব লাগে। ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস বিদ্যালয়ৰ এটা অবিচ্ছেদ্য অংগ। আবাসিক ব্যৱস্থাৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মানসিক গঠনত যথেষ্ট সহায় কৰে। বৰ্তমান ছাত্ৰীৰ জিৰণি কোঠাটো যথেষ্ট সৰু হৈছে। গতিকে ছাত্ৰীৰ জিৰণি কোঠাটো অতি সোনকালে আৰম্ভ কৰি ছাত্ৰীসকলৰ বহুদিনীয়া অভাৱ পূৰণ কৰিব লাগে। মহাবিদ্যা-লয়ত এখন উপযুক্ত কেন্টিন আৰু চাৰিসীমাৰ বেৰ (wall) নোহোৱাত শিক্ষাৰ পৰিৱেশ কিমান যে অসুস্থ হৈছে, সেইটো সকলোৱে জানে।

বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলে কিমান কষ্ট স্বীকাৰ কৰি পাঠ গ্ৰহণ আৰু পাঠদান কৰিছে তাক বহলাই নকলেও হব। নগাঁও জিলাৰ ভিতৰত হাজাৰ

হাজাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মাত্ৰ দুখনহে বিজ্ঞান কলেজ। নগাঁও কলেজ আৰু আমাৰ মহাবিদ্যালয়। কিন্তু এখন জিলাৰ দুখন মাত্ৰ বিজ্ঞান কলেজ হোৱা সত্বেও দিনে নিশাই ইমান কষ্টৰ মাজেৰে কিয় ছাত্ৰ-ছাত্ৰীসকলে পঢ়িব লগাত পৰিছে, মই ভাবিব পৰা নাই। শিক্ষাধিকাৰ, অসম চৰকাৰৰ শিক্ষা বিভাগ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grant Commiesion)ৰ লগত আজি কেইবা বছৰ ধৰি বহুবাৰ লগ ধৰি চেষ্টা কৰা সত্বেও সংশ্লিষ্ট মহলে কিয় ইমান হেমাহী কৰি মহাবিদ্যালয়খনক ক্ৰমান্বয়ে সংকটৰ মাজলৈ ঠেলি নিছে, আৰু আৰ্থিক অনুদানৰ পৰা বঞ্চিত কৰি ৰাখিছে তাৰবাবে আমি অতিশয় দুঃখিত। যিখন মহাবিদ্যালয়ত বিজ্ঞান শাখাত প্ৰায় ১০০০ (এক হাজাৰ) ছাত্ৰ-ছাত্ৰী সেইখনত নিজাকৈ আজিলৈ পাঠদানৰ বাবে এটা ঘৰ নহ'ল। গৱেষণাগাৰসমূহ একেবাৰে সৰু সৰু কোঠাৰ নিচিনা। কিমান কষ্টৰ মাজেদি ছাত্ৰ-ছাত্ৰী সকলে পঢ়িব লগাত পৰিছে, ভাবিলে আচৰিত লাগে। অধ্যাপক সকলেও সম্পূৰ্ণ মাহিলি বেতন নোপোৱাটো বৰ দুঃখৰ বিষয়। এইয়াই হৈছে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ দূৰৱস্থা আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ শিক্ষাৰ প্ৰতি থকা বিশেষ মনোযোগ। ক্ৰমান্বয়ে যেতিয়া দেখিলো বিজ্ঞান শাখাৰ অৱস্থা একেবাৰে শোচনীয় হৈ গৈ আছে, তেতিয়া মই ৰসায়ন বিভাগৰ মাননীয় মুৰব্বী অধ্যাপক হান্নান ছাৰ আৰু পদাৰ্থ বিজ্ঞানৰ মাননীয় মুৰব্বী অধ্যাপক আলি ছাৰৰ লগত আলোচনাত বহিছিলো। যাতে অতি সোনকালে অন্ততঃ ৰূপালী জয়ন্তীৰ আগে আগে শ্ৰেণীসমূহ অনুষ্ঠিত কৰিবৰ বাবে নিজাববীয়াকৈ এটা ঘৰ নিৰ্মাণ কৰিব পৰা যায়। তাৰ আগে আগে অধ্যক্ষ মহোদয়ৰ লগত সম্পূৰ্ণ আলোচনা কৰিছিলো ; পিছত মই মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ মুৰব্বী অধ্যাপকসকলক লৈ এখন সভা আহবান কৰিলো। সভাই বিজ্ঞান শাখাৰ বিষয়ে বিশদভাৱে আলোচনা কৰি "বিজ্ঞান শাখাৰ উন্নয়ন সমিতি" নামকৰণেৰে এখন সমিতি গঠন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰি মোক সমিতিৰ আহবায়ক নিৰ্বাচিত কৰিলে। মই দুদিনৰ পাছতেই অধ্যাপক খগেন মেহেলা ছাৰক লৈ শেনচোৱা অঞ্চলৰ ইটাভাটাসমূহত ইটা সংগ্ৰহৰ বাবে আগতীয়া জাননী দিবলৈ ওলাই গলো। সেই মৰ্মে তিনিদিনৰ পিছত অধ্যক্ষ মহোদয়, অধ্যাপক খগেন মেহেলা, ধৰ্মেশ্বৰ বৰা, জিতেন বৰা ছাৰক লৈ পুনৰ ইটা সংগ্ৰহৰ বাবে ৰচিদ বহী লৈ ইটাভাটালৈ ৰাওনা হলো। সেইমৰ্মে মুঠ প্ৰায় ২৫০০০ ইটা সংগ্ৰহ কৰা হ'ল, কিন্তু মহাবিদ্যালয় চৌহদত ৯০০০হে ইটা পৰিল। বাকীখিনি আনিবলৈ আৰম্ভ কৰোতেই অসমত অবৈধভাৱে নিৰ্বাচন পাতিবৰ বাবে সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত যি নাৰকীয় কাণ্ড ঘটিল তাৰ ফলত সকলোবোৰ শেষ হৈ গ'ল। মই আশা কৰো এই কামখিনি সম্পূৰ্ণ কৰাত, মোৰ পিছৰ ছাত্ৰ-ছাত্ৰীসকলে সহায় কৰে যেন। এইখিনিতে উল্লেখযোগ্য যে, বিজ্ঞান শাখাৰ প্ৰৱৰ্তন আৰু উন্নতিৰ ক্ষেত্ৰত অধ্যক্ষ মোঃ আব্দুল হাই ছাৰদেৰে আগবঢ়োৱা অৰিহণা আৰু অপৰিসীম চেষ্টাৰ ফলতেই আজি নগাঁও জিলাতে দ্বিতীয়খন বিজ্ঞান কলেজ হিচাপে আমাৰ মহাবিদ্যালয় পৰিগণিত হৈছে।

ইয়াৰ পিছত পৰিস্থিতি ক্ৰমান্বয়ে যেতিয়া ভাললৈ আহিছিল তেতিয়া কামত হাত দিওঁতেই কিছুমান মনে সজা আৰু অৰ্থহীন গোচৰত মোক পুলিচে গ্ৰেপ্তাৰ কৰে। ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত বন্দী হৈ থাকোতে কেৱল মোৰ চিন্তা হৈছিল, কেনেকৈ ওলাই গৈ অন্ততঃ মোৰ কাৰ্য্যকালৰ ভিতৰতে এই কামখিনি শেষ কৰিব পাৰোঁ। কিন্তু দুমাহৰ পিছত ওলাই কি কাম কৰিম সেইকথা সকলোৱে জানে। ইমান কম সময় লগতে ৰূপালী জয়ন্তীৰ কামবো সম্পূৰ্ণৰূপে দায়িত্ব পৰিল। বিমোৰত পৰিবলগাত পৰিলো।

তথাপিতো এই প্ৰতিবেদন লিখা সময়লৈকে মহাবিদ্যালয় ছাত্ৰ সন্থাই মহাবিদ্যালয়খনিক উন্নতিৰ পথত আগুৱাই নিবৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই আছে। এহাতে যদিও ৰূপালী জয়ন্তৰী বোজা ছাত্ৰ সন্থাৰ ওপৰত পৰিছে, আনহাতে বিজ্ঞান শাখাৰ বাবে এটি ঘৰ, য'ত ছাত্ৰ-ছাত্ৰীসকলে মুকলিমুৰীয়াকৈ অধ্যয়ন কৰিব পাৰে, আৰু অন্ততঃ পাছফালৰ wall (বেৰ) খন যিকোনো প্ৰকাৰে দিব পৰা যায়, তাৰ চিন্তাত চিন্তিত হৈ আছে। কিমানদূৰ আগুৱাব পৰা যায় কব পৰা নাই। যোৱা বিধান সভাৰ নিৰ্বাচনৰ পাছত অসমৰ ভিতৰতে নগাঁৱত যি ক্ষতি হ'ল ; সেই ক্ষতি পূৰণ কৰাটো ইমান সহজসাধ্য নহয়। আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰায় দহ হাজাৰ (১০,০০০) টকাৰ মূল্যৰ কিতাপ-পত্ৰ কিনি মৰিগাঁও মহকুমাৰ সকলোবোৰ ঠাইতে (শিবিৰত) বিতৰণ কৰা হয়, যাতে ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক পৰিৱেশটো অন্ততঃ বজায় ৰাখিব পাৰে।

শেষত মই এটা কথাই ক'ব বিচাৰো যে অভাৱ আৰু অভিযোগ কেতিয়াও শেষ নহয়। ইটোৰ পিছত সিটোকৈ ক্ৰমান্বয়ে সমস্যাবোৰ আহিহে থাকে। প্ৰাক্তন সাধাৰণ সম্পাদক লোহিত ভুঞা দাদাই যোৱা বছৰৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে কৈ গৈছে, "সমস্যা, সমস্যা আৰু সমস্যা, এশ এবুৰি সমস্যা। গতিকে ময়ো কৈছো সমস্যা থাকিবই, ক্ৰমান্বয়ে ইয়াক এটাৰ পাছত এটাকৈ সমাধান কৰি যাব লাগিব। একে সময়তে সকলোবোৰ কেতিয়াও কৰিব নোৱাৰে। আমাৰ কাৰ্য্যকাল শেষ হ'বলৈ এতিয়াও কিছু সময় বাকী আছে ; গতিকে এই মূল্যৱান সময়কণৰ ভিতৰতে কি পাৰো আমি কৰি যাম। মই আশা ৰাখিছো, পিছৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে ওপৰত উল্লেখ কৰা ধৰণেৰে প্ৰধান সমস্যা কেইটাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিব। লগতে কৰ্তৃপক্ষয়ো এই ক্ষেত্ৰত সম্পূৰ্ণ সঁহাৰি আগবঢ়াব বুলি আশা ৰাখিলোঁ।

প্ৰতিবেদনৰ সামৰণিত মই পুনৰ ক'ব বিচাৰিছো যে, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলে বৰ্ত্তমান অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যথেষ্ট অৰিহণা যোগাই আহিছে। অসমৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে একে লগ হৈ অসমীয়া ভাষা-সংস্কৃতি আৰু অসমৰ স্বাৰ্থক নিঃশেষ কৰিবলৈ

অহা যিকোনো ষড়যন্ত্ৰক ওফৰাই অসম মাতৃৰ গৌৰৱ বজায় ৰাখিবলৈ আমি সাজু। ঠিক সেইদৰে আমি এ-ডি-পিয়ান সকলে অসমীয়া ভাষা-সাহিত্য, সাংস্কৃতিক তথা সামাজিক অৰ্থনৈতিক আৰু বিভিন্ন জাতি-উপজাতিৰ মাজত সমন্বয়, ভ্ৰাতৃত্ববোধ সকলো দিশতে উন্নতি সাধিবৰ বাবে কৰ্তব্যত ব্ৰতী হ'বই লাগিব।

মোৰ বিভিন্ন কাম-কাজত বিভিন্ন দিশত উপযুক্ত দিহা-পৰামৰ্শ আৰু বুদ্ধিৰে আগবঢ়াই নিয়া মাননীয় অধ্যক্ষ হাই ছাৰ দেৱক মই কেতিয়াও পাহৰিব নোৱাৰো। এই ক্ষেত্ৰত উপাধ্যক্ষদেৱৰ দিহা-পৰামৰ্শও উল্লেখযোগ্য। যিসকল অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীয়ে মোক সহায় কৰিলে, তেঁখেত-সকলৰ ওচৰতো মই চিৰকৃতজ্ঞ। বিভিন্ন কৰ্মব্যস্ততাৰ মাজত থাকিও সন্মানীয় দাদা, লোহিত ভূঞাদা, কন্দৰ্পদা, আৰু প্ৰদীপ বৰ্মণদাই যিখিনি সহায় মোৰ কাৰ্য্যকালত কৰিলে, সেইয়া মই কেতিয়াও জীৱনত পাহৰিব নোৱাৰো। লগতে দুয়োটা বছৰৰ দুয়োখন কাৰ্য্যনিৰ্বাহক সমিতিয়ে বিভিন্ন ক্ষেত্ৰত মোৰ লগত সহযোগিতা আগবঢ়াই সহায় কৰা বাবে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আগবঢ়ালোঁ। কাৰাগাৰত থকা কাল-ছোৱাত মোৰ কামখিনিত হেমন্ত ভাইটিয়ে সহায় কৰি দিয়া বাবে তেওঁলৈ মোৰ ধন্যবাদ থাকিল।

শেষত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰগতিৰ কামনাৰে ৰূপালী জয়ন্তীৰ উৎসৱ পালিত হওঁক। মোৰ, প্ৰতিবেদনত জ্ঞাত বা অজ্ঞাতভাৱে যদি কিছু ত্ৰুটী হৈ যায় সেই সকলোবোৰৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত সদৌ শেষত ক্ষমা প্ৰাৰ্থনা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম।

**শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া**
সাধাৰণ সম্পাদক,
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
১৯৮১-৮২, ১৯৮২-৮৩ চন।

## ॥ সঙ্গীত বিভাগ ॥

প্ৰতিবেদনৰ পাতনিতে মই আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবৃন্দলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ, যিসকল ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সঙ্গীত বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ সেৱা কৰা আৰু এই আলোচনীৰ পাতত মোৰ প্ৰতিবেদন লিখাৰ সুবিধাকণ পাইছোঁ।

বিগত কালছোৱাত সঙ্গীত বিভাগৰ সম্পাদক হিচাপে মোৰ কৰিবলগীয়া বহু আছিল। কিন্তু সকলোবিলাক কৰিব নোৱা-ৰিলোঁ। অৱশ্যে চেষ্টা নকৰাকৈ থকা নাছিলো। আশা ৰাখিছোঁ মোৰ পিছৰ বিভাগীয় সম্পাদকে মহাবিদ্যালয়ৰ এই বিভাগত বাকী থকা অভাৱবোৰ পূৰণ কৰিব।

যোৱা ২।১২।৮১ তাৰিখৰ পৰা ৫।১২।৮১ তাৰিখলৈ অনু-ষ্ঠিত হোৱা 'মহাবিদ্যালয় সমাৰোহ'ত বিভিন্ন গীত-মাতৰ প্ৰতিযোগিতাৰ ব্যৱস্থা কৰোঁ। কিন্তু ইয়াত প্ৰতিযোগীসকলৰ প্ৰতিযোগিতাৰ বাবে ঠিক যেনে এটা প্ৰস্তুতিৰ প্ৰয়োজন তেনে প্ৰস্তুতি নথকাৰ ফলত প্ৰতিযোগিতাৰ মানদণ্ড উন্নত হোৱা দেখা নাযায়। উক্ত সমাৰোহত শ্ৰীজগবন্ধু ডেকাই শ্ৰেষ্ঠ গায়-কৰ সন্মান অৰ্জন কৰে। শ্ৰীডেকাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

ইয়াৰ পিছতেই যোৱা ১, ২, ৩ আৰু ৪ মে' ৮২ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ত আন্তঃকলেজ যুৱ মহোৎসৱ আৰম্ভ হয়। উক্ত মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা তিনিজন প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। আমাৰ মাজত প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী আছে। কৰ্তৃপক্ষৰ সহায়-সহযোগ পালে তেওঁলোকে কৃতিত্ব দেখুৱাব নিশ্চয় পাৰিব।

মোৰ দায়িত্ব পালনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপা-ধ্যক্ষ তথা শিক্ষাগুৰুসকলৰ সঁজ উপদেশ দিহা-পৰামৰ্শৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনালোঁ।

মোৰ কাৰ্য্যকালত মোক সহায় সহযোগিতা আগবঢ়োৱা ভাতৃপ্ৰতিম শ্ৰীৰাণা বৰালৈ মোৰ অজস্ৰ মৰম থাকিল।

সদৌ শেষত আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সকলো সদস্য আৰু মোৰ শুভাকাঙ্ক্ষী বন্ধু প্ৰতি-জনলৈ মোৰ অন্তৰভৰা মৰম জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিত তথা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু আনন্দৰাম ঢেকিয়ালফুকন মহাবিদ্যালয়।

**শ্ৰীদীপক কুমাৰ শৰ্মা**
সম্পাদক, সঙ্গীত বিভাগ।

## ॥ ছাত্ৰী জিৰণি কোঠা ॥

পোনতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীয়ে মোক ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰূপে নিৰ্বাচিত কৰি তেওঁলোকৰ সেৱা কৰিবলৈ সুবিধা দিয়াত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ এবছৰীয়া কাৰ্য্যকালত কোনো ধৰণৰ উল্লেখযোগ্য কাম কৰিব নোৱাৰিলোঁ। এইখিনিতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধৱীসকলক জনাওঁ যে ছাত্ৰী জিৰণি কোঠাৰ সামগ্ৰীসমূহৰ বাবে এবাৰ নহয় দুবাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত লিখিতভাৱে আবেদন জনোৱা হয়। এই সামগ্ৰীসমূহ হৈছে--

(১) ওৱাটাৰ ফিল্টাৰ ;
(২) খেলাৰ সামগ্ৰী ;
(৩) আলোচনী সাপ্তাহিক আৰু দৈনিক কাকত ;
(৪) এটা আলমাৰী আৰু
(৫) কোঠাৰ সৌন্দৰ্য্য বৃদ্ধি কৰাৰ বাবে প্ৰয়োজনীয় কামসমূহ।

কিন্তু কোঠাৰ আবুৰতা ৰক্ষাৰ কাৰণে পৰ্দাৰ যোগান ধৰাৰ বাদে আৰু আমাৰ অক্ষমতাৰ বাবে সকলো কাম সম্পূৰ্ণ হৈ নুঠিল।

আশা ৰাখিছোঁ ভৱিষ্যতে এই প্ৰয়োজনীয় কামখিনি সম্পূৰ্ণ হৈ উঠিব। ইয়াৰ বাবে পৰবৰ্তী ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাই আগভাগ লৈ ছাত্ৰীসকলৰ বাবে জিৰণি সময়ত জিৰণি কোঠাৰ সদ্ব্যৱহাৰ কৰিবলৈ সুবিধা কৰি দিব।

শেষত মোৰ এবছৰীয়া কাৰ্য্যকালত হোৱা দোষ-ত্ৰুটিসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়।
জয় আই অসম।

**দিপাৱলী বৰা**
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।

## ॥ সাংস্কৃতিক বিভাগ ॥

প্ৰতিবেদনৰ বাটচ'ৰাতে মোৰ শ্ৰদ্ধাঞ্জলি সেইজনা মহাপুৰুষৰ চৰণত অৰ্পিছো, যিজনা মহাপুৰুষৰ নামত এই মহাবিদ্যালয় প্ৰতিষ্ঠিত হ'ল। এই মহান অনুষ্ঠানটিৰ বাবে অকণমান সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বৰ্তমান অসমৰ অস্থিৰ পৰিস্থিতিত জাতিটো এটা মহান সন্ধিক্ষণত উপনীত হৈছেহি। এই সময়ত আমাৰ প্ৰতিজন সচেতন ব্যক্তিয়েই জাতিটোৰ সৰলতা বিচৰাটো এটা দায়িত্ব। এই সৰলতা আৰু স্থিৰতা সংস্কৃতিৰ অবিহনে চিন্তা কৰিবই নোৱাৰি। কিন্তু আমাৰ দৰে সূক্ষ্ম জ্ঞানৰ লোকে সংস্কৃতিৰ দিশত কাম কৰিবলৈ ওলাইছোঁ বুলি কোৱাটো প্ৰচাৰত বাদে অন্য নহ'ব। তথাপি ছাত্ৰ-ছাত্ৰীৰ আশীৰ্বাদ লৈ এই গধুৰ দায়িত্ব পালন কৰিবলৈ ওলাইছোঁ। ভুল-ত্ৰুটি হোৱাটো তেনেই স্বাভাৱিক। তাৰ বাবে শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

কাৰ্য্যভাৰ লোৱাৰ দহদিন মানৰপিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ আহি পৰে। উৎসৱ প্ৰায় পাঁচ দিন মানত সামৰা হয়। ইয়াত সাংস্কৃতিক বিষয়ৰ লগত জড়িত প্ৰায়বোৰ প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগিতাসমূহ হ'ল—প্ৰথমে ৰচনা প্ৰতিযোগিতা। অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে প্ৰতিযোগিতা পতা হৈছিল যদিও ইংৰাজী বিষয়ত প্ৰতিযোগী আৱশ্যকমতে নোলাল। অসমীয়া বিষয়ত তিনিজন প্ৰতিযোগীয়ে বঁটা অৰ্জন কৰে। দ্বিতীয়তে, গল্প আৰু কবিতা প্ৰতিযোগিতা। এই দুয়োটা প্ৰতিযোগিতাতো তিনিজনকৈ প্ৰতিযোগীয়ে বঁটা লাভ কৰে।

দ্বিতীয়দিনা দিনত আবৃত্তি প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতাত ইংৰাজী, অসমীয়া, হিন্দী, বঙালী, আৰবী আৰু সংস্কৃত ভাষাত পতা হয়। প্ৰতি ভাষাৰ আবৃত্তিত তিনিজনকৈ ছাত্ৰই বঁটা লাভ কৰে।

তৃতীয়দিনাৰ কাৰ্য্যসূচীত সন্ধ্যা ৬ বজাৰ পৰা একাঙ্কিকা নাট প্ৰতিযোগিতা পতা হয়। তাত মুঠ দহোটা দলে যোগদান কৰে। প্ৰতিযোগিতাত স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান শাখা)ৰ দলটো শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়। নাট আছিল, "সৃষ্টিৰ ৰহস্য"। নাট্যকাৰ আৰু পৰিচালক আছিল শ্ৰীৰমেশ বৰা। এই দলৰে অভিনেতা জিতেন চন্দ্ৰ বৰাই শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে।

মহাবিদ্যালয়ৰ এই উৎসৱত এখনি প্ৰদৰ্শনীৰো আয়োজন কৰা হয়। প্ৰদৰ্শনীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ হস্তশিল্প, চিত্ৰশিল্প, বিভিন্ন ধৰণৰ কাপোৰৰ শিল্প আৰু ফটোগ্ৰাফি সংগ্ৰহ আদিৰ ওপৰত গুৰুত্ব দিয়া হয়। চাৰিদিন দৰ্শকে প্ৰদৰ্শনী উপভোগ কৰাৰ পিছত বৰ্তমান ভাৰতৰ ভিতৰতে উচ্চ প্ৰশংসিত চিত্ৰশিল্পী শ্ৰীযুত প্ৰণৱ বৰুৱাদেক এই চিত্ৰ, কলাসমূহৰ নিৰ্বাচক হিচাপে আমন্ত্ৰণ জনাওঁ। তেখেতে বৰ আগ্ৰহেৰে উচ্চ মানদণ্ডৰ শিল্প কলাসমূহ নিৰ্বাচিত কৰি শিল্প কলাৰ আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগায়। বৰুৱাদেৱৰ মতে প্ৰদৰ্শনী যথেষ্ট উচ্চ মানদণ্ডৰ আছিল।

অসমৰ পৰিস্থিতি জানুৱাৰীৰ পৰা প্ৰায় ৩ মাহমান অতি ভয়াবহ ৰূপ লোৱাত মহাবিদ্যালয়ৰ বিশেষ তাৎপৰ্য্যপূৰ্ণ উৎসৱ সৰস্বতী পূজা পাতিব পৰা নগ'ল। শেষত এই পূজাৰ ধনখিনি দেশৰ অশান্ত পৰিস্থিতিত অগ্নিদগ্ধ হৈ ক্ষতিগ্ৰস্ত হোৱা লোকৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিতাপ-কাগজ বিতৰণ কৰা হয়।

ভাদ মাহৰ ১১ তাৰিখে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি নাম-কীৰ্তন আদিৰে উদ্‌যাপন কৰা হয়। এই মাহৰে ২২ তাৰিখে শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি উদ্‌যাপন কৰা হয়। পুৱা উষা-কীৰ্তন কৰি গুৰুজনাৰ জন্মস্থান বৰদোৱা থানত এখনি শৰাই আগবঢ়াই দি পুনৰ নাম-কীৰ্তন কৰি নগাঁও চহৰত ঘূৰি (মটৰেৰে) মহাবিদ্যালয়লৈ অহা হয়। দুপৰীয়া নাম-কীৰ্তন কৰা হয়।

প্ৰতি জাতিৰেই নিজা নিজা সংস্কৃতি আছে। সংস্কৃতি অবিহনে এটা জাতি ভেঁটিহীন ঘৰৰ দৰে। যাৰ ধ্বংস অনিবাৰ্য্য। ইয়াৰ দিশ ধ্বংসমুখী নোহোৱাকৈ ৰখাটো প্ৰতিজন সচেতন ব্যক্তিৰেই কৰ্তব্য। অসমীয়াই নিজৰ সংস্কৃতিক সদায় অক্ষুণ্ণ ৰাখিবলৈ সচেতন হ'ব লাগিব। সঁবাতোকৈ এই ক্ষেত্ৰত দায়িত্ব বেছি হ'ব ছাত্ৰ-ছাত্ৰীসকলৰ। সেই মহান ব্যক্তিসকলক

আমি সদায় স্মৰণ আৰু ভক্তি কৰিব লাগিব, যি সকলে আমাৰ জাতিটোৰ হেৰোৱা সংস্কৃতিক অহোপুৰুষাৰ্থ কৰি জীয়াই ৰাখিবলৈ চেষ্টা কৰি আহিছে। আমাৰ এই দায়িত্বৰ স্বীকৃতি স্বৰূপেই আমি মহাপুৰুষসকলৰ তিথি, জন্মোৎসৱ আদি পালন আৰু তেখেতসকলৰ গুণানুকীৰ্ত্তন কৰিব লাগে। এনে কিছুমান দায়িত্ব পালন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জাতীয় চৈতন্যভাব জাগ্ৰত কৰিবলৈ সক্ষম হ'ম, যিহেতু ছাত্ৰ-ছাত্ৰী সকলেই দেশৰ নাগৰিক হ'ব লাগিব। গতিকে ছাত্ৰাৱস্থাতেই এই জাতীয়ত্ব ভাব ভালদৰে হৃদয়ঙ্গম কৰিব পাৰিব। বৰ্তমান আমাৰ জাতিটোৱে যি বিপদৰ সন্মুখীন হৈছেহি, তাক উদ্ধাৰ কৰিবলৈ এই অসুৰী শক্তিসমূহৰ বিৰুদ্ধে থিয় হ'ব পাৰিব কেৱল ছাত্ৰসমূহে। নহ'লে আমি সংস্কৃতিক পুৰি থাই আমাৰ ভৱিষ্যত বংশধৰ সকলক নাঙঠ কৰাৰ বাদে অন্য একো নহ'ব। গতিকে আমি এই চিন্তা তিলমানো বাদ দিব নোৱাৰো।

সাংস্কৃতিক বিভাগৰ এই গধুৰ দায়িত্ব পালন কৰাত মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ সহায় অতি প্ৰয়োজন। সকলোৱে সাহায্যতহে দায়িত্ব বহন কৰাত মই কৃতকাৰ্য্য হওঁ। তাৰোপৰি সহকাৰী সম্পাদক নীৰেণ নাথৰ আন্তৰিক সহযোগ মই নুই কৰিব নোৱাৰোঁ। এই সকলোৱে সহায়, সৎ পৰামৰ্শৰ বাবে মই মোৰ আন্তৰিক শ্ৰদ্ধা সকলোৱে প্ৰতি আগবঢ়ালোঁ।

আমাৰ এই মধুৰ পুষ্পহেন সংস্কৃতি আৰু পখিলা হেন সচেতন লোকৰ যুটীয়া সাহায্যত একোটা নতুন বীজৰ সৃষ্টি হওঁক, যি দিনে দিনে, বছৰে বছৰে একোটা উন্নত আৰু আমাৰ ঐক্য সংহতি অটুট ৰাখিব। এই কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

"জয় আই অসম।"

**শ্ৰীকমল চন্দ্ৰ বৰদলৈ**
সাংস্কৃতিক সম্পাদক।

## ১৯৮১-৮২ চনৰ সমাজ সেৱা আঁচনিৰ কাৰ্য্যবিৱৰণী

বাস্তৱ অভিজ্ঞতাই নতুন চিন্তাধাৰাৰ মূল উৎস। অভিজ্ঞতাই যদি কাৰো মনত ৰেখাপাত কৰিব নোৱাৰে তেন্তে কোনো মানৱেই নতুন একো সৃষ্টি কৰিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে পিছপৰা গাঁও অঞ্চলৰ উন্নতি কৰাৰ অভিজ্ঞতাৰে ১৯৬৯ চনত ৰাষ্ট্ৰীয় সমাজসেৱা আঁচনিৰ সৃষ্টি কৰে। ১৯৭০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে আমাৰ মহাবিদ্যালয়খনকো এই আঁচনিৰ অন্তৰ্ভুক্ত কৰে। ১৯৭০ চনৰ পৰাই আমাৰ মহাবিদ্যালয়ৰ বিশেষ শিবিৰ আৰু নিয়মীয়া শিবিৰ পৰিচালনা কৰি আহিছে অধ্যাপক শ্ৰীমলয়কুমাৰ ৰয়দেৱে। ঐতিহ্যৰে ভৰা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সমাজসেৱা বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ উন্নতিৰ কাৰণে প্ৰত্যেক বছৰে পিছপৰা গাঁওসমূহত নিয়মীয়া আৰু বিশেষ শিবিৰ পাতি আহিছে। ১৯৮০-৮১ চনৰ সমাজসেৱা আঁচনিৰ প্ৰথম অধিনায়ক আছিল শ্ৰীশৰৎ কুমাৰ সুত। শৰৎ কুমাৰ সুত চাকৰিত ভৰ্তি হোৱাত ইয়াৰ দায়িত্বভাৰ শ্ৰীমলয় কুমাৰ ৰয়দেৱে মোৰ ওপৰত দিয়ে।

১৯৮০-৮১ চনৰ সমাজসেৱা আঁচনিৰ অধিনায়ক হিচাপে নিৰ্বাচন কৰি জনসাধাৰণৰ সেৱা কৰিবৰ কাৰণে সুবিধা দিয়াৰ বাবে অধ্যাপক মলয় কুমাৰ ৰয়দেৱ আৰু সমূহ স্বেচ্ছাসেৱক সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

১৯৮০-৮১ চনৰ সমাজসেৱা আঁচনিৰ উপদেষ্টা আৰু কাৰ্য্যকৰী সমিতিৰ সদস্যসকল হ'ল--উপদেষ্টা সমিতিত আছে অধ্যক্ষ মোঃ আব্দুল হাই দেৱ, অধ্যাপক মলয় কুমাৰ ৰয় অধ্যাপক খগেন মেহেলা, অধ্যাপক নৰেন্দ্ৰ শইকীয়া, অধ্যাপক নগেন নাথ আৰু সাধাৰণ সম্পাদক তৰুণ শইকীয়া। কাৰ্য্যকৰী সমিতিত আছে অধিনায়ক দুলাল চন্দ্ৰ ভূঞা, শ্ৰীলক্ষেশ্বৰ কাকতি নায়ক (ক শাখা), শ্ৰীমুকুন্দ বাৰিক নায়ক (গ শাখা), শ্ৰীঘন বৰা নায়ক (খ শাখা), শ্ৰীলোকেন বৰা নায়ক (ঘ শাখা), শ্ৰীকবিতা বৰা নায়িকা (ঙ শাখা)।

সমাজ সেৱা আঁচনিৰ মূল উদ্দেশ্য হ'ল গাঁও সংগঠন কৰা (youth for rural reconstruction) ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পিছ পৰি থকা গাঁওসমূহৰ উন্নতি সাধন কৰাটোৱেই এই আঁচনিৰ উদ্দেশ্য। স্বেচ্ছাসেৱক-সেৱিকা সকলে গাঁও অঞ্চলৰ উন্নতিৰ কাৰণে উন্নয়নমূলক কাম কৰিব লাগে ১৯৮০-৮১ চনত স্বইচ্ছাৰে আগবাঢ়ি অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'ল ১১৮ জন। এই স্বেচ্ছাসেৱক-সেৱিকা সকলৰ মাজৰ পৰা ১০০ জনক বাছি লৈ সমাজ সেৱা বাহিনী গঠন কৰা হয়।

আমাৰ মহাবিদ্যালয়ৰ সমাজ সেৱা আঁচনিৰ সাধাৰণ শিবিৰৰ প্ৰথম কাম আৰম্ভ হয় ১৩।২।৮২ তাৰিখে (ইং)। সেইদিনা সকলো স্বেচ্ছাসেৱক-সেৱিকাই মহাবিদ্যালয় চৌহদত নানা ধৰণৰ কাম কৰে। ইয়াৰ ভিতৰত আছিল মহাবিদ্যালয়ৰ কিছু কোঠাত চূণ তেল দিয়া আৰু মহাবিদ্যালয়ৰ চৌহদত গছপুলি ৰুই তাক বেৰা দিয়া হয়। ইয়াৰ পিছত ১৪।২।৮২ তাৰিখে এদিনীয়া শিবিৰটো নগাঁও আইন মহাবিদ্যালয়ত পতা হয়। সেইদিনা নগাঁও আইন মহাবিদ্যালয়ৰ সমাজ সেৱা সংগঠনে আমাৰ লগত সহযোগ কৰে। সেইদিনাৰ দুৱাৰ মুকলি আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু আইন মহাবিদ্যালয় অধ্যক্ষ মহোদয়ে কৰে। সেইদিনা দুটা শাখাই আইন মহাবিদ্যালয়ৰ চৌহদত থকা হাবি চাফ কৰে আৰু চূণ তেল দিয়া কাম কৰে। দুটা শাখাই পুৰণা ষ্টেট বেঙ্কৰ কাষৰ এটা ৰাস্তাত মাটি তুলি ভাল কৰে। সেইদিনা দুপৰীয়া আহাৰ গ্ৰহণৰ পাছত আবেলি ২ বজাত এখন আলোচনা-চক্ৰ বহে আৰু সেই সভাত সমাজ উন্নয়নৰ ওপৰত বিশদ আলোচনা চলে।

ইয়াৰ বাহিৰেও আৰু বহুতো এদিনীয়া শিবিৰ পাতি

সমাজৰ উন্নয়নমূলক কাম কৰা হয়। যোৱা ৫।১।৮২ তাৰিখে নগাঁও চৰকাৰী বালিকা বিদ্যালয়ত এদিনীয়া শিবিৰ পাতি উন্নয়নমূলক কাম কৰা হয়।

৩০ ডিচেম্বৰ তাৰিখে আমাৰ সমাজ সেৱা আঁচনিৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীমলয়কুমাৰ ৰয় ছাৰৰ হাতত চহৰীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক মহোদয়ে এখন আবেদন দিয়ে। এই আবেদনৰ সাৰমৰ্ম আছিল আমাৰ মহাবিদ্যালয়ৰ সমাজ সেৱা আঁচনিৰ বিশেষ শিবিৰ এই বছৰ তাত পাতিব লাগে। চহৰীয়া ৰাইজৰ নিমন্ত্ৰণক্ৰমে ১৯৮০-৮১ চনৰ আমাৰ মহাবিদ্যালয়ৰ সমাজ সেৱা আঁচনিৰ বছেৰেকীয়া বিশেষ শিবিৰ চহৰীয়াত পতাৰ সিদ্ধান্ত লোৱা হয়।

যোৱা ২৩ মে' তাৰিখে আমাৰ মহাবিদ্যালয়ৰ বাছকবনীয়া সুদক্ষ ৫০ জন স্বেচ্ছাসেৱক লৈ চহৰীয়া হাইস্কুল অভিমুখে যাত্ৰা কৰা হয়। সেইদিনা আবেলি ৩-৩০ বজাত আমাৰ দলটি চহৰীয়াত উপস্থিত হয়। ধিং চহৰীয়া ৰাইজে আমাক আদৰণি জনায়। আবেলি ৪-০০ বজাত চহৰীয়া ৰাইজৰ সহযোগত এখনি আলোচনা-চক্ৰ পতা হয়। আলোচনা-চক্ৰৰ বিষয় আছিল স্বেচ্ছাসেৱক দলটিৰ আৰু ৰাইজৰ চিনাকি পৰ্ব। স্বেচ্ছাসেৱক দলটিৰ উপস্থিতিৰ উদ্দেশ্য ব্যাখ্যা।

২৩ মে' তাৰিখৰ পৰা ৩০ মে' তাৰিখলৈকে আমি চহৰীয়া ৰাইজৰ মাজত থাকো। এই কেইদিনৰ ভিতৰত সমাজসেৱা দলটিয়ে কৰা কাৰ্য্যসমূহৰ থূলমূল বিৱৰণ তলত দিয়া হল ঃ

(১) চহৰীয়া হাইস্কুলৰ তিনিটা কোঠাত মাটি দিয়া আৰু চৌহদৰ চাৰিওফালে বেৰ দিয়া, দৌহদৰ চাৰিওকাষত চাপ মৰা, অহাযোৱা সুবিধাৰ বাবে এটা ৰাস্তা তোলা আৰু গছপুলি ৰোৱাৰ কাম কৰা হয়।

(২) আধৰুৱা এটা ৰাস্তাত ৰাইজৰ অহা যোৱাৰ বাবে এক ফাৰ্লং ৰাস্তাত মাটি তুলি এচলীয়া কৰি দিয়া হয়।

(৩) ৰাইজৰ সুবিধাৰ কাৰণে এটা ডাঙৰ পুখুৰীৰ পাৰ বন্ধা আৰু ভৰি থকা মেটেকা চাফা কৰা হয়।

(৪) সোণাৰী গাঁৱৰ এক কিলোমিটাৰ ৰাস্তাত মাটি দি ৰাস্তাটো বন্ধা হয় আৰু এক কিলোমিটাৰ ৰাস্তাৰ দুইকাষৰ হাবি কাটি পৰিষ্কাৰ কৰা হয়।

(৫) ধূপগুৰীৰ ৰাস্তাৰ ৩ কিঃ মিঃ ৰাস্তাৰ দাঁতিকাষৰীয়া জংঘল কাটি পৰিষ্কাৰ কৰা হয়।

(৬) চহৰীয়া বটাবাৰী গাঁৱৰ এক কিঃ মিঃ ৰাস্তা ভাল কৰা হয়। ২৩ মে' তাৰিখৰ পৰা ৩০ মে' তাৰিখলৈ হোৱা বিশেষ শিবিৰত প্ৰত্যেক দিনাই ৫-৩০ বজাৰ পৰা ১২-০০ লৈকে শাৰীৰিক পৰিশ্ৰম কৰা হয়। আবেলি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা-চক্ৰ হয়। আবেলি ৪-০০ বজাত খেলা-ধূলা আৰু ৭-৩০ বজাত সাংস্কৃতিক অনুষ্ঠান হয়। ৰাতি ৯-০০ বজাত ৰাতিৰ আহাৰ গ্ৰহণ কৰি দিনৰ কাৰ্য্যসূচী সামৰণি মৰা হয়। ২৪ মে' তাৰিখে আবেলি ৪-০০ বজাত স্বেচ্ছাসেৱকসকলে সোণাৰী গাঁও, ধূপগুৰী, বটাবাৰী আদি গাঁৱত গৈ সঞ্চয়ৰ বিষয়ে ৰাইজক অৱগত কৰে। ২৫ মে' তাৰিখে আবেলি ৪-০০ বজাত শিশু-স্বাস্থ্য বিষয়ে স্বেচ্ছাসেৱক বাহিনীৰ দ্বাৰা ৰাইজক অবগত কৰোৱা হয়। ২৬ মে' তাৰিখে নগাঁৱ জনস্বাস্থ্য বিভাগৰ দ্বাৰা পুৱা ১০-০০ বজাৰ পৰা আবেলি ২-০০ বজালৈকে বিনামূলীয়া চিকিৎসা কৰা হয়। আবেলি ২-০০ বজাৰ পৰা শিশু-স্বাস্থ্যৰ ওপৰত এটি আলোচনা-চক্ৰ পতা হয়। ৰাতি ৯-০০ বজাত জনস্বাস্থ্য বিভাগে "চামেলী মেম চাহেব" কথাছবিৰ প্ৰদৰ্শন কৰে। ২৭ মে' তাৰিখে ৰাতি ৭-৩০ বজাত জন সম্পৰ্কৰক্ষী বিভাগে কথাছবি প্ৰদৰ্শন কৰে। ২৮ মে' তাৰিখে আবেলি ২-০০ বজাত আলোচনা-চক্ৰ আৰম্ভ হয়। এই আলোচনা-চক্ৰৰ বিষয় আছিল বন সংৰক্ষণ। সেইদিনা ২ হাজাৰ অতি মূল্যৱান গছপুলি ৰাইজৰ মাজত বিতৰণ কৰা হয়। ২৮ মে' তাৰিখে নগাঁও জিলা কৃষি বিষয়া চহৰীয়াত উপস্থিত থাকি উন্নত কৃষি বিষয়ে ৰাইজক অৱগত কৰে। ২৩ মে' তাৰিখৰ পৰা ৩০ মে' তাৰিখলৈকে প্ৰত্যেক দিনাই ৰাতি ৬-৩০ বজাত পৰ্য্যালোচনা সভা হয়। এই সভাত প্ৰত্যেক শাখাৰ নায়কসকলে দিনৰ কাৰ্য্যবিৱৰণী পাঠ কৰে। ৩০ মে' তাৰিখে সকলো কাৰ্য্যসূচী শেষ হোৱাৰ পাছত ৰাতি ১০ বজাত কেম্প ফায়াৰ কৰা হয়।

সমাজ সেৱা আঁচনিৰ কাম নিয়াৰিকৈ চলাই নিয়াত প্ৰথমতে অধ্যাপক মলয় কুমাৰ ৰয় ছাৰৰ নাম নললে আক্ষেপ থাকি যাব। মান্যবৰ অধ্যক্ষ মোঃ আব্দুল হাইদেৱে যি বুদ্ধি ভাৰসা দি সহায় কৰিলে তাৰ বাবে তেখেতক কৃতজ্ঞতা জনোৱাৰ বাহিৰে অন্য একোৱেই নাই। আমাৰ স্বেচ্ছাসেৱক বাহিনীৰ নায়ক নায়িকাসকলৰ সহায় সহযোগিতাকে আৰম্ভ কৰি বিশেষকৈ হাছেন আলি, প্ৰধান শিক্ষক চহৰীয়া হাইস্কুল, দীপক শৰ্মা, নিৰ্মল, কমল, শ্ৰীপুষ্প বৰা, শ্ৰীমলোৰাম শইকীয়া, শ্ৰীকবিন বৰাদেৱ, শৰৎ কুমাৰ সুত, অধ্যাপক খগেন মেহেলা আদি লোকসকলৰ সহযোগিতা পাহৰিব নোৱাৰি।

মোৰ কাৰ্য্যকালৰ ভিতৰত হোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে স্বেচ্ছাসেৱক সেৱিকাসকলৰ ওচৰত ক্ষমা ভিক্ষা বিচাৰি, সদৌ শেষত সমাজ সেৱা আঁচনিৰ দীৰ্ঘায়ু তথা মঙ্গল কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, জয়তু সদৌ অসম ছাত্ৰ সন্থা।

**শ্ৰীদুলাল চন্দ্ৰ ভূঞা** অধিনায়ক
'জাতীয় সমাজ সেৱা আঁচনি'
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

## সঙ্গীত বিভাগ

প্ৰতিবেদনৰ আৰম্ভণিতে সকলো ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু চিৰপূজ্য শিক্ষাগুৰুসকলক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। ১৯৮২-৮৩ চনৰ সঙ্গীত বিভাগৰ সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰীসকলে মোক নিৰ্বাচিত কৰিছিল। এই বছৰটোৰ প্ৰত্যেকটো দিনেই আছিল সাংঘাতিক ভয়াবহ এটা ধুমুহাৰ নিচিনা, যি ধুমুহাই নেকি আমাৰ মাজৰ পৰা বহুতো ছাত্ৰ-

ছাত্ৰীক, পিতৃমাতৃৰ বুকু উদং কৰি লৈ গৈছিল অসমৰ অস্তিত্ব ৰক্ষাৰ কাৰণে।

নিৰ্বাচিত হোৱা কিছুদিন পাছতেই মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হয়। এই সপ্তাহ বেছি জাক-জমকীয়াকৈ পাতিব নোৱাৰিলেও খুউব বেছি বেয়াও অৱশ্যে হোৱা নাছিল। সঙ্গীত বিভাগৰ সকলোবোৰ প্ৰতিযোগিতা পাতিছিলোঁ, আৰু সেই মতে ছাত্ৰ-ছাত্ৰীৰ পৰা যথেষ্ট সহায় সহযোগ আৰু সমাদৰ পাইছিলোঁ। বিজয়ী ছাত্ৰ আৰু ছাত্ৰীসকলক বিভিন্ন পুৰস্কাৰ ও প্ৰমাণ-পত্ৰ দি তেওঁলোকৰ স্মৃতি যাউতিযুগীয়া কৰিবৰ বাবে চেষ্টা কৰা হৈছিল। সপ্তাহৰ শেষৰ দিনা স্থানীয় শিল্পীসকলৰ দ্বাৰাই এখনি সঙ্গীত সন্ধিয়াত বিভিন্ন মহলৰ বিশিষ্ট অতিথি সকলক নিমন্ত্ৰণ কৰা হৈছিল।

আমাৰ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক মহোদয় দুমাহৰ বাবে নিৰাপত্তা আইনৰ অধীনত বন্দী হৈ থাকিবলগীয়া হোৱাত এই অধমকে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ গধুৰ দায়িত্ব অৰ্পণ কৰিছিল। সেই ভাৰখন যথাসাধ্যে পালন কৰা হৈছিল। আপোনালোকে জানে এই বছৰটো মহাবিদ্যালয়খনিৰ বাবে গৌৰৱোজ্জ্বল বছৰ যিহেতু মহাবিদ্যালয়খনিয়ে যোৱা ৭ চেপ্তেম্বৰত পঁচিশ বছৰত ভৰি দিছে। গতিকে সম্পাদক হৈ থকা সময়ছোৱাত ৰূপালী জয়ন্তী মহোৎসৱৰ বিভিন্ন কামৰ মাজত সোমাই পৰিছিলো, আৰু এই অনুষ্ঠানটো সৰ্বাঙ্গসুন্দৰ ৰূপে পৰিচালিত কৰিবৰলৈ দিনে ৰাতিয়ে অক্লান্ত পৰিশ্ৰম কৰিছিলো। ৰূপালী জয়ন্তী মহোৎসৱটো আমি আড়ম্বৰেৰে পাতিবলৈ লৈছিলোঁ কিন্তু আৰ্থিক দিশত কিছু অসুবিধা আছে। হলেও আমি ছাত্ৰ-সকলৰ পৰা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ পৰা যি অনুদান পাইছোঁ তাৰে সৈতে এই মহোৎসৱ পাতিবলৈ দৃঢ়প্ৰতিজ্ঞ হলোঁ। প্ৰতিবেদন লিখি থকা সময়লৈকে মহোৎসৱৰ বহুতো কাম আগবঢ়াত অধ্যক্ষ আৰু কলেজ গবৰ্ণিং বডিৰ সভাপতি জিলা উপায়ুক্ত মহোদয়ে যিখিনি দিহা পৰামৰ্শ, বুদ্ধি, উৎসাহ-উদ্দীপনা আগবঢ়ালে তাৰবাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদন কৰিছোঁ।

সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দিয়াত সাধাৰণ সম্পাদক, শ্ৰীতৰুণ শইকীয়া, অধ্যক্ষ মহোদয়, অধ্যাপক দেৱকুমাৰ শইকীয়া, অধ্যাপক নৰেন শইকীয়া ছাৰ আৰু মোৰ সহকাৰী সম্পাদক উজ্জ্বল তালুকদাৰক মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰিম। মহাবিদ্যালয় কাৰ্য্যালয়ৰ ভিতৰত শ্ৰীহেম বৰুৱা (হিচাপ ৰক্ষক) শ্ৰীপ্ৰবীণ হাজৰিকা (ধনভঁৰালী) আৰু মোৰ বন্ধু প্ৰণৱ বৰুৱাই মোক যিখিনি সহায় সহযোগ আগবঢ়ালে তাৰ বাবে মই চিৰঋণী হৈ থাকিম।

শেষত প্ৰতিবেদন সামৰাৰ লগে লগে অসমৰ অস্তিত্ব ৰক্ষাৰ ৰণাঙ্গনত আত্ম বলিদান দিয়া শ্বহীদসকলৰ পৱিত্ৰ আত্মাৰ প্ৰতি সেৱা আৰু ভক্তি জনাই, সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মৰম আৰু শ্ৰদ্ধা জনাই অজানিতে হোৱা ভুল ত্ৰুটিখিনি আঙুলিয়াই দিলে নথৈ কৃতজ্ঞতা স্বীকাৰ কৰিম।

**শ্ৰীহেমন্ত কুমাৰ চৌধুৰী**
সঙ্গীত বিভাগৰ সম্পাদক।

# তৰ্ক আৰু আলোচনাৰ-চক্ৰ

১৯৮২-৮৩ চনটো অসমৰ কাৰণে এটা ভয়াবহ চন। এই চনটোতেই অসমৰ অস্তিত্ব ৰক্ষাৰ কাৰণে অসমৰ জনসাধাৰণে কষ্ট কৰি বহিৰাগত সমস্যাৰ বাবে আন্দোলনত তীব্ৰ অংশ গ্ৰহণ কৰিছিল। অবৈধ নিৰ্বাচনৰ বিৰুদ্ধে আন্দোলন কৰি বহুতো দেশ-প্ৰেমী শ্বহীদ হৈছিল। প্ৰতিবেদনৰ আৰম্ভণিতেই যিসকলে দেশ-প্ৰেমত আপ্লুত হৈ নিজৰ অঙ্গ হেৰুৱাই বিকলাঙ্গ জীৱন যাপন কৰিব লগা হ'ল আৰু দেশৰ বাবে শ্বহীদ হ'ল--তেনেসকল দেশপ্ৰেমীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শত শত নমস্কাৰ জ্ঞাপন কৰিলো।

যিজনা গুৰুৱে আনন্দৰাম ঢেকিয়াল ফুকন কলেজখন প্ৰতিষ্ঠা কৰি আজি মোক সেৱা শুশ্ৰূষা কৰিবৰ কাৰণে সুবিধা দিলে সেইজনা গুৰু স্বৰ্গীয় শুকদেৱ গোস্বামীলৈ মোৰ নমস্কাৰ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

বহিৰাগত বিতাড়নৰ বাবে অসমৰ ৰাইজে তথা অসমৰ ছাত্ৰ-ছাত্ৰীয়ে যি আগভাগ লৈ আন্দোলনত অংশ গ্ৰহণ কৰি নিৰ্য্যাতন ভোগ কৰি আছিছে, তেনে এটা সময়তে মহাবিদ্যালয়ৰ সহৃদয় ছাত্ৰ-ছাত্ৰীৰ উৎসাহ-উদ্দীপনা আৰু অকণমান মৰমেৰে এই বিৰাট মহাবিদ্যালয়ৰ "ছাত্ৰ সন্থা" ৰ গুৰুত্ব পূৰ্ণ পদবী তৰ্ক আৰু আলোচনা-চক্ৰৰ সম্পাদকৰ গুৰুভাৰটো দি মহাবিদ্যালয়ৰ এফেৰি সেৱা কৰাৰ সুবিধা দিয়া বাবে সেই সকল ছাত্ৰবন্ধুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। নানান নিৰ্য্যাতনৰ মাজতো মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰু সকলে এই অভাজনক সকলো কাম-কাজ সুকলমে চলাই নিয়াত দিহা-পৰামৰ্শ দিয়া বাবে তেখেতসকলৰ ওচৰত মই চিৰঋণী। অসমীয়া জাতি হিচাপে জীয়াই থাকিবলৈ আমাৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰি সম্পাদকৰ সৰহ কালছোৱা আন্দোলন কৰিয়েই কটালো। ঘৰতে থাকি ভগনীয়া হ'বলৈ উপক্ৰম কৰা জাতিৰ চেতনা আগত ৰাখি কৰ্তব্যৰ অৱ-স্থাত বহু সময়ত কলেজৰ কামেই কৰিব পৰা নাছিলো। তথাপি যিকণ সময় পাইছিলো সেই সময়কণতেই কলেজৰ তৰ্ক সম্পাদকৰ দায়িত্ব পালন কৰিবলৈ বৰ ইচ্ছুক হৈ পৰো। অসমীয়া জাতিৰ নিৰ্য্যাতন, পুলিচৰ অমানুষিক অত্যাচাৰে অসমী আইৰ সুযোগ্য সন্তানহঁতক যেতিয়া অকালতে বিকলাঙ্গ কৰিলে আৰু সেইসকল সন্তানে যেতিয়া চিঞৰি চিঞৰি হস্পিতালত কান্দি দিন কটাইছিল, তেতিয়া মোৰ প্ৰাণে সহিব পৰা নাছিল। তেওঁ-লোকৰ দুখ-দুৰ্গতি দেখি দিনে-ৰাতিয়ে তেওঁলোকক পৰিচৰ্য্যা কৰাত লাগিছিলো। তথাপি তাৰ মাজত কলেজৰ দায়িত্ব বিলাক পালন কৰি গৈছিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই, শ্ৰীনিৰেন নাথ, ভুৱনেশ্বৰ নাথে ধিঙৰ শ্বহীদ ধ্ৰুৱজ্যোতি নাথৰ আদ্যশ্ৰাদ্ধ খাবলৈ গৈছিলো। তাতেই মোৰ কোমল অন্তৰ কান্দি উঠিছিল। তাৰ পাছৰ পৰাই সম্পাদকৰ জীৱন দেশৰ কাৰণে আগবাঢ়ি আহিল। তেনে

এটা অৱস্থাতেই কলেজ উৎসৱ পালেহি। কলেজ উৎসৱত আন সম্পাদকৰ তুলনাত মই কেইটিমান নতুন বিষয় দি উৎসৱ পালন কৰিলো। উদাহৰণস্বৰূপে 'কুইজ' প্ৰতিযোগিতা, যুক্তি-পূৰ্ণ ৰচনা প্ৰতিযোগিতা, একক অভিনয়, আলোচনা-চক্ৰ আদি বিষয়। তৰ্ক বিভাগত শ্ৰেষ্ঠ তাৰ্কিক হয় আব্দুল মতিন। যুক্তিপূৰ্ণ ৰচনা প্ৰতিযোগিতাত প্ৰথম হয় শ্ৰীমহেশচন্দ্ৰ নাথ আৰু বিভিন্ন শিতানত বহুতো ব্যক্তিপূৰ্ণ ছাত্ৰই অংশ গ্ৰহণ কৰি সুফল লাভ কৰিলে।

পূৰ্বাঞ্চল আন্তঃজিলা তৰ্ক প্ৰতিযোগিতা কটন কলেজত পাতিছিল। তাত আমি গৈ সুফল লাভ কৰিব নোৱাৰিলেও হতাশ হোৱা নাছিলো। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যা-লয়ত (পুৰণি গুদাম) পতা জিলা তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীগোলাপ শইকীয়াই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে। মঃ আব্দুল মতিন আৰু গোলাপ শইকীয়া সম-ন্বিতে শ্ৰেষ্ঠ তাৰ্কিক দল জিলাৰ ভিতৰত হয়। এনে এটা সন্মানৰ কাৰণে মহাবিদ্যালয়ে সদায় গৌৰৱ কৰিব।

ছাত্ৰ-ছাত্ৰী বন্ধুসকল, আপোনালোকে মোক যি আশাৰে তৰ্ক আৰু আলোচনা-চক্ৰৰ সম্পাদকৰ পদত অধিষ্ঠিত কৰাই-ছিল, সেই আশা কিমান পূৰণ কৰিব পাৰিলো নিজে ক'ব নোৱাৰোঁ। আপোনালোকৰ কিবা-কিনি বৈ গৈছে যদি সেইটো মোৰ অলক্ষিতে। মই কিন্তু চেষ্টাৰ ত্ৰুটি কৰা নাই।

সদৌ শেষত মোৰ সকলো দিশতে সহায়-সাৰথি কৰা মাননীয় অধ্যাপক শ্ৰীযুত পুষ্পকান্ত বৰা আৰু শ্ৰীযুত ৰবীন বৰা শিক্ষাগুৰু দুজনালৈ শত সেৱা আগবঢ়ালোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষদেৱকো মোৰ চিৰপূজনীয় কৰি ৰাখিলো। প্ৰিয় ছাত্ৰ-ছাত্ৰীসকললৈ অফুৰন্ত মৰম আৰু শুভেচ্ছা যাচি মহা-বিদ্যালয়ৰ তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন পাঠৰ সামৰণি মাৰিলো। ইতি---

**শ্ৰীমহেশ চন্দ্ৰ নাথ**
তৰ্ক আৰু আলোচনা-চক্ৰৰ সম্পাদক।

## সঙ্গীত বিভাগ

### সহকাৰী সম্পাদক

জয় জয়তে বাৰ্ষিক প্ৰতিবেদনৰ পাতনিতে মই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ১৯৮২-৮৩ চনৰ সঙ্গীত বিভাগৰ সহকাৰী সম্পাদক হিচাপে তেওঁলোকৰ সেৱা কৰিবলৈ পাই নিজকে ধন্য বুলি ভাবিছোঁ।

সহকাৰী সঙ্গীত সম্পাদক হিচাপে গুৰু দায়িত্ব লৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সঙ্গীতমুখী কৰিম বুলি আশা আৰু কল্পনা কৰিছিলোঁ। কিন্তু দেশৰ পৰিস্থিতিকে আদি কৰি বহুতো বাধাই মোৰ আশা আৰু কল্পনাক বাস্তৱত ৰূপা-য়িত কৰিব নোৱাৰিলে। সঙ্গীত শাখাৰ সহকাৰী সম্পাদক হৈ অতি কম সময়ৰ বাবে সঙ্গীতপ্ৰেমী ছাত্ৰ-ছাত্ৰীসকলৰ লগত থাকি পাৰ্য্যমানে সহায় সহযোগ আৰু উৎসাহ যোগাই মোৰ কাৰ্য্য সম্পাদনা কৰিবলৈ মই চেষ্টা কৰিছিলোঁ। কিন্তু বিভিন্ন অসুবিধা আৰু অন্তৰায়ৰ সন্মুখীন হোৱা হেতুকে মই আশানুৰূপ অগ্ৰগতি লাভ কৰিব নোৱাৰিলোঁ।

মোৰ কাৰ্য্যকালৰ ভিতৰত আমাৰ মহাবিদ্যালয়ৰ বছেৰে-কীয়া সপ্তাহ হৈ গ'ল। সময়ৰ বিশেষ নাটনিৰ বাবে আমি বহুকেইটা বিষয়ৰ প্ৰতিযোগিতা পাতিব নোৱাৰিলোঁ। তাৰবাবে মই মোৰ ব্যক্তিগত ফালৰ পৰা নিজেই দুঃখিত। সেইবাবে যিসকল ছাত্ৰ বন্ধুৱে এই কেইটি বিষয়ত বিশেষ আগ্ৰহ প্ৰকাশ কৰিছিল তেওঁলোকৰ ওচৰত মই ক্ষমা বিচাৰিছোঁ। আমাৰ এইবাৰৰ সঙ্গীত প্ৰতিযোগিতাত শ্ৰীৰাণা বৰাই শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰিছে। তেওঁলৈ আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ সঙ্গীত বিভাগত কোনো অনুশীলনৰ ব্যৱস্থা নোহোৱা বাবে আৰু পৰিচালনাৰ ক্ষেত্ৰত বৰ দুৰ্বল হোৱা হেতুকে মহাবিদ্যালয়খনৰ বহুতো প্ৰতিভাবান ছাত্ৰই বিশেষ পাৰদৰ্শিতা দেখুৱাব পৰা নাই। আমাৰ মহাবিদ্যালয়ত সঙ্গীত বিভাগৰ বিভিন্ন দিশৰ ওপৰত অধ্যয়নৰ সুবিধাৰ বাবে এখনি তিনিমহীয়া আলোচনীৰ অভাৱ হৈ আছে। গতিকে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীসকলে যাতে উপযুক্ত অনুশীলন আৰু তত্ত্বাৱধানত যোগ্যতা অৰ্জন কৰিবলৈ অনুকূল পৰিৱেশ পায় তাৰ ব্যৱস্থা কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক আৰু মোৰ পিছৰ সম্পাদক সকলক টানি অনুৰোধ জনালোঁ।

মোৰ কাৰ্য্যকালত বহুতো অজ্ঞাত ভুল-ত্ৰুটী থাকি যাব পাৰে। তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ। মোৰ কাৰ্য্যকালত মোক বহুতো দিশত সহায় কৰা ছাত্ৰ বন্ধু শ্ৰীতপন চৌধুৰী, শ্ৰীপ্ৰদীপ বৰুৱা, শ্ৰীমৃদুল বৰা আৰু শ্ৰীদীপালি বৰাক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তাৰ উপৰি সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দিয়া শিক্ষাগুৰু শ্ৰীনৰেন শইকীয়া, শ্ৰীমলয় কুমাৰ ৰয় আৰু শ্ৰীশৰদ মাধৱ কুম্ৰে দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি--

**শ্ৰীউজ্জ্বল কুমাৰ তালুকদাৰ**
সহঃ সম্পাদক, সঙ্গীত বিভাগ।

## ছাত্ৰ জিৰণি কোঠা

ছাত্ৰ-ছাত্ৰীসকলে ১৯৮২-৮৩ চনৰ বাবে আমাক ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক নিৰ্বাচিত কৰে। আমাৰ ওপৰত এই দায়িত্ব ন্যস্ত কৰাৰ কাৰণে সকলো বন্ধু-বান্ধৱীলৈ ধন্যবাদ জনালোঁ।

মহাবিদ্যালয় এখনত ছাত্ৰ জিৰণি কোঠাৰ গুৰুত্ব বাৰুকৈয়ে আছে। আমাৰ মহাবিদ্যালয়ত এটি আহল-বহল জিৰণি কোঠা

আছে যদিও বৰ্তমান শ্ৰেণীসমূহত বাঢ়ি অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাই এই কোঠাটোৰ সীমাবদ্ধতা প্ৰকাশ কৰাইছে। তথাপি ছাত্ৰ-বন্ধুসকলে অনেক অসুবিধাকো আওকাণ কৰি নিজৰ সুন্দৰ দায়িত্ববোধৰ পৰিচয় দিছে।

আমি বিভিন্ন সময়ত জিৰণি কোঠাত খেলা-ধূলাৰ সামগ্ৰী যোগানৰ কাৰণে কৰ্তৃপক্ষৰ ওচৰত টানি অনুৰোধ জনাই আহিছোঁ। মহাবিদ্যালয়ৰ আৰ্থিক অৱস্থাই বহুখিনি অভাৱ পূৰণ কৰাত বাধা জন্মাইছে। অদূৰ ভৱিষ্যতে এনে অভাৱ-বোৰ দূৰ হ'ব বুলি আশা ৰাখিলোঁ।

শ্ৰীভবেন কুমাৰ বৰুৱা
সম্পাদক

## ব্যায়াম বিভাগ

জয় জয়তে ঐতিহ্যপূৰ্ণ আঃ চেঃ ফুঃ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকলে মোক মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ ব্যায়াম বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাত তেখেতসকললৈ মোৰ হিয়াভৰা ওলগ যাচিছোঁ।

বৰ্তমান জাতীয় আন্দোলনত কলিজাৰ কেঁচা তেজেৰে অসমী আইৰ চৰণ পখালি যিসকল পুণ্যাত্মা অমৰ ধামলৈ গতি কৰিলে, সেই সকল শ্বহীদৰ শতবাৰ শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। প্ৰতিবেদন লিখিবলৈ লৈ ভাবিছোঁ, কি লিখোঁ? নিৰ্বাচিত হোৱাৰ আগৰে পৰা দেশৰ বৰ্তমান পৰিস্থিতিত অনেক সময়ত জাতীয় স্বাৰ্থক আগস্থান দিবলগা হোৱাত ব্যায়াম বিভাগটোৰ বাবে বিশেষ একো কৰিব পৰা নাই যদিও কিছু কৰা হৈছে।

শৰীৰ চৰ্চাটো এটা আৱশ্যকীয় ক্ৰীড়া বুলি ক'ব পাৰি। ইয়াক শিকাটো সকলোৰে কৰ্তব্য কাৰণ এটা সুস্থ সবল শৰীৰেহে মনক আনন্দ দিব পাৰে, 'স্বাস্থ্য হ'ল সম্পদ'। সেয়ে আমাৰ মহাবিদ্যালয়তো এটা ব্যায়ামাগাৰৰ খোলাটো নিতান্ত প্ৰয়োজন, তাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত আলোচনা চলোৱা হৈছে।

আগৰ বাৰৰ দৰে এইবাৰো ১৯৮২-৮৩ চনৰ মহাবিদ্যালয় সপ্তাহ পালন কৰা হৈছে। এই বছেৰেকীয়া ক্ৰীড়া সমাৰোহত ব্যায়াম বিভাগত কেইবাটাও প্ৰতিযোগিতা পতাৰ থিৰাং কৰা হৈছিল। সেই অনুপাতে বহুতো ছাত্ৰই প্ৰতিদ্বন্দ্বিতা কৰিছিল, কিন্তু সকলোবোৰ প্ৰতিযোগিতা পাতিব পৰা নগ'ল, কলেজৰ একমাত্ৰ আৰ্থিক শোচনীয়তাৰ বাবে। সেয়ে মই নিজে তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। আৰু যিসকল প্ৰতিযোগীয়ে প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰি খ্যাতি অৰ্জন কৰিছে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেওঁলোকে যেন ভৱিষ্যতে আৰু ভালকৈ সুখ্যাতি অৰ্জন কৰিব পাৰে তাৰ বাবে মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।

সদৌ শেষত আমাক বিভিন্ন কামত উৎসাহ আৰু অনুমতি প্ৰদান কৰাৰ বাবে মাননীয় আব্দুল হাই দেৱ আৰু সহায় আৰু উপদেশ প্ৰদান কৰা বাবে তত্ত্বাৱধায়ক শ্ৰদ্ধেয় ছৰিফ ছাৰ আৰু অসম জিমনাষ্টিক এচছিয়েচনৰ সহকাৰী সম্পাদক শ্ৰীমুখলেছ আহমেদ, শ্ৰীতপন ভট্টাচাৰ্য্য, হুচেন কামাল মাহমোদোৰ ৰহমান (ৰোমান) আৰু মোৰ বন্ধু সূৰ্য্য শইকীয়ালৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। তাৰ উপৰিও বন্ধু সৰ্বশ্ৰী নীৰেণ নাথ, দীপক বৰুৱা, মাইনুল হক চৌধুৰী, পূৰ্ণকান্ত নাথ আৰু আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ কাৰ্য-নিৰ্বাহকৰ আটাইকে মই পাহৰিব নোৱাৰিম। অৱশেষত মোৰ ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাগি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ প্ৰীতিৰে ওলগ জনাইছো।

জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়।

**শ্ৰীদেৱকান্ত লস্কৰ**
সম্পাদক ব্যায়াম বিভাগ, ১৯৮৩ চন

## সমাজ সেৱা বিভাগ

আৰম্ভণিতে মোক আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জাতীয় সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। জাতীয় সমাজ সেৱা বাহিনীটো আমাৰ মহাবিদ্যালয়ত ১৯৭০ চনৰ পৰাই অধ্যাপক ডঃ মলয় কুমাৰ ৰয় মহোদয়ে পৰিচালনা কৰি আহিছে। এই বাহিনীটোৰ মূল উদ্দেশ্য হৈছে পিছ পৰা অঞ্চলসমূহত স্বেচ্ছাসেৱক আৰু স্বেচ্ছা-সেৱিকাৰ জৰিয়তে উন্নয়নমূলক কাম সমাধা কৰা আৰু জনসাধাৰণৰ মাজত উন্নয়নমূলক আঁচনি দেখুওৱা।

এইবাৰ মহাবিদ্যালয়ত ৮৫ জন ছাত্ৰ-ছাত্ৰীয়ে জাতীয় সমাজ সেৱা বাহিনীত স্বেচ্ছাসেৱক আৰু স্বেচ্ছাসেৱিকা ৰূপে অংশ গ্ৰহণ কৰিবলৈ আগ বাঢ়ি আহিছেঁ, কিন্তু মোৰ কাৰ্য-কালৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত চলি থকা বিদেশী বহিষ্কৰণ আন্দোলনৰ বাবে বছৰটোৰ সৰহ সংখ্যক দিন মহাবিদ্যালয় বন্ধ থাকে আৰু তাৰ কাৰণে পূৰ্ণৰূপে সকলো কাম নিয়াৰিকৈ চলাত বাধা পৰে।

যি হওক বছৰটোৰ শেষ ভাগত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে মহাবিদ্যালয়ৰ চৌহদত তিনিটা মান শিবিৰ পাতি মোৰ কাম আৰম্ভ কৰিছিলো। ইয়াত সকলো ছাত্ৰ ছাত্ৰীয়ে যথেষ্ট সহায় সহযোগিতা আগবঢ়ায়। এই জাতীয় সমাজ সেৱা বাহিনীয়ে বছৰটোৰ শ্ৰেষ্ঠ কৰ্মীসকলক একোটাকৈ উপাধি দিয়াৰ উপৰিও তেওঁলোকৰ কৰ্মৰ চিন স্বৰূপে একোখনকৈ প্ৰমান-পত্ৰ দিয়া হয়। শেষত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মঃআব্দুল হাই মহোদয় আৰু মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা জনাই শেষত হৈ যোৱা অসমৰ বামাৰলীত নিহত হোৱা শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই মোৰ প্ৰতিবেদন আজিলৈ ইমানতে সামৰিলো।

শ্ৰীকমলা কান্ত ৰৰা
সম্পাদক ঃ সমাজ সেৱা বিভাগ

## ছাত্ৰ-ছাত্ৰী সাহায্য নিধি

প্ৰতিবেদনৰ আৰম্ভনিতে মই মোৰ শিক্ষাগুৰুসকলক প্ৰণাম জনাইছো লগতে ১৯৮২-৮৩ চনৰ বাবে উক্ত পদত মোক অধিষ্ঠিত কৰা মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ শলাগ লৈছো। চলিত বিদেশী বহিষ্কাৰ আন্দোলনত শ্বহীদ হোৱা সকলৰ আত্মাৰ সদ্‌গতি কামনা কৰিছো।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আজিলৈকে বিভিন্ন দিশত পাৰদৰ্শিতা দেখুৱাই আহিছে।

আমাৰ মহাবিদ্যালয়ৰ অধিক ছাত্ৰ-ছাত্ৰী আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ। সেয়ে গুৰুত্ব অনুভৱ কৰি মহাবিদ্যালয়ৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্যৰ দ্বাৰা উপকৃত কৰা হৈছে। ইয়াৰোপৰি চলিত আন্দোলনত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ ল'ৰা-ছোৱালীসকল যাতে শিক্ষা ক্ষেত্ৰত পিছ পৰি নাথাকে তাৰ বাবে আনৰ লগতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সৈতে মোৰ তৰফৰ পৰাও কিছু পাঠ্য পুথিৰ জৰিয়তে সাহায্য আগ বঢ়োৱা হৈছে। তথাপিও মোৰ বহতো কাম আধৰুৱা হৈ থাকিল। সেইবোৰ---

১। ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ অৰ্থে এটি পাঠ্য-পুথি ভঁৰাল।
২। আৰ্থিক সাহায্যৰ পৰিমাণ বৃদ্ধি।

শেষত মই আশা কৰো মোৰ পৰৱৰ্তী সম্পাদকে যাতে এই আধৰুৱা কাম সমাধা কৰে। সৰ্বশেষত মোৰ কাৰ্য্যকালত সৰ্বশেষত মোৰ কাৰ্য্যকালত সহায় সাৱথি কৰা সকলক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

শ্ৰীঅতুল চন্দ্ৰ ভট্টাচাৰ্য্য
জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
নগাঁও।

## ক্ৰীড়া বিভাগ

জয় জয়তে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয় আৰু অধ্যাপক-অধ্যাপিকা সকলোৰ লগতে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

১৯৮২-৮৩ চনৰ ছাত্ৰ সন্থাৰ অন্তৰ্গত ক্ৰীড়া বিভাগৰ সম্পাদকৰ গধুৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰাত মই নিজকে ধন্য মানিছো। মোৰ এই গধুৰ কাৰ্য্যভাৰ চলাই নিয়াত যিসকল অধ্যাপক-অধ্যাপিকা আৰু সহঃকৰ্মীসকলে অনুপ্ৰেৰণা দিছিল তেখেতসকললৈ মোৰ হিয়া ভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

সম্পাদক হিচাপে মই যিখিনি কাম কৰিছোঁ তাত মোৰ বিশেষ কৃতিত্ব আছে বুলি মই নাভাবো। কিন্তু এই কথাও পৰিষ্কাৰ যে সামৰ্থ অনুসৰি যিখিনি কৰিব পৰা যায় সেইখিনি কৰিবলৈ মই কোনো ক্ষেত্ৰতে কুণ্ঠাবোধ কৰা নাই আৰু কাম কৰোতে ভুল হোৱাটো স্বাভাৱিক আৰু তাৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

সম্পাদকৰ ভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পাছ
আমাৰ মহাবিদ্যালয়ৰ ৫ (পাঁচ) দিনীয়া বাৰ্ষিক ক্ৰীড়া সমা
আৰম্ভ হৈছিল। প্ৰথম দিনা ৭।১২।৮২ তাৰিখে ৰাতিপুৱা
বজাত ভলিবল খেলেৰে খেল মুকলি কৰা হৈছিল। মুক
কৰিছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় মোঃআব
হাই চাহাবে, লগতে সহায় কৰিছিল ক্ৰীড়া বিভাগৰ তত্বাৱধা
মাননীয় মঃচৰিফ উদ্দিন চাহাবে। সেই দিনটো নানা খে
মাজেৰে পাৰ হৈছিল আৰু ঠিক সেইদৰে ৮,৯,১০,১১ তাৰিখে
নানা ধৰণৰ খেল অনুষ্ঠিত কৰা হৈছিল। ১১ তাৰিখে আবে
৩ বজাত এক বিৰাট সভাত প্ৰতিযোগীসকলে লাভ কৰা
সমূহ বিতৰণ কৰা হৈছিল।

কিন্তু ১৯৮২-৮৩ চনত সম্পাদক হিচাপে কাম চলাও
কিছুমান নতুন অভিজ্ঞতা লাভ কৰিছিলো। কাম চলা
বিশেষ কিছুমান অভাৱেও দেখা দিছিল। অভাৱসমূ
ভিতৰত খেলৰ সম্পূৰ্ণ সা-সৰঞ্জাম আৰু মহাবিদ্যালয়ৰ এখ
স্থায়ী খেল পথাৰেই মোৰ আগত পৰ্বত আকাৰে থিয় দিছিল
এই খিনিতে মই আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়
উনুকিয়াও যে তেখেতে যেন মহাবিদ্যালয়ৰ এখন স্থায়ী খেল
পথাৰ স্থাপন কৰি খেলুৱৈসকলৰ ভৱিষ্যত উজ্বল কৰিবা
উৎসাহ দিয়ে। লগতে আগন্তুক খেলুৱৈ সকলকো উনুকিয়া
যে তেখেত সকলে মহাবিদ্যালয়ৰ পৰা পোৱা সা-সৰঞ্জামখিনি
যেন সৎ কামত সৎ কাৰ্য্যত ব্যৱহাৰ কৰে। পৰিতাপ
কথা যে এই মহাবিদ্যালয়ত প্ৰায় ২ (দুই) হাজাৰতকৈ
অধিক ছাত্ৰ-ছাত্ৰী থকা স্বত্বেও কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে
খেলত অংশ গ্ৰহণ কৰে। কলেজৰ বাৰ্ষিক ক্ৰীড়া সমা
পাতিলে প্ৰায় বেছি ভাগ ছাত্ৰ-ছাত্ৰীয়েই কলেজ বন্ধ বু
ভাবে। মহাবিদ্যালয়ৰ ক্ৰীড়া সমাৰোহ যদি কলেজীয়া ছা
ছাত্ৰীৰ কাৰণেই পতা হয় তেন্তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছা
খেলত অংশ গ্ৰহণ নকৰাৰ কাৰণেইবা কি? মই আশা ৰাখি
আগলৈ কলেজৰ যি কোনো খেল ধেমালিত প্ৰত্যেক
ছাত্ৰীয়েই অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰি

কাৰ্য্যভাৰ সম্পাদন কৰাত মোৰ সহকৰ্মী যথাক্ৰমে শ্ৰীজ
নাথ আৰু শ্ৰীপূৰ্ণকান্ত নাথক মোৰ আন্তৰিক অভিনন্দন জনালো
লগতে আমাৰ মহাবিদ্যালয়ৰ সহযোগী বন্ধু-বান্ধৱী সকলোকে
মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
ক্ৰীড়া বিভাগৰ ভৱিষ্যৎ উজ্বল কামনাৰে মোৰ প্ৰতিবেদন
সামৰণি মাৰিলো।

মঃ মোখলেছুৰ ৰহমা
সম্পাদক ক্ৰীড়া বিভাগ
"জয়তু আনন্দৰাম ঢেকিয়াল ফুক
মহাবিদ্যালয়"।

# সম্পাদকীয়

ঐতিহ্যপূৰ্ণ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়খনি উনবিংশ শতিকাৰ অসমৰ এগৰাকী সিংহ-পুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত প্ৰতিষ্ঠিত হয় ১৯৫৯ চনত। এই বছৰত মহাবিদ্যালয়খনিয়ে পঁচিশ বছৰত ভৰি দিছেহি। ক'ব পাৰি, এই সময়ছোৱা মহাবিদ্যালয়খনৰ যৌৱন কাল। ইতিমধ্যে এই মহাবিদ্যালয়ৰপৰা অজস্ৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি ওলাই গৈছে আৰু সেইসকলৰ ভিতৰত ভালেমান ব্যক্তি ইতিমধ্যে অসমৰ শিক্ষা-সংস্কৃতিৰ জগতত সুপ্ৰতিষ্ঠিত হৈছে। অনাগত ভৱিষ্যততো এনেদৰেই অজস্ৰ জ্ঞানাৰ্থী ইয়ালৈ আহিব আৰু একেদৰেই ইয়াৰ চৌহদৰ পৰা প্ৰস্থান কৰিব। জ্ঞান অন্বেষণৰ এই অবিৰত সুঁতি নিৰবচ্ছিন্নভাৱে চলি থাকিব। আমি আজি এই কথা সুঁৱৰি ভাল পাইছোঁ যে অসমৰ এগৰাকী পুণ্যশ্লোক ব্যক্তিৰ নামত বিংশ শতিকাৰ আন এগৰাকী ব্যক্তি শুকদেৱ গোস্বামীয়ে একে কৰ্মপ্ৰেৰণা আৰু উদ্যমেৰে এই জ্ঞানৰ আলয়খন ৰচনা কৰিছিল। তেখেতক অকুণ্ঠভাৱে সহায় কৰিছিল লোকসেৱক হলধৰ ভূঞা প্ৰমুখ্যে ভালেকেইজন গুণী সমাজকৰ্মীয়ে। ৰূপালী জয়ন্তীৰ এই শুভ লগনত আমি এই সকল পৰম শ্ৰদ্ধেয় ব্যক্তিলৈ আমাৰ শ্ৰদ্ধাৰ্ঘ যাচিছোঁ।

"আনন্দলেখা" মহাবিদ্যালয়খনিৰ ছাত্ৰসকলৰ মুখপত্ৰ। ইয়াৰ সম্পাদনাৰ কাৰণে আমি নিয়মতান্ত্ৰিক-ভাৱে নিৰ্বাচিত হৈছিলোঁ। কিন্তু পৰম আনন্দৰ কথা যে আমাৰ এই কাৰ্যকালৰ ভিতৰতে মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উছৱটোও আহি পৰিল। মহাবিদ্যালয়ৰ আৰ্থিক সঙ্গতিলৈ লক্ষ্য ৰাখি উছৱৰ স্মৃতিগ্ৰন্থ আৰু নিয়মীয়া 'আনন্দলেখা' একেখন গ্ৰন্থতে সামৰি ল'ব লগা হ'ল। তথাপি 'আনন্দলেখা'ৰ নিজা চিনাকি এই প্ৰসঙ্গৰ প্ৰৱন্ধ গল্প-কবিতা সুকীয়া এটা খণ্ডত নিবন্ধ কৰা হৈছে।

ভালেমান দিন আমি নিজে স্থানান্তৰত থাকিবলগীয়া হোৱাৰ কাৰণে আমাৰ অনুপস্থিতিতো যাতে 'আনন্দলেখা' নিয়মীয়াভাৱে প্ৰকাশ কৰিব পৰা হয়, তাৰ কাৰণে ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকে বন্ধুবৰ শ্ৰীমুকুল বৰাক আমাৰ লগতে যুগ্ম দায়িত্ব দিয়ে। আমাৰ অনুপস্থিতিত শ্ৰীবৰাই প্ৰবন্ধ-পাতি সংগ্ৰহ কৰি সহায় কৰাৰ কাৰণে তেওঁলৈ মোৰ কৃতজ্ঞতা জনালোঁ। লগতে সাধাৰণ সম্পাদক শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া আৰু মঃ মোখলেছুৰ ৰহমানলৈকো তেওঁলোকৰ সহায় সহযোগিতাৰ কাৰণে কৃতজ্ঞতা জনালোঁ।

আব্দুল ৰাসিদ চৌধুৰী
সম্পাদক, আনন্দলেখা, ১৯৮২-৮৩ চন

SOUVENIR : Commemorative volume edited and published by Mukul Bora on the occasion of celebration of the Silver Jubilee of A D. P. College, Nowgong, [Assam] 1983.
Printed at Hemkosh Printers, Guwahati-781 003.